
বিনামূলীয়া পাঠ্যপুথি

# সমাজ বিজ্ঞান
## (দ্বিতীয় ভাগ)
## সপ্তম শ্ৰেণীৰ পাঠ্যপুথি

2G7L01



শিক্ষা(প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

## নাগৰিক হিচাপে আমাৰ কৰ্তব্যসমূহ

- সংবিধান মানি চলা আৰু ইয়াৰ সকলো আদৰ্শ আৰু সংস্থা তথা ৰাষ্ট্ৰীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতক শ্ৰদ্ধা কৰা।
- স্বাধীনতাৰ বাবে কৰা আমাৰ ৰাষ্ট্ৰীয় আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা।
- ভাৰতৰ সাৰ্বভৌমত্ব, ঐক্য আৰু অখণ্ডতা ৰক্ষা কৰা আৰু তাক অক্ষুণ্ণ ৰখা।
- দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা।
- ভাৰতৰ সকলো লোকৰ মাজত, ধৰ্মীয়, ভাষিক আৰু আঞ্চলিক অথবা সাম্প্ৰদায়িক অনৈক্য অতিক্ৰম কৰি সম্প্ৰীতি আৰু সামূহিক ভ্ৰাতৃভাৱ বৃদ্ধি কৰা; নাৰীৰ মৰ্যাদা হানিকৰ আচৰণ ত্যাগ কৰা।
- মিশ্ৰিত সংস্কৃতিৰ মূল্যৱান ঐতিহ্যক মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা।
- বন, হ্ৰদ, নদী আৰু বন্য প্ৰাণীকে ধৰি প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰা আৰু তাৰ উন্নয়ন কৰা, তথা সকলো জীৱিত প্ৰাণীৰ প্ৰতি দয়াভাৱ ৰখা।
- বৈজ্ঞানিক দৃষ্টিভংগী, মানৱতাবোধ, অনুসন্ধিৎসা তথা সংস্কাৰৰ মনোভাৱৰ বিকাশ সাধন কৰা।
- ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাত্মক কাৰ্য পৰিহাৰ কৰা; আৰু
- ব্যক্তিগত আৰু সামূহিক কাম-কাজৰ সকলো ক্ষেত্ৰতে উৎকৰ্ষ সাধনৰ বাবে প্ৰয়াস কৰা যাতে ৰাষ্ট্ৰই সফলতাৰ উচ্চতম পৰ্যায়লৈ আগুৱাই যায়।
- ৬-১৪ বছৰ বয়সৰ সকলো শিশুক পিতৃ-মাতৃ / অভিভাৱকে বিদ্যালয়ত ভৰ্তি কৰোৱা।

### পাঠ্যপুথিত সন্নিবিষ্ট QR ক'ডৰ ব্যৱহাৰৰ নিৰ্দেশনাৱলীঃ

**ম'বাইলত QR ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**

- DIKSHA এপটো খুলি লওক আৰু 'guest' হিচাপে ব্ৰাউজত ক্লিক কৰক।
- শিক্ষাৰ্থী হিচাপে অব্যাহত থাকিবলৈ 'student'ত ক্লিক কৰক।
- পাঠ্যপুথিত থকা QR ক'ড scan কৰিবলৈ QR ক'ডৰ আইকনটোত টিপক।
- QR ক'ডত কেন্দ্ৰ কৰি ম'বাইলটো স্থিৰ কৰি ৰাখক।
- সফলভাৱে scan কৰিলে QR ক'ডত সম্পৰ্কিত হৈ থকা বিষয়বস্তুৰ তালিকাখন পাব।

**ডেস্কটপত ডায়েল (DIAL) ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ**

- QR ক'ডৰ তলত থকা ছটা অংকবিশিষ্ট সংখ্যাটোক ডায়েল 'DIAL' ক'ড বুলি কোৱা হয়।
- আপোনাৰ ব্ৰাউজাৰত diksha.gov.in/as/get লিখক।
- ডায়েল ক'ডটো চাৰ্চবাৰডালত লিখক।
- উপলব্ধ বিষয়বস্তুৰ তালিকাখন চাওক আৰু যিকোনো নতুন বিষয়বস্তুত ক্লিক কৰক।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলীপাৰা, গুৱাহাটী-৭৮১০১৯

# পথ দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ ল'বলগীয়া কিছুমান সাৱধানতা

Q5G3R9





**ৰাস্তাত যাওঁতে—**

- খোজ কাঢ়োঁতে সদায় নিজৰ বাওঁহাতে যাবা।
- ৰাস্তা পাৰ হওঁতে সোঁৱে-বাঁৱে চাই পাৰ হ'বা।
- ৰাস্তাত ফুটপাথ থাকিলে সদায় ফুটপাথেৰে খোজ কাঢ়িবা।
- 'জেব্ৰা চিন' থকা ৰাস্তা পাৰ হওঁতে সদায় জেব্ৰা চিন আঁকা ঠাইৰ ওপৰেদি খোজ কাঢ়ি পাৰ হ'বা।
- ৰাতি টৰ্চ লাইট ব্যৱহাৰ কৰিবা।
- চাইকেল চলাওঁতে দুজন উঠি নাযাবা।

**ৰে'ল ক্ৰছিং পাৰ হওঁতে—**

- ৰে'ল ক্ৰছিঙৰ বন্ধ গেট পাৰ হৈ যাত্ৰা নকৰিবা।
- ৰে'ল গাড়ীখন পাৰ হৈ নোযোৱালৈকে ৰে'লপথ পাৰ নহ'বা।
- ৰে'ল ক্ৰছিঙৰ দুয়োফালৰ গেট নদঙালৈকে ৰে'লপথ পাৰ নহ'বা।



**বাছত যাত্ৰা কৰোঁতে—**

- বাছত সাৱধানে উঠিবা।
- যাত্ৰীৰ সংখ্যা বেছি হলে শাৰী পাতি উঠিবা।
- বাহিৰলৈ থু-খেঁকাৰ নেপেলাবা।
- বাছৰ পাওদানিত উঠি যাত্ৰা নকৰিবা।
- হাত-ভৰি বা মুৰ খিৰিকীৰে বাহিৰলৈ নুলিয়াবা।
- বাছখন সম্পূৰ্ণৰূপে ৰখাৰ পিছতহে উঠা-নমা কৰিবা।
- বাছৰ পৰা নামোতে দুয়োদিশ ভালদৰে চাই ল'বা।



**ৰাস্তাত খোজ কাঢ়োঁতে বা পাৰ হওঁতে শিশু, বৃদ্ধ বা বিশেষভাবে সক্ষম ব্যক্তিক সহায় কৰাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য।**

## ক'ভিড ১৯ সংক্ৰমণৰ পৰা সুৰক্ষিত থাকিবলৈ হ'লে-



কাহ বা হাঁচি মাৰোঁতে ৰুমাল ব্যৱহাৰ কৰিব লাগে নাইবা হাতেৰে মুখখন ঢাকি ল'ব লাগে আৰু পাছত হাতখন ধুই চাফা কৰি ল'ব লাগে। ৰাজহুৱা স্থানত থু, খেকাৰ পেলাব নালাগে।

সঠিকভাৱে মাস্ক পৰিধান কৰিব লাগে।
সঘনাই চাবোনেৰে হাত ধোৱাৰ লগতে চেনিটাইজাৰ ব্যৱহাৰ কৰিব লাগে।



সামাজিক ব্যৱধান বৰ্তাই চলিব লাগে।
(অতি কমেও ছ ফুট দূৰত্বৰ ব্যৱধান)

সকলোৱে টীকাকৰণ কৰা
অতি আৱশ্যক।



# সমাজ বিজ্ঞান

2G7LD1

## (দ্বিতীয় ভাগ)

## সপ্তম শ্ৰেণীৰ পাঠ্যপুথি



প্ৰস্তুতকৰণ ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

নাম ঃ ..................................................

বিদ্যালয়ৰ নাম ঃ ..................................................

শ্ৰেণী ঃ ..................................................

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

# পাতনি

উন্নতমানৰ পাঠ্যক্ৰমৰ আধাৰতহে গুণগতমানৰ পাঠ্যপুথিৰ সৃষ্টি সম্ভৱ। সংবিধানৰ বাধ্যবাধকতা, ৰাষ্ট্ৰৰ জনগাঁথনি, আৰ্থ-সামাজিক অৱস্থা, শাসনব্যৱস্থা, অৰ্থনৈতিক ক্ৰিয়াকলাপ, বিজ্ঞান প্ৰযুক্তিৰ উপযোগিতা আদি সকলোবোৰ দিশ বিবেচনা কৰি পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ প্ৰস্তুতি নিতান্তই প্ৰয়োজন। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগে এই সকলোবোৰ দিশ চালি-জাৰি চাই প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ ২০১০ চনৰপৰাই **ৰাষ্ট্ৰীয় কাৰিকুলাম ২০০৫**ৰ আধাৰত প্ৰস্তুত কৰি আহিছে।

ৰাজ্যৰ শিক্ষাবিদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়াসকল, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়া, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ তথা নৰ্মাল স্কুলৰ শিক্ষক-প্ৰশিক্ষকসকলৰ উপস্থিতিত এলানি কৰ্মশালাৰ জৰিয়তে এই পাঠ্যপুথিৰ পৰিকল্পনা, খচৰা আৰু পুনৰীক্ষণৰ কাম সম্পন্ন কৰা হৈছে।

পাঠ্যপুথিৰ প্ৰস্তুতকৰণ কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ উপৰি বিষয় বিশেষজ্ঞৰ সহায় লোৱা হয়। এই সুবাদতে শ্ৰদ্ধাৰ এই ব্যক্তিসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

পাঠ্যপুথিখনৰ কাঠামো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিসমূহৰ আলম লোৱা হৈছে যাতে আমাৰ পুথিখনৰ গুণগত মান নিশ্চিত কৰিব পাৰি। পাঠ্যপুথিৰ এই মান সুনিশ্চিত কৰাৰ বাবে কিছুসংখ্যক নিৰ্বাচিত বিদ্যালয়ৰ শ্ৰেণীকক্ষত পৰীক্ষামূলকভাৱে পাঠ্যপুথিৰ আদান-প্ৰদানৰ ব্যৱস্থা লোৱা হয়। পৰীক্ষণকালত সদাশয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰপৰা পোৱা প্ৰতিপুষ্টিয়ে পাঠ্যপুথিৰ মান উন্নয়নত যথেষ্ট সহায়ক হৈছে।

সম্প্ৰতি প্ৰযুক্তিসম্বলিত প্ৰেক্ষাপটৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক স্থিতিক সবল কৰাৰ অৰ্থে সমাজ বিজ্ঞানৰ পাঠ্যপুথিত "দীক্ষা"(DIKSHA)ৰ তত্বাৱধানত কিউ আৰ ক'ড(Q.R Code) সংযোজন কৰা হৈছে যাতে ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কম সময়তে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ সামগ্ৰিক ধাৰণা আয়ত্ত কৰাই শিকনৰ ফলাফল নিশ্চিত কৰিব পাৰি। এই কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত দীক্ষাকে ধৰি যিসকল পাৰদৰ্শী ব্যক্তিয়ে অতি কম সময়ৰ ভিতৰত আমাৰ লগত সহযোগ কৰিলে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

বিগত দহটা বছৰত দেশৰ সামগ্ৰিক দিশলৈ অহা পৰিৱৰ্তন আৰু নতুন চিন্তা-চৰ্চাৰ আধাৰত ২০২১ বৰ্ষত পাঠ্যপুথিখনৰ পুনৰীক্ষণৰ কাম হাতত লোৱা হয়। সেইমৰ্মে পাঠ্যপুথিৰ আটাইকেইটা খণ্ড নতুন তথ্য, চিন্তা, ধাৰণা আৰু চিত্ৰৰ সংযোজনেৰে সজাই তোলাৰ প্ৰয়াস কৰা হৈছে। আশা কৰা হৈছে, পাঠ্যপুথিৰ এই পুনৰীক্ষিত সংস্কৰণে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলক সমাজ বিজ্ঞান বিষয়টোৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব।

অনাগত দিনবোৰত সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক আৰু বহুমূলীয়া দিহা-পৰামৰ্শই পাঠ্যপুথিৰ আঁসোৱাহসমূহ দূৰ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

(ড° নিৰদা দেৱী)
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

# পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

## পাঠ প্ৰস্তুতকৰণ

**শ্ৰী গণেশ চন্দ্ৰ গোস্বামী,** অৱসৰী জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

**শ্ৰী ত্ৰিলোচন ঠাকুৰীয়া,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

**ড° নৱনীতা বৰুৱা,** প্ৰবক্তা, ইতিহাস বিভাগ
পাণ্ডু মহাবিদ্যালয়, গুৱাহাটী।

**শ্ৰী নব কুমাৰ শৰ্মা,** অৱসৰী প্ৰবক্তা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।

**শ্ৰীমতী মিৰণ দেৱী,** অৱসৰী প্ৰবক্তা
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও।

**শ্ৰীমতী মঞ্জু চেতীয়া,** ভাৰপ্ৰাপ্ত অধ্যক্ষ,
বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ, মাজুলী।

**শ্ৰীমতী জ্যোৎস্না গগৈ মেদক,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, লখিমপুৰ।

**শ্ৰী ৰাতুল নেওগ,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও।

**শ্ৰী অশোক শৰ্মা,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰী দেবেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও।

**শ্ৰী জেহিৰুদ্দিন শ্বেখ,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কৰিমগঞ্জ।

**শ্ৰী কুলদীপ মজুমদাৰ,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰী হৰিনাথ বৰা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰীমতী ভাৰতী কলিতা,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা।

**শ্ৰীমতী ৰশ্মিৰেখা হাজৰিকা,** প্ৰবক্তা, বেলতলা মহাবিদ্যালয়।

**শ্ৰীমতী ৰুমী হাজৰিকা,** বিষয় শিক্ষয়িত্ৰী,
দিশপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰীমতী মঞ্জু বৰা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী,
পাণবজাৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী।

**শ্ৰী দীপক কুমাৰ তালুকদাৰ,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।

**শ্ৰী চিত্ত নাৰায়ণ বৰুৱা,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**ছৈয়দা ৰুমেনা বেগম,** অৱসৰী জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰী প্ৰদীপ ৰয়,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।

**শ্ৰীমতী অপৰ্ণা শৰ্মা,** অৱসৰী বিষয় শিক্ষয়িত্ৰী(ইতিহাস),
কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়, গুৱাহাটী

**শ্ৰীমতী মিতালী বৰা,** সহকাৰী শিক্ষয়িত্ৰী, নৰ্মাল স্কুল, নগাঁও।

## পুনৰীক্ষণ

ভূগোল

**ড° মহম্মদ তাহেৰ,** প্ৰাক্তন মুৰব্বী অধ্যাপক
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ইতিহাস

**শ্ৰী মৃদুপৱন গোস্বামী,** প্ৰাক্তন অধ্যক্ষ
শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, যোৰহাট

*অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান*

**শ্ৰীযুত গৌতম মজুমদাৰ,** সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।

**ড° ধ্ৰুৱ প্ৰতীম শৰ্মা,** সহযোগী অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়।

*ভাষা বিশেষজ্ঞ*

**ৰমেশ চন্দ্ৰ পাঠক,** প্ৰাক্তন মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, কটন মহাবিদ্যালয়।

## পুনৰীক্ষণ-২০২১

ভূগোল খণ্ড

**অধ্যাপক অৱনী কুমাৰ ভাগৱতী,**
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

**শ্ৰী দেবেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নগাঁও।

**শ্ৰী দীপক তালুকদাৰ,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।

**শ্ৰী ৰাজেশ বৰদলৈ,** সহকাৰী শিক্ষক,
আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট।

**শ্ৰী ৰাজেশ বৰ্মন,** সহকাৰী শিক্ষক,
কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়, কামৰূপ (মহানগৰ)।

ইতিহাস খণ্ড

**ড° মুনীন শইকীয়া,** মুৰব্বী অধ্যাপক, ইতিহাস বিভাগ,
বাপুজী মহাবিদ্যালয়, বৰপেটা।

**শ্ৰী পৰশ গোস্বামী,** জিলা আৰ্টমি বিষয়া, সমগ্ৰ শিক্ষা, যোৰহাট

**শ্ৰীমতী হিমাদ্ৰী বৰ্মা,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, ডিব্ৰুগড়।

**শ্ৰীমতী ৰশ্মিতা বৰা,** বিষয় শিক্ষক,
লাহৰীঘাট উচ্চতৰ মাধ্যমিক বিদ্যালয়, মৰিগাঁও।

অৰ্থনীতি খণ্ড

**শ্ৰীযুত গৌতম মজুমদাৰ,** সহযোগী অধ্যাপক, অৰ্থনীতি বিভাগ,কটন বিশ্ববিদ্যালয়।

**শ্ৰী হৃদয় ভট্টাচাৰ্য,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ।

**শ্ৰী কাৰ্ত্তিক ৰাজবংশী,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ।

**শ্ৰীমতী জুৰিটি দেৱী,** বিষয় শিক্ষক,
দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, কামৰূপ(গ্ৰাম্য)।

ৰাজনীতি খণ্ড

**ড° শান্তনু চক্ৰৱৰ্তী,** সহযোগী অধ্যাপক, ৰাজনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।

**ড° ছুটকী তালুকদাৰ,** মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ।
কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**ড° ভবেন কাকতি,** সহকাৰী অধ্যাপক,
কামৰূপ মহাবিদ্যালয়, নলবাৰী।

**শ্ৰী প্ৰদীপ দাস,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বৰপেটা।

## সম্পাদনা আৰু সংকলন- ২০২১

**ড° অজন্তা ৰাজখোৱা,** যুটীয়া সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

**শ্ৰীমতী বন্দনা দুৱৰী,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

## শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি

শান্তিপূৰ্ণ সমাজ এখনৰ ভেটি সমৃদ্ধ হয় সমাজ বিজ্ঞান বিষয়ৰ জ্ঞানৰ আধাৰত। দ্বিধাহীনভাৱে ইয়াৰ জ্ঞানে নৱপ্ৰজন্মৰ সামগ্ৰিক স্থিতিক সবল কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও এক সূক্ষ্ম আৰু ৰুচিসম্মত মানসিকতাৰ বাট মুকলি কৰে। ক্ৰমবৰ্ধমান পৰস্পৰ নিৰ্ভৰশীল পৃথিৱীত প্ৰতিনিয়ত মুখামুখি হোৱা বাস্তৱতাৰ লগত মোকাবিলা কৰিবলৈ প্ৰয়োজন হোৱা জ্ঞান, বুদ্ধি আৰু কৌশল আয়ত্ত কৰিব পাৰি একমাত্ৰ সমাজ বিজ্ঞানৰ নিৰলস অধ্যয়নৰ যোগেদি। স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক বুজাপৰা, ভ্ৰাতৃত্ববোধ, সম্মান, বৈচিত্ৰ্যৰ প্ৰতি আস্থা তথা সম্ভাৱ আদিৰ দৰে মানবীয় মূল্যবোধৰ শক্তিশালী বোধ সৃষ্টিতো ই অৰিহণা যোগায়। তদুপৰি যিকোনো সময়ৰ ঘটনা বা পৰিঘটনাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা ছাত্ৰ-ছাত্ৰীসকলৰ মনত ই গঢ়ি তোলে। সমাজ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ইয়াৰ লগত জড়িত লোকসকলৰ প্ৰচেষ্টাই সামাজিক মূল্যবোধৰ প্ৰতি ভাবুকি স্বৰূপে থিয় দিয়া অপশক্তিসমূহ চিনাক্ত কৰি প্ৰয়োজনত তাক পৰাভূত কৰিবলৈকো ছাত্ৰ-ছাত্ৰীসকলক মনোবল দিয়ে।

এইটো অনস্বীকাৰ্য যে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহ যেনে -ভূগোল, ইতিহাস, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আদি প্ৰতিটোৰে উদ্দেশ্য আৰু বিষয়বস্তুৰ স্বকীয়তা আছে। আনহাতে প্ৰতিটো বিষয়ৰ এনে বিভিন্নতা থাকিলেও তাৰ কিছু উমৈহতীয়া বৈশিষ্ট্যও আছে। এটা বিষয়ক বাদ দি আন এটা বিষয়ৰ আলোচনা স্বাভাৱিকতে ফলপ্ৰসূ নহয়। সুস্থ, সবল, শান্তিপূৰ্ণ সমাজ এখন গঢ়িবলৈ প্ৰতিটো বিষয়ৰে অৰ্হতা ভিত্তিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিতান্ত প্ৰয়োজনীয়, কিয়নো ইয়ে তেওঁলোকক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগায়। অন্যথা সমাজ বিজ্ঞানৰ জ্ঞান আধৰুৱা হোৱাই নহয়, ই সমাজ জীৱন ঘূৰ্ণীয়া কৰাৰো সম্ভাৱনা থাকে। সেয়েহে বোধহয় আজিৰ এই ক্ৰমবৰ্ধমান, বিজ্ঞান প্ৰযুক্তিৰে সমৃদ্ধ পৃথিৱীখনত সমাজ বিজ্ঞানৰ আদৰ আৰু গ্ৰহণযোগ্যতা দিনক দিনে বাঢ়ি যাব ধৰিছে।

মুখস্থ আৰু পাঠ্যপুথি নিৰ্ভৰশীল শিক্ষাৰপৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখি সৃষ্টিমূলক কাম-কাজ আৰু সন্ধানীসূচক প্ৰশ্নৰ আধাৰত শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকক অংশীদাৰ কৰি লোৱাটো বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক এৰাব নোৱাৰা দিশ। তাকে কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহৰ সমন্বয় সাধন অপৰিহাৰ্য। শিশু মনোবিজ্ঞানৰ সু-প্ৰয়োগেৰে শিক্ষাক জীৱনোপযোগী কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু সমাজৰ গুণী, জ্ঞানীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কোঠাত সতৰ্কতাৰে খোজ দিব লাগিব। সচৰাচৰ শ্ৰেণীকোঠাত চলি থকা একঘেয়ামী শিক্ষণ ব্যৱস্থা আঁতৰাই প্ৰয়োজন সাপেক্ষে শিথিল ৰুটিন আৰু দলগত কাৰ্য অৱলম্বনৰ দ্বাৰা প্ৰচেষ্টা চলাব লাগিব যাতে শ্ৰেণীকোঠালৈ এক গতিশীলতা আহে। তদুপৰি শিকনৰ ফলাফল আয়ত্তকৰণৰ উদ্দেশ্য আগত ৰাখি পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াৰ লগত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা ক্ৰিয়াকলাপসমূহ নিশ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ লব্ধ জ্ঞানৰ এশ শতাংশই হিচাপ ল'ব লাগিব। তাকে কৰিলেহে শিশুৰ সৰ্বাংগীন বিকাশৰ সম্পূৰ্ণ খতিয়ান লোৱাটো সম্ভৱ হ'ব।

এই সকলোবোৰ উদ্দেশ্য আগত ৰাখি সমাজ বিজ্ঞানৰ পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় কেৰিকুলামৰ আধাৰ ২০০৫'ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। পাঠ্যপুথিখনত মূল তিনিটা খণ্ড অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হ'ল—ভূগোল, ইতিহাস, অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান। আটাইকেইটা খণ্ডৰে বিষয়বস্তু সামৰি মুঠ ২৫ টা পাঠ ইয়াত সন্নিবিষ্ট কৰা হৈছে। পাঠসমূহ অৰ্হতা ভিত্তিক, ক্ৰিয়াকলাপ সমৃদ্ধ, আকৰ্ষণীয় আৰু সময়োপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

শ্ৰেণীকক্ষত পাঠদানৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল–

**শিকনৰ ফলাফল ঃ** পাঠ্যপুথিখনৰ প্ৰতিটো পাঠৰ আৰম্ভণিতে বাকচৰ ভিতৰত 'শিকনৰ ফলাফল' শিতান এটি ৰখা হৈছে। এই শিতানৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উভয়কে পাঠৰ অন্তৰ্নিহিত উদ্দেশ্যৰ লগত পৰিচয় কৰাই দিয়া আৰু পঠন-পাঠন প্ৰক্ৰিয়াৰ জৰিয়তে শিকনৰ ফলাফল আয়ত্তকৰণত সহায় কৰা।

**জানি থওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে বাকচৰ ভিতৰত 'জানি থওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্ক থকা অতি প্ৰয়োজনীয় আনুসংগিক কিছু কথাৰ আভাস দিয়া হৈছে। পাঠৰ লগত সংগতি থকা জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি বুলি ধাৰণা কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ** পাঠত অন্তৰ্নিহিত হৈ থকা প্ৰতিটো অৰ্হতা যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে আৰু লগতে অবিৰত মূল্যায়নতো সহায়ক হয়, তাৰ বাবে পাঠৰ মাজে মাজে ক্ৰিয়াকলাপ শিতানত কিছুমান চিন্তাৰ উদ্ৰেক কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। এই ক্ৰিয়াকলাপসমূহ ব্যক্তিগত, যুৰীয়া, দলীয় আদি শিকন ব্যৱস্থাৰে সম্পন্ন কৰাৰ অৱকাশ ৰখা হৈছে।

**উত্তৰ লিখা ঃ** অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থাৰ লগত সংগতি ৰাখি পাঠত বৰ্ণিত বিষয়বস্তুৰ আধাৰত 'উত্তৰ লিখা' শীৰ্ষক শিতান এটি সন্নিবিষ্ট কৰা হৈছে যাতে শিক্ষকে পাঠ আদান-প্ৰদানৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰাৰ অৱকাশ পায়।

**মানচিত্ৰ/ছবি ঃ** পৰ্যবেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

**মনত ৰাখিবলগীয়া কথা ঃ** প্ৰতিটো পাঠৰ সামৰণিত 'মনত ৰাখিবলগীয়া' শীৰ্ষক আন এটি শিতান ৰখা হৈছে। এই শিতানৰ জৰিয়তে প্ৰতিটো পাঠত শিকি অহা কথাবোৰ আউল নলগাকৈ পুনৰ আলোচনাৰ সুযোগ দিয়া হৈছে।

**অনুশীলন ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে। এই শিতানত থকা ক্ৰিয়াকলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি অধিক ওপৰঞ্চি ক্ৰিয়াকলাপ কৰোৱাটো বাঞ্ছনীয়।

সমাজ বিজ্ঞানৰ পাঠবপৰা কেৱল বিষয়বস্তুৰ জ্ঞান আহৰণ কৰোৱাটোৱেই শেষ উদ্দেশ্য নহয়, এই পাঠসমূহত নিহিত হৈ থকা প্ৰমূল্যসমূহ যেনে–পৰিৱেশ সংৰক্ষণ, প্ৰকৃতি প্ৰেম, নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা, দয়া মৰম, শ্ৰদ্ধা, পৰোপকাৰিতা, শিষ্টাচাৰ আদি গুণবোৰৰ যাতে বিকাশ সাধন হয় আৰু বাস্তৱ জীৱনত ছাত্ৰ-ছাত্ৰীসকলে তাক প্ৰয়োগ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো অৱশ্যে বাঞ্চনীয়। ইয়াৰ বাবে আমি বিদ্যালয়ৰ বাহিৰে-ভিতৰে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীক দলগত কাৰ্য, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প প্ৰস্তুত, সমস্যা সমাধান আৰু উৎসৱ আদিত অংশগ্ৰহণ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

**(পাঠ্যপুথিৰ পাঠসমূহ বিষয় হিচাপে তিনিটা খণ্ডত ভাগ কৰিলেও গোটে মূল্যায়ন কৰোতে আটাইকেইটা বিষয়ে পাঠঅন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰিব লাগিব।)**

# সূচীপত্ৰ


| | | |
|---|---|---|
| | পাতনি | iv |
| | শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি | vi |
| | ভূগোল খণ্ডৰ আগকথা | ৯ |
| ১। | ভূপৃষ্ঠত সময় গণনা | ১০-২০ |
| ২। | পৃথিবীৰ অভ্যন্তৰ ভাগ | ২১-৩০ |
| ৩। | পৃথিবীৰ উপৰিভাগ আৰু ইয়াৰ পৰিবৰ্তন | ৩১-৪১ |
| ৪। | আমাৰ পৰিবেশ | ৪২-৫০ |
| ৫। | সম্পদ | ৫১-৫৭ |
| ৬। | মানবসৃষ্ট পৰিবেশ আৰু মানব সম্পদ | ৫৮-৬৬ |
| ৭। | অসমৰ সম্পদ | ৬৭-৭৫ |
| ৮। | উত্তৰ-পূব ভাৰত | ৭৬-৮৪ |
| ৯। | ভাৰতৰ জলবায়ু, প্ৰাকৃতিক, উদ্ভিদ, কৃষি আৰু জনসংখ্যা | ৮৫-৯৬ |
| | ইতিহাস খণ্ডৰ আগকথা | ৯৭ |
| ১০। | মৌৰ্যযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ | ৯৮-১০৬ |
| ১১। | গুপ্ত সাম্ৰাজ্যৰ উত্থান | ১০৭-১১৪ |
| ১২। | গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ | ১১৫-১২২ |
| ১৩। | প্ৰাক্ ঐতিহাসিক অসম | ১২৩-১২৯ |
| ১৪। | মধ্যযুগৰ ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়নৰ সমলসমূহ | ১৩০-১৩৪ |
| ১৫। | দিল্লীৰ চুলতানী যুগ (১২০৬-১৫২৬ খ্ৰীঃ) | ১৩৫-১৪৩ |
| ১৬। | মোগল ৰাজত্ব কালত ভাৰতবৰ্ষ | ১৪৪-১৫০ |
| ১৭। | মোগলযুগঃ সমাজ আৰু সংস্কৃতি | ১৫১-১৫৮ |
| | অৰ্থনীতি আৰু ৰাজনীতি খণ্ডৰ আগকথা | ১৫৯ |
| ১৮। | আমাৰ চৌপাশৰ বজাৰ | ১৬০-১৬৭ |
| ১৯। | পৰিকল্পনা, বাজেট আৰু উন্নয়ন | ১৬৮-১৭৫ |
| ২০। | অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা | ১৭৬-১৮৪ |
| ২১। | শ্ৰমৰ সমমৰ্যাদা আৰু সমমূল্য | ১৮৫-১৯৩ |
| ২২। | নাগৰিক আৰু নাগৰিকত্ব | ১৯৪-১৯৮ |
| ২৩। | নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া | ১৯৯-২০৫ |
| ২৪। | গণতন্ত্ৰ আৰু প্ৰচাৰ মাধ্যম | ২০৬-২১২ |
| ২৫। | প্ৰান্তীয় গোট আৰু গণতান্ত্ৰিক অধিকাৰ | ২১৩-২২১ |

# ভূগোল খণ্ড
# আমাৰ পৃথিৱী



**ভূ**গোল বিষয়টি সমাজ বিজ্ঞান বিষয়ৰ এটি অপৰিহাৰ্য অংগ। এই বিষয়টিত প্ৰকৃতিত ঘটি থকা বিভিন্ন ঘটনা-পৰিঘটনা, প্ৰকৃতিৰ উপাদানবোৰৰ মাজত থকা সম্পৰ্ক, মানুহ আৰু প্ৰকৃতিৰ মাজৰ সম্বন্ধ আৰু ক্ৰিয়াকলাপ সম্বন্ধে বিতং ভাৱে আলোচনা কৰা হয়। প্ৰকৃতিনিৰ্ভৰ মানুহৰ খাদ্যাভ্যাস, অৰ্থনৈতিক কামকাজ, জীৱন ধাৰণৰ প্ৰণালী আদিত পৰিৱেশভেদে ভিন্নতা বিৰাজ কৰে। সেইদৰে মানুহে পৰিৱেশক বহু পৰিমাণে নিজৰ উপযোগী কৰি তুলিবলৈ সমৰ্থ হৈছে। এই সকলোবোৰ ভূগোল বিষয়ৰ আলোচনাৰ বিষয়বস্তু।

পৃথিৱীৰ আকাৰ, আকৃতি, ইয়াৰ অন্তৰ্ভাগৰ ধাৰণা, পৃথিৱীৰ গতি আদিৰ ধাৰণাবোৰ যিমান পাৰি সহজভাৱে অনুধাৱন কৰাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠ আদান-প্ৰদানৰ ক্ষেত্ৰত গোলক, মানচিত্ৰ, ভূচিত্ৰাৱলী, চাৰ্ট, মডেল আদি সঁজুলিৰ সঠিক ব্যৱহাৰ কৰাটো বাঞ্ছনীয়। এনে উদ্দেশ্য আগত ৰাখি পাঠ্যপুথিৰ পাঠসমূহত চিত্ৰ আৰু ক্ৰিয়াকলাপৰ সহায়ত যথাসাধ্য বাস্তৱভিত্তিক বৰ্ণনা দিয়াৰ প্ৰয়াস কৰা হৈছে। শিক্ষক-শিক্ষয়িত্ৰীসকলে পাঠ্যপুথিত থকা চিত্ৰৰ লগতে শিক্ষণ সঁজুলিৰ সহায় লৈ পাঠ আদান-প্ৰদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মনোগ্ৰাহী হোৱাৰ লগতে জ্ঞান আহৰণত সহায়ক হ'ব বুলি আশা কৰিব পাৰি। পাঠৰ বিষয়বস্তুৰ সৈতে বাস্তৱ জগতৰ অভিজ্ঞতাৰ সংযোগ স্থাপন কৰিবৰ কাৰণে কিছুমান প্ৰকল্প সন্নিৱিষ্ট কৰা হৈছে। এই অনুসন্ধানমূলক কাৰ্যসমূহ যথাযথভাৱে সম্পাদন কৰাত শিক্ষকে দিহা-পৰামৰ্শ দি আগবঢ়াই নিলে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব। ক্ৰিয়াকলাপ আৰু অনুশীলনীৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰি তেওঁলোকৰ অগ্ৰগতি নিশ্চিত কৰিব। অংগসজ্জাৰ সুবিধাৰ বাবে পাঠ্যপুথিত সংন্নিৱিষ্ট মানচিত্ৰসমূহৰ আকাৰ সৰু-ডাঙৰ কৰি লোৱা হেতুকে মাপনী উল্লেখ কৰা হোৱা নাই।

সপ্তম শ্ৰেণীৰ সমাজবিজ্ঞান পাঠ্যপুথিৰ ভূগোল খণ্ডত ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত কৰা নিম্নোক্ত বিষয়বস্তুসমূহৰ ওপৰত আলোচনা আৰু বিশ্লেষণ দাঙি ধৰিবলৈ প্ৰচেষ্টা কৰা হৈছে।

★ অক্ষাংশ আৰু দ্ৰাঘিমাংশ নিৰ্ণয়ৰ ধাৰণা দিয়াৰ লগতে ভূপৃষ্ঠত সময় গণনাৰ ধাৰণা আয়ত্ত কৰোৱা।

★ পৃথিৱীৰ ভিতৰভাগৰ স্তৰবোৰৰ গঠন আৰু বৈশিষ্ট্যসমূহ অৱগত কৰোৱা। পৃথিৱীত থকা শিল, মণিক আৰু মাটিৰ বৈশিষ্ট্যৰ বিষয়ে সম্যক ধাৰণা দিয়া।

★ বায়ুমণ্ডলৰ স্তৰসমূহ, ইয়াৰ উপাদান আৰু বৈশিষ্ট্য সম্পৰ্কে ধাৰণা দিয়া। জলবায়ু নিৰ্ধাৰণ কৰা কাৰকবোৰ আৰু মানুহৰ ওপৰত জলবায়ুৰ প্ৰভাৱৰ বিষয়ে ধাৰণা জন্মোৱা।

★ ভূপৃষ্ঠৰ অৱয়ববোৰৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত আভ্যন্তৰীণ আৰু বাহ্যিক শক্তিবোৰৰ প্ৰভাৱ সম্পৰ্কে ধাৰণা দিয়া।

★ পৰিৱেশ কি আৰু তাৰ উপাংশ আৰু উপাদানবোৰৰ লগতে মানুহ আৰু পৰিৱেশৰ আন্তঃসম্পৰ্কৰ বিষয়ে ধাৰণা জন্মোৱা।

★ সম্পদ হিচাপে মানুহৰ ভূমিকা, অসমৰ পৰিপ্ৰেক্ষিতত জনসংখ্যা বিতৰণত ভূপ্ৰকৃতিৰ প্ৰভাৱ, অসমৰ কৃষিকাৰ্যত জলবায়ুৰ প্ৰভাৱ আৰু বানপানীৰ সৈতে সহাৱস্থানৰ প্ৰয়োজনীয়তাৰ ধাৰণা দিয়া।

★ সম্পদ, ইয়াৰ প্ৰকাৰ, সম্পদৰ লগত মানুহৰ সম্পৰ্ক, সম্পদৰ সংৰক্ষণ আৰু উন্নয়নৰ ধাৰণা দিয়া।

★ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থান, জলবায়ু, কৃষি, উদ্যোগ, জনসংখ্যাৰ ওপৰত ধাৰণা জন্মোৱা।

★ ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা সন্দৰ্ভত থূল-মূল ধাৰণা দিয়া।

# পাঠ ঃ ১
# ভূপৃষ্ঠত সময় গণনা

E5Z1I7

**শিকনৰ ফলাফল ঃ**

- অক্ষাংশ কাক বোলে আৰু অক্ষাংশ কেনেকৈ নিৰ্ণয় কৰা হয় সেয়া জানিব পাৰিব।
- দ্ৰাঘিমাংশ কাক বোলে আৰু দ্ৰাঘিমাংশ কেনেকৈ নিৰ্ণয় কৰা হয় সেয়া জানিব পাৰিব।
- স্থানীয় সময় সম্পৰ্কে ধাৰণা স্পষ্ট হ'ব।
- দ্ৰাঘিমাংশৰ ভিত্তিত স্থানীয় সময় গণনাৰ কৌশল আয়ত্ত কৰিব।
- মান সময়ৰ ধাৰণা স্পষ্ট হ'ব।
- দ্ৰাঘিমাংশৰ পাৰ্থক্য অনুসাৰে হোৱা সময়ৰ লাভ-লোকচান সম্পৰ্কে জনা আৰু সময়ৰ লাভ-লোকচান সম্পৰ্কত সমতা ৰক্ষাৰ পদ্ধতি সম্পৰ্কে জানিব পাৰিব।

তোমালোকে আগৰ শ্ৰেণীত পৃথিবীৰ মেৰুদণ্ড, বিষুবৰেখা, অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখাৰ বিষয়ে কিছু কথা শিকি আহিছা। পৃথিবীৰ সোঁমাজেৰে উত্তৰপৰা দক্ষিণলৈ কল্পনা কৰা ৰেখাডালক মেৰুদণ্ড (Axis ) বোলে। পৃথিবীৰ উপৰিভাগৰ সোঁমাজত বা উত্তৰ মেৰু বিন্দু ( North Pole ) আৰু দক্ষিণ মেৰু বিন্দু ( South Pole ) ৰপৰা সমদূৰত পূৰা-পশ্চিমাকৈ কল্পনা কৰা বৃত্তাকাৰ ৰেখাডালক বিষুবৰেখা (Equator ) বুলি কোৱা হয়। বিষুবৰ উত্তৰ ভাগটোক উত্তৰ গোলাৰ্ধ ( Northern Hemisphere ) আৰু দক্ষিণ ভাগটোক দক্ষিণ গোলাৰ্ধ ( Southern Hemisphere ) বোলে।

## অক্ষৰেখা আৰু অক্ষাংশ ঃ

বিষুবৰেখাৰ সমান্তৰালকৈ পূৰা-পশ্চিমাকৈ কিছুমান ৰেখা উত্তৰ মেৰুবিন্দু আৰু দক্ষিণ মেৰু বিন্দুলৈ কল্পনা কৰা হৈছে। এই ৰেখাবোৰক অক্ষৰেখা (Parallels of latitude) বোলে। অক্ষৰেখাসমূহ উত্তৰ আৰু দক্ষিণ মেৰুলৈ ১°, ২°, ৩°.........., ৯০° লৈকে আছে। ৯০° উত্তৰ আৰু দক্ষিণ অক্ষাংশত ই বিন্দুত পৰিণত হৈছে। দুডাল ক্ৰমিক অক্ষৰেখাৰ মাজৰ দূৰত্ব গড়ে প্ৰায় ১১১ কিলোমিটাৰ।


অক্ষৰেখাসমূহৰ মান বা জোখক অক্ষাংশ বুলি কোৱা হয়। অক্ষাংশ নিৰ্ণয় কৰিবলৈ কৌণিক দূৰত্ব (Angular Distance) ৰ প্ৰয়োজন। কোনো গোলকৰ উপৰিভাগৰ দুখন ঠায়ে গোলকৰ কেন্দ্ৰত সৃষ্টি কৰা কোণৰ মানক ঠাই দুখনৰ মাজৰ কৌণিক দূৰত্ব বুলি কোৱা হয়। পৃথিবীৰ উপৰিভাগৰ কোনো এখন ঠায়ে বিষুবৰ সৈতে কেন্দ্ৰত সৃষ্টি কৰা কোণৰ মানক ঠাইখনৰ কৌণিক দূৰত্ব বোলা হয়। এই কৌণিক দূৰত্বই হ'ল ঠাইখনৰ অক্ষাংশ। বিষুবৰেখাক ভিত্তি কৰি দুয়ো মেৰুৰ পিনে কৌণিক দূৰত্ব গণনা কৰি অক্ষাংশসমূহ নিৰ্ণয় কৰা হয়। বিষুবৰেখাক অক্ষাংশ নিৰ্ণয়ৰ আধাৰ হিচাপে ধৰি লোৱা হয়। কৌণিক দূৰত্বৰ জোখৰ ক্ষেত্ৰত ডিগ্ৰী ($^0$), মিনিট ($'$),চেকেণ্ড($''$)ব্যৱহাৰ কৰা হয়। প্ৰতি ১° (ডিগ্ৰী)=৬০$'$ (মিনিট), প্ৰতি ১$'$ (মিনিট)=৬০$''$ (চেকেণ্ড)।

আমি বিষুব ৰেখাডালক ০° অক্ষৰেখা বুলি কওঁ কাৰণ ই কেন্দ্ৰবিন্দুত কোনো ধৰণৰ কোণৰ সৃষ্টি কৰা নাই। ঠিক তেনেকৈ ২৩½° উত্তৰ অক্ষৰেখাডালক কৰ্কট ক্ৰান্তি (Tropic of Cancer), ২৩½° দক্ষিণ অক্ষৰেখাডালক মকৰ ক্ৰান্তি (Tropic of Capricorn), ৬৬ ½° উত্তৰ অক্ষৰেখাডালক সুমেৰু বৃত্ত (Arctic Circle), ৬৬½°


দক্ষিণ অক্ষৰেখাডালক কুমেৰু বৃত্ত (Antarctic Circle) বুলি কোৱা হয়।

গুৱাহাটীখন ২৬°৩০′ উত্তৰ অক্ষাংশত অৱস্থিত। আমাৰ ভাৰতখন ৮°৪′ উত্তৰ আৰু ৩৭°৬′ উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত।

চিত্ৰ ঃ ১ (ক) আৰু চিত্ৰ ঃ ১ (খ)লৈ মন কৰিলে অক্ষাংশ কেনেদৰে নিৰ্ণয় কৰা হয় বুজি পাবা।



চিত্ৰ ঃ ১ (ক)



চিত্ৰ ঃ ১ (খ)


চিত্ৰ ঃ ১ (ক) ৰ 'A' হ'ল পৃথিৱীৰ উপৰিভাগৰ এটা স্থান, 'C' হ'ল বিষুৱৰেখাৰ স্থান আৰু 'B' হ'ল পৃথিৱীৰ কেন্দ্ৰবিন্দু। 'A' স্থানৰ অক্ষাংশ হ'ল 'A' আৰু 'C' বিন্দুৱে কেন্দ্ৰ বিন্দু 'B'ৰ লগত সৃষ্টি কৰা কোণৰ মান। যিহেতু ABC কোণৰ মান ৫০° সেয়েহে 'A' স্থানৰ অক্ষাংশ হ'ব ৫০° উত্তৰ অক্ষাংশ। 'A' স্থান বিষুৱৰ উত্তৰৰ ফালে আছে বাবে ৫০° উত্তৰ অক্ষাংশ হৈছে।

চিত্ৰ ঃ ১ (খ) ৰ বৃত্তটোক পৃথিৱী হিচাপে ধৰি চিত্ৰত দেখুওৱা বিষুৱৰেখাৰ মাজৰ বিন্দুটোক কেন্দ্ৰ বিন্দু হিচাপে লৈ 0° অক্ষাংশৰপৰা ক্ৰমে ১৫°, ৩০°, ৪৫°,৬০°,৭৫° আৰু ৯০° লৈ উত্তৰ মেৰু আৰু দক্ষিণ মেৰুলৈ অক্ষাংশ নিৰ্ণয় কৰি অক্ষ ৰেখাবোৰ দেখুওৱা হ'ল। 0° অক্ষাংশৰপৰা দুডাল ক্ৰমিক অক্ষৰেখাৰ দূৰত্ব কমি ৯০° উত্তৰ আৰু দক্ষিণ অক্ষাংশলৈকে বিন্দুত পৰিণত হৈছে।

## দ্ৰাঘিমাৰেখা আৰু দ্ৰাঘিমাংশ ঃ

আগৰ শ্ৰেণীত দ্ৰাঘিমাৰেখাৰ বিষয়েও কিছু আভাস পাইছাহঁক। উত্তৰমেৰু বিন্দু আৰু দক্ষিণমেৰু বিন্দু সংযোগ কৰি পৃথিৱীৰ ওপৰেৰে যিবোৰ ৰেখা কল্পনা কৰা হৈছে তাক দ্ৰাঘিমাৰেখা(Meridian)বোলা হয়। দ্ৰাঘিৰেখাবোৰ 0° ৰপৰা পূৰ্বলৈ ১৮০ ডাল আৰু পশ্চিমলৈ ১৮০ ডাল মুঠ ৩৬০ ডাল দ্ৰাঘিমাৰেখা কল্পনা কৰা হৈছে। দ্ৰাঘিমাৰেখা সমূহ 0° ৰপৰা ধাৰাবাহিকভাৱে গণনা কৰা নহয়, ১৮০° পূৱলৈ আৰু ১৮০° পশ্চিমলৈ গণনা কৰা হয়। ১৮০° দ্ৰাঘিমাৰেখাডাল প্ৰকৃততে একেডাল ৰেখা আৰু ই 0° দ্ৰাঘিমাৰেখাৰ বিপৰীত দিশত আছে আৰু এটা পূৰ্ণবৃত্তৰ সৃষ্টি কৰিছে। একেদৰে যিকোনো দ্ৰাঘিমাৰেখাই তাৰ বিপৰিত দিশত থকা দ্ৰাঘিমাৰেখাৰ লগ লাগি এটা পূৰ্ণবৃত্ত সৃষ্টি কৰে। এই ৰেখাবোৰক গুৰুবৃত্ত (Great Circle) বুলি কোৱা হয়। ১৮০° দ্ৰাঘিমাৰেখাডালক পূব অথবা পশ্চিম দ্ৰাঘিমাৰেখা হিচাপে নামকৰণ কৰা নহয়। পৃথিৱীখনৰ আকৃতিৰ কাৰণে দুডাল ক্ৰমিক দ্ৰাঘিমাৰেখাৰ মাজৰ দূৰত্ব বিষুৱৰেখাৰপৰা ক্ৰমান্বয়ে কমি গৈ মেৰুত শূণ্য হয়। অৰ্থাৎ 0° অক্ষাংশত দুডাল ক্ৰমিক দ্ৰাঘিমাৰেখাৰ মাজৰ দূৰত্ব প্ৰায় ১১১.৩২ কিলোমিটাৰ আৰু ৯০° অক্ষাংশত দুডাল ক্ৰমিক দ্ৰাঘিমাৰেখাৰ মাজৰ দূৰত্ব ০ (শূণ্য) কিলোমিটাৰ হয়।

দ্ৰাঘিমাৰেখাৰ মান বা জোখক আমি দ্ৰাঘিমাংশ বুলি কওঁ। দ্ৰাঘিমাংশ নিৰ্ণয় কৰিবলৈ গ্ৰীনিজ মান মন্দিৰ (লণ্ডন) ৰ ওপৰেৰে কল্পনা কৰা দ্ৰাঘিমাৰেখাডালক আধাৰ হিচাপে ধৰি লোৱা হৈছে। এই ৰেখা ডালক প্ৰাথমিক বা মুখ্য দ্ৰাঘিমাৰেখা (Prime Meridian) বোলা হয়। ইয়াৰ মান হ'ল 0° । প্ৰাথমিক দ্ৰাঘিমাৰেখাই বিষুৱৰেখাৰ সৈতে এক নিৰ্দিষ্ট বিন্দুত কটাকটি কৰে। এই বিন্দুৰপৰা কেন্দ্ৰলৈ কল্পনা কৰা ৰেখাৰ সৈতে বিষুৱৰেখাৰ আন এক নিৰ্দিষ্ট স্থানৰ পৰা কেন্দ্ৰ সংযোগী ৰেখা ডালে কেন্দ্ৰত এটি কোণৰ সৃষ্টি কৰে। এই কোণৰ মানেই হ'ল উক্ত নিৰ্দিষ্ট স্থানৰ দ্ৰাঘিমাংশ।




চিত্ৰ ঃ ১.২

চিত্ৰ ১.২ থকা গোলকটোত দ্ৰাঘিমাৰেখাৰ অৱস্থান দেখুওৱা হ'ল। 0° দ্ৰাঘিমাৰেখাৰ বিপৰীত দিশত ১৮০° দ্ৰাঘিমাৰেখাডালে এটা পূৰ্ণবৃত্তৰ সৃষ্টি কৰিছে। ঠিক তেনেকৈ ৩০°পূঃ আৰু ১৫০° পঃ, ৬০° পূঃ আৰু ১২০° পঃ, ৯০°পূঃ আৰু ৯০°পঃ, ১২০°পূঃ আৰু ৬০° পঃ, ১৫০°পূঃ আৰু ৩০°পঃ দ্ৰাঘিমাৰেখাবোৰ লগ লাগি একোটা পূৰ্ণ বৃত্তৰ সৃষ্টি কৰিছে। এই ৰেখাবোৰক গুৰুবৃত্ত বুলি কোৱা হয়।

চিত্ৰ ১.৩ ত প্ৰাথমিক দ্ৰাঘিমাৰেখাই বিষুৱৰেখাৰ P বিন্দুত কটাকটি কৰিছে। P বিন্দুৰপৰা কেন্দ্ৰবিন্দু Q লৈ কল্পনা কৰা ৰেখাৰ সৈতে বিষুৱৰেখাৰ আন এক স্থান R বিন্দুৰপৰা কেন্দ্ৰসংযোগী ৰেখাডালে কেন্দ্ৰত এক কোণৰ সৃষ্টি কৰিছে। ইয়াৰ মান ৯০° দ্ৰাঘিমাংশ(<PQR= ৯০°), যিহেতু R স্থান প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ পশ্চিম দিশত,সেয়েহে R স্থানৰ দ্ৰাঘিমাৰেখাডাল ৯০° পশ্চিম দ্ৰাঘিমাৰেখা হ'ব।

এতিয়া তলৰ চিত্ৰ (১.৩) ভালদৰে মন কৰা আৰু শিক্ষকৰ সহায়ত দ্ৰাঘিমাংশ কেনেদৰে নিৰ্ণয় কৰা হয় বুজি লোৱা।



চিত্ৰ ঃ ১.৩

**জানি থওঁ আহা ঃ**

- ভাৰতৰ কেইখনমান গুৰুত্বপূৰ্ণ নগৰৰ অক্ষাংশ আৰু দ্ৰাঘিমাংশ–

| নগৰ | অক্ষাংশ | দ্ৰাঘিমাংশ |
|---|---|---|
| গুৱাহাটী | ২৬°৩০′ উত্তৰ | ৯২°৩০′ পূব |
| কলকাতা | ২২°০৪′ উত্তৰ | ৮৮°২৪′ পূব |
| মুম্বাই | ১৮°৫৫′ উত্তৰ | ৭২°৫৪′ পূব |
| চেন্নাই | ১৩°০৮′ উত্তৰ | ৮০°১৭′ পূব |

## দ্ৰাঘিমাৰেখাৰ সহায়ত সময় গণনা ঃ

পৃথিবীৰ আহ্নিক গতিৰ ফলত প্ৰতিডাল দ্ৰাঘিমাৰেখাই ক্ৰমে এডালৰ পাছত আন এডাল সূৰ্যৰ সন্মুখীন হয়। অৰ্থাৎ প্ৰতিডাল দ্ৰাঘিমাৰেখাত আন দ্ৰাঘিমাৰেখাৰ তুলনাত বেলেগ বেলেগ সময়ত সূৰ্যোদয়, মধ্যাহ্ন আৰু সূৰ্যাস্ত হয়। ইয়াৰ উপৰি পৃথিবীৰ এনে গতিৰ ফলত একোডাল দ্ৰাঘিমাৰ ওপৰত থকা প্ৰতিটো বিন্দু বা স্থানেই একে সময়তে মধ্যাহ্ন সূৰ্যৰ মুখামুখি হয়।

তোমালোকে ইতিমধ্যে জানি আহিছা যে পৃথিবীৰ পৰিধিয়ে কেন্দ্ৰত ৩৬০° কোণ উৎপন্ন কৰে। গতিকে এই ৩৬০° অতিক্ৰম কৰিবলৈ পৃথিবীক সময় লাগে ২৪ ঘণ্টা। কথাখিনি আৰু সহজভাৱে বুজিবলৈ এটা পৰীক্ষা কৰি চাওঁ আহা। এটা টৰ্চ আৰু এটা গোলক লোৱা। এজনে গোলকৰ পিঠিত অংকন কৰা প্ৰাথমিক দ্ৰাঘিমাৰেখা ডালত এটি আঙুলি ৰাখা। এইবাৰ আন এজনে প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ ওপৰত পোনে পোনে টৰ্চৰ পোহৰ পেলোৱা। এতিয়া প্ৰথমজনে আঙুলিটো একে অৱস্থাত ৰাখি প্ৰাথমিক দ্ৰাঘিমাৰেখাডাল টৰ্চৰ পোহৰৰপৰা পূবলৈ আঁতৰাই নিয়া আৰু সম্পূৰ্ণ এপাক মাৰি পুনৰ আগৰ অৱস্থালৈ আনা। পৰীক্ষাটোৰ পৰা কি বুজিলা? ক্ৰিয়াকলাপটো সকলোৱে কৰি চোৱা। প্ৰাথমিক দ্ৰাঘিমাৰেখাডাল মধ্যাহ্ন সূৰ্যৰ মুখামুখি হ'লে তাত দুপৰীয়া হয়, অৰ্থাৎ দিনৰ ১২ বাজে। এই দ্ৰাঘিমাৰেখাডাল পৃথিবীৰ ঘূৰণৰ ফলত সূৰ্যৰপৰা পূবলৈ আঁতৰি গৈ এপাক মাৰি পুনৰ মধ্যাহ্ন সূৰ্যৰ মুখামুখি হোৱালৈ সময় লাগে ২৪ ঘণ্টা। অৰ্থাৎ পৃথিবীৰ উপৰিভাগৰ যিকোনো এডাল দ্ৰাঘিমাই ২৪ ঘণ্টাত ৩৬০° অতিক্ৰম কৰে। সেই অনুসাৰে ১° অতিক্ৰম কৰিবলৈ সময় লাগিব- ২৪ ঘণ্টা বা ১৪৪০ মিনিট ÷ (হৰণ) ৩৬০ =৪ মিনিট আৰু ১৫° অতিক্ৰম কৰিবলৈ সময় লাগিব ১৫ × ৪ মিনিট = ৬০ মিনিট বা ১ ঘণ্টা।



গ্ৰীনিজ মান মন্দিৰ

পৃথিবী পশ্চিমৰপৰা পূবলৈ ঘূৰে। গতিকে পূবত থকা ঠাই এখন পশ্চিমৰ ঠাইখনতকৈ আগতে সূৰ্যৰ মুখামুখি হয়। অৰ্থাৎ পূবৰ ঠাইখনত পশ্চিমৰ ঠাইখনতকৈ আগতে ৰাতিপুৱা, দুপৰীয়া আৰু সন্ধিয়া হয়। পৃথিবীৰ উপৰিভাগত সময় গণনা কৰা হয় মধ্যাহ্ন সূৰ্যৰ অৱস্থান চাই। কোনো এখন ঠাইৰ মধ্যাহ্ন সূৰ্যৰ অৱস্থান চাই যি সময় গণনা কৰা হয় তাকে ঠাইখনৰ স্থানীয় সময় (Local Time) বোলে। বেলেগ বেলেগ দ্ৰাঘিমাৰেখাত অৱস্থিত ঠাইৰ স্থানীয় সময়ো বেলেগ বেলেগ হয়। প্ৰাথমিক দ্ৰাঘিমাৰেখাডালৰ স্থানীয় সময়ক গ্ৰীনিজ মান সময়(Greenwich Mean Time ) বোলে। পৃথিবীৰ উপৰিভাগৰ বিভিন্ন ঠাইৰ স্থানীয় সময় উলিয়াবৰ বাবে প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ মান(GMT) ক ভিত্তি হিচাপে লোৱা হয়। ইয়াৰ বাবে ঠাইখনৰ দ্ৰাঘিমাংশ জনাটো প্ৰয়োজন। এটি উদাহৰণ লোৱা যাওক—

ধৰা হ'ল, স্থানীয় সময় অনুসাৰে প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ ওপৰত পুৱা ৮ বাজিলে ৪৫° পূব দ্ৰাঘিমাংশত অৱস্থিত এখন ঠাইৰ আৰু ৪৫° পশ্চিম দ্ৰাঘিমাংশত অৱস্থিত অন্য এখন ঠাইৰ স্থানীয় সময় কিমান হ'ব?

প্ৰথম ঠাইখনৰ দূৰত্ব হ'ল ৪৫° , গতিকে সময়ৰ ব্যৱধান হ'ব ৪৫ x ৪ = ১৮০ মিনিট, অৰ্থাৎ ৩ ঘণ্টা। এতেকে প্ৰাথমিক দ্ৰাঘিমাৰেখাত ৮ বাজিলে উক্ত ঠাইখনত (৮ বজা+ ৩ ঘণ্টা) ১১ বাজিব। যিহেতু ঠাইখন পূবত অৱস্থিত সেয়েহে ইয়াত সময় আগবঢ়া। অৰ্থাৎ ঠাইখনত স্থানীয় সময় অনুসাৰে দিনৰ ১১ বাজিব। ঠিক তেনেদৰে ৪৫° পশ্চিমত অৱস্থিত অন্য ঠাইখনৰ স্থানীয় সময় হ'ব (৮ বজা- ৩ ঘণ্টা) ৫ বজা। যিহেতু ঠাইখন প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ পশ্চিমত অৱস্থিত সেয়েহে ঠাইখনৰ সময় প্ৰাথমিক দ্ৰাঘিমাৰেখাতকৈ পাছ পৰি থাকিব।

আকৌ দুখন ঠাইৰ স্থানীয় সময় জনা থাকিলে ঠাই দুখনৰ মাজৰ দূৰত্ব জানিব পাৰি। উদাহৰণ হিচাপে প্ৰাথমিক দ্ৰাঘিমাৰেখাত স্থানীয় সময় মতে দিনৰ ১২ বাজিলে আন এখন ঠাইৰ স্থানীয় সময় অনুসৰি পুৱা ৭ বাজে। এই স্থানীয় সময়ৰ ওপৰত ভিত্তি কৰি দুয়োখন ঠাইৰ মাজৰ দূৰত্ব জানিব পাৰি।

প্ৰাথমিক দ্ৰাঘিমাৰেখা আৰু ঠাইখনৰ মাজত সময়ৰ প্ৰাৰ্থক্য ১২-৭ ঘণ্টা =৫ ঘণ্টা। এতেকে ঠাইখনৰ দ্ৰাঘিমাংশ হ'ব ১৫°×৫ = ৭৫° দ্ৰাঘিমাংশ। যিহেতু ঠাইখনত প্ৰাথমিক দ্ৰাঘিমাৰেখাতকৈ পাছত দুপৰীয়া হয়, সেয়েহে ই পশ্চিম দ্ৰাঘিমাংশত অৱস্থিত। এতেকে ঠাইখন প্ৰাথমিক দ্ৰাঘিমাৰেখাৰপৰা ৭৫° পশ্চিম দ্ৰাঘিমাংশ দূৰত্বত অৱস্থিত।

মানুহৰ ব্যক্তিগত আৰু সামাজিক জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে সময় গণনা অতি প্ৰয়োজনীয়। এখন দেশৰ প্ৰতিখন ঠাইৰে স্থানীয় সময়ৰ ভিত্তিত সময় নিৰ্ধাৰণ কৰিলে বিভিন্ন অসুবিধাই দেখা দিব। কোনো এখন দেশৰ এটা অংশৰ স্থানীয় সময় মতে দিনৰ ১০ বাজিলে আনটো অংশৰ স্থানীয় সময় হয়তো ১১-৩০ হ'ব। উদাহৰণস্বৰূপে গুৱাহাটীৰ, স্থানীয় সময় আৰু আহমেদাবাদ চহৰৰ স্থানীয় সময়ৰ পাৰ্থক্য প্ৰায় ১ ঘণ্টা ২৪ মিনিট। স্থানীয় সময়ৰ এনে পাৰ্থক্যই ব্যৱসায়-বাণিজ্য, ৰে'ল, বিমান যাতায়াত আৰু যোগাযোগ আদি ব্যৱস্থাত অনেক বেমেজালিৰ সৃষ্টি কৰিব। ধৰি লোৱা হ'ল- মুম্বাই চহৰত দেওবাৰে স্থানীয় সময় অনুসাৰে দিনৰ ১০ বজাৰপৰা ভাৰত আৰু শ্ৰীলংকাৰ মাজত এখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল অনুষ্ঠিত হ'ব। মুম্বাইৰ স্থানীয় দূৰদৰ্শন কেন্দ্ৰ এটাই উক্ত খেলৰ চলন্ত সম্প্ৰচাৰ কৰিব। এতিয়া গোৱালপাৰাৰ ৰুবিয়া, শোভন; মঙলদৈৰ জীমণি, মিকু; লিডুৰ নয়নদীপ লচমীহঁতৰ বাবে সমস্যা হ'ল। সিহঁতে কোন সময়ত ক্ৰিকেট খেলখন চাবৰ বাবে দূৰদৰ্শনৰ ওচৰত বহিব? কাৰণ গোৱালপাৰা, মঙলদৈ আৰু লিডুৰ স্থানীয় সময় মুম্বাইৰ লগত নিমিলে। আনহাতে উক্ত তিনিওখন ঠাইৰ স্থানীয় সময়ো বেলেগ বেলেগ। সেয়েহে মুম্বাইত দিনৰ ১০ বাজিলে সিহঁতৰ নিজ নিজ ঠাইত কেইটা বাজিব তাক দ্ৰাঘিমাংশৰ সহায়ত উলিয়াবলৈ কাগজ-কলম লৈ বহিল। কিন্তু এনেদৰে সদায় সকলোৱে আটাইবোৰ কাম কৰা সম্ভৱ হ'ব জানো?

এনে অসুবিধাবোৰ দূৰ কৰিবলৈ দেশ এখনৰ সৌমাজেৰে পাৰ হৈ যোৱা দ্ৰাঘিমাৰেখা এডালৰ স্থানীয় সময়ক সমগ্ৰ দেশখনৰ সময় গণনাৰ বাবে গ্ৰহণ কৰা হয়। এনে দ্ৰাঘিমাৰেখাৰ স্থানীয় সময়ৰ ভিত্তিত সমগ্ৰ দেশখনৰ বাবে যি সময় গণনা কৰা হয় তাকে দেশখনৰ **মান সময়** (Standard Time) বোলে। আকৌ যিডাল দ্ৰাঘিমাৰেখাক মান সময় গণনাৰ বাবে লোৱা হয় তাক **মান দ্ৰাঘিমাৰেখা** (Standard Meridian) বোলে। ভাৰতৰ এলাহাবাদ চহৰৰ ওচৰেৰে যোৱা $৮২\frac{১}{২}°$(৮২°৩০´) পুব দ্ৰাঘিমাৰেখা ডালকে সমগ্ৰ দেশখনৰ মান দ্ৰাঘিমাৰেখা হিচাপে লোৱা হৈছে। এই দ্ৰাঘিমাৰ স্থানীয় সময়কে **ভাৰতীয় মান সময়** (Indian Standard Time) বুলি গণ্য কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া আদিৰ দৰে বিশাল আয়তনৰ দেশসমূহত এটাতকৈ অধিক মান সময় নিৰ্ধাৰণ কৰা হয়।

**জানি থওঁ আহা ঃ**

- সময় গণনাৰ ক্ষেত্ৰত ঘণ্টা, মিনিট, চেকেণ্ড আদি একক ব্যৱহাৰ কৰাৰ দৰে কৌণিক দূৰত্ব জোখৰ ক্ষেত্ৰতো ডিগ্ৰী (°), মিনিট ('), চেকেণ্ড (") আদি ব্যৱহাৰ হয়। প্ৰতি ১° ডিগ্ৰীক ৬০' মিনিট, প্ৰতি ১' মিনিটক ৬০"চেকেণ্ডত ভগোৱা হয়, যেনে- ৮২°৩০', ১২২°২৪' ৪০"ইত্যাদি।

নাবিক আৰু বৈমানিকসকলে ক্ৰনমিটাৰ(Chronometer) যন্ত্ৰৰ সহায়ত পৃথিৱীৰ যিকোনো স্থানৰপৰাই গ্ৰীনিজ মান সময় জানিব পাৰে। আনহাতে, **চেক্সটান্ট** (Sextant ) যন্ত্ৰৰ সহায়ত জাহাজ উপনীত হোৱা ঠাইখনৰ স্থানীয় সময় নিৰ্ণয় কৰিব পাৰি। গ্ৰীনিজৰ মান সময় আৰু ঠাইখনৰ স্থানীয় সময়ৰ ব্যৱধানৰপৰা ঠাইখনৰ দ্ৰাঘিমাংশ নাবিকে নিৰ্ণয় কৰে। অৱশ্যে আজিকালি **জি পি এছ** (Global Positioning System) নামৰ যন্ত্ৰ এটিৰ সহায়ত পৃথিৱীৰ যিকোনো ঠাইৰ অক্ষাংশ, দ্ৰাঘিমাংশ আৰু ঠাইখনৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰপৰা উচ্চতা সহজতে নিৰ্ণয় কৰিব পৰা হৈছে।

আমাৰ সচৰাচৰ ঘড়ীবোৰ সাধাৰণতে ১২ ঘণ্টীয়া। কিছু কিছু ক্ষেত্ৰত দিনটোৰ আটাইখিনি সময় সামৰি ২৪ ঘণ্টীয়া ঘড়ী ব্যৱহাৰ কৰা হয়। আচলতে নিশা ১২ বজাৰপৰা পিছৰ নিশা ১২ বজালৈ এই ২৪ ঘণ্টা সামৰি এটা দিন

## ক্রিয়াকলাপ ঃ

ক) কাষৰ মানচিত্ৰত তলত উল্লেখ কৰা স্থানসমূহৰ দ্ৰাঘিমাংশ নিৰ্ণয় কৰা ঃ
(উদাহৰণস্বৰূপে-গুৱাহাটী- ৯২°৩০/ পূৱ দ্ৰাঘিমাংশ)

- A দিল্লী
- B এলাহাবাদ
- C বাংগালুৰু
- D আহমেদাবাদ
- E ভূপাল

খ) ভূচিত্ৰাৱলীৰ সহায় লৈ কাষৰ মানচিত্ৰত ভাৰতৰ দ্ৰাঘিমাৰেখা আৰু আৰু অক্ষৰেখাবোৰ অংকন কৰা।




হয়। সেয়েহে ২৪ ঘণ্টীয়া ঘড়ীত ১২ ঘণ্টীয়া ঘড়ীৰ দৰে ১২ বজাতে গণনা শেষ নহৈ ১২, ১৩, ১৪, ১৫, আদি কৰি ২৪ লৈকে গণনা কৰা হয়। ৰে'লগাড়ী, বিমান আদি চলাচলত এনে ঘড়ী ব্যৱহাৰ হয়। সময় গণনাৰ ক্ষেত্ৰত আন এটি জানিবলগীয়া কথা হ'ল যে,নিশা ১২ বজাৰপৰা দিনৰ ১২ বজালৈ সময়খিনিক পূৰ্ব মধ্যাহ্ন (ante-meridiens/a.m) বোলে। আকৌ দুপৰীয়া ১২ বজাৰপৰা নিশা ১২ বজালৈ সময়খিনিক উত্তৰ মধ্যাহ্ন (post-meridiens/p.m)বোলে।

### পৃথিৱীৰ উপৰিভাগত সময় নিৰ্ণয়ৰ ক্ষেত্ৰত জানিবলগীয়া কেইটামান কথা ঃ

- ১° দ্ৰাঘিমাংশৰ অন্তৰত সময়ৰ ব্যৱধান হয় ৪ মিনিট আৰু ১ ঘণ্টাত দ্ৰাঘিমাংশৰ ব্যৱধান হয় ১৫°।
- পৃথিৱীৰ আহ্নিক গতিৰ (দৈনিক ঘূৰণ) ফলত পূবৰ ঠাইসমূহ প্ৰথমেই সূৰ্যৰ মুখামুখি হয়।
- গ্ৰীনিজৰ তুলনাত আগতীয়াকৈ কোনো ঠাইত দুপৰীয়া হ'লে ঠাইখন পূব দ্ৰাঘিমাংশত আৰু পলমকৈ হ'লে পশ্চিম দ্ৰাঘিমাংশত অৱস্থিত।
- দুখন ঠাইৰ স্থানীয় সময় জনা থাকিলে, ঠাইদুখনৰ মাজৰ দূৰত্ব জানিব পাৰি।
- গ্ৰীনিজৰ পূব অথবা পশ্চিমৰ যি কোনো এখন ঠাইৰ দ্ৰাঘিমাংশ জনা থাকিলে আৰু গ্ৰীনিজৰ মান সময় জনা থাকিলে ঠাইখনৰ স্থানীয় সময় নিৰ্ণয় কৰিব পাৰি।
- যদি কোনো দুখন ঠাই গ্ৰীনিজৰ একেফালে,অৰ্থাৎ পূবে অথবা পশ্চিমে থাকে তেন্তে দ্ৰাঘিমাংশৰ ডাঙৰ মানৰ পৰা সৰু মানটি বিয়োগ কৰিলে ঠাই দুখনৰ দ্ৰাঘিমাংশৰ পাৰ্থক্য পাব পাৰি।
- যদি কোনো দুখন ঠাইৰ এখন গ্ৰীনিজৰ পূবত আৰু আনখন পশ্চিমত থাকে তেন্তে দুয়োখন ঠাইৰ দ্ৰাঘিমাংশৰ মান যোগ কৰি ঠাই দুখনৰ দ্ৰাঘিমাংশৰ পাৰ্থক্য পাব পাৰি।

### সময় নিৰ্ণয়ৰ অনুশীলন কাৰ্য ঃ

(ক) দুখন ঠাইৰ দ্ৰাঘিমাংশ যথাক্ৰমে ৫২° পূব আৰু ৯৮° পূব। ঠাই দুখনৰ স্থানীয় সময়ৰ ব্যৱধান উলিওৱা।

### সমাধান ঃ

দুয়োখন ঠাই গ্ৰীনিজৰ পূবে অৱস্থিত। সেয়ে ঠাই দুখনৰ দ্ৰাঘিমাংশৰ পাৰ্থক্য হ'ব, ৯৮°-৫২°= ৪৬°

এতেকে, ঠাই দুখনৰ স্থানীয় সময়ৰ পাৰ্থক্য হ'ব–

৪৬°×৪ মিনিট

= ১৮৪ মিনিট

= ১৮৪ ÷ ৬০ মিনিট

= ৩ ঘণ্টা ৪ মিনিট

ঠাই দুখনৰ স্থানীয় সময়ৰ ব্যৱধান হ'ব ৩ ঘণ্টা ৪ মিনিট।

(খ) দুখন ঠাইৰ স্থানীয় সময় যথাক্ৰমে ৰাতিপুৱা ৪ বজা আৰু ৰাতিপুৱা ১০ বজা। ঠাই দুখনৰ দ্ৰাঘিমাংশৰ ব্যৱধান নিৰ্ণয় কৰা।

### সমাধান

ঠাই দুখনৰ স্থানীয় সময়ৰ ব্যৱধান হ'ব–

১০-৪ বজা = ৬ ঘণ্টা

এতেকে ঠাই দুখনৰ দ্ৰাঘিমাংশৰ ব্যৱধান হ'ব,

১৫°×৬ = ৯০°

ঠাই দুখনৰ দ্ৰাঘিমাংশৰ ব্যৱধান হ'ব ৯০°।

(গ) দুখন ঠাইৰ দ্ৰাঘিমাংশ ক্ৰমে ৭৫° পূব আৰু ৪৫° পশ্চিম। ঠাই দুখনৰ দ্ৰাঘিমাংশৰ পাৰ্থক্যৰ লগতে গ্ৰীনিজত দুপৰীয়া ১২ বাজিলে ঠাই দুখনত কেইটা বাজিব উলিওৱা।

### সমাধান ঃ

প্ৰথম ঠাইখন ৭৫° পূব, অৰ্থাৎ গ্ৰীনিজৰ ৭৫° পূবে আৰু দ্বিতীয়খন ঠাই ৪৫° পশ্চিম, অৰ্থাৎ গ্ৰীনিজৰ ৪৫° পশ্চিমে অৱস্থিত।

এতেকে, ঠাই দুখনৰ দ্ৰাঘিমাংশৰ পাৰ্থক্য হ'ব-৭৫°+৪৫°=১২০°

এতিয়া প্ৰথমখন ঠাইৰ স্থানীয় সময় হ'ব- ৭৫°×৪ মিনিট = ৩০০ মিনিট

অৰ্থাৎ ৩০০÷৬০ মিনিট = ৫ ঘণ্টা

এতেকে, গ্ৰীনিজত দুপৰীয়া ১২ বাজিলে প্ৰথমখন ঠাইত আবেলি ৫ বাজিব।

আকৌ দ্বিতীয়খন ঠাইৰ স্থানীয় সময় হ'ব-

৪৫°×৪ মিনিট = ১৮০ মিনিট

অৰ্থাৎ ১৮০÷৬০ মিনিট = ৩ ঘণ্টা ।

এতেকে,গ্ৰীনিজত দুপৰীয়া ১২ বাজিলে দ্বিতীয়খন ঠাইত সময় হ'ব ১২-৩=৯ বজা,ৰাতিপুৱা অৰ্থাৎ পুৱা ৯ বজাত

(ঘ) গ্ৰীনিজত আবেলি ৩ বাজোতে আন এখন ঠাইত সন্ধিয়া ৭ বাজে। ঠাইখনৰ দ্ৰাঘিমাংশ কিমান আৰু কোন দিশত অৱস্থিত উলিওৱা।

**সমাধান ঃ**

ঠাইখন আৰু গ্ৰীনিজৰ সময়ৰ পাৰ্থক্য ৭-৩ বজা = ৪ ঘণ্টা

গ্ৰীনিজ আৰু ঠাইখনৰ মাজত স্থানীয় সময়ৰ ব্যৱধান যদি ৪ ঘণ্টা হয়,

তেন্তে ঠাইখনৰ দ্ৰাঘিমাংশ হ'ব ১৫°×৪=৬০° ।

আকৌ যিহেতু ঠাইখনত গ্ৰীনিজতকৈ আগতে সন্ধিয়া হয়, সেয়েহে

ঠাইখন গ্ৰীনিজৰ পূবত অৱস্থিত।

এতেকে, ঠাইখনৰ দ্ৰাঘিমাংশ ৬০° পূব।

**সময়ৰ লাভ-লোকচান ঃ**

পৃথিৱীৰ দৈনিক গতিৰ ফলত আৰু এটি আমোদজনক ঘটনা ঘটে। এই আমোদজনক ঘটনাটো জানিবলৈ চেষ্টা কৰোঁ আহা।

নিশা শোৱাপাটীত পৰি থাকোঁতে ৰাকেশৰ আজি সমাজ বিজ্ঞানৰ শিক্ষকে পৃথিৱীৰ দৈনিক গতিৰ ফলত ঠাই ভেদে হোৱা সময়ৰ ব্যৱধানৰ বিষয়ে কোৱা কথাবোৰ পুনৰ মনত পৰিল। ভূগোলৰ চাৰে গোলকৰ সহায়ত বৰ নিয়াৰিকৈ বুজাইছিল কেনেকৈ পূবৰ পিনে প্ৰতি দ্ৰাঘিমাৰেখাৰ ব্যৱধানত ৪ মিনিট সময় আগবাঢ়ে আৰু পশ্চিমৰ পিনে ৪ মিনিটকৈ সময় পাছপৰি যায়। কথাবোৰ ভাবি থাকোতেই ৰাকেশৰ টোপনি আহিল। টোপনিতে সি এটা সপোন দেখিলে। সপোনতে সি আৰু তাৰ শ্ৰেণীৰ সমনীয়াসকল গ্ৰীনিজ চহৰত এখন বিশেষ আকাশীযানত উঠিছে। আনফালে সাগৰেও সুকন্যা, অৰুণিমাহঁতক লৈ আন এখন বিশেষ যানত উঠিছে। লগত আছে একোজন সুদক্ষ বৈমানিক। গ্ৰীনিজৰ স্থানীয় সময় মতে সোমবাৰে দুপৰীয়া ১২ বজাত ৰাকেশহঁতে পূব দিশে আৰু সাগৰহঁতে পশ্চিমে যাত্ৰা আৰম্ভ কৰিলে। দুয়োখন যানৰে গতি প্ৰতি ডিগ্ৰী দ্ৰাঘিমাংশ, ৪ মিনিট অৰ্থাৎ প্ৰতি ঘণ্টাত ১৫° দ্ৰাঘিমাংশ। ৰাকেশহঁতৰ যানখনে ১৮০° দ্ৰাঘিমাত উপস্থিত হওতে তাৰ হাতঘড়ীত (১৮০°×৪ মিনিট =৭২০ মিনিট, অৰ্থাৎ ১২ ঘণ্টা) সোমবাৰে নিশা ১২ বাজিছে। প্ৰকৃততে ঠাইখনৰ স্থানীয় সময় অনুসাৰে তাত মঙ্গলবাৰে দুপৰীয়া ১২ বাজিছে। আনফালে ঠিক একে সময়তে সাগৰহঁতেও বিপৰীত দিশৰ পৰা নামিলহি। সিহঁতৰ হাতঘড়ীত তেতিয়া বাজিছে (১৮০°×৪ মিনিট =৭২০ মিনিট, অৰ্থাৎ ১২ ঘণ্টা) সোমবাৰে নিশা ১২ বজাত। আচলতে ঠাইখনৰ স্থানীয় সময়মতে তাত সোমবাৰে দুপৰীয়া ১২ বাজিছে। দুয়োটা দল আচৰিত হ'ল। একেডাল দ্ৰাঘিমাৰেখাতে ২৪ ঘণ্টা (মঙ্গলবাৰে দুপৰীয়া ১২ বজা আৰু সোমবাৰে দুপৰীয়া ১২ বজা ) সময়ৰ পাৰ্থক্য হ'ল কেনেকৈ? এই ৰহস্য ভেদ কৰিবলৈ সিহঁত বৈমানিকজনৰ কাষ চাপিল। বৈমানিকে মিচিকিয়া হাঁহি মাৰি ক'লে — কাইলৈ শ্ৰেণীত চাৰক শুধি ল'বা।

ৰাকেশে নিশা সপোনত দেখা ঘটনাটো পিছে বাস্তৱতো ঘটে। কথাখিনি এটা উদাহৰণেৰে বুজি লওঁ আহা। এজন ভ্ৰমণকাৰীয়ে স্থানীয় সময় অনুসাৰে দিনৰ ২ বজাত ৪৫° পূব দ্ৰাঘিমাংশৰপৰা গতি কৰি ৬০° পূব দ্ৰাঘিমাংশ পাওঁতে ৬০°-৪৫° = ১৫°×৪ মিনিট = ৬০ মিনিট বা ১ ঘণ্টা সময় ল'লে। অৰ্থাৎ ভ্ৰমণকাৰীজনৰ ঘড়ীত তেতিয়া ২+১ ঘণ্টা = ৩ বাজিব। কিন্তু ৬০° দ্ৰাঘিমাংশত স্থানীয় সময়মতে ৪ বাজিব। ইয়াৰ কাৰণ হ'ল পূবৰ প্ৰতি ১৫° দ্ৰাঘিমাংশত সময় এঘণ্টাকৈ আগবঢ়া। অৰ্থাৎ গ্ৰীনিজত ১২ বাজিলে ঠিক একে সময়তে ১৫° পূব দ্ৰাঘিমাংশত ১ বাজিব। সেয়েহে ভ্ৰমণকাৰীজনৰ ১ ঘণ্টা লোকচান হোৱা বুলি অনুভৱ হ'ব। আকৌ ভ্ৰমণকাৰীজন যিমানে বিপৰীত দিশে, অৰ্থাৎ পশ্চিমলৈ আগুৱাই যাব একে হাৰত সময় লাভ হোৱা বুলি অনুভৱ কৰিব। কিয়নো গ্ৰীনিজৰপৰা ১২ বজাত যাত্ৰা কৰিলে ১৫° পশ্চিম দ্ৰাঘিমাংশত তেওঁৰ ঘড়ীত যদি ১ বাজে ঠাইখনৰ স্থানীয় সময় মতে তেতিয়া তাত দুপৰীয়া ১২ বজা দেখা যাব।

এনেদৰে পূবৰপৰা গ'লে ১৮০° দ্ৰাঘিমাত ১২ ঘণ্টা লোকচান আৰু পশ্চিম পিনৰপৰা গ'লে ১৮০° দ্ৰাঘিমাত ১২ ঘণ্টা লাভ হোৱা যেন হয়। একেডাল দ্ৰাঘিমাৰেখাত ১২+১২ ঘণ্টা মুঠ ২৪ ঘণ্টা ব্যৱধানৰ বাবে ৰাকেশহঁত মঙলবাৰে দুপৰীয়া ১২ বজাত আৰু সাগৰহঁতে সোমবাৰে দুপৰীয়া ১২ বজাত উপস্থিত হ'ব। সময়ৰ এই ব্যৱধান আঁতৰাবৰ বাবে বিশ্বৰ দেশসমূহে সহমতত উপনীত হৈ এটা সিদ্ধান্ত ল'লে। সেই সিদ্ধান্ত মৰ্মে পূবৰপৰা ১৮০° দ্ৰাঘিমাংশ পাৰ হোৱাৰ মুহূৰ্তত নাবিক, বৈমানিক তথা ভ্ৰমণকাৰীয়ে এদিন (২৪ ঘণ্টা) কমাই ধৰিব। একেদৰে পশ্চিমৰ পৰা ১৮০° দ্ৰাঘিমাংশ অতিক্ৰম কৰাৰ সময়ত এদিন (২৪ ঘণ্টা) যোগ দি লৈ সমতা ৰক্ষা কৰিব। ১৮০° দ্ৰাঘিমা ৰেখাডাল দিন আৰু সময় গণনাৰ সীমাৰেখা হিচাপে বিশ্বৰ দেশসমূহে মানি লৈছে। সেয়েহে ইয়াক **আন্তৰ্জাতিক তাৰিখ ৰেখা** (International Date Line) বুলি কোৱা হয়।

## মনত ৰাখিবলগীয়া কথা ঃ

- কোনো এখন ঠায়ে বিষুৱৰেখাৰ লগত পৃথিৱীৰ কেন্দ্ৰত উৎপন্ন কৰা কোণৰ মান বা জোখেই হ'ল সেই ঠাইখনৰ অক্ষাংশ।
- বিষুৱৰ সমান্তৰালকৈ কল্পনা কৰা বৃত্তাকাৰ ৰেখাবোৰক অক্ষৰেখা বোলে।
- বিষুৱৰ ওপৰত প্ৰাথমিক দ্ৰাঘিমাৰেখাৰপৰা যি কোনো স্থানৰ কৌণিক দূৰত্বই হ'ল ঠাইখনৰ দ্ৰাঘিমাংশ।
- প্ৰাথমিক দ্ৰাঘিমাৰ পূব আৰু পশ্চিমে দুয়ো মেৰু সংযোগ কৰি কল্পনা কৰা ৰেখাবোৰেই দ্ৰাঘিমাৰেখা।
- গ্ৰীনিজৰ মান মন্দিৰৰ ওপৰেৰে কল্পনা কৰা দ্ৰাঘিমাৰেখা ডালক প্ৰাথমিক দ্ৰাঘিমাৰেখা বোলে। এই দ্ৰাঘিমাৰেখাৰপৰা পূবলৈ ১৮০° আৰু পশ্চিমলৈ ১৮০° দ্ৰাঘিমাংশ গণনা কৰা হয়।
- কোনো এখন ঠাইৰ মধ্যাহ্ন সূৰ্যৰ অৱস্থানৰ ওপৰত ভিত্তি কৰি যি সময় গণনা কৰা হয়, তাকে ঠাইখনৰ স্থানীয় সময় বোলে।
- প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ স্থানীয় সময়কে গ্ৰীনিজ মান সময় বোলে।
- সময় গণনাৰ অসুবিধা দূৰ কৰিবলৈ প্ৰত্যেক দেশে এক বা একাধিক নিৰ্দিষ্ট দ্ৰাঘিমাৰেখাৰ স্থানীয় সময় ব্যৱহাৰ কৰে। কোনো এক বা একাধিক নিৰ্দিষ্ট দ্ৰাঘিমাৰ ভিত্তিত সমগ্ৰ দেশৰ বাবে যি সময় গণনাৰ ব্যৱস্থা কৰা হয় তাক দেশখনৰ মান সময় বোলে।

- মান সময় গণনা কৰা দ্ৰাঘিমাৰেখা ডালক মান দ্ৰাঘিমাৰেখা বোলে।
- ভাৰতবৰ্ষৰ প্ৰায় সোঁমাজেদি যোৱা ৮২°৩০´ পূব দ্ৰাঘিমাৰেখাৰ স্থানীয় সময়কে ভাৰতীয় মান সময় বোলে।

## অনুশীলনী

১। চমু উত্তৰ দিয়া—

(ক) দ্ৰাঘিমাৰেখাৰ সৰ্বমুঠ সংখ্যা কিমান?

(খ) ভাৰতীয় মান সময়ৰ দ্ৰাঘিমাংশ কিমান?

(গ) পৃথিৱীক নিজ মেৰুদণ্ডত এপাক ঘূৰিবলৈ কিমান ঘণ্টা সময়ৰ প্ৰয়োজন?

(ঘ) গ্ৰীনিজৰ ওপৰেৰে কল্পনা কৰা প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ স্থানীয় সময়ক কি বোলে?

(ঙ) কৌণিক দূৰত্বৰ জোখৰ একক কি?

২। খালী ঠাই পূৰ কৰা—

(ক) পৃথিৱীৰ পৰিধিয়ে কেন্দ্ৰত ________ কোণ কৰি থাকে।

(খ) দ্ৰাঘিমাৰেখাৰ মান বা জোখক ________ বোলে।

(গ) প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ কৌণিক দূৰত্ব ________ দ্ৰাঘিমাংশ।

(ঘ) মধ্যাহ্ন সূৰ্যৰপৰা পূৱফালে ১৫° আঁতৰত থকা ঠাইখনত ________ বাজিব।

৩। শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা—

(ক) পৃথিৱীৰ আহ্নিক গতিৰ ফলত পশ্চিমৰ ঠাইসমূহ পূবতকৈ আগতে সূৰ্যৰ সন্মুখীন হয়।

(খ) ভ্ৰমণকাৰীয়ে পূব দিশৰপৰা ১৮০° অতিক্ৰম কৰাৰ সময়ত ১ দিন যোগ দি ল'ব লাগে।

(গ) কোনো এখন ঠাইত নিশা ১২ বাজিলে ঠাইখনত এটা দিন শেষ হয় আৰু অন্য এটা দিন আৰম্ভ হয়।

(ঘ) ১৮০° দ্ৰাঘিমাংশত সময়ৰ ব্যৱধান ১২ ঘণ্টা।

(ঙ) গ্ৰীনিজতকৈ পিছত সন্ধিয়া হোৱা ঠাই এখন পশ্চিম দ্ৰাঘিমাংশত অৱস্থিত।

৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) ভ্ৰমণকাৰীয়ে গ্ৰীনিজৰ মান সময় অনুসাৰে গ্ৰীনিজৰ পশ্চিমে গ'লে সময় লাভ/লোকচান হোৱা বুলি অনুভৱ কৰে।

(খ) গ্ৰীনিজতকৈ মুম্বাইত আগতে সূৰ্যোদয় হয়। গতিকে মুম্বাই পূব/পশ্চিম দ্ৰাঘিমাংশত অৱস্থিত।

(গ) প্ৰাথমিক দ্ৰাঘিমাৰেখাৰ পূবৰ প্ৰতি ডিগ্ৰী দ্ৰাঘিমাৰেখাত ৪ মিনিটকৈ সময় আগবঢ়া/পিছপৰা।

(ঘ) ভাৰতীয় মান দ্ৰাঘিমাৰেখা হিচাপে ৮৩°২০/৯০°/৮২°৩০ পুব দ্ৰাঘিমাৰেখাডালক গ্ৰহণ কৰা হৈছে।

(ঙ) আমি পিন্ধা সাধাৰণ হাতঘড়ীবোৰ স্থানীয় সময়/গ্ৰীনিজ মান সময়/ভাৰতীয় মান সময় মতে চলে।

৫। পাৰ্থক্য লিখা—

(ক) অক্ষৰেখা আৰু দ্ৰাঘিমাৰেখা।

(খ) স্থানীয় সময় আৰু মান সময়।

৬। সমাধান কৰা —

(ক) গ্ৰীনিজত মান সময়মতে ৭ বাজিলে কোনো এখন ঠাইত দুপৰীয়া ১২ বাজে। ঠাইখনৰ দ্ৰাঘিমাংশ নিৰ্ণয় কৰা।

(খ) দুপৰীয়া ১২ বজাত নিউয়ৰ্ক (৭৫° প.) চহৰৰপৰা লচএঞ্জেলচ (১১৮°প.) লৈ এটি অনাতাঁৰ বাৰ্তা প্ৰেৰণ কৰিলে। লচএঞ্জেলচৰ স্থানীয় সময় মতে কেই বজাত বাৰ্তাটি প্ৰেৰণ কৰিছিল?

(গ) নতুন দিল্লীৰ (৭৭°পু.) স্থানীয় সময় মতে দিনৰ ৯ বজাত অনুষ্ঠিত হ'বলগীয়া খেলখন ধুবুৰী (৯০ পু.) চহৰৰ স্থানীয় সময় মতে কেতিয়া অনুষ্ঠিত হ'ব?

*(শিক্ষক-শিক্ষয়িত্ৰীলৈ নিৰ্দেশনা ঃ সময় গণনাৰ কাৰ্য অনুশীলনৰ বাবে দিয়া হৈছে। এনে কাৰ্য মূল্যায়নত নিদিয়াতোৱেই বাঞ্চনীয়।)*

# পাঠ ঃ ২
# পৃথিৱীৰ অভ্যন্তৰ ভাগ

V7I1G8

## শিকনৰ ফলাফল ঃ

- পৃথিৱীৰ অভ্যন্তৰ ভাগ আৰু ইয়াৰ বিভিন্ন স্তৰ সম্বন্ধে জানি ব্যাখ্যা কৰিব।
- পৃথিৱীৰ অভ্যন্তৰ ভাগৰ বিভিন্ন স্তৰৰ বৈশিষ্ট্যসমূহ জানিব।
- পৃথিৱীত থকা বিভিন্ন ধৰণৰ শিল, মণিক আৰু মাটি সম্পৰ্কে বুজি পাব।
- শিল, মণিক আৰু মাটিৰ বৈশিষ্ট্যৰ লগতে জীৱ জগতৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব।

আমি বাস কৰা পৃথিৱীখন সৌৰজগতৰ এটা গ্ৰহ। এই পৃথিৱীখনৰ উৎপত্তি কেনেকৈ হ'ল সেই বিষয়ে জানিবলৈ তোমালোকৰ মন নাযায়নে? আচলতে পৃথিৱীৰ উৎপত্তি এক ৰহস্যৰ বিষয়। ভূগোল বিজ্ঞানীসকলে পৃথিৱীৰ উৎপত্তি সম্বন্ধে বিভিন্ন অধ্যয়ন কৰি কৈছে যে আজিৰপৰা প্ৰায় ৪৫০ কোটি বছৰ আগতে পৃথিৱীখনৰ সৃষ্টি হৈছিল। পৃথিৱী সৃষ্টি হোৱা সময়ত ই এটা জ্বলন্ত গেছীয় অগ্নিপিণ্ড আছিল। কালক্ৰমত এই অগ্নিপিণ্ডই তাপ বিকিৰণ কৰি কৰি চেঁচা হ'বলৈ ধৰে আৰু পাছত বৰ্তমানৰ কঠিন অৱস্থা পায়। পৃথিৱীৰ উপৰিভাগ কঠিন অৱস্থাত থাকিলেও কিন্তু অভ্যন্তৰ ভাগ এতিয়াও যথেষ্ট উত্তপ্ত আৰু গলিত অৱস্থাতে আছে। পৃথিৱীৰ উপৰিভাগৰপৰা যিমানেই ভিতৰলৈ যোৱা যায়, সিমানেই ইয়াৰ উষ্ণতা বাঢ়ি গৈ থাকে। ভূবিজ্ঞানীসকলে অনুমান কৰিছে যে পৃথিৱীৰ কেন্দ্ৰভাগৰ উত্তাপ ৬০০০° চেলছিয়াছতকৈ বেছি। তোমালোকে নিশ্চয় ১০০° চেলছিয়াছ উত্তাপত উতলা পানীৰ অৱস্থা মন কৰিছা। আনহাতে ৬০০০° চেলছিয়াছত থকা পৃথিৱীৰ অভ্যন্তৰ ভাগৰ অৱস্থা কেনেকুৱা হ'ব এবাৰ ভাবি চোৱাচোন? অৱশ্যে উত্তাপ ইমান অধিক হোৱা সত্ত্বেও পৃথিৱীৰ উপৰিভাগৰপৰা পোৱা প্ৰচণ্ড হেঁচাৰ ফলত, কেন্দ্ৰৰ উত্তপ্ত অৰ্ধজুলীয়া পদাৰ্থবোৰ বাহিৰলৈ ওলাই আহিব নোৱাৰে। কিন্তু পৃথিৱীৰ উপৰিভাগত কোনো ফাঁট বা সুৰুঙা পালেই এনে উত্তপ্ত গলিত পদাৰ্থবোৰে বাহিৰলৈ ওলাই আহে, যাক আমি উদ্‌গীৰণ বুলি কওঁ।

**জানি থওঁ আহা ঃ**


পৃথিৱীখন এটা বৃত্ত বুলি ধৰিলে ইয়াৰ ব্যাসাৰ্ধ প্ৰায় ৬,৩৭৮ কিল'মিটাৰ। অৰ্থাৎ পৃথিৱীৰ পিঠিৰপৰা কেন্দ্ৰলৈ গভীৰতা ৬,৩৭৮ কিল'মিটাৰ। এই গভীৰতা ভেদ কৰি পৃথিৱীৰ অভ্যন্তৰ ভাগৰ গঠন অধ্যয়ন কৰাটো সহজসাধ্য নহয়। অৱশ্যে ভূবিজ্ঞানীসকলে বিশেষকৈ ভূমিকম্পৰ তৰংগৰ প্ৰকৃতি অধ্যয়ন কৰি পৃথিৱীৰ অভ্যন্তৰ ভাগৰ পদাৰ্থবোৰৰ গুণাগুণ সম্পৰ্কে জানিব পাৰিছে।

**ক্ৰিয়াকলাপ ঃ**

কি কি কাৰণত আমি পৃথিৱীৰ অভ্যন্তৰ ভাগলৈ সোমাই যাব নোৱাৰো দলত আলোচনা কৰি লিখি উলিওৱা।

## পৃথিৱীৰ অভ্যন্তৰ ভাগৰ গঠন ঃ

পৃথিৱীৰ অভ্যন্তৰ ভাগৰ গঠন প্ৰণালী একে নহয়। পৃথিৱীৰ ওপৰৰপৰা কেন্দ্ৰলৈকে স্তৰে স্তৰে কঠিন, অৰ্ধজুলীয়া আৰু জুলীয়াধৰণৰ বিভিন্ন পদাৰ্থ পোৱা যায়। সাধাৰণতে লঘু ঘনত্বৰ পদাৰ্থবোৰ গধুৰ ঘনত্বৰ পদাৰ্থৰ ওপৰত ওপঙি জমা হৈ আছে। সেয়েহে পৃথিৱীৰ পৃষ্ঠৰ পৰা কেন্দ্ৰলৈকে ক্ৰমে লঘুৰপৰা গধুৰ পদাৰ্থবোৰ স্তৰ হিচাপে পোৱা যায়। এতিয়া তোমালোকে পিঁয়াজ এটিলৈ মন কৰা। পিঁয়াজৰ বাকলিবোৰে যেনেদৰে এটা তৰপৰ পাছত আন




*চিত্ৰ ঃ ২.১ পৃথিৱীৰ অভ্যন্তৰ ভাগ*

এটি তৰপেৰে পিঁয়াজটো গঠন কৰে; ঠিক তেনেদৰে পৃথিৱীখনো ওপৰৰপৰা ভিতৰলৈ কিছুমান তৰপেৰে গঠিত। পৃথিৱীৰ পৃষ্ঠৰপৰা কেন্দ্ৰলৈকে থকা পদাৰ্থৰ বিভিন্নতা আৰু সেইবোৰৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি পৃথিৱীৰ পৃষ্ঠৰ পৰা অভ্যন্তৰ ভাগলৈ মূল তিনিটা স্তৰ চিনাক্ত কৰি ভাগ কৰা হৈছে। এই স্তৰ তিনিটা হ'ল ক্ৰমে- **ভূত্বক** (Crust), **গুৰুমণ্ডল** (Mantle) **আৰু কেন্দ্ৰ মণ্ডল** (Core)। কেন্দ্ৰ মণ্ডলক বহিঃ কেন্দ্ৰমণ্ডল আৰু আন্তঃ কেন্দ্ৰমণ্ডল এই দুই ভাগত ভাগ কৰা হয়। ওপৰৰ চিত্ৰ - ২.১ লৈ ভালকৈ মন কৰিলে পৃথিৱীৰ স্তৰ তিনিটাৰ বিষয়ে সম্যক ধাৰণা পাবা। এতিয়া ওপৰৰ ২.১ চিত্ৰটিক আন এটা উদাহৰণেৰে আলোচনা কৰিলে ভালদৰে বুজিব পাৰিবা। তোমালোকে নিশ্চয় নাৰিকল দেখিছা। নাৰিকলটোৰ ওপৰৰ বাকলিখিনি গুচাই দি তাক দুফাল কৰিলে আমি তিনিটা স্তৰ পাওঁ— ওপৰৰ খোলা অৰ্থাৎ টান অংশ, নাৰিকলৰ খাব পৰা বগা শাহ অংশ আৰু একেবাৰে ভিতৰৰ পানী থকা অংশ। ঠিক তেনেদৰে পৃথিৱীৰ উপৰিভাগৰপৰা কেন্দ্ৰভাগলৈ তিনিটা স্তৰ,ক্ৰমে-ভূত্বক গুৰুমণ্ডল আৰু কেন্দ্ৰমণ্ডল। এতিয়া আমি এই স্তৰ তিনিটাৰ বিষয়ে বিতংভাৱে আলোচনা কৰিমহঁক।

**জানি থওঁ আহা ঃ**

- পৃথিৱীৰ মুঠ আয়তনৰ ১% ভূত্বক, ৮৪% গুৰুমণ্ডল আৰু ১৫% কেন্দ্ৰমণ্ডলে আৱৰি আছে।
- ভূত্বক আৰু গুৰুমণ্ডলৰ মাজৰ পৃথকীকৰণ পৃষ্ঠক ম'হৰ ভিচ্ছিক বিচ্ছিন্নতা বা ম'হ' আৰু কেন্দ্ৰগুলৰ মাজৰ পৃথকীকৰণপৃষ্ঠক গুটেনবাৰ্গ বিচ্ছিন্নতা বুলি কোৱা হয়।
- পৃথিৱীৰ খোলাটো ৭ টা মুখ্য ভাগত বিভক্ত। ইয়াৰ প্ৰতিটো ভাগৰ ফলক বোলা হয়। গতিশীল এই ফলকসমূহৰ গতি বছৰত ৫ ছেঃ মিঃ পৰা ১০ ছেঃ মিঃপৰ্যন্ত। এই ফলকসমূহ অন্তভাগৰ বিভিন্ন ক্ৰিয়াৰ ফলত গতিশীল অৱস্থাত থাকে। কেতিয়াবা এখ ফলকে আন এখন ফলকৰ সৈতে খুন্দা খালে ভূমিকম্পৰ সৃষ্টি হয়।

### ভূত্বক ঃ

পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণটোক **ভূত্বক** বুলি কোৱা হয়। আদিতে তৰল আৰু গেছীয় পদাৰ্থবোৰ চেঁচা হৈ সংকুচিত হোৱাৰ ফলত ভূত্বক অসমান আৰু ওখোৰা-মোখোৰা হোৱা বুলি ধাৰণা কৰা হৈছে। পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, সাগৰ, মহাসাগৰ আদি অৱয়ৱসমূহ ভূত্বকতে অৱস্থিত। ভূত্বকৰ গভীৰতা আন দুটা স্তৰতকৈ কম। ই গড়ে প্ৰায় ২০ কিল'মিটাৰ ডাঠ। অৱশ্যে মহাদেশীয় অংশত ই ১৬ কিল'মিটাৰৰপৰা ৬০ কিল'মিটাৰ ডাঠ আৰু মহাসাগৰ তলিত ই মাত্ৰ ৫ কিল'মিটাৰৰপৰা ১০ কিল'মিটাৰ পৰ্যন্তহে ডাঠ।

ভূত্বক স্তৰটো সাধাৰণতে গ্ৰেণাইট জাতীয় শিলেৰে


গঠিত। ভূত্বকৰ সমুদ্ৰৰ তলিৰ অংশটো মূলত **বেছল্ট** জাতীয় শিলেৰে গঠিত। ভূত্বকৰ শিলবোৰত সাধাৰণতে ছিলিকন আৰু **এলুমিনিয়াম** পদাৰ্থৰ পৰিমাণ অধিক বাবে এই স্তৰটোক **'ছিয়াল'** স্তৰ বোলা হয়। ইয়াৰ 'Sial' (ছিয়াল) শব্দটোৰ 'Si'য়ে ছিলিকন আৰু 'Al' য়ে এলুমিনিয়ামক বুজাইছে।

**ক্ৰিয়াকলাপ ঃ**

তোমালোকে গোলক এটি লৈ দলত পৰ্যবেক্ষণ কৰা। এতিয়া গোলকৰ উপৰিভাগক পৃথিৱীৰ ভূত্বক হিচাপে ধৰি লৈ ইয়াত কি কি অৱয়ব আছে তোমালোকৰ বহীত লিপিবদ্ধ কৰা।

## গুৰুমণ্ডল ঃ

তলৰ চিত্ৰ ২.২ লৈ মন কৰা। চিত্ৰত দেখুওৱাৰ দৰে ভূত্বকৰ ঠিক তলৰ দ্বিতীয় স্তৰটো হ'ল **গুৰুমণ্ডল**। এই স্তৰটো প্ৰায় ২,৯০০ কিল'মিটাৰ ডাঠ। ভূত্বকতকৈ এই স্তৰৰ পদাৰ্থবোৰৰ ঘনত্ব বেছি। গোটেই গুৰুমণ্ডলক আকৌ **উৰ্দ্ধ গুৰুমণ্ডল** আৰু **নিম্ন গুৰুমণ্ডল** হিচাপে দুটা স্তৰত ভাগ কৰা হৈছে। এই স্তৰত সাধাৰণতে ছিলিকন আৰু মেগনেছিয়ামৰ পৰিমাণ অধিক বাবে এই স্তৰক 'ছিমা' (Sima) স্তৰ বুলিও জনা যায়। "Sima" শব্দৰ 'Si'য়ে ছিলিকন আৰু 'Ma'য়ে মেগনেছিয়ামক বুজাইছে।




*চিত্ৰ ঃ ২.২ পৃথিৱীৰ অভ্যন্তৰভাগৰ স্তৰসমূহ*

**জানি থওঁ আহা ঃ**

গুৰুমণ্ডলৰ গলিত পদাৰ্থবোৰ প্ৰচণ্ড উত্তাপ আৰু হেঁচাত থকাৰ বাবে স্থিৰেৰে থাকিব নোৱাৰে। এই তৰপটোত তলৰপৰা ওপৰলৈ এক ধৰণৰ উৰ্দ্ধমুখী সোঁত প্ৰবাহিত হৈ আছে। এনে সোঁতৰ বাবেই পৃথিৱীখন এক অস্থিৰ অৱস্থাত আছে। পৃথিৱীৰ উপৰিভাগত ভূমিকম্প আৰু আগ্নেয়গিৰিৰ দৰে প্ৰাকৃতিক দুৰ্যোগবোৰ গুৰুমণ্ডলৰ এনে প্ৰবাহিত সোঁতৰে ফল।

**উত্তৰ লিখাঃ**

- ভূত্বক স্তৰৰ গভীৰতা বা ডাঠ কিমান?
- ভূত্বক আৰু গুৰুমণ্ডল-এই দুই স্তৰৰ কোনটো স্তৰে পৃথিৱীৰ ভিতৰভাগৰ বেছি অংশ আগুৰি আছে চিত্ৰৰ সহায়ত বুজাই লিখা।

## কেন্দ্ৰমণ্ডল ঃ

গুৰুমণ্ডলৰ ঠিক তলতে কেন্দ্ৰক আবৰি থকা স্তৰটোৱেই হ'ল **কেন্দ্ৰমণ্ডল**। এক কথাত ইয়েই পৃথিৱীৰ গৰ্ভ। এই স্তৰটো প্ৰায় ৩,৪৮৬ কিল'মিটাৰ ডাঠ। ইয়াৰ পদাৰ্থবিলাক অতি উত্তপ্ত অৱস্থাত আছে। এই স্তৰটো মূলতঃ লো, নিকেল

আৰু কোবাল্টৰে গঠিত। লো আৰু নিকেলৰ পৰিমাণ বেছি থকা বাবে এই স্তৰটোক **নিফ** (Nife) স্তৰ বুলিও জনা যায়। ইংৰাজী 'Nickel' (নিকেল) শব্দৰপৰা 'Ni' আৰু 'Ferrum' (লো) শব্দৰপৰা 'Fe' লগ কৰি এই স্তৰক 'Nife' (নিফ) বুলি কোৱা হয়। কেন্দ্ৰমণ্ডলৰ বহিঃভাগ এটা তৰল আৱৰণৰ দ্বাৰা গঠিত। ইয়াক **বহিঃ কেন্দ্ৰমণ্ডল** বোলা হয়। এই স্তৰটো প্ৰায় ২,২৫০ কিল'মিটাৰ ডাঠ। এই বহিঃ কেন্দ্ৰমণ্ডলৰ তলত পৃথিৱীৰ কেন্দ্ৰক আগুৰি থকা স্তৰটো **অন্তঃ কেন্দ্ৰমণ্ডল**। এই স্তৰটো প্ৰায় ১,২২৮ কিল'মিটাৰ ডাঠ।

আমি ইতিমধ্যে পাই আহিলো যে পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণ বা খোলাটোক **ভূত্বক** বোলে। এই খোলাটো একেবাৰে সমান নহয়। এই ভূত্বক বিভিন্ন ধৰণৰ শিলাৰে গঠিত। শিলৰ উপৰি ভূত্বকত বালি, মাটি, বোকা আদিও পোৱা যায়। এতিয়া আমি ভূত্বকত পোৱা এনে শিল, মণিক আৰু মাটি সম্বন্ধে আলোচনা কৰোঁহক।

## শিল ঃ

পৃথিৱীৰ খোলাটোৰ এক প্ৰধান উপাদান হ'ল শিল। শিলেৰে গঠিত বাবে এই স্তৰটোক **শিলামণ্ডল** বোলা হয়। সাধাৰণতে আমি বসবাস কৰা পৃথিৱীৰ উপৰিভাগৰ গোটা আৰু আপেক্ষিকভাৱে টান পদাৰ্থবোৰকে শিল বোলা হয়। শিলসমূহ ভিন ভিন মণিকেৰে গঠিত। কিছুমান শিলত মণিক কেইবাবিধো থাকে আৰু আন কিছুমান শিলত এবিধ বা দুবিধমানহে মণিক থাকে। শিলত থকা মণিকৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি শিলৰ আকাৰ-আকৃতি, ৰং, কঠিনতা আদিৰ তাৰতম্য হয়। শিলত থকা ৰাসায়নিক পদাৰ্থবোৰৰ ভিতৰত — অম্লজান, ছিলিকন, এলুমিনিয়াম, লো, কেলছিয়াম, ছ'ডিয়াম, পটাছিয়াম, কাৰ্বন, ছালফাৰ আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। ইয়াৰ উপৰি শিলত কিছু পৰিমাণে তাম, সীহ, দস্তা আদি ধাতুও পোৱা যায়।

### ক্ৰিয়াকলাপ ঃ

তোমালোকে পৰিবেশৰ চৌপাশে পোৱা বিভিন্ন ধৰণৰ শিল সংগ্ৰহ কৰা আৰু তাক ভালদৰে পৰ্যবেক্ষণ কৰি তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা ঃ —

(ক) তোমালোকে শিলবোৰ ক'ৰ ক'ৰপৰা সংগ্ৰহ কৰিছা?

(খ) শিলবোৰৰ আকাৰ-আকৃতি কেনেকুৱা?

(গ) সংগ্ৰহ কৰা শিলবোৰৰ ৰং কেনেকুৱা?

শিলবোৰ সাধাৰণতে ভিন ভিন ধৰণে উৎপত্তি হয়। উৎপত্তি অনুযায়ী শিলক তিনি প্ৰকাৰে ভাগ কৰিব পাৰি। এই তিনি প্ৰকাৰৰ শিল হ'ল — (ক) আগ্নেয় শিল, (খ) গেদীয় শিল, (গ) ৰূপান্তৰিত শিল।

শিলৰ এই শ্ৰেণীবিভাজন তলৰ তালিকাৰ জৰিয়তে দেখুওৱা হ'ল —




## আগ্নেয় শিল ঃ

পৃথিৱীৰ অন্তৰ্ভাগত থকা গলিত, উত্তপ্ত পদাৰ্থসমূহক **মেগমা** বোলা হয়। এনে মেগমা ভূপৃষ্ঠলৈ ওলাই আহিব নোৱাৰি কালক্ৰমত তাপ বিকিৰণ কৰি শীতল হৈ শিলত পৰিণত হয়। এনে ধৰণে গঠন হোৱা শিলক **অন্তৰ্ভেদী আগ্নেয়শিল** বোলা হয়। আনহাতে কেতিয়াবা কিছুমান প্ৰাকৃতিক কাৰণত পৃথিৱীৰ খোলাটোত ফাঁট মেলিলে সেইফালেদি মেগমা বাহিৰলৈ ওলাই আহি লাভা হিচাপে ভূপৃষ্ঠত জমা হয়। এইবোৰ বায়ুৰ সংস্পৰ্শলৈ অহাৰ ফলত গোট মাৰি টান হৈ যি শিলৰ সৃষ্টি হয় তাক **বহিৰ্ভেদী আগ্নেয়শিল** বোলা হয়। পৃথিৱীত আগ্নেয়শিলৰ প্ৰথমতেই সৃষ্টি হৈছিল বাবে এই শিলক **প্ৰাথমিক শিল** বুলিও জনা যায়। এই শিলত সাধাৰণতে সোণ, ৰূপ, সীহ, দস্তা আদি মূল্যবান ধাতু পোৱা যায়। বেছল্ট, গ্ৰেণাইট, গেব্ৰ', বেথলিথ আদি আগ্নেয় শিলৰ উদাহৰণ। আমাৰ উত্তৰ-পূব ভাৰতত থকা খাছিয়া, জয়ন্তীয়া আৰু নীলাচল পাহাৰত থকা শিলবোৰ আগ্নেয়শিলৰ উদাহৰণ।




*চিত্ৰ ঃ ২.৩ আগ্নেয়শিলৰ প্ৰকাৰ*

## গেদীয় শিল ঃ



*চিত্ৰ ঃ ২.৪ গেদীয়শিলৰ স্তৰ*

পৃথিৱীৰ উপৰিভাগত থকা আগ্নেয়শিলবোৰ কালক্ৰমত শীত, তাপ, বতাহ, বৰষুণ আদিৰ ভৌতিক, ৰাসায়নিক আৰু উদ্ভিদৰ জৈৱিক ক্ৰিয়াৰ ফলত দুৰ্বল হৈ ভাঙি বলৈ আৰম্ভ কৰে। লাহে লাহে এই ভগা অংশবিলাক বতাহ, নৈ, জান-জুৰি, হিমবাহ আদিয়ে কঢ়িয়াই নি সাগৰ, হ্ৰদ বা আন নিম্ন অংশত তৰপে তৰপে জমা কৰে। এইদৰে যেতিয়া গেদবোৰ বছৰ বছৰ ধৰি জমা হয়, তেতিয়া এহাতে ওপৰৰ গেদৰ প্ৰচণ্ড চাপ, তাপ আৰু পানীত মিহলি হৈ থকা লো, চূণ আদিৰ ক্ৰিয়াৰ ফলত গেদবোৰ কঠিন হ'বলৈ ধৰে। এইদৰে কঠিন হৈ যি শিলৰ সৃষ্টি হয় তাক **গেদীয় শিল** বোলে। তদুপৰি স্তৰে স্তৰে এই শিল গঠিত হয় বাবে ইয়াক **স্তৰীভূত শিল**ও বোলা হয়। কয়লা, চূণশিল, কংলোমাৰেট আদি গেদীয় শিলৰ উদাহৰণ। আমাৰ উত্তৰে হিমালয় পৰ্বতত থকা শিলবোৰৰ বেছিভাগেই গেদীয় শিল।

> **জানি থওঁ আহা ঃ**
>
> গেদৰপৰা গেদীয় শিললৈ পৰিৱৰ্তিত হোৱা প্ৰক্ৰিয়াটোক **দ্বিজনন প্ৰক্ৰিয়া** (Diagenesis) হিচাপে জনা যায়। গেদীয় শিল সৃষ্টিৰ সময়ত প্ৰবাহিত গেদৰ লগত উদ্ভিদৰ বিভিন্ন অংশ বা জীৱ-জন্তুৰ হাড়-মূৰ খোলা আদি চেপা খাই কঠিন হৈ শিলৰ ভিতৰত থাকি যায়। ইয়াক **জীৱাশ্ম** (Fossil) বোলে।

### ৰূপান্তৰিত শিল ঃ

আগ্নেয় আৰু গেদীয় শিল যদি বহুদিন ধৰি অধিক চাপ আৰু তাপৰ প্ৰভাৱত থাকে তেন্তে তাৰ ভৌতিক আৰু ৰাসায়নিক পৰিৱৰ্তন হৈ এক নতুন শিলৰ সৃষ্টি হয়। এনে শিলক **ৰূপান্তৰিত শিল** বোলে। তলৰ তালিকাত আগ্নেয় আৰু গেদীয় শিলৰপৰা চাপ আৰু তাপৰ ফলত কি কি ৰূপান্তৰিত শিলৰ সৃষ্টি হৈছে তাক দেখুওৱা হৈছে।

| আগ্নেয় আৰু গেদীয় শিল | ৰূপান্তৰিত শিল |
|---|---|
| আগ্নেয় শিল — মাইকা | — চিষ্ট |
| গ্ৰেণাইট | — নিছ্‌ |
| গেদীয় শিল — চূণশিল | — মাৰ্বল |
| বালিশিল | — কোৱাৰ্টযাইট |
| বোকাশিল (Shale) | — শ্লেট |



চিত্ৰ ঃ ২.৫ ৰূপান্তৰিত শিল

**ক্ৰিয়াকলাপ ঃ**

- আমি শিল কি কি কামত ব্যৱহাৰ কৰোঁ তাৰ এখন তালিকা প্ৰস্তুত কৰা।

### মণিক ঃ

পৃথিৱীৰ খোলাটোৰ আন এটি উপাদান হ'ল **মণিক**। পৃথিৱীত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অজৈৱিক গোটা পদাৰ্থসমূহেই হ'ল মণিক। মণিকবোৰ সাধাৰণতে কঠিন পদাৰ্থ। মণিকবোৰ ভূত্বকৰ গোটেই খোলাটোতেই পোৱা যায়। সকলো মণিকৰে কিছুমান নিৰ্দিষ্ট ধৰ্ম আছে। বৰণ, বৰ্ণৰেখা, ৰূপ, স্বচ্ছতা আদি মণিকৰ মূল ধৰ্ম। এই মণিকসমূহক দুই শ্ৰেণীত ভাগ কৰা হৈছে। ইয়াৰে এবিধ হ'ল **শিল গঠনকাৰী মণিক** আৰু আনবিধ হ'ল **আকৰ গঠনকাৰী মণিক**। শিল গঠনকাৰী মণিকসমূহে শিল গঠনত সহায় কৰে। যেনে কোৱাৰ্টজ, ছিলিকেট, কাৰ্বনেট, অক্সাইড আৰু ফেল্ডস্পাৰ। আনহাতেদি পৃথিৱীত এনে কিছুমান মণিক আছে, যিবোৰ আকৰিক মণিক হিচাপে ব্যৱহাৰ কৰা হয়। আকৰিক মণিকৰপৰা ধাতু উৎপাদন কৰা হয় ইয়াক ধাতৱীয় মণিকো বোলে, যেনে— গেলেনা, অৰ্পিমেণ্ট, মেলাকাইট ইত্যাদি।

**জানি থওঁ আহা ঃ**

কঠিনতা মণিকৰ মূল ধৰ্ম। মণিকৰ কঠিনতা জোখাৰ বাবে এক মাপ-কাঠি ব্যৱহাৰ কৰা হয়। ইয়াৰ নাম হৈছে মহ'ৰ কঠিনত্ব মাপ-কাঠী (Mohs Hardness Scale)। টেল্ক নামৰ মণিকবিধৰ কঠিনতা আটাইতকৈ কম আৰু হীৰাৰ কঠিনতা আটাই-তকৈ বেছি।

মণিকসমূহক আকৌ ধাতৱীয় আৰু অধাতৱীয় মণিকৰূপে দুই শ্ৰেণীত ভাগ কৰা হয়। সেইসমূহ মণিকৰ কেইটামান উদাহৰণ হল------

| ধাতৱীয় মণিক | অধাতৱীয় মণিক |
|---|---|
| সোন, ৰূপ, তাম, প্লেটিনাম, টিন, দস্তা, বক্সাইট, হেমেটাইট, জিংক, এলুমিনিয়াম, | অভ্ৰ, গন্ধক, পটাছ, জিপচাম, হীৰা, গ্ৰেফাইট |

**ক্ৰিয়াকলাপ ঃ**

- কেইবিধমান শিল গঠনকাৰী মণিক আৰু কেইবিধমান ধাতৱীয় মণিকৰ নামৰ এখন তালিকা প্ৰস্তুত কৰা।

## মাটি ঃ

ভূত্বকৰ আন এবিধ উপাদান হ'ল মাটি। পৃথিৱীৰ খোলাটোৰ একেবাৰে ওপৰৰ কোমল তৰপটো য'ত আমি ঘৰ-দুৱাৰ সাজো, খেতি-বাতি কৰোঁ, যাতায়াতৰ ব্যৱস্থা কৰোঁ, য'ত গছ-গছনিয়ে খামোচ মাৰি ধৰি থাকে সেই অংশক আমি মাটি বুলি কওঁ। সাধাৰণতে শিলৰপৰাই মাটিৰ উৎপত্তি হয়। মাটি গঠনত জলবায়ুৰ প্ৰভাৱ অপৰিহাৰ্য। শিলবিলাক সময়ৰ সোঁতত শীত, তাপ, বতাহ, বৰষুণ আদি প্ৰাকৃতিক কাৰকৰ প্ৰভাৱত জহি-খহি চূৰ্ণ-বিচূৰ্ণ হয়। এনে অংশসমূহ আকৌ বতাহ, নদী, হিমবাহ আদিয়ে কঢ়িয়াই নি বিভিন্ন ঠাইত জমা কৰে। এইদৰে মাটিৰ সৃষ্টি হয়। শিলৰপৰাই মাটিৰ সৃষ্টি হয় বাবে শিলত থকা মণিকবিলাক মাটিতো পোৱা যায়।




*চিত্ৰ ঃ ২.৬ মাটি*

সাধাৰণতে প্ৰকৃত মাটি ভূপৃষ্ঠৰ পৰা ৩ মিটাৰমান তললৈ পোৱা যায়। মাটি জৈৱিক আৰু অজৈৱিক পদাৰ্থৰে গঠিত। মাটিৰ জৈৱিক উপাদান বুলিলে সাধাৰণতে **'হিউমাছ'**ক বুজায়। ঘাঁহ-বন, লতা আৰু গছ-গছনিৰ ডাল-পাতৰ অংশ, বিভিন্ন জীৱ, যেনে — কেঁচু, কুমতি, এন্দুৰ, পোক-পৰুৱাৰ মৃতদেহ, গৰু-ম'হ আদি বিভিন্ন জীৱ-জন্তুৰ বিষ্ঠাবোৰেই মাটিত থকা জৈৱিক পদাৰ্থ। এনে পদাৰ্থসমূহ ৰ'দত শুকাই, পানীত পচি আৰু অণুজীৱৰ প্ৰভাৱত **'হিউমাছ'** সৃষ্টি কৰে। এনে জৈৱিক পদাৰ্থসমূহে উদ্ভিদক পুষ্টিৰ যোগান ধৰে। মাটিত জৈৱিক পদাৰ্থ বেছি হ'লে মাটিৰ পানী ধাৰণ কৰাৰ ক্ষমতা বাঢ়ে। মাটিত থকা পানীভাগে গছৰ বৰ্ধনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আনহাতে মাটিত মিহলি হৈ থকা অজৈৱিক পদাৰ্থবোৰ হ'ল নাইট্ৰ'জেন, পটাছিয়াম, মেগনেছিয়াম, ছালফাৰ, ফচফৰাচ, কেলছিয়াম, লো-তাম ইত্যাদি। কাষৰ ২.৬ চিত্ৰখনলৈ ভালকৈ মন কৰিলে মাটি সম্বন্ধে ধাৰণা ল'ব পাৰিবা

ৰাসায়নিক উপাদান, ভৌতিক গঠন, উৎপত্তিৰ স্থান আদিৰ ওপৰত নিৰ্ভৰ কৰি মাটিৰ শ্ৰেণী বিভাজন কৰা হয়। সাধাৰণতে মাটিৰ দানাবোৰ অতি সূক্ষ্ম হ'লে আলতীয়া; সূক্ষ্ম আৰু স্থূল দানা হ'লে বালি-অঁহীয়া আৰু প্ৰধানকৈ স্থূল দানা হ'লে বালিয়া মাটি বোলা হয়। উৎপত্তি আৰু গঠন অনুযায়ী মাটিৰ প্ৰধান ভাগবোৰ হ'ল—

- মাটি
  - উৎপত্তি অনুসৰি
    - অৱশিষ্ট মাটি
    - অপসৃত মাটি
  - গঠন অনুসৰি
    - পৈণত আঞ্চলিক মাটি
    - আন্ত আঞ্চলিক মাটি
    - অপৈণত মাটি

### জানি থওঁ আহা ঃ

মাটিত প্ৰধানকৈ চাৰিটা উপাদান থাকে। মণিক বা খনিজ বা অজৈৱিক পদাৰ্থ, জৈৱিক পদাৰ্থ, পানী আৰু বায়ু। আয়তন হিচাপে মাটিত সাধাৰণতে ৪৫ শতাংশ মণিক, ৫ শতাংশ জৈৱিক পদাৰ্থ, ২৫ শতাংশ পানী আৰু ২৫ শতাংশ বায়ু থাকে।

## ভূত্বক আৰু জীৱজগত

আমি বাৰু ক'ত বাস কৰি আছো? ভূত্বকৰ ওপৰৰ অংশত নহয় জানো? এই ভূত্বকৰ লগত জীৱ-জগতৰ এক ওতঃপ্ৰোত সম্পৰ্ক আছে। সকলো প্ৰকাৰৰ প্ৰাণী আৰু উদ্ভিদৰ আবাসস্থলী হ'ল ভূত্বক। আমাৰ জীৱন যাত্ৰা, আচাৰ-ব্যৱহাৰ, খেতি-বাতি, অনুষ্ঠান-প্ৰতিষ্ঠান, যাতায়াত, উদ্যোগ আদি সকলোবোৰ ভূত্বকৰ ওপৰতে নিৰ্ভৰশীল। ভূত্বকৰ অংশ হিচাপে পৰ্বত-পাহাৰ, মালভূমি-সমভূমি আদি জীৱজগতৰ আবাসস্থলী যদিও জলমণ্ডলতো জীৱজগতৰ প্ৰসাৰতা আছে। তেনেকৈ মৰুপ্ৰধান আৰু শীতপ্ৰধান অঞ্চলতো কম বেছি পৰিমাণে জীৱ-জগত বিদ্যমান। ভূত্বকত পোৱা বিভিন্ন ধৰণৰ শিল, মণিক আৰু মাটিৰ গুণাগুণে জীৱজগতক বিশেষভাৱে প্ৰভাৱান্বিত কৰি আহিছে। আনহাতে ভূত্বকত পোৱা বিভিন্ন ধৰণৰ খনিজ পদাৰ্থ যেনে নাইট্ৰ'জেন, পটাছিয়াম, মেগ্‌নেছিয়াম, ছালফাৰ, ফচফৰাচ, কেলছিয়াম, লো, তাম, সীহ আদিয়ে উদ্ভিদ আৰু প্ৰাণীৰ বৃদ্ধি আৰু বিকাশত বিশেষ অৰিহণা যোগাই আহিছে। মানুহৰ জীৱন-ধাৰণৰ বাবে খাদ্যদ্ৰব্য, নানা-ধৰণৰ সামগ্ৰী, বাসস্থান আদি ভূত্বকৰ মাটিৰ ওপৰতে নিৰ্ভৰশীল। ভূত্বকত পোৱা শিলক আমাৰ প্ৰয়োজন মতে বিভিন্ন কামত ব্যৱহাৰ কৰি আমাৰ অভাৱ পূৰণ কৰো। শক্তিৰ উৎস কয়লা, খনিজাত তেল, প্ৰাকৃতিক গেছ আদি স্তৰীভূত শিলৰ মাজৰপৰাই আমি সংগ্ৰহ কৰোঁ। সোণ, ৰূপ, তাম, দস্তা আদি ধাতু আমি আগ্নেয় আৰু ৰূপান্তৰিত শিলৰপৰাই পাওঁ। তদুপৰি গ্ৰেণাইট, বেচল্ট, বালিশিল, শ্লেট, মাৰ্বল আদি শিলাসমূহ আমি ঘৰবাৰী, ৰাস্তা-ঘাট নিৰ্মাণ কাৰ্যত বহুলভাৱে ব্যৱহাৰ কৰোঁ। কৃত্ৰিম সাৰ, চিমেণ্ট, চুণ আদি প্ৰস্তুত কৰিবলৈ চুণশিল ব্যৱহাৰ কৰা হয়। ঘৰ বান্ধিবলৈ ব্যৱহাৰ কৰা ইটা সাধাৰণতে বোকা বা আলতীয়া মাটিৰপৰা তৈয়াৰ কৰা হয়।

দ্ৰুতগতিত বৃদ্ধি পোৱা জনসংখ্যাই ভূত্বকৰ লগতে মাটিৰ বিভিন্ন প্ৰকাৰে ক্ষতিসাধন কৰি আছে। ভূমিস্খলন, খহনীয়া, ৰ'দ, বতাহ, বৰষুণ আৰু মানুহৰ বিভিন্ন কাৰ্যই পৃথিৱীৰ ভূত্বকত থকা শিল, মণিক আৰু মাটিৰ বিভিন্ন প্ৰকাৰে ক্ষতিসাধন কৰি আহিছে। দ্ৰুত উদ্যোগীকৰণ, যান-বাহনৰ বৰ্ধিত সংখ্যা, খেতিবাতিত ব্যৱহাৰ হোৱা বিভিন্ন সাৰ, কীটনাশক দ্ৰব্য, নগৰীয়া আবৰ্জনা আদিৰ বাবে পৃথিৱীৰ উপৰিভাগত প্ৰদূষণ ক্ৰমান্বয়ে বাঢ়ি গৈছে। সেয়েহে মাটিৰ ক্ষয়কাৰ্য বোধ কৰাটো আৰু প্ৰদুষণমুক্ত কৰি ৰখাটো মানৱ জাতিৰ বাবে অতি প্ৰয়োজনীয়। এই প্ৰদুষকসমূহ মাটিত এবাৰ সোমাই গ'লে ই এটা চক্ৰ (Cycle)ৰ অংগ হৈ পৰে আৰু উদ্ভিদ, মানুহ আন জীৱ-জন্তুৰ বহুতো ক্ষতিসাধন কৰে। মাটি ক্ষয় হোৱা কাৰ্য ৰোধ কৰিবলৈ গছ-গছনি, ঘাঁহ-বন আদিৰে ইয়াক সদায় ঢাকি ৰাখিব লাগে। খেতি-বাতিত ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগত গুৰুত্ব দিব লাগে। মাটিৰ উৰ্বৰতা ৰক্ষা কৰিবলৈ সময়ে সময়ে খেতিবোৰ সলনি কৰিব লাগে। এনেধৰণৰ পদক্ষেপে ভূত্বকক প্ৰদুষণমুক্ত কৰি তোলে আৰু জীৱ-জগতৰ বাবে বসবাসৰ উপযোগী কৰি তোলাত সহায় কৰে।

### মনত ৰাখিবলগীয়া কথা ঃ

- বিজ্ঞানীসকলে অনুমান কৰিছে যে পৃথিৱীখন প্ৰায় ৪৫০ কোটি বছৰ আগতে সৃষ্টি হৈছিল।
- পৃথিৱীখন আদিতে জ্বলন্ত গেছীয় অগ্নিপিণ্ড আছিল। পিছত তাপ বিকিৰণ কৰি কৰি চেঁচা হৈ বৰ্তমানৰ ৰূপ লয়।

- পৃথিৱীপৃষ্ঠৰপৰা কেন্দ্ৰলৈকে স্তৰে স্তৰে কঠিন, অৰ্ধ জুলীয়া আৰু জুলীয়া আদি পদাৰ্থবোৰ পোৱা যায়।
- পৃথিৱীপৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ স্তৰ তিনিটা হ'ল— ভূত্বক, গুৰুমণ্ডল আৰু কেন্দ্ৰমণ্ডল।
- ভূত্বক গড়ে প্ৰায় ২০ কিল'মিটাৰ ডাঠ।
- গুৰুমণ্ডল প্ৰায় ২,৯০০ কিল'মিটাৰ ডাঠ।
- কেন্দ্ৰমণ্ডল প্ৰায় ৩,৪৮৬ কিল'মিটাৰ ডাঠ।
- পৃথিৱীৰ উপৰিভাগত থকা গোটা আৰু আপেক্ষিকভাৱে টান পদাৰ্থবোৰক শিল বোলে।
- শীত, তাপ, বতাহ, বৰষুণ আদি প্ৰাকৃতিক কাৰকৰ প্ৰভাৱৰ ফলত শিলৰ চূৰ্ণ-বিচূৰ্ণ অংশসমূহ বিভিন্ন ঠাইত জমা হৈ যি কোমল অংশৰ সৃষ্টি কৰে তাক মাটি বোলে।
- পৃথিৱীৰ খোলাত প্ৰাকৃতিকভাৱে সৃষ্টি হোৱা অজৈৱিক গোটা, কঠিন পদাৰ্থসমূহেই হ'ল মণিক।
- শিলৰপৰা মাটিৰ উৎপত্তি হ'লেও শিল আৰু মাটিৰ মাজত পাৰ্থক্য আছে।
- মাটি জৈৱিক আৰু অজৈৱিক পদাৰ্থৰে গঠিত।

## অনুশীলনী ঃ

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা ঃ

(ক) পৃথিৱীৰ পৃষ্ঠৰপৰা কেন্দ্ৰলৈ ৪/৩/২ টা স্তৰেৰে গঠিত।

(খ) ভূত্বক গড়ে প্ৰায় ২০/৩০/২৫ কিল'মিটাৰ ডাঠ।

(গ) পৃথিৱীৰ গৰ্ভ মানে হ'ল— ভূত্বক/গুৰুমণ্ডল/কেন্দ্ৰমণ্ডল।

(ঘ) জীৱাশ্ম সাধাৰণতে গেদীয় শিল/আগ্নেয়শিল/ৰূপান্তৰিত শিলত পোৱা যায়।

(ঙ) আটাইতকৈ টান মণিকবিধ হ'ল সোণ/হীৰা/দস্তা।

২। খালী ঠাই পূৰ কৰা—

(ক) ভূপৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ ক্ৰমান্বয়ে ________ বাঢ়ি গৈ থাকে।

(খ) ভূত্বক স্তৰক ________ বুলিও জনা যায়।

(গ) মাটি________ আৰু ________ পদাৰ্থৰে গঠিত।

(ঘ) মেগমাৰ পৰা উৎপত্তি হোৱা শিলক ________ শিল বোলে।

(ঙ) মণিকবোৰ সাধাৰণতে ________ পদাৰ্থ।

৩। চমু উত্তৰ লিখা ঃ (৩০টা মান শব্দৰ ভিতৰত)

(ক) ভূত্বক বুলিলে কি বুজা?
(খ) আগ্নেয় শিল কাক বোলে?
(গ) মাটি বুলিলে কি বুজা?
(ঘ) মণিক কি?
(ঙ) 'হিউমাছ' কাক বোলে?

৪। উত্তৰ লিখা — (১০০টা মান শব্দৰ ভিতৰত)

(ক) পৃথিৱীৰ পৃষ্ঠৰপৰা অভ্যন্তৰ ভাগলৈ প্ৰধান স্তৰ কেইটা আৰু কি কি? চিত্ৰ আঁকি বুজাই লিখা।

(খ) শিল কেইপ্ৰকাৰৰ আৰু কি কি বুজাই লিখা।

(গ) শিল আৰু মাটিৰ মাজত পাৰ্থক্য বিচাৰ কৰা।

(ঘ) "মাটি অবিহনে গছ-গছনি, জীৱ-জন্তু জীয়াই থাকিব নোৱাৰে"— কথাষাৰ বুজাই লিখা।

(ঙ) "মাটি গঠনত জলবায়ুৰ প্ৰভাৱ অপৰিহাৰ্য" — কথাষাৰ বুজাই লিখা।

(চ) ভূত্বকত পোৱা শিল, মণিক আৰু মাটিৰ মাজত সম্পৰ্ক বিচাৰ কৰা।

৫। তলৰ তালিকাত বিভিন্ন ধৰণৰ শিলৰ নাম দিয়া আছে। সেইবোৰ তালিকাত দিয়া ধৰণে শ্ৰেণীভুক্ত কৰা—
মাৰ্বল, শ্লেট, বালিশিল, গ্ৰেণাইট, কয়লা, চূণশিল, চক্‌মাটি, নিছ, কংলোমাৰেট, বোকাশিল, চিষ্ট, কোৱাৰ্টযাইট, বেছল্ট, গ্ৰেব্ৰ'।

| | |
|---|---|
| আগ্নেয় শিল | |
| গেদীয় শিল | |
| ৰূপান্তৰিত শিল | |

৬। দলত আলোচনা কৰি লিখা—

(ক) মাটিৰ লগত উদ্ভিদ আৰু প্ৰাণীজগতৰ সম্বন্ধ কি?

(খ) যদিহে পৃথিৱীৰ উপৰিভাগৰপৰা সাৰুৱা মাটি নোহোৱা হৈ যায়, তেতিয়া কি হ'ব?

# পাঠ ঃ ৩
# পৃথিৱীৰ উপৰিভাগ আৰু ইয়াৰ পৰিৱৰ্তন

2GGHEN

### শিকনৰ ফলাফল ঃ

- বায়ুমণ্ডলৰ গঠন আৰু ইয়াৰ স্তৰবোৰৰ বিষয়ে ধাৰণা পাব।
- বতৰ আৰু জলবায়ুৰ উপাদানবোৰৰ বিষয়ে জানিব পাৰিব।
- এখন ঠাইৰ জলবায়ু নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত ভৌগোলিক কাৰকবোৰৰ ভূমিকা সম্বন্ধে জানিব পাৰিব।
- মানুহৰ কাম-কাজৰ ওপৰত জলবায়ুৰ প্ৰভাৱ সম্পৰ্কে ধাৰণা কৰিব পাৰিব।
- ভূপৃষ্ঠৰ অৱয়ববোৰৰ পৰিবৰ্তনৰ ক্ষেত্ৰত আভ্যন্তৰীণ আৰু বাহ্যিক শক্তিবোৰৰ ক্ৰিয়া সম্পৰ্কে জানিব।

আমাৰ পৃথিৱীৰ উপৰিভাগক বায়ুৰ যি এক আৱৰণে আৱৰি আছে তাকে বায়ুমণ্ডল বুলি কোৱা হয়। পৃথিৱীত বাস কৰা সকলো জীৱই জীয়াই থাকিবলৈ এই বায়ুমণ্ডলৰ ওপৰত নিৰ্ভৰশীল।




*চিত্ৰ ঃ ৩.১ বায়ুৰ গঠন*

### বায়ুমণ্ডলৰ গঠন ঃ

আগৰ শ্ৰেণীত তোমালোকে পাই আহিছা যে আমি উশাহ লওঁতে যি বায়ু গ্ৰহণ কৰোঁ, ই আচলতে কেইবাবিধো গেছৰ সমষ্টি। বায়ু গঠন কৰা প্ৰধান গেছ দুবিধ হ'ল নাইট্ৰ'জেন আৰু অক্সিজেন। কাৰ্বন-ডাই-অক্সাইড, হিলিয়াম, আৰ্গন, অ'জন আৰু হাইড্ৰ'জেন গেছো বায়ুত আছে। ইয়াৰ পৰিমাণ বহুত কম। এই গেছবোৰৰ উপৰি বায়ুত ক্ষুদ্ৰ ক্ষুদ্ৰ ধূলিকণা আৰু ধোঁৱাও মিহলি হৈ থাকে। কাষত দিয়া চিত্ৰখনলৈ (৩.১) মন কৰাচোন— যিবিলাক গেছেৰে বায়ু গঠিত ইয়াত সেই গেছবোৰৰ পৰিমাণ শতাংশ হিচাপত দেখুওৱা হৈছে।

সকলো জীৱই শ্বাস লওঁতে অক্সিজেন গেছ গ্ৰহণ কৰে আৰু কাৰ্বন-ডাই-অক্সাইড গেছ এৰি দিয়ে। সেউজীয়া উদ্ভিদে খাদ্যবস্তু প্ৰস্তুত কৰোঁতে কাৰ্বন-ডাই-অক্সাইড গেছ ব্যৱহাৰ কৰে। খাদ্যবস্তু প্ৰস্তুত হোৱা এই প্ৰক্ৰিয়াটোত অক্সিজেন গেছ নিৰ্গত হৈ বায়ুৰ লগত মিহলি হয়।

**উত্তৰ লিখা ঃ**


- বায়ুত আটাইতকৈ বেছি পৰিমাণে থকা গেছ বিধৰ নাম।
- উদ্ভিদে খাদ্য প্ৰস্তুত কৰোঁতে কি গেছ ব্যৱহাৰ কৰে?

### বায়ুমণ্ডলৰ স্তৰবোৰ ঃ

তোমালোকে জানা যে পৃথিৱীৰ উপৰিভাগৰপৰা ক্ৰমে ওপৰলৈ গোটেই বায়ুমণ্ডলক চাৰিটা প্ৰধান ভাগত ভাগ কৰা হয়। এইবোৰ হ'ল— ট্ৰপ'স্ফিয়েৰ, ষ্ট্ৰেট'স্ফিয়েৰ, মেছ'স্ফিয়েৰ আৰু থাৰ্মস্ফিয়েৰ। থাৰ্ম'স্ফিয়েৰৰ তলৰ অংশক আয়ন'স্ফিয়েৰ আৰু ওপৰৰ অংশক এক্স'স্ফিয়েৰ বুলি কোৱা হয়।

### ট্ৰ'প'স্ফিয়েৰ ঃ

এই স্তৰটো বায়ুমণ্ডলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ স্তৰ। ই গড়ে ১২ কি.মি. উচ্চতালৈ বিস্তৃত হৈ আছে। এই স্তৰটোৰ বৈশিষ্ট্য এই যে ইয়াত উচ্চতা বঢ়াৰ লগে লগে বায়ুৰ উত্তাপ কমি যায়। প্ৰতি কিলোমিটাৰ উচ্চতাত ৬.৫° চেলচিয়াছ বায়ুৰ উষ্ণতা হ্ৰাস পায়। ইয়াক লেপ্ চ হাৰ বোলে। মেঘ, বৰষুণ, কুঁৱলী আদি প্ৰায় সকলো ধৰণৰ বতৰৰ পৰিঘটনা এইটো স্তৰতেই ঘটে।



চিত্ৰ ঃ ৩.২ বায়ুমণ্ডলৰ স্তৰবোৰ

**ক্ৰিয়াকলাপ ঃ**

- মাউণ্ট এভাৰেষ্টৰ উচ্চতা ৮৮৪৮ মিটাৰ। যদি তোমাৰ ঠাইখনৰ বৰ্তমান উষ্ণতা ২০° চেলচিয়াছ হয় মাউণ্ট এভাৰেষ্টৰ শীৰ্ষাংশৰ উষ্ণতা (লেপ্‌চ হাৰ অনুসৰি) কিমান হ'ব নিৰ্ধাৰণ কৰা?

### ষ্ট্ৰেট'স্ফিয়েৰ ঃ

ট্ৰপ'স্ফিয়েৰৰ ঠিক ওপৰৰ স্তৰটো হ'ল ষ্ট্ৰেট'স্ফিয়েৰ। ভূপৃষ্ঠৰ পৰা এই স্তৰটোৰ বিস্তৃতি হৈছে প্ৰায় ৫০-৫৫ কি.মি.। বতৰজনিত কাৰ্যকলাপ এই স্তৰটোত দেখা পোৱা নাযায় বাবে উৰাজাহাজ চলাচল কৰিবৰ বাবে সুবিধাজনক হয়।বায়ুমণ্ডলৰ এই স্তৰটোতে অ'জন গেছৰ এটা স্তৰ আছে। এই স্তৰটোৱে সূৰ্যৰপৰা অহা ক্ষতিকাৰক অতি বেঙুনীয়া ৰশ্মি শোষণ কৰি পৃথিৱীত পৰাত বাধা দিয়ে। ট্ৰপ'পজৰপৰা ওপৰলৈ ষ্ট্ৰেট'স্ফিয়েৰত বায়ুৰ উষ্ণতা ক্ৰমে বৃদ্ধি পায়।

**উত্তৰ লিখা ঃ**

- বায়ুমণ্ডলৰ কোনটো স্তৰত ধুমুহা, বৰষুণ আদি হয়?
- বায়ুমণ্ডলৰ কোনটো স্তৰত অ'জন গেছৰ স্তৰ আছে?
- কোনটো স্তৰৰ মাজেৰে উৰাজাহাজ চলাচল কৰিবলৈ সুবিধাজনক?

### মেছ'স্ফিয়েৰ ঃ

ষ্ট্ৰেট'স্ফিয়েৰৰ ঠিক ওপৰৰ স্তৰটোক মেছ'স্ফিয়েৰ বুলি কোৱা হয়। ই ভূপৃষ্ঠৰপৰা প্ৰায় ৮০-৮৫ কিঃমি উচ্চতালৈ বিস্তৃত। এই স্তৰটোৰ প্ৰধান বৈশিষ্ট্য হৈছে এই যে- উচ্চতা বৃদ্ধিৰ লগে লগে বায়ুৰ উষ্ণতা হ্ৰাস পায়। তোমালোকে ৰাক ৰাতিৰ আকাশত কেতিয়াবা উল্কা দেখিছানে? মহাকাশৰপৰা নামি অহা উল্কা এই স্তৰত সোমালেই জ্বলি উঠে।

### থাৰ্মোস্ফিয়েৰ ঃ

বায়ুমণ্ডলৰ এই স্তৰটোত উচ্চতা বৃদ্ধিৰ লগে লগে উষ্ণতাও বৃদ্ধি হয়। এই স্তৰটোৰ তলৰ অংশক আয়ন'স্ফিয়েৰ বুলি কোৱা হয়। মেছ'স্ফিয়েৰৰ ওপৰৰপৰা প্ৰায় ৪০০ কিল'মিটাৰ উচ্চতালৈ থাৰ্মোস্ফিয়েৰ বিস্তৃত। ইয়াৰ বায়ুকণাবোৰ বিদ্যুৎ আধানযুক্ত, যাক আয়ন কণাও বোলে। ই ৰেডিঅ' তৰংগ বহন কৰে। পৃথিৱীৰপৰা পঠিওৱা ৰেডিঅ' তৰংগ এই স্তৰে পুনৰ পৃথিৱীলৈ ঘূৰাই পঠিয়াই আমাক ৰেডিঅ'ৰ গীত-মাত শুনাত সহায় কৰে। এই স্তৰত বায়ুৰ উষ্ণতা প্ৰায় ১৬৫০° চেলচিয়াছ পৰ্যন্ত বৃদ্ধি পায়। আয়ন'স্ফিয়েৰৰ ওপৰৰ অংশক এক্স'স্ফিয়েৰ বোলা হয়। এই স্তৰটো বায়ুমণ্ডলৰ ৪০০ কিলোমিটাৰ উচ্চতাৰ পৰা ১০,০০০ কিলোমিটাৰ উচ্চতালৈ বিস্তৃত। ইয়াত বায়ু একেবাৰে পাতল। ইয়াৰ পৰা হিলিয়াম আৰু হাইড্ৰ'জেনৰ নিচিনা পাতল গেছ মহাকাশত বিলীন হৈ যায়।

**ক্ৰিয়াকলাপ ঃ**

(ক) অ'জন স্তৰে আমাৰ কি দৰে উপকাৰ সাধে? (খ) ষ্ট্ৰেট'স্ফিয়েৰ স্তৰটোৰ বিস্তৃতি কিমান?

(গ) বায়ুমণ্ডলৰ কোনটো স্তৰত উল্কা দেখা যায়? (ঘ) কোনটো স্তৰে আমাক ৰেডিঅ' শুনাত সহায় কৰে?

## বতৰ আৰু জলবায়ু

বায়ুমণ্ডলৰ তাপ, চাপ, আৰ্দ্ৰতা, বতাহ, বৰষুণ আদিয়ে সৃষ্টি কৰা সম্মিলিত অৱস্থাকেই এক নিৰ্দিষ্ট সময়ৰ বতৰ বুলি কোৱা হয়। বতৰৰ এই উপাদানবোৰৰ তথ্য বিশ্লেষণ কৰি বতৰ বিজ্ঞান কেন্দ্ৰবোৰে বতৰৰ আগজাননী দিয়ে। বাতৰিকাকত, ৰেডিঅ' আৰু টেলিভিজনৰ বাতৰিত তোমালোকে এনে বতৰৰ আগজাননী শুনিছা নিশ্চয়। ঠিক সেইদৰে একোটা অঞ্চলৰ (ৰাজ্য, দেশ আদি) প্ৰায় ৩০ৰপৰা ৫০ বছৰৰ বতৰৰ গড় অৱস্থাকে সেই অঞ্চলৰ **জলবায়ু** বুলি কোৱা হয়।

**জানি থওঁ আহা**

আমাৰ দেশৰ মুখ্য বতৰ বিজ্ঞান কেন্দ্ৰটো মহাৰাষ্ট্ৰৰ পুণেত অৱস্থিত। গুৱাহাটীৰ বৰঝাৰত এটি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ আছে।

**ক্ৰিয়াকলাপ ঃ**

- আজিৰ দিনটোৰ বতৰৰ অৱস্থা পৰ্যবেক্ষণ কৰি এটি টোকা প্ৰস্তুত কৰা।
- এখন স্থানীয় বাতৰি কাকতৰপৰা দহ দিনৰ বতৰৰ প্ৰতিবেদন সংগ্ৰহ কৰা আৰু বতৰৰ কি পৰিবৰ্তন দেখিলা তাৰ এটি চমু বিৱৰণ দিয়া।

বতৰ আৰু জলবায়ুৰ কথা ভালদৰে বুজিবলৈ হ'লে আমি বায়ুমণ্ডলত থকা বতৰৰ উপাদানবোৰৰ কিছু কথা জানিব লাগিব —

## বায়ুৰ উষ্ণতা ঃ

গৰম বা ঠাণ্ডাৰ পৰিমাণকে আমি উষ্ণতা বুলি কওঁ। তোমালোকে প্ৰতিদিনে যি উষ্ণতা অনুভৱ কৰা সিয়েই হ'ল বায়ুমণ্ডলৰ উষ্ণতা। বায়ুমণ্ডলৰ উষ্ণতাৰ প্ৰধান উৎস হ'ল **সূৰ্য**। সূৰ্যৰ ৰশ্মি ভূপৃষ্ঠত পৰাকে **আতপন (Insolation)** বোলা হয়। সূৰ্যৰপৰা অহা তাপে প্ৰথমতে ভূপৃষ্ঠৰ শিল, মাটি আদিৰ উত্তাপ বৃদ্ধি কৰে। তাৰ পাছত ভূপৃষ্ঠৰপৰা বিকিৰণ হোৱা তাপে বায়ুমণ্ডলৰ উষ্ণতা বঢ়ায়। বায়ুমণ্ডলৰ একেবাৰে নিম্নস্তৰটোত যিমানেই ওপৰলৈ উঠি যোৱা হয় সিমানেই বায়ুমণ্ডলৰ উষ্ণতা কমি যায়। কাৰণ পৃথিবীৰ গাত লাগি থকা স্তৰটোত ধূলিকণা, জলীয় ভাপ আদি বেছি পৰিমাণে থাকে আৰু সেইবোৰৰ তাপ গ্ৰহণ কৰা আৰু ধৰি ৰখাৰ ক্ষমতা বেছি। সেয়ে বায়ুমণ্ডলৰ তলৰ অংশৰ উষ্ণতা ওপৰ অংশতকৈ বেছি। বিষুবীয় অঞ্চলত সূৰ্যৰ ৰশ্মি গোটেই বছৰ পোনে পোনে বা লম্বভাৱে পৰে বাবে সেই অঞ্চলৰ বায়ুমণ্ডলৰ উষ্ণতা সদায় বেছি। আনহাতে বিষুৱৰপৰা দুই মেৰুৰ ফালে ক্ৰমে সূৰ্যৰ ৰশ্মি হেলনীয়া হৈ পৰে বাবে সেই অঞ্চলবোৰৰ বায়ুমণ্ডল শীতল। ঋতু ভেদেও পৃথিবীৰ উপৰিভাগত উষ্ণতাৰ তাৰতম্য ঘটে। যেতিয়াই যিখন ঠাই সূৰ্যৰ সন্মুখীন হয় তাত জহকাল আৰু সূৰ্যৰপৰা আঁতৰি গ'লে সেই ঠাইত শীতকাল হয়।

**জানি থওঁ আহা**

সৌৰশক্তিৰ ২,০০০,০০০,০০০০ ভাগৰ মাত্ৰ ১ ভাগ শক্তিহে পৃথিৱীয়ে পায়।

তাপৰ জোখৰ মান একক হ'ল ছেলছিয়াছ। এণ্ডাৰচ ছেলছিয়াছ নামৰ এজন জ্যোতিৰ্বিজ্ঞানীয়ে এইবিধ স্কেল উদ্ভাৱন কৰে। এই স্কেলৰ শূন্য ডিগ্ৰী উষ্ণতাত পানী গোট মাৰে আৰু এশ ডিগ্ৰী উষ্ণতাত পানী উতলে। ১০০ লৈ দাগ কটা থকা বাবে এই স্কেলক ছেণ্টিগ্ৰেড বোলা হৈছিল। পাছলৈ বিজ্ঞানীজনৰ প্ৰতি সন্মান জনাই এই স্কেলৰ নাম ছেলছিয়াছ ৰখা হয়।

**ক্ৰিয়াকলাপ ঃ**

- মেৰু অঞ্চল সদায় বৰফে আবৰা কিয় ?
- বিষুৱীয় অঞ্চলত বায়ুমণ্ডলৰ উষ্ণতা বেছি কিয় ?

## বায়ুৰ চাপ ঃ

বায়ু এবিধ গেছীয় পদাৰ্থ। বায়ুৰ ওজন আছে আৰু সেই ওজনৰ হেঁচাকেই আমি বায়ুৰ চাপ বুলি কওঁ। এই চাপে কোনো বস্তুৰ তল, ওপৰ আৰু কাষৰপৰা ক্ৰিয়া কৰে। বায়ুৰ চাপে কোনো ঠাইৰ বতৰ নিৰ্ণয় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। বায়ুমণ্ডলৰ নিম্ন স্তৰটোত যিমানেই ওপৰলৈ যোৱা হয় বায়ুৰ চাপো কমি যায়। সমুদ্ৰপৃষ্ঠৰ উচ্চতাত বায়ুৰ চাপ সকলোতকৈ বেছি আৰু উচ্চতা বঢ়াৰ লগে লগে চাপ কমি যায়। সেইদৰে উষ্ণতা বৃদ্ধিৰ লগে লগে বায়ুৰ চাপ কমি যায় আৰু উষ্ণতা কমি গ'লে বায়ুৰ চাপ বৃদ্ধি হয়। উদাহৰণস্বৰূপে, দুই মেৰুত বায়ুৰ চাপ বেছি। কাৰণ তাত বায়ু শীতল। শীতল বায়ু গধুৰ সেয়েহে নিম্নগামী হয় আৰু ই উচ্চ চাপ অঞ্চলৰ সৃষ্টি কৰে। বিষুৱীয় অঞ্চলত বায়ুমণ্ডলৰ উষ্ণতা বেছি। সেইবাবে তাত সদায় বায়ুৰ নিম্ন চাপৰ সৃষ্টি হয়। বেৰ' মিটাৰ যন্ত্ৰৰ সহায়ত বায়ুৰ চাপ জোখা হয়। সমান বায়ু চাপ থকা ঠাই সংযোগ কৰা ৰেখাক সমচাপ ৰেখা (Isobar) বোলা হয়।

## বতাহ ঃ

পানী যেনেকৈ ওখ ঠাইৰপৰা চাপৰ বা দ ঠাইলৈ বৈ যায় তেনেদৰে উচ্চচাপ অঞ্চলৰপৰা বায়ু নিম্নচাপ অঞ্চললৈ গতি কৰে। বায়ুৰ এই গতিকে বতাহ বুলি কোৱা হয়। এই বতাহেই কোনো ঠাইৰ বতৰ নিৰ্ণয় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়।

**ক্ৰিয়াকলাপ ঃ**


- বিষুৱীয় অঞ্চলত সদায়েই বায়ুৰ চাপ কম কিয় ?
- মেৰু অঞ্চলত বায়ুৰ চাপ বেছি হোৱাৰ কাৰণ কি ?

ভূপৃষ্ঠৰ ওপৰত বিভিন্ন কাৰণত বলা বতাহক তিনিটা ভাগত ভগাব পাৰি—

১। **নিয়ত বতাহ ঃ** পৃথিৱীৰ উপৰিভাগৰ স্থায়ী উচ্চচাপ অঞ্চলৰ পৰা নিম্নচাপ অঞ্চললৈ নিয়মিতভাৱে যি বতাহ বলে তাকে **নিয়ত বতাহ** বোলে। **বাণিজ্য বতাহ, পশ্চিমা বতাহ, মেৰু বতাহ** আদি নিয়ত বতাহ।

২। **সাময়িক বতাহ ঃ** দিনটোৰ বিভিন্ন সময়ত বতাহ বয়। সেইদৰে বছৰৰ বিভিন্ন ঋতুত বতাহ বলা দেখা যায়। এই বতাহৰ কাৰণ হ'ল বায়ুমণ্ডলত হোৱা তাপ আৰু চাপৰ তাৰতম্য। এনে তাৰতম্যৰ ফলত উচ্চ চাপ অঞ্চলৰপৰা নিম্ন চাপ অঞ্চললৈ যি বতাহ বলে তাকে **সাময়িক বতাহ** বোলে। **জলবতাহ, স্থলবতাহ,** মৌচুমী **বতাহ** আদি সাময়িক বতাহ।

৩। **স্থানীয় বতাহ ঃ** কোনো কোনো অঞ্চলত স্থানীয় কাৰণৰ বাবে কোনো কোনো সময়ত বতাহ বলে। উত্তৰ ভাৰতৰ **লু** (Loo) এনে এবিধ স্থানীয় বতাহ। এই বতাহবোৰে বিভিন্ন ঠাইৰ বতৰ নিৰ্ধাৰণ কৰে।



*চিত্ৰ ঃ ৩.৩ প্ৰধান চাপ বলয়সমূহ আৰু বতাহ*

**জানি থওঁ আহা ঃ**

- পৃথিৱীৰ কেইটামান উল্লেখযোগ্য স্থানীয় বতাহ - মালাবাৰ উপকূলৰ এলিফেন্টা, ৰকি পৰ্বতৰ চিণুক, আল্পচৰ ফন আদি।
- উইণ্ড ভে'ন যন্ত্ৰৰ সহায়ত বতাহৰ সঠিক দিশ নিৰ্ণয় কৰিব পাৰি।

## আৰ্দ্ৰতা আৰু অধোক্ষেপণ ঃ

মাটি আৰু বিভিন্ন জলাশয়ৰপৰা পানী সূৰ্যৰ তাপত ভাপ হৈ জলীয় বাষ্পৰ সৃষ্টি হয়। বায়ুত থকা জলীয় ভাপ বা বাষ্পকে আৰ্দ্ৰতা বোলা হয়। বায়ুমণ্ডল যেতিয়া জলীয় ভাপেৰে ভৰি থাকে তেতিয়া আমি বতৰটো সেমেকা বুলি কওঁ। সেমেকা বতৰত তিতা কাপোৰ সোনকালে নুশুকায়। বায়ু গৰম হ'লে ইয়াৰ জলীয় ভাপ ধাৰণ ক্ষমতা বাঢ়ে।

> **ক্ৰিয়াকলাপ ঃ**
> - বতাহ কেনেকৈ এটা অঞ্চলৰপৰা আন এটা অঞ্চললৈ বয়?
> - বিভিন্ন প্ৰকাৰৰ বতাহৰ নাম উদাহৰণসহ লিখা।

জলীয় ভাপ বায়ুমণ্ডলৰ ওপৰলৈ গৈ লাহে লাহে চেঁচা হ'বলৈ ধৰে। অধিক ঘণীভৱনৰ ফলত বায়ুমণ্ডলত থকা জলীয় ভাপবোৰ পানীৰ কণিকালৈ ৰূপান্তৰিত হয় আৰু পানীৰ সৰু সৰু কণিকাবোৰ লগ হৈ আকাৰত বাঢ়ি পানীৰ টোপাল হয়। যেতিয়া পানীৰ টোপালবোৰ গধুৰ হৈ ওপৰত ওপঙি থাকিব নোৱাৰা হয় তেতিয়াই পৃথিৱীৰ মধ্যাকৰ্ষণ শক্তিৰ প্ৰভাৱত অধোক্ষেপণ হিচাপে পৃথিৱীলৈ নামি আহে। ইয়াকেই বৰষুণ বোলা হয়।

উৎপত্তি অনুসৰি বৰষুণ চাৰি প্ৰকাৰৰ—

১। পৰিচলন বৰষুণ ২। শৈলোৎক্ষেপ বৰষুণ ৩। ঘূৰ্ণি বৰষুণ ৪। অৰণ্য বৃষ্টি

> **উত্তৰ লিখা ঃ**
> - বৰষুণ কেইপ্ৰকাৰৰ আৰু কি কি?
> - অসমত কোন কোন মাহত বৰষুণ বেছি পৰিমাণে হয়?

> **জানি থওঁ আহা ঃ**
> - বৰষুণৰ উপৰি অধোক্ষেপণৰ আন আন ৰূপবোৰ হ'ল— শিলাবৃষ্টি, তুষাৰপাত আদি।

## জলবায়ুৰ কাৰকসমূহ ঃ

ভূপৃষ্ঠৰ বিভিন্ন ঠাইত বিভিন্ন প্ৰকাৰৰ জলবায়ু দেখিবলৈ পোৱা যায়। ইয়াৰ মূল কাৰণ হ'ল ভিন্ন বায়ুৰ তাপ, চাপ, আৰ্দ্ৰতা, ঠাইখনৰ উচ্চতা, সাগৰৰপৰা দূৰত্ব, মাটিৰ ঢাল আদি তোমালোকে বাৰু কেতিয়াবা শ্বিলঙলৈ গৈছানে? গুৱাহাটীৰপৰা শ্বিলঙৰ দূৰত্ব প্ৰায় ১০০ কিলোমিটাৰ। শ্বিলং আৰু গুৱাহাটীৰ মাজৰ দূৰত্ব বৰ বেছি নহয় যদিও দুয়োখন ঠাইৰ মাজত জলবায়ুৰ যথেষ্ট পাৰ্থক্য আছে। শ্বিলঙত গোটেই বছৰ জুৰি ঠাণ্ডা অনুভৱ হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ঠাইখনৰ উচ্চতা। শ্বিলঙৰ উচ্চতা সমুদ্ৰপৃষ্ঠৰপৰা ১৬০০ মিটাৰ হোৱাৰ বাবে জলবায়ুৰ ক্ষেত্ৰত এনে পাৰ্থক্য দেখা যায়।

> **জানি থওঁ আহা ঃ**
> - যিটো দিশৰপৰা বতাহ বলে সেই দিশৰ নামেৰেই বতাহৰ নামকৰণ কৰা হয়। যেনে — পশ্চিমা বতাহ, উত্তৰ-পূব বতাহ আদি।

এখন ঠাইৰ জলবায়ু নিৰ্ভয় কৰে ভূপৃষ্ঠত ঠাইখনৰ অৱস্থানৰ ওপৰত । বিষুৱৰেখাৰ ওচৰৰ ঠাইবোৰত সূৰ্যৰ ৰশ্মি পোনপটীয়াকৈ পৰে বাবে সেই ঠাইসমূহৰ উষ্ণতা বেছি। আনহাতে বিষুৱৰেখাৰপৰা দূৰৈত অৱস্থিত ঠাইবোৰত সূৰ্যৰ ৰশ্মি হেলনীয়া কৈ পৰে বাবে সেই ঠাইবোৰৰ উষ্ণতা কম।

সাগৰ-মহাসাগৰ আৰু জলাশয় আদি থাকিলেও এখন ঠাইৰ জলবায়ুৰ ওপৰত তাৰ প্ৰভাৱ পৰে। সাগৰ-মহাসাগৰৰ বিশাল জলভাগ আৰু সাগৰীয় বতাহে উপকূল অঞ্চলৰ জলবায়ু সদায় শীতল কৰি ৰাখে। সেইবাবে সাগৰৰপৰা আঁতৰৰ ঠাইৰ লগত সাগৰৰ ওচৰৰ ঠাইৰ জলবায়ু নিমিলে। ভাৰতৰ মুম্বাই চহৰ সাগৰৰ উপকূল অঞ্চলত অৱস্থিত হোৱা বাবে সেই ঠাইৰ জলবায়ু দিল্লীৰ লগত নিমিলে।

ওখ পৰ্বত পাহাৰ আদি থাকিলেও জলবায়ুত তাৰ প্ৰভাৱ পৰে। এনে পৰ্বত-পাহাৰবোৰে জলীয় ভাপ বহন কৰি অনা

বতাহক বাধা দিয়ে। যিটো ফালে তেনে বতাহক বাধা দিয়ে সেইটো ফালত (প্ৰতিবাত ঢাল) যথেষ্ট বৰষুণ হয় আৰু বিপৰীত ফালটোত (অনুবাত ঢাল) বৰষুণ একেবাৰে কম হয়। প্ৰচলিত বতাহেও এখন ঠাইৰ জলবায়ুৰ ওপৰত প্ৰভাৱ পেলায়।

এনেদৰে বিভিন্ন কাৰকে এখন ঠাইৰ জলবায়ুৰ ওপৰত প্ৰভাৱ পেলায়—

**ক্ৰিয়াকলাপ ঃ**

- শ্বিলঙত গোটেই বছৰ জুৰি ঠাণ্ডা কিয়? কাৰণ দৰ্শোৱা।
- প্ৰতিবাত ঢালত কিয় বেছিকৈ বৰষুণ হয়? প্ৰতিবাত ঢাল আৰু অনুবাত ঢালৰ চিত্ৰ আঁকি দেখুওৱা।

## মানুহৰ কাম-কাজত জলবায়ুৰ প্ৰভাৱ ঃ

মানুহৰ কাম-কাজ, ঘৰ-বাৰী, খাদ্যাভ্যাস, সাজ-পোছাক আদিত জলবায়ুৰ প্ৰভাৱ মন কৰিবলগীয়া। কৃষিৰ বাবে উপযোগী জলবায়ু অঞ্চলত মানুহৰ প্ৰধান বৃত্তি হ'ল কৃষি। আনহাতে, বিষুবীয় আৰু মেৰু অঞ্চল খেতিৰ বাবে উপযোগী নহয় বাবে তাত মানুহৰ প্ৰধান কাম হ'ল— হাবিৰপৰা ফল-মূল সংগ্ৰহ আৰু পশু চিকাৰ। মৰুভূমি অঞ্চলৰ ঠায়ে ঠায়ে থকা তৃণভূমিবোৰত মানুহে ঘাইকৈ পশুপালন কৰে।

জলবায়ুৱে বাসস্থানৰ ওপৰতো প্ৰভাৱ পেলায়। বৰষুণ বেছি হোৱা ঠাইবোৰত ঘৰৰ চালবোৰ বেছি থিয় বা এচলীয়া। যিবিলাক ঠাইত গৰম বৰ বেছি তাত মানুহে ঘৰৰ বেৰবোৰত মাটিৰ ডাঠ প্ৰলেপ দিয়ে। মেৰু অঞ্চলত মানুহে শীতকালত বৰফেৰে ঘৰ সাজি লয়।

মানুহৰ খাদ্যাভ্যাসতো জলবায়ুৱে প্ৰভাৱ পেলায়। সাধাৰণতে এটা অঞ্চলত সহজতে হোৱা শস্য, শাক-পাচলি, ফল-মূল আদিৰ ওপৰতে সেই অঞ্চলৰ মানুহৰ খাদ্যাভ্যাস গঢ়ি উঠে। অসমত ধান খেতি সহজতে হয় বাবে ইয়াত মানুহৰ প্ৰধান আহাৰ ভাত। আনহাতে পঞ্জাব, হাৰিয়ানা আদি ৰাজ্যবোৰত ঘেঁহু খেতি বেছিকৈ হয় বাবে তাত মানুহৰ প্ৰধান আহাৰ ৰুটি। মেৰু অঞ্চলত খেতি-বাতি বিশেষ নহয় বাবে তাত মানুহৰ প্ৰধান খাদ্য মাছ বা মাংস।

মানুহৰ সাজ-পোছাকতো জলবায়ুৰ প্ৰভাৱ মন কৰিবলগীয়া। ঠাণ্ডা ঠাইৰ মানুহে উলৰ বা জন্তুৰ নোমেৰে তৈয়াৰী ডাঠ কাপোৰ পিন্ধে। গৰম ঠাইৰ মানুহে সাধাৰণতে কপাহী সূতাৰ পাতল কাপোৰ পিন্ধে। বালিময় মৰু অঞ্চলৰ মানুহে গোটেই গাটো ঢাকি ৰখা কাপোৰ পিন্ধে।

## পৃথিবীৰ উপৰিভাগৰ পৰিবৰ্তন ঃ আভ্যন্তৰীণ আৰু বাহ্যিক শক্তি

আমি বাস কৰা পৃথিবীৰ উপৰিভাগৰ ভূপ্ৰকৃতি সকলোতে একে নহয়। ইয়াৰ কোনো ঠাই সমান আৰু কোনো ঠাই ওখোৰা-মোখোৰা, অৰ্থাৎ পৰ্বত-পাহাৰে আগুৰা। পৃথিবীৰ উপৰিভাগ এনে বিভিন্ন ভূআকৃতি বা ভূঅৱয়ৱেৰে গঠিত। এই ভূঅৱয়ৱবোৰ দুই ধৰণৰ শক্তিৰ ক্ৰিয়াৰ দ্বাৰা গঠিত হৈছে- সেয়া হৈছে **আভ্যন্তৰীণ শক্তি** (Endogenetic Force) আৰু **বাহ্যিক শক্তি** (Exogenetic Force)।

পৃথিবীৰ অভ্যন্তৰভাগ বা ভূগৰ্ভ এতিয়াও উত্তপ্ত অৱস্থাতে আছে। এই উত্তপ্ত পদাৰ্থবোৰৰ প্ৰচণ্ড তাপ আৰু হেঁচাৰ ফলত ভূগৰ্ভ অস্থিৰ অৱস্থাত আছে। এই অস্থিৰতাৰ বাবে পৃথিবীৰ খোলাটোৰ ঠায়ে ঠায়ে মাজে সময়ে প্ৰবল জোকাৰণিৰ সৃষ্টি হয়। ইয়ে হ'ল ভূআন্দোলন। এই ভূআন্দোলনৰ ফলত পৃথিবীৰ উপৰিভাগৰ কোনো অংশ ওপৰলৈ উঠি যাব পাৰে বা কোনো অংশ তললৈ বহি যাব পাৰে। ইয়াৰ ফলত ভূপৃষ্ঠত বিভিন্ন ধৰণৰ ভূঅৱয়ৱৰ সৃষ্টি হয়। এনে ভূঅৱয়ৱবোৰক আভ্যন্তৰীণ শক্তিৰ ক্ৰিয়াৰদ্বাৰা গঠিত হোৱা বুলি কোৱা হয়।

ভূত্বকত সঘনাই ঘটি থকা ভূআন্দোলনৰ এটি উদাহৰণ হ'ল— **ভূমিকম্প (Earthquake)**। পৃথিবীৰ খোলাটো বা ভূত্বক কেইখনমান ফলকত বিভক্ত। এই ফলকবোৰে ধীৰ গতিৰে লৰচৰ কৰি থাকে। ফলকবোৰ ভূত্বকৰ তলত থকা উত্তপ্ত আৰু অৰ্ধগলিত মেগমাৰে গঠিত এটা স্তৰৰ ওপৰত আছে। এই ফলকবোৰ লৰচৰ কৰিলেই পৃথিবীৰ উপৰিভাগ কঁপি উঠে। এই কঁপনি বা জোকাৰণিয়েই ভূমিকম্প। ভূত্বকৰ যি ঠাইত ভূমিকম্পটোৰ আৰম্ভণি হয় সেই ঠাইক ভূমিকম্পটোৰ **কেন্দ্ৰ (Focus)** বুলি কোৱা হয়। এই কেন্দ্ৰটো সাধাৰণতে ভূপৃষ্ঠৰপৰা বহু কিলোমিটাৰ তলত থাকে। কেন্দ্ৰটোৰ ঠিক ওপৰৰ ভূপৃষ্ঠৰ ঠাইখনক ভূমিকম্পটোৰ **উপকেন্দ্ৰ বা অধিকেন্দ্ৰ (Epicentre)** বোলা হয়। অধিকেন্দ্ৰত ভূমিকম্পৰ জোকাৰণিৰ তীব্ৰতা আটাইতকৈ বেছি। এই জোকাৰণি ঢৌ বা তৰংগ হিচাপে আঁতৰলৈ আগবাঢ়ি গৈ থাকে।

**জানি থওঁ আহাঁ**

◎ ভূত্বক মাইকৈ সাতখন ডাঙৰ ফলকত বিভক্ত। এই ফলকবোৰৰ উপৰি কিছুমান সৰু ফলকো আছে। ফলকবোৰৰ কিছুমানে মহাদেশক আৰু কিছুমানে মহাসাগৰক সামৰি আছে। এই ফলকবোৰে এবছৰত ১-১.৫ ছে.মি. পৰ্যন্ত গতি কৰে বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে।

ভূমিকম্প এবিধ প্ৰলয়ংকৰী প্ৰাকৃতিক দুৰ্যোগ। ই ভূপৃষ্ঠত নানা ধৰণৰ পৰিৱৰ্তন সাধন কৰে। ইয়াৰ ফলত ভূপৃষ্ঠৰ কোনো ঠাই উঠি যাব পাৰে আৰু কোনো ঠাই বহি যাব পাৰে। নদীৰ গতি পথ সলনি হ'ব পাৰে। নৈৰ তলি ভাগ উঠি আহিব পাৰে। সাগৰৰ তলিত ভূমিকম্পৰ উৎপত্তি হ'লে সাগৰৰ পানীত প্ৰচণ্ড ঢৌৰ সৃষ্টি হয়। এনে ঢৌক **চুনামী (Tsunami)** বোলা হয়। চুনামীয়ে উপকূল অঞ্চলত বিস্তৰ ক্ষতিসাধন কৰে। ভূমিকম্পত মানুহৰ ঘৰ দুৱাৰ ভাঙি জীৱন আৰু সম্পত্তিৰ বিস্তৰ ক্ষতিসাধন হয়।

**জানি থওঁ আহা**

◎ ভূমিকম্প জোখা যন্ত্ৰটোৰ নাম **চিচম'গ্ৰাফ**। এই যন্ত্ৰটোত ভূমিকম্পৰ জোকাৰণিৰ তীব্ৰতা ৰিখ্‌টাৰ স্কেলত জোখা হয়। চাৰ্লচ এফ ৰিখ্‌টাৰ নামৰ ভূপদাৰ্থ বিজ্ঞানী এজনে ইয়াক উদ্ভাৱন কৰিছিল। ২.০ ৰিখ্‌টাৰ পৰিমাত্ৰাৰ ভূমিকম্প অতি ক্ষুদ্ৰ আৰু ৮.০ ৰিখ্‌টাৰ পৰিমাত্ৰাৰ ভূমিকম্প প্ৰচণ্ড শক্তিৰ ভূমিকম্প।

**উত্তৰ লিখা ঃ**

◎ ভূঅৱয়ৱ গঠন কৰা শক্তি দুটা কি কি?

◎ ভূমিকম্পৰ ফলত কি কি হ'ব পাৰে?

◎ চুনামী কি?

আগ্নেয়গিৰিৰ উদ্গীৰণো আভ্যন্তৰীণ শক্তিৰ দ্বাৰা ঘটা এটি উল্লেখযোগ্য পৰিঘটনা। ভূ-আন্দোলনৰ ফলত কেতিয়াবা ভূত্বকৰ ফাঁকেদি ভূগৰ্ভৰপৰা উত্তপ্ত গলিত শিল, ধাতু, ধোঁৱা, ছাঁই, বাষ্প আদি প্ৰবল বেগেৰে বাহিৰ ওলাই আহি ভূপৃষ্ঠৰ ওপৰত চাৰিওফালে বিয়পি পৰে। ইয়াক **আগ্নেয়গিৰি** বোলে। ভূগৰ্ভৰপৰা ওলাই অহা পদাৰ্থবোৰক লাভা বোলা হয়। যিটো বাটেৰে বা নলীৰে ভূগৰ্ভৰপৰা লাভাবোৰ ওলাই আহে তাক **জ্বালানলী (Vent)** আৰু ভূপৃষ্ঠত ওলাই থকা নলীৰ মুখখনক **জ্বালামুখ (Crater)** বোলা হয়। লাভাবোৰে ভূপৃষ্ঠত বহুতো পৰিৱৰ্তন সাধন কৰে। ভূপৃষ্ঠত জমা হোৱা লাভাই পৰ্বত, পাহাৰ, মালভূমি, সমভূমি আদিৰ সৃষ্টি কৰিব পাৰে। জ্বালামুখত পানী জমা হৈ হ্ৰদৰ সৃষ্টি হ'ব পাৰে। ভূগৰ্ভৰপৰা ওলাই অহা উত্তপ্ত পদাৰ্থবোৰে নগৰ, চহৰ বা অৰণ্য অঞ্চল পুতি পেলাব পাৰে।



চিত্ৰ ঃ ৩.৪ জ্বালামুখীৰ গঠন (আগ্নেয়গিৰি)

**ক্ৰিয়াকলাপ ঃ**


◎ ভূপৃষ্ঠত লাভা জমা হৈ কি কি অৱয়ৱ গঠন হ'ব পাৰে তাৰ এখন তালিকা প্ৰস্তুত কৰা।

ভূপৃষ্ঠত পৰিৱৰ্তন ঘটোৱা আন এটা শক্তি হ'ল বাহ্যিক শক্তি। বাহ্যিক শক্তিৰ ক্ৰিয়াৰ দ্বাৰা ভূপৃষ্ঠত থকা বিভিন্ন ভূ-অৱয়ৱবোৰৰ ক্ষয় হয়। ৰ'দ, বতাহ, বৰষুণ, নদী, হিমবাহ আদি বাহ্যিক শক্তিবোৰে ভূঅৱয়ৱত এই ক্ষয়সাধন কৰে। এই প্ৰক্ৰিয়াৰে

ওখ, চাপৰবোৰ সমান কৰা কাৰ্য চলি থাকে। এই কাৰ্য দুই ধৰণে চলে। ইয়াক **বিচুৰ্ণীভৱন** (Weathering) আৰু **ক্ষয়ীভৱন** (Erosion) বুলি জনা যায়। ক্ষয়ীভৱনৰ দ্বাৰা ক্ষয় হোৱা পদাৰ্থবোৰ নদী, বৰষুণ, বতাহ, হিমবাহ আদিয়ে এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াই নিয়ে। ইয়াক **পৰিবহণ** বোলে। এইদৰে কঢ়িয়াই নিয়া পদাৰ্থসমূহ দ ঠাইত জমা কৰাকে **অৱক্ষেপণ** বোলা হয়। এনেদৰে ভূপৃষ্ঠত নানাধৰণৰ ভূঅৱয়বৰ সৃষ্টি হয়।


## নদীৰ কাৰ্য ঃ

নদীৰ কাৰ্যৰ ফলতো ভূপৃষ্ঠৰ পৰিৱৰ্তন হয়। নদীৰ উৎসৰপৰা মোহনালৈ গতি পথটোক খনন, বহন, অৱক্ষেপণৰ তাৰতম্য অনুসৰি তিনি ভাগত বিভক্ত কৰিব পাৰি, যেনে- উচ্চ অংশ, মধ্য অংশ আৰু নিম্ন অংশ। নদীৰ উচ্চ অংশত পৰ্বত-পাহাৰৰ থিয় ঢালেদি বৈ অহা বাবে গতিবেগ তীব্ৰ হয়। এই অংশত খনন কাৰ্য বৃদ্ধি পায় আৰু পৰিবহণ ক্ষমতাও বাঢ়ে। নদীৰ উপত্যকা ইংৰাজী V আখৰটোৰ দৰে হয়। নদীৰ গতিপথত যদি ওপৰৰ কঠিন শিলাস্তৰৰ তলত কোমল শিলাস্তৰ থাকে তেতিয়া নদীয়ে তল পিনে খন্দাৰ ফলত কোমল শিলৰ স্তৰটো সহজে ক্ষয় যায় আৰু তাত নদী থিয় ঢালেৰে। তললৈ নামি আহে। ইয়াক **জলপ্ৰপাত** (Waterfall)বোলে।



*চিত্ৰ ঃ ৩.৫ জলপ্ৰপাত*

নদীৰ গতিপথৰ মধ্য অংশত ঢাল কমে আৰু নদীৰ গতিবেগো কমে। এই অংশত নদীয়ে কাষৰ ফালে বেছিকৈ খান্দে। মধ্য অংশ বা সমভূমি অঞ্চলত নদীৰ গতিপথ একা- বেঁকা হয়। নদীৰ এই গতিক **সৰ্পিল গতি** (Meandering Course) বুলি কোৱা হয়। কেতিয়াবা নদীৰ এই ভাঁজৰ মাত্ৰা বাঢ়ি যায়। খৰালি কালত নদীৰ পানী কম থাকিলে এই ভাঁজে ভাঁজে নদী বৈ থাকে কিন্তু বাৰিষা নদীৰ পানী বাঢ়িলে তেনে ভাঁজ এৰি নদী প্ৰচণ্ড শক্তিৰে পোনে পোনে বলৈ ধৰে। নদীয়ে এৰি যোৱা ভাজটোৰ মুখত বালি জমা হৈ মূল নদীৰপৰা বিচ্ছিন্ন হয় আৰু ভাজটো বিল বা হ্ৰদত পৰিণত হয়। ঘোঁৰাৰ খুৰাৰ আকৃতিৰ এনেকুৱা জলাশয়বোৰক **অশ্বখুৰাকৃতিৰ হ্ৰদ** (Ox-bow lake) বোলে। নদীৰ কাষে কাষে থকা এনে জলাশয়বোৰক আমি বিল বুলি কওঁ।


*চিত্ৰ ঃ ৩.৬ অশ্বখুৰাকৃতিৰ হ্ৰদ*

বানপানীৰ সময়ত নদীয়ে দুয়োপাৰ বুৰাই পেলায়। নদীয়ে কঢ়িয়াই অনা বালি, বোকাৰ গেদবোৰ দুয়োপাৰে জমা হয়। নদীয়ে সৃষ্টি কৰা এনে পলসুৱা ভূমিক **প্লাৱন ভূমি** (Flood Plain) বোলা হয়। নদীয়ে দূৰলৈ উটুৱাই নিব নোৱাৰা শিল বালি; বোকাবোৰ নদীৰ দুয়োপাৰত জমা হয়। এনেদৰে দুয়োপাৰ প্লাবন ভূমিতকৈ ওখ হৈ মথাউৰিৰ দৰে হয়। ইয়াক **প্ৰাকৃতিক বান্ধ** (Levee) বোলা হয়। নদীয়ে বৈ গৈ লাহে লাহে মোহনা অঞ্চল পায়। নদীৰ নিম্ন অংশত নদীৰ গতিবেগ প্ৰায় নাথাকেই। ই লগত কঢ়িয়াই অনা বালি, বোকা আদি মোহনা অঞ্চলত জমা কৰে। ফলত নদীৰ গতিপথ প্ৰায় বন্ধ হৈ পৰে। মূল নদীখন বহুতো শাখাত ভাগ হৈ ব'বলৈ ধৰে। এইবোৰক **শাখা নদী** (Distributories) বোলে। এই শাখা নদীবোৰৰ মাজৰ সমভূমিবোৰ 'ব' আখৰটোৰ দৰে বা ত্ৰিভূজ আকৃতিৰ হয়। ইয়াক **ব-দ্বীপ** (Delta) বোলে।

**উত্তৰ লিখা ঃ**

- নদীৰ সৰ্পিল গতি বুলিলে কি বুজা?
- প্লাবনভূমি কি?
- ব-দ্বীপ নদীৰ কোনটো অংশত সৃষ্টি হয়?



*চিত্ৰ ঃ ৩.৭ ব-দ্বীপ*

### বতাহৰ কাৰ্য ঃ

ভূপৃষ্ঠৰ শুকান মৰুভূমি অঞ্চলত বিচূৰ্ণীভৱনৰ দ্বাৰা শিলাবোৰ চূৰ্ণ-বিচূৰ্ণ হৈ পৰি থাকে। বতাহে এই পদাৰ্থবোৰ এঠাইৰপৰা আন ঠাইলৈ উৰুৱাই বা বহন কৰি নিয়ে আৰু এঠাইত জমা কৰে। পানীৰ নিচিনাকৈ বতাহেও খনন, পৰিবহণ আৰু অৱক্ষেপণ এই তিনিওটা কাৰ্য সম্পাদন কৰে। বতাহে অতি পাতল ধূলিকণাবোৰ বহু দূৰলৈ উৰুৱাই নিব পাৰে। কিন্তু বালিকণা বা সেই আকাৰৰ পদাৰ্থবোৰ বেছি দূৰলৈ উৰুৱাই নিব নোৱাৰে। এটা নিৰ্দিষ্ট উচ্চতাত বতাহে উৰুৱাই নিয়া বালিৰ কণিকাবোৰৰ খনন ক্ষমতা বেছি। সেইবাবে মৰুভূমিৰ বুকুত থকা শিলাখণ্ডবোৰৰ এক বিশেষ উচ্চতাত বেছিকৈ ক্ষয় গৈ **কাঠফুলা** (Mushroom Rocks)আকৃতিৰ শিলাৰ সৃষ্টি কৰে। বতাহৰ খনন কাৰ্যৰ ফলত সৃষ্টি হোৱা অন্য কেইটামান অৱয়ৱ হ'ল ইনছেলবাৰ্গ, ইয়াৰদাং। মৰুভূমিত বতাহে ধূলি, বালিবোৰ উৰুৱাই নি থকাৰ ফলত মৰুপৃষ্ঠৰ উচ্চতা লাহে লাহে কমি আহে। বতাহে বালি উৰুৱাই নি মৰুভূমিৰ বুকুত সৃষ্টি কৰা এটি উল্লেখযোগ্য অৱয়ৱ হ'ল **মৰুদ্যান** (Oasis)। মৰুভূমিৰ বুকুৰ এই দ ঠাইবোৰত পানী আৰু সাৰুৱা মাটিৰ বাবে মানুহে বসতি কৰা দেখা যায়।



*চিত্ৰ ঃ ৩.৮ কাঠফুলা আকৃতিৰ শিলাখণ্ড*

মৰুভূমিৰ কোনো কোনো অঞ্চলত বতাহৰ গতি কমি আহিলে ই কঢ়িয়াই অনা শিল বালিবোৰ জমা হৈ **বালিস্তূপ** (Sand Dune) সৃষ্টি কৰে। মৰুভূমিৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ধূলিকণাবোৰ কেতিয়াবা বতাহৰ দ্বাৰা প্ৰবাহিত হৈ বহু দূৰৈত জমা হৈ হৈ একোখন সাৰুৱা উচ্চ ভূমিৰ সৃষ্টি কৰে। ইয়াকে **ল'ৱেছ** (Loess) বোলে। চীন দেশত এনে ল'ৱেছ দেখা যায়।

> **ক্ৰিয়াকলাপ**
> - মৰুভূমিত বতাহে কেনেধৰণে ক্ষয়কাৰ্য কৰে?
> - ল'ৱেছ বুলিলে কি বুজা?
> - হিমবাহে কোন অঞ্চলত খনন কাৰ্য কৰে?
> - গ্ৰাৱ কি?

### হিমবাহৰ কাৰ্য ঃ

নদী আৰু বতাহৰ নিচিনাকৈ হিমবাহেও খনন, পৰিবহণ আৰু অৱক্ষেপণৰ দ্বাৰা ভূপৃষ্ঠৰ নানা পৰিৱৰ্তন সাধন কৰে। হিমবাহবোৰ পৰ্বতৰ গাৰে বৈ আহোঁতে বৰফ খণ্ডৰ লগতে শিলাখণ্ড, শিল, বালি আদি কঢ়িয়াই আনে আৰু এনেদৰেই ই খনন আৰু পৰিবহণ কাৰ্য চলায়। হিমবাহ তললৈ নামি আহোঁতে অধিক তাপৰ সন্মুখীন হয় আৰু বৰফবোৰ গলিবলৈ ধৰে। ফলত হিমবাহে কঢ়িয়াই অনা শিল, মাটি, জাবৰ-জোথৰ আদি অৱক্ষেপবোৰ নামনিত জমা হয়। হিমবাহে লগত অনা এনে পদাৰ্থবোৰক **গ্ৰাৱ** (Moraine) বোলে। এই গ্ৰাৱবোৰে নামনিত বিভিন্ন ধৰণৰ ভূঅৱয়ৱৰ সৃষ্টি কৰে। হিমবাহে খননৰ দ্বাৰা সৃষ্টি কৰা উল্লেখযোগ্য ভূঅৱয়ৱ হ'ল ওলোমা উপত্যকা (Hanging valley), শংকু (Horn) আদি।

### মনত ৰাখিবলগীয়া কথা ঃ

- বায়ু কেইবাবিধো গেছ, ধূলিকণা, ধোঁৱা আদিৰ সমষ্টি।
- বায়ু মণ্ডলৰ প্ৰধান স্তৰ চাৰিটা হ'ল— ট্ৰপ'স্ফিয়েৰ, ষ্ট্ৰেট'স্ফিয়েৰ, মেছ'স্ফিয়েৰ আৰু থাৰ্মস্ফিয়েৰ।
- ট্ৰপ'স্ফিয়েৰ স্তৰটোতেই বতৰ সম্পৰ্কীয় পৰিঘটনাবোৰ ঘটে।

- ষ্ট্ৰেট'স্ফিয়েৰত থকা অ'জন স্তৰে সূৰ্য ৰশ্মিত থকা অতি বেঙুণীয়া ৰশ্মিৰ কুপ্ৰভাৱৰপৰা আমাক ৰক্ষা কৰে।
- আয়ন'স্ফিয়েৰ স্তৰটোৱে ৰেডিঅ' তৰংগ বহন কৰে।
- বায়ুমণ্ডলৰ নিম্নস্তৰটোত যিমানে ওপৰলৈ যোৱা যায় উষ্ণতা সিমানে কমি আহে। আনহাতে বিষুব অঞ্চলৰ পৰা যিমানেই দুই মেৰুৰ ফালে যোৱা যায় উষ্ণতা সিমানে কমি যায়।
- বায়ুমণ্ডলৰ যিমানে ওপৰলৈ যোৱা যায় বায়ুৰ চাপো সিমানে কমি যায়। তেনেদৰে বিষুব অঞ্চলৰপৰা দুই মেৰুৰ ফালে বায়ুৰ চাপ বাঢ়ি যায়।
- বতাহ তিনি প্ৰকাৰৰ— নিয়ত বতাহ, সাময়িক বতাহ আৰু স্থানীয় বতাহ।
- ভূপৃষ্ঠৰপৰা পানী সূৰ্যৰ তাপত ভাপ হৈ ওপৰলৈ গৈ শীতল হৈ ঘণীভূত হয়। ঘণীভূত হৈ জলীয় ভাপবোৰ পানীৰ কণিকা হয় আৰু পানীৰ কণিকাবোৰ লগ লাগি পানীৰ ডাঙৰ টোপালৰ সৃষ্টি হয়। এই পানীৰ টোপালবোৰ বৰষুণ হৈ মাটিত পৰে।
- এখন ঠাইৰ অৱস্থান, উচ্চতা, সমুদ্ৰৰপৰা দূৰত্ব, পৰ্বত-পাহাৰৰ উপস্থিতি আদিয়ে ঠাইখনৰ জলবায়ু ওপৰত প্ৰভাৱ পেলায়।
- মানুহৰ কাম-কাজ, ঘৰ-দুৱাৰ, খাদ্যাভ্যাস, সাজ-পোছাক সকলোতে জলবায়ুৱে প্ৰভাৱ বিস্তাৰ কৰে।
- ভূপৃষ্ঠৰ অৱস্থাৰ পৰিবৰ্তন ঘটোৱা প্ৰধান শক্তি দুটা হ'ল — আভ্যন্তৰীণ শক্তি আৰু বাহ্যিক শক্তি।
- আভ্যন্তৰীণ শক্তিৰ ক্ৰিয়াৰ দ্বাৰা ভূপৃষ্ঠৰ পৰিবৰ্তন ঘটোৱা দুটা কাৰক হ'ল-ভূমিকম্প আৰু আগ্নেয় উদ্‌গিৰণ।
- পৃথিবীৰ উপৰিভাগৰ ভূঅৱয়ববোৰত পৰিবৰ্তন ঘটোৱা প্ৰধান বাহ্যিক কাৰকবোৰ হ'ল— নদী, বতাহ আৰু হিমবাহ।

## অনুশীলনী ঃ

১। তলত দিয়াবোৰৰ উত্তৰ লিখা— (৩০টা মান শব্দৰ ভিতৰত)

(ক) বায়ুমণ্ডল বুলিলে কি বুজা?

(খ) ফলকবোৰ এক বছৰত কিমান লৰচৰ কৰে?

(গ) সাময়িক বতাহৰ বিষয়ে লিখা।

(ঘ) বালিস্তূপ কি?

(ঙ) অশ্বখুৰাকৃতিৰ হ্ৰদ কি?

২। শুদ্ধ উত্তৰটোত ☑ চিন দিয়া—

(i) তলৰ কোনবিধ গেছে আমাক সূৰ্যৰ অনিষ্টকাৰী ৰশ্মিৰপৰা ৰক্ষা কৰে—

(ক) কাৰ্বন-ডাই-অক্সাইড (খ) নাইট্ৰ'জেন (গ) অ'জন

(ii) হিমবাহৰ অৱক্ষেপবোৰৰ নাম হ'ল —

(ক) প্লাৱনভূমি (খ) কাঠফুলাৰ দৰে শিলা (গ) প্ৰাৱ

(iii) পানীৰ ৰূপত পৃথিৱীত পৰা অধোক্ষেপণৰ নাম—

(ক) বৰষুণ (খ) মেঘ (গ) বৰফ

(iv) কাঠফুলা আকৃতিৰ শিলা পোৱা ঠাই —

(ক) মৰুভূমি (খ) নদী উপত্যকা (গ) প্লাবন ভূমি

(v) মানুহৰ বাবে বায়ুমণ্ডলৰ আটাইতকৈ গুৰুত্বপূৰ্ণ স্তৰটো হ'ল —

(ক) মেছ'স্ফিয়েৰ (খ) ষ্ট্ৰেট'স্ফিয়েৰ (গ) ট্ৰপ'স্ফিয়েৰ

(vi) অশ্বখুৰাকৃতিৰ হ্ৰদ সৃষ্টি হোৱা ঠাই —

(ক) হিমবাহ অঞ্চল (খ) নদী উপত্যকা (গ) মৰুভূমি

৩। বাওঁফালৰ কথাখিনিৰ লগত সোঁফালৰ কথাখিনি মিলোৱা—

| | | | |
|---|---|---|---|
| (ক) | বাণিজ্য বতাহ | (ক) | নদীৰ মধ্য অংশ |
| (খ) | হিমবাহ | (খ) | স্থানীয় বতাহ |
| (গ) | লু | (গ) | অ'জন স্তৰ |
| (ঘ) | সৰ্পিল গতি | (ঘ) | বৰফৰ নদী |
| (ঙ) | ষ্ট্ৰেট'স্ফিয়েৰ | (ঙ) | নিয়ত বতাহ |
| | | (চ) | ভূমিকম্প |

৪। কাৰণ দৰ্শোৱা— (৫০টা মান শব্দৰ ভিতৰত)

(ক) সেমেকা বতৰত তিতা কাপোৰ সোনকালে নুশুকায়।

(খ) প্লাৱন ভূমিবোৰ বৰ সাৰুৱা।

(গ) মৰুভূমিত থকা কিছুমান শিলা কাঠফুলা আকৃতিৰ।

(ঘ) বিষুৱীয় অঞ্চলতকৈ দুই মেৰু অঞ্চল শীতল।

# পাঠ ঃ ৪
# আমাৰ পৰিৱেশ

2GQDGB

**শিকনৰ ফলাফল ঃ**

- ছাত্ৰ-ছাত্ৰীয়ে স্থানীয় উদাহৰণৰ সহায়ত পৰিৱেশ সম্পৰ্কে ধাৰণা পাব।
- পৰিৱেশৰ মূল উপাংশ আৰু ইয়াৰ অন্তৰ্গত উপাদানসমূহৰ বিষয়ে জানিব।
- মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্কৰ অধ্যয়নেই যে ভূগোল বিষয়ৰ ঘাই উদ্দেশ্য সেই বিষয়ে জানিব।



চিত্ৰ ঃ ৪.১

ভায়োলিনাহঁতৰ ঘৰ নৈৰ পাৰৰ এখন গাঁৱত। গাঁওখনৰ পৰা চহৰলৈ যোৱা একমাত্ৰ পথটোৰেদি অলপ দূৰ আগবাঢ়ি গ'লেই ভায়োলিনা, ৰুকছানা, তাপস, হৃদয়ন, মেগন, গৰিমাহঁত পঢ়া বিদ্যালয়খন। নৈৰ বানে পথটোৰ কিছু অংশ খহাই নিয়া বাবে পথটো ঠেক হৈ গৈছে। নৈৰ পাৰত থকা নানা তৰহৰ মূল্যবান গছ-গছনিবোৰো এজোপা দুজোপকৈ নৈৰ বুকুত জাহ গৈ আছে। তেনেদৰে দুই-এঘৰ মানুহো খহনীয়াত ক্ষতিগ্ৰস্ত হৈছে। এনেবোৰ দৃশ্য দেখি সিহঁতৰ মনত বৰ বেজাৰ।

গ্ৰীষ্ম বন্ধ খোলাৰ পাছত বিদ্যালয়লৈ গৈ ভায়োলিনা, ৰুকছানাহঁতে গম পালে যে সিহঁতৰ বিদ্যালয়ৰ খেলপথাৰখনৰ নৈৰ ফালে থকা কিছু অংশ ভালেকেইজোপা গছেৰে সৈতে নৈয়ে খহাই লৈ গৈছে। বিদ্যালয়খনৰ প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই আজৰি পৰত এই খেল পথাৰখনতে খেলা-ধূলা কৰে আৰু শাৰী শাৰীকৈ থকা গছবোৰৰ ছাঁত গা জুৰ পেলায়। ভিন ভিন বতৰত ফুলা নানা তৰহৰ ফুল আৰু সুস্বাদু ফলবোৰে সিহঁতক কিমান যে আনন্দ দিয়ে ! এই সকলোবোৰ

হয়তো সিহঁতৰ মাজৰপৰা চিৰদিনৰ বাবে নাইকিয়া হৈ যাব। সিহঁতৰ বৰ দুখ লাগিল। এনেদৰে মন মাৰি থকাৰ মাজতে ৰুকছানাই ক'লে— "গ্ৰীষ্মৰ বন্ধত আমি দেউতাৰ সৈতে গুৱাহাটীলৈ গৈ চিৰিয়াখানা, তাৰকাগৃহ, বিমান বন্দৰ আদি চাই আহিলোঁ। বাছেৰে যাওঁতে ৰাষ্ট্ৰীয় ঘাইপথটো বহল আৰু পকী কৰি থকা দেখিবলৈ পাইছিলোঁ। দেউতাই আমাক বৰ আক্ষেপেৰে কৈ গৈছিল যে ঠায়ে ঠায়ে পথৰ কাষত থকা বিস্তুমান গছ, দোকান-পোহাৰ, ঘৰ আদিও আঁতৰাই পেলাবলগীয়া হৈছে। ৰাস্তাটো বহলকৈ নিৰ্মাণ কৰাৰ বাবেই এনে কৰাটো বৰ দৰকাৰী হৈ পৰিছে হেনো।"

সমাজ বিজ্ঞানৰ শিক্ষকগৰাকীয়েও প্ৰসংগ ক্ৰমে তেওঁলোকৰ শ্ৰেণীত কথাটো উলিয়ালে— "চোৱাচোন, আমাৰ পৰিৱেশ কেনেদৰে সলনি হৈ আছে?" তেনেতে তাপসে সুধিলে— "ছাৰ, পৰিৱেশ মানেনো কি?" "তোমাৰ চাৰিওফালে যি যি দেখিছা সেয়াই পৰিৱেশ।"— শিক্ষকে ক'লে। তাপসে অলপ ভাবি ক'লে "তাৰ মানে ছাৰ, আমি দেখি থকা চকী, মেজ, ব্লেক ব'ৰ্ড, বহী-কিতাপ, ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট, বাগিচা, খেলপথাৰ আদি সকলোবোৰেই পৰিৱেশ নেকি?" তাপসৰ কথাত হয় ভৰ দি গৰিমাই ক'লে — "আমি গছ-গছনি, জীৱ-জন্তু, নদ-নদী, হাট-বজাৰ, কল-কাৰখানা, নলা-নৰ্দমা আদিও দেখোঁ। সেইবোৰো তেনেহ'লে পৰিৱেশ নেকি ছাৰ?" শিক্ষকে ক'লে— "তোমালোকে ঠিকেই ধৰিব পাৰিছা। এই সকলোবোৰ লগ লাগিয়েই আমাৰ পৰিৱেশ সৃষ্টি হৈছে। আমি চকুৰে নেদেখিলেও বায়ু, বিভিন্ন অণুজীৱ, গেছীয় পদাৰ্থ আদিও আমাৰ পৰিৱেশৰে অংগ।"

আমাৰ চাৰিওফালে আমাক আবৰি থকা ৰ'দ, বতাহ, বৰষুণ, নৈ, গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটি, ঘৰ-দুৱাৰ, আলি-পদূলি, গাঁও, চহৰ আদি উপাদানবোৰ লগ লাগি যি এক অৱস্থাৰ সৃষ্টি কৰিছে সেয়াই **পৰিৱেশ**। জীৱ-জগতৰ যিকোনো এক উপাদান তাৰ চৌপাশে থকা আন উপাদানবোৰে সৃষ্টি কৰা বাতাৱৰণৰ সৈতে খাপ খাই জীয়াই থাকে। উদাহৰণস্বৰূপে, এশিঙীয়া গঁড় জীয়াই থাকিবৰ বাবে কাজিৰঙা অভয়াৰণ্যত প্ৰয়োজনীয় ঘাঁহ-বন, পানী, উত্তাপ, আশ্ৰয়স্থল আদি আছে। সেই উপাদানবোৰেই গঁড়ৰ বাবে এক পৰিৱেশৰ সৃষ্টি কৰিছে। এই পৰিৱেশ নানা কাৰণত সলনি হৈ আন এটা পৰিৱেশৰ সৃষ্টি হ'ব পাৰে। মানুহ বা প্ৰকৃতি উভয়েই এই পৰিৱৰ্তন ঘটায়।

**জানি থওঁ আহা ঃ**

- পৰিৱেশত থকা উপাদানবোৰৰ পৰস্পৰৰ মাজত সম্পৰ্ক আছে।
- এটা আনটোৰ ওপৰত নিৰ্ভৰশীল।
- মানুহো পৰিৱেশৰ এটা অংগ।
- অতি ক্ষুদ্ৰ জীৱাণু এটাৰ পৰা আৰম্ভ কৰি বৃহৎ আকাৰৰ প্ৰাণী, উদ্ভিদ, মাটি, পানী, বায়ু আদি উপাদানৰ সৈতে মানুহৰ সম্পৰ্ক আছে।

**ক্ৰিয়াকলাপ ঃ**

- তোমাৰ ঘৰৰ চাৰিওফালৰ পৰিৱেশত দেখা উদ্ভিদ আৰু প্ৰাণীবোৰৰ নাম লিখা।
- ঘৰত আৰু বিদ্যালয়ত থকাৰ সময়ত তুমি ব্যৱহাৰ কৰা সামগ্ৰীবোৰৰ তালিকা এখন প্ৰস্তুত কৰা। এই সামগ্ৰীবোৰ ক'ৰ পৰা পোৱা?
- পাঠত বৰ্ণনা কৰা কথাখিনিৰ আধাৰত দলত আলোচনা কৰি লিখা ঃ

  (ক) নৈখনে অঞ্চলটোত কি কি কাৰ্য সংঘটিত কৰিছে।

  (খ) গছ-গছনিৰপৰা আমাৰ কি কি উপকাৰ হয়।

  (গ) তোমাৰ বিদ্যালয়, খেলপথাৰ আৰু বাগিচাখনে তোমাক কেনেদৰে সহায় কৰে।

ওপৰৰ কথাখিনিৰপৰা তোমালোকে পৰিৱেশ মানে কি বুজিব পাৰিছা। এই পৰিৱেশ দুই ধৰণৰ — প্ৰাকৃতিক পৰিৱেশ আৰু মানৱ সৃষ্টি পৰিৱেশ।

## প্ৰাকৃতিক পৰিৱেশ ঃ

আমাৰ চৌপাশৰ প্ৰকৃতিত থকা বা প্ৰকৃতিসৃষ্ট পৰ্বত-পাহাৰ, নদ-নদী, সাগৰ, ৰ'দ, বতাহ, মাটি, উদ্ভিদ, প্ৰাণী আদিয়ে যি স্বাভাৱিক অৱস্থাৰ সৃষ্টি কৰিছে সেয়াই **প্ৰাকৃতিক পৰিৱেশ**। আনহাতে, মানুহে নিজৰ সুবিধামতে প্ৰকৃতিৰ




*চিত্ৰ ঃ ৪.২ পৰিৱেশৰ উপাংশ*

বুকুৰপৰা সমল সংগ্ৰহ কৰি নিজৰ প্ৰয়োজন পূৰণ কৰে। নিজৰ বাবে লাগতিয়াল সকলোখিনি সৃষ্টি কৰি লওঁতে প্ৰাকৃতিক পৰিৱেশৰ পৰিবৰ্তন (ৰূপান্তৰ) বা পৰিশোধন হয়। মানুহে নিজে নিজৰ বাবে সৃষ্টি কৰি লোৱা অৱস্থাটোকে মানৱ পৰিৱেশ বা **মানৱসৃষ্ট পৰিৱেশ** বুলি কোৱা হয়। ইয়াৰ আটাইবোৰ উপাদানৰে পৰস্পৰৰ মাজত সম্পৰ্ক আছে।

### জানি থওঁ আহা ঃ

- পৰিৱেশক মানুহে নিজৰ কামত খটুৱায়।
- পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি মানুহে নিজৰ বাবে— ঘৰ-দুৱাৰ সাজে, খাদ্যশস্য উৎপাদন কৰে, কল-কাৰখানা, পথ, দলং, যান-বাহন, টেলিফোন, টেলিভিচন, ইণ্টাৰনেট, আমোদ-প্ৰমোদ, শিক্ষা-সংস্কৃতি আদিৰ সা-সুবিধা গঢ়ি তোলে।
- বিভিন্ন কৌশলেৰে ৰ'দ, বতাহ, পানী আদিৰপৰা শক্তি সংগ্ৰহ কৰে।
- ইন্ধনৰ বাবে খনিজ তেল,কয়লা আদি আহৰণ কৰে

মানুহে সকলো কাৰ্যৰ বাবেই পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয় আৰু সেয়ে পৰিৱেশৰ পৰিৱৰ্তন হয়। সু-ব্যৱহাৰ নহ'লে পৰিৱেশ ধ্বংস বা বিনষ্ট হয়। সামান্য বেজীটোৰপৰা মহাকাশ যানখনলৈকে মানুহক লগা সকলোবোৰ


সামগ্ৰী মানুহে নিজৰ দক্ষতাৰে প্ৰকৃতিত পোৱা সমলৰপৰাই সৃষ্টি কৰি লৈছে। মানুহ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল। মানুহ বাচি থাকিবলৈ হ'লে পৰিৱেশকো বচাই ৰাখিব লাগিব।

**ক্ৰিয়াকলাপ ঃ**

- তোমাৰ পৰিৱেশত থকা কেইবিধমান প্ৰকৃতিসৃষ্ট আৰু মানৱসৃষ্ট উপাদানৰ এখন তালিকা প্ৰস্তুত কৰা।
- মানুহে কিদৰে নিজৰ বাবে পৰিৱেশৰ ৰূপান্তৰ ঘটায় পাঠত বৰ্ণনা কৰা ৰুকছানাৰ অভিজ্ঞতাৰপৰা এটা উদাহৰণ দিয়া।
- প্ৰাকৃতিক নে মানৱসৃষ্ট উপাদান লিখা — (ক) চিৰিয়াখানা (খ) ব্ৰহ্মপুত্ৰ নদী (গ) বিমানবন্দৰ।


### পৰিৱেশৰ উপাংশসমূহ ঃ

পৰিৱেশ দুই প্ৰকাৰৰ বুলি ইতিমধ্যে উল্লেখ কৰা হৈছে। তাৰ ভিতৰত প্ৰাকৃতিক পৰিৱেশ যিসমূহ উপাদানৰ দ্বাৰা গঠিত সেইবোৰক আকৌ দুই ধৰণে ভাগ কৰা হৈছে— (১) **জৈৱিক উপাংশ** (Biotic Component) আৰু (২) **অজৈৱিক উপাংশ** (Abiotic Component)। প্ৰাকৃতিক পৰিৱেশ, স্বাভাৱিকভাৱে সৃষ্টি হোৱা এক অৱস্থা বা পৰিস্থিতি। এই 'অৱস্থা' সৃষ্টি কৰা সমল বা উপাদানবোৰেই হ'ল উপাংশ। (চিত্ৰ -৪.২ চোৱা)




*চিত্ৰ ঃ ৪.৩ (ক) জীৱমণ্ডল ('নাছা' ৰ NASA আহি চিত্ৰ)*

**(১) জৈৱিক উপাংশ ঃ** পৰিৱেশত থকা আটাইবোৰ প্ৰাণী, উদ্ভিদ, ভেঁকুৰ, বেক্টেৰিয়া আদি জৈৱিক উপাংশৰ ভিতৰত পৰে। এই সকলোবোৰ জীৱ মণ্ডলতহে পোৱা যায়। জলমণ্ডল, স্থলমণ্ডল আৰু বায়ুমণ্ডলক সামৰি প্ৰাণী জগত আৰু উদ্ভিদ জগত বৰ্তি থকা স্তৰটোৱে হ'ল **জীৱমণ্ডল** (Biosphere)। ইয়াৰ বিস্তৃতি সাগৰ তলিৰ কিছু ওপৰৰপৰা আৰম্ভ কৰি ভূপৃষ্ঠৰ ওপৰৰ বায়ুমণ্ডলৰ এটা সীমালৈ প্ৰায় ২৪ কিলোমিটাৰ জোৰা (চিত্ৰ-৪.৩ (ক) আৰু চিত্ৰ ৪.৩ (খ)।


*চিত্ৰ ঃ ৪.৩ (খ) জীৱমণ্ডল*

এই স্তৰতেই প্ৰকাণ্ড জন্তু, উদ্ভিদ, অন্যান্য প্ৰাণী, ক্ষুদ্ৰাতিক্ষুদ্ৰ অণুজীৱ, বেক্টেৰিয়া আদি সকলোবোৰ থাকে। অৰ্থাৎ জলভাগ, স্থলভাগ আৰু বায়ু মণ্ডলত থকা সকলোবোৰ জীৱ থকা উপাদানৰ দ্বাৰাই **জৈৱিক উপাংশ** গঠিত।

এটা সুন্দৰ পৰিৱেশ গঢ়ি উঠিবলৈ হ'লে তাৰ উপাদানসমূহ যিমানেই ক্ষুদ্ৰ বা বৃহৎ নহওক লাগিলে, কোনোটোৱেই অলাগতিয়াল নহয়।



চিত্ৰ ঃ ৪.৪ জৈৱিক উপাংশ

জৈৱিক উপাংশৰ সকলো উপাদানেই এটাৰ ওপৰত আনটো নিৰ্ভৰ কৰি পৰিৱেশত বাচি থাকে। উদাহৰণস্বৰূপে, সেউজীয়া উদ্ভিদে সৌৰশক্তি (সূৰ্যৰ তাপ, পোহৰ)ৰ সহায়ত জীয়াই থাকে। তৃণভোজী প্ৰাণীয়ে ইহঁতক খাদ্য হিচাপে গ্ৰহণ কৰে। সেই প্ৰাণীক মাংসাহাৰী প্ৰাণীয়ে খায়, যেনে-গৰু, ছাগলী, হৰিণা আদিয়ে ঘাঁহ খায়। বাঘ, সিংহ আদিয়ে আকৌ গৰু, ছাগলী, হৰিণা আদি ভক্ষণ কৰে। উদ্ভিদ, তৃণভোজী আৰু মাংসহাৰীৰ মৃত্যু হ'লে জীৱাণুৱে পচাই মাটিত মিলাই দিয়ে। ইয়াৰপৰা বুজা গ'ল যে একে পৰিৱেশত থকা সকলোবোৰ উপাদানে পৰস্পৰ সম্পৰ্কৰ জৰিয়তে একেলগে জীৱন নিৰ্বাহ কৰে। এনেদৰে এটা জীৱন চক্ৰ চলি থাকে। ইয়াক **পৰিস্থিতিতন্ত্ৰ** (Ecosystem) বোলে (চিত্ৰ ৪.৫)।




চিত্ৰ ঃ ৪.৫ পৰিস্থিতিতন্ত্ৰ

কোনো এটা নিৰ্দিষ্ট পৰিৱেশত থকা সকলো জীৱই ইয়াৰ লগত থকা কাৰোবাৰ সহায়তহে বাচি থাকে। এটা নহ'লে আনটো জীয়াই থাকিব নোৱাৰে। এই প্ৰক্ৰিয়াত সেউজীয়া ঘাঁহক **উৎপাদক**, তৃণভোজী প্ৰাণীসমূহক **প্ৰথম উপভোক্তা** আৰু মাংসহাৰী প্ৰাণীক **দ্বিতীয় উপভোক্তা** বুলি কোৱা হয়। উৎপাদক আৰু উপভোক্তাৰ মৃত্যু হ'লে যি সমূহ জীৱাণুৱে পচন ঘটায় তাক **বিয়োজক** বোলে।

**ক্ৰিয়াকলাপ ঃ**

- তোমাৰ ওচৰে-পাজৰে থকা জৈৱিক উপাংশৰ উপাদানসমূহে কেনেদৰে এটা আনটোৰ সহায়ত বাচি থাকে পৰ্যবেক্ষণ কৰি চমুকৈ লিখা।
  (উদাহৰণ — উদ্ভিদৰ পাত খাই ফৰিং জীয়াই থাকে, ফৰিং চৰায়ে খায়...)
- বায়ু নথকা পাত্ৰ এটাত পতংগ এটা ৰাখিলে কি হ'ব?
- বায়ু নাথাকিলে উদ্ভিদ আৰু প্ৰাণীৰ কি হ'লহেঁতেন?

**(২) অজৈৱিক উপাংশ ঃ** বায়ু (বায়ুমণ্ডল), মাটি (স্থলমণ্ডল) আৰু পানীয়েই (জলমণ্ডল) হ'ল পৰিৱেশৰ অজৈৱিক উপাংশ (চিত্ৰ ৪.৬)।

পৃথিৱীক আবৰি ৰখা বায়ুৰ পাতল আবৰণটোৱেই হ'ল **বায়ুমণ্ডল**। এই বায়ুৱেই আমাক সূৰ্যৰ ক্ষতিকাৰক প্ৰখৰ ৰশ্মিৰপৰা বচায়। প্ৰচণ্ড উত্তাপৰপৰাও ৰক্ষা কৰে। বায়ুমণ্ডল নহ'লে সূৰ্যৰ ৰশ্মি বাধাহীনভাৱে আমাৰ ওপৰত

নপৰিলহেঁতেন নে? বিভিন্ন গেছ, ধূলিকণা আৰু জলীয় ভাপেৰে বায়ুমণ্ডল গঠিত। ইয়াতে ডাৱৰ, নিয়ৰ, কুঁৱলী, হিমকণা, বৰষুণ আদিৰ সৃষ্টি হয়। বায়ুমণ্ডলে বতৰ আৰু জলবায়ুৰ পৰিবৰ্তন ঘটায়।

আমাৰ পৰিৱেশত থকা জীৱজগত বৰ্তি থাকিবলৈ বায়ুমণ্ডল অপৰিহাৰ্য। বায়ুমণ্ডলত থকা অক্সিজেন, কাৰ্বন-ডাই-অক্সাইড, নাইট্ৰ'জেন আদি গেছ প্ৰাণী আৰু উদ্ভিদৰ বাবে লাগতিয়াল। এইবোৰৰ পৰিমাণ অধিকমাত্ৰাত বঢ়া-টুটা হ'লে পৰিৱেশত বিৰূপ প্ৰভাৱ পৰে। বৰ্তমান কাৰ্বন-ডাই-অক্সাইড গেছ বৃদ্ধি হৈ থকা বাবে পৰিৱেশৰ উত্তাপ বাঢ়িছে। সেয়েহে পৰিৱেশ বিনষ্ট হোৱাৰ উপক্ৰম হৈছে।



চিত্ৰ ঃ ৪.৬ অজৈৱিক উপাংশ

বায়ুমণ্ডলৰ চাপ আৰু তাপৰ ভিন্নতা অনুযায়ী উদ্ভিদ আৰু প্ৰাণীয়ে নিজকে খাপ খুৱাই ল'বলগীয়া হয়। উদাহৰণস্বৰূপে, মৌচুমী জলবায়ুৰ অন্তৰ্গত হোৱা বাবে অসমত চিৰসেউজীয়া গছৰ অৰণ্য দেখা যায়। ডিহিং-পাটকাই বৰ্ষাৰণ্য (জয়পুৰ), সোণাই-ৰূপাই সংৰক্ষিত বনাঞ্চল আদি এনে ধৰণৰ অৰণ্য। ডাঠ ঘাঁহ-বন, ওখ ওখ গছ আৰু অৰ্কিডৰ (কপৌফুল) বাবে উপযুক্ত পৰিৱেশ ইয়াত আছে। সেইদৰে এই অৰণ্যবোৰ নানা ধৰণৰ জীৱ-জন্তুৰো বিচৰণ ভূমি। অৰ্থাৎ জৈৱিক উপাদানসমূহৰ ওপৰত বায়ুমণ্ডলৰ প্ৰভাৱ যথেষ্ট। কিন্তু বৰ্তমান, বায়ু প্ৰদূষণৰ বাবে পৰিৱেশত কু-প্ৰভাৱ পৰা দেখা গৈছে। সেয়েহে জীৱ-জগতৰ প্ৰতি সংকট নামি আহিছে।

**উত্তৰ লিখা ঃ**

- জৈৱিক উপাংশত কি কি থাকে ?
- পৃথিৱীৰ কোনটো স্তৰ বা মণ্ডলত প্ৰাণী আৰু উদ্ভিদসমূহ থাকে?
- বায়ুমণ্ডল কি কি উপাদানেৰে গঠিত?

**পৰ্যবেক্ষণ কৰা ঃ**

- তোমাৰ ঘৰৰ চৌপাশৰ পৰিৱেশত পোৱা যিকোনো এটি অলাগতিয়াল উদ্ভিদৰ পুলিৰ ওপৰত বতাহ সোমাব নোৱাৰা পাত্ৰ এটাৰে ঢাকি থৈ কেইদিনমান পাছত চোৱা।

পৃথিৱীৰ উপৰিভাগ আগুৰি থকা টান খোলা বা স্তৰটোৱেই হৈছে **স্থল মণ্ডল** (অশ্ম মণ্ডল)। এই খোলাটো বিভিন্ন শিল আৰু মণিকৰ দ্বাৰা গঠিত। ওপৰৰ তৰপটো মাটিৰে আবৃত। পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদী উপত্যকা আদি পৃথিৱীৰ উপৰিভাগতেই আছে। মানুহক বসবাসৰ বাবে আৰু খেতি কৰিবৰ বাবে মাটিৰ দৰকাৰ। উদ্ভিদ আদি জীয়াই থাকিবলৈও মাটিৰ দৰকাৰ। স্থল ভাগেই আমাক খনিজ সম্পদ আদিও যোগান ধৰে। পৰিৱেশত থকা জৈৱিক উপাদানসমূহ স্থলভাগৰ ওপৰত নিৰ্ভৰশীল। মাটিৰ গঠন, গুণাগুণ, ঢাল আদিৰ ওপৰত নিৰ্ভৰ কৰি মানুহে খেতি বাতি কৰে। সেইদৰে ঘৰ-দুৱাৰ আদিও সাজি লয়। উদাহৰণস্বৰূপে, সমতলৰ পলসুৱা ভূমিত ধান-মাহ, সৰিয়হ আদি খেতি বেছি পৰিমাণে হয় বাবে কৃষিজীৱী মানুহৰ বসতিও বেছি। কাৰ্বি পাহাৰৰ উচ্চভূমিৰ ঢালত মানুহে ঝুম পদ্ধতিৰে খেতি কৰে। তাত বসতি পাতল। নৈ কাষৰীয়া অঞ্চলত মিছিংসকলে চাং-ঘৰ সাজি থাকে (চিত্ৰ ৪.৭)। ব্ৰহ্মপুত্ৰৰ বুকুত থকা মাজুলীৰ পৰিৱেশ স্থানীয় আৰু পৰিভ্ৰমী চৰাইৰ বাবে উপযোগী। তেনেদৰে, লুইতৰ চৰ-চাপৰিসমূহত ঘাঁহ-বন থকা বাবে আৰু মুকলিমূৰীয়া পৰিৱেশৰ বাবে ম'হ-খুঁটিবোৰ আছে। চৰ অঞ্চলত আলু-


চিত্ৰ ঃ ৪.৭ চাংঘৰ

মূলা আৰু বিভিন্ন শাক-পাচলিৰ খেতি প্ৰচুৰ পৰিমাণে হয়। ইয়াত বাস কৰা কিছুসংখ্যক মানুহে বানপানী আৰু গৰাখহনীয়াৰ সৈতে সহাৱস্থান কৰিবলৈ সাধাৰণভাৱে চাংঘৰ আদি সাজি থাকে। কোনো কোনোৱে স্থানীয়ভাৱে পোৱা খেৰ, বাঁহ, কাঠ আৰু মৰাপাটৰ ঠাৰি আদিও ঘৰ সজা কামত ব্যৱহাৰ কৰা দেখা যায়। পৰিৱেশৰ সৈতে খাপ খাই থাকিবৰ বাবেই মানুহে এনেদৰে ভিন ভিন পদ্ধতি অৱলম্বন কৰে।

**ক্ৰিয়াকলাপ ঃ**

- মাটিয়ে উদ্ভিদ আৰু প্ৰাণীক কেনেদৰে সহায় কৰে চমুকৈ লিখা।

পৰিৱেশৰ অজৈৱিক উপাংশৰ ভিতৰত পানী অপৰিহাৰ্য উপাদান। নদ-নদী, হ্ৰদ, সাগৰ, ভূগৰ্ভৰ পানী আদিৰ উৎসই হ'ল **জলমণ্ডল**। জীয়াই থাকিবলৈ সকলো জীৱকে পানীৰ প্ৰয়োজন। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক। ইয়াৰ উপনৈসমূহ, খাল-বিল, পুখুৰী আদিৰ পানীয়ে এই অঞ্চলৰ উদ্ভিদ আৰু প্ৰাণীক জীয়াই ৰাখিছে। পানীৰ প্ৰয়োজন ভিন ভিন জীৱৰ বাবে ভিন ভিন হয়। পানীৰ পৰিমাণ আপাত দৃষ্টিত যথেষ্ট যেন লাগিলেও পৃথিৱীৰ বহু ঠাইতে ব্যৱহাৰযোগ্য পানীৰ অভাৱ দেখা যায়। জলসিঞ্চন, বিদ্যুৎ উৎপাদন, খোৱাপানী, জলপথ, মাছ-মৰা আদি কামত অসমৰ মানুহে নৈ, বিল, পুখুৰীসমূহৰ পানী ব্যৱহাৰ কৰে। মাছ-কাছ, শিহু, বনৰীয়া হাঁহ, চৰাই আদি ইয়াৰ নদী আৰু জলাশয়বোৰত দেখা যায় (চিত্ৰ ৪.৮)।



চিত্ৰ ঃ ৪.৮ জলাশয়ৰ জীৱসমূহ

**উত্তৰ লিখা ঃ**

- পানী পৰিৱেশৰ কি উপাংশৰ উপাদান?
- জলমণ্ডলৰ উৎসসমূহ কি?
- পানী কি কি কামত ব্যৱহাৰ কৰা হয়?
- পানীত বাস কৰা কেইবিধমান প্ৰাণীৰ নাম লিখা।

**মানৱসৃষ্ট পৰিৱেশ ঃ**

আগতে উল্লেখ কৰা হৈছে যে মানুহে নিজৰ প্ৰয়োজন পূৰাবলৈ বিভিন্ন উপায়েৰে নিজৰ পৰিৱেশত থকা সমলবোৰ কামত খটুৱায়। এনে কাৰ্যৰ ফলত পৰিৱেশত কিছু পৰিৱৰ্তন সাধন হয় আৰু নতুন পৰিৱেশ এটা গঢ় লৈ উঠে। এনেদৰে মানুহে নিজৰ সুবিধা মতে গঢ়ি তোলা পৰিৱেশেই হৈছে মানৱসৃষ্ট পৰিৱেশ।

**জানি থওঁ আহা ঃ**

- মানৱসৃষ্ট পৰিৱেশৰ বাবে প্ৰাকৃতিক উপাদানসমূহৰ পৰিৱৰ্তন বা পৰিশোধন অপৰিহাৰ্য।
- প্ৰকৃতিত নিজে হোৱা পৰিৱৰ্তনবোৰ মানৱসৃষ্ট পৰিৱৰ্তন নহয়, যেনে — ভূমিকম্প, আগ্নেয়গিৰিৰ দ্বাৰা হোৱা পৰিৱৰ্তন। এই পৰিৱৰ্তন প্ৰকৃতিৰ দ্বাৰা সৃষ্ট।
- আগৰ কালত মানুহে প্ৰকৃতিৰ বুকুৰপৰাই সমল সংগ্ৰহ কৰি সহজ-সৰল জীৱন-যাপন কৰিছিল।

- পৃথিৱীত জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ সম্পদৰ প্ৰয়োজনো বাঢ়ি গৈ আছে। নতুন নতুন বৈজ্ঞানিক কলা-কৌশল আয়ত্ত কৰি মানুহে পৰিৱেশৰ সমলসমূহ ব্যৱহাৰ কৰি নতুন নতুন সা-সুবিধাৰ সৃষ্টি কৰিছে। এনেবোৰ কাৰ্যৰ দ্বাৰা মানৱসৃষ্ট পৰিৱেশ গঢ়ি উঠিছে। কল-কাৰখানাৰ পৰা ওলোৱা আৱৰ্জনা আৰু যান-বাহনৰ ধোঁৱা আদিয়ে পৰিৱেশ বিনষ্টও কৰিছে।

## ভূগোল বিজ্ঞানৰ বিষয়বস্তু হিচাপে পৰিৱেশ ঃ

মানৱসৃষ্ট পৰিৱেশ সম্পৰ্কে পৰৱৰ্তী পাঠত বহলাই আলোচনা কৰা হৈছে। তোমালোকে নিশ্চয় মন কৰিছা যে এই পাঠত ঘাইকৈ মানুহ আৰু পৰিৱেশৰ মাজৰ সম্পৰ্ক আৰু পৰিৱেশৰ সৈতে সম্পন্ন হোৱা ক্ৰিয়াকলাপৰ কথা আলোচনা কৰা হৈছে। এই সকলোবিলাক কথা বিতংভাৱে ভূগোল বিজ্ঞান বিষয়ত অধ্যয়ন কৰা হয়। ভূগোল বিজ্ঞানত সৌৰজগত বা বিশ্বব্ৰহ্মাণ্ডৰ কথা অধ্যয়ন কৰাৰ লগতে পৃথিৱীৰ সমগ্ৰ সম্পদ বা উপাদান মানৱ জাতিৰ কল্যাণৰ হকে কেনেদৰে ব্যৱহাৰ কৰা হয়,সেই সম্পৰ্কে গুৰুত্ব সহকাৰে অধ্যয়ন কৰা হয়। এনে অধ্যয়নৰ জৰিয়তে পৰিৱেশৰ সুষম ব্যৱহাৰ, সংৰক্ষণ আৰু সুৰক্ষাৰ ধাৰণা দিবলৈ যত্ন কৰা হয়। বৰ্তমান পৰিৱেশ প্ৰদূষণ, গোলকীয় উষ্ণতা বৃদ্ধি, জনসংখ্যা বৃদ্ধি আদি সমস্যাই মানুহক চিন্তিত কৰিছে। এইবোৰৰ কাৰণ আৰু মানৱ সমাজৰ ওপৰত প্ৰভাৱ সম্পৰ্কেও ভূগোলত অধ্যয়ন কৰা হয়। সেয়েহে পৰিৱেশ অধ্যয়নকে ভূগোলৰ মূল বিষয় হিচাপে গণ্য কৰা হয়।

### ক্ৰিয়াকলাপ ঃ

তলৰ কাৰ্যসমূহ প্ৰকৃতিসৃষ্ট নে মানৱসৃষ্ট লিখা।

(ক) ৰাষ্ট্ৰীয় ঘাইপথ ____

(খ) গৰাখহনীয়া ______

(গ) নৈৰ ওপৰৰ দলং ______

(ঘ) তোমাৰ বিদ্যালয়ৰ ঘৰ-দুৱাৰ ______

(ঙ) চুনামীয়ে কৰা ক্ষতি ______

## মনত ৰাখিবলগীয়া কথা ঃ

- পৰিৱেশ হ'ল আমাৰ চাৰিওফালৰ উপাদানবিলাকৰ সমন্বয়ত গঢ়ি উঠা এটা অৱস্থা।
- পৰিৱেশ দুই প্ৰকাৰৰ — প্ৰাকৃতিক আৰু মানৱসৃষ্ট।
- প্ৰাকৃতিক পৰিৱেশ দুটা উপাংশৰে গঠিত — (১) জৈৱিক উপাংশ আৰু (২) অজৈৱিক উপাংশ।
- মানৱসৃষ্ট পৰিৱেশ মানুহে নিজে সৃষ্টি কৰে।
- প্ৰাকৃতিক আৰু মানৱসৃষ্ট পৰিৱেশৰ উপাদানসমূহৰ মাজৰ সম্পৰ্কই সামগ্ৰিক পৰিৱেশ গঢ়ি তোলে।
- মানুহৰ লগতে পৰিৱেশৰ সকলো উপাদানৰ মাজত এক নিবিড় সম্পৰ্ক আছে।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া ঃ

(ক) পৰিৱেশ মানে কি?

(খ) পৰিৱেশ কেই প্ৰকাৰৰ আৰু কি কি, উদাহৰণ দি লিখা।

(গ) পৰিবেশৰ প্ৰধান উপাংশসমূহ কি কি?

(ঘ) মানৱসৃষ্ট পৰিবেশ কেনেদৰে সৃষ্টি হয়?

২। শুদ্ধ উত্তৰত ☑ চিন দিয়া –

(ক) কোনটো মানৱসৃষ্ট পৰিবেশৰ উপাদান নহয়?

(১) মাটি (২) শিক্ষানুষ্ঠান (৩) পৰিবহণ ব্যৱস্থা

(খ) কোনটো প্ৰাকৃতিক পৰিবেশৰ উপাদান নহয়?

(১) পৰ্বত (২) ঘৰ (৩) নদী

(গ) তলৰ কোনবোৰে পৰিবেশৰ ক্ষতি কৰে?

(১) গছ-গছনি (২) কল-কাৰখানাৰ আৱৰ্জনা (৩) খাদ্য শস্যৰ বৃদ্ধি

(৪) জনসংখ্যা বৃদ্ধি (৫) জীৱ-জন্তু ধ্বংস।

৩। বাঁওফালৰ সৈতে সোঁফালৰ মিল থকা অংশ চিনেৰে মিলোৱা।

| বাওঁফাল | সোঁফাল |
|---|---|
| (ক) আমাৰ চৌপাশ | (ক) মাটি |
| (খ) জলমণ্ডল | (খ) বায়ু |
| (গ) স্থলমণ্ডল | (গ) পৰিবেশ |
| (ঘ) জীৱমণ্ডল | (ঘ) পানী |
| (ঙ) বায়ুমণ্ডল | (ঙ) জীৱ-জগত |

৪। জৈৱিক উপাংশৰ উপাদানসমূহ কেনেদৰে পৰিবেশত বৰ্তি থাকে ৮০টা মান শব্দৰ ভিতৰত লিখা।

৫। তুমি কেনেকুৱা পৰিবেশত থকিবলৈ বিচৰা চমুকৈ লিখা। (১০০ টা মান শব্দৰ ভিতৰত।)

# পাঠ ঃ ৫
# সম্পদ

K2Q5K9

**শিকনৰ ফলাফল ঃ**

- সম্পদ কি আৰু ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে ধাৰণা লাভ কৰিব।
- বিভিন্ন প্ৰকাৰৰ সম্পদ সম্পৰ্কে বুজি পাব।
- সম্পদসমূহৰ সংৰক্ষণৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব।
- প্ৰাকৃতিক সম্পদ আৰু মানৱ সম্পদৰ সম্পৰ্ক বুজি পাব।
- সম্পদ আৰু উন্নয়নৰ সম্বন্ধ সম্পৰ্কে জানিব পাৰিব।

**আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন পূৰাবলৈ বিভিন্ন সামগ্ৰী বা দ্ৰব্যৰ প্ৰয়োজন। মানুহৰ এনে প্ৰয়োজন পূৰাবলৈ কোনো উৎসৰপৰা আহৰণ কৰিব পৰা দ্ৰব্য সামগ্ৰীসমূহেই সম্পদ।** বায়ু, পানী, মাটি, সূৰ্যৰ শক্তি, উদ্ভিদ, কয়লা আদি সকলো একো একোটা সম্পদ। আমি বাস কৰা পৃথিৱীখন বিভিন্ন প্ৰকাৰৰ সম্পদেৰে ভৰপূৰ হৈ আছে। প্ৰকৃতিত পোৱা সম্পদসমূহৰ সদ্ব্যৱহাৰৰ ওপৰতে মানৱজাতিৰ প্ৰগতি আৰু ভৱিষ্যত নিৰ্ভৰ কৰে।

এইখিনিতে প্ৰশ্ন উঠিব পাৰে— আমি দেখা পোৱা সকলোবোৰ দ্ৰব্য বা সামগ্ৰীয়ে সম্পদ নে? আমি প্ৰকৃতিত পোৱা সকলোবোৰ দ্ৰব্যই সম্পদ নহয়। আমি নজনা বা ব্যৱহাৰ নকৰা বহুতো দ্ৰব্য আছে, যিবোৰ আমাৰ প্ৰয়োজন পূৰাবলৈ ব্যৱহাৰ কৰা হোৱা নাই। সেইবাবে এনেবোৰ দ্ৰব্য সম্পদ হিচাপে পৰিগণিত হোৱা নাই। আমাৰ বিভিন্ন প্ৰয়োজন দ্ৰব্য বা সামগ্ৰীয়ে পূৰণ কৰে আৰু ইয়াৰ উপযুক্ত ব্যৱহাৰে সামগ্ৰীসমূহক সম্পদলৈ ৰূপান্তৰিত ৰূপান্তৰ কৰে। উদাহৰণ হিচাপে, অসমৰ চাহ শিল্পৰ কথাকে ক'ব পাৰি। ব্ৰিটিছসকল অসমলৈ অহাৰ আগতে চাহগছবোৰক এবিধ প্ৰাকৃতিক উদ্ভিদ বা সামগ্ৰী বুলিহে ধৰি লোৱা হৈছিল। ব্ৰিটিছসকল অসমত থকা কালত চাহগছক উপযুক্তভাৱে প্ৰতিপালন কৰি চাহপাত উৎপাদন কৰে আৰু ইয়াক এবিধ প্ৰয়োজনীয় সম্পদলৈ ৰূপান্তৰিত কৰে। গতিকে কোনো দ্ৰব্য সম্পদ হ'বলৈ হ'লে- ই আমাৰ প্ৰয়োজন পূৰাব লাগিব, ই ব্যৱহাৰৰ উপযোগী হ'ব লাগিব আৰু ভৱিষ্যতৰ বাবে কামত অহা হ'ব লাগিব।

**ক্ৰিয়াকলাপ ঃ**

- সকলো দ্ৰব্য বা সামগ্ৰীয়েই সম্পদ নহয়— কথাষাৰ যুক্তিসহকাৰে দলত আলোচনা কৰি লিখা।

**সম্পদৰ প্ৰকাৰ ঃ**

আমাৰ চৌপাশে বিস্তাৰিত হৈ থকা দ্ৰব্য বা সামগ্ৰীসমূহেই কেৱল সম্পদ নহয়; মানুহো এক প্ৰকাৰৰ সম্পদ। মানুহে নিজে সম্পদ হোৱাৰ লগতে সম্পদ সৃষ্টি আৰু বৃদ্ধিত অৰিহণা যোগায়। **সম্পদৰ প্ৰধান ভাগ তিনিটা— প্ৰাকৃতিক সম্পদ, মানৱ সম্পদ আৰু মানৱসৃষ্ট সম্পদ।**

সম্পদ

প্ৰাকৃতিক সম্পদ | মানৱ সম্পদ | মানৱসৃষ্ট সম্পদ

## প্ৰাকৃতিক সম্পদ ঃ

যিবোৰ সামগ্ৰী প্ৰকৃতিৰপৰা আহৰণ কৰা হয়, সেইবোৰেই প্ৰাকৃতিক সম্পদ। মানুহৰ খাদ্য, বস্ত্ৰ আৰু বাসস্থান— এই মৌলিক প্ৰয়োজনসমূহৰ সকলোখিনি সম্পদ আমি প্ৰকৃতিৰপৰাই আহৰণ কৰি লওঁ।

প্ৰাকৃতিক সম্পদসমূহক প্ৰধানকৈ দুই ভাগত ভগাব পাৰি— **অক্ষয় সম্পদ আৰু ক্ষয়িষ্ণু সম্পদ।** অক্ষয় সম্পদসমূহ অফুৰন্ত। মানুহে অহৰহ ব্যৱহাৰ কৰিও ইয়াক শেষ কৰিব নোৱাৰে। বৰষুণ, বায়ু শক্তি, সৌৰশক্তি আদি অক্ষয় সম্পদৰ উদাহৰণ। ক্ষয়িষ্ণু সম্পদ দুই প্ৰকাৰৰ– (ক) নবীকৰণক্ষম সম্পদ আৰু (খ) অ-নবীকৰণক্ষম সম্পদ।

### (ক) নবীকৰণক্ষম সম্পদ ঃ

এই শ্ৰেণীৰ সম্পদসমূহ মানুহে অহৰহ ব্যৱহাৰ কৰি থাকিলেও শেষ নহয়; কাৰণ প্ৰকৃতিয়ে তাক নবীকৰণ কৰি থাকে। উদাহৰণস্বৰূপে, মাটি, পানী, বায়ু, প্ৰাকৃতিক ঘাঁহনি, অৰণ্য, বন্য জীৱ-জন্তু আদি। এইটো মনকৰিবলগীয়া যে এক বিশেষ সময়ৰ ভিতৰত প্ৰাকৃতিকভাবে স্থানান্তকৰণ, পৰিবৰ্তন আৰু পুনৰ উৎপাদনৰ জৰিয়তে সম্পদসমূহৰ নবীকৰণ সম্ভৱ হয়। এনে সম্পদ এবাৰ ব্যৱহাৰ কৰাৰ পাছতো পুনৰ ব্যৱহাৰৰ সুবিধা থাকে (চিত্ৰ ৫.১)।



*চিত্ৰ ঃ ৫.১ প্ৰাকৃতিক ঘাঁহনি(নবীকৰণক্ষম সম্পদ)*

### (খ) অ-নবীকৰণক্ষম সম্পদ ঃ

এবাৰ আহৰণ কৰি ব্যৱহাৰ কৰাৰ পাছত এই সম্পদ পুনৰ সৃষ্টি নহয় আৰু প্ৰকৃতিয়েও এইবোৰ পুনৰ উৎপাদন নকৰে। যেনে- খনিজ পদাৰ্থ, তাম, লো, জীৱাশ্ম ইন্ধন (কয়লা, খাৰুৱা তেল) ইত্যাদি। এনে সম্পদসমূহ অ-নবীকৰণক্ষম বাবে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হোৱাটো দৰকাৰ (চিত্ৰ ৫.২)।

#### জানি থওঁ আহা ঃ

মন কৰিবলগীয়া যে, নবীকৰণক্ষম সম্পদসমূহ সময়ত গৈ অ-নবীকৰণক্ষম সম্পদ হৈ যাব পাৰে-যদিহে আমি এনেসম্পদসমূহ পুনৰ সৃষ্টি হোৱাৰ পৰিমাণতকৈ অধিক হাৰত ব্যৱহাৰ কৰোঁ। উদাহৰণস্বৰূপে, আমাৰ প্ৰয়োজনত অৰণ্য আৰু জীৱজন্তুৰ আহৰণ (ব্যৱহাৰ) কৰোঁতে যদি ইয়াৰ স্বাভাৱিক বৃদ্ধিৰ তুলনাত অধিক হাৰত ব্যৱহাৰ কৰা হয়, তেতিয়া তেনে সম্পদৰ পৰিমাণ ক্ৰমান্বয়ে কমি যাব আৰু নিঃশেষ হ'বলৈ ধৰিব। বৰ্তমান পৃথিৱীত মানুহৰ অপব্যৱহাৰৰ ফলত বহুতো সম্পদ এনেদৰে নিঃশেষ হ'বলৈ ধৰিছে।

উৎসৰ ওপৰত ভিত্তি কৰি প্ৰাকৃতিক সম্পদসমূহক দুটা ভাগত ভগাব পাৰি, যেনে-**জৈৱিক** আৰু **অজৈৱিক** সম্পদ। জীৱ জগতৰপৰা আমি যি সম্পদ আহৰণ কৰোঁ সেয়াই **জৈৱিক সম্পদ।** উদ্ভিদ জগতৰপৰা পোৱা বিভিন্ন শস্য, ফল-মূল, শাক-পাচলি, জন্তুৰপৰা আহৰণ কৰা বিভিন্ন সামগ্ৰী জৈৱিক সম্পদৰ উদাহৰণ। মানুহো জৈৱিক সম্পদৰ অন্তৰ্গত। বুদ্ধি-বৃত্তি থকা প্ৰাণী হিচাপে মানুহে নিজৰ উন্নয়ন সাধিব পাৰে। মানুহে প্ৰাকৃতিক সম্পদসমূহৰো উপযুক্ত ব্যৱহাৰ, সংৰক্ষণ আদিৰ ক্ষেত্ৰত বুদ্ধি-বৃত্তি খটুৱাই উৎকৰ্ষ সাধন কৰিব পাৰে। জীৱহীন সম্পদসমূহক **অজৈৱিক**

**সম্পদ** বুলি জনা যায়। শিল, মাটি, পানী, খনিজ পদাৰ্থ আদি এই শ্ৰেণীৰ সম্পদৰ ভিতৰত পৰে।

বিতৰণৰ ভিত্তিত প্ৰাকৃতিক সম্পদক দুটা ভাগত ভগাব পাৰি— **সৰ্বব্যাপী সম্পদ** আৰু **স্থানভিত্তিক সম্পদ**। সাধাৰণতে, সকলোতে পোৱা সম্পদসমূহেই **সৰ্বব্যাপী সম্পদ**। উদাহৰণস্বৰূপে, আমি শ্বাস-প্ৰশ্বাসত ব্যৱহাৰ কৰা বায়ু এবিধ **সৰ্বব্যাপী সম্পদ**। আনহাতে, স্থানভিত্তিক সম্পদসমূহ সকলো ঠাইতে পোৱা নাযায়। এক নিৰ্দিষ্ট পৰিৱেশ আৰু অৱস্থাত স্থানভিত্তিক সম্পদসমূহ পোৱা যায়। লোৰ আকৰ, তাম, কয়লা আদি **স্থানভিত্তিক সম্পদ**।

**ক্ৰিয়াকলাপ ঃ**

- জৈৱিক সম্পদৰ ভিতৰত মানুহক শ্ৰেষ্ঠ সম্পদ বুলি কোৱা হয় কিয়?
- তোমাৰ অঞ্চলত থকা স্থানভিত্তিক সম্পদসমূহ তালিকাভুক্ত কৰা।

উন্নয়ন আৰু ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি প্ৰাকৃতিক সম্পদক **প্ৰকৃত সম্পদ** আৰু **সম্ভাব্য সম্পদ** হিচাপে দুটা ভাগত ভগাব পাৰি।

মানুহে সদ্ব্যৱহাৰ কৰি আৰু কামত লগাই প্ৰকৃতিৰপৰা ইতিমধ্যে যিবোৰ সম্পদ আহৰণ কৰিছে সেয়াই **প্ৰকৃত সম্পদ**। এনে সম্পদৰ পৰিমাণ অনুমান কৰিব পৰা যায়। কয়লা, পেট্ৰ'লিয়াম, ইউৰেনিয়াম আদি সম্পদসমূহ এই শ্ৰেণীৰ সম্পদৰ অন্তৰ্ভুক্ত। এই শ্ৰেণীৰ সম্পদ সীমিত বুলি জনাৰ পাছত ইয়াক পৰিমিত ৰূপত ব্যৱহাৰ কৰাটো অতি আৱশ্যকীয় হৈ পৰিছে।



চিত্ৰ ঃ ৫.২ কয়লা খনন অঞ্চল। কয়লা প্ৰাকৃতিক সম্পদ। প্ৰকৃতিত এইবিধ সম্পদ নিৰ্দিষ্ট পৰিমাণেহে আছে। মুক্ত খনন কাৰ্যৰ বাবে এনেবিধ সম্পদ নিঃশেষ হোৱাৰ সম্ভাৱনা আছে।

যিবোৰ সম্পদে আমাৰ ভৱিষ্যত উন্নয়নত সহায় কৰাৰ সম্ভাৱনা অধিক আৰু ইয়াৰ বৰ্তমান ব্যৱহাৰে তেনে সম্ভাৱনাৰ উমান দিয়ে, সেয়ে **সম্ভাব্য সম্পদ**। এই শ্ৰেণীৰ সম্পদ মজুত থকাৰ পৰিমাণ নিশ্চিতকৈ জনা সম্ভৱ নহ'ব পাৰে; কিন্তু অৰ্থনৈতিক ক্ষেত্ৰত এনে সম্পদ অতি গুৰুত্বপূৰ্ণ। উদাহৰণস্বৰূপে, অসমৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ পানী জলবিদ্যুৎ শক্তি আহৰণৰ সম্ভাৱনীয়তা থকা আৰু জলসিঞ্চনৰ বাবে সুবিধাজনক সম্পদ। তেনেদৰে উদ্ভিদ জগতৰ বহুসংখ্যক ঔষধী উদ্ভিদক মানুহকে ধৰি জীৱ-জন্তুৰ স্বাস্থ্য আৰু চিকিৎসাৰ বাবে এক সম্ভাৱনাপূৰ্ণ সম্পদ হিচাপে চিনাক্তকৰণ কৰা হৈছে।



চিত্ৰ ঃ ৫.৩ বতাহ কল। উপকূলীয় আৰু পাহাৰীয়া অঞ্চলৰ সজোৰেৰে বলা বতাহৰ পৰা বতাহ কলৰ জৰিয়তে বিদ্যুৎ উৎপাদন কৰা হয়। এনে বতাহক সম্ভাৱনাপূৰ্ণ সম্পদলৈ ৰূপান্তৰ কৰিব পৰা যায়।

**জানি থওঁ আহা ঃ**

পানী এবিধ মূল্যবান প্ৰাকৃতিক সম্পদ। পৃথিবীৰ মুঠ জলভাগৰ প্ৰায় ৯৭% সমুদ্ৰৰ লুণীয়া পানী আৰু ৩% হে সাধাৰণ পানী। এই কম অংশৰো (৩% সাধাৰণ পানীৰ) সকলোখিনি পানী আমি পোনে পোনে পোৱাটো সম্ভৱ নহয় কিয়নো ইয়াৰ একাংশ পানী মেৰু অঞ্চলত বৰফ আকাৰে আছে। পৃথিবীৰ সমগ্ৰ পানীৰ তুলনাত ভূপৃষ্ঠ আৰু মাটিৰ তলৰপৰা সহজে পোৱা অ-লুনীয়া পানীৰ পৰিমান ০.০০০৩% গতিকে পৃথিবীত থকা পানীৰ পৰিমাণ অত্যধিক যদিও ব্যৱহাৰযোগ্য পানীৰ পৰিমাণ অতি কম আৰু ই আমাৰ অমূল্য সম্পদ।

**ক্ৰিয়াকলাপ ঃ**

- পানী কিয় এবিধ অতি সম্ভাব্যপূৰ্ণ সম্পদ? মানুহৰ বাবে এনেবিধ সম্পদ কিয় গুৰুত্বপূৰ্ণ?




**প্ৰাকৃতিক সম্পদৰ শ্ৰেণী বিভাজন**

## মানৱ সম্পদ আৰু মানৱসৃষ্ট সম্পদ ঃ

মানুহ এবিধ শ্ৰেষ্ঠ জৈৱিক সম্পদ। ব্যক্তিৰ বুদ্ধিমত্তা, কৰ্মদক্ষতা আৰু কৌশল, উৎপাদন ক্ষমতা আৰু কৰ্মৰ আচৰণবিধিয়ে এখন দেশৰ মানৱ সম্পদ সৃষ্টি কৰাৰ প্ৰধান কাৰক। এখন ৰাষ্ট্ৰৰ বাসিন্দাসকলৰ দক্ষতাৰ ওপৰতে ৰাষ্ট্ৰৰ উন্নতি বহুখিনি নিৰ্ভৰ কৰে। সেয়ে মানুহে নিজে সম্পদ হোৱাৰ লগতে বিভিন্ন ক্ষেত্ৰত সম্পদৰ সৃষ্টি আৰু ৰূপান্তৰৰ জৰিয়তে ৰাষ্ট্ৰৰ উন্নয়নত অৰিহণা যোগাব পাৰে। এইক্ষেত্ৰত দেখা দিয়া মেধাৰ বহিৰ্গমন (Brain Drain) সমস্যাটো আমাৰ ৰাষ্ট্ৰৰ সম্পদৰ এক ক্ষতিকাৰক দিশ। বৰ্তমান ভাৰত চৰকাৰে মানৱ সম্পদ উন্নয়নৰ বাবে বহুতো কাৰ্য ব্যৱস্থা হাতত লৈছে।

**ক্ৰিয়াকলাপ ঃ**

- এখন দেশৰ উন্নতি নিৰ্ভৰ কৰে সেই দেশত বাস কৰা মানৱসম্পদৰ ওপৰত— যুক্তিসহকাৰে ব্যাখ্যা কৰা।

## সম্পদৰ সংৰক্ষণ ঃ

প্ৰাকৃতিক সম্পদসমূহক ৰক্ষণাবেক্ষণ দিয়াটোৱেই সম্পদৰ সংৰক্ষণ। এতিয়া পৃথিৱীত গছ-গছনি, বন্যপ্ৰাণী আৰু অৰণ্যৰ পৰিমাণ ব্যাপক হাৰত কমি গৈছে। বতৰৰ অস্বাভাৱিক পৰিৱৰ্তনত কৃষি, উদ্যোগ, শিল্প, ব্যৱসায় আদিত বহুতো সমস্যাৰ সৃষ্টি হৈছে। বৰ্ধিত জনসংখ্যাৰ বাবে সীমিত প্ৰাকৃতিক সম্পদৰ নাটনিৰ সমস্যাই দেখা দিছে। বৰ্তমান আমি সম্মুখীন হোৱা এনে এক অৱস্থা বা পৰিৱেশৰ বাবে সম্পদৰ সংৰক্ষণ অতি প্ৰয়োজন।

### ক্ৰিয়াকলাপ ঃ

- সম্পদসমূহ আমি কি কি কাৰণে সংৰক্ষণ কৰিব লাগে আলোচনা কৰি লিখা।

## সম্পদ সংৰক্ষণৰ ব্যৱস্থা ঃ

এখন দেশৰ সম্পদসমূহ উপযুক্তভাৱে সংৰক্ষণ কৰিবলৈ কিছু নীতি মানি চলাটো প্ৰয়োজন। সম্পদ সংৰক্ষণৰ এনে নীতি আৰু আচৰণবিধিসমূহ মূলতঃ এনেধৰণৰ—

(ক) সম্পদৰ সদ্ব্যৱহাৰৰ বাবে পৰিকল্পনা কৰা।

(খ) সম্পদৰ ভাণ্ডাৰ আৰু মানুহৰ প্ৰয়োজনৰ মাজত সমতা ৰক্ষা কৰি চলা।

(গ) সম্পদ আৰু পৰিৱেশ ৰক্ষাৰ হকে সচেতনতা সৃষ্টি কৰা আৰু তেনে কাৰ্যক উৎসাহিত কৰা।

আমাৰ সম্পদসমূহ সদ্ব্যৱহাৰ কৰি ভৱিষ্যতলৈ সংৰক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। আমি প্ৰাকৃতিক সম্পদসমূহ বিভিন্ন প্ৰকাৰে সংৰক্ষণ কৰিব পাৰোঁ। পানী, ভূমি আৰু শক্তি সম্পদ কেনেধৰণে সংৰক্ষণ কৰিব পাৰি তাৰ এক নমুনা তলৰ তালিকাত দেখুওৱা হৈছে—

**প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ ব্যৱস্থা**

| পানী সংৰক্ষণৰ বাবে | শক্তি সংৰক্ষণৰ বাবে | ভূমি সংৰক্ষণৰ বাবে |
|---|---|---|
| → বৰষুণৰ পানী জমা কৰি পুনৰ ব্যৱহাৰৰ ব্যৱস্থা কৰা। | → সৌৰশক্তি, পৰমাণু শক্তি আদি বৈকল্পিক শক্তি সম্পদক দৈনন্দিন প্ৰয়োজনীয় শক্তি হিচাপে ব্যৱহাৰ কৰা। | → প্ৰাকৃতিকভাৱে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি প্ৰয়োজনীয় খাদ্যশস্য উৎপাদন কৰা। |
| → ঘৰুৱা আৰু ঔদ্যোগিক উভয় ক্ষেত্ৰতে পানী ব্যৱহাৰত মিতব্যয়ী হোৱা। | → শক্তি আহৰণত ইন্ধনৰ অপব্যয় নকৰা। | → ভূমিক্ষয় প্ৰতিৰোধী উদ্ভিদ ৰোপণ কৰা। |
| | → উত্তম, কৰ্মক্ষম ইন্ধন ব্যৱহাৰ কৰা। | |
| | → যথাসম্ভৱ কম পৰিমাণে জীবাশ্ম ইন্ধন ব্যৱহাৰ কৰা। | |

## সম্পদ আৰু উন্নয়ন ঃ

বৰ্তমানে প্ৰযুক্তিবিদ্যাৰ প্ৰয়োগেৰে প্ৰাকৃতিক সম্পদ ব্যৱহাৰ কৰি অধিক উৎপাদন লাভ কৰিব পৰা হৈছে। যান্ত্ৰিক শক্তিৰে বৃহৎ পৰিমাণত অধিক উৎপাদন কৰিবলৈ লোৱাৰ ফলত প্ৰাকৃতিক সম্পদৰ অত্যধিক ব্যৱহাৰ হোৱা আমি দেখিবলৈ পাইছো। ভৱিষ্যতে প্ৰযুক্তিগত দিশৰ উন্নয়নৰ ক্ষেত্ৰত অধিক সম্পদৰ উদ্‌ঘাটন আৰু ব্যৱহাৰ কৰিলে সমস্যাৰ সৃষ্টি হ'ব।

### ক্ৰিয়াকলাপ ঃ

- " অৰ্থনৈতিক উন্নয়নে প্ৰাকৃতিক সম্পদৰ ওপৰত হেঁচা প্ৰয়োগ কৰে" — এই কথাশাৰীৰ যুক্তিযুক্ততা বিচাৰ কৰি নিজৰ মতামত দাঙি ধৰা।

মানুহৰ প্ৰগতি আৰু অৰ্থনৈতিক বিকাশৰ বাবে প্ৰকৃতিত থকা সম্পদৰাজিৰ সদ্ব্যৱহাৰ কৰাটো এক গুৰুত্বপূৰ্ণ কথা। ভৱিষ্যতেও যাতে এনে সম্পদৰাজিৰ ব্যৱহাৰ সম্ভৱ হৈ থাকে, সেইক্ষেত্ৰত সচেতনতা গঢ়ি উঠা প্ৰয়োজন। বাঁহ, কাঠ আদিকে ধৰি বহুকেইবিধ সম্পদ মানুহৰ অত্যধিক ব্যৱহাৰৰ ফলত কমি যোৱাৰ বাবে বহুতো সমস্যাৰ সৃষ্টি হৈছে। হয়তো এনেবোৰ সম্পদ কমি গৈ গৈ এদিন নিঃশেষ হ'ব। সেয়েহে এনে সম্পদৰাজিৰ ভৱিষ্যৎ ব্যৱহাৰ আৰু দীৰ্ঘম্যাদী উন্নয়নৰ হকে যথাযথ সংৰক্ষণ কৰাটো গুৰুত্বপূৰ্ণ (চিত্ৰ ৫.৪)।



*চিত্ৰ ঃ ৫.৪ মাটি সম্ভাৱনাপূৰ্ণ প্ৰাকৃতিক সম্পদ। সাৰুৱা মাটি পৰিকল্পিতভাৱে ব্যৱহাৰ কৰিলে বৰ্তমানত অধিক উৎপাদন কৰাৰ লগতে ভৱিষ্যতলৈ এনে সম্পদে উন্নতিসাধনত সহায় কৰে।*

### ক্ৰিয়াকলাপ ঃ

- সম্পদৰ দীৰ্ঘম্যাদী উন্নয়ন কেনেদৰে সম্ভৱ চিন্তা কৰি লিখি উলিওৱা।

### মনত ৰাখিবলগীয়া কথা ঃ

- মানুহৰ প্ৰয়োজন পূৰাবলৈ কোনো উৎসৰপৰা যোগান ধৰিব পৰা দ্ৰব্য বা সামগ্ৰীসমূহেই সম্পদ।
- সকলো দ্ৰব্য বা সামগ্ৰীয়ে সম্পদ নহয়। মানুহৰ প্ৰয়োজন পূৰাব পৰা আৰু উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা দ্ৰব্য-সমগ্ৰীয়ে সম্পদ।
- সম্পদৰ প্ৰধানভাগ তিনিটা— প্ৰাকৃতিক, মানৱসম্পদ আৰু মানৱসৃষ্ট সম্পদ।
- প্ৰাচুৰ্য, উৎপত্তি, বিতৰণ আৰু উন্নয়নৰ ওপৰত ভিত্তি কৰি সম্পদসমূহৰ শ্ৰেণী বিভাজন কৰা হৈছে।
- ব্যক্তিৰ বুদ্ধিমত্তা, কৰ্মদক্ষতা আৰু কৌশল, উৎপাদন ক্ষমতা আৰু কৰ্মৰ আচৰণবিধি এখন দেশৰ মানৱে সৃষ্টি কৰা সম্পদৰ প্ৰধান কাৰক।
- প্ৰাকৃতিক সম্পদসমূহক ৰক্ষণাবেক্ষণ দিয়াটোৱে সম্পদৰ সংৰক্ষণ।
- উপযুক্তভাৱে সম্পদ সংৰক্ষণ কৰিবলৈ হ'লে কিছু নীতি-আচৰণবিধি মানি চলাটো প্ৰয়োজন।
- মানুহৰ জীৱনৰ প্ৰয়োজনীয়তাসমূহ বৰ্তমান আৰু ভৱিষ্যত উভয়তে পূৰণ কৰিব পৰা ব্যৱস্থাই হৈছে সম্পদৰ দীৰ্ঘম্যাদী উন্নয়ন।

## অনুশীলনী

১। সম্পদ বুলিলে কি বুজা? সম্পদৰ প্ৰধান ভাগ কেইটা আৰু কি কি লিখা।

২। 'মানব হৈছে শ্ৰেষ্ঠ জৈবিক সম্পদ।' যুক্তি দৰ্শাই লিখা (এশমান শব্দৰ ভিতৰত)।

৩। তুমি জনা প্ৰাকৃতিক সম্পদসমূহ কি কি? সেইবোৰৰ সংৰক্ষণ ব্যৱস্থা সম্পৰ্কে চমুকৈ লিখা।

৪। দীৰ্ঘম্যাদী উন্নয়ন বুলিলে কি বুজা? দীৰ্ঘম্যাদী উন্নয়ন কিয় প্ৰয়োজন লিখা।

৫। পাৰ্থক্য লিখি উলিওৱা

(ক) নবীকৰণক্ষম সম্পদ আৰু অ-নবীকৰণক্ষম সম্পদ

(খ) সৰ্বব্যাপী সম্পদ আৰু স্থানভিত্তিক সম্পদ

(গ) প্ৰকৃত সম্পদ আৰু সম্ভাৱনাপূৰ্ণ সম্পদ

৬। শুদ্ধ উত্তৰটোত ☑ চিন দিয়া—

(ক) সম্পদ হ'বলৈ হ'লে তলৰ কোনটো প্ৰাসংগিক নহয়?

(i) পৰিমাণ (ii) প্ৰয়োজন পূৰাব পৰা সামগ্ৰী (iii) ব্যৱহাৰৰ বাবে উপযোগী

(খ) তলৰ কোনটো মানৱসৃষ্ট সম্পদ নহয়?

(i) পৰ্বত-পাহাৰ (ii) থকা ঘৰ (iii) জলবিদ্যুৎ

৭। তোমাৰ বাসস্থানৰ চৌপাশে থকা প্ৰাণী আৰু উদ্ভিদবোৰৰ তালিকা প্ৰস্তুত কৰা আৰু সেইবোৰৰ সংৰক্ষণ কিয় প্ৰয়োজন লিপিবদ্ধ কৰা।

৮। তলৰ তালিকাখনৰ আলমত স্থানীয় সম্পদসমূহৰ সংৰক্ষণৰ পৰিকল্পনা কৰোঁ আহা

| সম্পদৰ উপাদানসমূহ | কেনেকৈ সংৰক্ষণ কৰিব | কাৰ সহায়ত বা সহযোগ লৈ কৰিব? | কি কামত আহিব? |
|---|---|---|---|
| ৰাজহুৱা পুখুৰী, বিল, জলাশয় আদি | | | |
| ঐতিহ্যমূলক সমল (নাম উল্লেখ কৰিব) | | | |
| ওচৰৰ পাহাৰ, নৈ | | | |
| স্থানীয় সাংস্কৃতিক সমল | | | |
| সৃষ্টিশীল কাম-কাজ (কামৰ উল্লেখ কৰিব) | | | |

# পাঠ ৪ ৬
# মানৱসৃষ্ট পৰিৱেশ আৰু মানৱ সম্পদ

2GZ9HY

**শিকনৰ ফলাফল ঃ**

- মানৱসৃষ্ট পৰিৱেশৰ অৰ্থ আৰু ইয়াৰ উপাদানবোৰৰ বিষয়ে বুজিব পাৰিব।
- সম্পদ হিচাপে মানুহ আৰু সম্পদ সৃষ্টিৰ কাৰক হিচাপে মানুহ, এই সম্পৰ্কে ধাৰণা হ'ব।
- অসমৰ জনসংখ্যা বিতৰণত ভূপ্ৰকৃতিৰ প্ৰভাৱ সম্পৰ্কে বুজিব পাৰিব।
- অসমৰ জলবায়ু আৰু কৃষি সম্পৰ্কে বুজিব পাৰিব।
- অসমত বানপানীৰ সৈতে সহাৱস্থানৰ প্ৰয়োজনীয়তাৰ বিষয়ে ধাৰণা হ'ব।

## মানৱসৃষ্ট পৰিৱেশ ঃ



চিত্ৰ ঃ ৬.১

সীমান্ত, নিবেদিতাহঁতৰ বিদ্যালয়ে গুৱাহাটীলৈ শিক্ষামূলক ভ্ৰমণৰ আয়োজন কৰিছে। তেওঁলোকৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকল লগ লাগি গুৱাহাটীলৈ যাত্ৰা কৰিছে। এটা সময়ত তেওঁলোক আহি শৰাইঘাট দলঙৰ উত্তৰ ফালে বাছৰপৰা নামিল। গগৈ ছাৰে ছাত্ৰ-ছাত্ৰীসকলক ক'লে — "আমাৰ সন্মুখত এয়া শৰাইঘাট দলং। ব্ৰহ্মপুত্ৰৰ ওপৰত এই দলংখন নিৰ্মাণ কৰাৰ আগতে মানুহে ফেৰী আৰু নাৱেৰে ইপাৰ সিপাৰ হৈছিল। কিন্তু বহুৰ আগতে এই ঠাইখন সেউজীয়া পাহাৰ আৰু পিতনিৰে ভৰা আছিল। এতিয়া ইয়াত পিতনি পুতি কিছুসংখ্যক ক্ষুদ্ৰ উদ্যোগ স্থাপন কৰিছে। কাষতে এয়া কামৰূপ গ্ৰাম্য জিলাৰ জিলাধিপতিৰ কাৰ্যালয় আৰু ক্ৰীড়া প্ৰকল্প। সমুখত সেয়া উত্তৰ-পূব সীমান্ত ৰে'লপথ, সৌটো বীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি। দক্ষিণপাৰত সৌৱা পাণ্ডু জাহাজ ঘাট। নাতিদূৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদ। সৌবোৰ গুৱাহাটী মহানগৰৰ ডাঙৰ ডাঙৰ অট্টালিকা। ইয়াৰ পাহাৰবোৰৰ মাটি বিভিন্ন কাৰ্যত ব্যৱহাৰ কৰা হৈছে। এই সকলোবোৰ মানুহৰ কাৰ্য। এই কাৰ্যবোৰে ইয়াত এটা সুকীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। মানুহে জ্ঞান, বুদ্ধি, কৌশল খটুৱাই এনেদৰে প্ৰাকৃতিক উপাদানসমূহ মানুহৰ প্ৰয়োজনীয় কামত ব্যৱহাৰ কৰে। এনে কাম-কাজে কোনো এখন ঠাইত মানুহৰ অনুকূলে যি এক সুকীয়া পৰিস্থিতি সৃষ্টি কৰে তাকেই সেই ঠাইখনৰ মানৱসৃষ্ট পৰিৱেশ বোলে।" (চিত্ৰ ৬.১)।

## মানৱসৃষ্ট পৰিৱেশৰ উপাদান ঃ

তোমালোকে আগৰ পাঠত পাই আহিছা যে প্ৰাকৃতিক পৰিৱেশৰ বিভিন্ন উপাদান যেনে — মাটি, পানী, গছ-গছনি আদিৰে কোনো এখন ঠাইত প্ৰাকৃতিক পৰিৱেশ একোটা সৃষ্টি হয়। মানৱসৃষ্ট পৰিৱেশো প্ৰাকৃতিক পৰিৱেশৰপৰা

আহৰণ কৰা উপাদানসমূহ ব্যৱহাৰ কৰি সৃষ্টি কৰা এটা পৰিৱেশ। আমাৰ চাৰিওফালে থকা ৰাস্তা-ঘাট, দলং, বাসগৃহ, উদ্যোগৰ লগতে পৰিয়াল, সামাজিক ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় আচৰণ, শিক্ষা-ব্যৱস্থা, ৰাজনৈতিক কাম-কাজবোৰো মানৱসৃষ্ট পৰিৱেশৰ উপাদান।

মানৱসৃষ্ট পৰিৱেশৰ উপাদানসমূহ সৃষ্টি কৰিবলৈ মানুহে প্ৰাকৃতিক পৰিৱেশৰ উপাদানসমূহ সংগ্ৰহ কৰিব লগা হয়। মানুহৰ এই কাৰ্যৰ ফলত একালে মানৱসৃষ্ট পৰিৱেশৰ উন্নয়ন হ'লেও প্ৰাকৃতিক উপাদানসমূহৰ অত্যধিক আহৰণে প্ৰকৃতিৰ স্বাভাৱিক অৱস্থাৰ ক্ষতিসাধন কৰে। এনেকৈয়ে পৰিৱেশ প্ৰদূষিত হ'বলৈ ধৰে। এই প্ৰদূষণে মানৱ সমাজক ক্ষতিগ্ৰস্ত কৰে। এনেধৰণৰ ক্ষতিৰ কেইটামান উদাহৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় তলত উল্লেখ কৰা হ'ল-

| ক্ষতি | প্ৰতিকাৰ |
|---|---|
| (১) মানৱসৃষ্ট উদ্যোগসমূহৰপৰা নিৰ্গত হোৱা বিষাক্ত ধোঁৱা, ৰাসায়নিক দ্ৰব্য আৰু পেলনীয়া বস্তু আদিয়ে বায়ু, পানী আৰু মাটি প্ৰদূষিত কৰে। | (১) পেলনীয়া সামগ্ৰীৰ উপযুক্ত নিষ্কাশণ ব্যৱস্থা কৰা আৰু উদ্যোগৰ আশে-পাশে পৰ্যাপ্ত পৰিমাণে বৃক্ষৰোপণ কৰা। |
| (২) বনাঞ্চল ধ্বংস কৰি ঘৰ, উদ্যোগ আদি নিৰ্মাণ কৰাৰ ফলত বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয় স্থল কমি যোৱাৰ উপৰি খাদ্যৰ অভাৱত জনবহুল অঞ্চলত বনৰীয়া জীৱ-জন্তুৱে মুক্ত বিচৰণ কৰি মানুহৰ প্ৰতি ভাবুকিৰ লগতে সম্পত্তি ধ্বংস কৰে। | (২) বনাঞ্চল সংৰক্ষণৰ ব্যৱস্থা কৰা। |
| (৩) যথে-মধে পাহাৰৰ মাটি কাটি ঘৰ নিৰ্মাণ কৰাৰ ফলত কৃত্ৰিম বানপানী, ভূমিস্খলন আদিৰ বাবে মানুহৰ প্ৰাণ হানি আৰু সা-সম্পত্তি ক্ষতি সাধন হয়। | (৩) পাহাৰৰ মাটি কটা বন্ধ কৰা। |
| (৪) ব্যক্তিগত যান-বাহনৰ অত্যধিক ব্যৱহাৰে বায়ু প্ৰদূষণ ঘটায়। | (৪) পাৰ্যমানে ৰাজহুৱা যাতায়াত ব্যৱস্থা যেনে- ৰে'ল, বাছ আদিত ভ্ৰমণ কৰা আৰু প্ৰদূষণমুক্ত যাতায়াত যেনে- চাইকেল, ইলেকট্ৰিক গাড়ী আদিৰ ব্যৱহাৰ কৰা। |
| (৫) প্লাষ্টিক যথে-মধে পেলালে মাটি প্ৰদূষিত হয়, জলজ প্ৰাণীবোৰৰ ক্ষতি সাধন হয়, নলা-নৰ্দমা বন্ধ হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি হয়। প্লাষ্টিক জ্বলোৱাৰ ফলত বায়ু প্ৰদূষিত হয়। | (৫) প্লাষ্টিক ব্যৱহাৰ হ্ৰাস কৰি তাৰ পৰিৱৰ্তে জৈৱিকভাৱে পচন যোগ্য সামগ্ৰী ব্যৱহাৰ কৰা। |
| (৬) পেলনীয়া জাবৰ-জোঁথৰে উপযুক্ত ব্যৱস্থাপনাৰ অভাৱত পৰিৱেশৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। | (৬) পচনযোগ্য আৰু পচন নথটা পেলনীয়া বস্তুৰ পৃথকীকৰণ কৰি পুণৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা। |
| (৭) ব্যাপকভাৱে গছ-গছনি কাটি পকী ৰাস্তা,উদ্যোগ, ঘৰ, নগৰ নিৰ্মাণৰ ফলত পৰিৱেশৰ ভাৰসাম্য নোহোৱা হৈ পৰিছে। | (৭) বৃক্ষৰোপণ আৰু বৃক্ষ সংৰক্ষণ কৰা। |
| (৮) কৃষিকাৰ্যত ব্যৱহাৰ কৰা ৰাসায়নিক সাৰ আৰু কীটনাশক দ্ৰব্যই মাছ, পোক-পৰুৱা, বেং , চৰাই আদিৰ অন্যায় কৰাৰ ফলস্বৰূপে জীৱ-জগতৰ ব্যাপক ক্ষতি সাধন হয়। | (৮) জৈৱিক পদ্ধতিৰে কৃষিকাৰ্য কৰা। |
| (৯) বিল, জলাশয় আদি পুতি পেলোৱাৰ ফলত মূলতঃ প্ৰাকৃতিক জলসংযোগ ব্যৱস্থাটো ব্যাহত হয়। | (৯) বিল, খাল আদিৰ উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰা। |
| (১০) বৃহৎ নদীবান্ধৰ ফলত নদীৰ প্ৰাকৃতিক গতি ধ্বংস হয়, গৰাখহনীয়াৰ সৃষ্টি হয়, বানপানী হয়। | (১০) বিকল্প হিচাপে সৌৰশক্তিৰ ব্যৱস্থা কৰা আৰু নদীৰ পাৰে পাৰে বৃক্ষৰোপন কৰি পৰিৱেশ সুৰক্ষিত কৰা। |
| (১১) উৎসৱত ফটকা ফুটোৱাৰ ফলত মানুহৰ ক্ষতি হোৱাৰ লগতে চৰাই-চিৰিকটি, জীৱ-জন্তু আদিও ক্ষতিগ্ৰস্ত হয়। | (১১) শব্দ প্ৰদূষণ হ'ব পৰা কাৰ্যৰ পৰা বিৰত থকা। |

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ নিজৰ গাঁও বা নগৰত যোৱা পাঁচ বছৰৰ ভিতৰত পৰিৱেশত কি কি পৰিবৰ্তন ঘটা দেখিছা তাৰ এখন তালিকা প্ৰস্তুত কৰা।

| মানৱসৃষ্ট পৰিৱেশত সংঘটিত পৰিৱৰ্তন | প্ৰাকৃতিক পৰিৱেশত সংঘটিত পৰিৱৰ্তন |
|---|---|
| ১। | ১। |
| ২। | ২। |
| ৩। | ৩। |

## মানৱ সম্পদ ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে মানুহৰ উপকাৰ সাধন কৰিব পৰা আৰু আৰ্থিক মূল্য থকা দ্ৰব্যসমূহ হৈছে **সম্পদ**। মানুহেও সমাজৰ কল্যাণৰ হকে কৰা কামৰ আৰ্থিক মূল্য আছে। এই হিচাপে মানুহো সম্পদ। যিসকল ব্যক্তি শাৰীৰিক আৰু মানসিকভাৱে কোনো উৎপাদনমুখী কাম কৰি সমাজৰ বিকাশত অৰিহণা আগবঢ়াবলৈ সক্ষম সেইসকল ব্যক্তি **মানৱ সম্পদ**। মানুহে নিজৰ জ্ঞান-বুদ্ধিৰ জৰিয়তে নতুন নতুন আৱিষ্কাৰ কৰি আহিছে আৰু প্ৰাকৃতিক পৰিৱেশৰপৰা আহৰণ কৰা বিভিন্ন উপাদানবোৰ ব্যৱহাৰৰ উপযোগী কৰি তুলিছে। এই গুণৰ বাবেই আন সকলো সম্পদৰ তুলনাত মানুহ হৈছে **শ্ৰেষ্ঠ সম্পদ**।

**ক্ৰিয়াকলাপ ঃ**

- কোনসকল ব্যক্তিক মানৱ সম্পদ বুলি বিবেচনা কৰা হয় দলত আলোচনা কৰি লিখা।

## সমাজৰ উন্নয়নত মানৱ সম্পদৰ ভূমিকা ঃ

মানুহৰ বিভিন্ন কাম-কাজে মানৱ সভ্যতাৰ উত্তৰণ ঘটাইছে। মানুহে উদ্ভাৱন কৰা বিভিন্ন সা-সামগ্ৰীয়ে আমাৰ জীৱন-ধাৰণৰ মান উন্নত কৰি তুলিছে। তোমালোকে নিজৰ ঘৰত ব্যৱহাৰ কৰা ৰন্ধন গেছ, বিজুলী, টিভি, ম'বাইল ফোন, কুকাৰ আদিৰ সুবিধাৰ বিষয়ে ভাবি চোৱাচোন? ছপাযন্ত্ৰ, কম্পিউটাৰ, কৃত্ৰিম উপগ্ৰহ আদিৰ উদ্ভাৱনে আমাৰ সভ্যতাক দ্ৰুত গতিত আগবঢ়াই নিছে। পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে গোটেই পৃথিৱীখনকে আজি এখন বিশাল গোলকীয় গাঁৱলৈ পৰ্যবসিত কৰিছে। মানৱ সম্পদত চহকী দেশ স্বাভাৱিকতে উন্নত। উদাহৰণ হিচাপে জাপানৰ কথাকে ক'ব পাৰি। প্ৰাকৃতিক সম্পদত জাপান বেছি চহকী নহয়। কিন্তু জাপানত কাৰিকৰী দিশত পাৰ্গত আৰু উচ্চ শিক্ষিত লোকৰ অভাৱ নাই। এই লোকসকল সেই দেশৰ মানৱ সম্পদ। অন্য দেশৰপৰা আমদানি কৰা কেঁচা সামগ্ৰী ব্যৱহাৰ কৰি ইয়াৰ মানৱ সম্পদে জাপানক পৃথিৱীৰ ভিতৰতে এখন উদ্যোগ প্ৰধান ধনী দেশত পৰিণত কৰিছে।

## মানৱ সম্পদৰ উন্নয়ন ঃ

দেশৰ নাগৰিকসকলক উন্নত মানৰ জীৱন নিৰ্বাহৰ কাৰণে প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰি মানৱ সম্পদৰ উন্নয়ন কৰা হয়। ইয়াৰ উপৰি, তলত উল্লেখ কৰা ধৰণে আৰ্থ-সামাজিক দিশসমূহত গুৰুত্ব প্ৰদানেৰে মানৱ সম্পদ উন্নয়ন কৰিব পাৰি। আৰ্থ-সামাজিক দিশবোৰ হৈছে—

**জনসংখ্যা ঃ** জনসংখ্যা বৃদ্ধি হোৱা মানে মানৱ সম্পদ বৃদ্ধি হোৱাটো নুবুজায়। দেশৰ বৰ্ধিত জনসংখ্যাক উৎপাদনমুখী কামৰ কাৰণে যোগ্য কৰি তুলিব পাৰিলেহে মানৱ সম্পদৰ উন্নতি ঘটে।

**খাদ্য ঃ** শাৰীৰিক আৰু মানসিকভাৱে শ্ৰম কৰিব পৰাকৈ সুস্বাস্থ্যৰ অধিকাৰী হোৱাটো দৰকাৰ। ইয়াৰ বাবে নাগৰিকসকলৰ বাবে সুষম আহাৰৰ ব্যৱস্থা কৰাটো নিত্যান্তই প্ৰয়োজনীয়।

**বাসস্থান ঃ** স্বাস্থ্যসন্মত বাসস্থানৰ লগতে চৌপাশৰ পৰিৱেশ পৰিষ্কাৰ-পৰিচ্ছন্নকৈ ৰখাৰ ব্যৱস্থা কৰাটো প্ৰয়োজনীয়।

**শিক্ষা ঃ** যি শিক্ষাই বাস্তৱ জীৱনত সন্মুখীন হোৱা সমস্যাবোৰ সমাধান কৰাত সহায় কৰে তেনে ধৰণৰ গুণগত শিক্ষাৰ ব্যৱস্থা কৰা। বৃত্তিমূলক শিক্ষাৰ জৰিয়তে আত্মনিৰ্ভৰশীল কৰি তোলা আৰু পৰিচালন শিক্ষাৰ জৰিয়তে দক্ষতা বৃদ্ধিৰ ব্যৱস্থা কৰা।

**কৰ্মসংস্থান ঃ** কৰ্মসংস্থানৰ সুবিধা দিয়াৰ জৰিয়তে উৎপাদনমুখী কাৰ্যত জড়িত কৰাৰ ব্যৱস্থা কৰা। নিবনুৱা সমস্যা ৰোধ কৰা।

**জনস্বাস্থ্য ঃ** দেশৰ সকলো ব্যক্তিক সু-স্বাস্থ্যবান কৰি ৰাখিবলৈ পুষ্টিকৰ খাদ্য, চিকিৎসা সেৱাৰ প্ৰসাৰ, বিশুদ্ধ খোৱা পানীৰ যোগান, নিয়মিত যোগ-প্ৰাণায়াম আৰু ব্যায়ামৰ ব্যৱস্থা কৰা।

দেশত গুণগত আৰু পৰিমাণগত হিচাপত মানৱ সম্পদ থাকিলে, সেই দেশ মানৱ সম্পদত আত্মনিৰ্ভৰশীল হৈ উঠে। বৰ্তমান আমাৰ দেশত মানৱ সম্পদ উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। দেশৰ কেন্দ্ৰীয় চৰকাৰে গঠন কৰা 'শিক্ষা মন্ত্ৰণালয়'য়ে এই বিষয়টো চোৱা-চিতা কৰে। মানৱ সম্পদ উন্নয়নৰ কাৰণে চৰকাৰে কেতবোৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই লক্ষ্যসমূহ হৈছে—

- মুঠ ৰাষ্ট্ৰীয় আয় বৃদ্ধি কৰা।
- দৰিদ্ৰতাৰ অনুপাত হ্ৰাস কৰা।
- নিয়োগ বৃদ্ধিৰ ব্যৱস্থা কৰা।
- ল'ৰা-ছোৱালীৰ বাবে গুণগত প্ৰাথমিক শিক্ষা নিশ্চিত কৰা।
- দেশত জনসংখ্যা বৃদ্ধিৰ হাৰ হ্ৰাস কৰা।
- সাক্ষৰতা, আয় আৰু সামাজিক ন্যায়ৰ বেলিকা লিংগ বৈষম্য দূৰ কৰা।
- শিশু আৰু মাতৃৰ অকাল মৃত্যুৰ হাৰ হ্ৰাস কৰা।
- বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰা।
- স্বাস্থ্যকৰ পৰিৱেশ আৰু দুখীয়া শ্ৰেণীৰ বাবে বাসগৃহৰ ব্যৱস্থা কৰা।

এই লক্ষ্যসমূহৰ ৰূপায়ণৰ যোগেদি দেশৰ ব্যক্তিক মানৱ সম্পদলৈ উন্নীত কৰিব পাৰি।

কল্যাণকামী কেতবোৰ অনুষ্ঠান-প্ৰতিষ্ঠানেও মানৱ সম্পদ উন্নয়নত অৰিহণা যোগাই আহিছে। সেইসমূহৰ ভিতৰত বেংক, উত্তৰ-পূব পৰিষদ, উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম, আত্মসহায়ক **গোট** আদি উল্লেখযোগ্য।

**ক্ৰিয়াকলাপ ঃ**

- আন সম্পদৰ তুলনাত মানৱ সম্পদক শ্ৰেষ্ঠ সম্পদ বুলি কোৱা হয়— ইয়াৰ সমৰ্থনত দুটা যুক্তি আগবঢ়োৱা।
- মানৱ সম্পদৰ উন্নয়নৰ কাৰণে ল'ব পৰা তিনিটা ব্যৱস্থা উল্লেখ কৰা।

## অসমৰ জনসংখ্যাৰ বিতৰণত ভূপ্ৰকৃতিৰ প্ৰভাৱ ঃ

ঠাই এখনৰ ভূপ্ৰাকৃতিক গঠনে মানুহৰ বসতি বিস্তাৰৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলায়। সেইবাবেই সমতল আৰু পাহাৰীয়া ভূপ্ৰকৃতিৰ ভিন্ন অঞ্চলত ইয়াৰ স্পষ্ট ৰূপ চকুত পৰে। নদী উপত্যকা অথবা পাহাৰীয়া অঞ্চলত জনবসতিৰ বিতৰণ কেনেকুৱা ধৰণৰ তোমালোকে কেতিয়াবা লক্ষ্য কৰিছানে?

অসমত **নদী উপত্যকাৰ সমভূমি** আৰু **পাহাৰীয়া ভূখণ্ড** হিচাপে দুটা সুকীয়া ভূপ্ৰাকৃতিক অঞ্চল আছে।

## অসমৰ নদী উপত্যকাৰ ভূপ্ৰকৃতিঃ

ব্ৰহ্মপুত্ৰ নদী, বৰাক নদী আৰু ইয়াৰ উপনৈৰে গঠিত উপত্যকা অঞ্চলৰ ভূ-প্ৰকৃতি প্ৰায় একে। এই দুয়োটা উপত্যকা নদীৰ পলসুৱা মাটিৰে গঠিত আৰু কৃষি কাৰ্যৰ উপযোগী। ইয়াত মানুহৰ মুখ্য জীৱিকা কৃষি। এই অঞ্চলত পৰিৱহণ ব্যৱস্থা উন্নত। ঠায়ে ঠায়ে কিছুসংখ্যক শিল্প-উদ্যোগ গঢ়ি উঠিছে। পৰিবহণৰ সুবিধাৰ কাৰণে ব্যৱসায় বাণিজ্যৰো প্ৰসাৰ ঘটিছে। এই অঞ্চলত ৰাজ্যৰ নগৰ, মহানগৰসমূহো অৱস্থিত। ইয়াত মানুহৰ জীৱন-ধাৰণৰ প্ৰণালী সুবিধাজনক হোৱা কাৰণে জনবসতি অতি ঘন।

> **জানি থওঁ আহা ঃ**
> পৃথিবীৰ ঘন বসতিপূৰ্ণ কেতবোৰ নদী উপত্যকা ঃ ভাৰতৰ সিন্ধু-গংগা-ব্ৰহ্মপুত্ৰ; ইউৰোপৰ-ৰাইন, এলব, ডানিয়ুব; আমেৰিকা যুক্তৰাষ্ট্ৰৰ মিছিছিপি; ইজিপ্তৰ নীল; বাংলাদেশৰ পদ্মা; চীনৰ হোৱাংহো, ইয়াংচিকিয়াং; ম্যানমাৰৰ ইৰাৱতী নদীৰ উপত্যকা। মানচিত্ৰত নদীসমূহৰ অৱস্থান চাই ল'বা।

## অসমৰ পাহাৰীয়া ভূপ্ৰকৃতিঃ

পাহাৰীয়া অঞ্চল সাধাৰণতে ওখোৰা-মোখোৰা, শিলাময় আৰু গছ-গছনিৰে পৰিপূৰ্ণ। তোমালোকে পাহাৰবোৰৰ এই অৱস্থাতো নিশ্চয় দেখিবলৈ পাইছা। অসমৰ কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলা তিনিখন পাহাৰীয়া ভূপ্ৰকৃতিৰ। ইয়াৰে উত্তৰ কাছাৰ পাৰ্বত্য জিলাখন বৰ্তমান ডিমা হাচাও নামেৰে নামকৰণ কৰা হৈছে। ডিমা হাচাওত বৰাইল পৰ্বতমালা আৰু কাৰ্বি আংলং জিলাত ভালেমান পাহাৰ অৱস্থিত। দুয়োখন জিলাতে পাহাৰীয়া ওখ-চাপৰ ভূপ্ৰকৃতিৰ বাবে পৰিবহণ ব্যৱস্থা সকলোতে সুগম নহয়। ব্যৱসায়, বাণিজ্য, যাতায়াত, কৃষিকাৰ্য, উদ্যোগ আদি দিশসমূহ তুলনামূলকভাৱে পিছ পৰা। ইয়াত বাস কৰা জনজাতীয় লোকসকলে **ঝুম কৃষি প্ৰথা** অৱলম্বন কৰে। এই অঞ্চলৰ মানুহৰ জীৱন-ধাৰণৰ প্ৰণালী কষ্টকৰ। ভূপ্ৰাকৃতিক কাৰকসমূহৰ প্ৰভাৱৰ কাৰণে ইয়াত জনসংখ্যা কম আৰু ঘনত্বও পাতল।

**ক্ৰিয়া-কলাপ ঃ**

**তালিকা পূৰাওঁ আহা ঃ উন্নত/অনুন্নত ব্যৱহাৰ কৰিবা; জনবসতিত ঘন/পাতল ব্যৱহাৰ কৰিবা।**

| ভূপ্ৰাকৃতিক অঞ্চল | যাতায়াত ব্যৱস্থা | উদ্যোগ | ব্যৱসায় | কৃষি | জনবসতি |
|---|---|---|---|---|---|
| নদী উপত্যকা অঞ্চল | | | | | |
| পাহাৰীয়া অঞ্চল | | | | | |

## অসমৰ জলবায়ু আৰু কৃষি ঃ

অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাটি পলসুৱা। মৌচুমী জলবায়ুৰ প্ৰভাৱত ইয়াত যথেষ্ট বৃষ্টিপাত হয় বাবে কৃষিৰ কাৰণে উপযোগী। ইয়াত বসবাস কৰা লোকসকলৰ বেছি সংখ্যকৰে জীৱিকাৰ প্ৰধান উপায় কৃষি

অসমৰ কৃষি উৎপাদিত শস্যসমূহক তিনিটা ভাগত ভগাব পাৰি। যেনে — **খাৰিফ, ৰবি আৰু জায়দ।** খাৰিফ শস্যৰ খেতি এপ্ৰিল-মে' মাহত আৰম্ভ কৰি নৱেম্বৰ-ডিচেম্বৰৰ ভিতৰত চপোৱা হয়। ই ঘাইকৈ বাৰিষা

কালৰ খেতি। শালি ধান, মৰাপাট, কুঁহিয়াৰ আদি **খাৰিফ** শস্যৰ প্ৰকাৰ।

কিছুমান খেতি শীতকালত আৰম্ভ কৰি জহকালিৰ আৰম্ভণিৰ ভাগত চপোৱা হয়। এই বিধৰ শস্যক **ৰবি শস্য** বোলা হয়। আহুধান, বৰোধান, সৰিয়হ, মাহ, তিল, ধপাত, ঘেঁহু, মাকৈ নানা ধৰণৰ শাক-পাচলি ৰবি শস্যৰ ভিতৰত পৰে।

আকৌ, কিছুমান শস্যৰ খেতি এপ্ৰিল আৰু জুন মাহৰ ভিতৰত অৰ্থাৎ গ্ৰীষ্মকালৰ সময়চোৱাত কৰা হয়। এইবোৰক জায়দ শস্য বোলা হয় যেনে- তিয়ঁহ, তৰমুজ, জিকা, ভোল, কোমোৰা, মাকৈ আদি। এই তিনিবিধ কৃষি কাৰ্য গোটেই ৰাজ্যতে কৰা হয়।

**জানি লওঁ আহা ঃ**

এপ্ৰিল আৰু জুন মাহৰ সময়খিনিত জলবায়ু শুকান হয় আৰু উষ্ণতা ক্ৰমশঃ বাঢ়িবলৈ ধৰে। কৃষিকাৰ্যৰ এই চুটি ঋতুটোক **জায়দ (Zaid)** বোলে।

অসমত এইবিলাক খেতিৰ লগতে আলু, মূলা, কবি, লাও, বেঙেনা, আদা, আম, কঠাল, আনাৰস, নাৰিকল, অমিতা, তামোল, পাণ, কল আদিও উৎপাদন হয়। এইবোৰ কৃষি শৃংখলাবদ্ধ ৰূপত গঢ় লোৱা নাই।

**ক্ৰিয়াকলাপ ঃ**

**তালিকাখন পুৰাও আহা—**

| উৎপাদিত শস্য | শস্যৰ নাম |
|---|---|
| ৰবি শস্য | |
| খাৰিফ শস্য | |
| জায়দ শস্য | |

আমাৰ কৃষি ব্যৱস্থা ঘাইকৈ জনমূৰি সীমিত মাটি, বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীলতা, পৰম্পৰাগত কৃষি প্ৰণালী আৰু বানপানীৰ প্ৰভাৱ আদি কাৰণত এতিয়াও সকলোতে বাণিজ্যিক ভিত্তিত গঢ় লৈ উঠা নাই।

## বানপানীৰ সৈতে সহাৱস্থান ঃ

ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহেৰে অসম পৰিপূৰ্ণ। বাৰিষাকালত দক্ষিণ-পশ্চিম মৌচুমীৰ প্ৰভাৱত ইয়াত প্ৰচুৰ বৃষ্টিপাত হয়। এই সময়ছোৱাত অসমৰ বিভিন্ন স্থানত এক বা ততোধিকবাৰ বানপানী হোৱাটো এটা স্বাভাৱিক পৰিঘটনা। তোমালোকে অসমৰ বানপানীৰ ৰূপটো নিশ্চয় দেখিবলৈ পাইছা। অসমত বানপানী হোৱাৰ কেতবোৰ কাৰণ জানি লওঁ আহা—

— অসমৰ নদীসমূহে পাহাৰীয়া অঞ্চলৰপৰা খনন কৰি অনা মাটি, শিল, বালিবোৰ কঢ়িয়াই আনি সমভূমি অঞ্চলত কৰে। ইয়াৰ ফলত নদীৰ বহন ক্ষমতা হ্ৰাস পায় বাবে বানপানীৰ সৃষ্টি হয়।

— ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উত্তৰ পাৰে থকা উপনৈসমূহে বাৰিষা বৰষুণৰ পানীৰ উপৰি হিমালয়ৰ বৰফ গলা অতিৰিক্ত পানী বহন কৰে, যাৰ বাবে দুয়ো পাৰ উপচি পৰি বানপানীৰ সৃষ্টি হয়।

— ১৯৫০ চনৰ বৰভুইকঁপৰ ফলত ব্ৰহ্মপুত্ৰৰ তলি ওফন্দি উঠা বাবে প্ৰত্যেক বছৰে অসমত বান পানী হোৱা দেখা যায়।

অসমৰ বহুতো মানুহ বান অধ্যুষিত অঞ্চলত বসবাস কৰে। এইসকল লোক বানপানীৰ দ্বাৰা সহজে ক্ষতিগ্ৰস্ত হয়। বানপানীয়ে পৰিৱেশ আৰু মানুহৰ বিত্তৰ ক্ষতিসাধন কৰে যদিও ইয়াৰ ইতিবাচক দিশো নথকা নহয়।

**ক্ৰিয়াকলাপ ঃ**

- বানপানীৰ দ্বাৰা কি কি ক্ষতি হয় তোমালোকে তালিকাখনৰ যথাস্থানত লিখা —

| বানপানীৰ ফলত হোৱা ক্ষয়-ক্ষতি | কেনে ধৰণৰ ক্ষয়-ক্ষতি হয়— |
|---|---|
| পৰিৱেশৰ ওপৰত হোৱা ক্ষয়-ক্ষতি | |
| মানুহৰ ক্ষেত্ৰত হোৱা ক্ষয়-ক্ষতি | |

অসমত বানপানীৰ সমস্যাটো কিছু পৰিমানে নিয়ন্ত্ৰণ কৰিব পাৰিলেও স্থায়ী সমাধান এতিয়াও সম্ভৱ হৈ উঠা নাই। বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰী আঁচনিসমূহ কাৰ্যকৰী কৰাৰ বাবে 'ব্ৰহ্মপুত্ৰবৰ্ড' নামৰ এটি প্ৰতিষ্ঠান আছে। বানাক্ৰান্ত অঞ্চলৰ বাসিন্দা সকলে বানপানীৰ সৈতে সহাবস্থানৰ ব্যৱস্থা ল'লে ক্ষয়-ক্ষতি বহু পৰিমানে হ্ৰাস হ'ব। ইয়াৰ বাবে অৱলম্বন কৰিব পৰা কেতবোৰ ব্যৱস্থা তলত উল্লেখ কৰা হ'ল—



চিত্ৰ ঃ ৫.২ বানপানীৰ সৈতে সহাবস্থান

— বানাক্ৰান্ত অঞ্চলত বানপানী নোহোৱা সময়ত কৰিব পৰা কৃষিৰ ওপৰত গুৰুত্ব দিয়া।

— ওখ স্থানত বাসগৃহ নিৰ্মাণ কৰি সা-সম্পত্তি সুৰক্ষিত কৰাৰ ব্যৱস্থা কৰা। বানপানীৰ সময়ত মানুহ আৰু পোহনীয়া জীৱ-জন্তুৰে সৈতে ওখ সুৰক্ষিত স্থানত গৈ অস্থায়ীভাৱে আশ্ৰয় গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা।

— পোহনীয়া জীৱ-জন্তু আৰু মানুহৰ খাদ্য সামগ্ৰী বানপানীত ডুব নোযোৱাকৈ ওখ চাংঘৰ সাঁজি তাত ৰখাৰ ব্যৱস্থা কৰা।

— বানপানীৰ সময়ত ব্যৱহাৰ কৰিবৰ কাৰণে পৰিষ্কাৰ পানীৰ সু-ব্যৱস্থা ৰখা।

— বানপানী হোৱাৰ আগতে প্ৰয়োজনীয় ঔষধ, খাদ্য সামগ্ৰী, অস্থায়ী গৃহ নিৰ্মাণৰ সামগ্ৰী, বীজাণুনাশক দ্ৰব্য মজুত কৰি ৰখা।

— ব্যৱহাৰৰ কাৰণে ব্যক্তিগতভাৱে নাওঁ বা ভুৰ ৰখা।

— কৰ্তৃপক্ষৰ নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ ৰখা।

— বানপানীৰ সম্ভাব্য বিপদৰ পৰা হাত সাৰিবৰ বাবে সাঁতুৰিবলৈ শিকা।

— বিভিন্ন প্ৰচাৰ মাধ্যমযোগে প্ৰচাৰিত বতৰৰ বাতৰি সম্পৰ্কে প্ৰয়োজনীয় খবৰ ৰখা।

**ক্ৰিয়াকলাপ ঃ**

- বানপানীয়ে ক্ষয়-ক্ষতি কৰাৰ উপৰি কিবা প্ৰকাৰে আমাৰ উপকাৰ সাধন কৰেনে? বানপানীৰ উপকাৰৰ দুটা উদাহৰণ দিয়া।
- বানপানী অহাৰ আগত, বানপানী হৈ থকাৰ সময়ত, বানপানী হৈ যোৱাৰ পাছত ল'ব লগা সাৱধানতাবোৰৰ প্ৰত্যেকৰে দুটাকৈ উদাহৰণ দিয়া।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৰিৱেশক দুটা ভাগত ভাগ কৰা হয়— প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশ।
- প্ৰাকৃতিক পৰিৱেশৰপৰা আহৰণ কৰা উপাদানসমূহেৰে মানুহে নিৰ্মাণ কৰা বাসগৃহ, উদ্যোগ, ৰাস্তা-ঘাট, গাড়ী-মটৰ, নগৰ-চহৰ আদি মানৱ সৃষ্টপৰিৱেশৰ উপাদান।

- পৰিয়াল, সামাজিক ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় আচৰণ, ৰাজনীতিৰ কাম-কাজ, শিক্ষা ব্যৱস্থা আদিও মানৱ সৃষ্ট পৰিৱেশৰ উপাদান।

- কোনো এখন ঠাইত নিৰ্মাণ কৰা বাসগৃহ, ৰাস্তা-ঘাট, পৰিবহণ ব্যৱস্থা, উদ্যোগ আৰু মানুহ, পৰিয়াল, মানুহৰ সামাজিক ৰীতি-নীতি, কৃষ্টি-সংস্কৃতি, ধৰ্মীয় আচৰণ, ৰাজনীতিৰ কাম-কাজ, শিক্ষা ব্যৱস্থা আদিয়ে যি এক সুকীয়া বাতাবৰণ গঢ় দিয়ে তাকেই ঠাইখনৰ মানৱসৃষ্ট পৰিৱেশ বোলে।

- শাৰীৰিক আৰু মানসিকভাৱে উৎপাদনমুখী কাম কৰিবলৈ সক্ষম ব্যক্তিসকল মানৱ সম্পদ।

- মানুহ জ্ঞান, বুদ্ধি, কাৰিকৰী কুশলতাৰ অধিকাৰী। আন সম্পদসমূহো মানুহে বিকশিত কৰিছে। মানুহ সেইবাবে সকলো সম্পদৰ তুলনাত শ্ৰেষ্ঠ সম্পদ।

- ভাৰত চৰকাৰৰ 'শিক্ষা মন্ত্ৰণালয়' য়ে দেশৰ মানৱ সম্পদ উন্নয়নৰ দিশটো চোৱা-চিতা কৰে।

- ভূপ্ৰকৃতিৰ ভিত্তিত আমাৰ ৰাজ্যখনক দুটা সুকীয়া ভূখণ্ডত বিভাজন কৰিব পাৰি—

  (ক) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী উপত্যকাৰ সমভূমি অঞ্চল।

  (খ) পাহাৰীয়া অঞ্চল(ইয়াত ডিমা হাচাও, কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলা তিনিখন অন্তৰ্ভুক্ত)।

- নদী-উপত্যকা অঞ্চলত জনবসতি ঘন আৰু পাহাৰীয়া অঞ্চলত জনবসতি সেৰেঙা আৰু জনবসতিৰ ঘনত্বও কম।

- বানপানীৰ সৈতে সহাৱস্থানৰ উপায় অৱলম্বন কৰি চলিলে বহুতো ক্ষয়-ক্ষতিৰ পৰা হাত সাৰি থাকিব পাৰি।

- অসমৰ কৃষি উৎপাদিত শস্যক তিনিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— খাৰিফ, ৰবি আৰু জায়দ।

## অনুশীলনী

১। কেৱল উত্তৰ লিখা—

(ক) পৰিৱেশক ঘাইকৈ কেইটা ভাগত ভগাব পাৰি?

(খ) মানুহৰ উপকাৰত অহা আৰু আৰ্থিক মূল্য থকা বস্তুবোৰক কি বোলে?

(গ) ভাৰত চৰকাৰৰ কোনটো মন্ত্ৰণালয়ে দেশৰ মানৱ সম্পদ উন্নয়নৰ দিশটো চোৱা-চিতা কৰে।

(ঘ) ভূপ্ৰকৃতিৰ ভিত্তিত অসমক কেইটা ভাগত ভগোৱা হৈছে?

(ঙ) উত্তৰ কাছাৰ পাৰ্বত্য জিলাখনক বৰ্তমান কি নামেৰে জনা যায়?

২। খালী ঠাই পূৰ কৰা—

(ক) শাৰীৰিক আৰু মানসিকভাৱে কাম কৰিবলৈ সক্ষম ব্যক্তিক ________ সম্পদ বোলে।

(খ) আন সকলো সম্পদৰ তুলনাত মানৱ সম্পদ ________ সম্পদ।

(গ) অসম দক্ষিণ ________ মৌচুমী জলবায়ুৰ গতি পথত অৱস্থিত।

(ঘ) অসমৰ কৃষি উৎপাদিত শস্যক ________ প্ৰধান ভাগত ভাগ কৰিব পাৰি।

৩। শুদ্ধ উত্তৰটো বাছি লিখা —

(ক) মানৱসৃষ্ট পৰিৱেশৰ উপাদান এটা হ'ল গছ-গছনি/বাসগৃহ।

(খ) জাপান পৃথিৱীৰ ভিতৰতে এখন উল্লেখযোগ্য উদ্যোগ প্ৰধান / কৃষি প্ৰধান দেশ।

(গ) অসমৰ নদী উপত্যকা অঞ্চলৰ বাসিন্দাসকলৰ মুখ্য জীৱিকা চাকৰি/ কৃষি।

(ঘ) পাহাৰীয়া অঞ্চলত জনবসতি ঘন/সেৰেঙা।

(ঙ) কাৰ্বি আংলং/উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বৰ্তমান নাম ডিমা-হাছাও।

৪। শুদ্ধ-অশুদ্ধ লিখা—

(ক) মানৱসৃষ্ট পৰিৱেশক কৃত্ৰিম পৰিৱেশ হিচাপেও জনা যায়।

(খ) প্ৰাকৃতিক পৰিৱেশৰ উপাদানসমূহ ব্যৱহাৰ কৰি মানৱ সৃষ্ট পৰিৱেশৰ উপাদান সমূহ সৃষ্টি কৰা হয়।

(গ) মানৱসৃষ্ট পৰিৱেশ পৰিৱৰ্তনশীল।

(ঘ) শাৰীৰিক আৰু মানসিকভাৱে উৎপাদনমুখী কাম কৰিবলৈ সক্ষম ব্যক্তিসকল মানৱ সম্পদ।

(ঙ) ভূপ্ৰকৃতিৰ ভিত্তিত অসমক দুটা সুকীয়া ভূখণ্ডত বিভক্ত কৰিব পাৰি।

৫। চমু উত্তৰ লিখা — (৪০টা মান শব্দৰ ভিতৰত)

(ক) সমাজ উন্নয়নত মানৱ সম্পদৰ ভূমিকা।

(খ) অসমৰ জনবসতি বিস্তাৰৰ ওপৰত নদী উপত্যকাৰ সমভূমিৰ প্ৰভাৱ।

৬। বহলাই লিখা— (৮০টা মান শব্দৰ ভিতৰত)

(ক) মানৱসৃষ্ট পৰিৱেশ কাক বোলে আৰু ইয়াৰ উপাদান সমূহ কি কি? এই পৰিৱেশ গঢ় দিয়াত মানুহৰ ভূমিকা সম্পৰ্কে লিখা।

(খ) কি কি কাৰণত অসমত বানপানী হয়? বানপানীৰ সৈতে সহাৱস্থান কৰাৰ বাস্তৱসম্মত যুক্তি দি দুটা ব্যৱস্থাৰ কথা উল্লেখ কৰা।

# পাঠ ঃ ৭
# অসমৰ সম্পদ

2H95JL

**শিকনৰ ফলাফল ঃ**

- অসমৰ বিভিন্ন প্ৰকাৰৰ সম্পদ আৰু সেইবোৰৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- বনজ সম্পদৰ সংৰক্ষণৰ লগত জড়িত বিভিন্ন ব্যক্তিৰ বিষয়ে জানি সংৰক্ষণৰ ক্ষেত্ৰত সংবেদনশীল হ'বলৈ উৎসাহিত কৰিব।
- সম্পদসমূহৰ অৰ্থনৈতিক গুৰুত্ব বুজি ব্যাখ্যা কৰিব।

মানুহ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। প্ৰকৃতিৰ বিভিন্ন উপাদান তথা সম্পদ আহৰণ কৰি মানুহে ব্যক্তিগত আৰু সামূহিক উন্নয়নৰ কামত ব্যৱহাৰ কৰি আহিছে। প্ৰাকৃতিক সম্পদৰ বিতৰণ সকলো ঠাইতে একে নহয়। যথেষ্ট প্ৰাকৃতিক সম্পদ থকা অঞ্চল বা দেশসমূহৰ উন্নয়ন সহজসাধ্য হয়। অৱশ্যে, এনে সম্পদৰ সঠিক ব্যৱহাৰ ঘাইকৈ নিৰ্ভৰ কৰে দক্ষ মানৱ সম্পদ, যাতায়াত, পৰিবহণ আৰু বজাৰ আদি বুনিয়াদী সা-সুবিধাৰ ওপৰত।

অসম প্ৰাকৃতিক সম্পদত এখন চহকী ৰাজ্য। উৰ্বৰ ভূমি, অনেক প্ৰজাতিৰ উদ্ভিদ, জলৰাশি তাৰ প্ৰাণীকুল আৰু ভূগৰ্ভৰ খনিজ সম্পদে অসমখনক এখন সম্পদশালী ৰাজ্যত পৰিণত কৰিছে। অসমত সিঁচৰতি হৈ থকা সম্পদসমূহক তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

**বনজ সম্পদ ঃ**

চৰকাৰী তথ্য অনুসৰি অসমৰ মুঠ মাটিকালিৰ প্ৰায় ২০.৬ শতাংশ ঠাই অৰণ্যই আগুৰি আছে। বৃষ্টিপাত, বায়ুৰ উষ্ণতা আৰু মাটিৰ গুণাগুণৰ ওপৰত ভিত্তি কৰি অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন উদ্ভিদ পোৱা যায়। উজনি অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, যোৰহাট আদিৰ উপৰি ডিমা হাচাও আৰু কাছাৰ জিলা আদি ঠাইত বৰষুণৰ মাত্ৰা অধিক। এইবোৰ অঞ্চলত বছৰি গড়ে ২০০ ছেন্টিমিটাৰৰ অধিক বৰষুণ হয় আৰু গড় উষ্ণতা ২৫° ছেন্টিগ্ৰেড পোৱা যায়। ইয়াৰ উদ্ভিদবোৰৰ বেছি ভাগেই গোটেই বছৰজুৰি পাতেৰে সেউজীয়া হৈ থাকে। এনে চিৰসেউজীয়া উদ্ভিদ এই অঞ্চলত পোৱা যায়। হলং, হলক, মাকাই, নাহৰ, উৰিয়াম, তিতাছপা আদি এই অঞ্চলৰ ওখ ওখ চিৰসেউজীয়া গছ। লখিমপুৰ, ধেমাজি আৰু শোণিতপুৰ জিলাৰ উত্তৰৰ সীমামূৰীয়া অঞ্চলতো এই শ্ৰেণীৰ উদ্ভিদ পোৱা যায়। বিবিধ প্ৰকাৰৰ কপৌ আৰু বেতগছ অঞ্চলটিৰ উল্লেখযোগ্য উদ্ভিদ।

বছৰি প্ৰায় ১০০ ৰপৰা ২০০ ছেন্টিমিটাৰৰ ভিতৰত বৰষুণ হোৱা অঞ্চলসমূহত বসন্তকালত বতৰ শুকান হৈ গছৰ পাত সৰি যায়। এই শ্ৰেণীৰ উদ্ভিদক পৰ্ণপাতী উদ্ভিদ বোলে। এনে মৌচুমীয় পৰ্ণপাতী উদ্ভিদ কামৰূপ, গোৱালপাৰা আৰু কোকৰাঝাৰ জিলাৰ উপৰি অসমৰ প্ৰায় সকলো অঞ্চলতে সিঁচৰতি হৈ আছে। শাল, চেগুণ, গমাৰি, শিমলু, আম, কঠাল আদি এনে কিছুমান উদ্ভিদ।

অসমৰ প্ৰধান নৈ-উপনৈসমূহৰ দুয়োপাৰে খয়ৰ, শিশু, শিমলু, কদম, কৰৈ আদি ডাঙৰ গছৰ লগতে চাপৰ তৃণজাতীয় উদ্ভিদ পোৱা যায়। আনহাতে, নৈপৰীয়া দ' (আৰ্দ্ৰভূমি) অঞ্চল আৰু হিমালয়ৰ নামনি অংশত ঠায়ে ঠায়ে নলখাগৰি, খেৰ আদিৰ তৃণভূমি পোৱা যায়। ব্ৰহ্মপুত্ৰৰ পাৰৰ কাজিৰঙা, লাওখোৱা, ওৰাং আৰু মাজুলী; হিমালয়ৰ নামনিৰ মানাহ, নামেৰি আদি বনাঞ্চলত তেনে উদ্ভিদ অধিক পৰিমাণে পোৱা যায়।

উদ্ভিদৰ লেখীয়াকৈ বিভিন্ন প্ৰজাতিৰ বনৰীয়া প্ৰাণীও অসমত পোৱা যায়। ইয়াৰ ভিতৰত গড়, হাতী, বাঘ,

বনৰীয়া ম'হ, ভালুক, হৰিণ, গাহৰি, বিভিন্ন প্ৰজাতিৰ বান্দৰ আদি প্ৰধান। অৱশ্যে এইবোৰৰ বাসস্থান এতিয়া কেৱল সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানসমূহতে সীমিত হৈ পৰিছে। অসমত থকা হলক, গিবন, নল গাহৰি, সোণালী বান্দৰ আৰু দেওহাঁহ আদি বিৰল প্ৰজাতিৰ প্ৰাণী। অসমৰ ৰাষ্ট্ৰীয় উদ্যান, বন্যপ্ৰাণী আৰু পক্ষী অভয়াৰণ্য আদিৰ বিষয়ে তোমালোকে ইতিমধ্যে জানিব পাৰিছা। এইবোৰত প্ৰাণীসমূহ সুৰক্ষিত হৈ থাকে। তাতেই ইহঁতে বংশবৃদ্ধিৰো সুবিধা পায়। নামেৰি আৰু মানাহত বাঘ সংৰক্ষণৰ বাবে দুটা ব্যাঘ্ৰ প্ৰকল্প আছে। ভাৰতৰ ভিতৰতে আটাইতকৈ অধিক সংখ্যক প্ৰজাতিৰ চৰাইৰ বাসভূমি হ'ল অসম। ইয়াৰ উপৰি অনেক প্ৰজাতিৰ পৰিভ্ৰমী পক্ষী এই আৰ্দ্ৰভূমিসমূহলৈ আহে। সামগ্ৰিকভাৱে অসমৰ উদ্ভিদ আৰু বন্যপ্ৰাণীসমূহে প্ৰাকৃতিক ভাৰসাম্য বজাই ৰখাৰ উপৰি সৌন্দৰ্যবৰ্ধন কৰি আহিছে।

অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বনজ সম্পদে বিশেষ ভূমিকা লৈ আহিছে। ঘৰ-দুৱাৰ তথা অন্যান্য আচবাব আদি নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কাঠ অসমৰ হাবিৰপৰাই সংগ্ৰহ কৰা হয়। সমগ্ৰ অসমতে সিঁচৰতি হৈ থকা কেইবাশ কাঠফলা কলে এই কাঠসমূহ যোগান ধৰে। প্ৰধানকৈ অসমৰ হাবিৰ কাঠ আৰু বাঁহৰ ওপৰত নিৰ্ভৰ কৰি জাগীৰোড, যোগীঘোপা (বৰ্তমান বন্ধ হৈ আছে) আৰু পঞ্চগ্ৰাম কাগজ কলকেইটা চলে। আনহাতে, মাকুম, মাৰ্ঘেৰিটা, মৰিয়নি, ডিফুত থকা প্লাইউড কাৰখানাসমূহৰ বাবে অসমৰ হাবিৰপৰাই কাঠ সংগ্ৰহ কৰা হয়। অসমৰ জুইশলা কাৰখানা কেইটাত অসমৰ হাবি-বননিৰ কাঠ ব্যৱহাৰ হয়। অসমত উৎপন্ন হোৱা বাঁহ আৰু বাঁহেৰে তৈয়াৰ কৰা সামগ্ৰীয়ে ৰাজ্যখনৰ চাহিদা পূৰোৱাৰ লগতে বাহিৰৰ ৰাজ্যৰপৰা ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। অসমৰ প্ৰায়বোৰ নদীৰ বুকুৰপৰা শিল আৰু বালি আহৰণ কৰি ঘৰ-দুৱাৰ, বাট-পথ আদি নিৰ্মাণত ব্যৱহাৰ কৰা হয়। অসমৰ মানুহৰ বাবে প্ৰয়োজনীয় খৰি এই হাবি-বননিবোৰৰপৰাই সংগ্ৰহ কৰা হয়। অৰণ্যৰ দাঁতি-কাষৰীয়া গাঁওসমূহত বাস কৰা লোকসকলে অৰণ্যৰ পৰাই খাদ্য-সামগ্ৰী, খৰি, খেৰ, পাতিদৈ, টকৌপাত, ৰবৰ, ঔষধি উদ্ভিদ আদি সংগ্ৰহ কৰি জীৱন নিৰ্বাহ কৰে। তদুপৰি অসমত থকা ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য আৰু সংৰক্ষিত বনাঞ্চলৰ ওপৰত ভিত্তি কৰি সীমিত সংখ্যক পৰ্যটন উদ্যোগ গঢ়ি উঠিছে। এনে স্থানসমূহক কেন্দ্ৰ কৰি অধিক পৰ্যটন উদ্যোগ গঢ়ি উঠিলে নিয়োগৰ যথেষ্ট সুবিধা হ'ব। এনেদৰেই বনজ সম্পদে অসমৰ অৰ্থনীতিত বিশেষ বৰঙণি যোগাই আহিছে।

জধে-মধে বন্যভূমি ধ্বংস কৰি কৃষিকাৰ্য, বাসস্থান নিৰ্মাণ, উদ্যোগ স্থাপন, ৰে'লপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা আদি কাৰ্যই অসমৰ বন্যভূমিৰ পৰিমাণ দ্ৰুতগতিত হ্ৰাস কৰি আনিছে। ইয়াৰ ফলত বন্যপ্ৰাণীসমূহৰ সংখ্যাও হ্ৰাস পাই আহিছে। আনহাতে অৰণ্য ধ্বংসকৰণে বানপানী, খৰাং আদি দুৰ্যোগ বৃদ্ধি কৰিছে।

### জানি থওঁ আহা ঃ

- যাদৱ পায়েং অসমৰ এগৰাকী বিখ্যাত পৰিৱেশ কৰ্মী। তেখেতে অসমৰ যোৰহাট জিলাৰ ককিলামুখৰ ওচৰৰ ব্ৰহ্মপুত্ৰৰ ঔনামুখ চাপৰিৰ এক বৃহৎ এলেকাত একক প্ৰচেষ্টাত গছপুলি ৰোপণ কৰি এখন অৰণ্যলৈ ৰূপান্তৰ কৰিছে। তেখেতৰ পৰিৱেশ সুৰক্ষাৰ এই নিৰলস প্ৰচেষ্টাই আজি সমগ্ৰ বিশ্বক অনুপ্ৰাণিত কৰিছে। ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' বঁটাৰে সম্মানিত কৰে। তেখেতক ভাৰতৰ অৰণ্য মানৱ (Forest Man of India) আখ্যা দিয়া হৈছে। পৰিৱেশ সংৰক্ষণত আমি সকলোৱে যাদৱ পায়েঙৰ আদৰ্শ অনুকৰণ কৰা উচিত।


অৰণ্য মানৱ ঃ যাদৱ পায়েং

বনজ সম্পদত চহকী আমাৰ ৰাজ্যখনত বৰ্তমান সময়ত বিভিন্ন ধৰণৰ আন্তঃগাঠনিৰ সম্পসাৰণৰ বাবে বননি ধ্বংসৰ সন্মুখীন হ'বলগীয়াত পৰিছে। কিন্তু সেই অনুপাতে আমি বৃক্ষৰোপণ কৰা নাই। অৱশ্যে, বৰ্তমান সময়ত ৰাজ্য চৰকাৰে সীমামুৰীয়া অঞ্চলসমূহকে ধৰি বিভিন্ন বনাঞ্চলসমূহ ৰক্ষণাবেক্ষনৰ বাবে নানান পদক্ষেপ হাতত লৈছে। ব্যক্তিগতভাবেও আমি বনাঞ্চল বৃদ্ধিত পদক্ষেপ ল'ব পাৰো। নিজে পঢ়া বিদ্যালয়খনেই হওঁক বা নিজৰ গাঁও খনৰ ৰাস্তাৰ কাষতে হওঁক তোমালোকেও একক বা দলীয় প্ৰচেষ্টাত বৃক্ষৰোপণ কাৰ্যসূচী হাতত ল'ব পাৰা।

**উত্তৰ লিখা ঃ**

- তোমাৰ অঞ্চলত থকা তিনিবিধ চিৰসেউজীয়া উদ্ভিদৰ নাম।
- তোমাৰ অঞ্চলত পোৱা তিনিবিধ পৰ্ণপাতী উদ্ভিদৰ নাম।
- উদ্ভিদৰ সংখ্যা বৃদ্ধি আৰু বন্যপ্ৰাণী সংৰক্ষণৰ ৩টা উপায়।
- অসমত থকা কেইবিধমান বিৰল প্ৰজাতিৰ প্ৰাণীৰ নাম।
- অসমৰ দুটা ব্যঘ্ৰ প্ৰকল্পৰ নাম।

## খনিজ সম্পদ ঃ

অসমৰ ভূগৰ্ভত কয়লা, খাৰুৱাতেল, প্ৰাকৃতিক গেছ, চুণশিল, ছিলিমেনাইট, এছবেষ্টছ আদি খনিজ সম্পদ পোৱা যায়। ১৮৮৯ চনত ইংৰাজসকলে ভাৰতৰ ভিতৰতে প্ৰথমতে ডিগবৈত খাৰুৱা তেলৰ সন্ধান পায়। বৰ্তমান নাহৰকটীয়া, হুগ্ৰীজান, মৰাণ, ৰুদ্ৰসাগৰ, গেলেকী, বৰহোলা, লাকুৱা, দিহিং উপত্যকা আদি ঠাইৰ তেলৰ পুঙৰ পৰা খাৰুৱা তেল আহৰণ কৰা হয়। এই পুংসমূহৰপৰা খাৰুৱা তেলৰ উপৰি প্ৰাকৃতিক গেছো আহৰণ কৰা হয়। অ' এন জি




চিত্ৰ : ৭.১

চি (ONGC- Oil and Natural Gas Commission), ও আই এল (OIL-Oil India Limited) আদি সংস্থাসমূহে খাৰুৱা তেলৰ অনুসন্ধান আৰু উদ্‌ঘাটনৰ কাম কৰি আহিছে। অসমৰপৰা আহৰণ কৰা খাৰুৱাতেল ডিগবৈ, নুনমাটি, বঙাইগাঁও আৰু নুমলিগড় শোধনাগাৰত শোধন কৰাৰ উপৰি অসমৰ বাহিৰলৈও পাইপযোগে পঠিওৱা হয়। খাৰুৱাতেলৰ পৰা অসম চৰকাৰে যথেষ্ট পৰিমাণে ৰাজহ লাভ কৰে। আনহাতে প্ৰাকৃতিক গেছৰ অধিক অংশৰ সু-ব্যৱহাৰ হোৱা নাই যদিও ডিব্ৰুগড়ৰ লেপেটকটাত কাৰ্যক্ষম হোৱা গেছ ক্ৰেকাৰ উদ্যোগৰ জৰিয়তে এই গেছৰ উপযুক্ত ব্যৱহাৰ হোৱাৰ সম্ভাৱনা আছে। খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ওপৰত ভিত্তি কৰি অসমত কিছুসংখ্যক আনুসংগিক উদ্যোগ গঢ়ি উঠিছে। এই দিশত অধিক উদ্যোগ গঢ়ি উঠাৰ যথেষ্ট সম্ভাৱনা আছে (চিত্ৰ ৭.১)।

উৎপত্তিৰ দিশৰপৰা অসমৰ কয়লা বেছি পুৰণি নহয়। ই টাৰচিয়েৰী যুগৰ। সেয়েহে, ইয়াৰ মান বৰ উন্নত নহয়। উজনি অসমৰ মাকুম, লিডু, মাৰ্ঘেৰিটা জয়পুৰ, নাফুক, নাগিনিমৰা আদিত এই শ্ৰেণীৰ কয়লাখনি আছে। কাৰ্বি পাহাৰৰ কয়লাজান, শিলভেটা, লংলৈ, শিঙিমাৰী আদিত কম পৰিমাণে উৎকৃষ্টমানৰ গণ্ডোৱানা কয়লা পোৱা যায়। এই কয়লাৰপৰা ৰাজ্যখনে যথেষ্ট ৰাজহ আহৰণ কৰে। কোনো কোনো স্থানত কয়লা অবৈজ্ঞানিক প্ৰণালীৰে মুক্ত খনন কৰাৰ ফলত তাৰ ওচৰে-পাজৰে পৰিৱেশৰ ওপৰত কুপ্ৰভাৱ পৰিবলৈ লৈছে।

**জানি থওঁ আহা ঃ**

- খাৰুৱাতেল শোধন কৰি পেট্ৰ'ল, কেৰাচিন, ডিজেল, গেছলিন, পেৰাফিন, বিটুমিন আদি পোৱা যায়। ইয়াৰ উপৰি খাৰুৱা তেলৰপৰা পৰোক্ষভাৱে প্লাষ্টিক, চিনথেটিক ৰাবাৰ, পলিয়েষ্টাৰ সুতা, ঔষধ, প্ৰসাধন জাতীয় সামগ্ৰীও প্ৰস্তুত কৰা হয়।

ডিমা হাচাও জিলাৰ উমৰাংচু, কাৰ্বি আংলং জিলাৰ কয়লাজান আৰু ডিলাই পাহাৰত চুণশিলৰ ভাণ্ডাৰ আছে। এই চুণশিল প্ৰধানকৈ বোকাজানৰ চিমেণ্ট কাৰখানাত ব্যৱহাৰ হয়। আকৌ কাৰ্বি আংলং জিলাৰ কোনো কোনো ঠাইত কিছু পৰিমাণে ছিলিমেনাইট আৰু চিনামাটি (China Clay) পোৱা যায়।

**উত্তৰ লিখা ঃ**

- অসমৰ খাৰুৱা তেলৰ পুং থকা পাঁচখন ঠাইৰ নাম।
- অসমৰ কয়লাখনি থকা পাঁচখন ঠাইৰ নাম।
- খনিজ সম্পদত অধিক চহকী অসমৰ পাহাৰীয়া জিলাখনৰ নাম কি?

## জলসম্পদ ঃ

পানী এক অমূল্য সম্পদ। উদ্ভিদ আৰু জীৱ-জন্তু সকলোৰে বাবে পানী অতি প্ৰয়োজনীয়। মানুহে খোৱা আৰু অন্যান্য ঘৰুৱা কাম-কাজৰ উপৰি জলসিঞ্চন, মীনপালন, পশুপালন আৰু ঔদ্যোগিক কাম-কাজত পানী ব্যৱহাৰ কৰে। অসমত পৃষ্ঠজল (Surface Water) আৰু ভূগৰ্ভজল (Underground Water) দুয়োটাই উভৈনদী। অসমৰ নৈ, উপনৈ আৰু আৰ্দ্ৰভূমিসমূহেই হ'ল পৃষ্ঠজলৰ ভাণ্ডাৰ।

অসমত মৌচুমী বতাহৰ প্ৰভাৱত প্ৰতিবছৰে প্ৰায় ১০০ ছেণ্টিমিটাৰৰপৰা ২০০ ছেণ্টিমিটাৰ বৰষুণ হয়। জুন মাহৰপৰা অক্টোবৰ মাহৰ ভিতৰত অসমত হোৱা মুঠ বৰষুণৰ প্ৰায় ৯০ শতাংশ বৰষুণ হয়। এই বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰিয়েই অসমৰ কৃষকসকলে বিভিন্ন প্ৰকাৰৰ খৰিফ শস্যৰ খেতি কৰে।

অসংখ্য নদী-উপনদীৰে ভৰি থকা বাবে অসমক এখন নদীমাতৃক ৰাজ্য বোলে। ব্ৰহ্মপুত্ৰ আৰু বৰাক হ'ল অসমৰ

প্ৰধান নৈ। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ প্ৰধান উপনৈসমূহ ক্ৰমে সোৱণশিৰি, জীয়াভৰলী, জীয়াধনশিৰি, পুঠিমাৰী, পাগলা দিয়া, মানাহ আৰু চম্পাৱতী। একেদৰে দক্ষিণপাৰৰ উপনৈসমূহ ক্ৰমে বুঢ়ীদিহিং, দিখৌ, ধনশিৰি, কপিলী, দুধনৈ আৰু কৃষ্ণাই। বৰাক নৈত জিৰি, জাতিংগা, সোণাই, ধলেশ্বৰী আদি ৯খন উপনৈ মিলিত হৈছে (চিত্ৰ ৭.২)।

ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহ বাৰিষাকালত বৰষুণৰ পানীৰে উপচি পৰে। আনহাতে, উত্তৰ পাৰৰ কেইখনমান উপনৈয়ে হিমালয়ৰপৰা পোৱা বৰফগলিত পানী ব্ৰহ্মপুত্ৰলৈ কঢ়িয়াই আনে। নদীৰ বুকুত ওফন্দি উঠা পানীভাগে নৈৰ দাঁতিকাষৰীয়া অঞ্চলত বানপানীৰ সৃষ্টি কৰে। ইয়াৰ উপৰি ঠায়ে ঠায়ে নিম্নভূমি অঞ্চলত বৰষুণৰ পানী জমা হৈ বাৰিষা কালত জলমগ্ন হৈ পৰে। এনেবোৰ সমস্যাৰ উপশম ঘটাবলৈ অসমত বৈজ্ঞানিক ভিত্তিত এক প্ৰবাহমান জল পৰিচালনা আঁচনিৰ (Running Water Management Scheme) প্ৰয়োজন।

এই জলৰাশিয়ে অসমৰ ভূমিভাগক জীপাল কৰি ৰখাৰ লগতে ইয়াৰ বাসিন্দাসকলৰ ব্যৱহাৰৰ বাবে পানী যোগান ধৰে। পৰিবহণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ডিব্ৰুগড়ৰপৰা বাংলাদেশ হৈ কলকাতালৈ জাহাজ পৰিবহণৰ ব্যৱস্থা আছে। এই পথেৰে গধুৰ যন্ত্ৰপাতি আৰু অন্যান্য সামগ্ৰী কঢ়িওৱা হয়। পাণ্ডু আৰু ধুবুৰী হ'ল ব্ৰহ্মপুত্ৰৰ প্ৰধান বন্দৰ। ইয়াৰ উপৰি পলাশবাৰী, খাৰুপেটীয়া, তেজপুৰ, বিশ্বনাথ ঘাট, নিমাতীঘাট আদি ব্ৰহ্মপুত্ৰৰ উল্লেখযোগ্য জাহাজঘাট। অসমৰ নৈ-উপনৈসমূহত বান্ধ দি জলবিদ্যুৎ উৎপাদন কৰাৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। ভাৰতৰ জলবিদ্যুৎ উৎপাদনৰ মুঠ সম্ভাৱনীয়তাৰ ২৮শতাংশ অসমতে আছে। বৰ্তমানলৈ কপিলী, কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ জৰিয়তে অতি সামান্য পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন কৰা হৈছে। এইবোৰে আমাৰ চাহিদা পূৰণ কৰিব পৰা নাই। বৰ্তমানে নতুন নতুন জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কাম চলি আছে। অৱশ্যে মনত ৰখা দৰকাৰ যাতে এনে প্ৰকল্পৰ নিৰ্মাণে পৰিৱেশৰ ওপৰত বেয়া প্ৰভাৱ নেপেলায়।



চিত্ৰ : ৭.২

## জানি থওঁ আহা

- তিব্বতৰ টামচুক খাম্বলা চোৰটেন (Tamchok Khambla Chorten) নামৰ ঠাইৰ চেমা য়ুং দুং (Chema-Yung-dung) হিমবাহৰপৰা ওলাই অহা মুঠ ২,৯০৬ কিল'মিটাৰ দীঘল ব্ৰহ্মপুত্ৰ নদীয়ে অসমত প্ৰায় ৬৪০ কি'মিটাৰ পথ অতিক্ৰম কৰিছে। আনহাতে, বৰাক নৈ, নাগালেণ্ড আৰু মণিপুৰ ৰাজ্যৰ সীমাত বৰাইল পাহাৰৰ পৰা কাছাৰ জিলাত সোমাই পশ্চিমলৈ প্ৰায় ২২৫ কিল'মিটাৰ বৈ বাংলাদেশ পাইছেগৈ।

অসমৰ জিলাসমূহত খাল, বিল আদি বহুতো জলাশয় আছে। এই জলাশয়সমূহেও বিভিন্ন প্ৰকাৰৰ জলজ উদ্ভিদ আৰু প্ৰাণীৰ বাসস্থান হিচাপে এক সুকীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ উপৰি জলাশয়সমূহে কিছু পৰিমাণে মাছৰ চাহিদা পূৰণ কৰি আহিছে। অসমত পোৱা কেইবিধমান মাছে আলংকাৰিক মাছ হিচাপে বিদেশৰ বজাৰত আদৰ পাইছে। অসমৰ নৈ-উপনৈ আৰু জলাশয়সমূহত কিছু বছৰ আগলৈ প্ৰচুৰ পৰিমাণে মাছ পোৱা গৈছিল যদিও সম্প্ৰতি মাছৰ সংখ্যা দ্ৰুতভাৱে কমি আহিছে। মানুহে যথে-মথে মাছ ধৰা, জলাশয় দখল কৰি খেতি- বাতি কৰা, ঘৰ সজা, জাবৰ-জোথৰ পেলোৱা আদিয়েই ইয়াৰ মূল কাৰণ। তদুপৰি এনেবোৰ কাৰ্যই জলাশয়ৰ পৰিমাণো কমাই আনিছে। পৰিৱেশ সুস্থিৰ কৰি ৰখাৰ স্বাৰ্থত এই জলাশয়বোৰৰ সংৰক্ষণ অতি প্ৰয়োজন। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ উপৰি কিছুসংখ্যক জলাশয়ৰপৰা পানী বিশুদ্ধ কৰি জনসাধাৰণৰ বাবে খোৱা পানীৰ যোগান ধৰা হৈছে। অসমৰ বিলসমূহৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু তালৈ অহা পৰিভ্ৰমী পক্ষীক কেন্দ্ৰ কৰি সেই স্থানসমূহত পৰিৱেশ পৰ্যটন (Eco- Tourism) উদ্যোগ গঢ়ি তোলাৰ প্ৰচুৰ সম্ভাৱনীয়তা আছে। অসমৰ জলাশয় যেনে —দীপৰ বিল, চানডুবি বিল, পানী দিহিং, মাগুৰী বিল আদি বৰ্তমান সময়ত পৰ্যটনৰ বিশেষ কেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছে। এই জলাশয়বোৰ বিভিন্ন পৰিভ্ৰমী চৰাইৰ বিচৰণভূমি(চিত্ৰ ঃ ৭.২)। ভূগৰ্ভ জলৰ ক্ষেত্ৰতো অসম সমৃদ্ধ। অসমৰ ভূগৰ্ভত সঞ্চিত পানী মানুহে খোৱাপানী, জলসিঞ্চন আৰু ঔদ্যোগিক কাম-কাজত ব্যৱহাৰ কৰে। অসমৰ ভূগৰ্ভৰ পানী কৃষি কাৰ্যতো ব্যৱহাৰ কৰা হয়।



*চিত্ৰ ঃ ৭.২ মাগুৰী বিল*

**উত্তৰ লিখা ঃ**

- ব্ৰহ্মপুত্ৰৰ দহখন উপনৈৰ নাম।
- বৰাকৰ তিনিখন উপনৈৰ নাম।
- ভূচিত্ৰাৱলীৰ সহায়ত তুমি বাস কৰা জিলাখনৰ তিনিখন প্ৰধান উপনৈৰ নাম।
- ভূগৰ্ভৰ জল আহৰণ কৰাৰ দুটা ব্যৱস্থা।

## কৃষিজ সম্পদ ঃ

**ধান ঃ** ধান অসমৰ প্ৰধান কৃষিজাত দ্ৰব্য। ৰাজ্যখনৰ মুঠ কৃষিভূমিৰ ৬৪.৫২ শতাংশ মাটিত ধান খেতি কৰা হয়। অসমত বিভিন্ন জাতৰ শালি ধান উৎপাদনৰ উপৰি আহু, বাও আৰু বৰো ধানো উৎপাদন হয়। বানপানী হোৱা অঞ্চলত শীতকালত বৰো খেতিৰ জৰিয়তে অসমত প্ৰচুৰ ধান উৎপাদন কৰা হয়। অসমৰ মুখ্য ধান উৎপাদন অঞ্চল দুটি হ'ল- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উপত্যকা অঞ্চল। ইয়াৰ উপৰি পাহাৰীয়া জিলা দুখনৰ ঠায়ে ঠায়ে ঝুম আৰু বেদিকা কৃষি প্ৰণালীৰে কিছু পৰিমাণে ধান উৎপাদন কৰা হয়।

**মৰাপাট ঃ** মৰাপাট অসমৰ এবিধ উল্লেখযোগ্য উপাৰ্জক কৃষিজাত দ্ৰব্য। নামনি অসমৰ জিলাকেইখনৰ দ' পলসুৱা অঞ্চলত মৰাপাট যথেষ্ট পৰিমাণে হয়।

**কুঁহিয়াৰ ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায়কেইখন জিলাতে কুঁহিয়াৰ উৎপাদন কৰা হয়। তুলনামূলকভাৱে নগাঁও, গোলাঘাট, যোৰহাট, কাৰ্বি আংলং আৰু কৰিমগঞ্জ জিলাত কুঁহিয়াৰ অধিক পৰিমাণে হয়।

**ঘেঁহু ঃ** নামনি অসমৰ জিলাকেইখন, যেনে - ধুবুৰী, গোৱালপাৰা, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা, নলবাৰী, কামৰূপ আদিত কিছু পৰিমাণে ঘেঁহু উৎপাদন হয়।

মধ্য আৰু নামনি অসমৰ জিলাকেইখনত বিশেষকৈ গোৱালপাৰা, বৰপেটা, কামৰূপ, দৰং, নগাঁও আৰু মৰিগাঁও জিলাত মাহ জাতীয় বিভিন্ন শস্য উৎপাদন হয়। অসমৰ প্ৰায় সকলো জিলাতে কম-বেছি পৰিমাণে সৰিয়হ, তিল, মাকৈ, আদা, হালধি আদি উৎপাদন হয়।

অসমৰ প্ৰায়বোৰ জিলাতে বিভিন্ন প্ৰকাৰৰ শাক-পাচলি উৎপাদন হয়। ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে থকা ওখ বালিচহীয়া মাটি শাক-পাচলিৰ খেতিৰ বাবে অধিক উপযোগী। কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ পাহাৰীয়া ঢালত যথেষ্ট পৰিমাণে শাক-পাচলি উৎপাদন হয়। তামোল-পাণ, নাৰিকল, কল, সুমথিৰা, নেমু আদি কৃষিজ দ্ৰব্য অসমৰ প্ৰায়বোৰ ঠাইতে কম-বেছি পৰিমাণে হয়।

**চাহ ঃ** চাহ এবিধ ৰোপণ কৃষি। অসম চাহ খেতিৰ বাবে বিখ্যাত। অসমৰ চাহ ইয়াৰ সুকীয়া গুণৰ বাবে বিদেশত জনপ্ৰিয়। অসমত প্ৰায় ৮৫০ খন ডাঙৰ চাহ বাগিচা আছে। তাৰোপৰি বৰ্তমান বহুতো খনুৱা লোকে ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগিচা গঢ়ি তুলিছে। উজনি অসমৰ জিলাসমূহৰ উপৰি মধ্য আৰু নামনি অসমৰ এচলীয়া ওখ ভূমিত চাহ বাগিচাসমূহ অৱস্থিত। শেহতীয়াভাৱে কাৰ্বি আংলং জিলাত ৰবৰ আৰু কফি খেতিৰ পাম গঢ়ি উঠিছে।

কৃষিকাৰ্যত প্ৰযুক্তিৰ ব্যৱহাৰে অসমত কৃষি উৎপাদন কিছু পৰিমাণে বঢ়াইছে। তথাপি ভূমিৰ ভগ্ন আকাৰ, বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰশীলতা, পৰম্পৰাগত কৃষি প্ৰণালী বানপানীৰ প্ৰভাৱ আদিৰ বাবে বৰ্তমানেও ৰাজ্যখনৰ কৃষি কাৰ্যই বাণিজ্যিক ৰূপ পোৱা নাই। কিন্তু অসমৰ আধাতকৈও বেছিসংখ্যক লোক কৃষি কাৰ্যৰ লগত জড়িত। এনে বৃহৎসংখ্যক লোক জড়িত থকা ক্ষেত্ৰখনৰ বিশেষ উন্নয়ন নোহোৱাৰ ফলত সামগ্ৰিকভাৱে ৰাজ্যখনৰ অৰ্থনীতি দুৰ্বল হৈ আছে। কৃষিৰ উপৰি কিছুসংখ্যক লোক ব্যৱসায় আৰু সেৱামূলক বৃত্তিত নিয়োজিত হৈ আছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- অসমৰ অৰণ্যত বিভিন্ন প্ৰকাৰৰ মূল্যবান কাঠ, বাঁহ, ঔষধি উদ্ভিদ আদি পোৱা যায়।
- অসমৰ বনজ সম্পদৰ ওপৰত ভিত্তি কৰি বিভিন্ন উদ্যোগ গঢ়ি তোলাৰ যথেষ্ট সম্ভাৱনীয়তা আছে।
- অসমত দ্ৰুতগতিত বননি ধ্বংস কৰা কাৰ্যই পৰিৱেশৰ ওপৰত কু-প্ৰভাৱ পেলোৱাৰ লগতে জীৱকুলকো বিপদ মাতি আনিছে।
- অসমত খাৰুৱা তেল, কয়লা, চুণশিল, ছিলিমেনাইট, এছবেচটছ আদি পোৱা যায়।
- অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক আৰু ইয়াৰ উপনৈসমূহ আৰু জলাশয়সমূহেই হ'ল পৃষ্ঠজলৰ মূল উৎস।
- নদ-নদীৰ লগতে অসমৰ জলাশয়সমূহে মানুহৰ দৈনন্দিন ব্যৱহাৰৰ উপৰি জলসিঞ্চন, মীন পালন আদিৰ বাবে পানীৰ উৎস হিচাপে কাম কৰি আহিছে।
- অসমৰ নদ-নদীসমূহত পৰিৱেশ অনুকূল বান্ধ দি জলবিদ্যুৎ উৎপাদনৰ বিপুল সম্ভাৱনীয়তা আছে।
- অসমৰ বনাঞ্চল আৰু জলাশয়সমূহক পৰিৱেশ পৰ্যটনৰ (Eco-Tourism) ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ যথেষ্ট সুবিধা আছে।
- অসমৰ ভূগৰ্ভ তথা ভূপৃষ্ঠ জলৰ ভাণ্ডাৰ যথেষ্ট বিশাল।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) কাঠ-বাঁহৰ ওপৰত ভিত্তি কৰি অসমত গঢ়ি উঠা দুবিধ উদ্যোগৰ নাম কি?

(খ) অসমত থকা ব্যাঘ্ৰ প্ৰকল্প দুটাৰ নাম।

(গ) অসমৰ অধিকাংশ লোকৰ প্ৰধান জীৱিকা কি?

(ঘ) অসমৰ কোন ঠাইত গেছ ক্ৰেকাৰ উদ্যোগ অৱস্থিত?

(ঙ) ইংৰাজসকলে অসমৰ কোন ঠাইত প্ৰথমতে খাৰুৱা তেলৰ সন্ধান পাইছিল?

২। সঁচা-মিছা লিখা—

(ক) অসমৰ ২০০ ছেণ্টিমিটাৰকতকৈ অধিক বৰষুণ হোৱা অঞ্চলৰ উদ্ভিদ সাধাৰণতে চিৰসেউজীয়া।

(খ) শিমলু গছ পৰ্ণপাতী উদ্ভিদ শ্ৰেণীৰ অন্তৰ্গত।

(গ) অসমৰ জিলাসমূহত খাল, বিল আদি বহুতো জলাশয় আছে।

(ঘ) কপিলী বৰাক নৈৰ এখন উপ-নৈ।

(ঙ) কুঁহিয়াৰ অসমৰ প্ৰধান কৃষিজাত দ্ৰব্য।

(চ) চাহ এবিধ ৰোপণ কৃষি।

৩। উদ্ভিদৰপৰা আমি কি কি পাওঁ? এখন তালিকা কৰা।

৪। বন্য প্ৰাণীসমূহৰ বাবে অভয়াৰণ্যৰ কিয় প্ৰয়োজন? (৫০টা মান শব্দৰ ভিতৰত লিখা।)

৫। অসমৰ খাৰুৱা তেলৰ পুং আৰু কয়লাখনি থকা ঠাইসমূহৰ নাম লিখা।

৬। ভূগৰ্ভজলৰ ব্যৱহাৰ সম্পৰ্কে প্ৰায় ৫০টা শব্দৰ ভিতৰত লিখা।

৭। অসমৰ এখন নক্সা অংকন কৰি পাঠত দিয়া মানচিত্ৰ আৰু ভূচিত্ৰাবলীৰ সহায়ত তলত দিয়াবোৰ বহুওৱা।

(ক) ৩টা খাৰুৱা তেলৰ পুং

(খ) ৩টা কয়লাখনি

(গ) ২টা তেল শোধনাগাৰ

(ঘ) চূণ শিল পোৱা এখন ঠাই

(ঙ) তাৰা বিল, শিৱসাগৰ পুখুৰী

(চ) এটি নদী বন্দৰ

(ছ) সোৱণশিৰি, পাগলাদিয়া, দিখৌ, ধনশিৰি, জাতিঙ্গা, ধলেশ্বৰী উপনৈ।

# পাঠঃ ৮
# উত্তৰ-পূব ভাৰত

Z6K3Y8

## শিকনৰ ফলাফল ঃ

- ভাৰতত উত্তৰ-পূব ভাৰতৰ ভৌগোলিক অৱস্থান সম্পৰ্কে জানিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰাকৃতিক বিভাগ, জলবায়ু আৰু নদ-নদী সম্পৰ্কে জানিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ জনগোষ্ঠীয় ইতিহাস আৰু জনগাঁথনিৰ চমু আভাস পাব।
- ৰাজ্য অনুসৰি জনসংখ্যাৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ ৰাজ্যবিলাকৰ কৃষি সম্পৰ্কে চমু আভাস পাব।
- উত্তৰ-পূব ভাৰতৰ প্ৰধান উদ্যোগসমূহ আৰু সেইবোৰৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।

ষষ্ঠ শ্ৰেণীত তোমালোকে ভাৰতৰ অৱস্থিতি সম্পৰ্কে পাই আহিছা। ভাৰত গণৰাজ্যৰ এটা অংগ হ'ল উত্তৰ-পূব ভাৰত। ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত সাতখন ৰাজ্যক একেলগে উত্তৰ-পূব ভাৰত বা ভাৰতৰ উত্তৰ-পূব অঞ্চল বুলি কোৱা হয়। উত্তৰ-পূব ভাৰতৰ এই সীমামূৰীয়া অঞ্চলটো পুবা-পশ্চিমাকৈ প্ৰায় ৮৫০ কিল'মিটাৰ আৰু উত্তৰ-দক্ষিণাকৈয়ো প্ৰায় ৮৫০ কিল'মিটাৰ বিস্তৃত। ইয়াৰ সৰ্বমুঠ মাটিকালি ২৬২,১৭৯ বৰ্গ কিল'মিটাৰ। উত্তৰ-পূবৰ বৰ্তমানৰ ৰাজ্যসমূহৰ অধিকাংশই এসময়ত একেটা প্ৰশাসনীয় গোটৰ অধীনত আছিল। পৰৱৰ্তী কালত এইসমূহে বেলেগ বেলেগ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। ২০০২ চনত উত্তৰ-পূবত চামিল হোৱা অষ্টম খন ৰাজ্য হৈছে চিকিম।


## জানি থওঁ আহা ঃ

মণিপুৰ আৰু ত্ৰিপুৰাৰ বাহিৰে উত্তৰ-পূব ভাৰতৰ বাকী ৰাজ্যবোৰ এসময়ত একেটা প্ৰশাসনীয় গোটৰ অধীনত আছিল। অৱশ্যে এই দুই ভূখণ্ড অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশৰপৰা মূল ভূখণ্ডৰ সৈতে সাঙোৰ খাই আছিল। পাছলৈ এইবোৰে বেলেগ ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে।

| ৰাজ্যৰ নাম | পৃথক হোৱাৰ বৰ্ষ |
|---|---|
| নাগালেণ্ড | ১৯৬৩ |
| মিজোৰাম | ১৯৭২ |
| মেঘালয় | ১৯৭২ |
| নেফা (NEFA) (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) | ১৯৬৩ (অৰুণাচল প্ৰদেশ হিচাপে স্বীকৃতি ১৯৭২) |

২০° উত্তৰ অক্ষাংশ আৰু ২৯°৩০′ উত্তৰ অক্ষাংশৰ মাজত আৰু ৮৯°৪৬′ পূব দ্ৰাঘিমাংশৰপৰা ৯৭°৩০′ পূব দ্ৰাঘিমাংশৰ ভিতৰত উত্তৰ-পূব ভাৰত অৱস্থিত। এই ভূখণ্ডক উত্তৰ দিশত হিমালয়, পূব আৰু দক্ষিণ দিশত ক্ৰমে পাটকাই আৰু নগা পাহাৰে আগুৰি আছে (চিত্ৰ ৮.১)চিকিম২৭°০৪′উত্তৰ অক্ষাংশৰপৰা২৮°০৭′ উত্তৰ অক্ষাংশলৈ

আৰু ৮৮°′ পূব দ্ৰাঘিমাংশৰপৰা ৮৮°৫৫′ পূব দ্ৰাঘিমাংশৰ মাজত অৱস্থিত। এই ৰাজ্যখন উত্তৰ-পূব ভাৰতৰ মুঠ সাতখন ৰাজ্যৰপৰা পশ্চিমত পৃথকে আছে।




*চিত্ৰ ঃ ৮.১ মানচিত্ৰ*

উত্তৰ-পূব ভাৰতক তিনিওফালে পৰ্বত আৰু পাহাৰে আবৰি আছে। পশ্চিম ফালৰ ঠেক সমতল অংশটোৱে উত্তৰ-পূব অঞ্চলক ভাৰত ভূখণ্ডৰ সৈতে সংযোগ কৰিছে। এই অংশটো প্ৰায় ২২ কিল'মিটাৰ বহল। এই অংশটোক চিকেন নেক (Chicken Neck) বুলি কোৱা হয়।

## উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ উল্লেখযোগ্য পৰ্যটন স্থল ঃ

| ৰাজ্য | মুঠ মাটিকালি (বঃকিঃ) | জিলাৰ সংখ্যা | ৰাজধানী | পৰ্যটন স্থল |
|---|---|---|---|---|
| অসম | ৭৮,৪৩৮ | ৩৪ | দিছপুৰ | কাজিৰঙা, শিৱসাগৰ |
| অৰুণাচল | ৮৩,৭৪৩ | ১৬ | ইটানগৰ | টাৱাং, তেজু |
| মণিপুৰ | ২২,৩২৭ | ১৬ | ইম্ফল | ঠৌবাল, উখৰুল, লকটক হ্ৰদ |
| মিজোৰাম | ২১,০৮১ | ১১ | আইজল | লুঙলেই |
| মেঘালয় | ২২,৮২৯ | ১১ | শ্বিলং | চেৰাপুঞ্জী, উমিয়াম হ্ৰদ, এলিফেণ্ট জলপ্ৰপাত |
| নগালেণ্ড | ১৬,৫৭৯ | ১২ | কহিমা | জাফো শৃংগ, জুকু ভেলী |
| ত্ৰিপুৰা | ১০,৪৮৬ | ৮ | আগৰতলা | নীৰমহল প্ৰসাদ |
| চিকিম | ৭,০৯৬ | ৪ | গেংটক | নাথুলা পাছ, চমগো হ্ৰদ |

## ভৌগোলিক বৈশিষ্ট্য ঃ

প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যৰ ফালৰপৰা উত্তৰ-পূব ভাৰতৰ অৱস্থিতি বৈশিষ্ট্যপূৰ্ণ। এই অঞ্চলৰ পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদ-নদী, উপত্যকা, জলাহ, খাল-বিল, চৰ-চাপৰি আদি উল্লেখযোগ্য ভূঅৱয়ব।


ভূ প্ৰাকৃতিক দিশৰপৰা উত্তৰ-পূব ভাৰতক তিনিভাগত ভাগ কৰিব পাৰি। মালভূমি অঞ্চল, পাৰ্বত্য অঞ্চল আৰু সমভূমি অঞ্চল। পাৰ্বত্য অঞ্চলক আকৌ উচ্চ পাহাৰীয়া আৰু পাহাৰীয়া অঞ্চল হিচাপে ভাগ কৰিব পাৰি।

**মালভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ ভিতৰত মেঘালয় মালভূমি আৰু অসমৰ কাৰ্বি মালভূমিয়েই প্ৰধান। মেঘালয় মালভূমিৰ ভিতৰত গাৰো-খাছী পাহাৰ অন্তৰ্ভুক্ত। আনহাতে, কাৰ্বি মালভূমিৰ ভিতৰত হামৰেণ পাহাৰ, কাৰ্বি ৰেংমা পাহাৰ অন্তৰ্গত। এই দুই মালভূমি এসময়ত একেলগে সংযুক্ত হৈ আছিল যদিও কালক্ৰমত কপিলী আৰু ধনশিৰি নদীৰ ক্ষয় কাৰ্যৰ ফলত মেঘালয় আৰু কাৰ্বি মালভূমি পৃথক হৈ পৰিছে।

**পাৰ্বত্য অঞ্চল ঃ** সমগ্ৰ অৰুণাচল প্ৰদেশ হিমালয় পৰ্বতমালাৰ অন্তৰ্ভুক্ত। ইয়াৰ উত্তৰ অংশৰ উচ্চতা বেছি। শীতকালত এই অঞ্চলটোৰ ওপৰভাগ বৰফেৰে ঢাক খাই থাকে। ইয়াৰ পাহাৰসমূহ পুবা-পশ্চিমকৈ প্ৰায় সমান্তৰালভাৱে বিস্তৃত হৈ আছে। সেইদৰে পূৰ্ব দিশত অৱস্থিত নাগালেণ্ড, অসমৰ কাৰ্বি পাহাৰ, মণিপুৰৰ বিস্তৃত এলেকা পাহাৰেৰে আবৃত। ইয়াৰ ভিতৰত পাটকাই পাহাৰ, বৰাইল পাহাৰ আদিয়েই প্ৰধান। মিজোৰামতো বহুতো পাহাৰ বিস্তৃত হৈ আছে।

**সমভূমি অঞ্চল ঃ** উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ ব্ৰহ্মপুত্ৰ সমভূমি, বৰাক সমভূমি, মণিপুৰ সমভূমি আৰু পশ্চিম ত্ৰিপুৰা সমভূমিয়েই প্ৰধান।

উত্তৰ-পূবৰ ভূঅৱয়বৰ এই ভাগ তিনিটাৰ লগতে এই ভূখণ্ডত প্ৰবাহিত হৈ থকা অসংখ্য নদ-নদী, উপনৈসমূহ আৰু হ্ৰদ তথা নদীদ্বীপ আদি অৱয়ব বিৰাজমান।




*চিত্ৰ ঃ ৮.২ মানচিত্ৰ*

**উত্তৰ লিখা ঃ**

- উত্তৰ-পূব ভাৰতৰ মূল প্ৰাকৃতিক বিভাগ কেইটা আৰু কি কি?
- কাৰ্বি মালভূমি কোন ৰাজ্যত অৱস্থিত?
- উত্তৰ-পূবৰ সমভূমিবোৰৰ নাম লিখা।

**শুদ্ধ উত্তৰ লিখা ঃ**

(ক) মেঘালয় সমভূমি/মালভূমি।

(খ) ধনশিৰি আৰু কপিলী নদীয়ে কাৰ্বি মালভূমি আৰু মেঘালয় মালভূমিক সংযোগ/ভাগ কৰিছে।

**উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ কেইটামান ভৌগোলিক তথ্য—**

| ৰাজ্য | প্ৰধান পাহাৰ | প্ৰধান শৃংগ | প্ৰধান নদ-উপনদী |
|---|---|---|---|
| অসম | উত্তৰ কাছাৰ আৰু কাৰ্বি পাহাৰ | বৰাইল পৰ্বতত থকা লাইকাই, থৈই পিবুং মহাদেয়, সিংহাসন | ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, জীয়া ভৰলী, মানাহ, বুঢ়ী দিহিং, ধনশিৰি, কপিলী, বৰাক আদি |
| অৰুণাচল | অকা পাহাৰ, ডফলা পাহাৰ, আবৰ, নংগন, চনবাম, আৰুখলা, মিচিমি, পাটকাই | কাংটো, কুলা কাংগেৰী, ছুমলাৰী | ছিয়াং, লুইত, সোৱণশিৰি, জীয়া ভৰলী |
| নাগালেণ্ড | পাটকাই পাহাৰ, নাগালেণ্ড পাহাৰ, বৰাইল পাহাৰ | ছাৰামাটি শৃংগ, জাপফ' | ঝুমকি, দয়াং, টিজু |
| মণিপুৰ | পাটকাই পাহাৰ, মণিপুৰ পাহাৰ | মাউন্ট টেনিপ চিৰই, মায়েংবুং, লেইবাট | বৰাক, ইম্ফল, ইৰিল |
| ত্ৰিপুৰা | জামপাই পাহাৰ, চাখনি পাহাৰ, লানচটৰ পাহাৰ | | গোমতী, ঢলাই, মুহুৰি, ফেনি |
| মিজোৰাম | মিজো পাহাৰ, আৰাকান-য়'মা পাহাৰ | ব্লু মাউণ্টেইন (ফাবাপুই) | কালাদন, টুইভাই সোণাই, টলং, লংগাই |
| মেঘালয় | গাৰো পাহাৰ, খাছী পাহাৰ, জয়ন্তীয়া পাহাৰ | শ্বিলং, নক্ৰেম | উমট্ৰু (ডিগাৰু), উমিয়াম (বৰাপানী), সোমেশ্বৰী, দুধনৈ। |

(* মেঘালয় আৰু কাৰ্বি মালভূমিৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে।)

## উত্তৰ-পূব ভাৰতৰ জলবায়ু

উত্তৰ-পূব ভাৰতৰ দক্ষিণ দিশত থকা ত্ৰিপুৰা আৰু মিজোৰামৰ মাজেদি কৰ্কটক্ৰান্তি ৰেখাডাল পাৰ হৈ গৈছে। সেইবাবে এই অঞ্চল ক্ৰান্তীয় জলবায়ুৰ অন্তৰ্গত। ইয়াত মৌচুমী বায়ুৰ প্ৰভাৱত প্ৰচুৰ পৰিমাণে বৰষুণ হয়। ইয়াৰ জলবায়ু গৰম আৰু সেমেকা তথা আৰ্দ্ৰতাও বেছি। কিন্তু শীতকালি বতৰ কিছু শুকান হৈ থাকে।

উত্তৰ-পূব ভাৰতৰ জলবায়ু প্ৰধানকৈ তলত দিয়া কাৰকসমূহৰ দ্বাৰা প্ৰভাৱান্বিত।

১। অঞ্চলটোত থকা পাহাৰ, মালভূমি আৰু পৰ্বতসমূহৰ অৱস্থিতি।

২। বঙ্গোপসাগৰৰ ওপৰত বিভিন্ন ঋতুত সৃষ্টি হোৱা চাপৰ তাৰতম্য।

৩। দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু উত্তৰ-পূব মৌচুমী বতাহৰ প্ৰভাৱ।

৪। এই অঞ্চলৰ বিস্তৃত জলৰাশি আৰু বনাঞ্চলসমূহ।

৫। স্থানীয়ভাৱে সৃষ্টি হোৱা ঘূৰ্ণীবতাহ আদি।

**ক্ৰিয়াকলাপ ঃ**

- উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত গ্ৰীষ্মকালি কিয় প্ৰচুৰ বৰষুণ হয়? এই অঞ্চলৰ জলবায়ুক প্ৰভাৱিত কৰা কাৰকসমূহ উল্লেখ কৰা।

## উত্তৰ-পূব ভাৰতৰ জনসংখ্যা ঃ

উত্তৰ-পূব ভাৰতৰ জনগাঁথনি সম্পৰ্কে জানিবলৈ হ'লে আমি অতীজৰেপৰা এই অঞ্চললৈ হোৱা জন প্ৰব্ৰজন সম্পৰ্কে জনাটো **দৰকাৰ**। অনুমান কৰা হৈছে যে, উত্তৰ-পূব ভাৰতলৈ অষ্ট্ৰ'**এষ্ট্ৰিয়সকলেই** প্ৰথমে দক্ষিণ-পূব এছিয়াৰ পৰা আহিছিল। তেওঁলোক বৰ্তমানৰ মেঘালয়ৰ খাছীসকল আৰু মধ্য ভাৰতৰপৰা অহা মুণ্ডা, হো, চাঁৱৰা, ওৰাং, গোণ্ড আদি চাহ জনগোষ্ঠীৰ লোকসকল। দ্বিতীয়তে, তিৰ্বতীয় চীনা ভাষীক গোষ্ঠীৰ লোকসকল এই অঞ্চলত প্ৰৱেশ কৰে। বৰ্তমান অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু অসমত বসবাস কৰা মংগোলীয় প্ৰজাতিৰ লোকসকল ইয়াৰ উদাহৰণ। এওঁলোক ক্ৰমে মিছিং, বড়ো, কাচিম, কুকী-চীন আদি লোকসকল। আনহাতে একে গোষ্ঠীৰে কিছু লোক ব্ৰহ্মদেশৰ চীন অঞ্চলৰপৰা আহি উজনি অসমত বাস কৰিবলৈ লয়। তেওঁলোক হ'ল বৰ্তমানৰ আহোম আৰু টাইসকল। তৃতীয়তে, ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ লোকসকল ক্ৰমে ভাৰতৰ সমভূমি অঞ্চলৰপৰা অহা হিন্দু আৰু থলুৱা মুছলমানসকল, নেপালৰপৰা অহা নেপালীসকল। ইয়াৰ উপৰি পূৰ্ববংগ(পৰৱৰ্তী সময়ত পূব পাকিস্তান আৰু বৰ্তমান বাংলাদেশ)ৰপৰা অহা প্ৰব্ৰজনকাৰী মুছলমান আৰু হিন্দুসকল এই ইণ্ডো ইউৰোপীয় জনগোষ্ঠীৰ অন্তৰ্গত। এই আটাইবোৰ জনপ্ৰবাহ একে সময়তে হোৱা নাছিল। বৰঞ্চ ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন কাৰণত এনে জনগোষ্ঠীৰ আগমন ঘটিছিল। অসম আৰু ত্ৰিপুৰাত এই লোকসকল বাস কৰা দেখা যায়। কালক্ৰমত প্ৰায় সকলো জনগোষ্ঠীৰ মাজতে সংমিশ্ৰণ ঘটিছে। তাৰ উপৰি স্বাধীনতাৰ আগত বৃটিছসকলে উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহত বাণিজ্য আৰু প্ৰশাসনীয় কাম-কাজ চলোৱাৰ সুবিধাৰ বাবে কিছুসংখ্যক লোকক ভাৰতৰ অন্যান্য ঠাইৰপৰা এই অঞ্চললৈ আনিছিল। তাৰ ভিতৰত চাহ বনুৱা আৰু বঙালী সম্প্ৰদায়ৰ লোকেই প্ৰধান। বঙালী সম্প্ৰদায়ৰ লোকসকল বৰ্তমান ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ লগতে অন্যান্য ৰাজ্যসমূহত সিঁচৰতি হৈ আছে।

ইয়াৰোপৰি, সময়ে সময়ে হিন্দী ভাষী, বিহাৰী আৰু মাৰোৱাৰীসকল আৰু নেপালৰপৰা অহা গোৰ্খালোকসকল এই অঞ্চলৰ বিভিন্ন ঠাইত থিতাপি লয়। হিন্দী ভাষীসকল ব্যৱসায়-বাণিজ্য আৰু নেপালীসকল থাঁহনি থকা অঞ্চলবোৰত পশুপালন বৃত্তি আৰু কৃষি কাৰ্যৰ সৈতে জড়িত হয়।

উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ জনসংখ্যা অঞ্চল ভেদে কম-বেছি হোৱা দেখা যায়। ইয়াৰ কাৰণ, ভৌগোলিক তথা অৰ্থনৈতিক যদিও প্ৰধান কাৰণ হ'ল **জনপ্ৰব্ৰজন**। অসম, ত্ৰিপুৰা আৰু মণিপুৰ ৰাজ্যত জনসংখ্যা বৃদ্ধি হোৱাৰ কাৰণ হ'ল ইয়াত থকা সাৰুৱা মাটি আৰু বিভিন্ন সম্পদসমূহ, যেনে— চাহ শিল্প, তৈলক্ষেত্ৰ, নদীৰ সাৰুৱা কৃষিভূমি, ইত্যাদি। এই ৰাজ্যসমূহৰ ভিতৰত অসমৰ জনসংখ্যা আটাইতকৈ বেছি।

## উত্তৰ-পূব ভাৰতৰ ৰাজ্যবোৰৰ জনসংখ্যা বিতৰণ ঃ

| ৰাজ্য | জনসংখ্যা | ঘনত্ব প্ৰতি বৰ্গ কিঃ মি | পুৰুষ-মহিলাৰ অনুপাত* |
|---|---|---|---|
| অসম | ৩,১১,৬৯,২৭২ | ৩৯৭ | ৯৫৪ |
| অৰুণাচল | ১৩,৮২,৬১১ | ১৭ | ৯২০ |
| নাগালেণ্ড | ১৯,৮০,৬০২ | ১১৯ | ৯৩১ |
| মণিপুৰ | ২৭,২৯,৭৫৬ | ১২২ | ৯৮৭ |
| মিজোৰাম | ১০,৯১,০১৪ | ৫২ | ৯৭৫ |
| ত্ৰিপুৰা | ৩৬,৭১,০৩২ | ৩৫০ | ৯৬১ |
| মেঘালয় | ২৯,৬৪,০০৭ | ১৩২ | ৯৮৬ |
| চিকিম | ৬,০৭,৬৮৮ | ৮৬ | ৮৮৯ |

* প্ৰতি ১০০০ পুৰুষৰ বিপৰীতে মহিলাৰ সংখ্যা।

উৎস ঃ ২০১১ চনৰ লোকপিয়লৰ তৰ্থ (Provisional) তথ্য।

**উত্তৰ লিখা ঃ**

- উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যত জনসংখ্যা আটাইতকৈ বেছি লিখা।
- "উত্তৰ-পূব ভাৰতত দিনক দিনে জনসংখ্যা বৃদ্ধি পাই আহিছে"— দুটা কাৰণ উল্লেখ কৰা।
- উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যৰ জনসংখ্যাৰ ঘনত্ব সৰ্বনিম্ন ?

## উত্তৰ-পূব ভাৰতৰ কৃষি ঃ

উত্তৰ-পূব ভাৰতৰ অধিকাংশ লোকেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ কাৰণ হ'ল— এই অঞ্চলৰ মাটি সাৰুৱা, বৰষুণৰ পৰিমাণ বেছি আৰু জলবায়ুও কৃষিৰ বাবে উপযোগী। এই অঞ্চলত উদ্যোগৰ সংখ্যা কম হোৱা বাবে অধিক সংখ্যক মানুহ কৃষিজীৱী। আকৌ ব্যৱসায়-বাণিজ্যৰ সুবিধাও সীমিত। এই অঞ্চলৰ কৃষিৰ প্ৰধান বৈশিষ্ট্যসমূহ হ'ল—

১। কৃষিৰ বাবে মাটি কম।

২। বৰষুণৰ ওপৰত অধিক নিৰ্ভৰশীল, কাৰণ জলসিঞ্চনৰ সুবিধা কম।

৩। কৃষি পদ্ধতি উন্নত নহয়।

৪। বানপানীৰ প্ৰভাৱ।

৫। পাহাৰীয়া অঞ্চলত খেতিৰ মাটি কম।

ইয়াত বছৰৰ বিভিন্ন সময়ত বিভিন্ন তৰহৰ কৃষিজাত সামগ্ৰী উৎপাদন হয়, সেই অনুসৰি সামগ্ৰীসমূহক খাৰিফ শস্য, ৰবি শস্য আৰু জায়দ শস্য হিচাপে ভাগ কৰা হৈছে।

সমভূমি অঞ্চলত থকা ৰাজ্যকেইখন কৃষিৰ ক্ষেত্ৰত আগবঢ়া। আনহাতে পাহাৰীয়া ৰাজ্যকেইখনত স্থানান্তৰিত খেতি (ঝুম খেতি) কৰা হয়। কাৰণ পাহাৰীয়া অঞ্চলৰ পথাৰত পানী জমা কৰি ৰাখিব নোৱাৰি। ইয়াত কিছু পৰিমাণে বেদিকা কৃষিও কৰা হয়। পাহাৰৰ এঢলীয়া মাটিত খাপ কাটি বেদিকা কৃষি কৰে। পাহাৰ আৰু সমভূমি অঞ্চলৰ এঢলীয়া মাটিত চাহ, ৰবৰ আদিৰ দৰে ৰোপণ কৃষিও কৰা হয়।

### উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ কৃষিভূমি আৰু প্ৰধান শস্য ঃ

| ৰাজ্য | কৃষি ভূমি (হেক্টৰ) | প্ৰধান শস্য |
|---|---|---|
| অসম | ২,৮৮৮.০ | ধান, মাহ, মৰাপাট, কপাহ, কুঁহিয়াৰ, চাহ, ৰবৰ |
| অৰুণাচল | ১৮৪.০ | ধান, ঘেঁহু, মৰাপাট, মাকৈ, সৰিয়হ, কুঁহিয়াৰ, চাহ, আদা |
| মণিপুৰ | ১৬৪.০ | ধান, মাহ, মাকৈ, কুঁহিয়াৰ, ৰবৰ |
| নাগালেণ্ড | ২১১.০ | ধান, মাহ, মাকৈ, কুঁহিয়াৰ, মৰাপাট |
| মিজোৰাম | ৬১.০ | ধান, মাহ, কপাহ, কুঁহিয়াৰ, ৰবৰ |
| মেঘালয় | ১৩১.০ | ধান, মাহ, ঘেঁহু, মৰাপাট, সৰিয়হ, কপাহ, ৰবৰ |
| ত্ৰিপুৰা | ২৫৪.০ | ধান, মাহ, ঘেঁহু, কপাহ, মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, চাহ |
| | মুঠ ঃ ৩৮৯৩.০ | |

#### ক্ৰিয়াকলাপ ঃ

- উত্তৰ-পূব ভাৰতৰ কৃষিজাত শস্যক প্ৰধানকৈ কি কি ভাগত ভগোৱা হয়? উত্তৰ -পূব ভাৰতৰ কৃষিত প্ৰভাৱ পেলোৱা কাৰকসমূহ লিখি উলিওৱা।

### উত্তৰ-পূব ভাৰতৰ উদ্যোগ ঃ

ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত এই অঞ্চল কৃষিজ, বনজ আৰু খনিজ সম্পদত চহকী যদিও উদ্যোগৰ ক্ষেত্ৰত পিচপৰা। উত্তৰ-পূবৰ সাতখন ৰাজ্যৰ ভিতৰত তুলনামূলকভাৱে অসমেই উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া।

### উত্তৰ-পূব ভাৰতৰ প্ৰধান উদ্যোগসমূহ ঃ

| | | |
|---|---|---|
| তেল শোধনাগাৰ | ঃ | অসমৰ ডিগবৈ, নুনমাটি, বঙাইগাঁও, নুমলিগড়। |
| পেট্ৰ' ৰাসায়নিক প্ৰকল্প | ঃ | নামৰূপ, বঙাইগাঁও। |
| গ্ৰেছ ক্ৰেকাৰ | ঃ | ৰবৰৰূৱাৰ লেপেতকটা (ডিব্ৰুগড় জিলা)। |
| চিমেণ্ট উদ্যোগ | ঃ | বোকাজান, উমৰাংচু, বামুণগাঁও, সোণাপুৰ; মণিপুৰৰ হাংডং; অৰুণাচলৰ তেজু; মেঘালয়ৰ চেৰাপুঞ্জী, চিজো, গাৰো পাহাৰ, জয়ন্তীয়া; নগালেণ্ডৰ বাজে। |
| সাৰ কাৰখানা | ঃ | অসমৰ নামৰূপত আছে। |
| কাগজ উদ্যোগ | ঃ | অসমৰ যোগীঘোপা, জাগীৰোড, বদৰপুৰ; মিজোৰামৰ বৈৰবী; ত্ৰিপুৰাৰ কুমাৰঘাট আৰু নগালেণ্ডৰ তুলি। |
| প্লাইউড ফেক্টৰী | ঃ | অসমৰ মাৰ্ঘেৰিটা, মৰিয়নী, তিনিচুকীয়া; মিজোৰামৰ ভৈৰবী; মেঘালয়ৰ বৰ্ণিহাট আৰু নগালেণ্ডৰ তিজিত। |

| | | |
|---|---|---|
| পাট-মুগা শিল্প | ঃ | অসমৰ শুৱালকুছি, পলাশবাৰী, ৰহা। |
| চেনি উদ্যোগ | ঃ | অসমৰ গোলাঘাট, কৰিমগঞ্জ, নগাঁও। |
| বাঁহ-বেত ভিত্তিক উদ্যোগ | ঃ | আটাইকেইখন ৰাজ্যতে আছে। |
| কাঁহ-পিতলৰ উদ্যোগ | ঃ | অসমৰ হাজো, সৰ্থেবাৰী। |
| মৃৎশিল্প উদ্যোগ | ঃ | অসমৰ ধুবুৰী জিলাৰ আশাৰীকান্দি, মৰিগাঁও জিলাৰ ধৰমতুল অঞ্চল, গোৱালপাৰা জিলাৰ ডুবাপাৰা, মৰনৈ, ইত্যাদি। |

উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনত পৰ্যটন উদ্যোগৰ বিকাশৰ যথেষ্ট সম্ভাৱনা আছে যদিও বিভিন্ন সমস্যাৰ বাবে ই সফল উদ্যোগ হিচাপে গঢ়ি উঠিব পৰা নাই। উদাহৰণস্বৰূপে, অসমৰ ইতিহাস প্ৰসিদ্ধ ঠাইসমূহ (যেনে— তেজপুৰ, হাজো, শিৱসাগৰ আদি), অভয়াৰণ্য তথা বনাঞ্চলসমূহ (যেনে — মানাহ, পবিতৰা আদি), বিভিন্ন কুটিৰ শিল্প, মৃৎশিল্পৰ ঠাইসমূহ (যেনে—শুৱালকুছি, আশাৰীকান্দি আদি)ত পৰ্যটন উদ্যোগৰ সম্ভাৱনীয়তা যথেষ্ট বেছি। সেইদৰে মেঘালয়ৰ চেৰাপুঞ্জী, অৰুণাচলৰ টাৱাং, ব'মডিলা, পৰশুৰামকুণ্ড, মণিপুৰৰ লোগটক হ্ৰদ, চিৰৈ শৃংগ (অৰ্কিডৰ বাবে) আদি ঠাইসমূহৰ লেখীয়াকৈ উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্যতে পৰ্যটন উদ্যোগ গঢ়ি উঠাৰ পূৰ্ণ সম্ভাৱনা আছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- ভৌগোলিক আৰু সাংস্কৃতিকভাৱে উত্তৰ-পূব ভাৰত এক বৈচিত্ৰ্যময় অঞ্চল।
- ভৌগোলিক দিশৰপৰা এই অঞ্চলক তিনিটা প্ৰধান ভাগত কৰিব পাৰি।
- ব্ৰহ্মপুত্ৰ, বৰাক, মণিপুৰ আৰু ত্ৰিপুৰাৰ সমভূমি অঞ্চলেই উত্তৰ-পূব ভাৰতৰ প্ৰধান সমভূমি।
- মেঘালয় আৰু কাৰ্বি আংলং ইয়াৰ প্ৰধান মালভূমি।
- মৌচুমী জলবায়ুৰ প্ৰভাৱ এই অঞ্চলত বিৰাজমান।
- কৃষিৰ ওপৰতে অধিক সংখ্যক মানুহ নিৰ্ভৰশীল।
- এই অঞ্চল প্ৰাকৃতিক সম্পদত চহকী হ'লেও শিল্প-উদ্যোগত পিছপৰা।
- উত্তৰ-পূব ভাৰতত অৱস্থিত নদী দ্বীপ মাজুলী আৰু লগটক হ্ৰদ অঞ্চলটোৰ উল্লেখযোগ্য ভৌগোলিক অৱয়ব।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্যক আগতে নেফা বুলি জনা গৈছিল?

(খ) কোনখন ৰাজ্যৰ ঠেক সমভূমি অংশই উত্তৰ-পূব ভাৰতক ভাৰত ভূখণ্ডৰ লগত সংযোগ কৰিছে?

(গ) উত্তৰ-পূব ভাৰতৰ প্ৰধান নদী কেইখন আৰু কি কি?

(ঘ) পাহাৰীয়া অঞ্চলতকৈ সমভূমি অঞ্চল কৃষি কাৰ্যত আগবঢ়া কিয়?

(ঙ) উত্তৰ-পূব ভাৰতৰ কোনখন ৰাজ্য উদ্যোগৰ ক্ষেত্ৰত আগবঢ়া?

২। পাহাৰীয়া অঞ্চলত কেনে ধৰণে খেতি কৰা হয়? (৫০টা মান শব্দৰ ভিতৰত লিখা)

৩। খালী ঠাই পূৰণ কৰা—

(ক) উত্তৰ-পূব ভাৰতৰ সাতখন ৰাজ্যৰ মুঠ মাটিকালি ________ বৰ্গ কিল'মিটাৰ।

(খ) ভাৰতৰ উত্তৰ-পূব অঞ্চল ________ উত্তৰ অক্ষাংশৰ পৰা ________ উত্তৰ অক্ষাংশলৈকে বিস্তৃত।

(গ) উত্তৰ-পূব মৌচুমী বতাহ ________ কালত বয়।

(ঘ) উত্তৰ-পূব ভাৰতত মুঠতে ________ খন ৰাজ্য আছে।

ঙ) ________ উত্তৰ-পূব ভাৰতৰ একেবাৰে দক্ষিণ ফালে থকা ৰাজ্য।

৪। উত্তৰ-পূব ভাৰতৰ মানচিত্ৰ এখন আঁকি তলত দিয়াবোৰ যথাস্থানত বহুওৱা—

(ক) উত্তৰ-পূব ভাৰতৰ চাৰিসীমা

(খ) ব্ৰহ্মপুত্ৰ আৰু বৰাক নদী

(গ) অসম, মেঘালয়, মণিপুৰৰ ৰাজধানী

(ঘ) নামৰূপ সাৰ কাৰখানা

(ঙ) পৰ্যটন ক্ষেত্ৰ টাৱাং

# পাঠ ঃ ৯
# ভাৰতৰ জলবায়ু, প্ৰাকৃতিক উদ্ভিদ, কৃষি আৰু জনসংখ্যা

2HI1L9

**শিকনৰ ফলাফল ঃ**

- ভাৰতৰ জলবায়ু সম্পৰ্কে ধাৰণা কৰিব পাৰিব।
- ভাৰতৰ বিভিন্ন প্ৰকাৰৰ উদ্ভিজ্জ আৰু উদ্ভিদৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- কৃষি আৰু কৃষিভূমিৰ ব্যৱহাৰৰ ভিন্নতা সম্পৰ্কে জানিব পাৰিব।
- ভাৰতৰ জনসংখ্যাৰ বিতৰণ, জনসংখ্যাৰ বৃদ্ধি আৰু ঘনত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰিব।
- প্ৰধান মহানগৰীসমূহৰ জনসংখ্যা সম্পৰ্কে জানিব।

## জলবায়ু ঃ

ভাৰত এখন বিশাল দেশ। ইয়াৰ মুঠ মাটিকালি ৩২,৭৮,২৬৩ বৰ্গ কিল'মিটাৰ। দেশখনৰ বিশালতা, বেলেগ বেলেগ ভূ-প্ৰকৃতি, বিষুৱৰেখাৰ পৰা দূৰত্ব, উচ্চতাৰ পাৰ্থক্য, মৌচুমী বতাহ আদিৰ প্ৰভাৱে ইয়াৰ জলবায়ু নিৰ্ধাৰণ কৰিছে।

ভাৰতৰ মূল ভূভাগ ৮°৪´ উত্তৰৰপৰা ৩৭°৬´ উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত। ভাৰতৰ প্ৰায় সোঁমাজেদি কৰ্কটক্ৰান্তি ৰেখাডাল পাৰ হৈ গৈছে। এই ৰেখাৰ দক্ষিণে অৱস্থিত দক্ষিণ ভাৰতৰ ঠাইসমূহ গ্ৰীষ্মমণ্ডলৰ ভিতৰুৱা। ইয়াত উত্তৰ ভাৰতৰ তুলনাত সাধাৰণতে গৰম বেছি। এই ৰেখাৰ উত্তৰৰ ঠাইসমূহ সমমণ্ডলত পৰা বাবে জলবায়ু সমভাৱাপন্ন,অৰ্থাৎ অতি গৰমো নহয়, অতি ঠাণ্ডাও নহয়।

ভাৰতত পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, মৰুভূমি আদি বিভিন্ন ভূপ্ৰকৃতি থকা অঞ্চল আছে। এইবোৰে উচ্চতাৰ পাৰ্থক্য সৃষ্টি কৰিছে। এইবাবে একে অক্ষাংশতে অৱস্থিত হ'লেও স্থান ভেদে উষ্ণতা, বায়ুৰ চাপ, বৃষ্টিপাত, আৰ্দ্ৰতা আদিৰো পাৰ্থক্য হয়। ফলস্বৰূপে জলবায়ু বেলেগ হয়। আগ্ৰা আৰু দাৰ্জিলিং একে অক্ষাংশতে অৱস্থিত হ'লেও দাৰ্জিলিং উচ্চ পাহাৰ অঞ্চলত অৱস্থিত হোৱা বাবে আগ্ৰাতকৈ অধিক শীতল। দাক্ষিণাত্য মালভূমি গ্ৰীষ্মমণ্ডলৰ ভিতৰুৱা হ'লেও ইয়াৰ ভূ-প্ৰকৃতি মালভূমি হোৱা বাবে জলবায়ু সমভাৱাপন্ন। সাগৰৰ ওচৰত অৱস্থিত ঠাইবোৰত সাগৰীয় বতাহৰ প্ৰভাৱ পৰে। গ্ৰীষ্ম আৰু শীত উভয় কালতে তেনে ঠাইৰ তাপমাত্ৰা অধিক নহয়। সাগৰৰ পাৰত অৱস্থিত চহৰৰ জলবায়ু সমভাৱাপন্ন।

## মৌচুমী বতাহ ঃ

ভাৰতৰ জলবায়ু আটাইতকৈ বেছি প্ৰভাৱিত কৰিছে ইয়াৰ মৌচুমী বতাহে। ইয়াত গ্ৰীষ্ম আৰু শীতকালত দুই ধৰণৰ মৌচুমী বতাহ প্ৰবাহিত হয়। এই দুবিধ হৈছে- দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু উত্তৰ-পূব মৌচুমী বতাহ।

## দক্ষিণ-পশ্চিম মৌচুমী বতাহ ঃ

গ্ৰীষ্মকালত কৰ্কটক্ৰান্তি ৰেখাৰ ওপৰত সূৰ্যৰ ৰশ্মি লম্বভাৱে পৰে। ইয়াত বায়ু গৰম হৈ নিম্নচাপৰ সৃষ্টি কৰে। চিত্ৰ

নং (৯.১)লৈ চোৱা। এই অঞ্চললৈ ভাৰত মহাসাগৰৰ পৰা জলীয় ভাপপুষ্ট গধুৰ বায়ু বৈ আহে। এই বতাহৰ এটি সোঁতে অন্ধ্ৰপ্ৰদেশ, উৰিষ্যা আৰু পশ্চিমবংগত প্ৰৱেশ কৰে। আন এটি সোঁত বাংলাদেশৰ ওপৰেদি পাৰ হৈ অসমত প্ৰৱেশ কৰে। কৰমণ্ডল উপকূলীয় অঞ্চল, অসম, মেঘালয়, অৰুণাচল, পশ্চিমবংগ, চিকিম আদি স্থানসমূহত ইয়াৰ প্ৰভাৱত প্ৰচুৰ বৰষুণ হয়। মেঘালয়ৰ মৌচিনৰামত বছৰত ১২৫০ চেণ্টিমিটাৰ পৰ্যন্ত বৰষুণ হয়। আনফালে আৰব সাগৰৰ ওপৰেৰে উত্তৰলৈ গতি কৰা বতাহৰ এটি সোঁতে পশ্চিমঘাট পৰ্বতত খুন্দা মাৰে। এই বতাহৰ প্ৰভাৱত দক্ষিণ ভাৰতৰ মালাবাৰ উপকূল, কংকন উপকূল আৰু গুজৰাটৰ উপকূল অঞ্চলত বৰষুণ হয়।



*চিত্ৰ : ৯.১ দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু ইয়াৰ গতিপথ*

## উত্তৰ-পূব মৌচুমী বতাহ :

দক্ষিণ গোলাৰ্ধৰ মকৰক্ৰান্তি ৰেখাৰ ওপৰত সূৰ্যই অৱস্থান কৰা সময়ত ভাৰতত শীত কাল হয়। এই সময়ছোৱাত এই অঞ্চলৰ বায়ুত নিম্ন চাপৰ সৃষ্টি হয়। (চিত্ৰ নং ৯.২লৈচোৱা) এই সময়ত বিষুৱৰ উত্তৰে সূৰ্যৰ ৰশ্মি হেলনীয়া হৈ পৰে বাবে তাৰ বায়ুত উচ্চ চাপৰ সৃষ্টি হয়। ফলত উচ্চ চাপ অঞ্চলৰ শীতল বায়ু নিম্ন চাপ অঞ্চললৈ প্ৰবাহিত হয়। এনেদৰে সুদূৰ উত্তৰৰ ছাইবেৰীয়া অঞ্চলৰ উচ্চ চাপৰ বায়ু আহি হিমালয় অতিক্ৰম কৰি ভাৰতত প্ৰৱেশ কৰে। ভাৰতৰ উত্তৰ-পূব দিশৰপৰা বলা বাবে এই বতাহক উত্তৰ-পূব মৌচুমী বতাহ বোলে। ই শীতল আৰু শুকান। যেতিয়া বংগোপসাগৰৰ ওপৰেদি অগ্ৰসৰ হয়, তেতিয়া এই বতাহ জলীয় ভাপ পুষ্ট হয়। এই বতাহ দাক্ষিণাত্যৰ পূৰ্বঘাট (মালয়াদ্ৰী) পৰ্বতত বাধাপ্ৰাপ্ত হৈ কৰমণ্ডল উপকূলীয় অঞ্চলৰ ঘাইকৈ তামিলনাডু আৰু অন্ধ্ৰপ্ৰদেশৰ উপকূলীয় অংশত প্ৰচুৰ পৰিমাণে বৰষুণ দিয়ে।



*চিত্ৰ : (৯.২) উত্তৰ পূব মৌচুমী বতাহ আৰু ইয়াৰ গতিপথ*

### ক্ৰিয়াকলাপ :

- দক্ষিণ-পশ্চিম আৰু উত্তৰ-পূব মৌচুমী বতাহৰ মাজত থকা তিনিটা পাৰ্থক্য লিখা।

## ভাৰতবৰ্ষৰ বৃষ্টিপাত :

বছৰটোৰ বৃষ্টিপাতৰ গড় পৰিমাণৰ ভিত্তিত সিপিঠিত দিয়া ধৰণে ভাৰতক কেইটামান বৃষ্টিপাত অঞ্চলত ভাগ কৰিব পৰা যায়।

| বৃষ্টিপাত অঞ্চল (পৰিমাণৰ ভিত্তিত) | বাৰ্ষিক বৃষ্টিপাতৰ পৰিমাণ | বৃষ্টিপাত হোৱা ঠাইসমূহৰ নাম |
|---|---|---|
| অত্যধিক বৃষ্টিপাত হোৱা অঞ্চল | বৃষ্টিপাতৰ পৰিমাণ ২০০ চেন্টিমিটাৰৰ অধিক | পশ্চিম উপকূলীয় অঞ্চল— থিৰুবানন্তপুৰমৰ পৰা মুম্বাইলৈ, অসম, মেঘালয়, নগালেণ্ড, মিজোৰাম, অৰুণাচল প্ৰদেশ, চিকিম, মণিপুৰ, ত্ৰিপুৰাৰ কিছু অংশ, পশ্চিমবংগৰ উত্তৰ-পূব ভাগ। |
| বেছি বৃষ্টিপাত হোৱা অঞ্চল | বৃষ্টিপাতৰ পৰিমাণ ১০০-২০০ চেন্টিমিটাৰৰ ভিতৰত | পশ্চিমঘাট (সহ্যাদ্ৰী) পৰ্বতৰ পূব অংশ, উত্তৰ ভাৰতৰ সমভূমি অংশ, উৰিষ্যা, মধ্যপ্ৰদেশ, উত্তৰ প্ৰদেশ, তামিলনাডু, জম্মু-কাশ্মীৰ, হিমাচল প্ৰদেশ ইত্যাদি। |
| কম বৃষ্টিপাত হোৱা অঞ্চল | বৃষ্টিপাতৰ পৰিমাণ ৫০-১০০ চেন্টিমিটাৰৰ ভিতৰত | গুজৰাট, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, ৰাজস্থানৰ পূবৰ অংশ, মধ্যপ্ৰদেশৰ পশ্চিমাংশ, পঞ্জাব, হাৰিয়ানা, উত্তৰ প্ৰদেশৰ অংশ বিশেষ। |
| অতি কম বৃষ্টিপাত হোৱা অঞ্চল | বৃষ্টিপাতৰ পৰিমাণ ৫০ চেন্টিমিটাৰ ভিতৰত | ৰাজস্থানৰ পশ্চিম অংশ, কচ্ছ আৰু লাডাখ। |

### তাপমাত্ৰা ঃ

কোনো এখন ঠাইৰ তাপমাত্ৰাৰ কি কি কাৰণত তাৰতম্য ঘটে তোমালাকে জানানে?

বতাহ, সূৰ্যৰ উত্তাপ, ঠাইখনৰ উচ্চতা, বিষুৱৰপৰা ঠাইখনৰ দূৰত্ব আদি কাৰকৰ প্ৰভাৱত ঠাই এখনৰ তাপমাত্ৰা কম-বেছি হয়। মৌচুমী বতাহৰ প্ৰভাৱত হোৱা বৃষ্টিপাতে ভাৰতৰ বেছিভাগ ঠাইৰ তাপমাত্ৰা প্ৰভাৱিত কৰিছে।

**ক্ৰিয়াকলাপ ঃ**

- ঠাই এখনৰ তাপমাত্ৰা কি কি কাৰকৰ প্ৰভাৱত কম-বেছি হয়, লিখা।

নৱেম্বৰৰপৰা ভাৰতবৰ্ষৰ স্থানসমূহত তাপমাত্ৰা হ্ৰাস হ'বলৈ ধৰে। নৱেম্বৰৰপৰা মাৰ্চ মাহলৈ এই সময়ছোৱাত গংগাৰ উপত্যকা অঞ্চলৰ তাপমাত্ৰা আন অঞ্চলতকৈ তুলনামূলকভাৱে হ্ৰাস পায়। দক্ষিণ ভাৰতৰ স্থানসমূহত উত্তৰ ভাৰতৰ তুলনাত এই সময়ত তাপমাত্ৰা কিছু অধিক হৈ থাকে।

মাৰ্চৰপৰা জুন মাহলৈ এই সময়ছোৱাত গোটেই ভাৰততে তাপমাত্ৰা বৃদ্ধি পায়। ৰাজস্থানৰ পশ্চিম অঞ্চলত তাপমাত্ৰা দেশৰ ভিতৰতে সৰ্বাধিক হয়। উত্তৰ ভাৰতৰ ঠাইবোৰৰ তুলনাত দক্ষিণ ভাৰতৰ তাপমাত্ৰা অধিক হয়।

জুনৰপৰা ছেপ্টেম্বৰ মাহৰ মাজ ভাগলৈ মৌচুমী বতাহৰ প্ৰভাৱত প্ৰচুৰ পৰিমাণে বৃষ্টিপাত হয়। ইয়াৰ ফলত ভাৰতৰ বিভিন্ন অঞ্চলত তাপমাত্ৰা কমি আহে আৰু উৎকট গৰম কিছু পৰিমাণে প্ৰশমিত হয়।

**জানি থওঁ আহাঁ ঃ**

ভাৰতক তাপমাত্ৰাৰ ভিত্তিত চাৰিটা প্ৰধান কাল বা ঋতুত ভাগ কৰিব পাৰি—

- নৱেম্বৰৰপৰা মাৰ্চ মাহলৈ — শীতকাল
- মাৰ্চৰপৰা জুন মাহলৈ — গ্ৰীষ্মকাল
- জুনৰপৰা ছেপ্টেম্বৰ মাহৰ মাজ ভাগলৈ — বৰ্ষা কাল
- ছেপ্টেম্বৰ মাজ ভাগৰপৰা নৱেম্বৰ মাহলৈ — শৰৎ কাল

ছেপ্টেম্বৰৰ মাজভাগৰপৰা নৱেম্বৰ মাহৰ মাজৰ সময়ছোৱাত ভাৰতৰ ওপৰত সূৰ্যৰ ৰশ্মি হেলনীয়াভাৱে পৰে। ইয়াৰ ফলত তাপমাত্ৰা হ্ৰাস হৈ জলবায়ু আৰামদায়ক হৈ উঠে।

## প্ৰাকৃতিক উদ্ভিদৰ বিতৰণ ঃ

একোটা পৰিৱেশত নিজে নিজে হোৱা উদ্ভিদসমূহেই প্ৰাকৃতিক উদ্ভিদ। সূৰ্যৰ তাপ, উষ্ণতা আৰু বৃষ্টিপাতৰ ভিন্নতা আৰু মাটিৰ গুণাগুণ অনুসাৰে অঞ্চল ভেদে বেলেগ বেলেগ প্ৰকাৰৰ উদ্ভিদ পোৱা যায়। সেয়েহে উত্তৰৰ হিমালয় পৰ্বতমালাৰপৰা দক্ষিণৰ উপকূললৈ এই বিশাল ভূভাগত আমি বেলেগ বেলেগ উদ্ভিদ দেখিবলৈ পাওঁ।



*চিত্ৰ ঃ ৯.৩ ভাৰতৰ প্ৰাকৃতিক উদ্ভিদৰ বিতৰণ*

**ক্ৰিয়াকলাপ ঃ**

- ভাৰতত আমি ঠাইভেদে কিয় বেলেগ বেলেগ উদ্ভিদ দেখিবলৈ পাওঁ? ভাবি চোৱা।

উত্তাপ আৰু বৃষ্টিপাতৰ তাৰতম্যৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষৰ প্ৰাকৃতিক উদ্ভিদসমূহক প্ৰধানতঃ ছটা ভাগত ভগাব পাৰি। সেইবোৰ হ'ল— (১) চিৰসেউজীয়া উদ্ভিদ (২) মৌচুমীয় উদ্ভিদ (৩) তৃণজাতীয় উদ্ভিদ (৪) কাঁইটীয়া মৰুজ উদ্ভিদ (৫) ব-দ্বীপীয় উদ্ভিদ আৰু (৬) পাৰ্বত্য উদ্ভিদ (চিত্ৰ ৯.৩)।

## (১) চিৰসেউজীয়া উদ্ভিদ ঃ

সাধাৰণতে যিবোৰ অঞ্চলত বৰষুণৰ পৰিমাণ ২০০ চেণ্টিমিটাৰৰ অধিক আৰু উষ্ণতা ২৫°-২৭° চেলচিয়াছ ভিতৰত থাকে, তেনে অঞ্চলত চিৰসেউজীয়া উদ্ভিদ পোৱা যায়। এনে উদ্ভিদসমূহ সাধাৰণতে গুল্ম শ্ৰেণীৰ গছ-গছনি। এইবোৰে ঘন অৰণ্যৰ সৃষ্টি কৰে। চিৰসেউজীয়া উদ্ভিদৰ পাত বছৰটোৰ বিভিন্ন সময়ত সৰি থাকে আৰু নতুন নতুন পাত ওলায়। ইয়াৰ বাবে এই অৰণ্যসমূহ চিৰসেউজীয়া হৈ থাকে। এনে অৰণ্যত শিশু, চন্দন, মেহগনি আদি গছ পোৱা যায়। এই শ্ৰেণীৰ উদ্ভিদসমূহ পশ্চিমঘাট পৰ্বতৰ পশ্চিমঢাল, উজনি অসম, অৰুণাচল, হিমালয়ৰ নামনি অংশ, মণিপুৰ আৰু মিজোৰামৰ পাৰ্বত্য অঞ্চল, আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ কিছু অংশত পোৱা যায় (চিত্ৰ ৯.৪)।


*চিত্ৰ ঃ ৯.৪ চিৰসেউজীয়া উদ্ভিদ*

## ২। মৌচুমীয় উদ্ভিদ ঃ

বছৰি ১০০ চেণ্টিমিটাৰৰপৰা ২০০ চেণ্টিমিটাৰ বৰষুণ হোৱা আৰু প্ৰায় ২৭° চেলচিয়াছ গড় উষ্ণতা থকা

অঞ্চলত এনেবিধ উদ্ভিদ পোৱা যায়। বৰ্ষাকালত বৰষুণৰ পৰিমাণ বঢ়াৰ বাবে সেই সময়ছোৱাত এই উদ্ভিদবোৰ বৃদ্ধি হয়। আনহাতে, শীতকালত মৌচুমীয় অঞ্চলত বৰষুণ আৰু উষ্ণতা কম হয় বাবে মাটি শুকান হৈ যায় আৰু গছৰ পাত সৰি পৰে। সেয়ে ইয়াক **পৰ্ণপাতী উদ্ভিদ** বুলিও কোৱা হয়। শাল, চেগুণ, শিশু, শিমলু, অৰ্জুন, বিভিন্ন প্ৰজাতিৰ বাঁহ মৌচুমীয় অঞ্চলৰ উল্লেখযোগ্য উদ্ভিদ। মৌচুমীয় উদ্ভিদৰ অৰণ্য ভাৰতৰ অধিকাংশ অঞ্চলত পোৱা যায়। অসম, বিহাৰ, পশ্চিমবংগ, উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশ, ছত্তিশগড়, ঝাৰখণ্ড, মধ্যপ্ৰদেশ, তামিলনাডু, পূৰ্বঘাট, পশ্চিমঘাটকে ধৰি দাক্ষিণাত্য মালভূমিৰ পুব অংশত পোৱা যায়। আন্দামান নিকোবৰ দ্বীপপুঞ্জত কিছু পৰিমাণে মৌচুমীয় উদ্ভিদ পোৱা যায়।

### (৩) তৃণজাতীয় উদ্ভিদ ঃ

বছৰি ৩০ চেণ্টিমিটাৰৰপৰা ১০০ চেণ্টিমিটাৰ বৰষুণ হোৱা ঠাইবোৰত তৃণ জাতীয় উদ্ভিদ পোৱা যায়। এই উদ্ভিদবোৰ সাধাৰণতে চাপৰ আৰু জোপোহা। ইয়াত ঘাঁহ আৰু কাঁইটীয়া উদ্ভিদেই প্ৰধান। উত্তৰ ভাৰতৰ পঞ্জাব, অন্ধ্ৰপ্ৰদেশৰ কিছু অংশ, ৰাজস্থানৰ একাংশ, কৰ্ণাটক আৰু মহাৰাষ্ট্ৰৰ অংশ বিশেষত এই শ্ৰেণীৰ উদ্ভিদ পোৱা যায় (চিত্ৰ ৯.৫)।



*চিত্ৰ ঃ ৯.৫ ছাভানা তৃণভূমি*

### (৪) কাঁইটীয়া মৰুজ উদ্ভিদ ঃ

মৰুভূমি বা মৰুপ্ৰায় অঞ্চলত য'ত বছৰি ৩০ চেণ্টিমিটাৰৰ কম বৰষুণ হয়, তেনে অঞ্চলতে কাঁইটীয়া মৰুজ, জোপোহা উদ্ভিদ গজে। কম বৃষ্টিপাত, অধিক উষ্ণতা আৰু বালিয়া মাটি হোৱা বাবে এই শ্ৰেণীৰ উদ্ভিদৰ প্ৰয়োজনীয় পানীৰ অভাৱ হয়। পানীৰ অভাৱ দূৰ কৰিবলৈ এনে শ্ৰেণীৰ উদ্ভিদৰ পাত-বহল নহৈ গোটা আৰু কাঁইটীয়া হয়। বিভিন্ন প্ৰকাৰৰ কেক্টাছ, খেজুৰ আদি এই শ্ৰেণীৰ উদ্ভিদ। মৰুজ উদ্ভিদ প্ৰধানকৈ ৰাজস্থানৰ পশ্চিম অংশৰ থৰ মৰুভূমি আৰু পঞ্জাবৰ দক্ষিণ-পশ্চিম অঞ্চলত পোৱা যায় (চিত্ৰ ৯.৬)।



*চিত্ৰ ঃ ৯.৬ কাঁইটীয়া মৰুজ উদ্ভিদ*

### (৫) বদ্বীপীয় উদ্ভিদ ঃ

এই শ্ৰেণীৰ উদ্ভিদ ব-দ্বীপীয় অঞ্চলত পোৱা যায়। বিশেষকৈ গংগা-ব্ৰহ্মপুত্ৰৰ ব-দ্বীপ সুন্দৰবন, মহানদী, গোদাবৰী, কৃষ্ণা, কাবেৰী নদীৰ ব-দ্বীপ অঞ্চল আৰু কচ্ছ উপসাগৰৰ-উপকূল অঞ্চলত এই উদ্ভিদ পোৱা যায়। সমুদ্ৰৰ কাষৰীয়া

অঞ্চলত জোৱাৰে জমা কৰা গেদ আৰু নদীয়ে জমা কৰা পলসুৱা মাটিৰ বাবে উপকূলৰ এনে ঠাই বিশেষে এই শ্ৰেণীৰ উদ্ভিদ গজে। সুন্দৰী, নাৰিকল, তাল আৰু জটাৰ দৰে শিপা থকা প্ৰজাতিৰ গছসমূহ এই শ্ৰেণীৰ উদ্ভিদ (চিত্ৰ ৯.৭)।



*চিত্ৰ ঃ ৯.৭ ব-দ্বীপীয় উদ্ভিদ*

### (৬) পাৰ্বত্য উদ্ভিদ ঃ



*চিত্ৰ ঃ ৯.৮ পাৰ্বত্য উদ্ভিদ*

পাৰ্বত্য অঞ্চলত উচ্চতা অনুযায়ী বেলেগ বেলেগ শ্ৰেণীৰ উদ্ভিদ পোৱা যায়। ভাৰতৰ হিমালয় অঞ্চলতো উচ্চতা অনুসৰি বেলেগ বেলেগ শ্ৰেণীৰ উদ্ভিদ পোৱা যায়। উচ্চতা অনুযায়ী হোৱা এনে উদ্ভিদসমূহ হ'ল—

| পাৰ্বত্য অঞ্চলৰ উচ্চতা | উচ্চতা অনুযায়ী হোৱা উদ্ভিদ |
|---|---|
| ১০০০ মিটাৰ উচ্চতা | শাল গছ, বাঁহ ইত্যাদি |
| ১০০০ মিটাৰ —২০০০ মিটাৰ | ওক, সৰল জাতীয় গছ |
| ১৬০০ মিটাৰ —৩৫০০ মিটাৰ | বিভিন্ন প্ৰজাতিৰ সৰল গছ |
| ৩৫০০ মিটাৰ —৫২০০ মিটাৰ | আলপাইন জাতীয় গছ |

পাৰ্বত্য উদ্ভিদ প্ৰধানকৈ পুব হিমালয় অঞ্চল, কাশ্মীৰ, হিমাচল প্ৰদেশ, উত্তৰাঞ্চল, চিকিম-হিমালয় অঞ্চলত পোৱা যায়।

## কৃষি ঃ

ভাৰত এখন কৃষি প্ৰধান দেশ। জলবায়ুৰ বৈশিষ্ট্য আৰু মাটিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন খেতি কৰা হয়। গংগা আৰু ব্ৰহ্মপুত্ৰ নদীৰ উপত্যকা অঞ্চল নদীৰ পলসুৱা মাটিৰে গঠিত। এই অঞ্চলত গ্ৰীষ্ম কালত বায়ুৰ উত্তাপ ২৫° চেলচিয়াছৰ অধিক হয়। আনহাতে বৰষুণো ১০০ চেণ্টিমিটাৰৰ অধিক। পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ আৰু অসম এই অঞ্চলৰ অন্তৰ্গত। ধান এই অঞ্চলৰ প্ৰধান কৃষিজাত সামগ্ৰী। বৃষ্টিপাত তুলনামূলকভাৱে কম হ'লেও পঞ্জাব আৰু হাৰিয়ানাত জলসিঞ্চনৰ সহায়ত প্ৰচুৰ পৰিমাণে ধান উৎপাদন হয়। ইয়াত উৎপাদিত ধান বিদেশলৈও ৰপ্তানি হয়। ইয়াৰ উপৰি উৰিষ্যাৰ মহানদী উপত্যকা, গোদাবৰী, কৃষ্ণা, কাৱেৰী নদীৰ মোহনা অঞ্চল আৰু কেৰালাত প্ৰচুৰ ধান খেতি কৰা হয়।

পঞ্জাব, হাৰিয়ানা, ৰাজস্থান আৰু উত্তৰ প্ৰদেশত শুকান জলবায়ু আৰু কম বৃষ্টিপাতৰ বাবে ঘেঁহুক মূল কৃষি হিচাপে লোৱা হৈছে। ইয়াৰ বাহিৰেও মধ্যপ্ৰদেশ, বিহাৰ, পশ্চিমবংগ আদি প্ৰদেশতো ঘেঁহু খেতি কৰা হয়।

মধ্য প্ৰদেশ আৰু গুজৰাটৰ দক্ষিণ অংশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ উত্তৰ অংশত অৱস্থিত ক'লা মাটি অঞ্চলত প্ৰচুৰ পৰিমাণে কপাহ খেতি কৰা হয়। ৰাজস্থান, মধ্যপ্ৰদেশ, পুব-মহাৰাষ্ট্ৰ, কৰ্ণাটক আৰু অন্ধ্ৰ প্ৰদেশৰ কিছু অংশত জোৱাৰ আৰু বজৰা খেতি কৰা হয়। দক্ষিণ ভাৰতৰ নীলগিৰি অঞ্চলৰ মাটিত কফি আৰু চাহ খেতি কৰা হয়। অসমৰ উত্তৰ আৰু উত্তৰ-পূব অঞ্চলৰ ওখ এটলীয়া মাটি, পশ্চিমবংগৰ দাৰ্জিলিং আদি অঞ্চলত চাহ খেতি কৰা হয়।

বিহাৰ, উত্তৰ প্ৰদেশ, পঞ্জাব ৰাজ্যৰ কিছু অংশত কুঁহিয়াৰ খেতি কৰা হয়। পশ্চিমবংগ, উৰিষ্যা আৰু অসমত ধানৰ উপৰি মৰাপাটৰ খেতি কৰা হয়। তদুপৰি, মধ্য ভাৰতৰ আটাইকেইখন ৰাজ্যতে বিভিন্ন প্ৰকাৰৰ মাহ আৰু মছলা জাতীয় শস্যৰ খেতি কৰা হয়। জম্মু-কাশ্মীৰত প্ৰচুৰ পৰিমাণে কমলা, আপেল, আঙুৰ আদি ফল-মূলৰ খেতি কৰা হয়। সমগ্ৰ পুব আৰু পশ্চিম উপকূলত নাৰিকল খেতি বহুলভাৱে কৰা হয়।




**ক্ৰিয়াকলাপ ঃ**

ভাৰতৰ মানচিত্ৰত তলত দিয়া শস্যসমূহৰ খেতি কৰা অঞ্চলবোৰত উল্লেখিত চিহ্ন বহুৱা—

(ক) ধান খেতিৰ অঞ্চল + + +

(খ) ঘেঁহু খেতিৰ অঞ্চল × × ×

(গ) চাহপাত উৎপাদিত অঞ্চল + + +

(ঘ) কপাহ উৎপাদিত অঞ্চল

(ঙ) নাৰিকল উৎপাদিত অঞ্চল

## জনসংখ্যা ঃ

জনসংখ্যাৰ আকাৰৰ ক্ষেত্ৰত ভাৰত পৃথিবীৰ ভিতৰত দ্বিতীয় বৃহত্তম দেশ। এখন দেশৰ উন্নয়নৰ মূল উপাদান হ'ল— সেই দেশৰ জনসংখ্যা। দেশৰ অৰ্থনৈতিক, সামাজিক আদি সমস্যাবোৰো জনসংখ্যাৰ ওপৰতে নিৰ্ভৰ কৰে। জনসংখ্যাৰ কথা বুজিবলৈ আমি আমাৰ ঘৰখনৰ কথাকে ক'ব পাৰো। সাধাৰণতে কোনো এটা পৰিয়ালত মানুহৰ সংখ্যাই সেই পৰিয়ালটোৰ জনসংখ্যা। একেদৰে পৰিয়ালৰপৰা আৰম্ভ কৰি গাঁও, নগৰ, মহকুমা, জিলা, ৰাজ্য আদিৰে গণনা কৰি দেশখনৰ জনসংখ্যা উলিওৱা হয়। থোৰতে কোনো এটা অঞ্চলত স্থায়ীভাৱে বসবাস কৰি থকা মানুহখিনিক সেই অঞ্চলটোৰ জনসংখ্যা হিচাপে ধৰা হয়।

## জনসংখ্যা বৃদ্ধি ঃ

কোনো এখন ঠাইৰ জনসংখ্যা সদায় একে নাথাকে। জনসংখ্যাৰ হ্ৰাস বা বৃদ্ধি হয়। জনসংখ্যাৰ এনে হ্ৰাস অথবা বৃদ্ধি হোৱাকে জনসংখ্যাৰ পৰিৱৰ্তন বোলা হয়। সাধাৰণতে কোনো এখন ঠাইৰ জনসংখ্যা বাঢ়ি যোৱাহে পৰিলক্ষিত হয়। কিন্তু কিছুমান প্ৰাকৃতিক কাৰণ, যেনে— প্ৰাকৃতিক দুৰ্যোগ, বিভিন্ন ৰোগ-ব্যাধি, যুদ্ধ-বিগ্ৰহ, মহামাৰী, স্থায়ীভাৱে ঠাইখন এৰি যোৱা আদিৰ বাবে কোনো এখন ঠাইৰ জনসংখ্যা সাময়িকভাৱে কমিবও পাৰে। আনহাতে কোনো ঠাইৰ জনসংখ্যা বৃদ্ধি নিৰ্ভৰ কৰে মূলতঃ জন্মৰ হাৰ, মৃত্যুৰ হাৰ আৰু প্ৰব্ৰজনৰ ওপৰত। সাধাৰণতে মৃত্যুৰ হাৰতকৈ যদি জন্মৰ হাৰ বেছি হয়, তেতিয়া জনসংখ্যা বাঢ়িবলৈ ধৰে। ২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ মুঠ জনসংখ্যা হ'ল- ১,২১০,১৯৩,৪২২ জন। যোৱা কুৰি শতিকাৰ আৰম্ভণিৰপৰা বৰ্তমানলৈকে ভাৰতৰ জনসংখ্যা বহুগুণে বৃদ্ধি পাইছে। সিপিঠিৰ তালিকাত ১৯০১ চনৰপৰা ২০১১ চনলৈ ভাৰতৰ জনসংখ্যাৰ বৃদ্ধিৰ হাৰ দেখুওৱা হৈছে—

| বছৰ | জনসংখ্যা (কোটি হিচাপত) | বৃদ্ধিৰ হাৰ |
|---|---|---|
| ১৯০১ | ২৩.৮৪ | |
| ১৯১১ | ২৫.২১ | +৫.৭৫ |
| ১৯২১ | ২৫.১৩ | -০.৩১ |
| ১৯৩১ | ২৭.৮৯ | +১১.০০ |
| ১৯৪১ | ৩১.৮৬ | +১৪.২২ |
| ১৯৫১ | ৩৬.১১ | +১৩.৩১ |
| ১৯৬১ | ৪৩.৯২ | +২১.৬৪ |
| ১৯৭১ | ৫৪.৮২ | +২৪.৮০ |
| ১৯৮১ | ৬৮.৬৩ | +২৪.৬৬ |
| ১৯৯১ | ৮৪.৬৩ | +২৩.৬৬ |
| ২০০১ | ১০২.৭০ | +২১.৬৪ |
| ২০১১ | ১২১.০১ | +১৫.০০ |

### ক্ৰিয়াকলাপ ঃ

ওপৰত দিয়া ভাৰতৰ জনসংখ্যা বৃদ্ধিৰ হাৰৰ তালিকাখনৰপৰা তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়া—

(ক) ১৯০১ চনৰপৰা ২০১১ চনলৈ ভাৰতৰ জনসংখ্যা কিমান বৃদ্ধি পাইছে?

(খ) তালিকাখনত কোন দুটা লোকপিয়লৰ ভিতৰত জনসংখ্যা হ্ৰাস হোৱা পৰিলক্ষিত হৈছে?

(গ) তালিকাখনৰ কোন দুটা লোকপিয়লৰ ভিতৰত জনসংখ্যা বৃদ্ধিৰ হাৰ আটাইতকৈ বেছি?

## জনসংখ্যাৰ বিতৰণ ঃ


জনসংখ্যা বৃদ্ধিৰ লগতে আন এটি মন কৰিবলগীয়া দিশ হ'ল জনসংখ্যাৰ বিতৰণ। ভাৰতৰ জনসংখ্যাৰ বিতৰণ সকলো ঠাইতে সমান নহয়। কোনো ঠাইত জনসংখ্যা বেছি আৰু আন কোনো ঠাইত জনসংখ্যা কম। সাধাৰণতে এখন ঠাইৰ জনবসতি বেছি বা কম হ'লে ঠাইখনত জনসংখ্যা ক্ৰমে বেছি বা কম হয়। আকৌ, কোনো ঠাইত জনবসতি বেছি বা কম হ'লে সেই ঠাইত জনসংখ্যাৰ ঘনত্বও ক্ৰমে বেছি বা কম হয়।

### জানি থওঁ আহা ঃ

**জনসংখ্যাৰ ঘনত্ব ঃ** এখন ঠাইৰ মুঠ জনসংখ্যাক ঠাইখনৰ মুঠ মাটিকালিৰে হৰণ কৰিলে সেই ঠাইখনৰ জনসংখ্যাৰ ঘনত্ব পোৱা যায়। ইয়াক প্ৰতি বৰ্গ কিল'মিটাৰত প্ৰকাশ কৰা হয়। অৰ্থাৎ —

$$\text{জনসংখ্যাৰ ঘনত্ব} = \frac{\text{ঠাইখনৰ মুঠ জনসংখ্যা}}{\text{ঠাইখনৰ মুঠ মাটিকালি}}$$

২০১১ চনৰ লোকপিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ঘনত্ব হৈছে প্ৰতি বৰ্গ কিল'মিটাৰত ৩৮২ জন। সাধাৰণতে যিবোৰ অঞ্চলত প্ৰাকৃতিক পৰিৱেশ বসবাসৰ অনুকূল নহয়, যাতায়াত আৰু আৰ্থিক ব্যৱস্থা অনুন্নত সেই অঞ্চলবোৰত জনবসতি সেৰেঙা। ইয়াৰ উপৰি অসমান, পাহাৰীয়া শিলাময় ঠাই, মালভূমি, উষ্ণ আৰু শীতল মৰুভূমি, গভীৰ অৰণ্য আদিত জনবসতি পাতল। উদাহৰণস্বৰূপে, অৰুণাচল প্ৰদেশৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিল'মিটাৰত মাত্ৰ ১৭ জন। ইয়াৰ বিপৰীতে গংগা-ব্ৰহ্মপুত্ৰ উপত্যকা অঞ্চল, সাগৰৰ পাৰৰ সমতল ভূমি, ভাৰতৰ শিল্পপ্ৰধান অঞ্চল আৰু নগৰীয়া অঞ্চলবোৰত জনবসতি ঘন। কৃষি উপযোগী সাৰুৱা সমতল ভূমি, যাতায়াতৰ সুচলতা, উদ্যোগ আৰু বসবাসৰ সুবিধা থকা ঠাইত জনসংখ্যাৰ ঘনত্ব বেছি হোৱা দেখা যায়। জনসংখ্যা বৃদ্ধিৰ এনে কাৰকবোৰৰ বাবে ঠাইভেদে জনসংখ্যাৰ ঘনত্ব বেলেগ হোৱা দেখা যায়। যেনে-কেৰেলা ৮৫৯, অসমত ৩৯৭ জন আৰু পশ্চিমবংগত ১১২৯ জন।



চিত্ৰ ঃ ৯.৯ ভাৰতৰ ৰাজ্যসমূহৰ জনসংখ্যাৰ বিতৰণ

কাষত দিয়া ভাৰতৰ মানচিত্ৰখনত (চিত্ৰ ৯.৯) ৰাজ্যসমূহৰ জনসংখ্যাৰ বিতৰণ দেখুৱা হৈছে।

### ক্ৰিয়াকলাপ ঃ

ওপৰৰ মানচিত্ৰখন ভালদৰে পৰ্যবেক্ষণ কৰা আৰু তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ দিয়া—

(ক) ভাৰতৰ আটাইতকৈ বেছি জনসংখ্যা থকা ৰাজ্যখনৰ নাম কি?

(খ) ভাৰতৰ আটাইতকৈ কম জনসংখ্যা থকা ৰাজ্যখনৰ নাম কি?

(গ) বৰ্তমান অসমৰ জনসংখ্যা কিমান?

(ঘ) ভাৰতৰ ৰাজধানী নতুন দিল্লীৰ বৰ্তমান জনসংখ্যা কিমান?

তলৰ তালিকাখনত ভাৰতৰ প্ৰধান মহানগৰকেইখনমানৰ মুঠ জনসংখ্যা(২০০১ চনৰ লোকপিয়ল অনুসৰি) দেখুওৱা হৈছে—

| মহানগৰৰ নাম | মুঠ জনসংখ্যা |
|---|---|
| মুম্বাই | ১,৬৪,৩৪,৩৮৬ |
| কলকাতা | ১,৩২,০৫,৬৯৭ |
| নতুন দিল্লী | ১,২৮,৭৭,৪৭০ |
| চেন্নাই | ৬৫,৬০,২৪২ |
| বাংগালুৰু | ৫৭,০১,৪৪৬ |

**ক্ৰিয়াকলাপ ঃ**

- উপৰত উল্লেখ কৰা মহানগৰসমূহত জনসংখ্যা বেছি হোৱাৰ কাৰণ কি কি উল্লেখ কৰা?

অত্যধিক জনসংখ্যা বৃদ্ধি বৰ্তমান সময়ৰ এক জ্বলন্ত সমস্যা। জনসংখ্যা বৃদ্ধিৰ লগে লগে বসবাসৰ সমস্যা, বনাঞ্চল আৰু কৃষিভূমিৰ পৰিমাণ কমিযোৱাৰ সমস্যা, খাদ্য সমস্যা, নিবনুৱা সমস্যা, দৈনন্দিন জীৱন যাপনৰ সমস্যাকে আদি কৰি বহু সমস্যাৰ সৃষ্টি হৈছে। এনেদৰে বাঢ়ি অহা জনসংখ্যাক মানৱ সম্পদলৈ উত্তৰণ ঘটাব পাৰিলে জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা সমস্যা বহু পৰিমানে লাঘৱ হ'ব।

## মনত ৰাখিবলগীয়া কথা ঃ

- দেশখনৰ বিশালতা, ভূপ্ৰকৃতি, বিষুবৰপৰা দূৰত্ব, উচ্চতাৰ পাৰ্থক্য, সাগৰৰপৰা দূৰত্ব আৰু মৌচুমী বতাহ আদিয়ে ভাৰতৰ জলবায়ু নিৰ্ধাৰণ কৰিছে।
- ভাৰতত দুই ধৰণৰ মৌচুমী বায়ু প্ৰবাহিত হয়— দক্ষিণ-পশ্চিম মৌচুমী বতাহ আৰু উত্তৰ-পূব মৌচুমী বতাহ।
- তাপ আৰু উষ্ণতা, বৃষ্টিপাত, মাটিৰ গুণাগুণ আদিৰ ওপৰত নিৰ্ভৰ কৰি উদ্ভিদৰ বিতৰণ বেলেগ বেলেগ হয়।
- **ভাৰতত** হোৱা প্ৰাকৃতিক উদ্ভিদসমূহক চিৰসেউজীয়া উদ্ভিদ, মৌচুমীয় উদ্ভিদ, কাঁইটীয়া মৰুজ উদ্ভিদ, তৃণজাতীয় উদ্ভিদ, ব-দ্বীপীয় উদ্ভিদ আৰু পাৰ্বত্য উদ্ভিদ হিচাপে শ্ৰেণীবিভাগ কৰা হয়।
- গংগা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা মাটিৰে গঠিত অঞ্চলৰ প্ৰধান কৃষিজাত শস্য হ'ল- ধান
- মধ্যপ্ৰদেশ, গুজৰাটৰ দক্ষিণ অংশ, মহাৰাষ্ট্ৰ, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটকৰ উত্তৰ অংশ জুৰি থকা ক'লা মাটি অঞ্চলত প্ৰধানকৈ কপাহ খেতি কৰা হয়।

- জনসংখ্যাৰ ফালৰপৰা ভাৰত পৃথিৱীৰ দ্বিতীয় বৃহত্তম দেশ।
- জনসংখ্যা বৃদ্ধিৰ বাবে বসবাসৰ সমস্যা, বনাঞ্চল আৰু কৃষি ভূমিৰ পৰিমাণ কমি অহা, খাদ্য সমস্যা, নিবনুৱা সমস্যা আদি সমস্যাই দেখা দিছে।

## অনুশীলনী ঃ

১। শুদ্ধ/ অশুদ্ধ বিচাৰি উলিওৱা —

(ক) ভাৰতত দুই ধৰণৰ মৌচুমী বায়ু প্ৰবাহিত হয়।

(খ) জনসংখ্যাৰ আকাৰৰ ক্ষেত্ৰত ভাৰত পৃথিৱীৰ ভিতৰত প্ৰথম।

(গ) ভাৰতৰ প্ৰায় সোঁমাজেদি কৰ্কটক্ৰান্তি ৰেখা পাৰ হৈ গৈছে।

(ঘ) দক্ষিণ ভাৰতৰ ক'লা মাটি অঞ্চল চাহ খেতিৰ বাবে উপযোগী।

(ঙ) মৰুভূমি অঞ্চলত চিৰসেউজীয়া উদ্ভিদ পোৱা যায়।

২। শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা —

(ক) দক্ষিণ-পশ্চিম মৌচুমী বতাহ প্ৰশান্ত মহাসাগৰ/আৰব সাগৰ/লোহিত সাগৰৰ ওপৰেদি প্ৰবাহিত হয়।

(খ) ২০১১ চনৰ লোক পিয়ল অনুসৰি ভাৰতৰ জনসংখ্যাৰ ঘনত্ব হ'ল প্ৰতি বৰ্গ কিল'মিটাৰত ৩৮০/৩৮২/৩২৪ জন।

(গ) ফল-মূল উৎপাদনত পঞ্জাব/জম্মু-কাশ্মীৰ/হিমাচল প্ৰদেশৰ স্থান ভাৰতৰ ভিতৰত প্ৰথম।

(ঘ) মৰুভূমি অঞ্চলত চিৰসেউজীয়া/কাঁইটীয়া/তৃণজাতীয় উদ্ভিদ পোৱা যায়।

(ঙ) ভাৰতৰ আটাইতকৈ বেছি জনসংখ্যা থকা ৰাজ্যখন হ'ল অৰুণাচল প্ৰদেশ/মহাৰাষ্ট্ৰ/উত্তৰ প্ৰদেশ।

৩। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা—

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| ১। মৌচুমীয় উদ্ভিদ | ১। ২০০চেণ্টিমিটাৰতকৈ অধিক বৰষুণ হয়। |
| ২। তৃণজাতীয় উদ্ভিদ | ২। বছৰি ৫০ চেণ্টিমিটাৰতকৈ কম বৰষুণ হয়। |
| ৩। কাঁইটীয়া মৰুজ উদ্ভিদ | ৩। বছৰি ৫০ চেণ্টিমিটাৰৰপৰা ১০০ চেণ্টিমিটাৰ বৰষুণ হয়। |
| ৪। চিৰসেউজীয়া উদ্ভিদ | ৪। বছৰি ১০০ চেণ্টিমিটাৰৰপৰা ২০০ চেণ্টিমিটাৰ বৰষুণ হয়। |

৪। চমু উত্তৰ লিখা (৪০ টামান শব্দৰ ভিতৰত)

(ক) জনসংখ্যা হ্ৰাস-বৃদ্ধি কি কি কাৰণত হ'ব পাৰে?

(খ) ভাৰতৰ জলবায়ু নিৰ্ধাৰণ কৰা কাৰক সমূহ কি কি?

(গ) ভাৰতৰ ক'ত ক'ত চিৰসেউজীয়া উদ্ভিদ পোৱা যায়?

(ঘ) ভাৰতত কপাহ খেতি হোৱা ঠাইসমূহ কি কি?

৫। উত্তৰ লিখা (৮০টা মান শব্দৰ ভিতৰত)

(ক) ভাৰতৰ জলবায়ুৰ ওপৰত দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱ সম্পৰ্কে মানচিত্ৰৰ সহায়ত বুজাই লিখা।

(খ) ভিন ভিন খেতিৰ বাবে ভিন ভিন জলবায়ুৰ প্ৰয়োজন — ব্যাখ্যা কৰা।

(গ) মৌচুমীয় উদ্ভিদৰ বাবে কেনেধৰণৰ জলবায়ুৰ প্ৰয়োজন? মৌচুমীয় উদ্ভিদৰ উদাহৰণ দি ভাৰতৰ ক'ত ক'ত সেইবোৰ পোৱা যায় উল্লেখ কৰা।

(ঘ) ধানখেতিৰ বাবে কেনেকুৱা জলবায়ুৰ প্ৰয়োজন? ভাৰতৰ ধানখেতি প্ৰধান ৰাজ্যবোৰৰ নাম উল্লেখ কৰা।

(ঙ) জনসংখ্যা বৃদ্ধিয়ে আমাৰ দেশত কি কি সমস্যাৰ সৃষ্টি কৰিছে আলোচনা কৰা।

# ইতিহাস খণ্ড
# আমাৰ অতীত আৰু ঐতিহ্য

## আগকথা



সমাজ বিজ্ঞানৰ **'আমাৰ অতীত আৰু ঐতিহ্য'** এই খণ্ডত ভাৰতবৰ্ষত মৌৰ্য যুগৰ পৰৱৰ্তী কালছোৱাত বিভিন্ন ৰাজবংশৰ উত্থান-পতন আৰু পশ্চিমৰপৰা অহা তুৰ্কী-আফগান আৰু মোগল বিজেতাসকলে দেশখনত চলোৱা শাসনৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ উপৰি বিশেষভাৱে প্ৰাক্ ঐতিহাসিক অসমৰো এটি চমু বিৱৰণ সন্নিবিষ্ট কৰা হৈছে।

আমি সকলোৱে জানো যে, বৰ্তমানৰ সময়ছোৱাক ভালদৰে বুজিবৰ বাবে অতীতৰ বিষয়ে আমাৰ এটা স্পষ্ট ধাৰণা থাকিব লাগিব। অন্যথা, আমাৰ বাবে ভৱিষ্যত সদায়ে অনিশ্চিত হৈ থাকিব। এই তত্ত্বক সাৰোগত কৰিয়েই প্ৰাথমিক স্তৰতে সাধাৰণভাৱে ইতিহাস অধ্যয়নৰ প্ৰয়োজন। উল্লিখিত কথাৰ লগত সংগতি ৰাখিয়েই সমাজ বিজ্ঞানৰ দ্বিতীয় ভাগত প্ৰাচীন ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ উত্তৰণ তথা ক্ৰমবিকাশ সম্বন্ধে এক চমু আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰোপৰি বিভিন্ন সময়ত বিভিন্ন ৰাজশক্তিয়ে ভাৰতবৰ্ষৰ সামাজিক জীৱনলৈ আগবঢ়োৱা অৱদানৰ সম্পৰ্কেও থূল-মূল আভাস দাঙি ধৰা হৈছে।

আশা কৰা হৈছে যে, ইতিহাসৰ এই খণ্ড অধ্যয়নৰ অন্তত ছাত্ৰ-ছাত্ৰীসকলে তলত উল্লেখ কৰা শিকনৰ ফলাফলসমূহ আয়ত্ত কৰিব পাৰে——


* প্ৰাচীন ভাৰতৰ কোনবোৰ ঠাইত ৰাজশক্তিসমূহে ৰাজ্য স্থাপন কৰিছিল আৰু কেনেদৰে এই শক্তিসমূহে শাসন কাৰ্য চলাইছিল সেই বিষয়ে জানিব।
* এই ৰাজশক্তিসমূহৰ সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক আদি ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বিষয়ে ধাৰণা লাভ কৰিব।
* প্ৰাক্ ঐতিহাসিক অসমৰ লগত পৰিচয় হ'ব।
* তুৰ্কী-আফগানসকলৰ ভাৰত আগমনৰ বিষয়ে জানিব।
* মোগলসকলৰ ভাৰত আগমনৰ বিষয়ে জনাৰ লগতে ভাৰতৰ দেশীয় ৰাজ্যবোৰৰ লগত তেওঁলোকৰ ৰাজনৈতিক সম্পৰ্কৰ বিষয়ে আভাস পাব।
* ভাৰতবৰ্ষৰ সভ্যতা-সংস্কৃতিৰ বিকাশত মোগলসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে অৱগত হ'ব।

# পাঠঃ ১০
# মৌৰ্যযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ

Z1G2N7

**শিকনৰ ফলাফল ঃ**

- মৌৰ্যযুগৰ পৰৱৰ্তী কালছোৱাত ভাৰতবৰ্ষৰ ৰাজনৈতিক পটভূমি সম্পৰ্কে জানিব পাৰিব।
- দেশীয় সৰু-বৰ ৰাজ্যৰ উত্থান আৰু বিদেশী শক্তিৰ আগমনৰ বিষয়ে জানিব পাৰিব।
- দক্ষিণ ভাৰতত সাতবাহন ৰাজ্যৰ আৰ্বিভাৱ আৰু ইতিহাসত এই ৰাজ্যৰ গুৰুত্ব সম্পৰ্কে জানিব পাৰিব।
- ইন্দো-গ্ৰীক আৰু কুষাণসকলৰ সামাজিক ও সাংস্কৃতিক দিশৰ বৰঙণিৰ বিষয়ে জ্ঞান লাভ কৰিব।
- এই কালছোৱাৰ সাধাৰণ প্ৰজাৰ জীৱন-ধাৰণ প্ৰণালী সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব।




মানচিত্ৰ ১০.১

তোমালোকে আগৰ শ্ৰেণীৰ পাঠ্যপুথিত কেনেকৈ শক্তিশালী মৌৰ্য সাম্ৰাজ্যৰ পতন ঘটিছিল সেই সম্পৰ্কে এটা ধাৰণা লাভ কৰিছা।

এই অধ্যায়ত আমি মৌৰ্যযুগৰ পৰৱৰ্তী কালছোৱাৰ বিষয়ে আলোচনা কৰিম। মৌৰ্যসকলৰ পতনৰ পাছত ভাৰতবৰ্ষত ভালেমান সৰু-বৰ ৰাজ্যৰ উত্থান ঘটিছিল। এনে দেশীয় ৰাজ্যসমূহৰ উপৰি সেই সময়ৰ গ্ৰীক ৰাজ্যৰ বিভিন্ন অংশৰপৰা ইন্দো-গ্ৰীক, শক, পাৰ্থিয়ান, কুষাণ আদি বিদেশী শক্তি কিছুমান ভাৰতবৰ্ষলৈ আহি বিভিন্ন স্থানত ৰাজত্ব কৰিছিল। ওপৰৰ মানচিত্ৰ খন লক্ষ্য কৰিলে সেই সময়ত ভাৰতত দেশীয় আৰু বিদেশী শক্তিসমূহে গঢ়ি তোলা ৰাজ্যসমূহ চিনাক্ত কৰিব পাৰিবা। এই দেশী- বিদেশী বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়ে ভাৰতীয় সমাজ আৰু সাংস্কৃতিক জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল।

## প্ৰধান দেশীয় ৰাজ্যসমূহ ঃ

মৌৰ্যযুগৰ পৰৱৰ্তী সময়চোৱাৰ এক উল্লেখযোগ্য দেশীয় শক্তি আছিল শুংগসকল। শেষৰ জন মৌৰ্য ৰজা বৃহদ্ৰথক হত্যা কৰি পুষ্যমিত্ৰ শুংগই মগধত শুংগ বংশৰ (খ্ৰীঃপূঃ ১৮৪- খ্ৰীঃপূঃ ৭৫) প্ৰতিষ্ঠা কৰিছিল। শুঙ্গ ৰজাসকল হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ পৃষ্ঠপোষক আছিল আৰু তেওঁলোকে প্ৰায় ১১২ বছৰ মগধত ৰাজত্ব কৰিছিল।

শুংগসকলৰ পাছত উত্তৰ ভাৰতত কাণ্ব ( খ্ৰীঃপূঃ ৭৫ ৰপৰা খ্ৰীঃপূঃ ৩০) বংশই কিছুদিন শাসন কৰিছিল বুলি জনা যায়। খ্ৰীঃপূঃ প্ৰথম শতিকাৰ শেষৰফালে মহামেঘবাহনে পূৰ্বঘাট আৰু বঙ্গোপসাগৰৰ মাজত অৱস্থিত কলিংগ ৰাজ্যত( বৰ্তমানৰ উৰিষ্যা) চেদী বা চেত ৰাজবংশক প্ৰতিষ্ঠা কৰিছিল।

সেই সময়তে দক্ষিণ-পশ্চিম ভাৰতত এক প্ৰভাৱ শালী ৰাজনৈতিক শক্তিৰ উত্থান হৈছিল। ইতিহাসত এওঁলোকক অন্ধ্ৰ বা সাতবাহন বংশ বুলি জনা যায়। আহাচোন, এতিয়া আমি সাতবাহনসকলৰ বিষয়ে থূল-মূল আভাস লওঁ-

## সাতবাহনসকলঃ-

খ্ৰীঃপূঃ দ্বিতীয় শতিকাৰ শেষ ভাগত সিমুক নামৰ এজন লোকে সাতবাহন বংশৰ প্ৰতিষ্ঠা কৰিছিল। বৰ্তমানৰ অন্ধ্ৰপ্ৰদেশ, তেলেংগানা, মহাৰাষ্ট্ৰৰ লগতে গুজৰাট, মধ্যপ্ৰদেশ আৰু কৰ্ণাটক ৰাজ্যৰ কিছু অংশলৈও এই ৰাজ্য বিস্তৃত আছিল। পুৰাণৰপৰা পোৱা তথ্য অনুসৰি ত্ৰিশ জন সাতবাহন ৰজাই দাক্ষিণাত্য অঞ্চলত সেই সময়চোৱাত ৰাজত্ব কৰিছিল। এওঁলোকৰ ভিতৰত শতকৰ্ণী প্ৰথম, গৌতমীপুত্ৰ শতকৰ্ণী, পুলুমাভী প্ৰথম, বশিষ্ঠিপুত্ৰ পুলুমাভী আদি উল্লেখযোগ্য।

সাতবাহন ৰাজ্যত দুই ধৰণৰ শাসন ব্যৱস্থা আছিল। এক অংশৰ শাসনকাৰ্য পৰিচালনা কৰিছিল ৰজাৰ অনুগতসকলে আৰু বাকী অংশত ৰজাই প্ৰত্যক্ষভাৱে শাসন কৰিছিল। শিলালিপিসমূহে দিয়া তথ্যৰপৰা জনা যায় যে ৰাজ্যখন শাসনৰ সুবিধাৰ বাবে নগৰ(চহৰ অঞ্চল), নিগম(বজাৰ অঞ্চল) আৰু গ্ৰাম (গাঁও)ত বিভক্ত আছিল। ৰাজ্যখন কৃষিৰ ওপৰত নিৰ্ভৰশীল আছিল যদিও ধাতু, পাথৰ আৰু মৃৎশিল্পকো মানুহে জীৱিকা ৰূপে গ্ৰহণ কৰিছিল। সমসাময়িক বিভিন্ন উৎসৰপৰা ৰজাৰ গো আৰু ভূমিদান ব্যৱস্থাৰ বিষয়ে জানিব পাৰি। এই সময়চোৱাত ৰোমান সাম্ৰাজ্য আৰু দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ লগত ভাৰতৰ বাণিজ্যিক সম্পৰ্ক স্থাপন হৈছিল।

> **জানি থওঁ আহা ঃ**
>
> পুষ্যমিত্ৰ শুঙ্গই মগধত শাসন কৰাৰ সময়ত বিখ্যাত বৈয়াকৰণিক পতঞ্জলিয়ে সংস্কৃত ব্যাকৰণ 'মহাভাষ্য' ৰচনা কৰিছিল।

সাতবাহনসকলৰ প্ৰধান সামাজিক বৈশিষ্ট্য আছিল যৌথ পৰিয়াল। পিতৃপ্ৰধান সমাজ হলেও নাৰীয়েও কিছু গুৰুত্ব পোৱা দেখা গৈছিল। বিশেষকৈ নাচিক প্ৰশস্তিত মহীষী গৌতমী বালাশ্ৰী আৰু নানেঘাট শিলালিপিত মহীষী নাগনিকাৰ নাম পোৱা যায়। সাতবাহন শাসন ব্যৱস্থাৰ এক উল্লেখযোগ্য দিশ আছিল তেওঁলোকৰ মুদ্ৰা ব্যৱস্থা। এই মুদ্ৰাবোৰ আছিল বিভিন্ন আকৃতিৰ। ইয়াত ৰজাসকলৰ অবয়ৱৰ লগতে, আন বহুতো চিহ্ন খোদিত কৰা হৈছিল। মুদ্ৰাবোৰত প্ৰাকৃত আৰু দ্ৰাবিড়ী ভাষাৰ লগতে ব্ৰাহ্মী লিপি দেখিবলৈ পোৱা গৈছিল। এই মুদ্ৰাসমূহ সাতবাহনসকলৰ ইতিহাস অধ্যয়নৰ উল্লেখযোগ্য সমল।

ভাৰতৰ সাংস্কৃতিক জগতলৈও সাতবাহনসকলে যথেষ্ট বৰঙণি আগবঢ়াছিল। সাহিত্যৰ ক্ষেত্ৰত এই যুগৰ দুখন বিখ্যাত গ্ৰন্থ আছিল সংস্কৃত ভাষাত ৰচিত সৰ্ববৰ্মাৰ কাতন্ত্ৰ আৰু প্ৰাকৃত ভাষাত ৰচিত গুণাঢ্যৰ বৃহৎকথা।

স্থাপত্য আৰু ভাস্কৰ্যৰ ক্ষেত্ৰতো এই যুগৰ শিল্পীসকলে অজস্ৰ কীৰ্তিৰ সাক্ষ্য ৰাখি থৈ গৈছে। তোমালোকে সাঁচীৰ স্তূপ আৰু অমৰাৱতীৰ ভাস্কৰ্যৰ বিষয়ে শুনিছানে? এই স্তূপ আৰু ভাস্কৰ্য দুটা সাতবাহনসকলৰ শিল্প সাধনাৰ উল্লেখযোগ্য নিদৰ্শন।

শেষত জানি থোৱা যে–সাতবাহন ৰাজ্যখন উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ যোগসূত্ৰস্বৰূপ আছিল আৰু এই ৰাজ্যখনে ৰাজনৈতিক একতা স্থাপন কৰিবলৈ সক্ষম হৈছিল।

**উত্তৰ লিখা ঃ**

- মৌৰ্যসকলৰ পাছত মগধত ৰাজত্ব কৰা ৰাজবংশ কেইটাৰ নাম (ক্ৰমানুসাৰে)।
- সাতবাহনসকলে ক'ত ৰাজ্য স্থাপন কৰিছিল?
- কলিঙ্গ ৰাজ্য বৰ্তমান ক'ত অৱস্থিত?

## দক্ষিণ ভাৰতৰ দেশীয় ৰাজ্যসমূহ ঃ

তোমালোকে এইবাৰ প্ৰথম পৃষ্ঠাৰ ১০.১ মানচিত্ৰখনৰ একেবাৰে দক্ষিণ অংশলৈ মন কৰা। তাত চোল, চেৰা আৰু পাণ্ড্য বুলি লিখা তিনিটা নাম দেখা পাইছানে? আমাৰ আলোচিত সময়ৰ এই তিনিখন দক্ষিণ ভাৰতৰ উল্লেখযোগ্য ৰাজ্য আছিল। চোল, চেৰা, পাণ্ড্যসকলে প্ৰায় ৪০০ বছৰ ধৰি ৰাজত্ব কৰিছিল। ওচৰা-ওচৰিকৈ থকা এই তিনিওখন ৰাজ্যক একেলগে **ত্ৰিৰাজ্য**ও বোলা হৈছিল।

ইয়াৰ উপৰি আৰু বহুতো সৰু-বৰ ৰাজ্য আছিল যাৰ বিষয়ে আমি সেই সময়ৰ মুদ্ৰা, লিপি আৰু গ্ৰন্থৰপৰা জানিব পাৰো। সেই সময়ত বিকাশ লাভ কৰা সংগম সাহিত্যয়ো এই দিশত যথেষ্ট তথ্যৰ সন্ধান দিয়ে। সেই সময়ত দক্ষিণ ভাৰতত ৰাজপৃষ্ঠপোষকতাত যি তামিল কবি সম্মিলন অনুষ্ঠিত হৈছিল সেয়াই আছিল **সংগম** আৰু এই যুগৰ সাহিত্যকে **সংগম সাহিত্য** বুলি জনা যায়। সংগম সাহিত্য প্ৰধানকৈ বৰ্ণনাত্মক আৰু নীতিশিক্ষামূলক। সংগম সাহিত্যৰপৰা সেই সময়ৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক বিৱৰ্তনৰ বিষয়ে বিতংভাৱে জানিব পাৰি। সংগম সাহিত্যত মহিলা কবিসকলৰ কবিতাও অন্তৰ্ভুক্ত কৰা হৈছিল। সংগম সভাত কবি, সাহিত্যিক, পণ্ডিতসকলৰ লগতে **চাৰণ** নামৰ ৰজাৰ গুণ-গৰিমা প্ৰচাৰ কৰা ব্যক্তিসকলেও অংশ গ্ৰহণ কৰিছিল।

**জানি থোৱা ঃ**

- চোল ৰাজ্যৰ ৰাজধানী আছিল উৰেয়ুৰ।
- চেৰা ৰাজ্যত এটা শক্তিশালী নৌবাহিনী আছিল।
- পাণ্ড্য ৰাজ্যত এগৰাকী মহিলা শাসনকৰ্তা আছিল বুলি জনা যায়। মুকুতাৰ বাবেও এই ৰাজ্যখন বিখ্যাত আছিল।

**ক্ৰিয়াকলাপ ঃ**

- সাহিত্যত নীতি শিক্ষাৰ গুৰুত্ব বুলিলে কি বুজা? ৫০ টা শব্দৰ ভিতৰত প্ৰকাশ কৰা।
- চোল, চেৰা আৰু পাণ্ড ৰাজ্যক বৰ্তমান কোনকেইখন দক্ষিণ ভাৰতৰ ৰাজ্যই সামৰি লৈছে চিনাক্ত কৰা।

## ইন্দো-গ্ৰীকসকল ঃ

মৌৰ্যসকলৰ পৰৱৰ্তী যুগত ভাৰতবৰ্ষলৈ কেনেকৈ বিদেশী শক্তিৰ আগমন ঘটিছিল? সেই সময়ত বিদেশী আক্ৰমণ প্ৰতিহত কৰিব পৰা ক্ষমতা ভাৰতবৰ্ষৰ নাছিল নেকি? সেই কথা অৱশ্যেই সত্য যে এই কালছোৱাত উত্তৰ-পশ্চিম ভাৰতত এক গভীৰ ৰাজনৈতিক সংকটে দেখা দিছিল। কিন্তু তাৰ লগে লগে বহিঃৰাষ্ট্ৰৰ লগত প্ৰাচীন ভাৰতৰ যি সাংস্কৃতিক আদান-প্ৰদান চলিছিল সেইটোৱেও বিদেশী শক্তিক ভাৰতবৰ্ষৰ প্ৰতি আকৰ্ষিত কৰিছিল। এইদৰেই ইন্দো-গ্ৰীক, শক, পাৰ্থিয়ান আৰু কুষানসকলে ভাৰতৰ উত্তৰ-পশ্চিম দিশেদি আমাৰ দেশত প্ৰৱেশ কৰিছিল। ইন্দো-গ্ৰীকসকলৰ বিখ্যাত ৰজাজনৰ নাম আছিল **মিনাণ্ডাৰ** বা **মিলিন্দ**। মিনাণ্ডাৰে বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল আৰু বহুতো **চৈত** আৰু **বৌদ্ধবিহাৰ** নিৰ্মাণ কৰিছিল। গ্ৰীকসকলে ভাৰতীয় ধৰ্ম আৰু দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ হিন্দু আৰু বৌদ্ধ ধৰ্ম, দুয়োটাই গ্ৰহণ কৰিছিল। এওঁলোকৰ সাংস্কৃতিক জীৱনৰ কেতবোৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যই ভাৰতীয় সমাজৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছিল।

**জানি থওঁ আহা ঃ**


- চৈত ঃ বৌদ্ধ কলাকৃষ্টিৰে সমৃদ্ধ গুহাসমূহক চৈত বোলা হয়।
- স্তুপ ঃ বৌদ্ধ স্মাৰকসমূহৰ ওপৰত নিৰ্মাণ কৰা গাৰ্থনিসমূহক স্তুপ বোলা হয়।

## ভাৰতীয় সংস্কৃতিলৈ ইন্দো-গ্ৰীকসকলৰ অৱদান ঃ

ভাৰতীয় লোকসকলে গ্ৰীকসকলৰপৰা জ্যোতিষ শাস্ত্ৰ, মুদ্ৰা আৰু শিল্প কলাৰ জ্ঞান লাভ কৰিছিল। ইন্দো-গ্ৰীকসকলৰ প্ৰভাৱত ভাৰতবৰ্ষত গান্ধাৰ শিল্পকলাৰ বিকাশ ঘটে। এই শিল্প-কলা আছিল গ্ৰীচদেশীয় আৰু ভাৰতীয় আৰ্হিৰ অপূৰ্ব সমাহাৰ। গান্ধাৰ শিল্পকলাৰ মূল বিষয়বস্তু আছিল বৌদ্ধধৰ্ম। এই সময়তে মথুৰা শিল্পকলা বুলি স্থানীয় শিল্পকলা এটিয়েও বিকাশ লাভ কৰিছিল। এই শিল্পৰো মূল বিষয়বস্তু আছিল বৌদ্ধধৰ্ম।



(ক) মথুৰা শিল্প



(খ) গান্ধাৰ শিল্প

গ্ৰীকসকলৰ ৰাজ পৃষ্ঠপোষকতাত স্থানীয় ভাষাই বিশেষ সমৃদ্ধি লাভ কৰিছিল। আকৌ সংস্কৃত সাহিত্যতো গ্ৰীক প্ৰভাৱ মন কৰিবলগীয়া। সংস্কৃত নাটকত পৰ্দা বা যৱনিকাৰ ব্যৱহাৰ **'যৱন'** শব্দটোৰপৰা অহা বুলি অনুমান কৰা হয়। আনহাতে, মুদ্ৰাৰ ক্ষেত্ৰতো গ্ৰীকসকলৰ প্ৰভাৱ নুই কৰিব নোৱাৰি।

এইদৰে দিগ্বিজয়ৰ লগতে ইন্দো-গ্ৰীকসকলে সামাজিক সমন্বয় আৰু সাংস্কৃতিক অৱদানৰ যোগেদি ভাৰতবৰ্ষৰ মাটিক আপোন কৰি ভাৰতীয় হৈ পৰিছিল। খ্ৰীঃপূঃ প্ৰথম শতিকাৰ প্ৰথম ভাগত পহ্লৱসকলে ভাৰতবৰ্ষ আৰু ইয়াৰ উত্তৰ-পশ্চিম অঞ্চলত আধিপত্য বিস্তাৰৰ চেষ্টা চলাইছিল। ৰাজনৈতিক পৰিৱৰ্তনৰ উপৰি ভাৰতীয় সংস্কৃতিৰ বিকাশ আৰু বিস্তৃতিত শক-পহ্লৱ যুগে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

## কুষাণসকল ঃ

খ্ৰী.পূঃ দ্বিতীয় শতিকাত মধ্য এচিয়াৰপৰা **কুজুল কদফাইচিচ** নামৰ এজন লোকৰ অধীনত অহা য়ুচি নামৰ জাতি এটাই শক-পহ্লৱসকলক পৰাভূত কৰি উত্তৰ-পশ্চিম ভাৰতত আধিপত্য বিস্তাৰ কৰে।



মূৰবিহীন কণিষ্কৰ প্ৰতিমূৰ্তি

এওঁলোকক পাছলৈ **কুষাণ** বা **কুশাণ** বুলি জনা যায়। তোমালোকে কাষৰ মূৰবিহীন মূৰ্তিটো দেখিছানে? এইটো কুশান বংশৰ শ্ৰেষ্ঠ ৰজা **কণিষ্কৰ** বুলি ধাৰণা কৰা হয়। সম্ভৱতঃ ৭৮ খ্ৰীঃত তেওঁ সিংহাসনত উঠিছিল আৰু তেতিয়াৰপৰাই শকাব্দ নামৰ এটা নতুন চন গণনাৰ প্ৰথা প্ৰচলন হৈছিল। ৰাজ্য বিজেতা হোৱাৰ লগতে সাহিত্য-সংস্কৃতিলৈ তেওঁৰ অৱদান আছিল চকুত লগা। পুৰুষপুৰ (বৰ্তমানৰ পাকিস্তানৰ পেচোৱাৰ)তেওঁৰ ৰাজ্যৰ ৰাজধানী আছিল। **অশ্বঘোষ, নাগাৰ্জুন, বসুমিত্ৰ** আৰু **চৰক** নামৰ বিদগ্ধ পণ্ডিতসকলে কণিষ্কৰ ৰাজসভা অলংকৃত কৰিছিল। এই যুগৰ চৰক সংহিতা চিকিৎসা বিজ্ঞানৰ এখন উল্লেখযোগ্য পুথি।

**জানি থওঁ আহা**

- গান্ধাৰ শিল্পকলাৰ মাজেদিয়েই প্ৰথম বুদ্ধদেৱৰ মূৰ্তি খোদিত হয়। ইয়াৰ আগতে বুদ্ধদেৱৰ চৰণ চিহ্ন বা বোধিবৃক্ষ আদিহে খোদিত কৰা হৈছিল।
- শকসকলৰ শ্ৰেষ্ঠ ৰজা আছিল **ৰুদ্ৰদমন** আৰু পহ্লৱ বা পাৰ্থিয়ানসকলৰ শ্ৰেষ্ঠ ৰজা আছিল **গণ্ডোফৰ্ণিছ**।

এই সময়চোৱাতে ৰচিত পতঞ্জলিৰ 'মহাভাষ্য' কিতাপখন শব্দ, ভাষা আৰু ব্যাকৰণৰ এখন মূল্যবান গ্ৰন্থ। সাজ-পোচাকৰ ক্ষেত্ৰতো ভাৰতীয়সকলে গ্ৰীকসকলক অনুকৰণ কৰিছিল।


ইন্দো-গ্ৰীক মুদ্ৰা


কুষাণ মুদ্ৰা


সাতবাহন মুদ্ৰা


শক মুদ্ৰা

আমি ইতিমধ্যে গান্ধাৰ শিল্পৰ বিষয়ে আলোচনা কৰি আহিছোঁহঁক। গ্ৰীক, ৰোমান আৰু বৌদ্ধ শিল্পৰ সংমিশ্ৰণত সম্পূৰ্ণ ভাৰতীয় শৈলীত গঢ় লৈ উঠা গান্ধাৰ শিল্পই কণিষ্কৰো দৃষ্টি আকৰ্ষণ কৰিছিল। কণিষ্কৰ ৰাজত্ব কালত মথুৰা আৰু অমৰাৱতীৰ শিল্পকলায়ো উন্নতিৰ চৰম সীমাত উপনীত হৈছিল। কণিষ্কই বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল আৰু এই ধৰ্মৰ বহুল প্ৰসাৰৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছিল। তেওঁৰ দিনতে বৌদ্ধ ধৰ্ম **হীনযান** আৰু **মহাযান** নামৰ দুটা ভাগত বিভক্ত হয়। বৌদ্ধধৰ্ম গ্ৰহণ কৰিলেও কণিষ্কই অন্যান্য ধৰ্মৰ প্ৰতিও শ্ৰদ্ধাশীল আছিল।

অৰ্থনৈতিক ক্ষেত্ৰতো কুষাণ যুগ পাছপৰি থকা নাছিল। আন্তঃ বাণিজ্য আৰু বহিঃ বাণিজ্য উভয় ক্ষেত্ৰতে কণিষ্কৰ যুগে উন্নতিৰ উচ্চ শিখৰ পাইছিল। ভাৰতীয় মচলা, জলকীয়া, চন্দন কাঠ,হাতী-দাঁত, হীৰা আদি বিদেশলৈ ৰপ্তানি কৰা হৈছিল আৰু ৰোমান সাম্ৰাজ্যৰপৰা সোণ আমদানি কৰা হৈছিল। আন্তৰ্জাতিক বাণিজ্যৰ লেনদেন বৃদ্ধি কৰিবৰ বাবে কণিষ্কই সিন্ধু অঞ্চলত উচ্চ পৰ্যায়ৰ ৰূপৰ মুদ্ৰা প্ৰচলন কৰাইছিল।

এইদৰে শৌৰ্য-বীৰ্য, শিল্প-কলা সংস্কৃতিলৈ অৱদান আৰু প্ৰজাবৎসল স্বভাৱৰ বাবে বহু দিনলৈকে সেইকালৰ ভাৰতবাসীৰ মনত কুষাণসকলৰ স্মৃতি সতেজ হৈ আছিল।

## মৌৰ্য যুগৰ পৰৱৰ্তী কালৰ জীৱন-ধাৰণ প্ৰণালী ঃ

মৌৰ্য যুগৰ পৰৱৰ্তী সময়ত ৰাজনৈতিক ক্ষেত্ৰত পৰিৱৰ্তন হোৱাৰ দৰেই সাধাৰণ প্ৰজাৰ জীৱন ধাৰণ প্ৰণালীতো বহুত পৰিৱৰ্তন আহিছিল। তাৰ ভিতৰত কৃষি কৰ্মৰ প্ৰসাৰ, নতুন নগৰ গঠন, শিল্প উৎপাদন আৰু বেহা-বেপাৰ আদিৰ ব্যাপক পৰিৱৰ্তনেই উল্লেখনীয়।


কৃষিত ব্যৱহৃত লোৰ সঁজুলি

সমৃদ্ধিশালী গাঁওবোৰেই অৰ্থনীতি আৰু কলা-সংস্কৃতিৰ মূল ভেটি। গাঁওবোৰৰ অবিহনে ৰজা আৰু ৰাজ্যবোৰৰ অস্তিত্বই নাথাকিলহেঁতেন। গাঁৱৰ সাধাৰণ প্ৰজাসকলে হে কৃষি কৰ্মৰ লগত জড়িত হৈ থাকে। কৃষি কৰ্মৰ বাবে আকৌ বিভিন্ন সঁজুলিৰ প্ৰয়োজন। কাষৰ চিত্ৰখন চাই সেই সময়ত কি কি সঁজুলিৰ ব্যৱহাৰ হৈছিল অনুমান কৰিব পাৰিবাহঁক।


কৃষিৰ ক্ষেত্ৰত নতুন সঁজুলিৰ ব্যৱহাৰ, উন্নত ৰোপণ পদ্ধতি আৰু জলসিঞ্চনৰ দ্বাৰা শস্যৰ উৎপাদন বৃদ্ধি পাইছিল। নলা, কুঁৱা আৰু কৃত্ৰিম জলাশয় আদি জলসিঞ্চনৰ বাবে ব্যৱহাৰ হৈছিল।

সেই সময়ৰ উত্তৰ আৰু দক্ষিণ ভাৰতৰ গাঁৱৰ সমাজ ব্যৱস্থাত স্পষ্টৰূপত শ্ৰেণীবিভাজন দেখা গৈছিল। দক্ষিণ ভাৰতৰ সমাজত দেখা পোৱা মূল তিনিটা শ্ৰেণী হ'ল জমিদাৰ, কৃষক, শ্ৰমিক বা ভৃত্য। উত্তৰ ভাৰতৰ সমাজ ব্যৱস্থাৰ শ্ৰেণীসমূহ আছিল ক্ৰমে–

**বংশানুক্ৰমে হোৱা গাঁৱৰ মুখিয়াল, নিজ নিজ কৃষি ভূমি থকা সৰু সৰু স্বাধীন কৃষক আৰু ভূমিহীন শ্ৰমিক।**

ইয়াৰে গাঁৱৰ মুখিয়ালগৰাকী শক্তিশালী জমিদাৰ আছিল। তেওঁ কেতিয়াবা বিচাৰক আৰু শান্তি ৰক্ষকৰ ভূমিকা পালন কৰিছিল। গাঁৱৰ ৰাজহ আদায়ৰ দায়িত্বও তেঁৱেই লাভ কৰিছিল।

প্ৰায়বোৰ গাঁৱতেই কুমাৰ (মৃৎ শিল্পী), কমাৰ (লোহাৰ), বাঢ়ৈ (কাঠ মিস্ত্ৰী), শিপিনী আদি বৃত্তিজীৱি লোকে বাস কৰিছিল। তোমালোকে জাতকৰ নাম শুনিছানে? জাতকৰ গল্পবোৰ সেই যুগৰ সৰ্বসাধাৰণ লোকৰ মাজত প্ৰচলন আছিল। পাছলৈ বৌদ্ধ ভিক্ষুসকলে এইবোৰ লিখি সংৰক্ষণ কৰে।



সাঁচী স্তূপৰ তোৰণৰ ভাস্কৰ্য

**জানি থওঁ আহা ঃ**

- জাতক হ'ল গৌতম বুদ্ধৰ পূৰ্বজন্মৰ কাহিনী। ইয়াক পালি ভাষাত ৰচনা কৰা হৈছিল। জাতকসমূহ প্ৰথমে মৌখিক ভাৱে প্ৰচলিত আছিল।
- ভূপালৰ আটাইতকৈ প্ৰসিদ্ধ স্থাপত্য-ভাস্কৰ্যবোৰ সাঁচিৰ কানাখেৰা নামৰ এখন ক্ষুদ্ৰ গাঁৱত অৱস্থিত।

সেই সময়ৰ নগৰীয়া জীৱন প্ৰণালীৰ বিষয়ে জানিবলৈ হ'লে পৰিব্ৰাজক, নাৱিক সকলৰ লিখনি আৰু খনিকৰসকলৰ **ভাস্কৰ্যসমূহৰ সহায় ল'ব পাৰি।** নগৰ, গাঁও আৰু অৰণ্যত বাস কৰা সকলো শ্ৰেণীৰ লোকৰ জীৱনশৈলী খনিকৰসকলে তেওঁলোকৰ ভাস্কৰ্যত ফুটাই তুলিছিল। সেইবোৰ স্তূপ মন্দিৰ আদি তোৰণ, স্তম্ভ, ৰেলিং আদি সু-সজ্জিত কৰিবলৈ ব্যৱহাৰ কৰিছিল। সেই সময়ৰ নগৰবোৰ প্ৰায় ভাগ ২৫০০ বছৰ আগতে উত্থান হোৱা জনপদবিলাকৰ ৰাজধানী আছিল। ইয়াৰে কিছুমান নগৰ প্ৰাচীৰেৰে আবৰা আছিল। তোমালোকে ইতিমধ্যে মথুৰা নগৰৰ বিষয়ে শুনিছা। এই নগৰখনো প্ৰাচীৰেৰে আবৰা আছিল। উত্তৰ-পশ্চিমৰপৰা পূবলৈ আৰু উত্তৰৰপৰা দক্ষিণলৈ যোৱা দুটা প্ৰধান পথৰ মাজত ই অৱস্থিত আছিল। মথুৰা কুষাণসকলৰ ৰাজধানী হোৱাৰ উপৰি হিন্দু, বৌদ্ধ আৰু জৈন ধৰ্মৰ কেন্দ্ৰস্থল আছিল। **মথুৰা শিল্পকলা** বুলি জনাজাত এক উৎকৃষ্ট ভাস্কৰ্যবো ইয়াতেই বিকাশ হৈছিল। ওচৰ-পাজৰৰ কৃষক আৰু পশুপালকসকলে নগৰৰ মানুহৰ বাবে খাদ্যৰ যোগান ধৰিছিল।

'উত্তৰ ভাৰতীয় ক'লা মৃৎপাত্ৰ' সেই সময়ৰ শিল্পকলাৰ এটি উৎকৃষ্ট নিদৰ্শন। বস্ত্ৰ শিল্পৰ কেন্দ্ৰ স্থল আছিল উত্তৰৰ বাৰানসী আৰু দক্ষিণৰ মাদুৰাই। পুৰুষ-মহিলা উভয়েই এইবোৰ কেন্দ্ৰত কাম কৰিছিল। বহুতো বণিক আৰু শিল্পকৰ্মীয়ে 'শ্ৰেণী' নামৰ সংঘ প্ৰতিষ্ঠা কৰিছিল। এই সংঘবোৰে সততে বেংকৰ ভূমিকা পালন কৰিছিল।

**উত্তৰ লিখা ঃ**

- অসমৰ কোনখন ঠাইক প্ৰাচ্যৰ মানচেষ্টাৰ বুলি কোৱা হয়?
- মৃৎপাত্ৰ বুলিলে কি বুজা? তোমাৰ অঞ্চলত উপলব্ধ কেইপদমান মৃৎপাত্ৰৰ নাম উল্লেখ কৰা।

তোমালোকৰ বহুতেই হয়তো মুম্বাই, চেন্নাই, কলকাতাত যে বন্দৰ আছে সেই বিষয়ে জানা। এই বন্দৰবোৰৰপৰা বেহা-বেপাৰকে আদি কৰি বিভিন্ন কামত সাগৰেৰে যাতায়াত চলে। মৌৰ্যৰ পৰৱৰ্তী যুগতো আৰব সাগৰৰ পাৰত থকা গুজৰাটৰ ভাৰুচ আৰু পুডুচেৰীৰ আৰিকামেডু নামৰ দুটা বন্দৰৰ যোগেদি বেহা-বেপাৰ চলাৰ কথা আমি জানিব পাৰো। এই ঠাইৰপৰা দেশ আৰু বিদেশৰ মাজত বেহা-বেপাৰ চলিছিল।

এইদৰে মৌৰ্যযুগৰ পৰৱৰ্তী কালত ভাৰতবৰ্ষত যি ৰাজনৈতিক আৰু সামাজিক বিৱৰ্তনৰ সূচনা হৈছিল, সেইটোৱে ভাৰতৰ ৰাজনীতি, অৰ্থনীতি, সমাজনীতি আৰু সভ্যতা-সংস্কৃতি সকলোতে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল। সেয়েহে, কোনো কোনো ইতিহাসবিদে বিদেশী অভিযানসমূহক 'অনুপ্ৰৱেশ' বুলিহে ক'ব খোজে। কাৰণ, শক, কুষাণ, পাৰ্থিয়ান আৰু ইন্দো-গ্ৰীক আদি বিদেশী শক্তিবোৰে ভাৰতবৰ্ষ অধিকাৰ কৰাৰ পৰিৱৰ্তে এই দেশত স্থায়ীকৈ বসবাস কৰিবলৈহে আহিছিল আৰু নিজস্ব সাংস্কৃতিক উপাদানেৰে ভাৰতীয় ঐতিহ্যৰ লগত মিলি গৈছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

- মৌৰ্যসকলৰ পতনৰ পাছত ভাৰতবৰ্ষত ভালেমান সৰু-বৰু ৰাজ্যৰ উত্থান হৈছিল।
- শুঙ্গবংশই মগধত, সাতবাহনসকলে দক্ষিণ ভাৰতত আৰু চেদী বংশই কলিঙ্গত নিজকে প্ৰতিষ্ঠা কৰিছিল।
- ইন্দো-গ্ৰীক, শক, কুষাণ আদি বিদেশী শক্তিয়ে ভাৰতৰ উত্তৰ-পশ্চিম প্ৰান্তত ৰাজত্ব কৰিছিল।
- দেশী-বিদেশী, জাতি-জনগোষ্ঠীৰ সমন্বয়ে ভাৰতীয় সংস্কৃতিৰ ওপৰত সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাইছিল।
- মৌৰ্যবংশৰ শেষ ৰজা বৃহদ্ৰথক হত্যা কৰি পুষ্যমিত্ৰ শুঙ্গই মগধত শুংগ বংশ প্ৰতিষ্ঠা কৰিছিল।
- সাতবাহনসকলক অন্ধ্ৰ নামেৰেও জনা যায়।
- সাতবাহনসকলৰ ৰাজত্ব কালত দুই ধৰণৰ শাসন ব্যৱস্থা আছিল— এক অংশত শাসনকাৰ্য ৰজাৰ অনুগতসকলে আৰু বাকী অংশ ৰজাৰ প্ৰত্যক্ষ শাসনাধীন আছিল।
- সাতবাহনসকলৰ মাজত পিতৃপ্ৰধান সামাজিক ব্যৱস্থা চলিছিল যদিও নাৰীৰ ভূমিকাও গুৰুত্বপূৰ্ণ আছিল।
- চোল, চেৰা আৰু পাণ্ড্যসকলে দক্ষিণ ভাৰতত প্ৰায় ৪০০ বছৰ জুৰি ৰাজত্ব কৰিছিল। এই তিনিখন ৰাজ্যক একেলগে ত্ৰিৰাজ্যও বোলা হৈছিল।
- প্ৰাচীন যুগৰ দক্ষিণ ভাৰতত ৰাজপৃষ্ঠপোষকতাত যি সাহিত্যৰ সৃষ্টি হৈছিল তাকে সংগম সাহিত্য বোলে।
- বহিঃ ৰাজ্যৰ লগত থকা ভাৰতৰ সাংস্কৃতিক বিনিময়ৰ বাবে বিদেশী শক্তিবোৰ ভাৰতৰ প্ৰতি আকৰ্ষিত হৈছিল।
- গ্ৰীকসকল ভাৰতীয় ধৰ্ম আৰু দৰ্শন দুয়োটাৰ প্ৰতি আকৃষ্ট আছিল।
- ভাৰতীয় লোকসকলে গ্ৰীকসকলৰপৰা জ্যোতিষ শাস্ত্ৰ, মুদ্ৰা আৰু শিল্পকলা সম্বন্ধে জ্ঞান লাভ কৰিছিল।
- গান্ধাৰ শিল্পকলাৰ মূল বিষয়বস্তু আছিল বৌদ্ধ ধৰ্ম।
- গান্ধাৰ শিল্পকলা গ্ৰীক, ৰোমান আৰু বৌদ্ধ ধৰ্মৰ সংমিশ্ৰণত গঢ় লৈ উঠিছিল।
- কণিষ্কৰ ৰাজত্বকালতে বৌদ্ধধৰ্ম হীনযান আৰু মহাযান নামৰ দুটা ভাগত বিভক্ত হয়।
- সমৃদ্ধিশালী গাঁওবোৰেই প্ৰাচীন ভাৰতৰ অৰ্থনীতি আৰু কলা-সংস্কৃতিৰ মূল ভেটি।
- কৃষক, পশুপালকসকলে নগৰৰ মানুহৰ বাবে আৱশ্যকীয় খাদ্যৰ যোগান ধৰিছিল।
- ব্যৱসায়-বাণিজ্যৰ বাবে সাগৰ পথ ব্যৱহাৰ কৰা হৈছিল।

## অনুশীলনী ঃ

১। **উত্তৰ দিয়া ঃ**

(ক) শুংগবংশৰ পাছত উত্তৰ ভাৰতত কোন বংশৰ ৰজাই ৰাজত্ব কৰিছিল?

(খ) সাতবাহনসকলে ভাৰতৰ কোন অংশত ৰাজত্ব কৰিছিল?

(গ) কলিংগ ৰাজ্যক বৰ্তমান কি নামেৰে জনা যায়?

(ঘ) 'ত্ৰিৰাজ্য' বুলিলে কোন কেইখন ৰাজ্যক বুজায়?

(ঙ) কুষাণ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা কোন আছিল?

২। **উত্তৰ লিখা ঃ**

(ক) সাতবাহনসকলৰ ৰাজত্বকালত কাৰ কাৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন হৈছিল?

(খ) কণিষ্কৰ শাসনকালত বৌদ্ধ ধৰ্ম কেইটা ভাগত ভাগ হৈছিল? নাম দুটা উল্লেখ কৰা।

(গ) সংগম সাহিত্য কেই প্ৰকাৰৰ আৰু কি কি?

(ঘ) কুষাণ যুগৰ দুটা শিল্প-কলাৰ নাম।

(ঙ) মৌৰ্যৰ পৰৱৰ্তী যুগত জলসিঞ্চনৰ বাবে ব্যৱহৃত দুটা ব্যৱস্থাৰ নাম।

(চ) মৌৰ্যসকলৰ পৰৱৰ্তী যুগৰ গাঁওবিলাকত কি কি বৃত্তিজীৱি লোক বাস কৰিছিল? দুটা বৃত্তিৰ নাম উল্লেখ কৰা।

৩। **'ক' অংশৰ লগত 'খ' অংশ মিলাই চোৱা—**

| | |
|---|---|
| (ক) মহামেঘ বাহন | (ক) মিনাণ্ডাৰ |
| (খ) অন্ধ্ৰৰ আন এটা নাম | (খ) গান্ধাৰ শিল্পই। |
| (গ) ইন্দো-গ্ৰীকসকলৰ বিখ্যাত ৰজা | (গ) তামিল কবি সম্মিলনৰ সাহিত্য আছিল। |
| (ঘ) কণিষ্কৰ দৃষ্টি আকৰ্ষণ কৰিছিল। | (ঘ) সাতবাহন |
| (ঙ) সংগম সাহিত্য | (ঙ) কলিংগ |

৪। **শুদ্ধ উত্তৰ বাছি উলিওৱা—**

(ক) সাতবাহন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল জয়দ্ৰথে/সিমুকে/বাসুদেৱে।

(খ) যৱন বুলি শুঙ্গ/ইন্দো-গ্ৰীক/কান্বসকলক কোৱা হৈছিল।

(গ) গান্ধাৰ শিল্পৰ মূল বিষয়-বস্তু আছিল হিন্দুধৰ্ম/বৌদ্ধধৰ্ম/জৈনধৰ্ম।

(ঘ) গণ্ডোফৰ্ণিছ কুষাণ/পহ্লৱ/শক বংশৰ শ্ৰেষ্ঠ ৰজা আছিল।

(ঙ) জাতক হৈছে গল্প/কবিতা/উপন্যাস।

৫। সত্য নে অসত্য বাছি উলিওৱা—

(ক) কাতন্ত্র আছিল সাতবাহনসকলৰ দিনৰ এখন উল্লেখযোগ্য গ্ৰন্থ।

(খ) অশ্বঘোষ শক ৰাজসভাৰ এজন পণ্ডিত আছিল।

(গ) সংগম সাহিত্য সংস্কৃত ভাষাত ৰচনা কৰা হৈছিল।

(ঘ) মিনাণ্ডাৰে হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল।

(ঙ) প্ৰাচীন ভাৰতলৈ ৰোমান সাম্ৰাজ্যৰপৰা সোণ আমদানি কৰা হৈছিল।

৬। তলত দিয়া বিষয়বোৰৰ ওপৰত চমু টোকা লিখা। (৫০ টা শব্দৰ ভিতৰত)

(ক) অৰ্থনীতি, সমাজনীতি আৰু সংস্কৃতিৰ ওপৰত আলোকপাত কৰি কণিষ্কৰ ৰাজত্বকাল বৰ্ণনা কৰা।

(খ) মৌৰ্য যুগৰ পৰৱৰ্তী সময়ত সাধাৰণ মানুহৰ জীৱন-ধাৰণ প্ৰণালী কেনেকুৱা আছিল বৰ্ণনা কৰা।

৭। **প্ৰকল্প ঃ (দলগত কাৰ্য)**

(ক) প্ৰাচীন ভাৰতৰ পাঁচবিধ মুদ্ৰাৰ চিত্ৰ আৰু বৰ্তমান প্ৰচলিত পাঁচবিধ মুদ্ৰা (কাগজৰ টকা আৰু ধাতুৰ মুদ্ৰা) গোটোৱা। এই দুয়োবিধ মুদ্ৰাৰ মাজত কি পাৰ্থক্য মন কৰিছা? এইবোৰৰ ছবি, আখৰ, আকৃতি আৰু গঢ়ৰ বৈশিষ্ট্যসমূহ আৰু তোমালোকৰ দৃষ্টিগোচৰ হোৱা যিকোনো তথ্য সামৰি এটি টোকা প্ৰস্তুত কৰা।

(খ) দৈনন্দিন ব্যৱহাৰ্য লোৰে নিৰ্মিত পাঁচবিধ সঁজুলিৰ নাম লিখা আৰু তাৰ ছবি অঙ্কন কৰা।

# পাঠঃ ১১
# গুপ্ত সাম্ৰাজ্যৰ উত্থান

B8E4M4

## শিকনৰ ফলাফল ঃ

- গুপ্ত ৰাজবংশৰ ইতিহাসৰ সমলৰ বিষয়ে জানিব পাৰিব।
- গুপ্ত সাম্ৰাজ্যৰ ভৌগোলিক অৱস্থিতিৰ বিষয়ে জানিব পাৰিব।
- গুপ্ত শাসন ব্যৱস্থাৰ বিষয়ে থূলমূল আভাস পাব।
- গুপ্তসকলৰ আৰ্থ-সামাজিক দিশ সম্পৰ্কে ধাৰণা লাভ কৰিব।
- ভাৰতবৰ্ষৰ ইতিহাসত গুপ্ত শাসকসকলৰ অৱদানৰ বিষয়ে জানিব পাৰিব।
- গুপ্ত সাম্ৰাজ্যৰ পতনৰ কাৰণ জানিব পাৰিব।

তোমালোকে আগৰ পাঠত মৌৰ্যসকলৰ পতনৰ পাছত বিভিন্ন দেশী-বিদেশী ৰাজবংশই ভাৰতত ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য স্থাপন কৰি শাসন কাৰ্য চলোৱাৰ বিষয়ে জানিবলৈ পাইছাইক। আনুমানিক খ্ৰীষ্টীয় তৃতীয় শতিকাত 'গুপ্ত' নামৰ এটা ৰাজবংশৰ অধীনত মগধক কেন্দ্ৰ কৰি এই ৰাজ্যবোৰ পুনৰ একত্ৰিত হৈছিল। এই গুপ্তসকলৰ ৰাজত্ব কালৰ বিষয়ে বিভিন্ন মত পোৱা যায়। ইতিহাসৰ বিভিন্ন সমলৰপৰা আমি এই গুপ্তসকলৰ বিষয়ে বহু কথা জানিব পাৰোঁ। বিশেষকৈ পুৰাণ, বিশাখাদত্তৰ মুদ্ৰাৰাক্ষস, চীনা পৰিব্ৰাজক ফাহিয়ানৰ টোকা, এলাহাবাদ প্ৰশস্তি, গুপ্ত যুগৰ মুদ্ৰা, স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলা এই যুগৰ উল্লেখযোগ্য ঐতিহাসিক সমল।

এই ঐতিহাসিক সমলসমূহৰপৰা জানিব পাৰি যে, গুপ্তসকলে ভাৰতবৰ্ষত প্ৰায় দুশ বছৰৰো অধিক কাল ৰাজত্ব কৰিছিল। আনুমানিক খ্ৰীষ্টীয় তৃতীয় শতিকাৰ আৰম্ভণিতে **শ্ৰীগুপ্তই** মগধত **গুপ্তবংশ** প্ৰতিষ্ঠা কৰি **'মহাৰাজ'** উপাধি লৈছিল। শ্ৰীগুপ্তৰ পাছত ঘটোৎকচ গুপ্ত সাম্ৰাজ্যৰ সিংহাসনত বহে। অৱশ্যে এওঁলোকৰ বিষয়ে ইতিহাসত বিশেষ উল্লেখ নাই। গুপ্ত বংশত শ্ৰীগুপ্তৰ পৰা স্কন্দগুপ্তলৈ ৰাজত্ব কৰা সম্ৰাটসকলৰ দিনত গুপ্ত সাম্ৰাজ্যৰ যথেষ্ট শ্ৰীবৃদ্ধি হৈছিল। এইসকলৰ ভিতৰত প্ৰথম চন্দ্ৰগুপ্ত, সমুদ্ৰগুপ্ত আৰু দ্বিতীয় চন্দ্ৰগুপ্তৰ কাৰ্যকাল বিশেষভাৱে উল্লেখযোগ্য। স্কন্দগুপ্তৰ পাছতো বহুকেইজন গুপ্ত সম্ৰাটে গুপ্ত সাম্ৰাজ্যত শাসন চলাইছিল। এওঁলোকৰ কাৰ্যকালত বিশেষ উল্লেখযোগ্য অৰিহণাৰ বিষয়ে জানিব পৰা নাযায়। ইতিহাসত এওঁলোকক পৰৱৰ্তী গুপ্ত ৰজা বুলি কোৱা হয়।


**প্ৰথম সাতজন গুপ্ত সম্ৰাটৰ আনুমানিক সময় ঃ**

| | |
|---|---|
| শ্ৰীগুপ্ত | ২৪০-২৮০ খ্ৰীঃ |
| ঘটোৎকচ | ২৮০-৩১৯ খ্ৰীঃ |
| প্ৰথম চন্দ্ৰগুপ্ত | ৩১৯-৩৩৫ খ্ৰীঃ |
| সমুদ্ৰগুপ্ত | ৩৩৫-৩৭৫ খ্ৰীঃ |
| দ্বিতীয় চন্দ্ৰ গুপ্ত | ৩৭৫-৪১৪ খ্ৰীঃ |
| প্ৰথম কুমাৰ গুপ্ত | ৪১৫-৪৫৫ খ্ৰীঃ |
| স্কন্দ গুপ্ত | ৪৫৫-৪৬৭ খ্ৰীঃ |


গুপ্ত যুগৰ স্থাপত্য-ভাস্কৰ্য

এই গুপ্ত ৰজাসকলে পৰ্যায়ক্ৰমে বৰ্তমানৰ উত্তৰ প্ৰদেশ আৰু বিহাৰক কেন্দ্ৰ কৰি গুপ্ত সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। পাছলৈ তেওঁলোকে সমগ্ৰ ভাৰতবৰ্ষতে শাসনকাৰ্য চলাইছিল।

কাষৰ মানচিত্ৰখন মন কৰা। ইয়াত দেখা গুপ্ত সাম্ৰাজ্যখন একেজন সম্ৰাটৰ সময়তে গঢ়ি উঠা নাছিল। প্ৰথম চন্দ্ৰগুপ্তই বৈশালী (উত্তৰ বিহাৰ), পাটলিপুত্ৰ (পাটনা), শাকেত (অযোধ্যা), প্ৰয়াগ (এলাহাবাদ), দক্ষিণ বিহাৰৰ কিছু অংশ আৰু বংগৰ এটা অংশ জয় কৰি শ্ৰীগুপ্তই স্থাপন কৰা সাম্ৰাজ্যৰ পৰিসৰ বহলাইছিল। গুপ্তসকলৰ পৰৱৰ্তী সম্ৰাট সমুদ্ৰগুপ্তই উত্তৰ, দক্ষিণ আৰু পূব ভাৰতবৰ্ষৰ বহুতো স্বাধীন ৰাজ্য জয় কৰিছিল। তেওঁ নেপাল আৰু আফগানিস্তানলৈও গুপ্ত সাম্ৰাজ্যৰ পৰিসৰ বৃদ্ধি কৰিছিল। সমুদ্ৰগুপ্তৰ পৰৱৰ্তী সম্ৰাট দ্বিতীয় চন্দ্ৰগুপ্তই পশ্চিম ভাৰতবৰ্ষৰ শকসকলক পৰাস্ত কৰি তেওঁলোকৰ ৰাজ্য দখল কৰিছিল আৰু মালৱাৰ, কাথিয়াৱাৰ (গুজৰাট) আৰু সৌৰাষ্ট্ৰ জয় কৰি গুপ্ত সাম্ৰাজ্যৰ পৰিসৰ বহলাইছিল।



মানচিত্ৰ ১১.১

**জানি থওঁ আহা ঃ**

- সমুদ্ৰগুপ্তই পূব ভাৰতত কামৰূপ, ডবাক (অনুমান কৰা হয় নগাঁৱৰ ডবকা অঞ্চল) জয় কৰিছিল। অৱশ্যে ইয়াৰ ৰজাসকলে বশ্যতা স্বীকাৰ কৰাত ৰাজ্যসমূহ ঘূৰাই দিছিল। কামৰূপত সেইসময়ত বৰ্মণ বংশই ৰাজত্ব কৰিছিল। সমুদ্ৰগুপ্তৰ সমসাময়িক বৰ্মণ বংশৰ ৰজাজন হ'ল পুষ্যবৰ্মণ।
- প্ৰশস্তি মানে হ'ল ৰজাৰ গুণানুকীৰ্তন কৰা কবিতা, যিবোৰ শিলত খোদিত কৰা হৈছিল। সমুদ্ৰগুপ্তৰ ৰাজকবি হৰিসেনে এলাহবাদ প্ৰশস্তিত গুপ্তবংশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সাহিত্য-সংস্কৃতি আদি দিশৰ কথা উল্লেখ কৰিছে।
- দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্ব কালত চীন দেশৰ পৰিব্ৰাজক ফাহিয়ান ভাৰতলৈ আহিছিল। তেওঁ ভাৰতত সংস্কৃত ভাষা অধ্যয়ন কৰিছিল। গুপ্তযুগৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলা সম্পৰ্কে তেওঁ এটি মূল্যবান টোকা লিখি থৈ গৈছে।

**ক্ৰিয়াকলাপ ঃ**

মানচিত্ৰ ১১.১ খন পৰ্যবেক্ষণ কৰি প্ৰথম চন্দ্ৰগুপ্ত, সমুদ্ৰগুপ্ত আৰু দ্বিতীয় চন্দ্ৰগুপ্তই জয় কৰা ৰাজ্যসমূহ বাছি উলিয়াই এখন তালিকা প্ৰস্তুত কৰা।

এনে এখন বৃহৎ সাম্ৰাজ্যৰ শাসন কাৰ্য গুপ্ত ৰজাসকলে কিদৰে পৰিচালনা কৰিছিল তাক জানিবলৈ তোমালোকৰ মন নাযায়নে? কিয়নো, সেই সময়ত আজিৰ দৰে কোনো উন্নত যাতায়াত আৰু যোগাযোগ ব্যৱস্থা

নাছিল অথচ, তেওঁলোকে এই বিশাল সাম্ৰাজ্যখন সুচাৰুৰূপে পৰিচালনা কৰিছিল। যাৰ ফলত গুপ্ত সাম্ৰাজ্য ৰাজনৈতিক, অৰ্থনৈতিক, সাহিত্য-সংস্কৃতি, বিজ্ঞান আদি সকলো দিশতে আগবাঢ়ি গৈছিল। এইবোৰৰ প্ৰভাৱ আমি বৰ্তমান সময়তো বহু ক্ষেত্ৰত দেখিবলৈ পাওঁ। সেয়েহে, এই গুপ্তসকলৰ শাসন ব্যৱস্থাৰ লগতে অন্যান্য অৱদানৰ বিষয়ে কিছু কথা জনাটো নিতান্তই প্ৰয়োজন।

**জানি থওঁ আহা ঃ**

- গুপ্ত ৰজাসকলে ক্ৰমান্বয়ে 'ৰজা, 'মহাৰজা' আৰু 'মহাৰাজাধিৰাজ' উপাধি লৈছিল। ইয়াৰপৰা অনুমান কৰিব পাৰি যে গুপ্তসকলৰ প্ৰতিপত্তি লাহে লাহে বৃদ্ধি পাইছিল।
- প্ৰথম চন্দ্ৰগুপ্তই সিংহাসন আৰোহণৰ সময়ৰপৰা 'গুপ্তাব্দ' নামৰ নতুন বৰ্ষৰ প্ৰচলন হয়। গুপ্ত যুগৰ মুদ্ৰাসমূহত 'গুপ্তাব্দ'ৰ উল্লেখ আছিল।
- দ্বিতীয় চন্দ্ৰগুপ্তই 'শকাৰি' উপাধি লৈছিল।



*দ্বিতীয় চন্দ্ৰগুপ্তৰ দিনৰ সোণৰ মুদ্ৰা*

## গুপ্ত যুগৰ শাসন ব্যৱস্থা ঃ

গুপ্তযুগত ৰজাৰ পদ বংশানুক্ৰমে লাভ কৰিছিল। ৰজাক ভগৱানৰ অৱতাৰ হিচাপে গণ্য কৰা হৈছিল। শাসন ব্যৱস্থাত ৰজাই ৰাজ্যৰ মুৰব্বী তথা সৰ্বেসৰ্বা আছিল যদিও বহুতো ক্ষমতা বিকেন্দ্ৰীকৰণ কৰা হৈছিল। গুপ্ত সম্ৰাটসকলে শাসনৰ সুবিধাৰ্থে সাম্ৰাজ্যখনক **ভুক্তি** (প্ৰদেশ), **বিষয়** (জিলা), **গাঁও** আদি গোটত ভাগ কৰিছিল। প্ৰতিটো গোটৰ পৰিচালনাৰ বাবে বেলেগ বেলেগ বিষয়া নিয়োগ কৰা হৈছিল। উচ্চ পদত ব্ৰাহ্মণ শ্ৰেণীৰ বাহিৰেও অন্য লোককো নিয়োগ কৰা হৈছিল। প্ৰশাসনিক ক্ষেত্ৰত বিষয়াসকলক ভালেমান স্বাধীনতা দিয়া হৈছিল। প্ৰথম অৱস্থাত এই বিষয়াসকলক ৰাজকোষৰপৰা দৰমহা দিয়া হৈছিল। কিন্তু পাছলৈ দৰমহাৰ সম পৰিমাণৰ ধন নিৰ্ধাৰিত মাটিৰ পৰাই ৰাজহ (খাজনা) হিচাপে আদায় কৰি দৰমহা লোৱাৰ অনুমতি দিয়া হৈছিল।

অসামৰিক বিভাগৰ নিচিনাকৈ সামৰিক বিভাগটোও সু-শৃংখলভাৱে পৰিচালিত হৈছিল। সামৰিক বিভাগত এজন প্ৰধান সেনাপতি নিয়োগ কৰা হৈছিল। তেওঁৰ নিৰ্দেশত সামৰিক বাহিনীৰ সকলো কাৰ্য সম্পাদন হৈছিল। অৱশ্যে এইক্ষেত্ৰত সৰ্বোচ্চ ক্ষমতা সম্ৰাটৰ হাতত ন্যস্ত আছিল। সেই সময়ত বিচাৰ ব্যৱস্থা দুটা ভাগত বিভক্ত কৰা হৈছিল— **সাধাৰণ** আৰু **অপৰাধমূলক**। মাটিবাৰী সম্পৰ্কীয় বিষয়বোৰ সাধাৰণ আৰু চুৰি-ডকাইতি সম্পৰ্কীয় বিষয়বোৰ অপৰাধ শাখাৰ অন্তৰ্ভুক্ত আছিল।

## গুপ্তসকলৰ আৰ্থ-সামাজিক ব্যৱস্থা ঃ (ভূমিদান আৰু সামন্ত প্ৰথা)

তোমালোকে নিশ্চয় জানা যে আমাৰ ভাৰতবৰ্ষ এখন কৃষি প্ৰধান দেশ। এই দেশৰ গৰিষ্ঠ সংখ্যক মানুহ কৃষি-কাৰ্যৰ লগত জড়িত। সেয়েহে কৃষকসকলৰ উন্নতিত চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰে। ঠিক একে ধৰণে, আজিৰপৰা কেইবাশ বছৰৰ আগৰ গুপ্ত সাম্ৰাজ্যৰ অৰ্থনীতিৰো মূল উৎস আছিল কৃষি। সেয়েহে, কৃষিভূমিৰ উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত তেওঁলোকে কিছুমান ব্যৱস্থা হাতত লৈছিল। কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে খেতি পথাৰত পানী যোগানৰ ব্যৱস্থা কৰিছিল। ৰাজ্যৰ ভূমিসমূহক তিনি শ্ৰেণীত ভাগ কৰিছিল—



*ব্ৰাহ্মণসকলক ভূমিদান দিয়া তামৰ ফলি*

(১) ৰজাৰ মালিকানাধীন ভূমি (দৰমহাৰ পৰিবৰ্তে এনে ভূমি ৰজাৰ

বিষয়ববীয়াৰ মাজত বিতৰণ কৰা হৈছিল), (২) ৰাজকীয় উৰ্বৰা ভূমি, আৰু (৩) কৃষকৰ কৃষি ভূমি। এই দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ ভূমিৰপৰা চৰকাৰে কৰ-কাটল সংগ্ৰহ কৰিছিল। উৎপন্ন শস্যৰ ¹/৪ অংশৰপৰা ¹/৬ অংশলৈকে কৰ হিচাপে আদায় কৰিছিল। গুপ্ত সম্ৰাটসকলে ব্ৰাহ্মণসকলক পৃথককৈ ভূমিদান দিছিল। এইদৰে ভূমি বিতৰণ আৰু দান কৰাৰ ফলত গুপ্ত যুগত এচাম **ভূমিৰ মালিক** অথবা **সামন্ত** শ্ৰেণীৰ সৃষ্টি হৈছিল। এই মালিকসকলে পথাৰত নিজে কৃষি-কৰ্ম নকৰি এচাম কৃষকক কামত খটুৱাইছিল। কালক্ৰমত মালিকৰ ভূমিত কাম কৰা এই কৃষকসকল মুক্ত কৃষকৰপৰা অৱনমিত হৈ বহতীয়া কৃষকলৈ পৰিণত হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

- গুপ্ত যুগৰ ভূমি বিতৰণৰ নীতি সঠিক আছিলনে? মতামত আগবঢ়োৱা।
- 'জলসিঞ্চন ব্যৱস্থা অৱলম্বন কৰি খেতি কৰিলে অধিক শস্য উৎপাদন হয়'— যুক্তি আগবঢ়োৱা।

## ব্যৱসায় বাণিজ্য ঃ




মানচিত্ৰ ১১.২

এখন দেশৰ আৰ্থিক দিশৰ উন্নতিত ব্যৱসায়-বাণিজ্য, কল-কাৰখানা আৰু কৃষি উদ্যোগসমূহে মুখ্য ভূমিকা গ্ৰহণ কৰে। সাধাৰণতে, নিজ দেশত উৎপাদিত দ্ৰব্যসমূহ ব্যৱহাৰৰ পিছত অতিৰিক্ত খিনি অন্য দেশলৈ ৰপ্তানি কৰি ৰাষ্ট্ৰই ৰাজ ভঁৰাল চহকী কৰে। গুপ্ত যুগতো এনে ধৰণৰ ব্যৱসায়-বাণিজ্যই প্ৰসাৰতা লাভ কৰিছিল। ভাৰতীয় বস্ত্ৰ-শিল্পজাত সামগ্ৰীসমূহে সেই সময়ত বিদেশত সমাদৰ লাভ কৰিছিল। জল আৰু স্থল উভয় পথেৰে সাম্ৰাজ্যৰ বাহিৰে-ভিতৰে ব্যৱসায়-বাণিজ্য চলিছিল। ৰোম, দক্ষিণ-পূব এছিয়া আৰু চীন দেশক কেন্দ্ৰ কৰি এই বাণিজ্য গঢ় লৈ উঠিছিল। জল পথেৰে বহিঃদেশৰ লগত ব্যৱসায়-বাণিজ্য চলাবৰ কাৰণে উপকূলীয় অঞ্চলবোৰত কিছু সংখ্যক বন্দৰ গঢ় লৈ উঠিছিল। ইয়াৰ ভিতৰত পশ্চিম ভাৰতত ভৃগুকচ্ছ, চ'পৰা, কল্যাণ, দক্ষিণ ভাৰতত কাবেৰীপট্টিনম, কালিকট, গংগা উপত্যকাত তাম্ৰলিপ্তি আদিয়েই প্ৰধান। ওপৰৰ মানচিত্ৰত এই বন্দৰসমূহৰ অৱস্থান চাই লবাই'ক। ভাৰতবৰ্ষৰপৰা ৰোমলৈ মছলা, চন্দন কাঠ, হাতী দাঁতেৰে তৈয়াৰী বস্তু, মণি-মুক্তা, ঔষধি গছ, সুগন্ধি দ্ৰব্যৰ লগতে কিছুমান জীৱ-জন্তুও এই বন্দৰবোৰেদি ৰপ্তানি কৰা হৈছিল। গুপ্ত যুগত সোণ-ৰূপৰ মুদ্ৰাৰ লগতে কড়িৰো প্ৰচলন আছিল।



সমুদ্ৰগুপ্তৰ দিনৰ সোণৰ মুদ্ৰা

গুপ্ত যুগত **গীল্ড বা নিগম** ব্যৱস্থা প্ৰচলিত আছিল। গীল্ডবোৰ স্বয়ং শাসিত

সংস্থা আছিল। এওঁলোকে ব্যৱসায়-বাণিজ্য তদাৰক কৰিছিল। এওঁলোকৰ কাম-কাজ ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বাহিৰত আছিল। গীল্ডবোৰে বেংকৰ দৰে ব্যৱসায়ীক টকা ধাৰে দিছিল। ব্যৱসায়-বাণিজ্য কৰিবলৈ হ'লে বিশেষকৈ বিদেশী লোকে গীল্ডৰ অনুমতি ল'ব লাগিছিল। ইয়াৰ ফলত গুপ্ত যুগত এক পুঁজিপতি শ্ৰেণীৰ আবিৰ্ভাব হৈছিল।

**জানি থওঁ আহা ঃ**

- গুপ্ত যুগত উপকূলীয় অঞ্চলত গঢ়ি উঠা বন্দৰসমূহ যদিওবা ব্যৱসায়-বানিজ্যৰ বাবে ব্যৱহাৰ কৰা হৈছিল, তথাপি এই পথেদিয়েই ভাৰতীয় দৰ্শন, ধৰ্ম-সংস্কৃতি আদিয়ে বিদেশত প্ৰসাৰতাও লাভ কৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

- বৰ্তমান আমাৰ ৰাজ্য অসমে আমদানি আৰু ৰপ্তানি কৰা কিছুমান সামগ্ৰীৰ এখন তালিকা প্ৰস্তুত কৰা।
- জল পথেৰে ব্যৱসায়-বাণিজ্য কৰাৰ সুবিধাসমূহ কি কি? অসমত জলপথৰ সুবিধা আছেনে?

## গুপ্ত যুগৰ সমাজ ব্যৱস্থা ঃ

গুপ্তসকলৰ ৰাজত্ব কালত ভাৰতীয় সমাজ ব্যৱস্থাত পৰিবৰ্তন হোৱা দেখা গৈছিল। বিশেষকৈ মজুৰিৰ সলনি ভূমিদানৰ ফলত সামন্ত প্ৰথাৰ প্ৰসাৰ ঘটিছিল। বৃত্তি অনুসৰি সৃষ্টি হোৱা জাতিৰ উপৰি জন্মসূত্ৰে পোৱা জাতিপ্ৰথাৰ প্ৰচলন হৈছিল। ফলস্বৰূপে সমাজত জাতিভেদ প্ৰথাৰ লগতে অস্পৃশ্যতাই গা কৰি উঠিছিল।

গুপ্ত ৰজাসকল হিন্দু ধৰ্মৰ পৃষ্ঠপোষক আছিল। ৰজাই দান হিচাপে আগবঢ়োৱা কৰমুক্ত অগ্ৰহাৰ ভূমিৰ মালিক হোৱা পুৰোহিত শ্ৰেণীয়েও সমাজত বৰ্ণবাদৰ বিভেদক অধিক গুৰুতৰ কৰি তুলিছিল। উত্তৰ-পশ্চিম সীমাৰে ভাৰতলৈ আহি নিগাজিকৈ থাকিবলৈ লোৱা বিদেশী লোকসকলৰ বাবেও সমাজত ন ন বৰ্ণৰ সৃষ্টি হৈছিল। ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়সকলৰ প্ৰতিপত্তি আৰু সামাজিক মৰ্যাদা বৃদ্ধি হোৱা দেখা গৈছিল। ইয়াৰ বিপৰীতে কৃষি কৰ বৃদ্ধি আৰু সামন্ত শ্ৰেণীৰ সৃষ্টিয়ে কৃষকৰ অৱস্থা পুতৌ লগা কৰি তুলিছিল।

সেইসময়ত মহিলাৰ স্থান পূৰ্বৰ তুলনাত কিছু উন্নত আছিল যদিও পুৰুষৰ সমান সুযোগ-সুবিধা পোৱা নাছিল। উচ্চ বৰ্গৰ নাৰীয়ে শিক্ষা লাভৰ অধিকাৰ পাইছিল। বাল্য বিবাহ আৰু সতীদাহ প্ৰথাৰ প্ৰচলন এই সময়ত হৈছিল বুলি জনা যায়। ভাৰতীয় ইতিহাসত সতী যোৱাৰ প্ৰাচীনতম দৃষ্টান্ত গুপ্ত যুগতে আৰম্ভ হোৱা বুলি অনুমান কৰা হয়। ইয়াৰ প্ৰভাৱ আধুনিক ভাৰততো পৰিছিল। বৃটিছৰ শাসন কালত ৰাজাৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ আদিৰ দৰে ভাৰতীয় সমাজ সংস্কাৰকৰ সহযোগত বৃটিছ গৱৰ্ণৰ জেনেৰেল লৰ্ড উইলিয়াম বেণ্টিংকে এই প্ৰথা বন্ধ কৰাৰ বাবে দৃঢ় পদক্ষেপ হাতত লৈছিল। অৱশ্যে অসমত এনে প্ৰথাৰ প্ৰচলনৰ তথ্য পোৱা নাযায়।

**ক্ৰিয়াকলাপ ঃ (শিক্ষক অথবা অভিজ্ঞ ব্যক্তিৰ সহায় ল'বা)**

- আমাৰ ৰাজ্যই মহিলাৰ সৱলীকৰণৰ বাবে লোৱা ব্যৱস্থাসমূহৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা।

**জানি থওঁ আহা ঃ**

- গুপ্ত সম্ৰাট চন্দ্ৰগুপ্ত দ্বিতীয়ৰ কন্যা প্ৰভাৱতী গুপ্তক ভকটকসকলৰ ৰজা ৰুদ্ৰসেন দ্বিতীয়লৈ বিয়া দিয়া হৈছিল। স্বামীৰ মৃত্যুৰ পাছত প্ৰভাৱতী গুপ্তই ভকটক ৰাজ্য শাসন কৰাৰ লগতে ব্ৰাহ্মণক ভূমিদান কৰাৰো তথ্য পোৱা যায়। ভাৰতৰ ইতিহাসত তেওঁক প্ৰথম মহিলা শাসনকৰ্তা হিচাপেও জনা যায়।

## সাহিত্য-সংস্কৃতি আৰু বিজ্ঞানৰ ক্ষেত্ৰত গুপ্তসকলৰ অৱদান ঃ

এখন ৰাষ্ট্ৰৰ উন্নতি তথা গৌৰবৰ প্ৰতিফলন ঘটে সেই ৰাষ্ট্ৰৰ সাহিত্য-সংস্কৃতি আৰু বিজ্ঞানৰ বিকাশ সাধনৰ যোগেদি। ইয়াৰ বাবে লাগিব শান্তিৰ পৰিৱেশ, ৰাজকীয় পৃষ্ঠপোষকতা আৰু শ্ৰম। গুপ্ত ৰজাসকলে সাহিত্য-সংস্কৃতি আৰু বিজ্ঞানৰ প্ৰসাৰৰ বাবে উদাৰভাৱে পৃষ্ঠপোষকতা আগবঢ়াই ছিল। ৰাজপৃষ্ঠপোষকতা লাভ কৰা ভাষা-সংস্কৃতিয়ে সেই সময়ত জাতীয়তাবোধ বিকাশত সহায় কৰিছিল। **সংস্কৃত ভাষাই** এই যুগত উচ্চ শ্ৰেণীৰ ভাষাৰ মৰ্যাদা লাভ কৰিছিল। এই সময়ত ৰচনা কৰা সাহিত্যসমূহ মূলতঃ সংস্কৃত ভাষাত লিখা হৈছিল। **'প্ৰাকৃত'** সমাজৰ সাধাৰণ শ্ৰেণীৰ ভাষা আছিল। **মহাকবি কালিদাস, ভৰত, শূদ্ৰক** আৰু **বিশাখাদত্তই** বিভিন্ন ৰচনাৰে এই যুগৰ সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। আন এগৰাকী পণ্ডিত **হৰিসেনে** এই যুগতে এলাহাবাদ স্তম্ভলিপিৰ যোগেদি এক প্ৰশস্তি লিখি উলিয়াইছিল। **পুৰাণ, ৰামায়ণ** আৰু মহাভাৰতৰ দৰে বিখ্যাত গ্ৰন্থসমূহ এই যুগত পুনৰ মুদ্ৰিত হৈছিল। দ্বিতীয় চন্দ্ৰগুপ্তৰ ৰাজত্ব কালত ন গৰাকী সাহিত্যিকৰ সমাহাৰ ঘটিছিল, যাক **নৱৰত্ন** বুলি কোৱা হৈছিল।


সাহিত্য-সংস্কৃতিৰ দৰেই বিজ্ঞান, জ্যোতিৰ্বিদ্যা আৰু অংক শাস্ত্ৰই এই যুগত প্ৰসাৰতা লাভ কৰিছিল। জ্যোতিৰ্বিদ্যাৰ কেতবোৰ সিদ্ধান্তই বিশ্ববাসীক চমকৃত কৰিছিল। এই যুগৰ প্ৰখ্যাত **জ্যোতিৰ্বিদ আৰ্যভট্টই 'আৰ্যভট্টীয়'** নামৰ পুথিখন ৰচনা কৰিছিল। পৃথিৱীয়ে নিজ কক্ষপথত থাকি সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰে আৰু পৃথিৱীৰ ছাঁতো চন্দ্ৰৰ গাত পৰাৰ ফলত **চন্দ্ৰগ্ৰহণ** হয়— এই দুটা বৈজ্ঞানিক ব্যাখ্যা আৰ্যভট্টই গুপ্ত যুগতেই উদ্ভাৱন কৰিছিল। ইয়াৰ উপৰি, এই যুগতেই বৈজ্ঞানিকসকলে গণিতত **দশমিক পদ্ধতি, শূণ্যৰ ব্যৱহাৰ** আৰু **স্থানীয় মানৰ ধাৰণা** আদি তত্ত্বসমূহ উদ্ভাৱন কৰিছিল। আন এজন জ্যোতিৰ্শাস্ত্ৰবিদ বৰাহমিহিৰে **'বৃহৎসংহিতা'** নামৰ উল্লেখযোগ্য পুথি ৰচনা কৰিছিল। **'চৰক'** আৰু **'সুশ্ৰুত'** এই যুগৰ দুজন উল্লেখযোগ্য **চিকিৎসা শাস্ত্ৰবিদ** আছিল।

### জানি থওঁ আহা ঃ

- গুপ্ত যুগত নালন্দা, তক্ষশীলা, উজ্জয়িনী, সাৰনাথ আৰু বিক্ৰমশীলা নামৰ পাঁচখন বিশ্ববিদ্যালয় আছিল।
- গুপ্ত যুগতে মহাকবি কালিদাসে 'কুমাৰ সম্ভৱ', 'ৰঘুবংশম', 'মেঘদূতম', 'ঋতু সংহাৰ', 'অভিজ্ঞানম্ শকুন্তলম্', আদি অমূল্য গ্ৰন্থ ৰচনা কৰিছিল।
- এই যুগতে শূদ্ৰকে 'মৃচ্ছকটিকা', ভৰতে 'নাট্যশাস্ত্ৰ', আৰু বিশাখাদত্তই 'মুদ্ৰাৰাক্ষস' ৰচনা কৰিছিল।


## শিল্প-ভাস্কৰ্যলৈ গুপ্তসকলৰ অৱদান ঃ

শিল্প-ভাস্কৰ্যৰ উত্তৰণে গুপ্ত যুগক আৰু এখোপ উচ্চ শিখৰলৈ তুলি নিছিল। এই যুগৰ স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলাই এক নতুন ধাৰাৰ সৃষ্টি কৰিছিল। এই যুগৰ ভাস্কৰ্য আৰু চিত্ৰকলাত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ বাহিৰেও অন্যান্য দেৱ-দেৱীৰ মূৰ্তি প্ৰতিফলিত হৈছিল। দেৱ-দেৱীৰ মূৰ্তিসমূহ ইটা আৰু শিলেৰে নিৰ্মাণ কৰা হৈছিল। বৌদ্ধ ভিক্ষুসকলৰ বাবে পাহাৰ কাটি নিৰ্মাণ কৰা মন্দিৰ তথা শিল আৰু ইটাৰে নিৰ্মিত মন্দিৰসমূহ গুপ্ত যুগৰ ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। এই মন্দিৰসমূহৰ শিল্প আছিল বিদেশী প্ৰভাৱ মুক্ত। গুপ্ত যুগৰ স্থাপত্যৰ কেতবোৰ নিদৰ্শন হ'ল **সাঁচীৰ বিষ্ণু** মন্দিৰ, **দেওগড়ৰ দশাৱতাৰ মন্দিৰ, আইহোলৰ দুৰ্গা** মন্দিৰ, সাৰনাথৰ ধ্যান মগ্ন বুদ্ধ, মথুৰাৰ থিয় দি থকা বুদ্ধ মূৰ্তি ইত্যাদি। দিল্লীৰ ওচৰৰ মেহৰুলিৰ কুতুবক্ষেত্ৰত থকা লৌহস্তম্ভও বোধকৰো এই যুগৰ অৱদান।


মেহৰুলিৰ লোহস্তম্ভ

গুপ্ত যুগৰ ভাস্কৰ্য আৰু চিত্ৰকলাৰ প্ৰভাৱ অসমতো পৰা দেখা গৈছিল। উদাহৰণস্বৰূপে, তেজপুৰৰ **দ' পৰ্বতীয়াত** থকা **শিলৰ তোৰণখনৰ** কথা উনুকিয়াব পাৰি। এই তোৰণখনত থকা গংগা আৰু যমুনাৰ মূৰ্তিত গুপ্ত ভাস্কৰ্যৰ স্পষ্ট নিৰ্দশন পোৱা যায়।

ইয়াৰ আগলৈকে অসমত শিলত দেৱ-দেৱীৰ মূৰ্তি খোদিত কৰাৰ নিদৰ্শন পোৱা নাযায়। ইয়াৰ পৰিবৰ্তে অসমৰ ভাস্কৰ্যসমূহত মাটি আৰু কাঠহে ব্যৱহাৰ কৰা হৈছিল। দ' পৰ্বতীয়াৰ উপৰি **মিকিৰ আতী** (নগাঁও), **বৰগংগা** (নগাঁও), **দেওপাহাৰ**(নুমলীগড়), **কামাখ্যা** (গুৱাহাটী), **বৰমেধী পাৰা** (দুধনৈ)ত পোৱা ভাস্কৰ্যবোৰতো গুপ্ত ভাস্কৰ্যৰ প্ৰভাৱ পৰিলক্ষিত হয়।



*বিষ্ণু মূৰ্তি (মিকিৰ আতী)*

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ ওচৰে-পাজৰে থকা পুৰণি কীৰ্তিচিহ্নসমূহৰ এখন তালিকা প্ৰস্তুত কৰা। প্ৰতিটো কীৰ্তিচিহ্নৰ ওপৰত একোটাকৈ টোকা লিখা।



*অজন্তা চিত্ৰকলা*

**গুপ্তযুগৰ চিত্ৰকলা ঃ**

চিত্ৰকলাৰ ক্ষেত্ৰতো গুপ্তযুগ গৌৰৱৰ উচ্চ শিখৰত উপনীত হৈছিলগৈ। শিল্পী আৰু চিত্ৰকৰসকলে বিভিন্ন গুহা আৰু মন্দিৰসমূহত অপূৰ্ব চিত্ৰ অংকন কৰিছিল। মহাৰাষ্ট্ৰৰ অজন্তা আৰু ইলোৰা, মধ্যপ্ৰদেশৰ বাঘগুহা আদিৰ চিত্ৰাঙ্কণসমূহে গুপ্তযুগৰ গৰিমা আজিও আমাক সোঁৱৰাই দিয়ে।

গুপ্তযুগৰ সাহিত্য-সংস্কৃতি, বিজ্ঞান, স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলাৰ বিকাশৰপৰা এই যুগক নিঃসন্দেহে ভাৰতৰ ইতিহাসৰ **'স্বৰ্ণযুগ'** বুলিব পাৰি। প্ৰায় দুশ বছৰ কাল ভাৰতীয় শিল্প, সাহিত্য, বিজ্ঞান, জ্যোতিৰ্বিজ্ঞানলৈ প্ৰভূত অৰিহণা যোগোৱা গুপ্ত শাসনৰ অন্ত পৰিছিল খ্ৰীষ্টীয় পঞ্চম শতিকাৰ মাজভাগত। মূলতঃ মধ্য এছিয়াৰপৰা অহা হূণসকলৰ আক্ৰমণত এই সাম্ৰাজ্যৰ পতন হয় বুলি কোৱা হয়। অৱশ্যে সম্ৰাট স্কন্দগুপ্তৰ পৰৱৰ্তী গুপ্তসম্ৰাটসকলৰ দুৰ্বলতাও গুপ্ত সাম্ৰাজ্যৰ পতনৰ অন্যতম উল্লেখযোগ্য কাৰণ আছিল।

## মনত ৰাখিবলগীয়া কথা

- খ্ৰীষ্টীয় তৃতীয় শতিকাত গুপ্ত ৰাজবংশৰ অধীনত উত্তৰ ভাৰতৰ বহুতো সৰু-বৰ ৰাজ্য একত্ৰিত হৈ এক বিশাল গুপ্ত সাম্ৰাজ্য গঠন হৈছিল।
- প্ৰথম চন্দ্ৰগুপ্ত, সমুদ্ৰগুপ্ত, দ্বিতীয় চন্দ্ৰগুপ্ত গুপ্ত ৰাজবংশৰ উল্লেখযোগ্য সম্ৰাট আছিল।
- গুপ্ত ৰাজত্ব কালত সম্ৰাটেই সাম্ৰাজ্যৰ মুৰব্বী আছিল যদিও শাসনৰ ক্ষেত্ৰত কিছু বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰা হৈছিল।
- গুপ্তযুগত জল আৰু স্থল উভয় পথেদি বিদেশৰ লগত ভাৰতৰ ব্যৱসায়-বাণিজ্য চলিছিল।
- সাহিত্য-সংস্কৃতি, শিল্প, চিত্ৰকলা, ভাস্কৰ্য আৰু বিজ্ঞানে গুপ্তযুগত ব্যাপক প্ৰসাৰতা লাভ কৰিছিল।
- গুপ্তযুগৰ ভাস্কৰ্য, চিত্ৰকলাৰ প্ৰভাৱ অসমতো পৰিছিল।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) কোনে গুপ্তবংশ প্ৰতিষ্ঠা কৰিছিল?

(খ) কোনজন গুপ্ত সম্ৰাটে প্ৰথম মহাৰাজাধিৰাজ উপাধি লৈছিল?

(গ) এলাহাবাদ প্ৰশস্তিৰ লেখকগৰাকীৰ নাম কি?

(ঘ) গংগা-উপত্যকাত থকা বন্দৰটোৰ নাম কি?

(ঙ) সমুদ্ৰগুপ্তৰ সমসাময়িক কামৰূপৰ ৰজাজনৰ নাম কি আছিল?

২। ক্ৰম অনুসৰি লিখা—

ফাহিয়ান শ্ৰীগুপ্ত হৰিসেন পুষ্যবৰ্মণ স্কন্দগুপ্ত

৩। শুদ্ধ-অশুদ্ধ নিৰ্ণয় কৰা ঃ

(ক) প্ৰথম চন্দ্ৰগুপ্তই কামৰূপ, ডবাক জয় কৰিছিল।

(খ) গুপ্ত যুগত ভূমিসমূহক তিনিটা ভাগত ভাগ কৰা হৈছিল।

(গ) গুপ্ত যুগত নাৰীৰ স্থান পুৰুষতকৈ উচ্চ আছিল।

(ঘ) 'পৃথিৱীয়ে সূৰ্যৰ চাৰিওফালে প্ৰদক্ষিণ কৰে'— এই ধাৰণাটো বৰাহমিহিৰে উদ্ভাৱন কৰিছিল।

(ঙ) কালিদাসে অভিজ্ঞানম শকুন্তলম ৰচনা কৰিছিল।

৪। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা ঃ

| 'ক' অংশ | 'খ' অংশ |
|---|---|
| ক) চ'পৰা | ক) এলাহাবাদ প্ৰশস্তি |
| খ) হৰিসেন | খ) বৃহৎ সংহিতা |
| গ) ভৰত | গ) চিকিৎসা শাস্ত্ৰবিদ |
| ঘ) বৰাহমিহিৰ | ঘ) বন্দৰ |
| ঙ) সুশ্ৰুত | ঙ) নাট্যশাস্ত্ৰ |

৫। চমুকৈ লিখা—

(ক) গুপ্ত ৰাজত্বকালত কি কি ধাতুৰ মুদ্ৰাৰ প্ৰচলন আছিল?

(খ) গুপ্তসকলে ৰপ্তানি কৰা সামগ্ৰীবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

(গ) গুপ্ত ৰাজত্বকালত কি কি বৃত্তিধাৰীৰ লোকে বাস কৰিছিল?

(ঘ) গুপ্ত ৰাজত্বকালৰ পাঁচ বিধ স্থাপত্য-কলাৰ নিৰ্দশন উল্লেখ কৰা।

(ঙ) অজন্তা-ইলোৰাৰ চিত্ৰাঙ্কনসমূহৰ বৈশিষ্ট্য কি?

(চ) অসমৰ ক'ত ক'ত গুপ্ত স্থাপত্য-ভাস্কৰ্যৰ প্ৰভাৱ পৰিলক্ষিত হয়?

৬। সাহিত্য-সংস্কৃতি আৰু বিজ্ঞানলৈ গুপ্তসকলৰ অৱদানৰ বিষয়ে এটি টোকা লিখা।

# পাঠঃ ১২
# গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষ

U8A6L8

## শিকনৰ ফলাফল ঃ

- গুপ্তযুগৰ পৰৱৰ্তী ভাৰতবৰ্ষত উদ্ভৱ হোৱা ৰাজনৈতিক পটভূমিৰ বিষয়ে ধাৰণা লাভ কৰিব।
- হৰ্ষবৰ্ধনৰ ৰাজত্বকালৰ গুৰুত্ব উপলব্ধি কৰিব।
- হৰ্ষবৰ্ধনৰ সাংস্কৃতিক আৰু ধৰ্মীয় অৱিহণাৰ বিষয়ে ধাৰণা লাভ কৰিব।
- দক্ষিণ ভাৰতৰ পল্লৱ, ৰাষ্ট্ৰকূট, চোল ৰাজ্যৰ ভৌগোলিক অৱস্থিতি আৰু সমলৰ বিষয়ে অৱগত হ'ব।
- এই ৰাজ্যকেইখনে সাংস্কৃতিক আৰু শিল্পকলাৰ দিশত যোগোৱা অৱদানৰ লগত পৰিচিত হ'ব পাৰিব।

তোমালোকে ইয়াৰ আগৰ পাঠত গুপ্ত সাম্ৰাজ্যৰ বিষয়ে অধ্যয়ন কৰিলা। প্ৰায় দুশ বছৰ ভাৰতীয় সভ্যতা, সমাজ, সাহিত্য, কলা, বিজ্ঞান, ইত্যাদি প্ৰায় সকলো ক্ষেত্ৰকে সমৃদ্ধ কৰা গুপ্ত সাম্ৰাজ্যৰ খ্ৰীষ্টীয় পঞ্চম শতিকাৰ মাজভাগত অন্ত পৰিছিল।

গুপ্তসকলৰ পতনৰ পাছত সমগ্ৰ ভাৰতবৰ্ষত কিছুমান সৰু সৰু স্বাধীন ৰাজ্যৰ উত্থান হৈছিল। কাষৰ মানচিত্ৰখনত চকু ফুৰালে এই ৰাজ্যবোৰৰ অৱস্থিতিৰ বিষয়ে ধাৰণা পাবা। ভাৰতৰ সৌমাজত থকা বিন্ধ্য পৰ্বতৰ উত্তৰ ফালে আৰু দক্ষিণ ফালে এই ৰাজ্যবোৰৰ অৱস্থিতি মন কৰাচোন। বিন্ধ্য পৰ্বতৰ উত্তৰ অংশক **উত্তৰ ভাৰত** আৰু দক্ষিণ অংশক **দক্ষিণ ভাৰত** বা **দাক্ষিণাত্য** বুলি কোৱা হয়। এতিয়া কাষত দিয়া মানচিত্ৰৰপৰা উত্তৰ আৰু দক্ষিণ ভাৰতৰ ৰাজ্যসমূহ চিনাক্ত কৰা। কি কি ৰাজ্যৰ নাম পালা বাৰু?




মানচিত্ৰ ১২.১

এই ৰাজ্যবোৰৰ উত্থান একে সময়তে হোৱা নাছিল। বৰং ক'ব পাৰি যে এই ৰাজ্যসমূহ সমসাময়িক আছিল। ৰাজ্যসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্কও আছিল। কেতিয়াবা বন্ধুত্বপূৰ্ণ সম্পৰ্কত যুদ্ধেও ধৰিছিল। সময়ত কোনোখন ৰাজ্য আন ৰাজ্যৰ লগত চামিলো হৈছিল। আকৌ কেতিয়াবা দুই তিনিখন ৰাজ্য লগ লাগি একোখন নতুন ৰাজ্যৰো সৃষ্টি হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

- ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত কিছুমান দেশীয় স্বাধীন ৰাজ্য স্বতঃস্ফূৰ্তভাৱে ভাৰতবৰ্ষৰ লগত চামিল হৈছিল। এই ৰাজ্যবোৰ কি কি?
- ১৯৭১ চনত আমাৰ ভাৰতবৰ্ষৰ ওচৰত এখন নতুন স্বাধীন ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। ৰাষ্ট্ৰখনৰ নাম কি বাৰু?

আজি আমি এই পাঠৰ মানচিত্ৰত উল্লেখ কৰা ৰাজ্যবোৰৰ ভিতৰৰ থানেশ্বৰ, পল্লৱ, ৰাষ্ট্ৰকূট আৰু চোল এই চাৰিখন উল্লেখযোগ্য ৰাজ্যৰ কথা আলোচনা কৰিম। এই ৰাজ্যবোৰে ভাৰতৰ ইতিহাসত কেনেকুৱা বৰঙনি যোগাইছে চাওঁ আহা। অৱশ্যে আলোচনা নকৰা ৰাজ্যবোৰৰ গুৰুত্বও নোহোৱা নহয়। পাছলৈ এই ৰাজ্যবোৰৰ বিষয়েও বিশদভাৱে জানিব পাৰিবা।

## থানেশ্বৰ ৰাজ্য আৰু হৰ্ষবৰ্ধন ঃ


কাষৰ মান চিত্ৰখনত থানেশ্বৰ ৰাজ্যখন দেখিছানে? খ্ৰীষ্টীয় ৫৮০ত পুষ্যভূতি বংশৰ ৰজা প্ৰভাকৰবৰ্ধনে এই ৰাজ্যখন প্ৰতিষ্ঠা কৰিছিল। বৰ্তমান হাৰিয়ানা প্ৰদেশৰ আশে-পাশে থানেশ্বৰ ৰাজ্যখনৰ অৱস্থিতি আছিল। আজিৰপৰা প্ৰায় তেৰশ মান বছৰ আগতে এই ৰাজ্যখনত হৰ্ষবৰ্ধন নামৰ এজন প্ৰতাপী ৰজাই ৰাজত্ব কৰিছিল। গুপ্ত সাম্ৰাজ্যৰ পতনৰ পাছত থানবান হোৱা ভাৰতক তেওঁ পুনৰ শক্তিশালী ৰূপত গঢ়ি তুলিছিল।

**জানি থওঁ আহা**

- গুপ্তযুগৰ সময়ছোৱাত ভাৰতবৰ্ষৰ পূব প্ৰান্তত কামৰূপ ৰাজ্য আছিল। এই সময়ছোৱাত কামৰূপত বৰ্মণ বংশৰ ৰজাসকলে ৰাজত্ব কৰিছিল। ভাস্কৰবৰ্মণ এই বংশৰ শ্ৰেষ্ঠ ৰজা।

হৰ্ষবৰ্ধনৰ বিষয়ে আমি বাৰু কেনেকৈ আৰু ক'ৰপৰা জানিব পাৰো জানানে?

তেওঁৰ ৰাজকবি বাণভট্টই লিখা হৰ্ষচৰিত, চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ বিৱৰণী, চীন দেশৰ লেখক হুই -লিয়ে লিখা হিউৱেন চাঙৰ জীৱনী, সেইসময়ৰ তাম্ৰলিপি, শিলালিপি এইবোৰৰপৰা আমি হৰ্ষবৰ্ধনৰ বিষয়ে জানিব পাৰো। এইসমলসমূহৰ মতে হৰ্ষবৰ্ধন প্ৰাচীন ভাৰতৰ এজন শ্ৰেষ্ঠ ৰজা আছিল। তেওঁ একেধাৰে এজন সুদক্ষ যোদ্ধা, সুশাসক, সুপণ্ডিত আৰু বিদ্যানুৰাগী সম্ৰাট আছিল। এই সমলসমূহৰ পৰা জনা যায় যে প্ৰভাকৰ-বৰ্ধনৰ মৃত্যুৰ পাছত তেওঁৰ জ্যেষ্ঠ পুত্ৰ ৰাজ্যবৰ্ধন থানেশ্বৰৰ ৰজা হয়। আনহাতে ৰাজ্যবৰ্ধনৰ ভগ্নী ৰাজশ্ৰীক কনৌজৰ ৰজা গ্ৰহবৰ্মনলৈ বিয়া দিয়া হৈছিল।



মানচিত্ৰ ১২.২

কিন্তু মালৱাৰ ৰজা দেৱগুপ্ত আৰু গৌড়ৰ ৰজা শশাংকই মিলি গ্ৰহবৰ্মনক হত্যা কৰে। ভগ্নীপতিৰ মৃত্যুৰ পতিশোধ লবলৈ যাওঁতে শশাংকৰ হাতত ৰাজ্যবৰ্ধনৰো মৃত্যু ঘটিছিল। এনে এক ৰাজনৈতিক পাকচক্ৰত পৰি মাত্ৰ ১৬ বছৰ বয়সতে হৰ্ষবৰ্ধন থানেশ্বৰ আৰু ভনীয়েক ৰাজশ্ৰীৰ প্ৰতিনিধি হিচাপে কনৌজৰো ৰজা হ'ব লগা হয়। পাছলৈ তেওঁ দুয়োখন ৰাজ্যক একত্ৰিত কৰি কনৌজত নিজৰ ৰাজধানী পাতিছিল। হৰ্ষবৰ্ধনক ৰাজপুত্ৰ শিলাদিত্য নামেৰেও জনা যায়।

তেওঁৰ ৰাজ্যখন উত্তৰে জলন্ধৰ, পূবে পাটলিপুত্ৰ(পাটনা), দক্ষিণে নৰ্মদা নদী আৰু পশ্চিমে সৌৰাষ্ট্ৰলৈকে বিস্তৃত হৈ আছিল। আহাচোন এতিয়া আমি সম্ৰাট হৰ্ষবৰ্ধনে কেনেদৰে নিজৰ ৰাজ্যত শাসন কৰিছিল তাৰ আভাস লওঁ।

## হৰ্ষবৰ্ধনৰ প্ৰশাসন ব্যৱস্থা ঃ

সম্ৰাট হৰ্ষবৰ্ধনে তেওঁৰ বিশাল ৰাজ্যখন সুশৃংখলভাৱে শাসন কৰিবৰ বাবে কেইবাটাও ভাগত ভাগ কৰিছিল। ৰাজ্যখনক প্ৰদেশ, ভুক্তি, বিষয়, গাঁও আদি ভাগত ভাগ কৰিছিল। আজিকালিৰ নিচিনা এই বিভাগবোৰৰ শাসন চলোবাৰ বাবে মন্ত্ৰী, বিষয়া আদি নিয়োগ কৰিছিল।

হৰ্ষবৰ্ধনে কৃষক আৰু ব্যৱসায়ী শ্ৰেণীটোৰপৰা কৰ-কাটল সংগ্ৰহ কৰিছিল। কৃষকসকলে উৎপাদিত শস্যৰ ১/৬ অংশ কৰ হিচাপে শোধাব লাগিছিল। কেতিয়াবা নগদ ধনেৰেও এনে কৰ শোধাইছিল। এনেদৰে আদায় কৰা কৰ প্ৰজাৰ হিতৰ বাবে খৰচ কৰিছিল।

### ক্ৰিয়াকলাপ ঃ

- আমাৰ দেশখনতো বৰ্তমান দুই ধৰণৰ চৰকাৰ আছে। কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰাদেশিক চৰকাৰ। আমাৰ ৰাজ্যবোৰক প্ৰদেশ বুলি কোৱা হয়। প্ৰদেশবোৰক জিলা, মহকুমা, তহছিল, মৌজা, গাঁও আদিত ভাগ কৰা হৈছে। এই প্ৰতিটো ভাগৰ শাসনৰ মুৰব্বীসকলক কি বোলা হয়? আলোচনা কৰি লিখা।
- আমাৰ দেশৰ কৰ-কাটল ব্যৱস্থাটোৰ বিষয়ে শিক্ষকৰ লগত আলোচনা কৰি এটি টোকা প্ৰস্তুত কৰা।

সম্ৰাট হৰ্ষবৰ্ধন এজন ধৰ্ম নিৰপেক্ষ ৰজা আছিল। তেওঁ আছিল শৈৱপন্থী। কিন্তু তেওঁ বৌদ্ধ ধৰ্মৰ পৃষ্ঠপোষকো আছিল। বৌদ্ধ ধৰ্মৰ প্ৰচাৰৰ বাবে তেওঁ বৌদ্ধ মহামেল পাতিছিল। হিন্দু ধৰ্মৰ বাবে মঠ-মন্দিৰো নিৰ্মাণ কৰাইছিল।




*উত্তৰ প্ৰদেশৰ বাঁহখেড়া তাম্ৰলিপিত থকা ৰজা হৰ্ষবৰ্ধনৰ হস্তাক্ষৰ*

হৰ্ষবৰ্ধন আছিল একেধাৰে সাহিত্যানুৰাগী আৰু শিক্ষানুৰাগী সম্ৰাট। নালন্দা বিশ্ববিদ্যালয়লৈ তেওঁ ৰাজপৃষ্ঠপোষকতা আগবঢ়াইছিল। বাণভট্ট আছিল হৰ্ষবৰ্ধনৰ ৰাজকবি। বাণভট্টই **হৰ্ষচৰিত** আৰু **কাদম্বৰী** নামৰ দুখন পুথি ৰচনা কৰিছিল। হৰ্ষবৰ্ধনৰ পৃষ্ঠপোষকতাত **জাতকমালা** ৰচিত হৈছিল। হৰ্ষবৰ্ধন নিজেও সু-সাহিত্যিক আছিল। **নাগানন্দ, ৰত্নাৱলী** আৰু **প্ৰিয়দৰ্শিকা** নামৰ তিনিখন পুথি তেওঁ ৰচনা কৰিছিল।

ওচৰ-চুবুৰীয়া স্বাধীন ৰাজ্যবোৰৰ লগত হৰ্ষবৰ্ধনে কেনেকুৱা সম্বন্ধ স্থাপন কৰিছিল জানানে? বল্লভী, উৰিষ্যা, কঙ্গোদ আদি ৰাজ্যসমূহ তেওঁ জয় কৰি মিত্ৰতা স্থাপন কৰিছিল। কামৰূপৰ ৰজা ভাস্কৰবৰ্মণো তেওঁৰ মিত্ৰ ৰজা আছিল।

### জানি থওঁ আহা ঃ

- যিখন দেশ বা ৰাষ্ট্ৰত কোনো ধৰ্মকে ৰাজধৰ্ম হিচাপে স্বীকৃতি দিয়া নহয় অথচ সকলো ধৰ্মৰ প্ৰতি সমবিচাৰ কৰা হয় সেইখন ৰাষ্ট্ৰকে ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ বোলে।
- চীনা পৰিব্ৰাজক হিউৱেন চাং হৰ্ষবৰ্ধনৰ ৰাজ্য ভ্ৰমণ কৰিবলৈ আহিছিল। হৰ্ষবৰ্ধনে হিউৱেন চাঙৰ সন্মানাৰ্থে কণৌজত তৃতীয় বৌদ্ধ মহামেল আয়োজন কৰিছিল। হৰ্ষবৰ্ধনে প্ৰয়াগতো আন এখন মেলৰ আয়োজন কৰিছিল। উল্লেখ আছে যে হৰ্ষবৰ্ধনে কামৰূপৰ ৰজা ভাস্কৰ বৰ্মণকো এই মহামেললৈ নিমন্ত্ৰণ কৰি আনিছিল।

### ক্ৰিয়াকলাপ ঃ

- হৰ্ষবৰ্ধনৰ সাম্ৰাজ্যৰ মানচিত্ৰখন (১২.২) চাই ওচৰ-চুবুৰীয়া স্বাধীন ৰাজ্যবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।
- চালুক্য ৰাজ্যখন থানেশ্বৰৰ কোন দিশত অৱস্থিত ? প্ৰসংগ পুথি পঢ়ি হৰ্ষবৰ্ধনৰ সময়ত চালুক্যত কোন ৰজাই ৰাজত্ব কৰিছিল জানি লোৱা।

### পল্লৱসকল ঃ

এই পাঠৰ (১২.১) মানচিত্ৰখনলৈ চোৱা। এতিয়া কাষৰ (১২.৩) মানচিত্ৰখনৰ লগত তুলনা কৰা। ওপৰে ওপৰে চালে দুয়োখন মানচিত্ৰ একেইযেন লাগিলেও দুয়োখন মানচিত্ৰত কিছু পাৰ্থক্য দেখিবা। পাৰ্থক্যবোৰ মন কৰাচোন?



মানচিত্ৰ ১২.৩

কাঞ্চী নামৰ ঠাই খন নিশ্চয় দেখিছা। দক্ষিণ ভাৰতৰ পূব উপকূলত অৱস্থিত এইখনেই পল্লৱসকলৰ ৰাজ্য। শিল্পকলা, সাহিত্য-সংস্কৃতি আদিলৈ পল্লৱসকলৰ অৱদান উল্লেখনীয়। খ্ৰীষ্টীয় তৃতীয় আৰু চতুৰ্থ শতিকাত এই পল্লৱসকলে দক্ষিণ ভাৰতত এখন শক্তিশালী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। **কাঞ্চীপুৰম** পল্লৱসকলৰ ৰাজধানী আছিল। সেই যুগৰ লিখনিবোৰত পল্লৱসকলৰ ৩৬ জন ৰজাৰ নাম পোৱা যায়। **নৰসিংহ বৰ্মণ** এই বংশৰ শ্ৰেষ্ঠ ৰজা। পল্লৱসকল মূলতঃ তামিল জনগোষ্ঠীৰ লোক আছিল।

তোমালোকে কেতিয়াবা দক্ষিণ ভাৰতত থকা মন্দিৰসমূহ দৰ্শন কৰিছানে? তাঁলে গ'লে সপ্তম শতিকাতে পল্লৱসকলে নিৰ্মাণ কৰা মন্দিৰসমূহ দেখিবলৈ পাবা। মহাবলীপুৰমৰ মন্দিৰসমূহ দেখিবলৈ ৰথৰ দৰে। এই মন্দিৰবোৰক ৰথ বোলা হয়। এখন পাহাৰ কাটি ৰথৰ দৰে সজা এই ৰথ বা মন্দিৰবোৰক ধৰ্মৰাজ ৰথ, ভীম ৰথ, অৰ্জুন ৰথ, দ্ৰৌপদী ৰথ বোলা হয়। মনত ৰাখিবা পল্লৱসকলে শিল্প-ভাস্কৰ্য বিকাশৰ ক্ষেত্ৰত **দ্ৰাবিড় শিল্পকলা** নামৰ এটি নতুন শিল্পৰীতিৰ প্ৰচলন কৰে। পল্লৱসকল অতি ধাৰ্মিক আছিল। তেওঁলোকে বহুতো হিন্দুমন্দিৰ, বৌদ্ধবিহাৰ নিৰ্মাণ কৰিছিল।


*দ্ৰৌপদী আৰু অৰ্জুন ৰথ, মহাবলীপুৰম*

পল্লৱসকলৰ আন দুটা অৱদান হ'ল— সাহিত্য চৰ্চাত সংস্কৃত ভাষাৰ প্ৰয়োগ আৰু বৈষ্ণৱ আৰু শৈৱ সাহিত্যৰ বিকাশ। অষ্টম শতিকাৰ ধৰ্ম

সংস্কাৰ আন্দোলনৰ ভেটি এই পল্লৱসকলৰ দিনতেই গঢ়ি উঠিছিল। কাঞ্চী বিশ্ববিদ্যালয় সেই সময়ত দাক্ষিণাত্যৰ শিক্ষা কেন্দ্ৰত পৰিণত হৈছিল। সামুদ্ৰিক শক্তি হিচাপেও পল্লৱসকল বিখ্যাত আছিল। তৰ্কশাস্ত্ৰবিদ ন্যায়ভাষ্য প্ৰণেতা **বাৎস্যায়ন** সম্ভৱত কাঞ্চী বিশ্ববিদ্যালয়ৰ পণ্ডিত আছিল। তামিল সাহিত্যৰ বিভিন্ন গ্ৰন্থত উল্লেখ থকা অনুসৰি পল্লৱসকলৰ লগত বৰ্তমানৰ শ্ৰীলংকাৰ ঘনিষ্ঠ সম্পৰ্ক আছিল।

## ৰাষ্ট্ৰকূটসকল ঃ

এইখিনিতে আকৌ এবাৰ সিপিঠিৰ (১২.৩) মানচিত্ৰখনচাই লোৱা। দাক্ষিণাত্যৰ পশ্চিম উপকূলত বৰ্তমানৰ গুজৰাট প্ৰদেশৰ তলফালে নৰ্মদা নদীৰপৰা কৃষ্ণা আৰু তুঙ্গভদ্ৰা নদীক স্পৰ্শ কৰাকৈ এখন ৰাজ্য দেখিছানে? এইখনেই ৰাষ্ট্ৰকূট ৰাজ্য।

**দান্তিদুৰ্গ** নামৰ এজন সামন্ত প্ৰভুৱে আনুমানিক ৭৫৩ খ্ৰীঃত এই ৰাষ্ট্ৰকূট ৰাজ্যখন প্ৰতিষ্ঠা কৰে। এওঁলোক যে অতি পৰাক্ৰমী ৰজা আছিল সেয়া সন্দেহাতীত। কাৰণ এই ৰজাসকলে **মহাৰাজাধিৰাজ, ত্ৰিভুৱন চক্ৰৱৰ্ত্তী** আদি উপাধি লোৱা কথাই ইয়াৰ প্ৰমাণ দিয়ে। আকৌ ইতিহাসত উল্লেখ আছে যে দাক্ষিণাত্যৰ ৰজাসকলৰ মাজত এওঁলোকেই সৰ্ব প্ৰথমে উত্তৰ ভাৰততো আধিপত্য স্থাপন কৰাৰ চেষ্টা কৰে।

### জানি থওঁ আহা ঃ

- মহাৰাজ, মহাৰাজাধিৰাজ, ত্ৰিভুৱণ চক্ৰৱৰ্তী, ৰাজাধিৰাজ, ৰাজচক্ৰৱৰ্তী আদি পুৰণি কালত ৰজাসকলে লোৱা কিছুমান সম্মানজনক উপাধি। শিক্ষকক সুধি এইবোৰৰ অৰ্থ জানি ল'বা।

সম্ভৱতঃ ৰাষ্ট্ৰকূটসকলৰ সু-শাসনৰ বাবে ৰজাসকলে শিল্পকলা, সাহিত্য-সংস্কৃতি, ধৰ্ম সকলো ক্ষেত্ৰতে যথেষ্ট অৱদান আগবঢ়াব পাৰিছিল। ৰাষ্ট্ৰকূটসকলৰ শাসনৰ মুৰব্বী আছিল ৰজা। ৰাজ্যখনক প্ৰদেশ, জিলা, গাঁও আদি ভাগত ভাগ কৰি মন্ত্ৰী, বিষয়া আদিৰ দ্বাৰা শাসন কাৰ্য চলাইছিল।

ৰাষ্ট্ৰকূটসকলৰ শাসনকালত সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ যথেষ্ট বিকাশ হৈছিল। ধৰ্মৰ দিশত ৰজাসকল সহনশীল আছিল। দক্ষিণ ভাৰতত তেওঁলোকে নিৰ্মাণ কৰোৱা অজস্ৰ মন্দিৰ আজিও বিদ্যমান। ইলোৰাৰ **কৈলাশ নাথ মন্দিৰ** ৰাষ্ট্ৰকূট ৰজা প্ৰথম কৃষ্ণই নিৰ্মাণ কৰিছিল। এলিফেন্টা আৰু মালখেড়াৰ মন্দিৰসমূহতো ৰাষ্ট্ৰকূট শিল্পৰ নিদৰ্শন দেখিবলৈ পোৱা যায়।

ৰাষ্ট্ৰকূটসকলৰ শাসন কালতেই উপকূলীয় অঞ্চলবোৰত ইছলামধৰ্মী লোকসকলে বহুতো মছজিদ সজাইছিল। গুৰুত্বপূৰ্ণ কথা হ'ল যে ৰাষ্ট্ৰকূট শাসকসকলে কিন্তু এই কাৰ্যত কোনো হস্তক্ষেপ কৰা নাছিল। ইয়ে তেওঁলোকৰ সহনশীলতাৰ উৎকৃষ্ট নিদৰ্শন বুলি ধাৰণা কৰিব পাৰি। ৰাষ্ট্ৰকূটসকলে দাক্ষিণাত্যত প্ৰায় ১২০ বছৰ কাল শাসন কৰিছিল। ৰাষ্ট্ৰকূটসকলৰ মাজত দেখা দিয়া অৰ্ন্তকলহৰ বাবে তেওঁলোকৰ পতন হৈছিল।



*ইলোৰাৰ কৈলাশ নাথ মন্দিৰ*

### জানি থওঁ আহা ঃ

- দাক্ষিণাত্যত পল্লৱ, চালুক্য, ৰাষ্ট্ৰকূট চোল, পাণ্ড্য আদি ৰজাসকলৰ দিনত বহুতো মঠ-মন্দিৰ নিৰ্মাণ হৈছিল। এই মঠ-মন্দিৰবোৰৰ লগত বহুতো শিল্পৰীতি জড়িত হৈ আছে। সুবিধা পালে এই মঠ-মন্দিৰবোৰৰ ছবি সংগ্ৰহ কৰি ৰাখিবা।

## চোল সাম্ৰাজ্য ঃ



উৎস: https://images.app.goo.gl/[illegible]

*গংগাইকুণ্ডচোলপুৰমৰ ৰাজ ৰাজেশ্বৰ মন্দিৰ*

গুপ্তসকলৰ পৰৱৰ্তী যুগৰ আন এখন শক্তিশালী ৰাজ্য আছিল চোল সাম্ৰাজ্য। দক্ষিণ ভাৰতৰ অনেক ৰাজ্যৰ পতনৰ সময়ত চোল সাম্ৰাজ্যৰ উত্থান মন কৰিবলগীয়া। প্ৰকৃততে সমসাময়িক ৰাজ্যবোৰৰ দুৰ্বল অৱস্থাই চোলবিলাকৰ উত্থানৰ প্ৰধান কাৰণ। চোল সাম্ৰাজ্যৰ ৰাজধানী আছিল **তাঞ্জোৰ**। নৱম শতিকাৰ মাজভাগত **বিজয়ালয়** নামৰ লোক এজনে তাঞ্জোৰ অধিকাৰ কৰি দাক্ষিণাত্যত চোল সাম্ৰাজ্যৰ ৰাজধানী পাতে।

**প্ৰথম পৰান্তক** চোল বংশৰ এজন পৰাক্ৰমী ৰজা আছিল। তেৱেঁই গাঁওসমূহক **স্বায়ত্ত্ব শাসন** প্ৰদান কৰি পৰৱৰ্তীকালত ভাৰতবৰ্ষত **পঞ্চায়তীৰাজ ব্যৱস্থা** প্ৰতিষ্ঠাৰ পথ মুকলি কৰিছিল। চোল বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম আছিল ৰাজাৰাজ। তেওঁ কেৰল, পাণ্ড্য, চালুক্য আদি ৰাজ্য জয় কৰিছিল। তেওঁ সিংহল দ্বীপৰ উত্তৰাঞ্চল আৰু মালয় দ্বীপপুঞ্জও অধিকাৰ কৰিছিল। তেওঁ চীন দেশলৈও কটকী পঠিয়াইছিল। তাঞ্জোৰত তেওঁ নিৰ্মাণ কৰা ৰাজ ৰাজেশ্বৰৰ মন্দিৰ এটা অপূৰ্ব নিখুঁট তামিল মন্দিৰ। ৰাজাৰাজৰ যোগ্য পুত্ৰ ৰাজেন্দ্ৰৰ শাসন কালত গংগাইকুণ্ডচোলপুৰম নামে এখন নগৰ নিৰ্মাণ কৰা হয়। পাচলৈ এইখনেই চোল ৰাজ্যৰ ৰাজধানী হয়।



উৎস: https://images.app.goo.gl/[illegible]

*চোল যুগৰ ব্ৰ'ঞ্জৰ মূৰ্তি*

## চোল শাসন ব্যৱস্থা ঃ

চোল শাসন ব্যৱস্থাত কৃষকসকলৰ এটি বিশেষ স্থান আছিল। কৃষকসকলৰ বসতিস্থলসমূহক 'উৰ'নামেৰে নামকৰণ কৰা হৈছিল। এইবোৰ আমাৰ গাওঁ সদৃশ আছিল। কেইবাখনো 'উৰ' একত্ৰিত কৰি একোখন'নাডু'ৰ সৃষ্টি কৰা হৈছিল। গাওঁ পঞ্চায়ত আৰু নাডুবোৰে শাসনকাৰ্যত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। চহকী কৃষকসকলে কেন্দ্ৰীয় শাসনৰ ছত্ৰছায়াত থাকি নাডুবোৰৰ ওপৰত প্ৰভাৱ খটুৱাইছিল। আনকি চোল ৰজাসকলে এনেকুৱা চহকী কৃষকসকলক কিছুমান বিশেষ বিশেষ উপাধিও প্ৰদান কৰিছিল। তেওঁলোকে কেন্দ্ৰীয় চৰকাৰৰপৰা লাভ কৰা ক্ষমতা শাসন কাৰ্যত প্ৰয়োগ কৰিছিল। ব্ৰাহ্মণসকলেও চোল ৰজাসকলৰপৰা পৃষ্ঠপোষকতা লাভ কৰিছিল। তেওঁলোকে ব্ৰাহ্মণসকলক ভূমিদান দিছিল। এই ভূমিবোৰক **ব্ৰহ্মদেয়** বোলা হৈছিল। ব্ৰহ্মদেয়বোৰ চোৱাচিতা কৰাৰ বাবে 'সভা'ৰ ওপৰত দায়িত্ব ন্যস্ত কৰা হৈছিল। প্ৰত্নতাত্বিক সমলবোৰত পোৱা তথ্য অনুসৰি ব্ৰহ্মদেয়ৰ সভা, জলসিঞ্চন, মঠ-মন্দিৰ, বাগিচা আদি চোৱা-চিতা কৰাৰ বাবে বেলেগ বেলেগ 'সমিতি' পাতি লৈছিল।

### চোলসকলৰ শিল্প ভাস্কৰ্য

চোল ৰজাসকলে নিৰ্মান কৰা মন্দিৰবোৰৰ কিছুমান বৈশিষ্ট্য আছিল। এই মন্দিৰসমূহ অকল উপাসনা স্থলীয়েই নাছিল বৰং এইবোৰ আছিল ৰাজ্যৰ অৰ্থনীতি সুদৃঢ় কৰাৰ একো একোটা কেন্দ্ৰ। মন্দিৰৰ পূজা-সেৱা, চোৰা-চিতা কৰা পৰিয়ালবোৰক মন্দিৰৰ ওচৰে-পাজৰে সংস্থাপন দিয়া হৈছিল। মন্দিৰৰ নামত দিয়া ভূমিৰ উৎপাদনৰ সহায়ত এই পৰিয়ালবোৰক ভৰণ-পোষণ দিয়া হৈছিল। এইদৰেই মন্দিৰবোৰে আৰ্থ-সামাজিক, সাংস্কৃতিক জীৱন চহকী কৰিছিল। মন্দিৰৰ ওচৰে-পাজৰে বসবাস কৰা লোকসকলৰ কিছুমানে শিল্প-ভাস্কৰ্যৰ চৰ্চাও কৰিছিল। তেওঁলোকে ব্ৰ'ঞ্জেৰে তৈয়াৰ কৰা বিভিন্ন দেৱ-দেৱীৰ মূৰ্তিবোৰ সমকালীন বিশ্বৰ চমৎকাৰ শিল্প-ভাস্কৰ্য হিচাপে পৰিগণিত হৈছিল। ব্ৰ'ঞ্জৰ নটৰাজৰ মূৰ্তি এই যুগৰ আন এক উল্লেখনীয় ভাস্কৰ্য। চোল ৰজাসকলৰ আন এটি অক্ষয় কীৰ্তি হ'ল—খেতিবাতিত জলসিঞ্চন পদ্ধতিৰ প্ৰয়োগ। কাবেৰী নদীৰ উপত্যকাৰ সাৰুৱা অঞ্চলত উদ্ভৈনদী কৃষি শস্যৰ উৎপাদন হৈছিল। ইয়াৰোপৰি খাল খান্দি খেতিত পানী যোগান ধৰাৰ ব্যৱস্থাও চোলসকলৰ অন্যতম কৃতিত্ব।

## মনত ৰাখিবলগীয়া কথা

- গুপ্তসকলৰ পতনৰ পাছত সমগ্ৰ ভাৰতবৰ্ষত কিছুমান সৰু সৰু ৰাজ্যৰ অভ্যুত্থান হৈছিল।
- মধ্যযুগত ভাৰতবৰ্ষত ৰাজত্ব কৰা হৰ্ষবৰ্ধন ইতিহাসৰ এক উল্লেখযোগ্য সম্ৰাট।
- হৰ্ষবৰ্ধন আছিল একেধাৰে সুদক্ষ যোদ্ধা, সুশাসক, শিল্পানুৰাগী, সাহিত্যানুৰাগী আৰু শিক্ষানুৰাগী সম্ৰাট।
- কামৰূপৰ ৰজা ভাস্কৰ বৰ্মণ হৰ্ষবৰ্ধনৰ মিত্ৰ ৰজা আছিল।
- চীনা পৰিব্ৰাজক হিউৱেন চাং হৰ্ষবৰ্ধনৰ ৰাজত্বকালত ভাৰত ভ্ৰমণলৈ আহিছিল।
- কাঞ্চীৰ পল্লৱসকল শিল্পানুৰাগী আৰু সংস্কৃত ভাষাৰ পৃষ্ঠপোষক আছিল।
- ৰাষ্ট্ৰকূট ৰজাসকল আদিতে ভূমিৰ মালিক আছিল। ভাৰতৰ সাহিত্য-সংস্কৃতি, শিল্পকলা, ধৰ্মৰ বিকাশৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদান লেখত ল'বলগীয়া।
- চোল ৰজাসকলৰ শাসন প্ৰণালী, শিল্প-ভাস্কৰ্য, কৃষি প্ৰণালীত জলসিঞ্চন ব্যৱস্থাৰ প্ৰয়োগ ভাৰতৰ ইতিহাসৰ উল্লেখনীয় অধ্যায়।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া ঃ—

(ক) থানেশ্বৰ ৰাজ্যখন বৰ্তমান কোন প্ৰদেশৰ অন্তৰ্গত?

(খ) হৰ্ষবৰ্ধনৰ ৰাজসভাৰ কবিগৰাকীৰ নাম কি?

(গ) ইলোৰাৰ কৈলাশনাথ মন্দিৰ কোনে সজাইছিল?

(ঘ) চোল বংশৰ শ্ৰেষ্ঠ ৰজাজনৰ নাম কি?

(ঙ) গংগাইকুণ্ডচোলপুৰম নগৰ কোনজন চোল ৰজাই নিৰ্মাণ কৰাইছিল?

২। খালি ঠাই পূৰোৱা—

(ক) বৰ্মণ বংশৰ শ্ৰেষ্ঠ ৰজা আছিল ___________।

(খ) __________ৰ আন এটি নাম আছিল শিলাদিত্য।

(গ) পল্লৱসকলে _________ শিল্প নামৰ এটি নতুন শিল্পকলাৰ সৃষ্টি কৰে।

(ঘ) এলিফেণ্টা আৰু _________ মন্দিৰসমূহত ৰাষ্ট্ৰকূট শিল্পৰ নিদৰ্শন পোৱা যায়।

(ঙ) চোল ৰজাসকলে ব্ৰাহ্মণসকলক দান দিয়া মাটিক _________ বোলা হৈছিল।

৩। শুদ্ধ উত্তৰ বাছি উলিওৱা—

(ক) গুপ্তসকলে ভাৰতত দুশ/ তিনিশ/ চাৰিশ বছৰ ৰাজত্ব কৰিছিল।

(খ) হৰ্ষবৰ্ধনৰ ৰাজ্যৰ ৰাজধানী আছিল তাঞ্জোৰ/তক্ষশীলা/কনৌজ।

(গ) হৰ্ষবৰ্ধনে খেতিৰপৰা উৎপাদিত শস্যৰ ১/৬/ ১/৫/ ১/৪ অংশ কৰ হিচাপে আদায় কৰিছিল।

(ঘ) কাঞ্চী/কাঞ্চীপুৰম/মহাবলীপুৰম পল্লৱ ৰাজ্যৰ ৰাজধানী আছিল।

(ঙ) ৰাজাৰাজ/প্ৰথম কৃষ্ণ/দান্তিদুৰ্গ/ৰাষ্ট্ৰকূট ৰাজ্যৰ প্ৰতিষ্ঠাপক।

৪। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া—

(ক) বিন্ধ্য পৰ্বতে ভাৰতবৰ্ষৰ কি কি ভাগত ভাগ কৰিছে?

(খ) থানেশ্বৰ ৰাজ্যৰ লগত একত্ৰিত হোৱা ৰাজ্যখনৰ নাম কি?

(গ) পল্লৱ শাসকসকলৰ প্ৰধান অৱদান দুটা কি কি?

(ঘ) ৰাষ্ট্ৰকূটসকলৰ শাসন কালত কি কি ভাষাৰ বিকাশ হৈছিল?

(ঙ) কোন ৰজাৰ শাসন কালত পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰতিষ্ঠাৰ পথ মুকলি হৈছিল?

৫। ৫০টা মান শব্দৰ ভিতৰৰ লিখা—

(ক) হৰ্ষবৰ্ধনৰ শাসন পদ্ধতি।

(খ) হৰ্ষবৰ্ধনৰ ৰাজহ ব্যৱস্থা।

(গ) মহাবলীপুৰম মন্দিৰৰ শিল্পৰীতি।

(ঘ) ৰাষ্ট্ৰকূট ৰাজ্যৰ অৱস্থিতি।

(ঙ) চোল ৰজাসকলে নিৰ্মাণ কৰা মন্দিৰবোৰৰ বৈশিষ্ট্য।

৬। তলত উল্লেখ কৰা ৰাজ্যসমূহ উত্তৰ ভাৰতৰ নে দক্ষিণ ভাৰতৰ অন্তৰ্গত বাছি উলিয়াই তালিকা প্ৰস্তুত কৰা—
গৌড়, চোল, ৰাজপুতনা, থানেশ্বৰ, গুৰ্জৰ প্ৰতিহাৰ, পাণ্ড্য, কনৌজ, কেৰল, মালৱ, ৰাষ্ট্ৰকূট, কলিঙ্গ, চালুক্য, চাণ্ডেল্য।

# পাঠ ঃ ১৩
# প্ৰাক্ঐতিহাসিক অসম

2HRHMH

## শিকনৰ ফলাফল ঃ

- পুৰণি অসমৰ লগত চিনাকী হ'ব।
- আখ্যান, কিংবদন্তী আৰু ইতিহাসৰ পাৰ্থক্য জানিব পাৰিব।
- পুৰণি কামৰূপৰ ভৌগোলিক অৱস্থিতি জানিব পাৰিব।
- কামৰূপত ৰাজত্ব কৰা উল্লেখযোগ্য ৰাজবংশৰ বিষয়ে জানিব পাৰিব।
- পুৰণি কামৰূপৰ আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে অৱগত হ'ব।

তোমালোক সকলোৱে আমাৰ ৰাজ্যখন আৰু ইয়াৰ ৰাজধানীৰ নাম ভালদৰে জানাইঁক। কিন্তু তোমালোকে আমাৰ ৰাজ্যখনৰ পুৰণি নাম আৰু ইয়াৰ অতীত ইতিহাসৰ বিষয়ে জানানে? অসম নামেৰে বিখ্যাত হোৱাৰ আগতে আমাৰ ৰাজ্যখনৰ আন কিবা নাম আছিল নেকি?

আহাচোন, এই পাঠত আমি আমাৰ ৰাজ্যখনৰ ইতিহাসৰ লগত চিনাকী হওঁ।



উৎস: https://images.app.goo.gl/K2eu1F1Drzzs9M8eM

গুৱাহাটীৰ নৱগ্ৰহ মন্দিৰ

অতি পুৰণি কালত অসমৰ নাম আছিল প্ৰাগজ্যোতিষ আৰু ইয়াৰ ৰাজধানী আছিল প্ৰাগজ্যোতিষপুৰ। প্ৰাগ্ শব্দৰ অৰ্থ হ'ল পূব আৰু জ্যোতিষ শব্দৰ অৰ্থ হ'ল গ্ৰহ-নক্ষত্ৰৰ অৱস্থান সম্পৰ্কে অধ্যয়ন। হয়তো জ্যোতিষ চৰ্চাৰ কেন্দ্ৰ হিচাপে এই ঠাই এসময়ত প্ৰসিদ্ধ আছিল। বৰ্তমান গুৱাহাটীৰ চিত্ৰাচল পাহাৰত থকা নৱগ্ৰহ মন্দিৰে এই কথাকে প্ৰমান কৰে। আনহাতে কিছু পুৰাণ, বৌদ্ধ শাস্ত্ৰ, তন্ত্ৰপুথি আৰু গুপ্তযুগৰ এলাহাবাদ প্ৰশস্তিত এই ৰাজ্যৰ নাম কামৰূপ হিচাপে উল্লেখ আছে।

কোনো এখন ঠাইৰ উৎপত্তি বা সৃষ্টিৰ আঁৰত আখ্যান, কিংবদন্তি আদি জড়িত হৈ থাকে। আমাৰ ৰাজ্যখনৰ নাম কামৰূপ হোৱাৰ অন্তৰালতো কিছুমান আখ্যান মুখে মুখে বহু বছৰ ধৰি চলি আহিছে। তেনে এক আখ্যান মতে এবাৰ হিন্দু ধৰ্মাবলম্বী লোকসকলৰ ইষ্ট দেৱতা শিৱ ঘোৰ তপস্যাত নিমগ্ন আছিল। তেতিয়া প্ৰেমৰ দেৱতা কামদেৱে নাৰীৰ বেশেৰে আহি মহাদেৱৰ তপস্যা ভঙ্গ কৰিছিল। তাতে মহাদেৱ ক্ৰোধান্বিত হৈ কামদেৱক ভস্ম কৰি পেলাইছিল। কিন্তু কামদেৱৰ পত্নী ৰতিদেৱীৰ অনুনয়-বিনয়ত সন্তুষ্ট হৈ মহাদেৱে কামদেৱক পুনৰ পূৰ্বৰ ৰূপ ঘূৰাই দিছিল। এই ঠাইতে কামদেৱে নিজাৰ ৰূপ পুনৰ লাভ কৰিছিল বাবে এই ৰাজ্যখনৰ নাম কামৰূপ হ'ল বুলি কোৱা হয়।

### জানি থওঁ আহা ঃ

কামৰূপ বুলিলে আমি এতিয়া অসমৰ এখন জিলাহে বুজো। এই কামৰূপ জিলাক আকৌ চহৰ আৰু গ্ৰাম্য, এই দুটা ভাগত ভাগ কৰা হৈছে। কামৰূপ (চহৰ) ত আমাৰ ৰাজ্যখনৰ ৰাজধানী দিছপুৰ অৱস্থিত।

এনে ধৰণৰ বহুতো আখ্যান আৰু কিংবদন্তি অসমৰ অতীত সম্পৰ্কে প্ৰচলিত হৈ আহিছে। কিন্তু বাস্তৱ ভিত্তিৰ অভাৱত এনে কাহিনীসমূহক আমি ইতিহাস বুলি ক'ব নোৱাৰো। ইতিহাস হ'বলৈ হ'লে আমাক সঠিক আৰু শুদ্ধ তথ্যৰ দৰকাৰ হয়। আখ্যানবোৰত ধৰ্মীয় কাহিনীবোৰ কল্পনাৰ ৰহন সানি প্ৰকাশ কৰা হয়। আনহাতে কিংবদন্তিবোৰত দেৱ-দেৱী বা কোনো বিশেষ ব্যক্তি সম্পৰ্কে বছৰ বছৰ ধৰি কিছুমান প্ৰবাদ অথবা জনশ্ৰুতিৰ প্ৰচলন ঘটে। ইয়াৰ বিপৰীতে ইতিহাসৰপৰা আমি আমাৰ অতীতৰ ঘটনাৰাজিৰ সঠিক আৰু বিষদ বিৱৰণ লাভ কৰিব পাৰো।

### আখ্যানত উল্লেখিত প্ৰাচীন অসমৰ ৰাজ্যসমূহঃ-

পৌৰাণিক সাহিত্যসমূহৰ মতে প্ৰাগজ্যোতিষ ৰাজ্যৰ প্ৰথম ৰজা আছিল মহীৰঙ্গদানৱ। তেওঁ দানৱ বংশৰ প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁৰ ৰাজধানী আছিল মইৰাংখ। এই বংশৰ শেষৰজন ৰজা ঘটকাসুৰক হত্যা কৰি নৰকাসুৰে কামৰূপৰ ৰাজপাটত ভৌম বংশক প্ৰতিষ্ঠা কৰিছিল। কথিত আছে যে গুৱাহাটীৰ নীলাচল পাহাৰত থকা কামাখ্যা দেৱীৰ মন্দিৰ আৰু মন্দিৰলৈ যোৱা বাটটো পোন প্ৰথমে নৰকাসুৰে নিৰ্মাণ কৰিছিল। তেওঁৰ পুত্ৰ ভগদত্তৰ কথা মহাভাৰতত উল্লেখ থকা পোৱা যায়। ইয়াত বৰ্ণনা কৰা মতে দুৰ্যোধনৰ আমন্ত্ৰণক্ৰমে ভগদত্তই কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱৰ হৈ যুদ্ধ কৰিছিল। আখ্যান অনুসৰি ভগদত্তৰ জীয়ৰী ভানুমতীক দুৰ্যোধনে বিবাহ কৰাইছিল।

নৰকাসুৰৰ সমসাময়িক ৰাজ্য হিচাপে শোণিতপুৰ আৰু ইয়াৰ ৰজা বাণৰ কাহিনী কিছু পৌৰাণিক পুথিত পঢ়িবলৈ পোৱা যায়। বৰ্তমান তেজপুৰকে অতীতত শোণিতপুৰ বোলা হৈছিল। এনে পুথিসমূহৰ মতে বাণ ৰজাৰ জীয়ৰী উষাৰ লগত শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ বিবাহ হৈছিল। বৰ্তমান তেজপুৰৰ উল্লেখযোগ্য পৰ্যটনথলী অগ্নিগড় পাহাৰত বানৰজাই নিজৰ জীয়ৰীৰ বাবে উষানগৰী পাতি অগ্নিৰে বেৰ দি থৈছিল বুলি কোৱা হয়। সেইবাবে ইয়াক অগ্নিগড় বুলিও জনা যায়।

আন এক আখ্যানমতে প্ৰাক্‌ঐতিহাসিক যুগত কামৰূপ ৰাজ্যৰ পূব দিশত কুণ্ডিল নামেৰে আন এখন ৰাজ্য আছিল। বৰ্তমানৰ শদিয়া অঞ্চলক এই ৰাজ্যৰ ৰাজধানী কুণ্ডিল নগৰ হিচাপে চিনাক্ত কৰা হয়। ৰাজ্যখনত ভীষ্মক নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁৰ কন্যা ৰুক্মিণীক শ্ৰীকৃষ্ণই বিবাহ কৰিছিল। শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহৰ ঘটনাক লৈ মহাপুৰুষ শংকৰদেৱে পাছত ৰুক্মিণী হৰণ নাটক ৰচনা কৰিছিল।

উপৰোক্ত কাহিনীসমূহৰ সত্যাসত্য প্ৰমাণ কৰাটো অতি কঠিন। কাৰণ সমলৰ অভাৱত এইৰাজবংশ আৰু ৰজাসকলৰ ওপৰত সঠিক তথ্য পোৱা নাযায়।


### ক্ৰিয়াকলাপ ঃ

- তোমালোকে নিজ নিজ অঞ্চলত প্ৰচলিত কিছুমান আখ্যান, কিংবদন্তি সংগ্ৰহ কৰা আৰু শ্ৰেণীকক্ষত আলোচনা কৰা।
- অতীতৰ কুণ্ডিল বা বিদৰ্ভ ৰাজ্যখন বৰ্তমান কোনখন ৰাজ্যৰ অৰ্ন্তগত?

### প্ৰাচীন অসমৰ ভৌগালিক সীমাঃ

প্ৰাচীন কালৰ অসমখনৰ ভৌগালিক সীমা আজিৰ অসমৰ চাৰিসীমাৰ সৈতে একে আছিল নে? ৰামায়ণ আৰু মহাভাৰতৰ দৰে মহাকাব্যত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে কৰতোৱা নদী (বৰ্তমান বাংলাদেশত) আৰু দক্ষিণে বংগোপসাগৰলৈকে বিস্তৃত আছিল বুলি উল্লেখ আছে। পৰৱৰ্তী সময়ত ৰচিত যোগিনীতন্ত্ৰ নামৰ পুথিৰ মতে পুৰণি কামৰূপ ৰাজ্যখন তলত দিয়াৰ দৰে চাৰিভাগত বিভক্ত আছিল।

- ৰত্নপীঠ (পূৰ্ববঙ্গৰ কৰতোৱা নদীৰপৰা সোণকোষ নদীলৈ)
- কামপীঠ ( সোণকোষ নদীৰপৰা ৰূপহী নদীলৈ)
- স্বৰ্ণপীঠ (ৰূপহী নদীৰপৰা ভৰলী নদীৰ সীমালৈ)
- সৌমাৰপীঠ (ভৰলী নদীৰপৰা দিকৰাই নদীলৈ)



মানচিত্ৰ ঃ ১৩.১

এইখিনিতে এটা কথা জানি থোৱা ভাল যে, তাহানিৰ প্ৰাগজ্যোতিষ বা কামৰূপ ৰাজ্যৰ ভৌগলিক সীমা বিভিন্ন সময়ত বঢ়া-টুটা হৈছিল। সেই সময়ত সমগ্ৰ উত্তৰ-পূব ভাৰতৰ বিভিন্ন প্ৰান্তত ডবকা, হিড়িম্বা, মণিপুৰ, ত্ৰিপুৰা নামৰ কেইবাখনো উল্লেখযোগ্য ৰাজ্যৰ অবস্থিতিৰ বিষয়ে জানিব পৰা যায়।

## পুৰণি অসমৰ ৰাজবংশসমূহ ঃ

ঐতিহাসিকসমল সমূহৰ ওপৰত ভিত্তি কৰি আমি জানিব পাৰো যে খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰপৰা দশম শতিকাৰ প্ৰথম ভাগলৈ কামৰূপ ৰাজ্যত বৰ্মণ, শালস্তম্ভ আৰু পাল নামৰ তিনিটা ৰাজবংশৰ প্ৰায় ৪২ জন ৰজাই ৰাজত্ব কৰিছিল। আহাচোন, এতিয়া আমি এই ৰাজবংশ তিনিটাৰ লগত চিনাকী হওঁ------

### বৰ্মণ বংশঃ-

আনুমানিক খ্ৰীষ্টীয় ৩৫০ ত পুষ্য বৰ্মণে এই বংশৰ প্ৰতিষ্ঠা কৰিছিল। ইয়াৰ আগৰ পাঠত তোমালোকে পঢ়ি অহা গুপ্তসাম্ৰাজ্যৰ লগত কামৰূপৰ বৰ্মণসকল সমসাময়িক আছিল। গুপ্তসম্ৰাট সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিত কামৰূপ আৰু ডবাক নামৰ ঠাইৰ উল্লেখ পোৱা যায়। ইতিহাসবিদ সকলে বৰ্তমানৰ হোজাই জিলাৰ ডবকা অঞ্চলক তেতিয়াৰ ডবাক বুলি অনুমান কৰিছে। বৰ্মণবংশই কামৰূপৰ ৰাজ্যত প্ৰায় ৩০০বছৰ কাল ৰাজত্ব কৰিছিল। এই বংশৰ শ্ৰেষ্ঠ ৰজা আছিল কুমাৰ ভাস্কৰ বৰ্মণ। থানেশ্বৰ ৰাজ্যৰ ৰজা হৰ্ষবৰ্ধনৰ লগত ভাস্কৰ বৰ্মনৰ সু-সম্পৰ্ক আছিল। হৰ্ষবৰ্ধনৰ ৰাজত্বকালতে হিউৱেন চাং নামৰ এজন বৌদ্ধ পৰিব্ৰাজক ভাৰতলৈ আহিছিল। তেওঁ ভাৰতৰ নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্পৰ্কে চৰ্চা কৰিছিল। তোমালোকে হয়তো জানি ভাল পাবা যে, ভাস্কৰ বৰ্মনৰ অনুৰোধত হিউৱেন চাঙে কামৰূপতো আহি কিছুকাল থাকে। এই বিষয়ে তেওঁ নিজৰ টোকাত উল্লেখ কৰি গৈছে। ভাস্কৰ বৰ্মণে কামৰূপৰ সিংহাসনত আৰোহণ কৰা সময়ৰপৰাই কামৰূপত 'ভাস্কৰাব্দ' নামৰ এটি নতুন সময়সূচীৰ প্ৰচলন হয়। 'ডুবি' (বৰ্তমান বজালী জিলাৰ অন্তৰ্গত) আৰু 'নিধানপুৰ'(বৰ্তমান বাংলাদেশ) তামৰ ফলি ভাস্কৰ বৰ্মণৰ ৰাজত্ব কালত খোদিত কৰা হৈছে।


ডুবিৰ তামৰ ফলি

**জানি থওঁ আহা ঃ**

কলহনৰ ৰাজতৰঙ্গিনী গ্ৰন্থত কাশ্মীৰৰ ৰজা মেঘবাহনে কামৰূপৰ ৰজাৰ জীয়ৰী অমৃতপ্ৰভাক বিয়া কৰাইছিল বুলি উল্লেখ আছে। সম্ভৱত বৰ্মণবংশী বলবৰ্মণ সেই সময়ৰ কামৰূপৰ ৰজা আছিল।



*হিউৱেন চাং*

## হিউৱেন চাঙৰ টোকাত কামৰূপৰ বৰ্ণনা ঃ

চীনা পৰিব্ৰাজক হিউৱেন চাঙে নালন্দা বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্বন্ধে অধ্যয়ন কৰিছিল। সেই সময়তে ভাস্কৰ বৰ্মণে তেওঁক কামৰূপলৈ আমন্ত্ৰণ জনায়। ভাস্কৰ বৰ্মণৰ আমন্ত্ৰণ ৰক্ষা কৰি হিউৱেন চাং কামৰূপলৈ আহে আৰু প্ৰায় এমাহ কাল কামৰূপত থাকে। তেওঁৰ ভাৰত সম্বন্ধে ৰচনা কৰা 'চি-ইউ-কি' নামৰ গ্ৰন্থত কামৰূপ সম্বন্ধে বহুতো কথা লিখি থৈ গৈছে। এই লিখনিৰ পৰা আমি সেই সময়ৰ কামৰূপ সম্বন্ধে বহু কথা জানিব পাৰো। হিউৱেন চাঙৰ টোকা মতে সেই সময়ত কামৰূপৰ পৰিধি প্ৰায় সোতৰশ মাইল আছিল। ইয়াৰ লোকসকল সহজ-সৰল আৰু চহকী আছিল। কামৰূপৰ লোকসকল স্মৃতি-শক্তিত প্ৰখৰ আৰু অধ্যয়নৰ প্ৰতি আগ্ৰহী আছিল। মধ্য ভাৰতৰ ভাষাতকৈ কামৰূপৰ ভাষা অলপ বেলেগ আছিল। ইয়াৰ জলবায়ু সেমেকা আৰু ঠেঁচা। ইয়াৰ লোকসকলে নাৰিকল আৰু কঁঠালৰ খেতি কৰিছিল। তেওঁলোকে দেৱ-দেৱীৰো পূজা কৰিছিল। বৌদ্ধ ধৰ্মৰ প্ৰভাৱ ইয়াত নাছিল। ভাস্কৰ বৰ্মণ এজন গুণী-জ্ঞানী ৰজা আছিল। তেওঁ বৌদ্ধ নাছিল যদিও এই ধৰ্মৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। দূৰ-দূৰণিৰ পণ্ডিতসকলক ভাস্কৰ বৰ্মণে নিজ ৰাজ্যলৈ আমন্ত্ৰণ কৰি শ্ৰদ্ধা দেখুৱাইছিল। প্ৰাগ্‌জ্যোতিষপুৰ ৰাজ্য পৰ্বতমালাৰে সুৰক্ষিত আছিল। এই ৰাজ্যত কোনো ডাঙৰ নগৰ নাছিল। উত্তৰ ভাৰতৰ পৰা কামৰূপ হৈ চীনদেশলৈ যোৱা এক বাণিজ্যিক পথ আছিল।

## শালস্তম্ভ বংশ ঃ

বৰ্মণ বংশৰ পাছত শালস্তম্ভসকলে কামৰূপৰ সিংহাসন দখল কৰে। উল্লেখ আছে যে, এই বংশৰ ২১ জন ৰজাই কামৰূপত প্ৰায় তিনিশ বছৰ কাল ৰাজত্ব কৰিছিল। এই ৰাজবংশৰ প্ৰতিষ্ঠাতা শালস্তম্ভই কামৰূপ ৰাজ্যৰ ৰাজধানী তেজপুৰলৈ স্থানান্তৰ কৰি ঠাইখনৰ নাম **হাৰূপেশ্বৰ** ৰাখিছিল। শালস্তম্ভসকলে কামৰূপত ৰাজত্ব কৰি থকা সময়ত **'ইৎচিং'** নামৰ এজন চীনা পৰিব্ৰাজক ভাৰতলৈ আহিছিল। তেওঁৰ লিখনিত সেই সময়ত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে নালন্দা অঞ্চললৈ (বৰ্তমান বিহাৰ) বিস্তৃত আছিল বুলি উল্লেখ পোৱা যায়।

শালস্তম্ভসকলৰ ৰাজত্ব কালত কামৰূপ ৰাজ্যই সকলো দিশৰপৰা এক শক্তিশালী ৰাজ্যৰূপে স্বীকৃতি পাইছিল। শালস্তম্ভ বংশৰ ৰজাসকলে বিদ্বান লোকক সমাদৰ কৰিছিল। তেওঁলোক নিজে শৈৱপন্থী আছিল যদিও তান্ত্ৰিক ধৰ্ময়ো তেওঁলোকৰ ৰাজত্ব কালতে প্ৰসাৰতা লাভ কৰিছিল। ঐতিহাসিক সমলৰ ভিতৰত খ্ৰীষ্টীয় নৱম শতিকাৰ হায়ুনথল তাম্ৰফলিত শালস্তম্ভ বংশৰ ৰজাসকলৰ ভিতৰত শালস্তম্ভ, বিজয়, পালক, কুমাৰ, বজ্ৰদেৱ, হৰ্যবৰ্মন, বলবৰ্মন, হৰ্জৰাবৰ্মন আৰু বনমালৰ নাম পোৱা যায়। অৱশ্যে অধিক সমলৰ অভাৱত এই বংশৰ সঠিক অধ্যয়ন কৰিব পৰা হোৱা নাই। তথাপিও ক'ব পাৰি যে এই বংশৰ ৰজাসকল প্ৰজাহিতকৰ আৰু সুদক্ষ আছিল।

শালস্তম্ভ সকলৰ উপাস্য দেৱতা আছিল হেতুকা চুলিন (শিৱ)। এই ৰাজবংশৰ ৰজাসকল বিভিন্ন মঠ-মন্দিৰ নিৰ্মাণ আৰু প্ৰজাহিতকৰ কাম-কাজ কৰাৰ ক্ষেত্ৰত আগবঢ়া আছিল। কলিঙ্গ, কৌশল, গৌড় আদি ৰাজ্যসমূহ তেওঁলোকৰ অধীনত থকাৰ সময়ত সেই ঠাইবোৰৰপৰা যথেষ্ট সংখ্যক স্থাপত্যবিদ, গুণী-জ্ঞানী মানুহক কামৰূপলৈ আনিছিল। শালস্তম্ভ ৰজাসকলৰ এনেবোৰ কাৰ্যই অসমীয়া সভ্যতা-সংস্কৃতিৰ শ্ৰীবৃদ্ধিত যথেষ্ট সহায়ক হৈছিল।

## পালবংশঃ-

শালস্তম্ভসকলৰ পাছত পাল নামৰ ৰাজবংশই কামৰূপ ৰাজ্যৰ ৰাজপাটত উঠে। ব্ৰহ্মপাল এই ৰাজবংশৰ প্ৰতিষ্ঠাতা বুলি জনা যায়। এওঁলোকৰ ৰাজ্যৰ ৰাজধানী দূৰ্জ্জয়নগৰ(বৰ্তমানৰ উত্তৰ গুৱাহাটী) আছিল বুলি উল্লেখ পোৱা যায়। ৰজা ৰত্নপালে প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰাৰ সময়ত কামৰূপ ৰাজ্যৰ পশ্চিম সীমাই উত্তৰ বংগক চুইছিল বুলি বিভিন্ন সমলৰপৰা জানিবলৈ পোৱা যায়। এই বংশৰ ৰত্নপাল, ইন্দ্ৰপাল, গোপাল, হৰ্ষপাল, ধৰ্মপাল ইত্যাদি ৰজাৰ নাম বিভিন্ন সমলত উল্লেখ থকা পোৱা যায়।



মদন কামদেৱ

পালসকল হিন্দুধৰ্মী আছিল। বৰ্তমান কামৰূপ (গ্ৰাম্য) জিলাৰ বাইহাটা চাৰিআলিৰ ওচৰত থকা মদন কামদেৱ মন্দিৰৰ ভগ্নাৱশেষ পালবংশী ৰজাসকলৰ স্থাপত্য কীৰ্তি। ইয়াত হিন্দু দেৱতা শিৱ, বিষ্ণু, সৰস্বতী, সূৰ্য, কল্পবৃক্ষ, বিভিন্ন অপ্সৰাৰ মূৰ্তি পোৱা গৈছে।

**ক্ৰিয়াকলাপ ঃ**

- বৰ্মণ বংশই কামৰূপত প্ৰতিষ্ঠা লাভ কৰাৰ সময়ত উত্তৰ ভাৰতত কোনটো ৰাজবংশৰ অভ্যুদয় হৈছিল?
- হিউৱেন চাং আৰু ইৎচিং কোন দেশৰ পৰিব্ৰাজক আছিল?
- নালন্দা বিশ্ববিদ্যালয় বৰ্তমান কোনখন ৰাজ্যত অৱস্থিত?

## পুৰণি কামৰূপৰ আৰ্থ-সামাজিক অৱস্থাঃ-

অতি প্ৰাচীন কালত অসমখন অনাৰ্য লোকসকলৰ অধ্যুষিত অঞ্চল আছিল। সেয়ে ইয়াত আৰ্য সংস্কৃতিৰ হিন্দু বৰ্ণাশ্ৰমৰ প্ৰভাৱ দেখিবলৈ পোৱা নগৈছিল। সমাজ ব্যৱস্থাত জাতি-ভেদপ্ৰথাৰ কঠোৰতাৰো বৰ বিশেষ প্ৰচলন নাছিল। পৰৱৰ্ত্তী সময়ত আৰ্যসকল আৰু হিন্দু-ধৰ্মৰ প্ৰভাৱ পৰাত ইয়াত বৰ্নাশ্ৰমৰ প্ৰভাৱ পৰে। প্ৰাচীন অসমৰ অধিবাসীসকল প্ৰকৃতিৰ উপাসক আছিল। শিৱ আৰু শক্তিৰ উপাসনা অধিক হৈছিল বাবে ইয়াৰ প্ৰাচীন মন্দিৰ সমূহতো শিৱ আৰু দেৱী পূজাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়।

পুৰণি কামৰূপৰ অৰ্থনীতি মূলতঃ কৃষিভিত্তিক আছিল। হিউৱেন চাঙৰ চি-ইউ-কি ত এই ৰাজ্যত জলসিঞ্চনৰ জৰিয়তে খেতি কৰাৰ কথাও উল্লেখ কৰিছে। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ ফল-মূল, যেনে-কঠাঁল, নাৰিকল, তামোল-পাণৰ খেতি কৰাৰ কথাও উল্লেখ পোৱা যায়। আজিৰ দৰে প্ৰাচীন কামৰূপতো এৰী, পাট, মুগা ইত্যাদি কাপোৰ তৈয়াৰ হৈছিল। মহাভাৰতত ভগদত্ত ৰজাৰ পাট কাপোৰৰ কথা পোৱা যায়। কুমাৰ ভাস্কৰ বৰ্মণেও থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনলৈ পাটৰ কাপোৰ পঠিয়াইছিল বুলি সমলসমূহৰপৰা জানিব পাৰি। মাছ ধৰা, নৈৰ পৰা

সোণ উলিওৱা , কাপোৰ বোৱা আদিবোৰ প্ৰাচীন কামৰূপৰ লোকসকলৰ কেইটামান উল্লেখযোগ্য বৃত্তি আছিল। আভ্যন্তৰীণ বাণিজ্যৰ উপৰি তিব্বত আৰু ভূটানৰ লগতো বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰা হৈছিল। ৰাজবংশীয় লোকসকলে সোণৰ অলংকাৰ ব্যৱহাৰ কৰিছিল। হাতীদাঁতৰ অলংকাৰ কামৰূপত যথেষ্ট জনপ্ৰিয় আছিল।

পালবংশৰ পাছত আহোমসকলৰ আগমনৰ সময়লৈকে প্ৰাচীন অসম কামৰূপ নামেৰেই জনাজাত আছিল। উত্তৰ গুৱাহাটীত উদ্ধাৰ হোৱা কানাই বৰশী বোৱা শিলালিপিৰ তথ্য অনুসৰি ১২০৬ খ্ৰীঃত পৃথু নামেৰে এজন ৰজাই কামৰূপ শাসন কৰিছিল বুলি জনা যায়। ঐতিহাসিক সমলৰ অভাৱত প্ৰাচীন অসমৰ বিষয়ে আহোম সকলৰ দৰে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰাটো কিছু কঠিন। সেয়ে প্ৰাক্‌ঐতিহাসিক চৰিত্ৰ যেনে বাণৰজা, নৰকাসুৰ, ভগদত্ত ইত্যাদিক ইতিহাসতকৈ কিংবদন্তী আৰু আখ্যান হিচাপেহে চৰ্চা কৰা হয়।

## মনত ৰাখিবলগীয়া কথা ঃ

- কামৰূপৰ প্ৰাচীন নাম আছিল প্ৰাগজ্যোতিষ।
- প্ৰাচীন প্ৰাগজ্যোতিষত অতি উচ্চমানৰ জ্যোতিষ চৰ্চা হৈছিল।
- এটা সময়ত অসমখনেই কামৰূপ নামেৰে জনাজাত আছিল।
- মহাকাব্য ৰামায়ণ আৰু মহাভাৰতত কামৰূপ ৰাজ্যৰ কথা উল্লেখ পোৱা যায়।
- যোগিনী তন্ত্ৰমতে কামৰূপ ৰাজ্যখন চাৰি ভাগত বিভক্ত আছিল— ৰত্নপীঠ, কামপীঠ, স্বৰ্ণপীঠ, আৰু সৌমাৰপীঠ।
- কামৰূপৰ বাদেও এই অঞ্চলত বহুতো সৰু সৰু ৰাজ্য আছিল।
- বৰ্মণ বংশৰ ৰজা কুমাৰ ভাস্কৰবৰ্মণৰ ৰাজত্ব কালত চীনা পৰিব্ৰাজক হিউৱেন চাং কামৰূপলৈ আহিছিল।
- হিউৱেন চাঙৰ টোকা কামৰূপৰ ইতিহাসৰ এক অমূল্য সম্পদ।
- উত্তৰ ভাৰতৰ প্ৰখ্যাত সম্ৰাট হৰ্ষবৰ্ধন কামৰূপৰ ৰজা ভাস্কৰ বৰ্মণৰ সমসাময়িক আছিল।
- বৰ্মণ বংশৰ পাছত শালস্তম্ভ, পালবংশৰ ৰজাসকলে কামৰূপ ৰাজ্যত ৰাজত্ব কৰে।
- শালস্তম্ভসকলৰ সময়ত হাৰুপেশ্বৰ কামৰূপৰ ৰাজধানী আছিল।
- পুৰণি কামৰূপ ৰাজ্যৰ অৰ্থনৈতিক আৰু সামাজিক অৱস্থা উন্নত আছিল।

## অনুশীলনী ঃ

১) উত্তৰ লিখাঃ-

ক) নৱগ্ৰহ মন্দিৰ ক'ত অৱস্থিত?

খ) বৰ্মণ বংশৰ প্ৰতিষ্ঠাতা কোন আছিল?

গ) হিউৱেন চাঙে কোন বিশ্ববিদ্যালয়ত বৌদ্ধ ধৰ্ম সম্পৰ্কে চৰ্চা কৰিছিল?

ঘ) বৰ্তমান কামৰূপ জিলাক কি কি ভাগত ভাগ কৰা হৈছে?

ঙ) দানৱ বংশ কোনে প্ৰতিষ্ঠা কৰিছিল ?

চ) ডুবি আৰু নিধানপুৰ তাম্ৰলিপি কাৰ ৰাজত্ব কালত খোদিত কৰা হৈছিল ?

১) শুদ্ধ / অশুদ্ধ বিচাৰ কৰা।

(ক) ৰামায়ণ, মহাভাৰত হ'ল হিন্দু ধৰ্মৰ দুখন মহাকাব্য।

(খ) নৰকাসুৰৰ বংশটোৰ নাম দানৱ বা অসুৰ বংশ।

(গ) বৰ্মণ বংশৰ আদি ৰজা হ'ল পুষ্য বৰ্মণ।

(ঘ) বাণ ৰজাৰ জীয়ৰীৰ নাম আছিল উষা।

(ঙ) ইংচিঙে চি-উ-কি পুথিখন ৰচনা কৰিছিল।

৩। ক্ৰমানুসাৰে সজোৱা—

বৰ্মণ বংশ, দানৱ বংশ, পাল বংশ, শালস্তম্ভ বংশ, ভৌম বংশ।

৪। খালী ঠাই পূৰ কৰা—

ক) দানব ৰাজ্যৰ ৰাজধানী আছিল------

খ) সমুদ্ৰগুপ্তৰ------ত কামৰূপৰ উল্লেখ পোৱা যায়।

গ) ------ কুমাৰ ভাস্কৰ বৰ্মণৰ সমসাময়িক ৰজা আছিল।

ঘ) মদন কামদেব মন্দিৰ------ ৰজাসকলৰ স্থাপত্য কীৰ্তি।

ঙ) ------ হ'ল শালস্তম্ভ বংশৰ প্ৰতিস্থাপক।

৫। চমু টোকা লিখা ঃ

(ক) শালস্তম্ভ বংশ (খ) পালবংশ (গ) কুণ্ডিল ৰাজ্য (ঘ) কামৰূপৰ আৰ্থ-সামাজিক অৱস্থা।

৬। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা।

(ক) আখ্যান, কিংবদন্তি আৰু ইতিহাসৰ মাজত পাৰ্থক্য।

(খ) ভাস্কৰ বৰ্মণ আৰু হৰ্ষবৰ্ধনৰ সম্পৰ্ক।

(গ) হিউৱেন চাঙৰ টোকাত বৰ্ণিত কামৰূপ ৰাজ্য।

৭। পুৰণি কামৰূপ ৰাজ্যৰ মানচিত্ৰত থকা ঠাইবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

# পাঠ ঃ ১৪
# মধ্যযুগৰ ভাৰতবৰ্ষৰ ইতিহাস অধ্যয়নৰ সমলসমূহ

U3U5S8

## শিকনৰ ফলাফল ঃ

- ইতিহাস অধ্যয়নত সমলৰ গুৰুত্ব জানিব পাৰিব।
- মধ্যযুগৰ ভাৰতৰ লিখিত সাহিত্য সম্পৰ্কে তথ্য পাব।
- বিদেশী পৰিব্ৰাজক সম্পৰ্কে তথ্য লাভ কৰিব।
- প্ৰত্নতাত্বিক সমলৰ ধাৰনা পাব পাৰিব।
- স্মৃতি চিহ্ন আৰু সংগ্ৰাহালয় দৰ্শনৰ উৎসাহ লাভ কৰিব।

তোমালোকে আগৰ শ্ৰেণীৰ পাঠত প্ৰাচীন ভাৰতীয় ইতিহাস আৰু সমলৰ গুৰুত্ব সম্পৰ্কে আভাস পাইছাইক। এই পাঠৰ জৰিয়তে আমি মধ্যযুগৰ ভাৰতবৰ্ষ সম্পৰ্কে আলোচনা কৰিম। ইতিহাসবিদসকলে ভাৰতৰ ইতিহাসৰ কাল ভাগ কৰোঁতে যদিও নিৰ্দিষ্ট সময়সীমাৰ ওপৰত ভিত্তি কৰি ভাগসমূহ কৰা নাই তথাপিও মধ্য এচিয়াৰপৰা তুৰ্কী-আফগানসকলৰ আগমনৰ সময়ৰপৰাই ভাৰতীয় ইতিহাসৰ মধ্যযুগ হিচাপে অধ্যয়ন কৰা হয়।

তুৰ্কী-আফগানসকলৰ আগমন ভাৰতৰ ইতিহাসৰ এক যুগান্তকাৰী অধ্যায়। তেওঁলোকৰ আগমনৰ পাছৰপৰাই ভাৰতৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, ধৰ্মীয়,সাংস্কৃতিক, ভাষিক, আদি প্ৰায় সকলো ক্ষেত্ৰতে পৰিবৰ্তনৰ সূচনা হোৱা দেখা গৈছিল। এই সময়ছোৱাত মধ্যভাৰতত চুলতানী যুগৰ পাঁচটা ৰাজবংশৰ লগতে মোগল আৰু সুৰ বংশৰ উত্থান ঘটিছিল। একে সময়তে দক্ষিণ ভাৰতত বিজয়নগৰ আৰু বাহামনি ৰাজ্য , মহাৰাষ্ট্ৰত মাৰাথাসকল, পঞ্জাৱত শিখসকল, পশ্চিম ভাৰতত ৰাজপুতসকল পূব ভাৰতত কোঁচ আৰু আহোমসকলৰ উত্থানো দেখিবলৈ পোৱা গৈছিল।

যিকোনো সময়ৰ ইতিহাস অধ্যয়ন কৰিবলৈ হ'লে আমাক সঠিক, শুদ্ধ আৰু বিশ্বাসযোগ্য তথ্যৰ প্ৰয়োজন হয়। য'ৰপৰা আমি সঠিক শুদ্ধ আৰু বিশ্বাসযোগ্য তথ্য আহৰণ কৰিব পাৰোঁ তাকেই সমল বুলি কোৱা হয়। আহাচোন এতিয়া আমি মধ্যযুগৰ ভাৰতৰ ইতিহাস অধ্যয়নৰ সমলৰ বিষয়ে আলোচনা কৰোঁ।

মধ্যযুগৰ ভাৰতৰ ঐতিহাসিক সমলসমূহকো আমি প্ৰধানকৈ তলত দিয়া ধৰণে ভাগ কৰিব পাৰো।

সমল
- লিখিত সমল
  - দেশীয় লেখকৰ টোকা
  - বিদেশী লেখকৰ টোকা
- প্ৰত্নতাত্বিক সমল
  - স্থাপত্য-ভাস্কৰ্য
  - মুদ্ৰা
  - চিত্ৰকলা
  - শিলালিপি

## লিখিত সমলসমূহ ঃ

অধ্যয়ন কৰিব লগা সময়খিনিত ৰচিত গ্ৰন্থ, লিপিবদ্ধ ৰাজকীয় তথ্য, আন নথিভুক্ত তথ্য আদিক লিখিত সমল বোলা হয়। লিখিত সমলসমূহ আকৌ দেশীয় লেখকৰ টোকা আৰু বিদেশী লেখকৰ টোকা- এই দুই ভাগত ভাগ কৰিব পাৰি।

দেশীয় লেখকসকলৰ ভিতৰত জিয়াউদ্দিন বাৰানীৰ 'তাৰিখ ই ফিৰোজশ্বাহী', আবুল ফজলৰ 'আইন ই আকবৰী', গুলবদন বেগমৰ 'হুমায়ুননামা', জাহাংগীৰৰ 'তুজুক-ই-জাহাংগীৰি' ইত্যাদিৰ নাম উল্লেখ কৰিব পাৰি। এই লিখনিবোৰে মধ্যযুগৰ এখন স্পষ্ট ছবি আমাৰ আগত দাঙি ধৰে।

ইয়াৰোপৰি বহুকেইজন বিদেশী পৰিব্ৰাজকে সেই সময়ত ভাৰতলৈ আহি ভাৰত সম্পৰ্কে টোকা লিখি থৈ গৈছে। এনে লিখনিৰ ভিতৰত মৰক্কোৰ ইবন বটুটাৰ 'ৰিহ্‌লা', উজবেকিস্তানৰ আলবেৰুনীৰ 'তাহকিক্-ই-হিন্দ,' ইউৰোপৰ মাৰ্ক প'ল' আৰু নিকলো কন্টিৰ লিখনিৰপৰা তেওঁলোকৰ আগমনৰ সময়ত ভাৰত ভূখণ্ডত শাসন কৰা চুলতানসকলৰ সমাজ ব্যৱস্থা, আৰ্থিক অৱস্থা, ৰাজনৈতিক পৰিস্থিতি আদিৰ বিষয়ে বিতংকৈ জানিব পাৰি।

## প্ৰত্নতাত্বিক সমলসমূহ ঃ

স্থাপত্য- ভাস্কৰ্য, মুদ্ৰা, শিলালিপি, তাম্ৰলিপি, দেৱাল লিখন, চিত্ৰকলা ইত্যাদিবোৰ হ'ল প্ৰত্নতাত্বিক সমল।



মহম্মদ বিন টোগলকৰ সময়ৰ ব্ৰঞ্জৰ মুদ্ৰা

কাষৰ ছবিখন মন কৰা। এয়া হ'ল মধ্যযুগত প্ৰচলিত কিছুমান মুদ্ৰাৰ ছবি। মুদ্ৰাক এক উল্লেখযোগ্য ঐতিহাসিক সমল হিচাপে চিহ্নিত কৰিব পাৰি। এই মুদ্ৰাবোৰৰপৰা সেইসময়ৰ চুলতান বা বাদছাহৰ নাম, ৰাজবংশৰ নাম, আনুমানিক সময় আদিৰ বিষয়ে সঠিককৈ জানিব পাৰি। উদাহৰণস্বৰূপে, খিলিজি বংশৰ মুদ্ৰাত চুলতান আল্লাউদ্দিন খিলিজিৰ নাম দেখিবলৈ পোৱা যায়। ইয়ে প্ৰমাণ কৰে যে তেওঁ মুদ্ৰাত নিজৰ নাম খোদিত কৰাইছিল। টোগলক বংশী চুলতান মহম্মদ বিন টোগলকে নিজ সাম্ৰাজ্যত সোণ, ৰূপৰ সলনি ব্ৰ'ঞ্জৰ মুদ্ৰাৰ প্ৰচলন কৰিছিল। মুদ্ৰা ব্যৱস্থাৰ উল্লেখযোগ্য সংস্কাৰ সুৰ বংশী ৰজা ছেৰছাহে কৰিছিল। তেওঁয়েই প্ৰথম "ৰূপী" নামেৰে ৰূপৰ মুদ্ৰাৰ প্ৰচলন কৰিছিল।বৰ্তমান ভাৰতকে ধৰি পাকিস্থান, ইণ্ডোনেছিয়া, নেপাল, মালদ্বীপ, শ্ৰীলংকা আদিত প্ৰচলিত চৰকাৰী মুদ্ৰা "ৰূপীয়া"ৰ ধাৰণা এই ৰূপীৰপৰা লোৱা হৈছে বুলি জনা যায়।

### ক্ৰিয়াকলাপ ঃ

- বৰ্তমান আমাৰ দেশত প্ৰচলিত ২০০০, ৫০০, ২০০, ১০০, ৫০ ইত্যাদি নোটবোৰ বিচাৰি উলিওৱা আৰু সেইবোৰৰ ছপা কৰাৰ চন, ৰিজাৰ্ভ বেংকৰ গৰ্ভণৰৰ নাম, নোটৰ পিঠিত থকা ছবিৰ নাম লিখি তালিকা এখন প্ৰস্তুত কৰা।
- তোমালোকৰ অঞ্চলৰ কোনো বয়োজ্যেষ্ঠ লোকৰ ওচৰত যদি পুৰণি মুদ্ৰা আছে সংগ্ৰহ কৰা আৰু তাৰ আকাৰ, তাত খোদিত চিত্ৰ, তাৰিখ আদিৰ তালিকা কৰি শ্ৰেণীত শিক্ষকৰ সহায়ত আলোচনা কৰা।

মুদ্ৰাৰ উপৰি আন এক উল্লেখযোগ্য সমল হৈছে মধ্যযুগত নিৰ্মিত মছজিদ, স্মৃতিসৌধ, দুৰ্গ, মন্দিৰ, দৌল, দেৱালয়সমূহ, দিল্লীৰ কুটুবক্ষেত্ৰ, লোডী গাৰ্ডেন, ৰাজিৰাবাদ মছজিদ, ফিৰোজছাহ কোট্‌লা ইত্যাদিৰপৰা আমি চুলতানী যুগৰ বিষয়ে জানিব পাৰো। একেদৰে দিল্লীৰ লালকিল্লা, জামা মছজিদ, হুমায়ুনৰ সমাধি, আগ্ৰাৰ তাজমহল, আগ্ৰাফ'ৰ্ট, ফাতেহপুৰ চিক্ৰি, বুলণ্ড দৰৱাজা ইত্যাদিয়ে মোগল যুগৰ সোনালী ইতিহাস বহন কৰি আছিছে।



দিল্লীৰ জামা মছজিদ

উৎস: https://www.flickr.com/photos/rsenap1/3149340970



কৰ্ণাটকৰ হাজাৰা ৰাম মন্দিৰ

উৎস: https://images.app.goo.gl/rF8Z21yRUYkN2xjv6

একেদৰে জয়পুৰ , যোধপুৰ, জয়চালমেৰ আদি ৰাজস্থানৰ ঠাইসমূহত থকা ৰাজমহল আৰু দুৰ্গসমূহে ৰাজপুত ৰজাসকলৰ শৌৰ্যৰ উমান দিয়ে। বৰ্তমান কৰ্ণাটক ৰাজ্যৰ হাম্পী চহৰত থকা হাজাৰা ৰাম মন্দিৰ, কমলমহল হস্তীশাল, বিৰূপাক্ষ মন্দিৰ আদি বিজয়নগৰ সাম্ৰাজ্যৰ অতীত অধ্যয়নৰ উল্লেখযোগ্য সমল। অসমৰ শিৱসাগৰ জিলাত থকা ৰংঘৰ, কাৰেংঘৰ, শিৱদৌল, জয়দৌল, শিৱসাগৰ, জয়সাগৰ, চৰাইদেউৰ মৈদাম আদিৰ পৰা মধ্যযুগৰ অসম আৰু আহোম ৰাজ্যৰ বৰ্ণনা পাব পাৰি। মহাৰাষ্ট্ৰৰ ৰাইগড় দুৰ্গ মধ্যযুগত ভাৰতবৰ্ষত গঢ়ি উঠা মাৰাঠা ৰাজ্যৰ ঐতিহাসিক সমল।

শিলালিপিসমূহো উল্লেখযোগ্য প্ৰত্নতাত্বিক সমল। অৱশ্যে প্ৰাচীন যুগৰ শিলালিপিৰ তুলনাত মধ্যযুগত স্তম্ভলিপি আৰু দেৱাল লিখন অধিক দেখা যায়। বিশেষকৈ আলাই দৰৱাজা, লালকিল্লাৰ দেৱাল, চুলতান ইল্‌টুতমিছৰ সমাধিৰ দেৱাল, বুলণ্ড দৰৱাজাৰ লিপি লেখত ল'বলগীয়া সমল। এনে লিখনিত পাৰ্চী আৰু আৰবী ভাষাৰ ব্যৱহাৰ দেখা যায়।



শিৱদৌল

## ক্ৰিয়াকলাপ ঃ

- তোমালোকৰ অঞ্চলত মধ্যযুগৰ সময়চোৱাৰ কিবা ঐতিহাসিক স্মৃতিচিহ্ন আছে যদি শিক্ষক আৰু অভিভাৱকৰ লগত আলোচনা কৰি দৰ্শন কৰিবা আৰু বিৱৰণ তালিকাভুক্ত কৰিবা।

আমাৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰে গুৱাহাটীৰ ওচৰত থকা 'কানাই বৰশী শিলালিপি' মধ্যযুগৰ এক লেখত ল'বলগীয়া সমল । ইয়াত ১২০৬ খ্ৰীঃতঃ তুৰ্কী আফগান সেনাপতি মহম্মদ বিন বখতিয়াৰ খিলজিৰ কামৰূপ আক্ৰমনৰ কথা উল্লেখ আছে। একেদৰে ডবকাৰ গছতল শিলালিপিত ১৩৬২ খ্ৰীঃতঃ চুলতান ছিকন্দৰ ছাহৰ অসম অভিযানৰ তথ্য পোৱা যায়।

মোগল যুগৰ চিত্ৰকলাসমূহেও আমাক যথেষ্ট তথ্যৰ যোগান ধৰে। মোগল যুগৰ গ্ৰন্থসমূহত উল্লেখ থকা কাহিনীৰ লগত ৰজিতা খোৱাকৈ কিছুমান চিত্ৰ অংকন কৰা হৈছিল। এনে চিত্ৰসমূহৰপৰা সেইসময়ৰ ৰাজদৰবাৰ, ৰজাৰ গুৰুত্ব, ধৰ্মীয় নীতি- নিয়ম, ৰাজপৰিয়াল সম্পৰ্কে জ্ঞান আহৰণ কৰিব পাৰি।

ওপৰত উল্লিখিত সমলসমূহৰপৰা আমি মধ্যযুগৰ ভাৰতবৰ্ষৰ ইতিহাসৰ সম্যক অধ্যয়ন কৰিব পাৰো।সেই সময়ছোৱাৰ বহুখিনি সমল বৰ্তমান ভাৰতবৰ্ষৰ বাহিৰেও পাকিস্তান, আফগানিস্তান আদিতো সিঁচৰতি হৈ আছে। এনে সমলসমূহৰ সংৰক্ষণ এক গুৰুত্বপূৰ্ণ বিষয়। ভাৰত চৰকাৰৰ অধীনত থকা ভাৰতীয় পুৰাতত্ত্ব জৰীপ বিভাগ তথা চৰকাৰী যাদুঘৰসমূহেও এনে সমলসমূহৰ ৰক্ষণাবেক্ষণত বিশেষ ভূমিকা পালন কৰি আহিছে। তোমালোকে অভিভাৱক আৰু শিক্ষকৰ লগত আলোচনা কৰি এনে ইতিহাসপ্ৰসিদ্ধ ঠাই আৰু সংগ্ৰাহালয়সমূহ দৰ্শন কৰিবলৈ যাব পাৰাহঁক।

পৰ্যটনৰ ক্ষেত্ৰত ইতিহাস প্ৰসিদ্ধ এনে ঠাইবোৰৰ গুৰুত্ব অপৰিসীম। ৰাষ্ট্ৰসংঘৰ শাখা সংস্থা UNESCO (ৰাষ্ট্ৰসংঘৰ শৈক্ষিক, বৈজ্ঞানিক আৰু সাংস্কৃতিক সংস্থা) ই মধ্যযুগৰ সমলপ্ৰসিদ্ধ আগ্ৰাৰ তাজমহল আৰু আগ্ৰাফৰ্ট, হাম্পীৰ স্মৃতিচিহ্নসমূহ, ফাটেহপুৰ চিক্ৰি, দাক্ষিণাত্যৰ চোলা মন্দিৰসমূহ, কুটুবক্ষেত্ৰ, হুমায়ুনৰ সমাধি, লালকিল্লা , জয়পুৰৰ যন্তৰ-মন্তৰক বিশ্বৰ ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ফলস্বৰূপে এনে ঠাইসমূহলৈ দেশী- বিদেশী পৰ্যটকৰ আগমনৰ সংখ্যাও বাঢ়িছে ।

দেশৰ অৰ্থনৈতিক উন্নয়নত এনে পৰ্যটন ক্ষেত্ৰসমূহে লাভজনক ফল দেখুওৱা পৰিলক্ষিত হৈ আহিছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- ভাৰতৰ ইতিহাসৰ কালছোৱাক তিনিটা ভাগত ভাগ কৰা হৈছে, যেনে - প্ৰাচীনযুগ, মধ্যযুগ আৰু আধুনিকযুগ।
- মধ্য এচিয়াৰপৰা তুৰ্কী-আফগানসকলৰ আগমনৰ সময়ৰপৰা ভাৰতত মধ্যযুগৰ আৰম্ভনি বুলি কোৱা হয়। বিভিন্ন সমলৰপৰা মধ্যযুগৰ ভাৰতবৰ্ষৰ বিষয়ে জানিব পাৰি।
- এনে সমলসমূহৰ ভিতৰত বিভিন্ন লেখকৰ লিখনি, পৰিব্ৰাজকৰ টোকা, মুদ্ৰা, স্মৃতিচিহ্ন, শিলালিপি, চিত্ৰকলা আদি উল্লেখযোগ্য।
- ভাৰতৰ ঐতিহ্য সম্বলিত এনে সমলসমূহৰ ৰক্ষণাবেক্ষণ কৰাটো অত্যন্ত প্ৰয়োজনীয় বিষয়।
- ঐতিহাসিক স্মৃতিচিহ্নসমূহে দেশৰ পৰ্যটনৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰে।

অনুশীলনী ঃ

১) উত্তৰ দিয়া-

ক) সমল বুলিলে কি বুজা ?

খ) লিখিত সমল মানে কি ?

গ) তুৰ্কী-আফগানসকল ক'ৰপৰা ভাৰতলৈ আহিছিল ?

ঘ) UNESCO ৰ সম্পূৰ্ণ অসমীয়া পৰিভাষা লিখা।

ঙ) ঐতিহাসিক সমলসমূহৰ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত কোনে বিশেষ ভূমিকা পালন কৰি আহিছে?

২) খালী ঠাই পূৰ কৰা-

ক) আবুল ফজলে ---- ৰচনা কৰিছিল।

খ) ইবন বটুটা-----দেশৰ পৰিব্ৰাজক আছিল।

গ) প্ৰাচীন বিজয়নগৰৰ স্মৃতিচিহ্ন বৰ্তমান ---- চহৰত আছে।

ঘ) ৰংঘৰ----জিলাত আছে।

ঙ) ৰূপী নামৰ মুদ্ৰা চুলতান----প্ৰচলন কৰিছিল।

৩) শুদ্ধনে অশুদ্ধ বিচাৰ কৰা-

ক) জয়পুৰৰ দুৰ্গসমূহে ৰাজপুত ৰজাসকলৰ শৌৰ্য প্ৰকাশ নকৰে।

খ) গুলবদন বেগমে হুমায়ুন নামা গ্ৰন্থৰ ৰচনা কৰিছিল।

গ) কানহি বৰশী শিলালিপি মিজোৰামত আছে।

ঘ) মুদ্ৰা হ'ল এক প্ৰত্নতাত্বিক সমল।

ঙ)ৰাইগড় দুৰ্গ মাৰাথাসকলৰ ঐতিহাসিক স্মৃতিচিহ্ন।

৪) পাঠৰ আলমত তলৰ তালিকাখন পূৰ কৰা-

| তিনিজন বিদেশী পৰিব্ৰাজকৰ নাম | মধ্যযুগত নিৰ্মিত তিনিটা স্মৃতিচিহ্ন | তিনিজন দেশীয় লেখকৰ নাম |
|---|---|---|
| | | |

৫) ভাৰতৰ এখন মানচিত্ৰ অংকন কৰি বিজয়নগৰ, কোচ ৰাজ্য, আহোম ৰাজ্য আৰু মাৰাথাসকলৰ অৱস্থিতি নিৰ্ণয় কৰা।

৬) মধ্যযুগত নিৰ্মিত পাঁচটা বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ নাম উল্লেখ কৰা।

# পাঠ ঃ ১৫
# দিল্লীৰ চুলতানীযুগ (১২০৬-১৫২৬ খ্ৰীঃ)

2I1SPJ

**শিকনৰ ফলাফল ঃ**

- তুৰ্কী আফগানসকলৰ পৰিচয় লাভ কৰিব।
- দিল্লীৰ চুলতানী ৰাজবংশৰ লগত পৰিচয় হ'ব।
- চুলতানী যুগৰ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- চুলতানসকলৰ ভূমি প্ৰথা, বজাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- মানচিত্ৰ অধ্যয়ন কৰিবলৈ শিকিব।

কাষৰ ছবিখন চিনিব পাৰিছানে ?



দিল্লীৰ কুটুবমিনাৰ

এইখন হ'ল দিল্লীৰ কুটুবক্ষেত্ৰত থকা কুটুবমিনাৰৰ ছবি। এই মিনাৰৰ নিৰ্মাণ দিল্লীৰ চুলতান কুতুবুদ্দিন আইবাকৰ অধীনত আৰম্ভ কৰি চুলতান ইলটুতমিছৰ দিনত সম্পূৰ্ণ কৰা হৈছিল।

তোমালোকে ইয়াৰ আগৰ পাঠত পাইছা যে তুৰ্কী-আফগান সকলৰ আগমনে ভাৰতত ঐতিহাসিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। চুলতান কুতুবুদ্দিন আইবাক আছিল এজন তুৰ্কী লোক আৰু তেওঁৰ অধীনতেই ভাৰতত তুৰ্কী-আফগানসকলৰ সাম্ৰাজ্যৰ ভেটি স্থাপন হৈছিল।

ঐতিহাসিকসমলৰপৰা জানিব পৰা গৈছে যে ভাৰতবৰ্ষত তুৰ্কীসকলে ১২০৬ খ্ৰীঃৰপৰা ১৫২৬ খ্ৰীঃলৈ প্ৰায় তিনিশ বিশ বছৰ কাল শাসন কৰিছিল কেইবাটাও চুলতানী ৰাজবংশই শাসন কৰা এই কালছোৱাকে ভাৰতৰ ইতিহাসত চুলতানী যুগ বুলি কোৱা হয়। এতিয়া আহাচোন আমি তুৰ্কী-আফগানসকলৰ ভাৰতলৈ আগমনৰ পটভূমিৰ লগতে দিল্লীৰ চুলতানী ৰাজবংশ কেইটা আৰু তেওঁলোকৰ প্ৰশাসন ব্যৱস্থাৰ লগত পৰিচয় হওঁ।

## তুৰ্কী-আফগানসকলৰ ভাৰত আগমণৰ পটভূমিঃ-

তুৰ্কী-আফগান লোকসকল আছিল প্ৰধানকৈ মধ্য এচিয়াৰ অধিবাসী। ইছলাম ধৰ্মী এইসকল লোকে ৰাজ্য সম্প্ৰসাৰণ কৰি পৰৱৰ্তী সময়চোৱাত ভূমধ্য সাগৰৰপৰা চীনদেশলৈ বিয়পি পৰে। ৰাজ্য সম্প্ৰসাৰণৰ বাবে তেওঁলোকে কৰা

অভিযানসমূহৰ ভিতৰত ৭৯৯ খ্ৰীঃত শেষৰ জন সিন্ধু ৰজা দাহিৰ সেনৰ ৰাজ্য আক্ৰমণক প্ৰথম ভাৰত অভিযান হিচাপে চিহ্নিত কৰিব পাৰি। এই অভিযানৰ পাছত প্ৰায় তিনিশ বছৰলৈকে আৰবসকলে ভাৰতৰ কোনো ঠাই দখল কৰাৰ তথ্য পোৱা নাযায়। কিন্তু ৯৬২ খ্ৰীঃ ত আলপ্তগীন নামৰ এজন তুৰ্কী ক্ৰীতদাস বিষয়াই বৰ্তমানৰ আফগানিস্তাৰ গজনীত ৰাজ্য স্থাপন কৰাৰপৰা পট পৰিবৰ্তন হ'বলৈ ধৰে।

তুৰ্কীসকল ভাৰতলৈ অহাৰ সময়ত ভাৰতত প্ৰতিহাৰ, ৰাষ্ট্ৰকূট , পাল, পল্লৱ, চোল ইত্যাদি কিছুমান সৰু বৰ ৰাজ্য আছিল। এই ৰাজ্যবোৰৰ মাজত মিলা-প্ৰীতিৰ অভাৱত সেই সময়ত ভাৰতত ৰাজনৈতিক একতা আৰু শক্তিশালী ৰাজনৈতিক শক্তি দেখা পোৱা নগৈছিল। অৱশ্যে ৰাজ্যবোৰ আৰ্থিক ভাৱে ঐশ্বৰ্যশালী আছিল। এনে ঐশ্বৰ্য বিভূতিয়ে পশ্চিমৰ তুৰ্কী শাসকসকলক লালায়িত কৰা দেখা গৈছিল।

আনুমানিক ৯৯৮ খ্ৰীঃত চুলতান মামুদ নামৰ এজন লোক গজনীৰ সিংহাসনত আৰোহন কৰে। সিংহাসনত বহিয়েই তেওঁ ভাৰতৰ প্ৰচুৰ ঐশ্বৰ্য-বিভূতিৰ কথা শুনি ভাৰত আক্ৰমণ কৰিবলৈ মন মেলে। আনুমানিক ১০০০ খ্ৰীঃৰ পৰা ১০২৭ খ্ৰীঃৰ ভিতৰত মুঠতে সোতৰবাৰ তেওঁ ভাৰত আক্ৰমণ কৰিছিল। ধন সম্পত্তি আহৰণ কৰিবৰ বাবে তেওঁ পঞ্জাব, থানেশ্বৰ, কনৌজ, দিল্লী আদি ঠাইত লুট-পাত আৰু ধ্বংসলীলা চলাইছিল। তেওঁৰ এই অভিযানবোৰৰ ভিতৰত ১০২৫ খ্ৰীঃৰ গুজৰাটৰ সোমনাথ মন্দিৰৰ লুট-পাত বিশেষভাৱে উল্লেখযোগ্য।

চুলতান মামুদৰ পাছত মহম্মদ ঘোৰীৰ ভাৰত আক্ৰমণ ইতিহাসৰ আন এক গুৰুত্বপূৰ্ণ ঘটনা। তুৰ্কীসকলে আফগানিস্তানত গজনী ৰাজ্য স্থাপন কৰাৰ সময়ত তেওঁলোকৰ আন কেইজনমান বিষয়াই গজনী আৰু হিৰাটৰ মাজত ঘোৰ নামৰ ঠাইত এখন ৰাজ্য প্ৰতিষ্ঠা কৰে। চুলতান মামুদৰ মৃত্যুৰ পাছত ঘোৰ ৰাজ্যৰ শাসনকৰ্তা গিয়াছুদ্দিনে গজনী দখল কৰি ভায়েক চাহবুদ্দিনক ঘোৰ ৰাজ্যৰ চুলতান পাতে। ইতিহাসৰ পাতত চুলতান চাহবুদ্দিনেই মহম্মদ ঘোৰী হিচাপে খ্যাত হয়।

চুলতান মামুদে বাৰে বাৰে কৰা আক্ৰমণৰ ফলত উত্তৰ-ভাৰতৰ ৰাজ্যসমূহ দুৰ্বল হৈ পৰিছিল। সেই সুযোগতে মহম্মদ ঘোৰীয়ে হিমালয়ৰ গোমাল গিৰি পথেৰে ভাৰতত স-সৈন্যে প্ৰৱেশ কৰে। প্ৰথম অৱস্থাত তেওঁ গুজৰাটৰ চালুক্য ৰজা মূলাৰাজ আৰু ১১৯১ খ্ৰীঃ ত তৰাইনৰ প্ৰথম যুদ্ধত ৰাজপুত ৰজা পৃথ্বীৰাজ চৌহানৰ হাতত পৰাস্ত হ'ব লগীয়া হৈছিল। কিন্তু পাছৰ বছৰতে তৰাইনৰ দ্বিতীয় যুদ্ধত(১১৯২) তেওঁ পৃথ্বিৰাজক হৰুৱাই উত্তৰ-পশ্চিম ভাৰতত নিজৰ স্থিতি সবল কৰি তোলে।

মহম্মদ ঘোৰীয়ে চুলতান মামুদৰ দৰে ভাৰতত লুটপাত কৰি উভতি যোৱাৰ পৰিবৰ্তে এই দেশত এখন তুৰ্কী সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈহে মন মেলিছিল। সেই উদ্দেশ্যে সেনাপতি কুতুবুদ্দিন আইবাকৰ সহায়ত তেওঁ উত্তৰ ভাৰতৰ কেইবাখনো ৰাজ্য জয় কৰি ভাৰতত নিজৰ খোপনি দৃঢ় কৰি তোলে। কিন্তু ১২০৬ খ্ৰীঃ ত তেখেত গজনীলৈ উভতি যাব লগা হোৱাত ভাৰতৰ শাসনভাৰ সেনাপতি কুতুবুদ্দিনৰ হাতত দি যাব লগা হয়। গজনীত তেখেতৰ মৃত্যু হোৱাত আইবাকে ভাৰতত স্বতন্ত্ৰ শাসক হৈ পৰে আৰু তেওঁৰ অধিনতেই ভাৰতত চুলতানী যুগৰ আৰম্ভণি হয়। এই সময়চোৱাত একাদিক্ৰমে পাঁচটা ৰাজবংশই দিল্লীৰ ক্ষমতা দখল কৰিছিল। এই ৰজাসকলক চুলতান বোলা হৈছিল বাবেই চুলতানে শাসন কৰা সময়খিনিক চুলতানী যুগ বোলা হয়। এই যুগৰ ৰাজবংশ আৰু চুলতানসকলৰ নামভুক্ত তালিকা তলত দিয়া হ'ল দিয়া হ'ল। ইয়াৰপৰা তোমোলোকে উল্লেখযোগ্য চুলতানসকলৰ নাম জানিব পাৰিবাহকঁ।

## দিল্লীৰ তুৰ্কী-আফগান চুলতানসকল

### দাস বংশ ১২০৬-১২৯০ খ্ৰীঃ

| | |
|---|---|
| কুতুবুদ্দিন আইবাক | ১২০৬-১২১০ খ্ৰীঃ |
| ইলতুত্মিছ | ১২১০-১২৩৬ খ্ৰীঃ |
| চুলতানা ৰেজিয়া | ১২৩৬-১২৪০ খ্ৰীঃ |
| গিয়াছুদ্দিন বলবন | ১২৬৬-১২৮৭ খ্ৰীঃ |

### খিল্‌জি বংশ ১২৯০-১৩২০ খ্ৰীঃ

| | |
|---|---|
| জালালুদ্দিন খিল্‌জি | ১২৯০-১২৯৬ খ্ৰীঃ |
| আলাউদ্দিন খিল্‌জি | ১২৯৬-১৩১৬ খ্ৰীঃ |

### টোগলক বংশ ১৩২০-১৪১৪ খ্ৰীঃ

| | |
|---|---|
| গিয়াছুদ্দিন টোগলক | ১৩২০-১৩২৪ খ্ৰীঃ |
| মহম্মদ বিন টোগলক | ১৩২৪-১৩৫১ খ্ৰীঃ |
| ফিৰোজ ছাহ টোগলক | ১৩৫১-১৩৮৮ খ্ৰীঃ |

### চৈয়দ বংশ ১৪১৪-১৪৫১ খ্ৰীঃ

| | |
|---|---|
| খিজি্‌ৰ খাঁন | ১৪১৪-১৪২১ খ্ৰীঃ |

### লোডী বংশ ১৪৫১-১৫২৬ খ্ৰীঃ

| | |
|---|---|
| বাহলুল লোডী | ১৪৫১-১৪৮৯ খ্ৰীঃ |
| ইব্ৰাহিম লোডী | ১৫১৭-১৫২৬ খ্ৰীঃ |

## দাস বংশ (১২০৬-১২৯০ খ্ৰীঃ)

ভাৰতত তুৰ্কী সাম্ৰাজ্যৰ প্ৰথমজন চুলতান কুতুবুদ্দিন আইবাক মধ্য এচিয়াৰ তুৰ্কীমূলৰ মুছলমান লোক আছিল। জীৱনৰ প্ৰথমচোৱা সময় তেওঁ এজন ক্ৰীতদাস আছিল বাবেই তেওঁ প্ৰতিষ্ঠা কৰা বংশটোক ইতিহাসত দাস বংশ হিচাপে জনা যায়। সেনাপতি মহম্মদ ইবন বখতিয়াৰ খিলজিৰ সহায়ত তেওঁ বিহাৰ , উত্তৰ প্ৰদেশ, বংগদেশ আদি জয় কৰি চুলতানী সাম্ৰাৰাজ্যৰ সম্প্ৰসাৰন ঘটাইছিল। ইলটুত্মিছ আছিল এই বংশৰ শ্ৰেষ্ঠ ৰজা। দিল্লীৰ বিখ্যাত কুটুব মিনাৰ নিৰ্মাণত এওঁলোকে দুয়োজনে মুখ্য ভূমিকা পালন কৰিছিল। ইলটুত্মিছৰ জীয়ৰী ৰেজিয়া চুলতানা আছিল দিল্লীৰ সিংহাসনত বহা প্ৰথম আৰু একমাত্ৰ সম্ৰাজ্ঞী। গিয়াচুদ্দিন বলবন এই বংশৰ শেষৰজন ৰজা। এওঁৰ শাসনকালতে ইউৰোপৰ প্ৰখ্যাত পৰিব্ৰাজক মাৰ্কোপলো ভাৰতবৰ্ষ ভ্ৰমণলৈ আহিছিল।

**জানি থওঁ আহা ঃ**

চুলতান কুতুবুদ্দিন আইবাকৰ সেনাপতি মহম্মদ ইবন বখতিয়াৰ খিল্‌জিয়ে চীন দেশ জয়ৰ পৰিকল্পনা কৰিছিল। কিন্তু কামৰূপৰ মাজেৰে যাব লগা হোৱাত সেইসময়ৰ কামৰূপৰ ৰজা পৃথুৰ লগত যুদ্ধত লিপ্ত হৈ বংগদেশলৈ উভতি যাবলৈ বাধ্য হয়। উক্ত ঘটনাকে অসমৰ ইতিহাসত প্ৰথম তুৰ্কী অভিযান হিচাপে জনা যায়। এই ঘটনাবলীৰ উল্লেখ উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলালিপিত পোৱা যায়। তোমালোকে উত্তৰ গুৱাহাটীলৈ গ'লে এই শিলালিপি চাবলৈ নাপাহৰিবা।

## খিল্‌জি বংশ (১২৯০-১৩২০ খ্ৰীঃ)

গিয়াছুদ্দিন বলবনৰ মৃত্যুৰ পাছত দিল্লীৰ সিংহাসনৰ কোনো উপযুক্ত উত্তৰাধিকাৰী ওলোৱা নাছিল। তেনে এক অৰাজক পৰিস্থিতিত জালালুদ্দিন ফিৰোজছাহ খিল্‌জিয়ে দিল্লীৰ ৰাজপাট দখল কৰে আৰু চুলতানী যুগৰ দ্বিতীয়টো বংশ হিচাপে খিল্‌জি বংশক ক্ষমতাত প্ৰতিষ্ঠিত কৰে। আল্লাউদ্দিন খিল্‌জি এই বংশৰ শ্ৰেষ্ঠ চুলতান আছিল। তেওঁ সেনাপতি মালিক কাফুৰৰ নেতৃত্বত উত্তৰ আৰু দক্ষিণ ভাৰতৰ বহুকেইখন ৰাজ্য জয় কৰি এখন বিশাল

তুৰ্কী-আফগান সাম্ৰাজ্যৰ প্ৰতিষ্ঠা কৰিছিল। এওঁয়েই দক্ষিণ ভাৰত জয় কৰা প্ৰথমজন চুলতান।

## টোগলক বংশ (১৩২০-১৪১৪ খ্ৰীঃ)

আলাউদ্দিন খিল্‌জিৰ মৃত্যুৰ পাছত দিল্লীৰ ৰাজপাটক লৈ পুনৰ অৰিয়াঅৰিৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতিতে গাজী মালিক নামৰ পঞ্জাব প্ৰদেশৰ এজন শাসনকৰ্তাই দিল্লী দখল কৰি গিয়াছুদ্দিন টোগলক নাম লয় আৰু টোগলক বংশক প্ৰতিষ্ঠা কৰে। তেওঁৰ পৰবৰ্ত্তী শাসক মহম্মদ বিন টোগলক এজন প্ৰজাহিতৈষী ৰজা আছিল। কিন্তু প্ৰশাসনীয় চিন্তা আৰু বাস্তৱ পৰিকল্পনাৰ অভাৱত তেওঁৰ আঁচনিসমূহ সফল হ'ব পৰা নাছিল। মহম্মদ বিন টোগলকৰ দিনতে মৰক্কোৰ পৰ্যটক ইবন বটুটা ভাৰত ভ্ৰমণলৈ আহিছিল। বটুটাৰ লিখনিৰপৰা সেই সময়ৰ ভাৰতবৰ্ষ সম্পৰ্কে বহুতো কথা জানিব পৰা যায়। ফিৰোজছাহ টোগলক এই বংশৰ আন এজন শ্ৰেষ্ঠ ৰজা। ঐতিহাসিক সমলৰ মতে দিল্লীৰ চুলতানসকলৰ ভিতৰত তেৰেঁই সকলোতকৈ বেছি প্ৰজাহিতকৰ কাম কৰিছিল।

## ছৈয়দ বংশঃ- (১৪১৪-১৪৫১ খ্ৰীঃ)

টোগলক বংশৰ শেষৰজন চুলতান মামুদ ছাহৰ মৃত্যুৰ পাছত মধ্য এচিয়াৰ চমৰখণ্ডৰ শাসনকৰ্তা টাইমুৰৰ তলতীয়া শাসক খিজিৰ খাঁনে দিল্লীৰ সিংহাসন দখল কৰি ছৈয়দ বংশৰ প্ৰতিষ্ঠা কৰে। এই বংশৰ হৈ খিজিৰ খাঁ আৰু মুবাৰক ছাহে প্ৰায় ৩৭ বছৰ দিল্লীত ৰাজত্ব কৰিছিল।

### জানি থওঁ আহা ঃ

টাইমুৰ আছিল মধ্য এছিয়াৰ চমৰখণ্ডৰ শাসনকৰ্তা। তুৰ্কী-আফগানসকলৰ দৰেই তেওঁ ঐশ্বৰ্যশালী ভাৰতবৰ্ষৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু ১৩৯৮-৯৯ খ্ৰীঃ ত ভাৰতত অভিযান চলাইছিল। টোগলক বংশী শেষৰ জন শাসক নাছিৰুদ্দিন মামুদৰ শাসনকালত বৃহৎ সংখ্যক সৈন্য-সামন্ত লৈ তেওঁ উত্তৰ পশ্চিম ভাৰত আক্ৰমণ কৰিছিল। এই অভিযানত প্ৰচুৰ সা-সম্পত্তি, ধন সোণ আহৰণ কৰি তেওঁ চমৰখণ্ডলৈ উভতি গৈছিল।

## লোডী বংশ (১৪৫১-১৫২৬ খ্ৰীঃ)

পঞ্জাব প্ৰদেশৰ আফগান শাসক বাহলুল লোডীয়ে দিল্লীৰ ৰাজপাট দখল কৰি চুলতানী যুগৰ শেষৰটো ৰাজবংশ হিচাপে লোডী বংশক ক্ষমতাত প্ৰতিষ্ঠা কৰাইছিল। এই বংশৰে চুলতান চিকন্দৰ লোডীয়ে ১৫০৬ খ্ৰীঃ ত দিল্লীৰপৰা আগ্ৰালৈ ৰাজধানী স্থানান্তৰ কৰিছিল। লোডী বংশৰ শেষৰজন চুলতান ইব্ৰাহিম লোডীক ফৰগনা ৰাজ্যৰ অধিপতি বাবৰে ১৫২৬ খ্ৰীঃ ত পানিপতৰ প্ৰথম যুদ্ধত পৰাজিত কৰিছিল। ইব্ৰাহিম লোডীৰ মৃত্যুৰ লগে লগে ভাৰতত চুলতানী যুগৰ অন্ত পৰে আৰু বাবৰে দিল্লীৰ সিংহাসনত মোগলসকলক প্ৰতিষ্ঠা কৰে।

### জানি থওঁ আহা ঃ

১২০৬ খ্ৰীঃৰপৰা ১৫২৬ খ্ৰীঃলৈ, তিনিশ বিশ বছৰকাল পাঁচটা বংশৰ চুলতানে ভাৰতবৰ্ষ শাসন কৰে। ইয়াৰ ভিতৰত দাস, খিল্‌জি আৰু টোগলকসকল তুৰ্কী লোক আছিল। লোডী বংশৰ চুলতানসকল আফগান পাঠান আছিল। আনহাতে ছৈয়দ বংশৰ ৰজাসকলে নিজকে হজৰত মহম্মদৰ জীয়ৰীৰ বংশধৰ বুলি চিনাকি দিছিল।

## চুলতানসকলৰ প্ৰশাসনিক ব্যৱস্থাঃ

চুলতানী যুগৰ পাঁচটা বংশৰ ৰাজত্ব কালত তুৰ্কী-আফগান শাসকসকলৰ প্ৰতিপত্তি ভাৰতৰ এক বৃহৎ অঞ্চলত বিয়পি পৰিছিল। চুলতান কুতুবুদ্দিন আইবাকে তেওঁৰ সাম্ৰাজ্য উত্তৰ-পশ্চিম দিশৰ গজনীৰপৰা আৰম্ভ কৰি বংগদেশলৈকে সম্প্ৰসাৰিত কৰিছিল। তেওঁৰ শাসনৰ মুখ্য কাৰ্যালয় আছিল লাহোৰ। ইলটুতমিছে মুলতান, সিন্ধু, আজমেৰ, গোৱালিয়ৰৰপৰা কনৌজ, বাৰাণসীলৈকে সাম্ৰাজ্যৰ বিস্তৃতি ঘটাইছিল। চুলতান আল্লাউদ্দিন খিলিজিয়ে গুজৰাট, মালৱ, ৰাজস্থান আৰু দক্ষিণ ভাৰত জয় কৰি এক বৃহৎ সাম্ৰাজ্যৰ গৰাকী হৈছিল।

এই বৃহৎ ভৌগোলিক পৰিসৰ শাসন কৰিবলৈ যাওঁতে চুলতানসকলে সু-সংহত আৰু পৰিকল্পিত প্ৰশাসন ব্যৱস্থাৰ প্ৰচলন ঘটাইছিল। তেওঁলোকৰ প্ৰশাসনৰ মূল ভিত্তি আছিল ইছলাম ধৰ্মীয় আইন। পাৰস্য দেশৰ আদব-কায়দাও তেওঁলোকৰ ৰাজসভাত দেখা পোৱা গৈছিল। শাসন ব্যৱস্থাত ৰজা আছিল সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী। চুলতান গিয়াছুদ্দিন বলবনে "ৰজা ভগবান প্ৰেৰিত দূত" এই ধাৰনাক বাস্তৱ ৰূপ দিয়াৰ যত্ন কৰিছিল।

## চুলতানী আমোলৰ উচ্চপদস্থ বিষয়াঃ

সাম্ৰাজ্য বিস্তাৰ হোৱাৰ লগত সাম্ৰাজ্যখন পৰিচালনাৰ বাবে প্ৰশাসনিক ব্যৱস্থাৰ আৰু নিৰ্ভৰযোগ্য বিষয়াৰো প্ৰয়োজন হৈছিল। এনে বিষয়াসকলৰ ভিতৰত উজীৰ আছিল প্ৰধান মন্ত্ৰী আৰু তেওঁৰ দপ্তৰক "দিবান-ই-উজাৰত" বোলা হৈছিল। চদৰ-উজ-চদুৰ আছিল ধৰ্ম আৰু ন্যায় বিভাগৰ মুৰব্বী। সামৰিক বিভাগৰ মুৰব্বীজনক "অৰিজ-ই-মাৰালিক" বোলা হৈছিল। ৰাজসভা আৰু ৰাজপ্ৰাসাদৰ দায়িত্ব উকিল-ই-দাৰ আৰু আমিৰ-ই-হৰিব নামৰ বিষয়াৰ হাতত ন্যস্ত আছিল। চুলতান আৰু বিষয়াসকলৰ মাজত প্ৰায়ে শীতলযুদ্ধ চলিছিল। সেয়ে চুলতানসকলে বিষয়াসকলক তলতীয়া কৰিবলৈ চেষ্টা কৰিছিল। চুলতান ইলটুত্‌মিছে ক্ৰীতদাসসকলৰ মাজৰপৰা বিষয়া নিৰ্বাচনত গুৰুত্ব দিছিল। কাৰণ এই দাসসকল সম্পূৰ্ণৰূপে তেওঁলোকৰ প্ৰভু অৰ্থাৎ চুলতানসকলৰ ওপৰত নিৰ্ভৰশীল আছিল। খিল্‌জি আৰু টোগলক চুলতানসকলেও দাসসকলক প্ৰাধান্য দিছিল।

## চুলতানী যুগৰ প্ৰশাসনীয় সংস্কাৰসমূহঃ

শাসনৰ সুবিধাৰ বাবে চুলতানসকলে সময়ে সময়ে প্ৰশাসন ব্যৱস্থাৰ সালসলনি ঘটাইছিল। বিশেষকৈ খিল্‌জি চুলতান আল্লাউদ্দিন খিল্‌জিয়ে সাম্ৰাজ্যৰ দুৰ্বলতা নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ গুপ্তচৰ ব্যৱস্থাৰ দুৰ্বলতা, প্ৰজা আৰু বিষয়াবৰ্গৰ মাজত থকা মদ্যপানৰ প্ৰৱণতা, আমিৰ-ওমৰাহসকলৰ অত্যধিক ক্ষমতাৰপৰা হ'ব পৰা বিপদসমূহ অনুধাৱন কৰি তাৰ বিৰুদ্ধে পদক্ষেপ লৈছিল। তেওঁ স্থায়ী সৈন্যবাহিনী গঠন কৰি বেতন দিয়াৰ ব্যৱস্থা কৰিছিল। আল্লাউদ্দিন খিল্‌জিৰ মুদ্ৰাসংস্কাৰো আছিল উল্লেখযোগ্য। তেওঁ সোণৰ মুদ্ৰাৰ প্ৰচলন ঘটাই তাত নিজৰ নাম খোদিত কৰাইছিল।



আলাউদ্দিন খিলিজিৰ মুদ্ৰা

ইয়াৰ দ্বাৰা তেওঁ নিজকে দ্বিতীয় আলেকজেণ্ডাৰ বুলি ৰাজহুৱাভাৱে ঘোষণা কৰিছিল। চুলতান মহম্মদ বিন টোগলকেও প্ৰশাসনিক দিশত সালসলনি কৰিছিল। তেওঁ দিল্লীৰপৰা দৌলতাবাদলৈ ৰাজধানী স্থানান্তৰিত কৰিছিল। তদুপৰি তেওঁ সোণ আৰু ৰূপৰ সলনি ব্ৰঞ্জৰ মুদ্ৰাৰ প্ৰচলন কৰিছিল। অৱশ্যে উপযুক্ত পৰিকল্পনাৰ অভাৱত তেওঁৰ আঁচনিসমূহ কাৰ্যকৰী আৰু ফলপ্ৰসু হৈ উঠা নাছিল।

**ক্ৰিয়াকলাপ ঃ**

- চুলতানী আমোলত কি কি ধাতু ব্যৱহাৰ হৈছিল?
- তোমালোকে সময়ে সময়ে বাতৰি কাকতত "টোগলকী সিদ্ধান্ত বোলা বাক্যাংশ" দেখিছানে? শিক্ষকৰ লগত আলোচনা কৰি ইয়াৰ অৰ্থ জানিবলৈ চেষ্টা কৰা।

## প্ৰাদেশিক শাসন ব্যৱস্থা ঃ

দাস, খিল্‌জি আৰু টোগলক বংশৰ চুলতান সকলে শাসনৰ সুবিধাৰ বাবে সাম্ৰাজ্যৰ বিভিন্ন অঞ্চল কিছুমান ভাগত ভাগ কৰিছিল। এই অঞ্চলবোৰক ইক্‌টা আৰু ইয়াৰ অধিকাৰী সকলক ইক্‌টাদাৰ বা মুক্তি বোলা হৈছিল। মুক্‌টিসকলে অধিকৃত অঞ্চলবোৰত সামৰিক অভিযান চলোৱাৰ লগতে আইন শৃংখলা বজাই ৰখাতো নজৰ দিছিল। বিনিময়ত নিৰ্ধাৰিত অঞ্চলসমূহৰপৰা দৰমহা হিচাপে কৰ সংগ্ৰহ কৰিব পাৰিছিল।

## ভূমি প্ৰথা ঃ

দিল্লীৰ চুলতানসকলৰ ভিতৰত চুলতান আল্লাউদ্দিন খিল্‌জিৰ ভূমি প্ৰথাৰ সংস্কাৰ মন কৰিবলগীয়া। তেওঁ মাটিৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি উৎপাদিত সামগ্ৰীৰ এক দ্বিতীয়াংশ কৰ হিচাপে নিৰ্ধাৰণ কৰিছিল। সেইসময়ত তিনিবিধ কৰৰ ব্যৱস্থা আছিল। যেনে- উৎপন্ন শস্যৰ ওপৰত দিব লগা কৰ, গৰু ম'হৰ ওপৰত দিবলগীয়া কৰ আৰু ঘৰ-বাৰীৰ ওপৰত দিবলগীয়া কৰ। চুলতান মহম্মদ বিন টোগলকে সাৰুৱা মাটিৰ ওপৰত কৰ আৰোপ কৰিছিল বুলি জনা যায়।

**ক্ৰিয়াকলাপ ঃ**

- আমাৰ দেশত কি কি কৰৰ সহায়ত ৰাজহ সংগ্ৰহ কৰা হয়? শিক্ষকৰ লগত আলোচনা কৰি তালিকা প্ৰস্তুত কৰা।

## বজাৰ নিয়ন্ত্ৰণ ব্যৱস্থাঃ

সাম্ৰাজ্যৰ অৰ্থনৈতিক সুস্থিৰতাৰ বাবে বজাৰ নিয়ন্ত্ৰণ অতিশয় দৰকাৰী। সেয়েহে চুলতান আল্লাউদ্দিন খিল্‌জিয়ে বজাৰ নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা হাতত লৈছিল।তেওঁ দিবান-ই-ৰিয়াচত আৰু চাহান-ই-মন্দী নামৰ দুজন বিষয়াৰ ওপৰত বজাৰ নিয়ন্ত্ৰণৰ দায়িত্ব অৰ্পণ কৰিছিল। নতুনকৈ ব্যৱসায় কৰিবলৈ বিচৰা ব্যক্তিয়ে নাম পঞ্জীয়ন কৰিহে ব্যৱসায় কৰিব পাৰিছিল। দেশৰ আৱশ্যকীয় খাদ্য-সামগ্ৰীৰ মূল্য নিৰ্ধাৰণ কৰি সাধাৰণ প্ৰজাক সকাহ দিছিল। তদুপৰি খাদ্য-শস্য কৰ হিচাপে লৈ ৰাজভঁৰালত জমা কৰিছিল আৰু প্ৰয়োজনৰ সময়ত সেইবোৰ ৰাজহুৱা ভাবে বিতৰণৰ ব্যৱস্থা কৰিছিল। বজাৰ ব্যৱস্থাৰ দুৰ্নীতি ৰোধ কৰিবলৈ দোষীক কঠোৰ শাস্তি দিয়াৰো ব্যৱস্থা কৰিছিল।

## ভাৰতীয় সমাজ সংস্কৃতিলৈ তুৰ্কী-আফগানসকলৰ অৱদান ঃ

ভাৰতীয় সমাজ সংস্কৃতিলৈ তুৰ্কী-আফগানসকলৰ অৱদান লেখত ল'বলগীয়া আছিল। মধ্য এচিয়াৰ ইছলাম ধৰ্মই এওঁলোকৰ লগতেই ভাৰত ভূখণ্ডত প্ৰৱেশ কৰিছিল। ধৰ্মৰ লগতে ইছলাম ধৰ্মী আৰু মধ্য এচিয় আদব-কায়দা, কলা-সংস্কৃতি, চিত্ৰশৈলী, নিৰ্মাণশৈলী,পাৰ্চী আৰু আৰবী ভাষা ইত্যাদিও ভাৰতীয় সমাজৰ লগত মিলি যোৱাৰ পথ সুগম হৈছিল।

স্থাপত্য শিল্পৰ ক্ষেত্ৰত তেওঁলোকৰ অৱদান কুটুব মিনাৰ,আলাই দৰৱাজা, বেগমপুৰী মছজিদ,ইলটুত্মিছৰ সমাধি ইত্যাদিৰ ৰূপত আজিও ভাৰত ভূমিত জিলিকি আছে। নতুন নগৰ নিৰ্মাণৰ ক্ষেত্ৰতো দিল্লীৰ চুলতানসকলে আগভাগ লৈছিল। চুলতান ফিৰোজছাহ টোগলকে জৌনপুৰ, ফিৰোজাবাদ, ফাতেহাবাদ, ফিৰোজপুৰ আৰু হিচাৰফিৰোজা নামেৰে পাঁচখন নগৰ নিৰ্মাণ কৰাইছিল বুলি জনা যায়।

## চুলতানীযুগৰ পতনৰ কাৰণসমূহ ঃ

১২০৬ খ্ৰীঃ ত কুতুবুদ্দিন আইবাকে দিল্লীৰ ৰাজপাটত দাস বংশৰ প্ৰতিষ্ঠা কৰাৰপৰা ১৫২৬ খ্ৰীঃ ত ইব্ৰাহিম লোডী পাণিপতৰ প্ৰথম যুদ্ধত বাবৰৰ হাতত পৰাস্ত হোৱালৈকে চুলতানী যুগ ভাৰতবৰ্ষৰ ইতিহাসৰ এক গৰিমাময় অধ্যায়। ইব্ৰাহিম লোডীৰ মৃত্যুৰ লগতে এই যুগৰ অন্ত পৰিলেও অন্য বহু কাৰকেও দিল্লীৰ চুলতানসকলৰ পতন মাতি আনিছিল। আহাচোন এতিয়া আমি চুলতানী যুগৰ পতনৰ কাৰণসমূহ জানো।

প্ৰথমেই, তুৰ্কী শাসকসকল কিছু পৰিমাণে স্বেচ্ছাচাৰী আছিল। ফলত ৰজা আৰু প্ৰজাৰ মাজত সমন্বয়ৰ অভাৱ দেখা গৈছিল।

দ্বিতীয়তে, চুলতানসকলে দাসসকলক অধিক বিশ্বাস কৰিছিল আৰু গুৰুত্বপূৰ্ণ পদবী দান কৰিছিল। পৰৱৰ্তী সময়ত এই দাসসকলেই অত্যধিক ক্ষমতাশালী হৈ চুলতানসকলৰ বিৰুদ্ধাচৰণ কৰা দেখা গৈছিল।

তৃতীয়তে, ধৰ্মীয় নেতা আৰু আমিৰ-ওমৰাহসকলৰ অবাধ ক্ষমতাই ৰাজনৈতিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল।

চতুৰ্থতে, এই সময়চোৱাত ৰাজ্য বিস্তাৰৰ নামত যুদ্ধ-বিগ্ৰহৰ সংখ্যা বাঢ়িছিল যদিও সেনাবাহিনীৰ উন্নয়নৰ ক্ষেত্ৰত চুলতানসকলে মনোযোগ দিয়া নাছিল।

পঞ্চমতে, ক্ষমতাকেন্দ্ৰিক অৰিয়াঅৰিৰ ফলত সাম্ৰাজ্যৰ ভিতৰচোৱাত প্ৰায়ে অৰাজকতা বিৰাজ কৰিছিল।

শেষত, টাইমুৰৰ আক্ৰমণে দুৰ্বল কৰি থোৱা সাম্ৰাজ্যক বাবৰৰ আক্ৰমণে সহজেই পতনৰ দিশলৈ লৈ যোৱাত সফল হৈছিল।



বেগমপুৰী মছজিদ



ৰেজিয়া চুলতানা

**মনত ৰাখিবলগীয়া কথা ঃ**

- ভাৰতত তুৰ্কী শাসকসকলে তিনিশ বিশ বছৰ ৰাজত্ব কৰিছিল।
- গজনীৰ চুলতান মামুদে সোতৰবাৰ ভাৰত আক্ৰমণ কৰিছিল।
- তৰাইনৰ দ্বিতীয় যুদ্ধত ৰাজপুত ৰজা পৃথ্বীৰাজক পৰাস্ত কৰি মহম্মদ ঘোৰীয়ে ভাৰতত তুৰ্কী-আফগান সাম্ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰিছিল।
- তুৰ্কী-আফগানসকলৰ পাঁচটা ৰাজবংশই ভাৰত শাসন কৰিছিল।
- দাসবংশ চুলতানী যুগৰ প্ৰথম ৰাজবংশ আছিল।
- ৰেজিয়া চুলতানা দিল্লীৰ সিংহাসনত বহা প্ৰথম আৰু একমাত্ৰ মহিলা।
- আল্লাউদ্দিন খিল্‌জিয়ে নিজৰ নাম খোদিত কৰোৱাই সোণৰ মুদ্ৰাৰ প্ৰচলন কৰিছিল।
- মহম্মদ বিন টোগলকৰ দিনত ইবন বটুটা ভাৰতলৈ আহিছিল।
- ইব্ৰাহিম লোডী চুলতানী আমোলৰ শেষৰজন চুলতান আছিল।
- দিল্লীৰ চুলতানসকলে প্ৰশাসন ব্যৱস্থাত সংস্কাৰ সাধন কৰিছিল।
- মহম্মদ বিন টোগলকে সাৰুৱা মাটিৰ ওপৰত বিশেষ কৰ আৰোপ কৰিছিল।
- আল্লাউদ্দিন খিলিজিয়ে বজাৰ নিয়ন্ত্ৰণৰ বাবে দিৱান-ই-ৰিয়াচত আৰু চাহান-ই-মন্দী নামৰ দুজন বিষয়া নিয়োগ কৰিছিল।

## অনুশীলনীঃ

১) উত্তৰ দিয়াঃ-

ক) চুলতান মামুদে কেতিয়া আৰু কেইবাৰ ভাৰত আক্ৰমণ কৰিছিল?

খ) চাহাবুদ্দিন মহম্মদ নামৰ লোকজন ইতিহাসৰ পাতত কি নামেৰে বিখ্যাত?

গ) তৰাইনৰ প্ৰথম আৰু দ্বিতীয় যুদ্ধ কেতিয়া আৰু কাৰ কাৰ মাজত হৈছিল?

ঘ) কুটুবমিনাৰৰ নিৰ্মাণ কোনে আৰম্ভ কৰিছিল আৰু কোনে শেষ কৰিছিল?

ঙ) চুলতানী যুগৰ প্ৰধান মন্ত্ৰী আৰু তেওঁৰ দপ্তৰক কি বোলা হৈছিল?

চ) আল্লাউদ্দিন খিল্‌জিয়ে বজাৰ নিয়ন্ত্ৰণৰ দায়িত্ব কাৰ ওপৰত ন্যস্ত কৰিছিল?

ছ) ইক্‌টা কি?

২) খালী ঠাই পূৰণ কৰা-

ক)————— আছিল চুলতানী যুগৰ প্ৰথম আৰু একমাত্ৰ মহিলা চুলতান।

খ)————— জয় কৰা আল্লাউদ্দিন খিল্‌জিয়েই একমাত্ৰ চুলতান।

গ) ইবন বটুটা ————— দিনত ভাৰতলৈ আহিছিল।

ঘ)————— আছিল সামৰিক বিভাগৰ মুৰব্বী বিষয়া।

ঙ) পাণিপতৰ প্ৰথম যুদ্ধ————— খ্ৰীঃ ত হৈছিল।

৩) শুদ্ধ উত্তৰ বাছি উলিওৱা-

ক) কুটুবুদ্দিন/ ইলটুতমিছে দাস বংশৰ প্ৰতিষ্ঠা কৰিছিল।

খ) আলপ্তাগীন/মহম্মদ ঘোৰী গজনী ৰাজ্যৰ প্ৰতিষ্ঠাপক।

গ) কামাখ্যা/সোমনাথ মন্দিৰ চুলতান মামুদে লুট-পাত কৰিছিল।

ঘ) বাহলুল লোডী/ ইব্ৰাহিম লোডী চুলতানী যুগৰ শেষ চুলতান।

ঙ) তুৰ্কী-আফগানসকলে ভাৰতত দুশবছৰ/ তিনিশ বিশ বছৰ ৰাজত্ব কৰিছিল।

৪) চুলতানী শাসনকালৰ ৰাজবংশ কেইটাৰ নাম ক্ৰমনুসাৰে লিখা।

৫) কামৰূপৰ ৰজা পৃথু আৰু কুটুবুদ্দিনৰ সেনাপতি বখটিয়াৰ খিলিজিৰ সংঘৰ্ষৰ কাৰণ কি আছিল? এই সংঘৰ্ষৰ উল্লেখ ক'ত পোৱা যায়?

৬) চুলতানী আমোলত প্ৰচলিত তিনিটা কৰৰ নাম লিখা

৭) আল্লাউদ্দিন খিলজিয়ে বজাৰ নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা তিনিটা পদক্ষেপ উল্লেখ কৰা।

৮) চুলতানী যুগৰ তিনিটা স্মৃতিচিহ্নৰ নাম উল্লেখ কৰা।

৯) দিল্লীৰ চুলতানসকলৰ পতনৰ চাৰিটা কাৰণ লিখা।

১০) চুলতান ফিৰোজছাহ টোগলকে স্থাপন কৰা চহৰ কেইখনৰ নাম লিখা ।


# পাঠঃ ১৬
# মোগল ৰাজত্ব কালত ভাৰতবৰ্ষ

2IANR7

**শিকনৰ ফলাফল ঃ**

- মোগলৰ ৰাজত্বকালৰ লগত পৰিচয় হ'ব।
- মোগল সাম্ৰাজ্যৰ ভৌগোলিক অৱস্থিতি আৰু সম্প্ৰসাৰণ সম্পৰ্কে জানিব পাৰিব।
- মোগল ৰাজত্বকালৰ উল্লেখযোগ্য প্ৰশাসনিক ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- মোগলৰ ভূমি নীতি, ৰাজহ ব্যৱস্থা আৰু মনচবদাৰী প্ৰথাৰ বিষয়ে জানিব পাৰিব।
- মোগলযুগৰ অৰ্থনৈতিক ব্যৱস্থাৰ বিষয়ে অৱগত হ'ব।

তোমালোকে ইয়াৰ আগৰ পাঠত পঢ়ি আহিছা যে দিল্লীৰ চুলতানী যুগৰ শেষৰজন চুলতান ইব্ৰাহিম লোডীক ১৫২৬ খ্ৰীঃত পাণিপতৰ প্ৰথম যুদ্ধত পৰাভূত কৰি বাবৰে দিল্লীৰ সিংহাসনত মোগলসকলক প্ৰতিষ্ঠা কৰিছিল। এই পাঠত তোমালোকে মোগলসকলৰ সাম্ৰাজ্যৰ ভৌগোলিক অৱয়ব আৰু প্ৰশাসন ব্যৱস্থাৰ থূল-মূল আভাস লাভ কৰিবা।


আগ্ৰাফোৰ্ট

এইখিনিতে তোমালোকে এটা কথা জানি থোৱা যে— আমি যিখন বিশাল ভাৰত ৰাষ্ট্ৰৰ নাগৰিক হিচাপে গৰ্ববোধ কৰোঁ এইখন ভাৰতবৰ্ষৰ বুকুত অজস্ৰ সৰু-বৰ ৰাজ্যৰ উত্থান-পতন হৈছিল। প্ৰাক্ ঐতিহাসিক যুগৰপৰা আৰম্ভ কৰি মোগলসকলৰ দিনলৈ ৰাজত্ব কৰা ৰজাসকলৰ বহুকেইজনেই এখন একত্ৰিত ভাৰতবৰ্ষৰ কল্পনা কৰিছিল। কিন্তু আমি একত্ৰিত ভাৰতবৰ্ষৰ এখন অস্পষ্ট ছবি কেৱল মাত্ৰ মহামতি অশোক আৰু আকবৰৰ ৰাজত্ব কালতহে পাইছোঁহঁক। আকবৰ আছিল মোগলসকলৰ তৃতীয় আৰু শ্ৰেষ্ঠ সম্ৰাট।

তোমালোকে তাজমহল দেখিছানে? ফটেহপুৰ চিক্ৰী, বুলন্দ দৰৱাজা, হুমায়ুনৰ সমাধি, আগ্ৰাফোৰ্ট, ম'তি মছজিদ, দেৱান-ই-খাচ, দেৱান-ই-আম, পঞ্চমহল এইবোৰৰ নাম শুনিছানে? নিশ্চয় শুনিছা। কিছুমানে দেখিছাও। এইবোৰ আমাৰ ভাৰতবৰ্ষৰ ঐতিহ্য। এইবোৰ বাৰু কেতিয়া সাজি উলিওৱা হৈছিল?

এই কথাবোৰ জানিবৰ বাবে আমি আজিৰপৰা প্ৰায় ৪৯০ বছৰ মান আগলৈ উভতি যাব লাগিব। ওপৰত উল্লিখিত স্মৃতিচিহ্নসমূহৰ উপৰি বৰ্তমানৰ ভাৰত আৰু পাকিস্তানৰ বহু ঠাইত জিলিকি থকা মোগলযুগৰ স্থাপত্য-ভাস্কৰ্যসমূহে সেই যুগৰ ইতিহাসক সগৌৰৱে বহন কৰি আহিছে। বিভিন্ন ঐতিহাসিক সমলসমূহৰপৰা জনা যায় যে মোগলসকলে ভাৰতবৰ্ষত ১৫২৬ খ্ৰীঃৰপৰা ১৮৫৭ খ্ৰীঃলৈ সুদীৰ্ঘ প্ৰায় ৩৩০ বছৰকাল ৰাজত্ব কৰিছিল।

অৱশ্যে ১৭০৭ খ্ৰীঃত মোগল সম্ৰাট ঔৰংজেবৰ মৃত্যুৰ পাছত মোগল শাসন দুৰ্বল হৈ পৰে। এই সময়চোৱাতে দক্ষিণ-পশ্চিম ভাৰতত মাৰাথাসকলে আৰু উত্তৰ-পশ্চিম ভাৰতত শিখসকলে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিছিল। তেওঁলোকৰ পৰাক্ৰমৰ আগত ঔৰংজেবৰ পাছৰ শাসকসকল নিষ্প্ৰভ হৈ পৰিছিল। সেয়ে ক'ব পাৰি যে প্ৰকৃততে মোগলসকলে ভাৰতবৰ্ষত বাবৰৰপৰা ঔৰংজেবলৈ অৰ্থাৎ ১৫২৬ খ্ৰীঃৰপৰা ১৭০৭ খ্ৰীঃ প্ৰায় ১৮১ বছৰ ৰাজত্ব কৰিছিল। আহাচোন এতিয়া আমি মোগলসকলৰ লগত পৰিচয় হওঁ।

## মোগল সাম্ৰাজ্যৰ পটভূমি ঃ

কাষৰ মানচিত্ৰখনলৈ মন কৰা এইখন সম্ৰাট ঔৰংজেবৰ ৰাজত্ব কালৰ আনুমানিক মানচিত্ৰ। দিল্লীৰ ওচৰৰ পাণিপত নামৰ ঠাইখিনিতেই বাবৰে লোডী বংশৰ সম্ৰাট ইব্ৰাহিম লোডীক যুদ্ধত হৰুৱাই দিল্লী হস্তগত কৰিছিল। এইখনেই ইতিহাস প্ৰসিদ্ধ পানিপতৰ প্ৰথম যুদ্ধ (১৫২৬)। পাণিপতৰ প্ৰথম যুদ্ধই ভাৰতত মোগল সাম্ৰাজ্যৰ ভেটি স্থাপন কৰিছিল। ভাৰতলৈ অহাৰ পূৰ্বে বাবৰে কাবুলত নিজ সাম্ৰাজ্য স্থাপন কৰিছিল।

মোগল সাম্ৰাজ্যৰ বিস্তৃতি




মানচিত্ৰ ১৬.১

পানিপতৰ যুদ্ধৰ পাছত বাবৰে ১৫২৭ খ্ৰীঃত খানুৱাৰ ৰণত মেৱাৰৰ ৰাণা সংগ্ৰাম সিংহক পৰাস্ত কৰি সমগ্ৰ মেৱাৰ দখল কৰে। ১৫২৯ খ্ৰীঃত ঘঘ্ৰাৰ যুদ্ধত বিহাৰত শাসন কৰা আফগানসকলক পৰাস্ত কৰি বিহাৰো দখল কৰে। এই দৰে বাবৰে বংগৰপৰা গোৱালিয়ৰলৈকে সমগ্ৰ অঞ্চল জয় কৰি এক বিশাল ভূখণ্ডত শাসন চলায়। এইখনেই আমাৰ আলোচনাৰ মোগল সাম্ৰাজ্যৰ আৰম্ভণি।




**জানি থওঁ আহা ঃ**

বাবৰে স্ব-ইচ্ছাই ভাৰত আক্ৰমণ কৰিবলৈ অহা নাছিল। কাবুলত বাবৰৰ শাসন সুদৃঢ়ভাৱে প্ৰতিষ্ঠা হোৱা দেখি ভাৰতৰ কিছুমান ৰাজনৈতিক শক্তিয়ে তেওঁক উচটনি দিছিল। তেওঁলোকে ভাবিছিল যে টাইমুৰ আৰু চেংগিজখানৰ দৰে বাবৰেও দিল্লী আক্ৰমণ কৰি ধন-সোণ লুটি নি নিজ দেশলৈ উভতি যাব আৰু তেতিয়াই তেওঁলোকে নিজে দিল্লীৰ সিংহাসনত বহিব পাৰিব।

বাবৰে স্থাপন কৰা এই ৰাজ্যখনকে পৰৱৰ্তী সম্ৰাট আকবৰ, জাহাংগীৰ, ছাহজাহান আৰু ঔৰংগজেবে পৰ্যায় ক্ৰমে এখন এখনকৈ নতুন ৰাজ্যৰ সংযোজনেৰে এখন বিশাল সাম্ৰাজ্যত পৰিণত কৰে। ঔৰংগজেবৰ সময়ত মোগল সাম্ৰাজ্যৰ বিস্তৃতি পুবে বংগৰপৰা পশ্চিমে গুজৰাটলৈ আৰু উত্তৰে কাবুলৰপৰা দক্ষিণে কৰ্ণাটকলৈ আছিল।

### মোগলৰ সম্ৰাজ্যবিস্তাৰ ঃ

অখণ্ড ভাৰত নিৰ্মাণৰ উদ্দেশ্যে মোগল বাদছাহ আকবৰে সাম্ৰাজ্য বিস্তাৰৰ নীতি হাতত লৈছিল। তেওঁ গুজৰাট, বংগদেশ, বৰ্তমানৰ বাংলাদেশ, দাক্ষিণাত্যৰ আহমদনগৰ, বিজাপুৰ, গোলকুণ্ডা আদি অঞ্চলসমূহলৈ অভিযান পঠিয়াই নিজৰ দখললৈ আনিছিল। সম্ৰাট ঔৰংজেবেও দাক্ষিণাত্যৰ বহু অঞ্চল নিজৰ সাম্ৰাজ্যৰ অধীন কৰাত সফল হৈছিল। ৰাজপুতসকলৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ যাওঁতে মোগলসকলে যুদ্ধৰ উপৰি বৈবাহিক সূত্ৰে মিত্ৰতা নীতি গ্ৰহণ কৰা দেখা গৈছিল। ৰাজ্য বিস্তাৰ কৰিবলৈ যাওঁতে মাৰাথা আৰু শিখকসকলৰ লগতো বহুকেইখন সংঘৰ্ষত লিপ্ত হ'ব লগা হৈছিল।

ঔৰংজেবে আমাৰ অসম ৰাজ্যকো নিজৰ অধীন কৰিবলৈ বিচাৰিছিল। সেই উদ্দেশ্যে তেওঁ ১৬৬২ খ্ৰীঃত বংগৰ চুবেদাৰ মিৰজুমলাক অসমলৈ পঠিয়াইছিল। সেই সময়ৰ আহোম ৰজা জয়ধ্বজ সিংহই যুদ্ধত পৰাজিত হোৱাত দুয়োৰে মাজত ঘিলাধাৰী ঘাটৰ সন্ধি (১৬৬৩ খ্ৰীঃ) স্বাক্ষৰিত হয়। সন্ধি মতে আহোমে মোগলৰ বশ্যতা স্বীকাৰ কৰে। এই চুক্তিৰ উলংঘাৰ বাবে ঔৰংজেবে পুনৰ ৰাম সিংহৰ নেতৃত্বত অসমলৈ অভিযান পঠাইছিল। কিন্তু ১৬৭১ খ্ৰীঃৰ শৰাইঘাটৰ ৰণত আহোম সেনাপতি লাচিত বৰফুকনৰ হাতত মোগল বাহিনী পৰাভূত হয়।

**ক্ৰিয়াকলাপ ঃ**

- পাঠৰ মানচিত্ৰখন চাই ঔৰংগজেবে আকবৰৰ সাম্ৰাজ্যত কি কি নতুন ঠাইৰ সংযোজন ঘটালে লিখি উলিওৱা।
- মানচিত্ৰখন আৰু ভূচিত্ৰাৱলী চাই পাণিপত, আগ্ৰা, মেৱাৰ, চুৰাট, গণ্ডোৱানা, বিজাপুৰ আৰু গোলকুণ্ডা বৰ্তমান কোন কোন ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছে লিখি উলিওৱা।

### মোগল প্ৰশাসন ব্যৱস্থা ঃ

মোগল যুগৰ লিখিত গ্ৰন্থসমূহৰপৰা মোগল প্ৰশাসন ব্যৱস্থাৰ বিষয়ে সুন্দৰকৈ জানিব পৰা যায়। বৰ্তমান ভাৰতৰ প্ৰশাসনিক ব্যৱস্থাত প্ৰাচীন ভাৰতীয় ৰজাসকল আৰু ইংৰাজসকলৰ লগতে মোগল আৰু ছেৰছাহৰ প্ৰশাসনীয় সংস্কাৰসমূহৰ প্ৰভাৱো দেখা যায়। এখন বৃহৎ সাম্ৰাজ্য সুচাৰুৰূপে পৰিচালনা কৰিবলৈ এক সুপৰিকল্পিত প্ৰশাসন যন্ত্ৰ নিতান্তই আৱশ্যক। আহাঁচোন এতিয়া আমি মোগল শাসন ব্যৱস্থাৰ বিষয়ে থোৰতে কিছু কথা জানি লওঁ।




### ছেৰছাহ ঃ

১৪৭২ খ্ৰীঃত পঞ্জাবত ছেৰছাহৰ জন্ম হৈছিল। তেওঁ দিল্লীত শূৰবংশ প্ৰতিষ্ঠা কৰে। অদম্য সাহস আৰু বিচক্ষণতাৰ গুণত এজন সাধাৰণ আফগান জাগীৰদাৰৰ পুত্ৰ ছেৰছাহে পাছলৈ দিল্লীৰ শাসনকৰ্তা হৈ ভাৰতৰ ইতিহাসত নিজৰ নাম উজ্জ্বল কৰি থৈ গৈছে। ১৫৩৯ খ্ৰীঃত চৌচাৰ যুদ্ধত দ্বিতীয় মোগল সম্ৰাট হুমায়ুনক পৰাস্ত কৰি আগ্ৰা আৰু দিল্লী দখল কৰি তেওঁ দিল্লীৰ চুলতান হয়। মাত্ৰ পাঁচ বছৰ ৰাজত্ব কৰা ছেৰছাহৰ ৰাজত্ব কাল ভাৰতৰ ইতিহাসত এক যুগান্তকাৰী সময়। সামৰিক শাসন, প্ৰশাসনিক ব্যৱস্থা, ধৰ্মনীতি, ভূমিনীতি, অৰ্থনীতি, মুদ্ৰা ব্যৱস্থা, শুল্ক ব্যৱস্থা, বেহা-বেপাৰ, ডাক ব্যৱস্থা সকলো দিশতে ছেৰছাহে এক বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰিছিল। বিশেষকৈ পুলিচ সেৱা প্ৰৱৰ্তন, কৰ বিষয়া নিয়োগ, ভূমিৰ পট্টা প্ৰদান, ৰূপৰ মুদ্ৰা 'ৰুপী'ৰ প্ৰচলন, গ্ৰেণ্ড ট্ৰাংক ৰোড নিৰ্মাণ, ডাক ব্যৱস্থাত ঘোঁৰাৰ প্ৰয়োগ তেওঁৰ শাসন কালৰ অন্যতম কীৰ্তি। ছেৰছাহৰ জীৱনী পঢ়ি তেওঁৰ বিষয়ে বিতংকৈ জানি ল'বাহঁক।

> **জানি থওঁ আহা**
>
> ◉ মোগল সম্ৰাটসকলৰ উত্তৰাধিকাৰ নিৰ্বাচনৰ কোনো স্থায়ী নীতি নাছিল। সম্ভৱত সেয়েহে কোনো এজন মোগল সম্ৰাটৰ মৃত্যুৰ পাছত উত্তৰাধিকাৰী নিৰ্বাচনৰ বাবে মোগল শাসকসকলৰ মাজত যথেষ্ট বিবাদ হৈছিল।

বাবৰে স্থাপন কৰা মোগল সাম্ৰাজ্যৰ ভেটি সুদৃঢ় কৰিছিল সম্ৰাট আকবৰে। প্ৰকৃততে মোগল শাসন ব্যৱস্থা আৰবীয়, পাৰ্চী আৰু স্থানীয় ভাৰতীয় শাসন ব্যৱস্থাৰ সংমিশ্ৰণ আছিল। মোগল সম্ৰাটসকল আছিল শাসনৰ সৰ্বময় শক্তি। তেওঁলোকৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ হ'ব নোৱাৰিছিল বৰং বিদ্ৰোহহে হৈছিল। সম্ৰাটক পৰামৰ্শ দিবলৈ এখন সভা আছিল। কেন্দ্ৰীয় শাসন, প্ৰাদেশিক শাসন, সামৰিক শাসন, বিচাৰ ব্যৱস্থা, কৰ-কাটলৰ ব্যৱস্থা, মনচবদাৰী প্ৰথা আদি সু-শৃঙ্খল ব্যৱস্থাৰ যোগেদি মোগল সম্ৰাটসকলে সু-বিশাল সাম্ৰাজ্যখন নিয়াৰিকৈ শাসন কৰিছিল।

কেন্দ্ৰীয় শাসনত ৰজাৰ পাছতে এখন মন্ত্ৰীসভা আছিল। আজি-কালিৰ মন্ত্ৰীৰ নিচিনা সেই কালৰ মন্ত্ৰীসকলৰ ক্ষমতা নাছিল। বৰং তেওঁলোকক মন্ত্ৰী নুবুলি সচিব বোলাহে যুগুত হ'ব।

মন্ত্ৰীসকলৰ ভিতৰত ৱকিল বা ৱাজীৰ, দিৱান, মীৰবক্‌ট, মীৰ চামান, সদৰ উচ-চদুৰ আছিল প্ৰধান। ৱাজীৰ আছিল সাম্ৰাজ্যৰ ৰাজহ বিভাগৰ মুৰব্বী বিষয়া। অন্যহাতে কেন্দ্ৰীয় আয়-ব্যয়ৰ হিচাপ ৰখা দায়িত্ব দিৱানৰ ওপৰত ন্যস্ত আছিল। সামৰিক বিভাগৰ মুখ্য বিষয়া আছিল মীৰবক্‌ট।


*মোগল ৰাজসভা*

প্ৰাদেশিক শাসনৰ সুবিধাৰ বাবে আকবৰে সমগ্ৰ সাম্ৰাজ্যখন ১৭টা চুবাত ভাগ কৰিছিল। প্ৰতিটো চুবাৰে শাসন ভাৰ একোজন চুবেদাৰৰ অধীনত দিয়া হৈছিল। তেওঁক সহায় কৰিবলৈ দিৱান, ফৌজদাৰ, কটোৱাল ইত্যাদি বিষয়াসকল আছিল।

মোগল ৰাজত্ব কালত সম্ৰাটেই আছিল শাসন আৰু বিচাৰৰ কেন্দ্ৰ। বিচাৰ ব্যৱস্থা কোৰাণৰ নীতি-নিৰ্দেশনা মতে পৰিচালিত হৈছিল। গাঁও পৰ্যায়ত পঞ্চায়তে বাছি দিয়া লোকৰ দ্বাৰা বিচাৰ কাৰ্য সমাপন কৰা হৈছিল। চুবেদাৰসকলৰ বিচাৰৰ ক্ষমতা সীমিত আছিল বাবে যিকোনো বিচাৰ নিষ্পত্তিৰ বাবে সম্ৰাটৰ ওচৰলৈ পঠিয়াইছিল।

## ভূমি নীতি ঃ

প্ৰথমাৱস্থাত মোগলসকলে ভূমি নীতিৰ ক্ষেত্ৰত পূৰ্বৰ চুলতানী আমোলৰ নীতিকে বাহাল ৰাখিছিল। মাটিৰ গৰাকী আছিল ৰজা নিজে। কিছুমান স্বৰ্ত সাপেক্ষে ৰজাই এই মাটিত কৃষকসকলক খেতি কৰিবলৈ অনুমতি দিছিল। কৃষকসকলৰ সতি-সন্ততিয়ে উত্তৰাধিকাৰী সূত্ৰে এই মাটি ভোগ কৰিব পাৰিছিল। এই মাটি প্ৰয়োজন সাপেক্ষে অন্য কৃষকক বিক্ৰী কৰিব পাৰিছিল। অৱশ্যে এই মাটি কৃষিকৰ্মৰ বাবেহে ব্যৱহাৰ কৰা হৈছিল। **'কানুনগো'** নামৰ এক শ্ৰেণীৰ বিষয়াই এই মাটিবোৰৰপৰা কৰ-কাটল সংগ্ৰহ কৰিছিল। পাছলৈ এইসকল বিষয়া দুৰ্নীতিত লিপ্ত হোৱাৰ উমান পাই সম্ৰাট আকবৰে এওঁলোকৰ পৰিৱৰ্তে 'কাৰৰি' নামৰ এক শ্ৰেণীৰ নতুন বিষয়া নিযুক্তি দিয়ে। আকবৰে তেওঁৰ ৱাজীৰ টোডৰমলৰ হতুৱাই সকলো আবাদী মাটি জৰীপ কৰোঁৱাইছিল। জৰীপৰ অন্তত মাটিবোৰৰ গুণানুসৰি চাৰি শ্ৰেণীত বিভক্ত কৰাইছিল। এই মাটিবোৰৰ কৰ নিৰূপণ ভিন্ন ভিন্ন আছিল। মাটিৰ গড় উৎপাদনৰ এক-তৃতীয়াংশ কৰ হিচাপে আদায় কৰিছিল। টোডৰমলে এই কৰসমূহ দহ বছৰৰ বাবে নিৰ্ধাৰণ কৰিছিল। কৰসমূহ নগদ ধন নাইবা উৎপাদিত শস্যৰ পৰাও সংগ্ৰহ কৰা হৈছিল। আকবৰৰ দিনত খেতিয়কসকলৰ উন্নতিৰ বাবে ৰাজভঁৰালৰপৰা সহজ কিস্তিত আদায় দিব পৰা কিছুমান ঋণ আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছিল। তদুপৰি অনাৱশ্যক বুলি ভবা কিছুমান কৰ সম্ৰাট

আকবৰে উঠাই দিছিল। সমগ্ৰ ৰাজ্যতে কৰ সংগ্ৰহৰ বাবে চাৰিটা পদ্ধতি প্ৰচলন আছিল। সেই কেইটা হৈছে- (ক) দহচাল বা দহবছৰীয়া পদ্ধতি, (খ) জাবটি পদ্ধতি, (গ) ঘালা বকচী আৰু (ঘ) নাচাক বা কাণকুট পদ্ধতি

**জানি থওঁ আহা ঃ**

মোগলসকলে মাটিবোৰক চাৰি শ্ৰেণীত ভাগ কৰিছিল—

১। পোলাজ (যি বিলাক মাটিত প্ৰতিবছৰে খেতি হয়),

২। পাৰাউটি (যি বিলাক মাটিত মাজে- সময়ে খেতি বন্ধ কৰি মাটিখিনি উৰ্বৰ কৰা হয়)

৩। চাচ্চাৰ ( যি মাটিত ৩/৪ বছৰ খেতি কৰা নহয়), আৰু

৪। বানজাৰ ( যি মাটি ৫ বছৰ বা তাতোধিক কাল খেতি নোহোৱাকৈ পৰি থাকে)

## মনচবদাৰী প্ৰথা ঃ

মোগল প্ৰশাসনৰ এক উল্লেখযোগ্য ব্যৱস্থা হৈছে মনচবদাৰী প্ৰথা। মনচব হ'ল এটা আৰবী শব্দ আৰু ইয়াৰ অৰ্থ হ'ল পদ বা স্থান। সেয়ে মনচবদাৰ শব্দটোৱে পদ মৰ্যাদা বা উপাধি বুজোৱা হৈছিল। ইতিহাসবিদসকলৰ মতে ১৫৭৭ খ্ৰীঃত মহামতি আকবৰ মোগল শাসন ব্যৱস্থাত এই প্ৰথাৰ প্ৰচলন কৰিছিল। সম্ভৱতঃ সামৰিক বাহিনী শক্তিশালী, পৰিকল্পিত আৰু নিয়মানুৱৰ্তী কৰাৰ উদ্দেশ্যে ইয়াৰ প্ৰবৰ্তন কৰা হৈছিল। মনচবদাৰসকলে সামৰিক আৰু অসামৰিক দুয়ো ক্ষেত্ৰতে প্ৰয়োজন সাপেক্ষে সেৱা আগবঢ়াবলগীয়া হৈছিল। উল্লেখ্য যে উত্তৰাধিকাৰ সূত্ৰে কোনেও মনচবদাৰ হ'ব নোৱাৰিছিল।



সৈন্য-সামন্তৰে সৈতে এজন মনচবদাৰ

মনচবদাৰসকলৰ নিয়োগ আৰু পদোন্নতি সম্পূৰ্ণৰূপে সম্ৰাটৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছিল। পদমৰ্যাদা অনুসৰি মনচবদাৰসকলৰ পাৰিতোষিক নিৰ্দিষ্ট কৰা হৈছিল। এই পাৰিতোষিক নগদ ধনৰ পৰিৱৰ্তে জায়গীৰ প্ৰদানৰ দ্বাৰা কৰা হৈছিল। এই জায়গীৰৰপৰা মনচবদাৰসকলে নিৰ্দিষ্ট পৰিমাণৰ পাৰিতোষিক ল'ব পাৰিছিল।

**জানি থওঁ আহা ঃ**

- সম্ৰাট আকবৰৰ পূৰ্বৰ সম্ৰাটসকলৰ দিনত জায়গীৰ প্ৰথাৰ প্ৰচলন আছিল। মোগল সম্ৰাটসকলক এই জায়গীৰৰ মালিকসকলে সৈন্য-সামন্তৰ যোগান ধৰিছিল। সেয়েহে বহু সময়ত সম্ৰাট জায়গীৰসকলৰ ওপৰত নিৰ্ভৰশীল আছিল। কেতিয়াবা সম্ৰাটসকল জায়গীৰদাৰৰ দ্বাৰা প্ৰৱঞ্চিত হ'ব লগাও হৈছিল। অনেক ত্ৰুটিযুক্ত জায়গীৰ প্ৰথাৰ অৱসান ঘটাই আকবৰে মনচবদাৰ প্ৰথাৰ প্ৰচলন কৰে। আকবৰৰ শাসন কালত মনচবদাৰ আছিল ২৯ জন। ঔৰংগজেৱৰ সময়ত এই সংখ্যা বাঢ়ি গৈ ৭৯ জনলৈ বৃদ্ধি পাইছিল।

সম্ৰাট আকবৰে জায়গীৰবোৰৰ উৎপাদন ক্ষমতা নিৰূপণ কৰি মনচবদাৰৰ পাৰিতোষিকৰ লগত সমতা স্থাপনৰ ব্যৱস্থা লৈছিল। অৱশ্যে ঔৰংগজেৱৰ দিনত এই সমতা নোহোৱা হৈছিল। যথেষ্ট সংখ্যক মনচবদাৰৰ সৃষ্টি হোৱাৰ ফলত জাগীৰৰ সংখ্যা কমি গৈছিল। ফলত মনচবদাৰসকলে পাবলগীয়া পাৰিতোষিক পোৱাত সমস্যাৰ উদ্ভৱ হৈছিল। বহুত

মনচবদাৰে জায়গীৰ লাভ কৰিবলৈ দীঘলীয়া সময়ো অপেক্ষা কৰিবলগীয়া হৈছিল। অতিৰিক্ত কৰ আদায়ৰ বাবে কিছুমান মনচবদাৰে কৃষকৰপৰা অত্যধিক কৰ আদায় কৰিছিল। সেয়ে ঔৰংগজেবৰ শাসন কালত কৃষকসকলে হাৰাশাস্তিৰ সন্মুখীন হ'ব লগা হৈছিল।

## মোগলযুগৰ অৰ্থনৈতিক অৱস্থা ঃ

মোগলযুগৰ অৰ্থনৈতিক অৱস্থা কৃষি আৰু হস্তশিল্পৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। সাম্রাজ্যৰ অৱস্থিতি বৃহৎ হোৱাৰ বাবে বিভিন্ন অঞ্চলত জলবায়ু তাৰতম্য দেখা গৈছিল। মাটিৰ গুণাগুণ আৰু জলবায়ুৰ বাবে ঠাই বিশেষে খেতিৰ পাৰ্থক্য আছিল। উত্তৰ ভাৰতত-নীল,গম,মচ্ছলা, বাৰ্লি, বজ্ৰাৰ খেতি আৰু দক্ষিণ ভাৰতত মূলতঃ কপাহৰ খেতি কৰা হৈছিল।

মোগল হস্তশিল্পৰ চাহিদা আছিল মন কৰিবলগীয়া। হস্তশিল্পজাত কাপোৰ, আ-অলংকাৰ, বাচন-বৰ্তনৰ বাবে বজাৰ ব্যৱস্থাৰো উন্নতি হৈছিল। মছলিন কাপোৰৰ লগতে বংগ আৰু লাহোৰৰ চিন্ধৰ কাপোৰৰো চাহিদা বৃদ্ধি পাইছিল।

প্ৰায় ১৮১ বছৰ কাল শাসনৰ অন্তত ১৭০৭ খ্ৰীঃত ঔৰংজেবৰ মৃত্যুৰ পাছৰপৰা ক্ৰমাগত ভাবে মোগলসকলৰ শক্তি স্তিমিত হবলৈ ধৰে। পাছৰ কালৰ সম্ৰাটসকলৰ দুৰ্বলতা, ক্ষমতা কেন্দ্ৰিক অৰিয়াঅৰি, সৈন্যবাহিনীৰ দুৰ্বলতা,শিখ আৰু মাৰাথাসকলৰ উত্থানেও মোগলসকলৰ পতনৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। সৰ্বশেষত ১৭৩৯ খ্ৰীঃত নাদিৰ ছাহৰ আক্ৰমণে মোগল সাম্রাজ্যৰ ভেটি কঁপাই থৈ গৈছিল বুলি ক'ব পৰা যায়।

### জানি থওঁ আহা-

- মোগল সম্ৰাট জাহাংগীৰৰ ৰাজত্ব কালত ইংৰাজ বণিক কেপ্তেইন হকিন্স আৰু ছাৰ টমাছ ৰ' তেওঁৰ ওচৰলৈ আহিছিল। এওঁলোকৰ চেষ্টাতে ইংৰাজ বণিকসকলে চুৰাটত বাণিজ্য কোঠ পাতিবলৈ সম্ৰাটৰ অনুমতি লাভ কৰিছিল।

### মনত ৰাখিব লগীয়া কথা-

- মোগলসকলে ১৫২৬ খ্ৰীঃৰপৰা ১৮৫৭ খ্ৰীঃলৈ ভাৰতত শাসন কৰিছিল।
- ভাৰতবৰ্ষত চুলতানী আমোলৰ সময়ছোৱা হ'ল ১২০৬ খ্ৰীঃৰপৰা ১৫২৬ খ্ৰীঃলৈ। আকৌ মোগল সম্ৰাটসকলৰ শাসনৰ সময় ১৫২৬ খ্ৰীঃৰপৰা ১৮৫৭ খ্ৰীঃলৈ।
- ১৫২৬ খ্ৰীঃৰ পাণিপতৰ প্ৰথম যুদ্ধত বাবৰে লোডী বংশৰ চুলতান ইব্ৰাহিম লোডীক যুদ্ধত হৰুৱাই মোগল সাম্রাজ্যৰ পাতনি মেলে।
- বাবৰ, হুমায়ুন, আকবৰ, জাহাংগীৰ, ছাহজাহান আৰু ঔৰংগজেব মোগল সাম্রাজ্যৰ উল্লেখযোগ্য সম্ৰাট।
- ঔৰংগজেবৰ সময়ত মোগল সাম্রাজ্যৰ বিস্তৃতি সৰ্বাধিক হৈছিল।
- ১৭০৭ খ্ৰীঃত সম্ৰাট ঔৰংগজেবৰ মৃত্যুৰ সময়ৰপৰা মোগল সাম্রাজ্যৰ পতন আৰম্ভ হয়।
- বৰ্তমান ভাৰতৰ শাসন কালত মোগল শাসন ব্যৱস্থাৰ কিছু প্ৰভাৱ পৰা দেখা যায়।
- ছেৰছাহৰ শাসন ব্যৱস্থা ভাৰতৰ ইতিহাসৰ এটি উল্লেখনীয় অধ্যায়।
- মোগল সম্ৰাটসকলৰ শাসন ব্যৱস্থাৰ কিছুমান বিশেষ বৈশিষ্ট্য আছিল।
- মনচবদাৰী প্ৰথা আৰু জায়গীৰদাৰী প্ৰথা মোগল শাসনকালৰ দুটা উল্লেখযোগ্য উপাদান।
- মোগল সম্ৰাটসকল নিজেই মাটিৰ গৰাকী আছিল যদিও উপযুক্ত কৰৰ বিনিময়ত খেতিয়ক শ্ৰেণীয়ে মাটি ভোগ কৰিছিল।

- কৃষি আৰু হস্তশিল্প মোগল অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ দিশ।
- ১৭৩৯ খ্ৰীঃত নাদিৰ ছাহে ভাৰত আক্ৰমণ কৰিছিল।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া—

(ক) ভাৰতবৰ্ষত মুছলমানসকলে কেতিয়াৰ পৰা শাসনকাৰ্য আৰম্ভ কৰিছিল?

(খ) পাণিপতৰ প্ৰথম যুদ্ধ কিমান চনত সংঘটিত হৈছিল?

(গ) ঔৰংগজেৱে কাক অসম আক্ৰমণ কৰিবলৈ পঠিয়াইছিল?

(ঘ) মোগলৰ শাসন ব্যৱস্থাত শাসনৰ সৰ্বোচ্চ ক্ষমতা কাৰ হাতত ন্যস্ত আছিল?

(ঙ) মনচবদাৰী প্ৰথা কোনে প্ৰবৰ্তন কৰিছিল?

২। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

(ক) ভাৰতবৰ্ষত মোগলসকলে ১২০৬ খ্ৰীঃৰপৰা ১৮৫৭ খ্ৰীঃলৈ ৰাজত্ব কৰিছিল।

(খ) মোগল সাম্ৰাজ্যৰ অন্তৰ্গত প্ৰদেশবোৰৰ চুবেদাৰসকলৰ বিচাৰ ক্ষমতা অসীম আছিল।

(গ) বাবৰৰ ৰাজ্য বংগৰপৰা গোৱালিয়ৰলৈকে বিস্তৃত আছিল।

(ঘ) মিৰজুমলাৰ আক্ৰমণৰ সময়ত অসমৰ ৰজা আছিল জয়ধ্বজ সিংহ।

(ঙ) মনচবদাৰ শব্দটোৱে মাটিৰ গৰাকীক বুজায়।

৩। খালি ঠাই পূৰণ কৰা—

(ক) ____________ মোগলসকলৰ তৃতীয় আৰু শ্ৰেষ্ঠ সম্ৰাট।

(খ) মোগলৰ বিচাৰ ব্যৱস্থা পৰিচালিত হৈছিল ____________ নীতি-নিৰ্দেশনা মতে।

(গ) মোগলসকলে কৰ-কাটলৰ বাবে মাটিক ____________ ভাগত ভাগ কৰিছিল।

(ঘ) ____________ খ্ৰীঃত মহামতি 'আকবৰে' মোগল শাসন ব্যৱস্থাত মনচবদাৰী প্ৰথাৰ প্ৰচলন কৰে।

(ঙ) আকবৰৰ শাসনকালত মনচবদাৰ আছিল ____________ জন।

৪। চমু উত্তৰ লিখা—

(ক) একত্ৰিত ভাৰতবৰ্ষৰ সপোন আংশিকভাৱে কাৰ্যকৰী কৰিবলৈ সক্ষম হোৱা সম্ৰাট দুজন কোন কোন আছিল?

(খ) ঔৰংগজেবৰ সাম্ৰাজ্যৰ বিস্তৃতি ক'ৰপৰা ক'লৈ আছিল?

(গ) মোগলৰ প্ৰাদেশিক শাসন ব্যৱস্থাত চুবেদাৰৰ তলৰ বিষয়াবোৰ কোন কোন?

(ঘ) মোগলসকলৰ শাসন কালত মাটিক কেই ভাগত ভাগোৱা হৈছিল আৰু ভাগবোৰ কি কি?

(ঙ) মনচবদাৰসকলক কিদৰে পাৰিতোষিক দিয়া হৈছিল?

(চ) মোগল সাম্ৰাজ্যত কৰ সংগ্ৰহৰ বাবে কি কি পদ্ধতিৰ প্ৰচলন আছিল।

৫। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা—

(ক)মোগলসকলৰ বিচাৰ ব্যৱস্থা। (খ) মনচবদাৰী প্ৰথা।

# পাঠ ঃ ১৭
# মোগলযুগ ঃ সমাজ আৰু সংস্কৃতি

2UNX7R

**শিকনৰ ফলাফল**

- মোগলসকলৰ সমাজ ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- ভাৰতবৰ্ষৰ সাংস্কৃতিক দিশত মোগলসকলৰ অৱদানৰ লগত পৰিচয় হ'ব।
- মোগল যুগৰ নাৰীসকলৰ বিষয়ে জানিব পাৰিব।
- মোগলসকলৰ ধৰ্মীয় নীতিসমূহ জানিব পাৰিব।

আগৰ পাঠত তোমালোকে মোগলৰ ৰাজত্বকাল, ভৌগোলিক পটভূমি আৰু তেওঁলোকৰ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে থূল-মূলকৈ জানিব পাৰিছাহঁক। এই পাঠটিৰ জৰিয়তে মোগলসকলৰ সমাজ ব্যৱস্থা, শিল্পকলা, স্থাপত্য-ভাস্কৰ্য, সাহিত্য, চিত্ৰকলা, ধৰ্মীয় নীতি, সমাজত মহিলাৰ স্থান সম্পৰ্কে জানিব পাৰিবা।

মোগলসকলৰ স্থাপত্যকলা আৰু চিত্ৰশিল্পই বিশ্বৰ ভিতৰতে সমাদৰ পাবলৈ সক্ষম হৈছিল। ইয়াৰ কাৰণ হৈছে তেওঁলোক শিল্প-সংস্কৃতিৰ একনিষ্ঠ পৃষ্ঠপোষক আছিল। প্ৰায় প্ৰতিজন মোগল সম্ৰাটেই কলা-সংস্কৃতিলৈ অলপ হলেও অৱদান আগবঢ়াইছিল। সূক্ষ্ম কলা সুলভ অনুভূতি যেন মোগলসকলে জন্মসূত্ৰে লাভ কৰিছিল। গতিকে তোমালোকে মনত ৰাখিবা যে মোগলসকল কেৱল সাম্ৰাজ্যবাদীয়েই নাছিল, তেওঁলোক সংস্কৃতিবানো আছিল।

## মোগল যুগৰ সমাজ ব্যৱস্থা ঃ

প্ৰাচীন যুগৰ ভাৰতীয় সমাজৰ দৰে মোগল যুগৰ সম্ৰাট আছিল সমাজ ব্যৱস্থাৰ আটাইতকৈ শীৰ্ষস্থানত। ইয়াৰ পাছতেই ইৰাণী (ইৰাণৰপৰা অহা), তুৰাণী (তুৰ্কীৰপৰা অহা), আফগানী (আফগানিস্তানৰপৰা অহা),মোগল, শ্বেইখজাদা (থলুৱা মুছলমান লোক) আৰু ভাৰতীয় হিন্দুসকলৰে গঠিত অভিজাত শ্ৰেণীটো আছিল। হিন্দুসকলৰ মাজত মাৰাথা আৰু ৰাজপুতসকলে উচ্চস্থান পোৱা দেখা গৈছিল। তৃতীয় স্থানত জামিদাৰ আৰু কৰতলীয়া সৰু সৰু ৰজাসকল আছিল। আনহাতে, বণিক, সদাগৰ, কবিৰাজ, আন বিষয়া-আমোলাৰে মধ্যবিত্ত শ্ৰেণীটো গঢ়ি উঠিছিল। কৃষক, শ্ৰমিক, দাস-দাসী, ক্ষুদ্ৰ ব্যৱসায়ী ইত্যাদিবোৰ একেবাৰে তলৰ শ্ৰেণীত আছিল। সেইসময়ত খোদ কাস্তা (নিজৰ মাটিত খেতি কৰা) আৰু পাহি কাস্তা (আনৰ মাটিত খেতি কৰা), এই দুই প্ৰকাৰৰ কৃষক দেখিবলৈ পোৱা গৈছিল।

## মোগলযুগৰ স্থাপত্য-ভাস্কৰ্য ঃ



*দিল্লীৰ লালকিল্লা*

তোমালোকে ১৫ আগষ্টত দিল্লীৰ লালকিল্লাত ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা দেখিছানে? বৈদ্যুতিক মাধ্যম আৰু বাতৰি কাকতত নিশ্চয় দেখিছা। এই ইতিহাস প্ৰসিদ্ধ লালকিল্লা আৰু ভাৰতৰ বিভিন্ন ঠাইত থকা মছজিদ, স্মৃতিসৌধ, দুৰ্গ–এইবিলাকৰ বিষয়ে জানিবলৈ তোমালোকৰ মন নাযায়নে? মধ্যযুগত শাসন কৰা মোগলসকলেই আছিল এইবোৰৰ অধিকাংশৰে স্ৰষ্টা।

আমি ইতিমধ্যে জানিব পাৰিছো যে ভাৰতবৰ্ষত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল বাবৰে। বাবৰ এগৰাকী প্ৰখ্যাত কলাপ্ৰেমী আছিল। তেওঁ বৰ কম দিন ৰাজত্ব কৰিছিল যদিও সেই কম সময়ৰ ভিতৰতে শিল্পকলাৰ উন্নতিৰ বাবে

আহোপুৰুষাৰ্থ কৰিছিল। কিন্তু সময়ৰ অভাৱ আৰু জটিল ৰাজনৈতিক পৰিস্থিতিত ই কাৰ্যকৰী হোৱা নাছিল। তাৰ মাজতে তেওঁ স্থাপত্যলৈ যি অৱদান আগবঢ়াই গৈছে সেইখিনিয়ে তেওঁৰ কলা সুলভ মনৰ পৰিচয় দাঙি ধৰে। বাবৰৰ স্থাপত্য কৰ্মৰ ভিতৰত বিখ্যাত আছিল পাণিপতৰ **'কাবুলবাগ'** আৰু চম্বলৰ **'জুমা মছজিদ'**।



হুমায়ুনৰ সমাধি

বাবৰৰ পুত্ৰ হুমায়ুনো এজন কলা-সংস্কৃতিৰ পৃষ্ঠপোষক আছিল। নানা যুদ্ধ-বিগ্ৰহৰ মাজতো সময় উলিয়াই তেওঁ পাৰ্ছিয়ান আৰ্হিত বহুতো অট্টালিকা নিৰ্মাণ কৰি স্থাপত্য শিল্পৰ বিকাশত অৰিহণা যোগাইছিল। বাবৰৰ দৰে হুমায়ুনেও বহুত আঁচনি লৈছিল, কিন্তু তাক বাস্তৱত ৰূপায়ন কৰিব পৰা নাছিল। হৰিয়ানাৰ হিচাৰ জিলাৰ ফাতেহাবাদত থকা মছজিদ আৰু দিল্লীৰ হুমায়ুন সৌধ তেওঁৰ শিল্প প্ৰীতিৰ অন্যতম স্বাক্ষৰ। পাৰ্ছিয়ান কাৰিকৰ মিৰাক মিৰ্জা গিয়াছ ইয়াৰ নিৰ্মাতা। সেই সময়ৰ ভাৰতৰ শিল্পকলালৈ তেওঁ যি অৱদান আগবঢ়াইছিল তাক নুই কৰিব নোৱাৰি। এইখিনিতে প্ৰসংগক্ৰমে জানি থোৱা যে, সেই যুগৰ ভাৰতীয় কলা-সংস্কৃতিলৈ আফগান নেতা ছেৰছাহেও অভূতপূৰ্ব অৱদান আগবঢ়াইছিল। তেওঁ এজন সুশাসক আৰু দুৰ্ধৰ্ষ যোদ্ধা হোৱাৰ লগতে শিল্পকলাৰ পৃষ্ঠপোষকতা কৰি নিজৰ ৰুচি আৰু সংস্কৃতিবান মনৰো পৰিচয় দাঙি ধৰিছিল।

**ক্ৰিয়াকলাপ ঃ**

- ছেৰছাহৰ দিনৰ দুটা বিখ্যাত স্থাপত্যৰ নাম সংগ্ৰহ কৰা আৰু শিক্ষকৰ সহায়ত ইয়াৰ ঐতিহাসিক গুৰুত্ব সম্পৰ্কে জানি লোৱা।

মহামতি আকবৰৰ শাসনকাল সম্পৰ্কে আগৰ অধ্যায়ত জানিব পাৰিছাহঁক। তেওঁৰ শাসনকালত যেনেকৈ দেশত শান্তি আৰু প্ৰগতি স্থাপন হৈছিল তেনেকৈ শিল্প, স্থাপত্য তথা চিত্ৰকলাৰ বিকাশেও চৰম সীমা পাইছিল। লাহোৰ, এলাহাবাদ, আগ্ৰা, ফতেহপুৰ চিক্ৰী আৰু অন্যান্য ঠাইত আকবৰে যিবিলাক অট্টালিকা, মছজিদ, সমাধি, দৰ্বাজা আদি নিৰ্মাণ কৰাইছিল, প্ৰতিটোতেই আকবৰৰ কলা সুলভ মনোভাৱ প্ৰকাশ পাইছিল। ফতেহপুৰ চিক্ৰীৰ অট্টালিকাই আকবৰৰ সপোনৰ ঐক্যবদ্ধ ভাৰতক প্ৰতিফলিত কৰিছিল। কাৰণ পাৰ্ছী, হিন্দু আৰু ইছলামীয় শিল্পৰীতিৰ সংমিশ্ৰনেৰে এইবোৰ সাজি উলিওৱা হৈছিল। আকবৰৰ দিনত অট্টালিকা নিৰ্মাণত ৰঙা শিলৰ গুৰি ব্যৱহাৰ কৰা হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

- মোগল যুগৰ পাঁচটা স্থাপত্যৰ চিত্ৰ সংগ্ৰহ কৰা। সেইবোৰ ক'ত ক'ত আছে এখন তালিকা প্ৰস্তুত কৰা। শিক্ষকৰ সহায়ত ফতেহপুৰ চিক্ৰীৰ গুৰুত্ব সম্পৰ্কে জানি লোৱা।

আন এগৰাকী মোগল সম্ৰাট জাহাংগীৰৰ শাসন কালতো স্থাপত্য শিল্পত কাৰিকৰী দক্ষতাৰ চিন ফুটি উঠিছিল। অৱশ্যে সেইবোৰৰ ভালেখিনি অট্টালিকা, সৌধ, দুৰ্গ আদি কালক্ৰমত প্ৰাকৃতিক আৰু ৰাজনৈতিক দুৰ্যোগৰ ফলত হেৰাই গৈছে। তথাপি তেওঁৰ পৃষ্ঠপোষকতাত যে স্থাপত্য শিল্পই যথেষ্ট বিকাশ লাভ কৰিছিল তাৰ উমান পোৱা যায়।

মোগল যুগৰ ভাৰতত স্থাপত্য শিল্পৰ এক বৃহৎ অংশৰ পৃষ্ঠপোষক আছিল মোগল সম্ৰাট ছাহজাহান। ছাহজাহানৰ শাসন



তাজমহল

কালত মোগল স্থাপত্য শিল্পৰ বিকাশে চূড়ান্ত শিখৰত আৰোহণ কৰিছিল। তেওঁ সৌন্দৰ্যৰ সাধক আছিল। ছাহজাহানৰ ৰাজত্বকাল কলা-সংস্কৃতিৰ যোগেদি নদন-বদন হৈ পৰিছিল বাবে এই কালছোৱাক মোগল স্থাপত্যৰ 'স্বৰ্ণযুগ' বুলি কোৱা হয়। কিন্তু স্থাপত্য-ভাস্কৰ্য নিৰ্মাণত মুক্তহস্তে খৰচ কৰি শেষৰফালে তেওঁ সৰ্বস্বান্ত হৈ পৰিছিল। ছাহজাহানে নিৰ্মাণ কৰা তাজমহল তেওঁৰ পত্নী প্ৰেমৰ অমৰ সাক্ষী। স্থাপত্য-ভাস্কৰ্য নিৰ্মাণত আকবৰে মাৰ্বল ব্যৱহাৰৰ সূচনা কৰিছিল। ছাহজাহানৰ দিনৰ নিৰ্মাণ কাৰ্যত মাৰ্বলৰ ব্যাপক ব্যৱহাৰ হৈছিল। তাজমহল শুধ বগা মাৰ্বলেৰে নিৰ্মাণ কৰা হৈছিল। ইয়াৰ অপূৰ্ব কাৰুকাৰ্য, মাৰ্বলৰ মনোমোহা সৌন্দৰ্য, যমুনাৰ পাৰৰ অপৰূপ দৃশ্য— এই সকলোবোৰেই তাজমহলক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহলো এটা। আজিও বিশ্বৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ লোক তাজমহল চোৱাৰ বাবেই ভাৰতলৈ আহে। কেৱল এয়াই নহয়, আগ্ৰাৰ দুৰ্গৰ ভিতৰতো ছাহজাহানে বহুত অট্টালিকা সজাইছিল। তাৰ ভিতৰত ম'তি মছজিদ আৰু দেৱান-ই-আম বিখ্যাত আছিল। ছাহজাহানাবাদ নামেৰে সম্পূৰ্ণ মাৰ্বলৰ কাৰুকাৰ্যৰে তেওঁ এখন অপূৰ্ব চহৰো নিৰ্মাণ কৰিছিল। ছাহজাহানাবাদত তেওঁ চালে চকু ৰোৱা জুমা মছজিদটো সজাইছিল।

ছাহজাহানে আজমীৰতো ভালেমান স্থাপত্য নিৰ্মাণ কৰি শিল্প প্ৰীতিৰ চিনাকী দিছিল। পৃথিৱী বিখ্যাত ময়ূৰ সিংহাসন ছাহজাহানৰ দিনতে সাজি উলিওৱা হৈছিল। দুষ্প্ৰাপ্য হীৰা, মুকুতা, পান্না আদিৰে সু-সজ্জিত সিংহাসনখন দেখাত এখন খাটৰ দৰে আছিল। অৱশ্যে এই সিংহাসন নাদিৰ ছাহে ভাৰত আক্ৰমণ কৰি মোগলসকলৰপৰা কাঢ়ি লৈ গৈছিল।

**জানি থওঁ আহা ঃ**

- কোনো কোনো বুৰঞ্জীবিদে ছাহজাহানাবাদক মাৰ্বলৰ ৰোম নগৰীৰ লগত তুলনা কৰিব খোজে।
- ময়ূৰ সিংহাসনখন বেবদন খাঁ নামৰ এজন কাৰিকৰে ৭ বছৰ সময়ৰ মূৰত সাজি উলিয়াইছিল।

ছাহজাহানে লাহোৰ, কাশ্মীৰ আদি ঠাইতো বহু বিতোপণ অট্টালিকা আৰু মছজিদ নিৰ্মাণ কৰাইছিল। দিল্লীৰ দুৰ্গৰ ভিতৰত সজোৱা দেৱান-ই-আম আৰু দেৱান-ই-খাচ আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল। এইখিনিতে এটা কথা বিশেষভাৱে উল্লেখযোগ্য যে ছাহজাহানে কেৱল স্থাপত্য-ভাস্কৰ্য নিৰ্মাণতেই গুৰুত্ব দিয়া নাছিল, এইবোৰক সংৰক্ষণৰ ব্যৱস্থাও কৰিছিল। সেয়েহে তেওঁক মোগল সাম্ৰাজ্যৰ প্ৰকৃত নিৰ্মাতা বুলি কোৱা হয়। ছাহজাহানৰ পাছৰপৰাই মোগল স্থাপত্য শিল্পৰ গৌৰৱোজ্জ্বল যুগৰ অৱসান ঘটে। পৰৱৰ্তী শাসকসকলে এইক্ষেত্ৰত বিশেষ উদ্যোগ গ্ৰহণ কৰাৰ তথ্য পোৱা নাযায়। মোগল যুগৰ ভাস্কৰ্যসমূহ প্ৰাচীন ভাৰতীয় ভাস্কৰ্যতকৈ পৃথক আছিল। ইয়াত আৰবীয় প্ৰভাৱ দেখিবলৈ পোৱা গৈছিল। মছজিদ, স্মৃতিসৌধ আদিৰ দেৱালত সূক্ষ্ম আৰু নিখুঁতভাৱে খোদিত ফুল আৰু লতাৰ নক্সাবোৰ মোগল যুগৰ ভাস্কৰ্যৰ সুন্দৰ নিদৰ্শন।

**ক্ৰিয়াকলাপ ঃ**

- মোগলসকলৰ দিনত কোনজন সম্ৰাটে কি কি স্থাপত্য শিল্পৰ নিৰ্মাণ কৰোঁৱাইছিল তাৰ এখন তালিকা প্ৰস্তুত কৰা।

### চিত্ৰ-কলা ঃ

ভাৰতবৰ্ষত মোগলসকলৰ সাংস্কৃতিক দিশৰ অৱদানৰ বিষয়ে কৰা আলোচনা সেই যুগৰ চিত্ৰকলাৰ আলোচনা অবিহনে কেতিয়াও সম্পূৰ্ণ হ'ব নোৱাৰে। কিয়নো চিত্ৰকলাৰ দিশতো মোগল সম্ৰাটসকলে উল্লেখযোগ্য বৰঙণি আগবঢ়াই এই দেশৰ সংস্কৃতি চহকী কৰি থৈ গৈছে। মোগল শিল্পৰ সজীৱ চিত্ৰায়ন, সুন্দৰ প্ৰকাশ ভংগী আৰু প্ৰকৃতি প্ৰেমে চিত্ৰশিল্পত এক গতিময় ছন্দ আনি দিছিল। পাৰ্ছিয়ান আৰু ইউৰোপৰ চিত্ৰ শৈলীৰ সমন্বয়ৰে ভাৰতীয় পৰম্পৰা অক্ষুন্ন ৰাখি সম্পূৰ্ণ নতুন নিৰ্মাণ শৈলীৰে মোগলযুগৰ চিত্ৰকলা প্ৰস্তুত কৰা হৈছিল। সমসাময়িক ৰাজনৈতিক ঘটনা, চিকাৰ, প্ৰাকৃতিক দৃশ্য, গছ-লতা আদিয়েই মোগল চিত্ৰশিল্পৰ যাই বিষয়বস্তু আছিল। মাত্ৰ পাঁচ বছৰৰ ৰাজত্বকালত সম্ৰাট বাবৰে চিত্ৰশিল্পৰ ক্ষেত্ৰত বিশেষ একো কৰিব নোৱাৰিলে যদিও চিত্ৰকৰসকলক যথেষ্ট উৎসাহিত কৰিছিল। এগৰাকী প্ৰকৃতি প্ৰেমী হিচাপে তেওঁ চিত্ৰ শিল্পত প্ৰকৃতিক অগ্ৰাধিকাৰ দিয়াৰ সপক্ষে আছিল। বাবৰৰ পুত্ৰ হুমায়ুনো এগৰাকী চিত্ৰপ্ৰেমী আছিল। ঘটনাক্ৰমে তেৰোঁ পাৰ্ছিয়ান চিত্ৰশিল্পৰ সান্নিধ্যলৈ আহে আৰু এই চিত্ৰশিল্প ভাৰতলৈ আমদানি কৰে। হুমায়ুনে পাৰস্যৰপৰা দুজন চিত্ৰশিল্পীও ভাৰতলৈ লৈ আহিছিল।



*মোগল চিত্ৰকলা*

সম্ৰাট আকবৰো এজন মানবদৰদী চিত্ৰপ্ৰেমী আছিল। সেই সময়ৰ ৰক্ষণশীল মোগল সমাজত থকা নিষেধাজ্ঞা ভংগ কৰি তেওঁ কলা-সংস্কৃতিত এক বিৱৰ্তনৰ সূচনা কৰিছিল। চিত্ৰশিল্পৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ সুলভ মূল্য নিৰ্ধাৰণ কৰি আকবৰে ভাৰতীয় জাতীয় চিত্ৰকলাৰ ভেটি তৈয়াৰ কৰিছিল। চিত্ৰশিল্পৰ তদাৰক কৰিবলৈ আকবৰে এটা সুকীয়া বিভাগৰ সৃষ্টি কৰিছিল।

**জানি থোৱা ঃ**

- মোগলযুগত চিত্ৰশিল্পই বিকাশৰ উচ্চ শিখৰ পাইছিল যদিও মাথো ৰাজপ্ৰাসাদ, দৰবাৰ আৰু অভিজাতসকলক লৈহে চিত্ৰ অঙ্কন কৰা হৈছিল, সাধাৰণ শ্ৰেণীৰ মানুহ আৰু তেওঁলোকৰ জীৱন ইয়াত প্ৰতিফলিত হোৱা নাছিল।

মোগল চিত্ৰশিল্পই চৰম উৎকৰ্ষ সাধন কৰিছিল জাহাংগীৰৰ শাসনকালত। জাহাংগীৰ নিজে এজন চিত্ৰপ্ৰেমী আছিল। কল্পনাৰ পৰিৱৰ্তে বাস্তৱক প্ৰাধান্য দিবলৈ তেওঁ চিত্ৰকৰ সকলক আহ্বান জনাইছিল। জাহাংগীৰৰ দিনত ক্ষুদ্ৰ চিত্ৰশিল্পইও এক সুকীয়া আসন দখল কৰিছিল। বিখ্যাত চিত্ৰকৰ মনচুৰ, মুৰাদ, বিষণদাস আদিয়ে জাহাংগীৰৰ ৰাজসভা শুৱনি কৰিছিল। এওঁৰ দিনত ভাৰতৰ বিভিন্ন প্ৰান্তত বহুতো চিত্ৰশিল্পৰ বিদ্যালয় গঢ় লৈ উঠিছিল।



*ক্ষুদ্ৰ চিত্ৰকলা*

**ক্ৰিয়াকলাপ ঃ**

- মোগল যুগৰ চিত্ৰকলাত কি কি বিষয় বস্তু আৰু কি কি চিত্ৰশৈলীৰ প্ৰতিফলন ঘটিছিল ? এটি টোকা প্ৰস্তুত কৰা।

ছাহজাহানে চিত্ৰশিল্পৰ জগতলৈ আগবঢ়োৱা অৱদান নগন্য যদিও তেওঁৰ পুত্ৰ দাৰা এজন চিত্ৰশিল্পৰ প্ৰধান পৃষ্ঠপোষক আছিল। দাৰা নিজেও এজন চিত্ৰকৰ আছিল। আজিও ভাৰতীয় সংস্কৃতিত মোগল চিত্ৰকলাই সমাদৰ লাভ কৰে।

## মোগলযুগৰ সংগীত

তোমালোকে তানসেনৰ নাম শুনিছানে? তানসেন আকবৰৰ ৰাজসভাৰ এজন বিখ্যাত গায়ক আছিল। অতীজৰে পৰা ভাৰতত সংগীতে সমাদৰ লাভ কৰি আহিছে। মোগলযুগতো আকবৰ, বাবৰ আৰু হুমায়ুনৰ পৃষ্ঠপোষকতাত দেশ-বিদেশৰ বহু সংগীতজ্ঞই আহি মোগল ৰাজসভা সুশোভিত কৰিছিল। আকবৰ এজন কণ্ঠশিল্পী হোৱাৰ লগতে বাদ্যযন্ত্ৰতো তেওঁৰ যথেষ্ট জ্ঞান আছিল। আকবৰে তানসেনক সেই যুগৰ শ্ৰেষ্ঠ গায়ক হিচাপে স্বীকৃতি দিছিল। আনহাতে ছাহজাহানো এক অপূৰ্ব কণ্ঠৰ অধিকাৰী আছিল।

## মোগলযুগৰ সাহিত্যঃ-

মোগলযুগত সাহিত্যৰো উত্তৰণ ঘটিছিল। জীৱনী সাহিত্যই এই সময়চোৱাত ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল। প্ৰধানকৈ পাৰ্চী আৰু তুৰ্কীভাষাত সাহিত্যসমূহ ৰচনা কৰা হৈছিল।

অতি ব্যস্ততাৰ মাজতো বাবৰে তুৰ্কী ভাষাত **'তুজুক-ই-বাবৰী'** নামৰ বিখ্যাত আত্মজীৱনীমূলক গ্ৰন্থখন ৰচনা কৰিছিল। মোগল সম্ৰাট হুমায়ুনো এজন সু-সাহিত্যিক আছিল। আকবৰ, জাহাংগীৰ আৰু ছাহজাহানৰ দিনত ৰচনা কৰা গ্ৰন্থসমূহ ইতিহাসৰ অমূল্য সম্পদ। আকবৰৰ শাসনকালত পাৰ্ছিয়ান গদ্য- সাহিত্যত নৱ জাগৰণৰ সৃষ্টি হৈছিল। সংস্কৃত, আৰবী, তুৰ্কী আৰু গ্ৰীক ভাষাৰ বহুতো কিতাপ পাৰ্চী ভাষালৈ অনুবাদ কৰা হৈছিল। অনুবাদ সাহিত্যক উৎসাহিত কৰিবলৈ তেওঁ এটা বিশেষ বিভাগো খুলিছিল।

মোগলযুগত কেৱল পাৰ্চী সাহিত্যৰেই যে বিকাশ হৈছিল এনে নহয়, হিন্দী আৰু ব্ৰজাবলী সাহিত্যৰো উত্তৰণ ঘটিছিল। বহুতো মুছলমান লেখকে প্ৰাদেশিক আৰু হিন্দী ভাষাত পুথি ৰচনা কৰিছিল। এই সময়ৰ হিন্দী ভাষাৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ আছিল **'পদ্মাৱত'**, **'ৰামচৰিত মানস'** আৰু **'সুৰসাগৰ'**।

মোগলযুগৰ শেষৰফালে হিন্দুস্থানী আৰু পাৰ্চী ভাষাৰ সংমিশ্ৰনেৰে উৰ্দু নামেৰে এক নতুন ভাষাৰ সৃষ্টি হয়। মোগল সম্ৰাট মহম্মদ ছাহে উৰ্দু সাহিত্যৰ পৃষ্ঠপোষকতা কৰিবলৈ গৈ দক্ষিণৰপৰা **'ৱালী'** নামৰ এজন কবিক ৰাজসভালৈ আনিছিল। তেওঁ অতি প্ৰাঞ্জলভাবে গজল, ৰুবায়াত আৰু মনচবী পৰিৱেশন কৰি শ্ৰোতা আৰু পঢ়ুৱৈ সমাজক আপ্লুত কৰিছিল।

**জানি থওঁ আহা ঃ**

- হুমায়ুনৰ এটা ভ্ৰাম্যমান পুথিভঁৰাল আছিল।
- আকবৰৰ ৰাজত্বকালত ৰামায়ণ, ভাগৱত, গীতা, উপনিষদ, অৰ্থব বেদ আৰু লীলাৱতী নামৰ গ্ৰন্থ কেইখন পাৰ্চী ভাষালৈ অনুবাদ কৰা হৈছিল।
- আকবৰৰ তৎপৰতাত পাৰ্ছিয়ান-সংস্কৃত অভিধান, 'পাৰ্চী প্ৰকাশ' প্ৰণয়ন কৰা হয়।
- উৰ্দু কবিসকলৰ সম্মিলনক **'মুচায়েৰা'** বুলি কোৱা হৈছিল।

আকবৰ কেৱল ধৰ্মৰ ক্ষেত্ৰতেই উদাৰ নাছিল, সাহিত্যৰ ক্ষেত্ৰতো তেওঁৰ বিশাল ব্যক্তিত্বৰ প্ৰকাশ ঘটিছিল। সংস্কৃত ভাষাৰ বিকাশত তেওঁ সকলো প্ৰকাৰে উৎসাহ যোগাইছিল। কেইবাজনো গুণী-জ্ঞানী সংস্কৃত পণ্ডিতক তেওঁৰ ৰাজসভাত স্থান দিছিল। ছাহজাহান আৰু তেওঁৰ পুত্ৰ দাৰাইও সংস্কৃত ভাষা আৰু পণ্ডিতসকলক যথেষ্ট সন্মান কৰিছিল। মোগলৰ সম-সাময়িক মাৰাঠা আৰু বাংলা সাহিত্যৰো সেই সময়ত বিকাশ লাভ কৰা পৰিলক্ষিত হৈছিল।

**ক্ৰিয়াকলাপ ঃ**

- কোন কোন প্ৰাদেশিক ভাষাই মোগলৰ দিনত ৰাজ-পৃষ্ঠপোষকতা লাভ কৰিছিল? এই ভাষাসমূহ কোন কোন ৰাজ্যৰ উল্লেখ কৰা।

## মোগলসকলৰ ধৰ্মীয় নীতি ঃ

আমাৰ দেশ ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। এয়াই ভাৰতৰ ধৰ্ম নীতি। ঠিক তেনেকৈ মধ্যযুগীয় শাসকসকলেও ধৰ্মৰ ক্ষেত্ৰত একোটা নীতি গ্ৰহণ কৰিছিল। মোগল সম্ৰাটসকল ইছলাম ধৰ্মী আছিল যদিও তেওঁলোকে বহুসময়ত আন ধৰ্মৰ প্ৰতিও উদাৰতা প্ৰকাশ কৰিছিল।



ভক্তি আন্দোলনৰ অনুগামীসকল

মোগল সম্ৰাটসকলৰ ধৰ্ম নীতি আলোচনা কৰিবলৈ গ'লে আকবৰৰ কথাহে মনলৈ আহে। কিয়নো আকবৰৰ বাহিৰে মোগলৰ আন আন সম্ৰাটসকলে ধৰ্মীয় স্বাৰ্থ আৰু নিজ শাসন ব্যৱস্থা বৰ্তাই ৰখাৰ ওপৰতে বিশেষভাৱে নজৰ দিছিল। সম্ৰাট আকবৰ এজন গোড়া মুছলমান হ'লেও ধৰ্মৰ ক্ষেত্ৰত তেওঁ এক উদাৰ নীতি গ্ৰহণ কৰিছিল। সেয়েহে পাছলৈ এখন বিশাল সাম্ৰাজ্যৰ অধিপতি হোৱাৰ ক্ষেত্ৰত আকবৰৰ ধৰ্ম নীতিয়ে বিশেষভাৱে অৰিহণা যোগাইছিল।

আকবৰে তেওঁৰ ধৰ্মৰ প্ৰতি থকা অনুসন্ধিৎসা দূৰ কৰিবৰ বাবে ইবাদতখানা অৰ্থাৎ প্ৰাৰ্থনা গৃহ সজাইছিল। আদিতে এই ইবাদতখানাত সমবেত হোৱা গোড়া মুছলমানসকলক ধৰ্মৰ বিষয়ে আলোচনা কৰিবলৈ দিয়া হৈছিল। পাছলৈ অন্য ধৰ্মৰ পণ্ডিতসকলকো ইয়ালৈ নিমন্ত্ৰণ কৰা হৈছিল। সম্ৰাট আকবৰে নিজেও এই আলোচনাত যোগ দিছিল। সকলো ধৰ্মৰ সাৰুৱা কথাবোৰ শুনি আকবৰ মোহিত হৈছিল। সকলো ধৰ্মৰ মূল কথাবোৰ যে একে সেই কথা তেওঁ উপলব্ধি কৰিছিল। সেয়েহে সকলো ধৰ্মৰ মূল কথাবোৰ লৈ তেওঁ এটি নতুন ধৰ্মমত উলিয়াইছিল। ইয়াকে আমি দীন-ই-ইলাহী বুলি জানো। প্ৰথম অৱস্থাত এই ধৰ্মমতৰ নাম আছিল তউহিদ-ই-ইলাহী। আকবৰৰ শাসন ব্যৱস্থাত সকলো ধৰ্মক সমানে চোৱাৰ নীতিৰে তেওঁ দিন-ই-ইলাহীক প্ৰয়োগ কৰিছিল। আন ধৰ্মৰ মানুহকো ধৰ্মীয় স্বাধীনতা দিয়াতো তেওঁৰ ধৰ্ম নীতিৰ এক প্ৰধান বৈশিষ্ট্য আছিল।

মোগল শাসনৰ সময়তেই ভক্তি আন্দোলনেও ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত বিস্তাৰ লাভ কৰিছিল। অৱশ্যে মহাৰাষ্ট্ৰত তেৰ শতিকাতেই জ্ঞানদেৱে (১২৭১-৯৬ খ্ৰীঃত) এই আন্দোলনৰ শুভাৰম্ভ কৰে। উত্তৰ ভাৰতত ভক্তি অনুগামীসকলৰ ভিতৰত ৰমানন্দই বিষ্ণুৰ অৱতাৰ ৰামক পূজা কৰা আৰম্ভ কৰে। কবীৰ তেওঁৰেই প্ৰধান শিষ্য আছিল। শিখসকলৰ মাজত ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা আছিল গুৰু নানক। অসমত ভক্তি আন্দোলনৰ ধাৰাটোকে বৈষ্ণৱ আন্দোলন বুলি কোৱা হয়। এই ধাৰাৰ মুখ্য প্ৰৱৰ্তক আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

## মোগলযুগৰ মহিলাসকলঃ-

মোগলযুগৰ ৰাজপৰিয়ালৰ মহিলাসকলৰ বহুকেইগৰাকীৰ নাম আমি ইতিহাসৰ পাতত উল্লেখ পাওঁ।

বিশেষকৈ সাহিত্যৰ ক্ষেত্ৰত হুমায়ুনৰ ভগ্নী তথা হুমায়ুন-নামাৰ লেখিকা গুলবদন বেগম উল্লেখযোগ্য। জাহাংগীৰৰ সাম্ৰাজ্ঞী নুৰজাহান বেগম আৰু ছাহজাহানৰ দুই জীয়ৰী জাহানাৰা আৰু ৰৌচনাৰাই ৰাজনৈতিক ক্ষমতা লাভ কৰিছিল বুলি জনা যায়। আনহাতে ছাহজাহানে তেওঁৰ পত্নী মমতাজ মহলৰ নাম তাজমহলৰ ৰূপত অমৰ কৰি থৈ গৈছে। সম্ৰাটসকলৰ হিন্দু পত্নীৰ ভিতৰত যোধাবাই, মানবাই, জগত গোঁসাই ইত্যাদিৰ নাম উল্লেখ পোৱা যায়।

মোগল সম্ৰাটসকলে বাস কৰা প্ৰাসাদক হেৰেম নামেৰে জনা গৈছিল। ইয়াত সম্ৰাটৰ পত্নী, উপপত্নী, মাতৃ আৰু পৰিয়ালৰ আন মহিলাসকল আছিল। ধাইমাতৃ, দাস-দাসীসকলে একেলগে বাস কৰিছিল। অভিজাত আৰু ৰজাঘৰীয়া মহিলাসকলৰ বিপৰীতে সমাজৰ সাধাৰণ শ্ৰেণীৰ মহিলাসকলৰ স্থান বৰ বিশেষ উন্নত নাছিল। নাৰীসমাজত পৰ্দাপ্ৰথা, সতীদাহ প্ৰথাৰ প্ৰচলন আছিল। ৰাজপুত মহিলাসকলে জৌহৰ নামে প্ৰথাও মানি চলিছিল।

**জানি থওঁ আহা ঃ**

হিন্দু ধৰ্মৰ লগতে ইছলাম ধৰ্মতো সেই সময়ছোৱাত এক উদাৰনৈতিক মতবাদ গঢ়ি উঠিছিল। ইয়াকে **চুফীবাদ** নামে জনা যায়। মালিক মহম্মদ জৈচী, মীৰ আব্দুল ৱাহিদ সেই সময়ৰ প্ৰখ্যাত চুফী সন্ত আছিল।

## মনত ৰাখিবলগীয়া কথা ঃ

১। মোগলযুগত ভাৰতৰ স্থাপত্য-ভাস্কৰ্য আৰু চিত্ৰকলাই পূৰ্ণ বিকাশ লাভ কৰিছিল।

২। মোগলযুগৰ সাহিত্যই ভাৰতৰ ইতিহাসত এক গৌৰবোজ্জ্বল অধ্যায়ৰ সূচনা কৰিছিল।

৩। মোগলৰ শাসন কালত সংস্কৃত আৰু অন্যান্য প্ৰাদেশিক ভাষাসমূহৰ উত্তৰণ ঘটিছিল।

৪। নিৰ্মাতা হিচাপে ছাহজাহানে ভাৰতৰ স্থাপত্য শিল্পৰ জগতত এক সুকীয়া স্থানৰ অধিকাৰী হৈছিল।

৫। মোগলযুগত অনুবাদ সাহিত্যইও বিশেষ সমাদৰ লাভ কৰিছিল।

৬। ভক্তিবাদ আৰু চুফীবাদৰ উত্থান মোগল শাসনৰ এক উল্লেখযোগ্য দিশ আছিল।

৭। মোগল সমাজ ব্যৱস্থা ইৰাণী, তুৰাণী, আফগানী, মোগল আৰু স্থানীয় হিন্দু সকলেৰে গঢ় লৈ উঠিছিল।

৮। মোগলযুগত ৰজাঘৰীয়া মহিলাসকলেও উচ্চ স্থান পাইছিল।

## অনুশীলনী ঃ

১। উত্তৰ দিয়া—

(ক) চাচাৰামৰ সমাধি কোনে নিৰ্মাণ কৰিছিল?

(খ) আকবৰৰ দিনত অট্টালিকা সজাওতে বিশেষভাৱে কি ব্যৱহাৰ কৰা হৈছিল?

(গ) তাজমহল কোন নদীৰ পাৰত অৱস্থিত?

(ঘ) ময়ুৰ সিংহাসন তৈয়াৰ কৰা কাৰিকৰজনৰ নাম কি?

(ঙ) অসমত ভক্তি আন্দোলনৰ ধাৰাটোক কি বুলি জনা যায়?

(চ) কি দুটা ভাষাৰ সংমিশ্ৰনত উৰ্দু ভাষাৰ সৃষ্টি হৈছিল?

২। শুদ্ধ উত্তৰ বাছি উলিওৱা—

(ক) ফতেহপুৰ চিক্রীৰ অট্টালিকা নির্মাণ কৰিছিল জাহাংগীৰে/আকবৰে/বাবৰে।

(খ) তাজমহল নির্মাণ কৰা হৈছিল ৰঙা শিলৰ গুৰিৰে/শুধ বগা মার্বলেৰে/ইটা-চিমেণ্টেৰে।

(গ) অসমৰ ভক্তি আন্দোলনৰ গুৰি ধৰোতা আছিল ৰমানন্দ/গুৰু নানক/শংকৰদেৱ।

(ঘ) মোগল চিত্রশিল্পই চৰম উৎকর্ষ সাধন কৰিছিল জাহাংগীৰৰ/ছাহজাহানৰ/ঔৰংগজেবৰ শাসন কালত।

(ঙ) তুর্কী ভাষাৰ 'তুজুক-ই-বাবৰী' নামৰ আত্মজীৱনীখনৰ ৰচক আছিল বাবৰ/আকবৰ/হুমায়ুন।

৩। খালি ঠাই পূৰ কৰা—

(ক) পাণিপতৰ কাবুলবাগ আৰু চম্বলৰ ________ বাবৰে নির্মাণ কৰিছিল।

(খ) ________ ৰ শাসন কালক মোগল স্থাপত্য শিল্পৰ স্বর্ণযুগ বুলি জনা যায়।

(গ) জাহাংগীৰৰ দিনত ________ শিল্পৰ চৰম বিকাশ হৈছিল।

(ঘ) আকবৰৰ দিনত প্রকাশ পোৱা অভিধানখনৰ নাম ________।

(ঙ) অসমৰ বৈষ্ণৱ আন্দোলনৰ ধাৰাটোৰ মুখ্য প্রবর্তক আছিল ________।

৪। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা—

(ক) এজন চিত্রকৰ আৰু সমালোচক হিচাপে জাহাংগীৰে ভাৰতীয় চিত্রকলাৰ কেনেদৰে পৃষ্ঠপোষকতা কৰিছিল?



(খ) মোগলযুগৰ স্থাপত্য, কলা-সংস্কৃতিলৈ ছাহজাহানৰ অৱদান।

(গ) আকবৰৰ ধর্ম নীতিয়ে মোগলযুগক কেনেদৰে প্রভাৱিত কৰিছিল?

(ঘ) মোগলযুগৰ কেইগৰাকীমান উল্লেখযোগ্য মহিলাৰ নাম লিখা।

৫। মোগলযুগৰ ভাৰতৰ স্থাপত্যসমূহৰ চিত্র সংগ্রহ কৰি এটি এলবাম প্রস্তুত কৰা।

৬। তলত দিয়া ছবিবোৰৰ ওপৰত তোমাৰ নিজৰ বহীত দহোটাকৈ বাক্য লিখা—

| কামাখ্যামন্দিৰ | হুমায়ুনৰ সমাধি | কুতুবমিনাৰ | মুদ্রা |
|---|---|---|---|
|  |  |  |  |

# অৰ্থনীতি আৰু ৰাজনীতি খণ্ড
# আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱন

## আগকথা





সভ্যতা, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ লগে লগে মানুহৰ চিন্তা-চৰ্চাৰ পৰিসৰত আমূল পৰিৱৰ্তন পৰিলক্ষিত হৈছে। বৈজ্ঞানিক চিন্তাৰ অহৰ্নিশ অনুশীলন আৰু তাৰ প্ৰয়োগৰ অভাৱনীয় প্ৰতিফলন ঘটিছে মানুহৰ সামগ্ৰিক জীৱন-ধাৰণ প্ৰণালীত। জীৱন-ধাৰণৰ প্ৰক্ৰিয়া আৰু পৰিৱৰ্তনসমূহৰ বিষয়ে আমি প্ৰত্যেকেই ভালদৰে জনাটো নিতান্ত প্ৰয়োজনীয়। অন্যথা জীৱনক সুচাৰুৰূপে পৰিচালনা কৰাত কিছুমান ভুল হোৱাৰ সম্ভাৱনা থাকি যায়। ৰাজনীতি বিজ্ঞান আৰু অৰ্থবিজ্ঞান সমাজবিজ্ঞানৰ অন্তৰ্গত দুটা গুৰুত্বপূৰ্ণ বিষয় যাৰ অধ্যয়নৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উল্লিখিত দিশসমূহৰ সম্যক জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। সেয়েহে ভৱিষ্যত প্ৰজন্মৰ সুস্থ বিকাশৰ বাবে আধুনিক পাঠ্যক্ৰমত এই দুটা বিষয়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছে।

পাঠ্যপুথিৰ এই অংশটোৰ জৰিয়তে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ প্ৰাৰম্ভিক স্তৰতে যাতে সুশৃংখল আৰ্থ-সামাজিক আৰু ৰাজনৈতিক চিন্তাৰ বুনিয়াদ গঢ়ি তুলিব পাৰে তাৰ যথোচিত প্ৰয়াস কৰা হৈছে। সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ পাঠসমূহ সজাবলৈ যৎপৰোনাস্তি চেষ্টা কৰা হৈছে। পাঠসমূহ সহজ-সৰল আৰু মনোগ্ৰাহী কৰাৰ তাগিদাত বিষয়বস্তু উপস্থাপন শৈলীত কিছু নতুনত্ব অনাৰো চেষ্টা কৰা হৈছে। ক্ৰিয়াকলাপ আৰু প্ৰশ্নসমূহৰ অৱতাৰণা কৰোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ সৃজনীপ্ৰতিভা আৰু কল্পনাপ্ৰসূত চিন্তাৰ স্বতঃস্ফূৰ্ত বিকাশ সম্ভৱ হয়। পাঠদান প্ৰক্ৰিয়াত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মানসিক ব্যৱধানৰ সুযোগ নথকাৰ চিন্তাকো অগ্ৰাধিকাৰ দিয়াৰ যত্ন কৰা হৈছে। পাঠৰ শিকণ তথা মূল্যায়ন ব্যৱস্থা এনেদৰে সজোৱা হৈছে যাতে অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ মনত শিক্ষাৰ প্ৰতি থকা তথাকথিত ভয়, অনীহা আৰু বাধ্যবাধকতাৰ পৰিৱৰ্তে এটা সুখকৰ অনুভূতিৰ সঞ্চাৰ হয়। ছাত্ৰ-ছাত্ৰীক অৰ্থনীতি বিজ্ঞানৰ পাঠ হিচাপে আমাৰ চৌপাশৰ বজাৰ, পৰিকল্পনা আৰু বাজেট, অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা, নাৰী-পুৰুষৰ শ্ৰমৰ সমমূল্য আৰু সমমৰ্যাদা আদিৰ প্ৰাৰম্ভিক ধাৰণা দিবলৈ যাওঁতে তেওঁলোকৰ মানসিক আৰু বৌদ্ধিক পৰিপক্কতাৰ বিষয়ে চিন্তা কৰি সহজ-সৰল ভাষা আৰু কৌতূহল উদ্ৰেককাৰী চিন্তাৰে পাঠত অন্তৰ্নিহিত ধাৰণাবিলাকৰ বৰ্ণনা কৰা হৈছে। একেদৰে আমাৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে নিজৰ ৰাজনৈতিক চিন্তা আৰু সামাজিক সচেতনতাৰ ভেটি গঢ় দিব পাৰে তাৰ চিন্তা আগত ৰাখি নাগৰিক, নাগৰিকত্ব, নিৰ্বাচন, প্ৰচাৰ মাধ্যম, গণ-মাধ্যম, প্ৰান্তীয় গোটসমূহৰ গণতান্ত্ৰিক অধিকাৰ আদি বিষয়ৰ ওপৰত আলোকপাত কৰা হৈছে।

আশা কৰা হৈছে, এই খণ্ডটিৰ অধ্যয়নৰ জৰিয়তে আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ প্ৰাথমিক প্ৰমূল্যসমূহ ছাত্ৰ-ছাত্ৰীয়ে অনুধাৱন কৰি নিজকে একো একোজন সুনাগৰিক হিচাপে গঢ়ি তুলিব পাৰিব।

# পাঠ ঃ ১৮
# আমাৰ চৌপাশৰ বজাৰ


2UXT9E

**শিকনৰ ফলাফল ঃ**

- বিভিন্ন প্ৰকাৰৰ বজাৰৰ বিষয়ে জানিব পাৰিব।
- পাইকাৰী আৰু খুচুৰা বজাৰৰ পাৰ্থক্য বুজি পাব।
- মুদ্ৰাৰ বিষয়ে ধাৰণা স্পষ্ট হ'ব।
- বস্তুৰ মূল্য বা দৰৰ বিষয়ে জানিব পাৰিব।
- ক্ৰেতা-বিক্ৰেতাৰ পাৰস্পৰিক লাভালাভৰ বিষয়ে বুজি পাব।
- বজাৰৰপৰা লাভ কৰা বিভিন্ন সুবিধাসমূহৰ বিষয়ে জানিব পাৰিব।

ইতিপূৰ্বে তোমালোকে হাট-বজাৰৰ বিষয়ে কিছু কথা পাই আহিছা। আমি আমাৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বিভিন্ন সামগ্ৰী— চাউল, দাইল, বিস্কুট, চাহপাত, চেনি, মচলা, শাক-পাচলি, চাবোন, টুথপেষ্ট, নোটবুক, বহী-কিতাপ, কাপোৰ আদি সামগ্ৰীসমূহ বজাৰৰ পৰাই কিনি আনো— নহয় জানো? বজাৰৰপৰা কিনা বস্তুসমূহৰ তালিকা প্ৰস্তুত কৰিলে কিমান দীঘল তালিকা হ'ব ভাবি চোৱাচোন! বজাৰ বুলিলে সাধাৰণতে এটুকুৰা নিৰ্দিষ্ট ঠাইকে বুজো, য'ত গ্ৰাহক আৰু বিক্ৰেতা পৰস্পৰ মুখামুখি হয় আৰু টকা-পইচা বা মুদ্ৰাৰ বিনিময়ত বস্তু বা সামগ্ৰীৰ কিনা-বেচা কৰা হয়। আজি-কালি অৱশ্যে বজাৰৰ ধাৰণা কিছু সলনি হৈছে। এই বিষয়ে আমি পাছত আলোচনা কৰিমহঁক।

অতি পুৰণিকালত আমাৰ মানৱ সমাজত মুদ্ৰা বা টকা-পইচাৰ প্ৰচলন নাছিল। তেতিয়া মানুহে বস্তুৰ সলনি বস্তু বিনিময় কৰিছিল। মানুহে লাগতিয়াল অথচ নিজৰ ওচৰত নথকা বস্তু আহৰণ কৰিবলৈ আন ব্যক্তিৰ লগত নিজৰ ওচৰত উপলব্ধ অতিৰিক্ত সা-সামগ্ৰীৰ সালসলনি কৰিছিল। এনেদৰে মানুহে নিজা অভাৱসমূহ পূৰণ কৰিছিল। সামগ্ৰীৰ সলনি আনৰ লগত সামগ্ৰী আদান-প্ৰদান বা বিনিময় কৰা প্ৰাচীন প্ৰথাটোক আমি বিনিময় প্ৰথা বুলি কওঁ। বিনিময় প্ৰথা বজাৰৰ প্ৰাচীনতম ব্যৱস্থা।



অসমৰ মৰিগাঁও জিলাৰ জাগীৰোডৰ ওচৰৰ জোনবিলৰ পাৰত মাঘবিহুৰ কেইদিনমানৰ পাছত বছৰি এখন মেলা অনুষ্ঠিত হয়। মেলাখনত এখন ডাঙৰ বজাৰ বহে। পাহাৰৰ তিৱা, কাৰ্বি, খাছী, জয়ন্তীয়া আদি জনজাতীয় লোকসকলৰ

লগতে ভৈয়ামৰো বিভিন্ন মানুহে নানা সামগ্ৰী লৈ বজাৰলৈ আহে। বজাৰত তেওঁলোকে নিজা নিজা সামগ্ৰীৰ লগত অইনৰ সামগ্ৰী সাল-সলনি কৰে বা বিনিময় কৰে। তিৱা জনগোষ্ঠীৰ ৰজাই মেলাখনৰপৰা বছৰটোৰ বাবে কৰ সংগ্ৰহ কৰে। সিপিঠিৰ ছবিখন এই বিখ্যাত জোনবিল মেলাৰ ছবি। সমগ্ৰ ভাৰতৰ ভিতৰত এইখনেই একমাত্ৰ বজাৰ য'ত এতিয়াও বিনিময় প্ৰথা প্ৰচলিত হৈ আছে।

সময়ৰ পৰিবৰ্তনৰ লগে লগে বজাৰৰ ৰূপো সলনি হৈ আহিল। আমাৰ প্ৰয়োজনসমূহ দিনক দিনে বাঢ়ি আহিবলৈ ধৰিলে। কালক্ৰমত মুদ্ৰাক বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হ'ল। মুদ্ৰাৰ সহায়ত আমি আমাৰ জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ বজাৰৰপৰাই কিনোহঁক। বজাৰত সামগ্ৰীৰ উপৰি সেৱাসমূহো মুদ্ৰাৰ মাধ্যমত কিনা-বেচা কৰা হয়। বৰ্তমান আমাৰ মাজত প্ৰচলিত কাগজী আৰু ধাতু মুদ্ৰাসমূহ চৰকাৰী আদেশৰ দ্বাৰা সমৰ্থিত। বিমুদ্ৰাকৰণৰ জৰিয়তে চৰকাৰে কেতিয়াবা কিছুমান মুদ্ৰাৰ প্ৰচলন বন্ধ কৰিবও পাৰে।

> **জানি থওঁ আহা ঃ**
>
> - মানুহৰ প্ৰয়োজন পূৰণ কৰা বস্তুক দ্ৰব্য বা সামগ্ৰী বুলিও কোৱা হয়।
> - মুদ্ৰা হিচাপে বিবেচিত হ'বলৈ কোনো এবিধ বস্তু বা সামগ্ৰীক বিনিময়ৰ মাধ্যম হিচাপে সকলোৱে গ্ৰহণ কৰিব লাগিব।
>
> ই হৈছে মুদ্ৰাৰ প্ৰাথমিক কাৰ্য তথা বৈশিষ্ট্য। মুদ্ৰাক দ্ৰব্য সামগ্ৰীৰ মূল্য প্ৰকাশ কৰিবলৈ আৰু হিচাপ-নিকাচৰ উমৈহতীয়া একক হিচাপে ব্যৱহাৰ কৰা হয়।
>
> - ভাৰতত ২০১৬ চনৰ ৮ নৱেম্বৰত চৰকাৰী ঘোষণাৰ জৰিয়তে পূৰ্বে প্ৰচলিত ৫০০ আৰু ১০০০ টকীয়া কাগজী মুদ্ৰাৰ বিমুদ্ৰাকৰণ হৈছিল।



আগৰ শ্ৰেণীৰ পাঠত তোমালোকে জীৱন নিৰ্বাহৰ লগত জড়িত বিভিন্ন সেৱাক্ষেত্ৰ যেনে-শিক্ষা, যোগাযোগ চিকিৎসা, বেংক, পৰিবহণ আদিৰ বিষয়ে জানি আহিছা। এই ক্ষেত্ৰবিলাকৰ সেৱাসমূহো আমি ক্ৰয় কৰোঁ। যেনে অসুখ হ'লে আমাক ডাক্তৰৰ প্ৰয়োজন হয় আৰু ডাক্তৰজনে আমাক চিকিৎসা সেৱা আগবঢ়ায়। তেওঁ আগবঢ়োৱা সেৱাৰ মূল্য হ'ল আমি তেওঁক দিয়া ফিজ (Fees) বা মাননী। তেনেকৈ আমি উকীলৰ সেৱা, মেকানিকৰ সেৱা, পানীযোগানৰ সেৱা, পৰিবহণৰ সেৱা, বিজুলী বা টেলিফোনৰ সেৱা আদিও কিনিব পাৰোঁ। এই কাম আমি মুদ্ৰা বা টকাৰ মাধ্যমেৰে কৰোঁ। কোনো কোনো ক্ষেত্ৰত ক্ৰেতা-বিক্ৰেতা পৰস্পৰ মুখামুখি নোহোৱাকৈও কিনা-বেচা সম্ভৱ হয়। উদাহৰণস্বৰূপে চিঠি-পত্ৰ, তাৰ-বাৰ্তা আদিৰ যোগেদি মুদ্ৰাৰ বিপৰীতে সামগ্ৰী কিনা-বেচা কৰিব পাৰি। সম্প্ৰতি ইণ্টাৰনেটৰ সহায়ত সামগ্ৰী কিনা-বেচাৰ প্ৰক্ৰিয়া যথেষ্ট জনপ্ৰিয় হৈ পৰিছে। গতিকে **আজিকালিৰ দিনত বজাৰ বুলিলে আমি মুদ্ৰাৰ মাধ্যমত সামগ্ৰী বা সেৱাৰ কিনা-বেচা কৰা ব্যৱস্থাটোকে বুজোঁ।**

> **ক্ৰিয়াকলাপ ঃ**
>
> - মুদ্ৰাৰ অবিহনে বজাৰত সামগ্ৰী কিনা-বেচাৰ ক্ষেত্ৰত কি সমস্যাৰ সৃষ্টি হ'লহেঁতেন শিক্ষকৰ লগত আলোচনা কৰি একোটা টোকা লিখা।

## বিভিন্ন প্ৰকাৰৰ বজাৰ ঃ

এতিয়া আমি বিভিন্ন প্ৰকাৰৰ বজাৰৰ বিষয়ে কিছু আভাস লওঁ আহা—

**দৈনিক বজাৰ ঃ** (Daily Market)

বৰুৱাৰ ঘৰত সোমবাৰে ৰাতি পুৱাতে যোৰহাটৰপৰা আলহী আহি ওলাল। বৰুৱানীয়ে দেখিলে আলহীক খুৱাবলৈ ঘৰত মাছ, মঙহ, আলু, মিঠাই আদিৰ দৰে বিশেষ বস্তু একো নাই। সেয়েহে তেওঁ বৰুৱাক অফিচলৈ যোৱাৰ আগেয়ে ওচৰৰ বজাৰখনৰপৰা বস্তু কেইপদমান আনি দিবলৈ অনুৰোধ কৰিলে। গাটো ধুই বৰুৱাই বজাৰ কৰা মোনা

আৰু পইচা লৈ ওচৰৰ বজাৰখনলৈ ওলাই গ'ল। বৰুৱানীয়ে লিখি দিয়া তালিকা অনুযায়ী মাছ, মাংস, মিঠাই, আলু আৰু পাপড় কিনি অলপ সময়ৰ ভিতৰতে ঘৰ পালেহি। আলহীক মাত এযাৰ দি অফিচলৈ বুলি বৰুৱা ঘৰৰপৰা ওলাই গ'ল।

ওপৰৰ বৰ্ণনাখিনিৰপৰা তোমালোকে নিশ্চয় মন কৰিছা যে বৰুৱাই ঘৰুৱা সামগ্ৰীৰ প্ৰয়োজন হোৱাৰ লগে লগেই বজাৰলৈ বুলি ওলাই গৈ কেইবাপদো বস্তু কম সময়ৰ ভিতৰতে কিনি ঘৰ পালেহি। যদি সেইদিনা তেওঁলোকে বাস কৰা অঞ্চলৰ আশে-পাশে কোনো দোকান-পোহাৰ বা বজাৰ নাথাকিলহেঁতেন তেনেহলে বৰুৱানীৰ যথেষ্ট অসুবিধা হ'লহেঁতেন।



বৰুৱাহঁতৰ অঞ্চলত থকাৰ দৰে আমাৰ চাৰিওকাষে বিভিন্ন ধৰণৰ দোকান-পোহাৰ বা বজাৰ থাকে। বজাৰবিলাক আমাৰ দৈনন্দিন জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সাধাৰণতে স্থায়ী ঘৰত এই দোকান-বজাৰবোৰ বহে বাবে ইয়াক **স্থায়ী বজাৰ** বোলে। সপ্তাহটোৰ এটা নিৰ্দিষ্ট বন্ধৰ দিন বাদ দি বাকীকেইটা দিনত দোকানবোৰ খোলা থাকে। এই দোকানবোৰ দিনটোৰ এক নিৰ্দিষ্ট সময়ত খোলা হয় আৰু বন্ধ কৰা হয়। দোকানবোৰৰ একোটা নিৰ্দিষ্ট নামো থাকে। সাধাৰণতে ইয়াত বিজ্ঞানসন্মত জোখ-মাখ পদ্ধতি (ওজন জোখা যন্ত্ৰ) ব্যৱহাৰ কৰা হয়। তদুপৰি প্ৰত্যেক সামগ্ৰীৰ এক নিৰ্দিষ্ট দৰ থাকে। গ্ৰাহকৰ সুবিধাৰ বাবে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰী ৰখা দোকানবোৰত কেতবোৰ অপৰিহাৰ্য সামগ্ৰীৰ বৰ্তমান মূল্য ব'ৰ্ডত লিখি থোৱা থাকে। এনেধৰণৰ বজাৰবোৰক আমি **দৈনিক বজাৰ** বুলিও কওঁ। দৈনিক বজাৰ নিতৌ খোলা থাকে বাবে আমি কোনো বস্তুৰ প্ৰয়োজন হ'লে সহজেই এই বজাৰবোৰৰপৰা সংগ্ৰহ কৰিব পাৰো। তদুপৰি নিজৰ সুবিধামতে গ্ৰাহকে দোকান পছন্দ কৰি ল'বও পাৰে।

**জানি থওঁ আহা :**

- বস্তু এবিধ ক্ৰয় কৰাৰ বাবদ ইয়াৰ মূল্য হিচাপে যি মুদ্ৰা পৰিশোধ কৰা হয় তাকে বস্তুৰ দাম বা দৰ বোলা হয়।
- দৈনিক বজাৰৰ দোকানবোৰত চাউল, দাইল, আটা-ময়দা, কাপোৰ-কানি, বাচন-বৰ্তনৰ উপৰি বিভিন্ন কোম্পানীয়ে প্ৰস্তুত কৰা নিৰ্দিষ্ট দৰৰ মানবিশিষ্ট সামগ্ৰীসমূহ পোৱা যায়।

**উত্তৰ লিখা :**

- দৈনিক বজাৰবোৰক কিয় স্থায়ী বজাৰ বুলি কোৱা হয়?
- দৈনিক বজাৰৰ বৈশিষ্ট্যসমূহ কি কি?
- তোমালোকৰ অঞ্চলৰ এখন স্থায়ী বজাৰৰ নাম।

**ক্ৰিয়াকলাপ :**

তোমালোকৰ অঞ্চলৰ আশে-পাশে দৈনিক বজাৰ আছেনে? যদি আছে, কেইখনমান দোকানৰ নাম, তাত উপলব্ধ সামগ্ৰীৰ বজাৰ দৰ জানি লৈ এখন তালিকা প্ৰস্তুত কৰা।

দৈনিক বজাৰ বা স্থায়ী বজাৰবোৰ সাধাৰণতে নগৰ বা চহৰ অঞ্চলত বেছিকৈ থাকে যদিও আজি-কালি গাঁও অঞ্চলৰ ৰাজহুৱা স্থানতো দৈনিক বজাৰসমূহ দেখা যায়। গুৱাহাটীৰ ফাঁচী বজাৰ নগৰ অঞ্চলৰ এখন প্ৰসিদ্ধ দৈনিক বজাৰ।

## সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰ ঃ (Weekly/Biweekly Market)



তোমালোকৰ অঞ্চলত সপ্তাহটোৰ একো একোটা নিৰ্দিষ্ট দিনত ক'ত ক'ত বজাৰ বহে মন কৰিছানে? সপ্তাহৰ এটা বা দুটা নিৰ্দিষ্ট বাৰত কোনো নিৰ্দিষ্ট ঠাইত এই বজাৰবোৰ অস্থায়ীভাৱে বহে। এইবোৰক **সাপ্তাহিক বজাৰ বা অৰ্ধ-সাপ্তাহিক বজাৰ** বোলা হয়। এনেধৰণৰ বজাৰবোৰক হাটি বুলিও কোৱা হয়। সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰৰপৰা কি কি সামগ্ৰী কিনা হয় বাৰু?

গাঁৱৰ সৰহসংখ্যক মানুহে নিজে উৎপাদন কৰা কৃষিজাত সামগ্ৰী যেনে সৰিয়হ, তিল, তিচি, মৰাপাট, মাটিমাহ, ধান, চাউল, শাক-পাচলি, ফল-মূল আদিৰ লগতে গৰু, ম'হ, ছাগলী, ভেৰা, হাঁহ, পাৰ আদি সাপ্তাহিক বজাৰত বিক্ৰী কৰে। তদুপৰি স্থানীয় ভাৱে নানা ধৰণৰ তৈয়াৰী কাপোৰ, কাঠ আৰু বাঁহ-বেতৰ সামগ্ৰী, বিভিন্ন খোৱাবস্তু আদিও হাটত উলিওৱা হয়। বিক্ৰেতাই নিজৰ পৰিয়ালৰ বাবে প্ৰয়োজনীয় সামগ্ৰী আদিও এনে বজাৰৰপৰা ক্ৰয় কৰে। সাপ্তাহিক বজাৰত একেজাতীয় সামগ্ৰীৰ কেইবাখনো দোকান থাকে বাবে তুলনামূলকভাৱে বস্তুৰ দাম কিছু সস্তা হয়। গ্ৰাহকে বিভিন্ন দোকান চাই-চিতি বস্তুৰ মান অনুযায়ী দৰ-দাম কৰি কিনিব পাৰে। য'ত দাম কম হয় তাৰপৰাই গ্ৰাহকে বস্তু কিনিব খোজে। কোনো বিক্ৰেতাই বস্তুৰ দাম বেছিকৈ নিৰ্ধাৰণ কৰিলে ক্ৰেতাই সেই একে বস্তু কম দামত বিক্ৰী কৰা দোকানৰ পৰা ক্ৰয় কৰিব পাৰে। অৱশ্যে একে বস্তুৰ দাম বিভিন্ন সময়ত বেলেগ বেলেগ হ'ব পাৰে।

আমাৰ গাঁও অঞ্চলত বহুত সাপ্তাহিক/অৰ্ধ-সাপ্তাহিক বজাৰ বা হাটি আছে। নগৰ অঞ্চলতো এনে বজাৰ বহে। গুৱাহাটীৰ বেলতলা বজাৰ নগৰ অঞ্চলৰ এখন অৰ্ধ-সাপ্তাহিক বজাৰ। সেইদৰে গৌৰীসাগৰৰ মণ্ডলৰৰীয়া হাটি গ্ৰামাঞ্চলৰ এখন ডাঙৰ সাপ্তাহিক বজাৰ।

সাধাৰণতে সাপ্তাহিক বজাৰত স্থায়ী ঘৰৰ প্ৰয়োজন নাথাকে। সামগ্ৰীসমূহ বিক্ৰেতাই নিজৰ ঘৰতেই মজুত কৰি ৰাখে। আনহাতে স্থায়ী দোকান বা দৈনিক বজাৰৰ ক্ষেত্ৰত ঘৰ ভাৰা, বিজুলী শক্তি, কৰ্মচাৰী ইত্যাদিৰ বাবদ কিছু ব্যয় কৰিব লাগে। এই কাৰণে দৈনিক বজাৰৰ সামগ্ৰীৰ দাম তুলনামূলকভাৱে সাপ্তাহিক বজাৰতকৈ কিছু বেছি হয়। সাপ্তাহিক বজাৰৰ আন এটা সুবিধা হৈছে যে একে ঠাইৰপৰা আমি প্ৰয়োজনীয় সামগ্ৰীসমূহ একেলগে কিনিব পাৰোঁ।

### ক্ৰিয়াকলাপ ঃ

- সাপ্তাহিক বজাৰ কাক বোলে আৰু তাৰ প্ৰধান সুবিধা সমূহ কি কি, লিখি উলিওৱা
- সাপ্তাহিক বজাৰত সামগ্ৰীৰ দাম তুলনামূলকভাৱে কিছু কম হয়— তাৰ কাৰণ ব্যাখ্যা কৰা।

### জানি থওঁ আহা ঃ

অসমৰ কিছুমান চাহ বাগিচাৰ মজদুৰসকলক প্ৰতি পষেকৰ অন্তৰত বেতন দিয়া হয়। বেতনৰ দিনা সেই অঞ্চলত এখন বজাৰ বহে, তাক পষেকীয়া বজাৰ বোলা হয়। ইয়াত তেওঁলোকৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ কিনা-বেচা কৰা হয়।

## পাইকাৰী বজাৰ আৰু খুচুৰা বজাৰ ঃ (Wholesale Market & Retail Market)

মনসিং টেৰণে সূতাৰপাৰা সাপ্তাহিক বজাৰৰ চমচেৰ দোকানীৰপৰা ৬০ টকাত এটা গেঞ্জি কিনিলে। চমচেৰে গুৱাহাটীৰ ফাঁচী বজাৰত অৱস্থিত 'অৰুণ ষ্টোৰ'ৰপৰা ডজনে প্ৰতি ৬০০ টকা হিচাপত ৫ ডজন গেঞ্জি ক্ৰয় কৰিছিল। অৰুণ ষ্টোৰৰ মালিকে আকৌ কলকাতাৰ গেঞ্জি উৎপাদনকাৰী 'কমল সাহা এণ্ড কোম্পানী'ৰপৰা ডজনে প্ৰতি ৫০০ টকা দৰত ৫০ ডজন গেঞ্জি ক্ৰয় কৰিছিল।

| | |
|---|---|
| কলকাতা গেঞ্জি কাৰখানা | কমল সাহা এণ্ড কোঃ (গেঞ্জি উৎপাদনকাৰী) |
| ↓ | |
| গুৱাহাটী পাইকাৰীবজাৰ | অৰুণ ষ্টোৰ (পাইকাৰী ব্যৱসায়ী) পাইকাৰী দাম |
| ↓ | |
| সূতাৰপাৰা সাপ্তাহিক বজাৰ | চমচেৰ (খুচুৰা ব্যৱসায়ী) খুচুৰা দাম |
| ↓ | |
| মনসিং টেৰণ (গ্ৰাহক) | |

**বজাৰ শৃংখল** (Market Chain)

ওপৰৰ কথাখিনিৰপৰা আমি বুজিলোঁ যে দোকানৰপৰা ক্ৰয় কৰা সামগ্ৰীসমূহ সেই ঠাইতে উৎপাদন কৰা নহয়। সামগ্ৰীসমূহ কাৰখানাত উৎপাদন কৰা হয়। মনসিং টেৰণে কিনা গেঞ্জিটো কলকাতাৰ কমল সাহা এণ্ড কোম্পানী নামৰ কাৰখানাটোত উৎপাদন কৰা হৈছিল। উৎপাদনকাৰী আৰু গ্ৰাহকৰ মাজত পাইকাৰী আৰু খুচুৰা ব্যৱসায়ীসকল থাকে। ইয়াত চমচেৰ খুচুৰা ব্যৱসায়ী আৰু অৰুণ ষ্টোৰৰ মালিক পাইকাৰী ব্যৱসায়ী। আনহাতে কমল সাহা এণ্ড কোম্পানী উৎপাদনকাৰী। পাইকাৰী ব্যৱসায়ীয়ে য'ত বস্তু বিক্ৰী কৰে তাক **পাইকাৰী বজাৰ** আৰু বস্তুটোৰ যি দাম লয় তাক **পাইকাৰী দাম** বোলে। ঠিক সেইদৰে খুচুৰা ব্যৱসায়ীয়ে য'ত বস্তু বিক্ৰী কৰে তাক **খুচুৰা বজাৰ** আৰু বস্তুটোৰ যি দাম লয় তাক **খুচুৰা দাম** বোলা হয়।

উৎপাদনকাৰীৰপৰা সামগ্ৰীসমূহ পাইকাৰী বিক্ৰেতাই বৃহৎ পৰিমাণে কিনি লয়। সৰহ সামগ্ৰী একেলগে কিনাৰ বাবে পাইকাৰী বজাৰত বস্তুৰ দাম কিছু কম হয়। খুচুৰা বিক্ৰেতা বা ফেৰিৱালাবোৰে পাইকাৰী বিক্ৰেতাৰপৰা কম দামত বস্তু ক্ৰয় কৰে আৰু গ্ৰাহকৰ ওচৰত বেছি দামত বিক্ৰী কৰি লাভ অৰ্জন কৰে। বিক্ৰেতাই সদায় নিজে ক্ৰয় কৰা দামতকৈ অধিক দামত বস্তু বিক্ৰী কৰিবলৈ চেষ্টা কৰে। ক্ৰয় দামতকৈ বিক্ৰয় দাম বেছি হ'লে লাভ হয়। লাভ অৰ্জন কৰি জীৱন নিৰ্বাহ কৰাই হৈছে সকলো ব্যৱসায়ীৰ মূল লক্ষ্য।

বহুসময়ত অসাধু মধ্যভোগীসকলে একেবাৰে কম দৰত উৎপাদিত সামগ্ৰীসমূহ সৰহ পৰিমাণত উৎপাদনস্থলীৰপৰা কিনি আনি কৃত্ৰিম নাটনিৰ সৃষ্টি কৰে আৰু অতি উচ্চ দৰত চহৰ অঞ্চলৰ বজাৰত বিক্ৰী কৰে। এনে কাৰ্যৰ ফলত উৎপাদকসকলে নিজ নিজ উৎপাদনৰ বাবে উচিত মূল্য নাপায় লগতে যোগান শিকলিডাল অস্বাভাৱিকভাৱে দীঘল হৈ গৈ থাকে। উৎপাদন ক্ষেত্ৰসমূহত বিশেষকৈ কৃষিখণ্ডত কৃষকসকলৰ দুৰ্বল আৰ্থিক স্থিতি তথা অজ্ঞতাৰ বাবে এনে পৰিস্থিতিৰ সৃষ্টি হয়।

### জানি থওঁ আহা ঃ

কোনো এবিধ দ্ৰব্য উৎপাদন হোৱাৰ পাছত বিভিন্ন প্ৰক্ৰিয়া অতিক্ৰম কৰি ব্যৱহাৰ বা উপভোগৰ বাবে উপভোক্তাৰ ওচৰ পায়গৈ। দ্ৰব্য এবিধে এনেদৰে পাৰ হৈ অহা আটাইবোৰ প্ৰক্ৰিয়া বা পৰ্যায়ৰ সমষ্টিক যোগান শিকলি ( Supply Chain ) বোলা হয়।

### উত্তৰ লিখা ঃ

- চমচেৰে মনসিং টেৰণক বিক্ৰী কৰা গেঞ্জিটোৰ পাইকাৰী দাম কিমান আছিল?
- গেঞ্জিটোৰ খুচুৰা দাম কিমান আছিল?
- মনসিং টেৰণক গেঞ্জিটো বিক্ৰী কৰি চমচেৰে কিমান টকা লাভ কৰিলে বা কিমান টকা লোকচান ভৰিলে?

- চমুচেৰে অৰুণ ষ্টোৰৰ পৰা কিনি অনা আঠাইকেইটা গেঞ্জি খুচুৰা বজাৰত বিক্ৰী কৰিলে মুঠতে কিমান লাভ কৰিব পাৰিব?
- অৰুণ ষ্টোৰৰ মালিকে একোটা গেঞ্জিত কিমান টকাকৈ লাভ কৰিছে?

**ক্ৰিয়াকলাপ ঃ**

- মনসিং টেৰণে কিনা গেঞ্জিটো কলকাতাস্থিত কমল সাহা এণ্ড কোম্পানীৰপৰা কিনিবলগীয়া হোৱাহেঁতেন কি অৱস্থাৰ সন্মুখীন হ'লহেঁতেন ? নিজে চিন্তা কৰি লিখা।

এই বজাৰসমূহৰ উপৰি আমাৰ চাৰিওফালে থকা আৰু কি কি বজাৰৰ সুবিধা আমি লাভ কৰোঁ তাৰ আভাস লওঁ আহা।

## হকাৰে চলোৱা বজাৰ ঃ

হকাৰ বা ফেৰিৱালাৰ পৰা আমি শাক-পাচলি, গাখীৰ, ফল-মূল, কণী, প্ৰসাধন সামগ্ৰী, কেৰাচিন, সুলভ মূল্যৰ লাগতিয়াল সামগ্ৰী, বাতৰি কাকত আদি কিনো। তেওঁলোকে বস্তু কঢ়িয়াই নি ঘৰে ঘৰে বিক্ৰী কৰে। হকাৰ বা ফেৰীৱালাই বিক্ৰী কৰা সৰহসংখ্যক সামগ্ৰীৰ দৰসমূহ নিৰ্দিষ্ট নহয়।




## শ্বপিং মল ঃ

শ্বপিং মল হ'ল এটা ডাঙৰ বা বহু খলপীয়া ঘৰত থকা বজাৰ, য'ত আমাৰ প্ৰয়োজনীয় প্ৰায়বোৰ সামগ্ৰী বিভিন্ন ঠাইত আকৰ্ষণীয়ভাৱে সজাই থোৱা থাকে। তাত গ্ৰাহকে নিজৰ পছন্দ অনুসৰি সামগ্ৰীসমূহ সংগ্ৰহ কৰি নিৰ্দিষ্ট ঠাইত বিল পৰিশোধ কৰিব পাৰে। এনে বজাৰৰ এক বিশেষ সুবিধা হ'ল- গ্ৰাহকে বিভিন্ন বস্তুৰ বাবে দোকান বিচাৰি ইঠাইৰপৰা সিঠাইলৈ ঘূৰি ফুৰিব নালাগে। শ্বপিং মলৰ মালিকীস্বত্ব এজন ব্যক্তি বা কেইজনমান ব্যক্তিৰ এটা গোটৰ হাতত থাকে।

## শ্বপিং কমপ্লেক্স ঃ

শ্বপিং কমপ্লেক্স হ'ল এটা ডাঙৰ ঘৰত থকা কিছুমান দোকানৰ সমষ্টি য'ত দোকান ভেদে বিভিন্ন সামগ্ৰী বেচা-কিনা কৰা হয়। ইয়াত সাধাৰণতে প্ৰতিখন দোকানৰে মালিকীস্বত্ব বেলেগ বেলেগ হয়।

## অনলাইন শ্বপিং ঃ

অনলাইন শ্বপিং ব্যৱস্থাত ইন্টাৰনেট সেৱাৰ সুবিধাযুক্ত কম্পিউটাৰ অথবা স্মাৰ্টফোনৰ সহায়ত মানুহে ঘৰতে থাকি নিত্য ব্যৱহাৰ্য সামগ্ৰী যেনে খাদ্যবস্তু, কাপোৰ-কানি, ঔষধ-পাতি, প্ৰসাধন, কিতাপ-কাগজ, টিভি, ৰেফ্ৰিজাৰেটৰ, আচবাব, বাচন-বৰ্তনলৈকে সকলোধৰণৰ দ্ৰব্য কিনিব পৰা সুবিধা হৈছে। ইয়াৰ জৰিয়তে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত দেখা সাক্ষাৎ নোহোৱাকৈ বেহা-বেপাৰ সম্ভৱ হৈ পৰিছে।

**মনত ৰাখিবলগীয়া কথা ঃ**

- বিনিময় প্ৰথাত সামগ্ৰীৰ সলনি সামগ্ৰী বিনিময় কৰা হয়।
- মুদ্ৰা হিচাপে বিবেচিত হবলৈ কোনো এবিধ বস্তু বা সামগ্ৰীক বিনিময়ৰ মাধ্যম হিচাপে সকলোৱে গ্ৰহণ কৰিব লাগিব। ই হৈছে মুদ্ৰাৰ প্ৰাথমিক কাৰ্য তথা বৈশিষ্ট্য।

- বজাৰ বুলিলে মুদ্ৰাৰ মাধ্যমত সামগ্ৰী আৰু সেৱাৰ কিনা-বেচা কৰা ব্যৱস্থাটোকে বুজোঁ।
- দৈনিক বজাৰসমূহ স্থায়ীবিধৰ বজাৰ। এনে বজাৰ সপ্তাহটোৰ প্ৰায়ভাগ দিনতে খোলা থাকে।
- বস্তু এটা ক্ৰয় কৰাৰ বাবে মুদ্ৰাৰ মাধ্যমত যি মূল্য প্ৰদান কৰোঁ তাকে বস্তুটোৰ দাম বা দৰ বুলি কোৱা হয়।
- একেবিধ সামগ্ৰীৰ দাম স্থান, মান আৰু কাল ভেদে বেলেগ বেলেগ হ'ব পাৰে।
- সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰ বা হাট সপ্তাহটোৰ যিকোনো এটা বা দুটা নিৰ্দিষ্ট দিন বা বাৰত বহে।
- সাপ্তাহিক বা অৰ্ধ সাপ্তাহিক বজাৰত কিছুমান বস্তুৰ দাম দৈনিক বজাৰৰ তুলনাত কিছু কম হয়।
- পাইকাৰী বিক্ৰেতাই উৎপাদনকাৰীৰপৰা সামগ্ৰী ক্ৰয় কৰে।
- পাইকাৰী বিক্ৰেতাই একেধৰণৰ বস্তু একেলগে সৰহসংখ্যক কিনে।
- খুচুৰা বিক্ৰেতাই পাইকাৰী বিক্ৰেতাৰপৰা সামগ্ৰী ক্ৰয় কৰে।
- বস্তুৰ পাইকাৰী দাম খুচুৰা দামতকৈ কম হয়।
- বিক্ৰেতাবোৰে নিজে ক্ৰয় কৰা দামতকৈ বেছি দামত বস্তু বিক্ৰী কৰি লাভ অৰ্জন কৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) বিনিময় প্ৰথা কাক বোলে?

(খ) বজাৰ মানে কি ?

(গ) দৈনিক বজাৰৰ সুবিধাসমূহ কি কি?

(ঘ) বস্তুৰ দাম বা দৰ মানে কি?

(ঙ) সাপ্তাহিক বজাৰত বস্তুৰ দাম কিয় কম হয়?

(চ) জোনবিল মেলা কিহৰ বাবে বিখ্যাত?

২। উত্তৰ লিখা—

(ক) দৈনিক বজাৰ আৰু সাপ্তাহিক বজাৰৰ মাজত কি কি পাৰ্থক্য আছে?

(খ) বিভিন্ন প্ৰকাৰৰ বজাৰবোৰে আমাৰ সামাজিক প্ৰয়োজনবোৰ কি দৰে পূৰ কৰে?

(গ) পাইকাৰী বিক্ৰেতাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা।

(ঘ) বজাৰ শৃংখল মানে কি?

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) গ্ৰাহকে বস্তু ক্ৰয় কৰে—

(i) পাইকাৰী বিক্ৰেতাৰপৰা (ii) খুচুৰা বিক্ৰেতাৰপৰা (iii) উৎপাদনকাৰীৰপৰা।

(খ) বস্তু এটাৰ কিনা দামতকৈ বিক্ৰী দাম বেছি হ'লে ব্যৱসায়ীজনৰ—

(i) লাভ হয়, (ii) লোকচান হয় (iii) একো নহয়

(গ) ঘৰে ঘৰে গৈ বস্তু বিক্ৰী কৰা বিক্ৰেতাসকলক—
(i) পাইকাৰী বিক্ৰেতা (ii) খুচুৰা বিক্ৰেতা (iii) হকাৰ বা ফেৰীৱালা বোলে।

(ঘ) সকলো ব্যৱসায়ীয়ে বস্তু ক্ৰয়-বিক্ৰয় কৰাৰ মূল লক্ষ্য হৈছে—
(i) বিক্ৰী বৃদ্ধি কৰা (ii) লাভ অৰ্জন কৰা (iii) লোকচান কৰা।

৪। খালী ঠাই পূৰ কৰা—

(ক) ___________ সহায়ত আমি আমাৰ জীৱনৰ প্ৰয়োজনীয় সামগ্ৰীসমূহ বজাৰৰ পৰাই কিনো।

(খ) বস্তুৰ পাইকাৰী দামতকৈ খুচুৰা দাম ___________ হয়।

(গ) ___________ বজাৰৰ পুৰণি ব্যৱস্থা।

(ঘ) উৎপাদনকাৰীৰপৰা ___________ বিক্ৰেতাই সৰহ পৰিমাণৰ বস্তু ক্ৰয় কৰে।

(ঙ) ___________ হৈছে বস্তু কিনা-বেচাৰ মাধ্যম।

(চ) ক্ৰয় দামতকৈ বিক্ৰী দাম কম হ'লে ___________ হয়।

৫। প্ৰকল্প ঃ

তুমি বাস কৰা অঞ্চলত থলুৱাভাৱে উৎপাদিত বিক্ৰীযোগ্য সামগ্ৰীসমূহৰ এখন তালিকা প্ৰস্তুত কৰি সেই সামগ্ৰীসমূহ কোন কোন বজাৰলৈ পঠিওৱা হয় বৰ্ণনা কৰা।

# পাঠ ঃ ১৯
# পৰিকল্পনা, বাজেট আৰু উন্নয়ন


S5H3R5

## শিকনৰ ফলাফল ঃ

- প্ৰতিটো পৰিয়ালেই যে এটা নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত নিৰ্দিষ্ট আয় বা উপাৰ্জনৰ দ্বাৰা পৰিচালিত হয় সেই বিষয়ে জানিব পাৰিব।
- প্ৰতিখন ৰাষ্ট্ৰ পৰিচালনাৰ বাবে যে চৰকাৰী পৰিকল্পনা অপৰিহাৰ্য তাক বুজিব পাৰিব।
- প্ৰতিখন ৰাষ্ট্ৰই নিজৰ আয়ৰ ওপৰত ভিত্তি কৰি নিৰ্দিষ্ট সময়ৰ বাবে বাজেট প্ৰস্তুত কৰে, সেই বিষয়ে জানিব
- ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনা আৰু বৰ্তমানৰ নিতি আয়োগৰ গুৰুত্ব বুজিব পাৰিব।
- পৰিয়াল আৰু দেশৰ প্ৰগতিত পৰিকল্পনা আৰু বাজেটৰ গুৰুত্ব উপলব্ধি কৰিব।

এইবাৰ মনীষাৰ জন্মদিন দেওবাৰ এটাত পৰিছে। তাতে পাছদিনা সোমবাৰটোও চৰকাৰী ছুটীৰ দিন। কথাটো জানি মনীষা আৰু ককায়েক ঋষভৰ উলাহৰ অন্ত নাই। সিহঁতহালৰ অনেক জল্পনা-কল্পনা। কাৰণ বন্ধৰ দিনৰ মজাই বেলেগ তাতে আকৌ জন্মদিনৰ মজা। মাক অৰুণিমায়ো দুটা বন্ধৰ দিন একেলগে পোৱা কাৰণে ভাল পাইছে।

আহাচোন তলৰ কথাখিনিৰপৰা মনীষাৰ পৰিয়ালে তেওঁৰ জন্মদিনটো কেনেদৰে উদ্‌যাপন কৰিব বিচাৰিছে তাৰ আভাস পাওঁ—



মনীষাহঁতৰ আচল ঘৰ দৰং জিলাৰ পাথৰিঘাটত। ল'ৰা-ছোৱালীহালক পঢ়ুৱাবৰ বাবে সিহঁতৰ সৈতে মাক অৰুণিমা যোৱা বছৰৰপৰা মঙলদৈ চহৰৰ নতুন ঘৰটোত থাকিবলৈ লৈছে। চাকৰিৰ দায়িত্ব এৰাব নোৱাৰা বাবে দেউতাক গুৱাহাটীৰ ভাড়াঘৰত থাকে। কাৰ্যালয় বন্ধৰ দিনত মঙলদৈলৈ আহে। গুৱাহাটীত থকা দেউতাকৰ লগত অৰুণিমাই ম'বাইলত কথা পাতিছে—



অৰুণিমাই ল'ৰা-ছোৱালীহালৰ লগতে সিহঁতৰ দেউতাকৰ মনৰ ইচ্ছাখিনি জানি লৈ চিন্তা কৰিলে যে পৰিয়ালৰ সকলোৰে মনত ভাল লগাকৈ মনীষাৰ জন্মদিনটো পালন কৰা উচিত। কাৰণ পৰিয়ালটো সুখে-সন্তোষে থাকিবলৈ হ'লে ল'ৰা-ছোৱালী বা জ্যেষ্ঠ জনৰ সদিচ্ছাবোৰক সদায় গুৰুত্ব দিব লাগে। পৰিয়ালৰ কল্যাণৰ বাবেও এনেবোৰ চিন্তা গ্ৰহণ কৰিবলগীয়া।

এইবাৰ আটাইকেইজনৰ ইচ্ছাবোৰক অৰুণিমাই পুনৰবাৰ মনৰ ভিতৰত আওৰাই ল'লে—










তিনিওৰে ইচ্ছাবোৰ মহৎ আৰু গ্ৰহণ কৰিবলগীয়া। মনীষাৰ জন্মদিনটো সেইমতেই হওক বুলি অৰুণিমাই সিদ্ধান্ত লৈ পেলালে। পাথৰিঘাটৰ ঘৰলৈকো ফোন কৰি সকলোখিনি জনালে। তাৰ পিছত তেওঁ তলৰ কথাখিনি ভালদৰে জুকিয়াই ল'লে—

- জন্মদিনটো পালন কৰিবলৈ সময় হিচাপে দুদিনৰ প্ৰয়োজন হ'ব।
- দুদিনৰ কাৰণে ভাড়া গাড়ী এখন বন্দোবস্ত কৰিব লাগিব। তেলৰ পইচা বেলেগে দিব লাগিব।
- পাথৰিঘাট আৰু বিজ্ঞান যাদুঘৰলৈ যাওঁতে লগত কিছু খোৱা সামগ্ৰী লৈ যাব লাগিব।
- মনীষাৰ বন্ধু-বান্ধৱীক খুৱাবলৈ বস্তুৰ যোগাৰ কৰিব লাগিব।
- বিপুলৰ বাবে স্কুলবেগ এটা কিনিব লাগিব।
- দুই এটা সৰু-সুৰা দৰবো লগত লৈ যাব লাগিব....।

কথাখিনি আৰু এবাৰ চিন্তা কৰি অৰুণিমাই বহীত লিখি ল'লে। লিখা শেষ কৰি তেওঁ দুয়োদিনৰ বাবে হ'বলগীয়া আনুমানিক খৰচৰ চিন্তা কৰাত লাগিল। কাৰণ খৰচখিনি তেওঁৰ হাতত থকা ধনৰপৰাই কৰিব লাগিব।

অৰুণিমা এগৰাকী মিতব্যয়ী মহিলা। নভবা-নিচিন্তাকৈ তেওঁ কেতিয়াও টকা-পইচা অবাবত খৰচ নকৰে। মাহটোৰ বাবে প্ৰয়োজনীয় খৰচ কৰি ৰাহি হোৱা ধনখিনি অৰুণিমাই প্ৰতিমাহে নিয়মিত সঞ্চয় কৰে। সঞ্চয়ৰ ধন আৰু সেইমাহৰ

খৰচৰ বাবে হাতত থকা ধনৰপৰাহি তেওঁ মনীষাৰ জন্মদিন উপলক্ষে বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ এটা হিচাপ প্ৰস্তুত কৰি উলিয়ালে।

অৰুনিমাই চিন্তা কৰি প্ৰস্তুত কৰা মতে হ'বলগীয়া খৰচৰ তালিকাখন এনে ধৰণৰ—

| হাতত থকা ধনৰ পৰিমাণ | বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ হিচাপ | |
|---|---|---|
| ✪ মাহটোৰ খৰচৰ বাবে হাতত পোৱা ধন— ২০,০০০·০০ টকা<br>✪ আগৰ জমা (সঞ্চয়) ধন— ১০,০০০·০০ টকা | ✪ ভাড়াগাড়ী বাবদ— | ৩,০০০·০০ টকা |
| | ✪ ডিজেলৰ বাবদ— | ২,০০০·০০ টকা |
| | ✪ লগত নিবলগীয়া খোৱা বস্তুৰ বাবদ— | ৮০০·০০ টকা |
| | ✪ মনীষাৰ বন্ধু-বান্ধবীক খুউৱাৰ বাবদ— | ২,০০০·০০ টকা |
| | ✪ বিপুলৰ স্কুলবেগৰ বাবদ— | ৪০০·০০ টকা |
| | ✪ দৰব-পাতিৰ বাবদ— | ১৫০·০০ টকা |
| মুঠ ধন— ৩০,০০০·০০ টকা | হ'বলগীয়া মুঠ খৰচ — | ৮,৩৫০·০০ টকা |

মনীষাৰ জন্মদিন উদ্‌যাপনৰ কথাখিনি আমিও এনেদৰে ভাবি চাও আহা—

- মাক অৰুণিমাই মনীষাৰ জন্মদিনটো এনেদৰে পালন কৰিবলৈ চিন্তা কৰিছে যাতে পৰিয়ালৰ সকলোৱে আনন্দ লাভ কৰে।
- দুয়ো দিনতে কিছুমান বিশেষ কাম সম্পাদন হ'ব।
- কামবোৰ কৰিবলৈ অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হ'ব।
- মাহটোৰ খৰচৰ বাবে তেওঁৰ হাতত থকা ধন আৰু বাহি ধনৰপৰাই জন্মদিনৰ খৰচ উলিয়াব লাগিব।
- খৰচবোৰ কৰোঁতে ভাবি-চিন্তি কৰিব লাগিব যাতে টকা-পইচাৰ অপব্যয় নহয়।
- জন্মদিনটো উদ্‌যাপন কৰাৰ নামত পৰিয়ালটোৰ কল্যাণ ব্যাহত হ'ব নালাগিব।

ওপৰৰ কথাখিনিৰপৰা তোমালোকে নিশ্চয় ধাৰণা কৰিব পাৰিছা যে মাকে মনীষাৰ জন্মদিনটো পালন কৰিবলৈ প্ৰথমতে এক পৰিকল্পনা কৰিছে। পৰিকল্পনামতে কামবোৰ নিয়াৰিকৈ কৰিবলৈ খৰচৰ এক হিচাপো প্ৰস্তুত কৰি উলিয়াইছে।

**এইদৰে অৰুণিমাই ছোৱালীৰ জন্মদিন উপলক্ষে যিখিনি কামৰ চিন্তা আগতীয়াকৈ কৰিছে সেয়া হৈছে জন্মদিনৰ পৰিকল্পনা। এই পৰিকল্পনামতে কামসমূহ ৰূপায়ণ কৰিবলৈ কিমান অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হ'ব, সেই অৰ্থ ক'ৰ পৰা পাব, কেনেকৈ খৰচ কৰিব আদিৰ হিচাপ তেওঁ যিদৰে কৰিছে সেয়া হৈছে জন্মদিনৰ বাজেট।**

ঠিক তেনেদৰে প্ৰতিটো পৰিয়ালৰে মাহিলী কৰিবলগীয়া কামৰ এক নিৰ্দিষ্ট পৰিকল্পনা থাকে। পৰিকল্পিত কামসমূহ

সম্পন্ন কৰিবলৈ পৰিয়ালে নিজস্ব মাহিলী বাজেট প্ৰস্তুত কৰি লয় যাতে উপাৰ্জিত ধনেৰে পৰিয়ালটো ভালদৰে চলিব পাৰে।

**উত্তৰ লিখা ঃ**

- অৰুণিমাই মনীষাৰ জন্মদিনটো কেনেদৰে উদ্‌যাপন কৰিবলৈ বিচাৰিছে?
- জন্মদিন পালনৰ বাবে প্ৰয়োজনীয় ধন তেওঁ ক'ৰপৰা পাব?
- জন্মদিন উদ্‌যাপনৰ বাবে পৰিকল্পনা কৰাৰ প্ৰয়োজন কি?

**জানি থওঁ আহা ঃ**

মিতব্যয়িতা এটা সজ গুণ। ঘৰুৱা সম্পদৰ লগতে ৰাজহুৱা সম্পদো মিতব্যয়িতাৰে ব্যৱহাৰ কৰিবলৈ মানুহে সৰুৰে পৰাই শিকিব লাগে।

দেশ আৰু দেশৰ জনসাধাৰণৰ বাবে চৰকাৰে বিভিন্ন কাম-কাজ কৰে। সাধাৰণতে এনে কামৰ তালিকাত কল্যাণমূলক কাম-কাজবোৰক প্ৰাধান্য দিয়া হয়। এই কল্যাণমূলক কামবোৰ কেতিয়া, কেনেকৈ, কাৰ দ্বাৰা কৰা হ'ব, সেই বিষয়ে চৰকাৰে আগতীয়াকৈ চিন্তা কৰি পৰিকল্পনা যুগুত কৰে অথবা নীতি প্ৰস্তুত কৰে। সেই পৰিকল্পনাসমূহ বাস্তৱত ৰূপায়ণ কৰিবলৈ এটা নিৰ্দিষ্ট সময়ত বুজন পৰিমানৰ অৰ্থৰ প্ৰয়োজন। এই অৰ্থসমূহ ক'ৰপৰা আহিব, চৰকাৰৰ উপাৰ্জন কিমান হ'ব আদি আৰ্থিক দিশৰ কথাবোৰ জড়িত হৈ থাকে বাবে এনে পৰিকল্পনাক **অৰ্থনৈতিক পৰিকল্পনা** বোলা হয়। ব্যক্তিগত পৰিকল্পনা বাস্তৱায়িত কৰিবলৈ পৰিয়াল এটাই যিদৰে বাজেট নিৰ্ধাৰণ কৰে, চৰকাৰী পৰিকল্পনা ৰূপায়ণ কৰিবলৈও চৰকাৰে বাজেট প্ৰস্তুত কৰে। অৱশ্যে ব্যক্তিগত আৰু চৰকাৰী বাজেটৰ ভিত্তি একে নহয়। ব্যক্তিগত বাজেটৰ ক্ষেত্ৰত দেখা যায় এটা পৰিয়ালে আয় চাই ব্যয় কৰে। আনহাতে চৰকাৰী বাজেটৰ ক্ষেত্ৰত দেখা যায় যে, চৰকাৰে পোনপ্ৰথমে ব্যয়ৰ পৰিমাণৰ সৈতে শিতানসমূহ নিৰ্ধাৰণ কৰে আৰু তাৰ পাছতহে আয় আহৰণৰ বাবে পদক্ষেপ গ্ৰহণ কৰে। এখন দেশত বা ৰাজ্যত এক নিৰ্দিষ্ট সময়ৰ বাবে বিভিন্ন প্ৰকাৰৰ প্ৰস্তাৱিত ব্যয়ৰ পৰিমাণ, ভিন ভিন প্ৰকাৰৰ সম্ভাব্য আয়ৰ উৎস আৰু আয়ৰ পৰিমাণ নিৰ্ধাৰণ কৰা হিচাপৰ বিৱৰণক চৰকাৰী বাজেট বোলা হয়।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ক্ষিপ্ৰ অৰ্থনৈতিক উন্নয়ন সুনিশ্চিত কৰাৰ উদ্দেশ্যে পৰিকল্পনা প্ৰস্তুত কৰিবলৈ আৰু ইয়াৰ সঠিক ৰূপায়নৰ বাবে ১৯৫০ চনত পৰিকল্পনা আয়োগ (Planning Commission) গঠন কৰা হৈছিল। ১৯৫১ চনৰপৰা আমাৰ দেশত আৰম্ভ হোৱা প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে অৰ্থনৈতিক পৰিকল্পনাৰ সূচনা কৰা হয়। ভাৰতত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ জৰিয়তে উপনীত হ'ব বিচৰা লক্ষ্যসমূহ হ'ল—

- উচ্চ হাৰৰ অৰ্থনৈতিক বৃদ্ধি আহৰণ কৰা।
- অৰ্থনীতিৰ বিভিন্ন খণ্ডত আধুনিকীকৰণ সুনিশ্চিত কৰা।
- সামাজিক ন্যায় স্থাপন আৰু অৰ্থনৈতিক অসমতা দূৰীকৰণৰ লক্ষ্যত উপনীত হোৱা।
- আত্মনিৰ্ভৰশীলতা অৰ্জন।
- অৰ্থনীতিত অব্যৱহৃত বা অৰ্দ্ধ ব্যৱহৃত হৈ থকা সম্পদৰাজিৰ পূৰ্ণ নিয়োগ নিশ্চিত কৰা।

ইয়াৰ লগতে প্ৰত্যেক পঞ্চবাৰ্ষিক পৰিকল্পনাই একোটা বিশেষ খণ্ডক বা উদ্দেশ্যক অধিক প্ৰাধান্য দি আহিছে। যেনে- প্ৰথম (১৯৫১-৫৬) পঞ্চবাৰ্ষিক পৰিকল্পনাই কৃষিখণ্ডক অধিক গুৰুত্ব দিছিল, উদ্যোগীকৰণে দ্বিতীয় (১৯৫৬-৬১) পঞ্চবাৰ্ষিক পৰিকল্পনাত সৰ্বাধিক প্ৰাধান্য লাভ কৰিছিল। দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত বহনক্ষম (Sustainable) আৰু সমূহীয়া অন্তৰ্ভুক্তিকৃত

**জানি থওঁ আহা ঃ**

চৰকাৰী বাজেটত ব্যয়তকৈ আয়ৰ পৰিমাণ অধিক হ'লে তাক ৰাহি বাজেট (Surplus Budget) বোলে। আকৌ আয়তকৈ ব্যয়ৰ পৰিমাণ অধিক হ'লে তাক ঘাটি বাজেট (Deficit Budget) বোলা হয়। আনহাতে চৰকাৰৰ বাজেটত আয় আৰু ব্যয়ৰ পৰিমাণ সমান হ'লে তাক সুষম বাজেট (Balanced Budget) বোলা হয়।

(Inclusive Growth)ৰ উদ্দেশ্যই আটাইতকৈ বেছি গুৰুত্ব লাভ কৰিছিল। পৰিকল্পনাৰ কালছোৱাত অৰ্থনৈতিক উন্নয়ন সাধনৰ উদ্দেশ্যে দৰিদ্ৰতা দূৰীকৰণ, নিয়োগ সৃষ্টি, জনসংখ্যা নিয়ন্ত্ৰণ, আন্তঃগাথনি সৃষ্টি আদি দিশত অসংখ্য পদক্ষেপ গ্ৰহণ কৰা হৈছিল। অৱশ্যে দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ (২০১২-২০১৭) সামৰণিৰ লগে লগে আমাৰ দেশত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অৱসান ঘটোৱা হয়। ২০১৫ চনত গঠন হোৱা নিতি আয়োগ(NITI: National Institution for Transforming India)ৰ কাৰ্যপ্ৰণালী আৰু ক্ষমতা পৰিকল্পনা আয়োগতকৈ পৃথক। নিতি আয়োগে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যসমূহৰ সহযোগিতাত ফলপ্ৰসূ উন্নয়নমূলক আচনি গঠনৰ পোষকতা কৰে। এই আয়োগে কেতবোৰ গুৰুত্বপূৰ্ণ তথা মৌলিক আঁচনিৰ ক্ষেত্ৰত কেন্দ্ৰ তথা ৰাজ্য উভয়কে কৌশলগত আৰু প্ৰযুক্তিগত দিহা পৰামৰ্শ প্ৰদান কৰে। আমাৰ দেশৰ প্ৰধানমন্ত্ৰী গৰাকীয়ে নিতি আয়োগৰ অধ্যক্ষৰ দায়িত্ব সম্পাদন কৰে। আগলৈ তোমালোকে আমাৰ দেশৰ পৰিকল্পনা তথা দেশৰ অৰ্থনৈতিক উন্নয়নৰ সৈতে জড়িত বিভিন্ন দিশ সম্পৰ্কে বিশদভাৱে জানিবলৈ পাবা।

ওপৰৰ আলোচনাৰপৰা এটা কথা স্পষ্ট হয় যে, চৰকাৰী পৰিকল্পনাত উন্নয়নমূলক কাম-কাজসমূহক বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। এই কাম-কাজসমূহ ৰূপায়ণৰ বাবে চৰকাৰক বিত্ত বা অৰ্থৰ প্ৰয়োজন হয়। ইয়াৰ উপৰি আইন-শৃংখলা সুচাৰুৰূপে পৰিচালনা কৰিবলৈ আৰু দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰিবলৈ চৰকাৰে বৃহৎ পৰিমাণৰ ব্যয় বহন কৰিব লাগে। এই প্ৰয়োজনীয় বিত্ত বা অৰ্থ চৰকাৰে ক'ৰপৰা আহৰণ কৰে বাৰু? চৰকাৰী ৰাজহৰ উৎসসমূহ কৰ(Tax), ৰাজহ (Tax Revenue) আৰু অনাকৰ ৰাজহ (Non Tax Revenue) নামেৰে দুটা ভাগত বিভক্ত। কোনো প্ৰত্যক্ষ প্ৰতিদান আশা নকৰাকৈ চৰকাৰক বাধ্যতামূলকভাৱে দিবলগীয়া ধনেই হৈছে কৰ। আয়কৰ, (Income Tax), নিগম কৰ(Corporate Tax), দ্ৰব্য আৰু সেৱা কৰ (GST: Goods and Services Tax), আবকাৰী শুল্ক (Excise Duty) ইত্যাদি আমাৰ দেশত প্ৰচলিত কেতবোৰ কৰৰ উদাহৰণ। আনহাতে মাচুল, জৰিমনা, দান-অনুদান, ডাক-টিকটৰ দাম আদিবোৰ অনাকৰ ৰাজহৰ অন্তৰ্ভুক্ত।

সাম্প্ৰতিক কালত বিভিন্ন কাৰণত চৰকাৰী ব্যয় ব্যাপক ভাৱে বৃদ্ধি পাবলৈ লৈছে। বৰ্ধিত ব্যয়ৰ বাবে প্ৰয়োজনীয় পুঁজি আহৰণ কৰিবলৈ চৰকাৰে কেন্দ্ৰীয় বেংক, বাণিজ্যিক বেংক, বিদেশী ৰাষ্ট্ৰ, আন্তৰ্জাতিক সংগঠন, অন্যান্য বিত্তীয় অনুষ্ঠান আৰু জনসাধাৰণৰপৰা ঋণ সংগ্ৰহ কৰে। ইয়াৰ লগতে ৰাজহুৱা খণ্ডৰ উদ্যোগৰ অংশ বিক্ৰী কৰিও চৰকাৰে পুঁজি সংগ্ৰহ কৰে।

**উত্তৰ লিখা ঃ**

- চৰকাৰ এখনে কাৰ কল্যাণৰ হকে কাম কৰে ?
- চৰকাৰ এখনৰ আয়ৰ উৎসমূহ কি কি?
- কি কি কামত চৰকাৰে ব্যয় বহন কৰে?
- আমাৰ দেশত কোন চনৰপৰা পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাম হাতত লোৱা হৈছিল?

## মনত ৰাখিবলগীয়া কথা ঃ

- পৰিয়ালৰ কল্যাণৰ বাবে পৰিয়ালৰ সদস্যসকলৰ গঠনমূলক মনোভাৱক গুৰুত্ব দিয়াটো বাঞ্ছনীয়।
- প্ৰতিটো পৰিয়ালৰে এটা নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিবলগীয়া কামৰ পৰিকল্পনা থাকে।
- পৰিকল্পনা মতে কাম কৰিবলৈ পৰিয়ালসমূহে নিজস্ব বাজেট প্ৰস্তুত কৰে।
- চৰকাৰে কৰা কাম-কাজত কল্যাণমূলক কামবোৰে প্ৰাধান্য পায়।

- কল্যাণমূলক কাম-কাজসমূহ নির্দিষ্ট সময়ৰ ভিতৰত ভালদৰে ৰূপায়িত কৰিবলৈ চৰকাৰে বাজেট প্ৰস্তুত কৰে।
- ২০১৫ চনত নিতি আয়োগ গঠন হয়। প্ৰধানমন্ত্ৰী এই আয়োগৰ অধ্যক্ষ।
- ১৯৫১ চনৰপৰা আমাৰ দেশত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সূচনা হয়।
- ২০১৭ চনত দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সামৰণিৰ লগে লগে আমাৰ দেশত পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অৱসান ঘটে।
- আয়কৰ, দ্ৰব্য আৰু সেৱা কৰ, আবকাৰী শুল্ক, নিগম কৰ আদি কৰ ৰাজহৰ উৎস।
- জৰিমনা, মাচুল, দান, অনুদান, ডাক-টিকটৰ দাম আদি অনাকৰ ৰাজহৰ উৎস।
- চৰকাৰী ব্যয় বহনৰ উদ্দেশ্যে প্ৰয়োজনীয় পুঁজি আহৰণ কৰিবলৈ চৰকাৰে বিভিন্ন উৎসৰপৰা ঋণ সংগ্ৰহ কৰে।
- ৰাজহুৱা খণ্ডৰ অন্তৰ্গত অব্যৱহৃত আৰু অৰ্ধ ব্যৱহৃত সম্পদ বিক্ৰী কৰিও চৰকাৰে সময়ে সময়ে পুঁজি আহৰণ কৰে।

## অনুশীলনী ঃ

১। **চমু উত্তৰ লিখা—**

(ক) সঞ্চয়ৰ অৰ্থ কি?

(খ) পৰিকল্পনা কাক বোলে?

(গ) বাজেট মানে কি ?

(ঘ) কল্যাণমূলক কাম কাক বোলে ?

(ঙ) নিতি আয়োগ কোন চনত গঠন কৰা হয়?

২। **উত্তৰ লিখা—**

(ক) কোনো এখন দেশৰ পৰিকল্পনাত কোনবোৰ কামক গুৰুত্ব দিয়া হয়? কামবোৰ কৰিবলৈ চৰকাৰে কেনেদৰে অৰ্থ আহৰণ কৰে?

(খ) ভাৰতত পঞ্চবাৰ্ষিক পৰিকল্পনা কাৰ্যসূচীৰ জৰিয়তে কি কি লক্ষ্যত উপনীত হ'ব বিচৰা হৈছে?

৩। **শুদ্ধ উত্তৰটো বাছি উলিওৱা—**

(ক) নিতি আয়োগৰ অধ্যক্ষ— (i) ৰাষ্ট্ৰপতি (ii) বিত্তমন্ত্ৰী (iii) প্ৰধানমন্ত্ৰী (iv) গৃহমন্ত্ৰী।

(খ) পঞ্চবাৰ্ষিক পৰিকল্পনাৰ কাৰ্যকাল—(i) ৪ বছৰ (ii) ৬ বছৰ (iii) ৮ বছৰ (iv) ৫ বছৰ

(গ) পৰিকল্পনাৰ কাম-কাজ ৰূপায়ণৰ বাবে

চৰকাৰক প্ৰয়োজন হয় — (i) কৃষি (ii) উদ্যোগ

(iii) অৰ্থ (iv) বাণিজ্য

(ঘ) তলৰ কোনটো অনাকৰ ৰাজহৰ উদাহৰণঃ—

(i) আয়কৰ (ii) নিগম কৰ

(iii) দ্ৰব্য আৰু সেৱা কৰ (iv) জৰিমনা

(ঙ) দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনা সৰ্বাধিক গুৰুত্ব তলৰ কোনটো খণ্ডৰ ওপৰত আৰোপ কৰা হৈছিল—

(i) সমূহীয়া অন্তৰ্ভুক্তিকৃত বৃদ্ধি (ii) কৃষি

(iii) উদ্যোগীকৰণ (iv) পথ পৰিবহন

৪। **খালী ঠাই পূৰ কৰা—**

(ক) পৰিয়ালটো সুখে-সন্তোষে থাকিবলৈ হ'লে পৰিয়ালৰ আটাইৰে সদিচ্ছাবোধক ________ দিব লাগে।

(খ) অৰুণিমা এগৰাকী ________ মহিলা।

(গ) প্ৰতিটো পৰিয়ালৰে মাহিলী কৰিবলগীয়া কামৰ এক নিৰ্দিষ্ট ________ থাকে।

(ঘ) চৰকাৰী পৰিকল্পনামতে কাম কৰিবলৈ ________ প্ৰস্তুত কৰি লোৱা হয়।

(ঙ) কোনো প্ৰত্যক্ষ প্ৰতিদান আশা নকৰাকৈ চৰকাৰক বাধ্যতামূলকভাৱে দিবলগীয়া ধনেই হৈছে________।

৫। **প্ৰকল্প ঃ**

তোমালোকৰ নিজৰ বিদ্যালয়ত অনুষ্ঠিত কৰা যিকোনো এটা অনুষ্ঠানৰ বাবে এটা পৰিকল্পনা প্ৰস্তুত কৰা। পৰিকল্পনা অনুযায়ী বিভিন্ন শিতানত হ'বলগীয়া খৰচৰ এখন তালিকা প্ৰস্তুত কৰা।

# পাঠঃ ২০
# অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা

2V7PB2

**শিকনৰ ফলাফল**

- ৰাষ্ট্ৰৰ উন্নয়নৰ হকে চৰকাৰ এখনে কৰিবলগা কাম-কাজৰ বিষয়ে জানিব পাৰিব।
- আন্তঃগাঁথনি মানে কি তাক বুজি পাব।
- আন্তঃগাঁথনিমূলক কাম-কাজৰ বিষয়ে ধাৰণা লাভ কৰিব।
- যাতায়াত, যোগাযোগ, শিক্ষা, স্বাস্থ্য, কৃষি, বিদ্যুৎ আদিৰ ক্ষেত্ৰত চৰকাৰে ল'বলগীয়া পদক্ষেপৰ বিষয়ে অৱগত হ'ব।

আমি সকলোৱে জানো যে চৰকাৰ দেশ এখনৰ মুৰব্বী অনুষ্ঠান। চৰকাৰে দেশ এখনৰ সকলোধৰণৰ কাম-কাজৰ তদাৰকী কৰে। দেশৰ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণ সাধন কৰাটোৱেই হ'ল চৰকাৰ এখনৰ মূল লক্ষ্য। সেয়েহে দেশৰ উন্নয়নৰ আৰু কল্যাণৰ চিন্তাক অগ্ৰাধিকাৰ দি চৰকাৰে এনে কিছুমান কাম কৰিব লগা হয় যিয়ে ভৱিষ্যতে দেশখনক বিশ্বৰ আন আন উন্নত দেশবোৰৰ লগত খোজ মিলাব পৰাকৈ সমৰ্থ কৰি তোলে।

ভেটি মজবুত নহ'লে ঘৰ এটা মজবুত নোহোৱাৰ দৰে দেশ এখনৰো আন্তগাঁথনি মজবুত নহ'লে উন্নয়নমূলক কাম-কাজৰ বিকাশ সাধন হ'ব নোৱাৰে। সেয়েহে উন্নয়নৰ বেলিকা আন্তগাঁথনিমূলক কাম-কাজে যথেষ্ট গুৰুত্ব লাভ কৰে। অৰ্থনৈতিক উন্নয়নৰ মৌলিক উপাদানসমূহৰ ভিতৰত ৰাস্তা-ঘাট, দলং, গৃহ, যাতায়াত ব্যৱস্থা, যোগাযোগ ব্যৱস্থা, জলসিঞ্চন, খোৱা পানী, চিকিৎসালয়, বিদ্যালয়, বিজুলী যোগান, টেলিফোন সেৱা আদি প্ৰধান। এইবোৰকে আমি আন্তঃগাঁথনিমূলক কাম-কাজ বুলি কওঁ। **আন্তঃগাঁথনি মানে কোনো কাৰ্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় সা-সুবিধা, যিবিলাকৰ অবিহনে অৰ্থনৈতিক উন্নয়ন সম্ভৱ হ'ব নোৱাৰে।** সেইবাবে চৰকাৰে প্ৰধান কাম হিচাপে দেশৰ আন্তঃগাঁথনি উন্নত কৰাৰ প্ৰচেষ্টা লয় যাতে কৃষি, উদ্যোগ, সেৱাকে ধৰি সকলো দিশৰ কাম-কাজবোৰ সফলতাৰে সম্পন্ন হয়। দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে উৎপাদন বৃদ্ধি হোৱাটো অত্যন্ত জৰুৰী। অধিক উৎপাদনৰ ফলত দেশৰ উপাৰ্জন বা আয় বৃদ্ধি পায়। ৰাষ্ট্ৰীয় আয় বৃদ্ধি হোৱা মানেই দেশ এখন উন্নতিৰ পথত অগ্ৰসৰ হোৱা।

বিজ্ঞান-প্ৰযুক্তিৰ অভাৱনীয় অগ্ৰগতিয়ে বৰ্তমান গোটেই বিশ্বৰ ওপৰত চমকপ্ৰদ প্ৰভাৱ বিস্তাৰ কৰিছে। এইবোৰৰ প্ৰাথমিক ধাৰণা ইতিমধ্যে তোমালোকে পাই আহিছা। কি গাঁও, কি চহৰ সকলো অঞ্চল আজি পৰিৱৰ্তনমুখী। মানুহে নিজৰ প্ৰয়োজনত এই পৰিৱৰ্তনসমূহ গ্ৰহণ কৰিছে। এইখিনিতে এটা কথা মনত ৰাখিবা যে এই সকলোবোৰ পৰিৱৰ্তন কল্যাণকামী নহ'বও পাৰে। সেয়েহে জীৱনৰ মান উন্নত কৰাৰ স্বাৰ্থত মানুহে গঠনমূলক পৰিৱৰ্তনখিনিহে গ্ৰহণ কৰি নেতিবাচকখিনি বৰ্জন কৰিব লাগে। পৰিৱৰ্তনশীল পৰিস্থিতিত চৰকাৰে দেশ আৰু জনকল্যাণৰ স্বাৰ্থত কিছুমান বিশেষ আঁচনি গ্ৰহণ কৰে যাতে জনসাধাৰণে প্ৰয়োজনীয় সা-সুবিধাবোৰ লাভ কৰিব পাৰে।

তলৰ কথাখিনিৰপৰা আমাৰ দেশৰ চৰকাৰে আন্তঃগাঠনিৰ উন্নয়নৰ বেলিকা বিভিন্ন দিশত কেনেধৰণৰ পৰিৱৰ্তনকামী পদক্ষেপ হাতত লৈছে তাৰ কিছুমানৰ বিষয়ে গম লওঁ আহা—

## যাতায়াতৰ ক্ষেত্ৰত ঃ

উন্নয়নৰ এক উল্লেখনীয় বুনিয়াদ হৈছে যাতায়াত ব্যৱস্থা। যাতায়াত ব্যৱস্থা সমাজ এখনৰ উন্নতিৰ প্ৰথম খলপ। কৃষি, উদ্যোগ, সেৱা সকলো খণ্ডৰ উৎপাদনশীল কাম-কাজসমূহ মূলতঃ নিৰ্ভৰ কৰে উন্নত যাতায়াত ব্যৱস্থাৰ ওপৰত। সেয়েহে উন্নয়নমূলক কামৰ তালিকাত যাতায়াত ব্যৱস্থাক চৰকাৰে আগস্থান দিয়ে। আমাৰ দেশৰ চৰকাৰখন এখন কল্যাণকামী, গণতান্ত্ৰিক চৰকাৰ। গণতান্ত্ৰিক মতবাদে সদায় দেশৰ জনসাধাৰণক গুৰুত্ব দিয়ে আৰু জনসাধাৰণৰ হকে কাম কৰে। তলৰ বৰ্ণনাখিনিৰ পৰা আমাৰ চৰকাৰে যাতায়াত ব্যৱস্থাৰ ক্ষেত্ৰত কিদৰে পৰিৱৰ্তন অনাৰ চেষ্টা কৰিছে তাৰ বিষয়ে বুজ লওঁ আহা—



“গীৰ্জাত দেওবাৰৰ প্ৰাৰ্থনা শেষ কৰি যোছেফ দেউতাকৰ লগত ৰকোত থকা পেহীয়েকৰ ঘৰলৈ বুলি ওলাল। প্ৰায় সাতবছৰ মানেই হ'ল যোছেফ সেইফালে যোৱা নাই। আজি যোৱাৰ সুবিধা পাই ল'ৰাটোৰ মনত বৰ স্ফূৰ্তি। ঘৰৰপৰা দেউতাকৰ লগত গাড়ীৰে গৈ যেতিয়া তেওঁলোকে জালুকবাৰী পালে যোছেফে মন কৰিলে যে, আগৰ ঠাইখনৰ চিন-মোকামেই নাই! তাৰ ঠাইত তিনিটা দিশ সামৰি এখন বহু দীঘলীয়া উৰণীয়া সেঁতু। সেঁতুখনৰ তলেৰে আৰু কাষেৰে কেবাটাও সংযোগী পথ। চিধা ৰাস্তাৰে গৈ ড° ভূপেন হাজৰিকা সমাধি ক্ষেত্ৰ পাৰ হোৱাৰ সময়তে কৌতুহলী যোছেফে দেউতাকক প্ৰশ্ন কৰিলে–

-'অ' দেউতা, এইটো আগৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো নহয় নেকি?

-আগৰ ৰাস্তাটো একেবাৰে সলনি হৈ গ'ল দেখোন !

-এই ৰাস্তাটো ওখ আৰু বহলো....আদি!!'

যোছেফৰ প্ৰশ্নবোৰৰ মাজতে দেউতাকে উত্তৰ দিলে — 'এইটো আগৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটোৱেই হয়। মাথোঁ আগৰ সৰু ঠেক ৰাস্তাটোৰ ঠাইত ইয়াক যথেষ্ট বহল আৰু ওখ কৰি মাজত বিভাজক দি সমানে চাৰিভাগ কৰা হৈছে। এনেধৰণৰ ৰাস্তাক চাৰিলেনযুক্ত ৰাস্তা বুলি কোৱা হয়।

-'আগৰ ৰাস্তাটোৰেওতো গাড়ী-মটৰ, মানুহ অহা-যোৱা কৰিছিল দেউতা। এই বহল ৰাস্তাটোৰে বেছি গাড়ী-মটৰ চলিব নেকি?'

'অকল সেয়াই নহয় যোছেফ, চাৰিলেনযুক্ত ৰাস্তাৰ সুবিধা বহু বেছি। সম্প্ৰতি যাতায়াত ব্যৱস্থাত বহু পৰিৱৰ্তন আহিছে। তাৰ ভিতৰত এই চাৰিলেনযুক্ত ৰাস্তা এক উল্লেখযোগ্য পৰিৱৰ্তন।'

'চাৰিলেনযুক্ত ৰাস্তাৰপৰা আমাৰ কি লাভ হ'ব দেউতা?'

বহুত লাভ হ'ব। তাৰ ভিতৰত যেনে—

- এই ৰাস্তাবোৰ কংক্ৰিটেৰে (লোহা, চিমেণ্ট, বালি, শিল)ৰে নিৰ্মাণ কৰা হয় বাবে ই সহজে ভাগি নাযায়। বানপানীয়েও খহাব নোৱাৰে কাৰণ এনে ৰাস্তা যথেষ্ট ওখকৈ বনোৱা হয়। যান-বাহনবোৰ বহুদিনলৈ ভালে থাকে, ইন্ধনৰ খৰচ কমে।

- এনে ৰাস্তা যথেষ্ট বহল আৰু পোন হোৱা বাবে দুয়ো দিশৰ পৰা অহা যান-বাহনবোৰৰ গতি সুষম হয়। গতিপথৰ দূৰত্ব হ্রাস পায়। পথ দুৰ্ঘটনাও বহু পৰিমাণে কমে আৰু যাত্ৰা আৰামদায়ক হয়।
- এনেধৰণৰ যাতায়াত ব্যৱস্থা থাকিলে উদ্যোগ প্রতিষ্ঠা কৰিবলৈ মানুহ আগ্ৰহী হয়। মেচিন, কেঁচামাল আদি অতি সহজে ইঠাইৰপৰা সিঠাইলৈ সৰবৰাহ কৰিব পাৰে। বস্তুৰ আমদানি-ৰপ্তানি খৰতকীয়া হয়।
- এনে পথে দেশৰ ইমূৰ-সিমূৰ সাঙুৰি লয় আৰু একেবাৰে ভিতৰুৱা অঞ্চলৰ ৰাস্তাবোৰো এই পথবোৰৰ লগত সংযোজিত কৰাৰ ব্যৱস্থা হোৱাৰ বাবে যাতায়াতৰ ক্ষেত্ৰত কোনো অসুবিধা নাথাকে...... আদি।'

এইদৰে কথা-বতৰা হৈ থকাৰ মাজতেই যোছেফহঁত গৈ এটা সময়ত পেহীয়েকৰ ঘৰ পালেগৈ।"



আমাৰ চৰকাৰে অকল চাৰিলেনযুক্ত ৰাস্তাই নহয়, দেশৰ বিভিন্ন প্ৰান্তৰ ৰে'লপথ সম্প্ৰসাৰণ, দ্ৰুতগামী ৰে'লৰ প্ৰবৰ্তন, ডাঙৰ নদীসমূহত সংযোগী দলং নিৰ্মাণ আদিৰ জৰিয়তে যাতায়াত ব্যৱস্থাক যথেষ্ট আধুনিক আৰু বিজ্ঞানসম্মত কৰি তুলিছে। ৰাজ্যৰ প্ৰধান স্থানসমূহত আন্তঃৰাজ্যিক বাছ আস্থান প্রতিষ্ঠা কৰি যাতায়াত ব্যৱস্থা সুচল কৰিছে। গ্ৰামাঞ্চলৰ যাতায়াতৰ ক্ষেত্ৰতো চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

২০২১ চনৰ তথ্য অনুসৰি ৬২ লক্ষ্য কি.মি.তকৈ অধিক পথদৈৰ্ঘ্যৰে সৈতে 'ৰোড নেটৱৰ্ক'ৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশ্বৰ ভিতৰতে দ্বিতীয়। এই দৈৰ্ঘই প্ৰায় ১.৩৬ লক্ষ কি.মি. ৰাষ্ট্ৰীয় ঘাইপথ, প্ৰায় ১.৭৭ লক্ষ কি.মি এক্সপ্ৰেছ আৰু অন্যান্য ৰাজ্যিক তথা জিলা পথসমূহক সামৰি লৈছে। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ, কৰ্তৃপক্ষ (NHAI-National Highway Authority of India) ই ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথসমূহৰ বিকাশ, তত্ত্বাৱধান আৰু পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে।

## অন্যান্য পৰিবহন ব্যৱস্থাৰ ক্ষেত্ৰত ঃ

অন্যান্য পৰিবহন ব্যৱস্থাৰ ক্ষেত্ৰটো আমাৰ দেশৰ চৰকাৰৰ কাম-কাজসমূহ মন কৰিবলগীয়া।

ভাৰতৰ 'ৰে'লৱে নেটৱৰ্ক' বিশ্বৰ ভিতৰত চতুৰ্থ বৃহত্তম। এই পৰ্যন্ত ভাৰতত প্ৰায় ১৩ হেজাৰৰো অধিক যাত্ৰীবাহী আৰু ৮ হেজাৰৰো অধিক মালবাহী ৰে'লগাড়ী চলাচল কৰে। দেশৰ মুঠ ঘৰুৱা উৎপাদন তথা কেন্দ্ৰীয় চৰকাৰৰ ৰাজহ সংগ্ৰহত ৰে'ল সেৱাৰ অৱদান তাৎপৰ্যপূৰ্ণ। ইয়াৰ উপৰি নিয়োগৰ ক্ষেত্ৰতো ৰে'ল সেৱাৰ ভূমিকা অন্যতম। এই পৰ্যন্ত ভাৰতত ১৩ লাখতকৈয়ো অধিক কৰ্মচাৰী এই ব্যৱস্থাৰ লগত জড়িত হৈ আছে।

বিমান পৰিসেৱা ভাৰতৰ পৰিবহন ব্যৱস্থাৰ আন এক গুৰুত্বপূৰ্ণ অংগ। ১৯৫৩ চনত এই পৰিবহন উদ্যোগৰ ৰাষ্ট্ৰীয়কৰণ কৰা হয়। 'ভাৰতীয় বিমান বন্দৰ কৰ্তৃপক্ষ (Airport Autharity of India) ই বিমান সেৱাৰ পৰিকল্পনা, পৰিচালনা আৰু আন্তঃগাঠনিৰ কাম-কাজৰ দায়িত্ব পালন কৰে।

### জানি থওঁ আহা ঃ

- বৰ্তমান অসমৰ মুঠ ৩৯টা ৰাষ্ট্ৰীয় ঘাইপথ আছে। এই ঘাইপথবোৰে ৰাজ্যখনৰ মুঠ ৩৯০০.৪৪কি.মি. দৈৰ্ঘ্যৰ পথ সামৰি লৈছে।
- বৰ্তমানলৈ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত থকা পাঁচখন দলং হৈছে- শৰাইঘাট দলং, কলিয়া ভোমোৰা দলং, নৰনাৰায়ণ সেতু, শৰাইঘাটৰ দ্বিতীয় দলং, আৰু বগীবিল দলং। ব্ৰহ্মপুত্ৰৰ অন্যতম উপনৈ লোহিতৰ ওপৰত নিৰ্মিত ড. ভূপেন হাজৰিকা সেতু বৰ্তমানলৈকে ভাৰতৰ পানীৰ ওপৰত নিৰ্মিত দীৰ্ঘতম দলং।

জল পৰিবহনৰ ক্ষেত্ৰটো ভাৰত চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমান সমগ্ৰ দেশত প্ৰায় ১৪৫০০ কিঃ মিঃ দৈৰ্ঘ্যৰ আভ্যন্তৰীণ জলপথ আছে । তাৰ ভিতৰত ১১১ টা ৰাষ্ট্ৰীয় জলপথ। দেশৰ অৰ্থনৈতিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে 'সাগৰমালা' প্ৰকল্পৰ জৰিয়তে জলপৰিবহন ব্যৱস্থাৰ আধুনিকীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে।

**উত্তৰ লিখা ঃ**

- উন্নত যাতায়াত ব্যৱস্থাৰ সুবিধাসমূহ কি কি ?
- চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ বৈশিষ্ট্য কি কি ?
- বিশ্বত ভাৰতৰ ৰোড নেটৰ্বকৰ স্থান কিমান ?
- দেশৰ অৰ্থনীতিত ভাৰতীয় ৰে'লসেৱাৰ অৱদান কি ?

**ক্ৰিয়াকলাপ ঃ**

শিক্ষক অথবা অভিভাৱকৰ লগত আলোচনা কৰি যাতায়াত ব্যৱস্থাত আৰু কি কি নতুন পৰিৱৰ্তন আহিছে সেই বিষয়ে এটা চমু টোকা প্ৰস্তুত কৰা।

## শিক্ষাৰ ক্ষেত্ৰত ঃ

সমাজৰ বিকাশ আৰু উন্নতিৰ মূল আহিলা হৈছে শিক্ষা। শিক্ষা অবিহনে আমি কোনেও উন্নত জীৱন-যাপন কৰিব নোৱাৰোঁ। এজন শিক্ষিত আৰু এজন অশিক্ষিত মানুহৰ জীৱন-ধাৰণৰ মানৰ মাজত কেনে পাৰ্থক্য থাকে তোমালোকে কেতিয়াবা লক্ষ্য কৰিছানে? নিৰক্ষৰ লোক এজনে সাধাৰণ দোকান এখনো চলাবলৈ অসুবিধা পায়। দূৰ-দূৰণিলৈ যাব লগা হ'লে ৰে'ল, বাছ আদিৰ টিকট কটাৰ ক্ষেত্ৰত তেওঁলোকৰ কি আহুকালৰ সৃষ্টি হয় ভাবাচোন! অন্ধবিশ্বাসৰ বলি হৈ চিকিৎসকৰ সলনি বেজ বা তান্ত্ৰিকৰ জৰা-ফুকাৰ চিকিৎসা লৈ অনেকে অকাল মৃত্যুৰ মুখত পৰে। ডাইনী হত্যাৰ দৰে অমানবীয় ঘটনাও ইয়াৰেই ফল। সেয়েহে নিৰক্ষৰতাক **সামাজিক ব্যাধি** বুলি কোৱা হয়। এই ব্যাধি নিৰ্মূলকৰণত চৰকাৰ আৰু জনসাধাৰণে গুৰু দায়িত্ব পালন কৰিব লাগে। আমাৰ দেশৰ চৰকাৰে ইতিমধ্যে **শিক্ষাৰ অধিকাৰ আইন**, ২০০৯ ৰ অধীনত জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে ৬ বছৰৰ পৰা ১৪ বছৰৰ ভিতৰৰ দেশৰ সকলো শিশুৰ বাবে প্ৰাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক কৰিছে। সংবিধানে প্ৰাথমিক শিক্ষাক **শিশুৰ মৌলিক অধিকাৰ** হিচাপে স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ লগে লগে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ দায়িত্বও বহুখিনি বৃদ্ধি পাইছে। তোমালোকে যি পাঠ্যপুথি পঢ়ি আছা সেয়া চৰকাৰে বিনামূলীয়াকৈ যোগান ধৰা পাঠ্যপুথি। বিদ্যালয় আৰু শিক্ষাৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিবলৈ চৰকাৰে ছাত্ৰ-ছাত্ৰীৰ বাবে মধ্যাহ্ন ভোজন, সমবেশ আদিৰ ব্যৱস্থা কৰিছে। আজিকালি প্ৰাথমিক বিদ্যালয়ৰ গৃহসমূহ কি সুন্দৰকৈ নিৰ্মাণ কৰিছে লক্ষ্য কৰাচোন।



ছাত্র- ছাত্রী আৰু শিক্ষকসকলৰ বাবে বিশুদ্ধ খোৱাপানী আৰু পৃথকে পৃথকে শৌচাগাৰ (অনাময় ব্যৱস্থা) আদি নিৰ্মাণ কৰিছে। সংযোগী শিক্ষা কেন্দ্ৰৰ জৰিয়তে বিদ্যালয় বহিৰ্ভূত শিশুসকলক শিক্ষা দিয়া হৈছে যাতে তেওঁলোকক আনুষ্ঠানিক শিক্ষাৰ লগত জড়িত কৰিব পৰা যায়।ঠিক একেদৰে চৰকাৰে মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰটো বিনামূলীয়া পাঠ্যপুথিৰ লগতে শিক্ষাৰ অনুকূল গৃহ নিৰ্মাণ, শিক্ষক নিযুক্তি, বিজ্ঞানাগাৰ, পুথিভঁৰাল অনুদান আদিকে ধৰি বিভিন্ন ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে যাতে ছাত্ৰ-ছাত্ৰীসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হ'ব পাৰে।

ইয়াৰ উপৰি দুখীয়া পৰিয়ালৰ ১০ৰপৰা ১৪ বছৰ বয়সৰ কন্যা শিশুসকলক উচ্চ প্ৰাথমিক শিক্ষা প্ৰদানৰ হেতু ভাৰত চৰকাৰে২০০৪ চনতে কস্তুৰবা গান্ধী বালিকা বিদ্যালয়(KGVB) নামে আবাসিক বিদ্যালয় স্থাপন কৰিছে। অসমত বৰ্তমানলৈ ৬৭ খন এনে বিদ্যালয় খোলা হৈছে য'ত এতিয়ালৈকে চাৰি হাজাৰৰো অধিক কন্যা শিশুক উচ্চ প্ৰাথমিক শিক্ষা প্ৰদান কৰিছে। সম্প্ৰতি ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ অনুসৰি বিশেষ প্ৰয়োজনসম্পন্ন শিশু সকলে(CWSN) নিয়মীয়া বিদ্যালয় প্ৰক্ৰিয়াতে প্ৰাক্-প্ৰাথমিক পৰ্যায়ৰপৰা উচ্চ শিক্ষাৰ পৰ্যায়লৈ শিক্ষা গ্ৰহণৰ সুযোগ পাব।

**উত্তৰ লিখা ঃ**

- আমাৰ দেশত 'শিক্ষাৰ অধিকাৰ আইন' কোন চনৰপৰা কাৰ্যকৰী হয়?
- নিৰক্ষৰতাক কিয় সামাজিক ব্যাধি বুলি কোৱা হয়?
- প্ৰাথমিক শিক্ষা শিশুৰ কি অধিকাৰ হিচাপে স্বীকৃত?
- বিদ্যালয়ত মধ্যাহ্ন ভোজন ব্যৱস্থাৰ উদ্দেশ্য কি?

## স্বাস্থ্যৰ ক্ষেত্ৰত ঃ

নিৰোগী আৰু কাৰ্যক্ষম ব্যক্তিক আমি স্বাস্থ্যৱান ব্যক্তি বুলি কওঁ। পুষ্টিকৰ আহাৰ, বিশুদ্ধ খোৱাপানী, প্ৰদূষণমুক্ত পৰিৱেশে আমাৰ স্বাস্থ্য সুস্থ কৰি ৰাখে। শৰীৰ সুস্থ থাকিলে আমি শাৰীৰিক আৰু মানসিক শ্ৰম কৰিব পাৰোঁ। স্বাস্থ্যৱান ব্যক্তিয়ে দেশৰ উন্নয়নত অৰিহণা যোগাব পাৰে।

তলৰ কথোপকথনখিনিৰ আলমত চৰকাৰে স্বাস্থ্য ৰক্ষাৰ নামত গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে কিছু বুজ লওঁ আহা—

'নমিতাই গৰমৰ বন্ধত আইতাকৰ ঘৰলৈ গৈছিল। এদিন দুপৰীয়া তাই আইতাকৰ লগত কথা পাতিছে— 'আইতা, আজি-কালি তোমালোকৰ পুখুৰীটোৰপৰা কোনেও পানী নিনিয়ে কেলেই? আগতে ইমান ধুনীয়াকৈ ছোৱালী-বোৱাৰীবিলাকে লাইন পাতি তোমালোকৰ পুখুৰীটোৰপৰা পানী নিছিলহি। দেখিলেই ভাল লাগে!'

'আই অ' নমিতা, আজি-কালি আমাৰ গাঁৱত পানী যোগান কেন্দ্ৰ এটা খুলিলে নহয়। এতিয়া আমাৰ গাঁৱৰ মানুহে বিশুদ্ধ পানী খাবলৈ পায়। আগৰ দৰে য'ৰে ত'ৰে পানী খাব নালাগে। পুখুৰীৰ পানীত কত বীজাণু থাকে, নহয়নে?'

'হয় আইতা, পিছে পানী যোগান কেন্দ্ৰটোনো কোনে খুলিলে?'

'এইবিলাক চৰকাৰৰ কাম আইজনী। চৰকাৰৰ এটা ডাঙৰ দায়িত্ব হ'ল জনসাধাৰণৰ স্বাস্থ্যৰ যত্ন লোৱা। পানীৰ কাৰণে মানুহৰ ডায়েৰীয়া, কলেৰা, জণ্ডিচ আদি নানা ৰোগ হ'ব পাৰে। গতিকে আমাৰ গাঁৱতো চৰকাৰে গ্ৰাম্য পানী যোগান আঁচনিৰ অধীনত এই পানী যোগান কেন্দ্ৰটো খুলি দিছে। এতিয়া বহুতে ইয়াৰপৰা পানী পোৱাৰ সুবিধা কৰি লৈছে। আমাৰ গাঁৱৰ মানুহে এতিয়া অপৰিষ্কাৰ পানীও খাব নালাগে আৰু পানী কঢ়িয়াই কষ্টও কৰিব নালাগে। বৰ্তমান গাঁৱত বেমাৰ-আজাৰ আগতকৈ বহুত কমিছে।"



নমিতাৰ আইতাকহঁতৰ গাঁৱৰ দৰে এতিয়া আমাৰ দেশৰ প্ৰায় প্ৰতিখন গাঁৱৰ ৰাইজেই বহুখিনি ৰোগমুক্ত হ'ব পাৰিছে। চৰকাৰে সকলো ঠাইতেই বিশুদ্ধ পানীৰ যোগান সম্ভৱপৰ কৰি তুলিছে।

ঠিক একেধৰণে স্বাস্থ্যৰ ক্ষেত্ৰত চৰকাৰে আৰু বহুতো ব্যৱস্থা গ্ৰহণ কৰিছে। মাজে-সময়ে তোমালোকে মানুহৰ ইটো-সিটো বেমাৰ-আজাৰ হোৱা নিশ্চয় লক্ষ্য কৰিছা। বেমাৰ-আজাৰ হ'লে আমি ডাক্তৰৰ পৰামৰ্শমতে ঔষধ খাব লাগে। সাধাৰণ ৰাইজে ডাক্তৰৰ চিকিৎসা সেৱা লাভ কৰিব পৰাকৈ চৰকাৰে বিভিন্ন ধৰণৰ চৰকাৰী চিকিৎসালয় প্ৰতিষ্ঠা কৰিছে। আমাৰ দেশৰ প্ৰায় ৭০ শতাংশ লোক গাঁৱত বাস কৰে। ভাৰত চৰকাৰৰ স্বাস্থ্য সুৰক্ষা আঁচনিৰ অধীনত আৰ্থিকভাবে দুৰ্বল লোকসমূহে বিভিন্ন স্বাস্থ্যসেৱাৰ সুবিধা লাভ কৰিছে। ইতিমধ্যে ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন(NHM- National Heath Mission)ৰ অধীনত গাঁওসমূহত স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰা হৈছে। আমাৰ ৰাজ্যৰ চৰকাৰেও স্বাস্থ্যৰ ক্ষেত্ৰত বিভিন্ন সেৱাৰ ব্যৱস্থা কৰিছে।গৰ্ভৱতী মহিলাসকলক চিকিৎসাজনিত সু-পৰামৰ্শ আদি দিবৰ বাবে চৰকাৰে আশা কৰ্মী নিয়োগ কৰিছে। ১০৮ নম্বৰত ফোন কৰি আকস্মিক দুৰ্ঘটনা বা মাৰাত্মক ৰোগত আক্ৰান্ত ব্যক্তিসকলক 'মৃত্যুঞ্জয় সেৱা'ৰ সুবিধা প্ৰদান কৰা হৈছে। বৰ্তমানলৈ সমগ্ৰ ৰাজ্যত ৮০০ খন এম্বুলেঞ্চে এই সেৱা আগবঢ়াই আছে। ইয়াৰ উপৰি ১০৪ নম্বৰ ফোন সেৱাযোগে বিনামূলীয়াকৈ বিভিন্ন ৰোগ নিৰাময়ৰ বাবে পৰামৰ্শ লাভ কৰাৰ সুবিধাও উপলব্ধ হৈছে।



২০১৯ চনৰ ডিচেম্বৰ মাহৰপৰা দেখা দিয়া ক'ভিড-১৯ অতিমাৰীয়ে সমগ্ৰ বিশ্বৰ লগতে ভাৰততো ত্ৰাসৰ সৃষ্টি কৰে। ভাৰত চৰকাৰৰ নেতৃত্বত সমগ্ৰ দেশৰ লগতে অসমতো এই ৰোগ প্ৰতিহত কৰাৰ কাৰণে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হয়। ইতিমধ্যে এই ৰোগক পৰাস্ত কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে বিনামূলীয়া 'প্ৰতিষেধক-ছিটা'ৰ সুবিধা আগবঢ়াইছে।

**জানি থওঁ আহা ঃ**

অসম চৰকাৰৰ স্বাস্থ্যবিভাগে শিশুৰ স্বাস্থ্যৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল-

- অপাৰেচন স্মাইল আঁচনিৰ অধীনত জন্মতে ওঁঠ ফটা শিশুসকলে স্বাভাৱিক মুখাবয়ৱ লাভ কৰাৰ ব্যৱস্থা।
- হৃদযন্ত্ৰত ফুটা থকা শিশুসকলক দেশৰ আগশাৰীৰ চিকিৎসালয়ত বিনামূলীয়া অস্ত্ৰোপচাৰ কৰাৰ ব্যৱস্থা।

এতিয়া তোমালোকে চৰকাৰে জনস্বাস্থ্যৰ কাৰণে কেনেধৰণৰ কাম কৰে নিশ্চয় বুজিব পাৰিছা। এই কামবোৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ সুবিধাৰ বাবে সম্পাদন কৰে।

**উত্তৰ লিখা ঃ**

- শৰীৰ সুস্থ নাথাকিলে আমি কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হওঁ?
- কি আঁচনিৰ অধীনত চৰকাৰে গাঁওসমূহত স্বাস্থ্যকেন্দ্ৰ স্থাপন কৰিছে?
- ১০৪ নং ফোনৰ জৰিয়তে কি সেৱা লাভ কৰিব পাৰি?
- মৃত্যুঞ্জয় সেৱা কিমান নম্বৰ ফোনৰ জৰিয়তে উপলব্ধ হয়?
- দূষিত পানী খোৱাৰ ফলত মানুহৰ কিকি বেমাৰ হ'ব পাৰে?

## কৃষিৰ ক্ষেত্ৰত ঃ

কৃষি হ'ল আমাৰ দেশৰ প্ৰধান জীৱিকাৰ ক্ষেত্ৰ। দেশৰ ৭০ শতাংশতকৈও অধিক লোক কৃষি কৰ্মত নিয়োজিত। কৃষি ক্ষেত্ৰৰ উন্নতি নহ'লে এইসকল মানুহে সুস্থ-সবল জীৱন-যাপন কৰিব নোৱাৰে। সেয়েহে উন্নয়নৰ প্ৰক্ৰিয়াত কৃষিক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হয় যাতে কৃষক ৰাইজৰ উপাৰ্জন বৃদ্ধি পায়। বৰ্ধিত উপাৰ্জনৰ সহায়ত মানুহে নিজৰ অভাৱসমূহ দূৰ কৰিবলৈ সক্ষম হোৱাৰ লগতে জীৱন-ধাৰণাৰ মান উন্নত কৰিব পাৰে।



অন্যান্য দেশৰ দৰে আমাৰ দেশৰ কৃশি ক্ষেত্ৰতো এতিয়া চকুত লগা পৰিবৰ্তন পৰিলক্ষিত হৈছে। এই বিষয়ক কিছু আভাস তোমালোকে আগৰ শ্ৰেণীৰপাঠত পাই আহিছা। উন্নত জলসিঞ্চন ব্যৱস্থা, ট্ৰেক্টৰ, পাৱাৰটিলাৰ, মৰণা মৰা যন্ত্ৰ, উইডাৰ, উন্নত সাৰ, কীটনাশক দ্ৰব্য যোগানৰ দ্বাৰা চৰকাৰে এতিয়া আমাৰ কৃষিক্ষেত্ৰ যথেষ্ট আধুনিক আৰু বিজ্ঞানসম্মত কৰি তুলিছে। ফলত আমাৰ দেশৰ কৃষিখণ্ডৰ উৎপাদন ভালেখিনি বৃদ্ধি পাইছে। তদুপৰি চৰকাৰে কৃষিবিষয়ক অন্যান্য সা-সুবিধাও প্ৰদান কৰিছে। যেনে কিষান কল চেণ্টাৰৰ সহায়ত আমাৰ দেশৰ কৃষকসকলে ২৪ ঘন্টাই কৃষি সম্পৰ্কীয় দিহা- পৰামৰ্শ লাভ কৰিবলৈ সক্ষম হৈছে। কিষাণ ক্ৰেডিট কাৰ্ডৰ সহায়ত এতিয়া কৃষকসকলে অতি সহজতেই হ্ৰস্বম্যাদী কৃষি ঋণ পাব পাৰে। বৰ্তমান সময়ত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সহযোগত খেতিৰ সুৰক্ষাৰ বাবে বীমাৰ ব্যৱস্থাৰ লগতে দৰিদ্ৰ কৃষকসকলক মাহিলী পেঞ্চন দিয়াৰ ব্যৱস্থাও গ্ৰহণ কৰিছে।

এই সকলো সা-সুবিধাৰ ফলত বৰ্তমান আমাৰ দেশৰ কৃষক ৰাইজ যথেষ্ট উপকৃত হৈছে। দেশৰ অৰ্থনৈতিক উন্নয়নত কৃষিক্ষেত্ৰৰ অৱদান মনকৰিবলগীয়া।

### ক্ৰিয়াকলাপ ঃ

শিক্ষকৰ লগত আলোচনা কৰি একোটা টোকা লিখা—

- বৰ্ধিত উপাৰ্জনে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান কেনেকৈ উন্নত কৰে?
- কৃষি খণ্ডৰ উৎপাদন বঢ়াবৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

## যোগাযোগৰ ক্ষেত্ৰত ঃ

যোগাযোগ ব্যৱস্থাই আজি সমগ্ৰ বিশ্বত এক বৈপ্লৱিক পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। বিজ্ঞান-প্ৰযুক্তিৰ প্ৰভাৱত এই ব্যৱস্থা ইমানেই আধুনিক আৰু সক্ৰিয় হৈছে যে ঘৰত বহি নিমিষতে আমি পৃথিৱীৰ ইমূৰ-সিমূৰৰ বাতৰি পাবলৈ সক্ষম হৈছোঁ।

বৰ্তমান যোগাযোগৰ ক্ষেত্ৰখনত সমগ্ৰ বিশ্বৰ লগতে আমাৰ দেশতো প্ৰযুক্তিবিদ্যাই বিস্তৰ প্ৰভাৱ পেলাইছে। বেপাৰ-বানিজ্য, শিক্ষা, স্বাস্থ্যখণ্ড, আইন শৃংখলা ৰক্ষা, দেশৰ প্ৰতিৰক্ষাকে ধৰি দেশৰ প্ৰায়বিলাক খণ্ডত যোগাযোগ ব্যৱস্থাৰ উন্নত সাধনসমূহৰ প্ৰয়োগ কৰা হয়। প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলত একেবাৰে ন্যূনতম ব্যয়ত আমি কম্পিউটাৰ বা মবাইল ফোনৰ জৰিয়তে বহুতো সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। সুলভ ইন্টাৰনেট সেৱাৰ জৰিয়তে ব্যৱসায় আৰু বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে কম সময়তে ব্যাপক পৰিসৰত কাৰ্য সম্পাদন কৰিব পৰা হৈছে।

যোগাযোগ ব্যৱস্থাৰ উন্নত মাধ্যমসমূহৰ বহুল প্ৰয়োগ শিক্ষাখণ্ডতো পৰিলক্ষিত হৈছে। ইন্টাৰনেটৰ সুবিধা প্ৰয়োগ কৰি ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন উৎসৰ জৰিয়তে ঘৰৰপৰাই শিক্ষা লাভ কৰিবপৰা হৈছে। উন্নত যোগাযোগ ব্যৱস্থাই কম সময়তে অধিক তথ্যৰ যোগান ধৰে, যাৰ ফলত মানুহে বহু কঠিন কামো সহজে সম্পন্ন কৰিব পাৰে। সেয়েহে চৰকাৰে দেশৰ আৰু জনসাধাৰণৰ উন্নতিৰ গতি ক্ষিপ্ৰ কৰিবলৈ যোগাযোগৰ মাধ্যমসমূহক শক্তিশালী কৰাত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে।

**ক্ৰিয়াকলাপ ঃ**

- যোগাযোগ ব্যৱস্থাই দেশৰ উন্নয়নত কেনেদৰে সহায় কৰে সেই বিষয়ে এটা টোকা লিখা।

## বিদ্যুৎ সেৱাৰ ক্ষেত্ৰত ঃ



বিদ্যুৎ অবিহনে উন্নতিৰ কথা আমি ভাবিব নোৱাৰোঁ। বৈদ্যুতিকৰণৰ ফলতেই আমাৰ দেশৰ সকলো দিশৰ উন্নয়ন সম্ভৱ হৈছে। এককথাত ক'বলৈ হ'লে বিদ্যুতৰ ব্যৱহাৰে আমাৰ জীৱনবোৰক যথেষ্ট সুচল আৰু উন্নয়নমুখী কৰি তুলিছে। ২০১৪ চনৰপৰা ভাৰত চৰকাৰে নগৰ আৰু গ্ৰামাঞ্চলত বিদ্যুৎ সেৱা উন্নতকৰণত গুৰুত্ব প্ৰদান কৰি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে যাতে দেশৰ সকলো স্তৰৰ লোকে এই সুবিধাৰ সুফল লাভ কৰে।

ওপৰৰ আলোচনাৰপৰা দেশ এখনৰ অৰ্থনৈতিক উন্নয়নত চৰকাৰে কেনেধৰণৰ ভূমিকা লয় তাৰ চমু আভাস পালা। সমাজ এখনৰ আৰ্থ-সামাজিক দিশৰ অগ্ৰগতিৰ বাবে চৰকাৰে বহুধৰণৰ ব্যৱস্থা বা আঁচনি গ্ৰহণ কৰে। চৰকাৰৰ এনেধৰণৰ প্ৰচেষ্টাই দেশৰ জনসাধাৰণৰ জীৱন স্বচ্ছল কৰাত সহায় কৰে। জীৱনৰ স্বচ্ছলতাই মানুহক সদায় কৰ্মপ্ৰেৰণা যোগায় যিয়ে দেশৰ উন্নয়নৰ গতি খৰতকীয়া কৰে।

## মনত ৰাখিবলগীয়া কথা ঃ

- চৰকাৰ হ'ল দেশ এখনৰ মুৰব্বী অনুষ্ঠান।
- দেশৰ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণ সাধন কৰাটোৱে হ'ল চৰকাৰ এখনৰ মূল লক্ষ্য।
- দেশৰ উন্নয়ন আৰু কল্যাণ নিৰ্ভৰ কৰে জনসাধাৰণৰ জীৱন-ধাৰণৰ মানৰ ওপৰত।
- আন্তঃগাঁথনি মানে কোনো কাৰ্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় সা-সুবিধা বিবিলাকৰ অবিহনে অৰ্থনৈতিক উন্নয়ন সম্ভৱ হ'ব নোৱাৰে।
- অৰ্থনৈতিক উন্নয়নৰ মৌলিক উপাদানসমূহ যেনে— ৰাস্তা-ঘাট, দলং, গৃহ, যাতায়াত, যোগাযোগ, জলসিঞ্চন, খোৱাপানী, চিকিৎসালয়, বিদ্যালয়, বিজুলী যোগান, টেলিফোন সেৱা আদি আন্তঃগাঁথনিমূলক সা-সুবিধাৰ ভিতৰত পৰে।
- দেশৰ উন্নয়নৰ প্ৰথম খলপ হ'ল যাতায়াত ব্যৱস্থাৰ উন্নয়ন।
- সমাজৰ বিকাশ আৰু উন্নতিৰ মূল আহিলা হৈছে শিক্ষা।
- স্বাস্থ্যৱান ব্যক্তিয়েহে দেশৰ উন্নয়নত অৰিহণা যোগাব পাৰে।
- কৃষি হ'ল আমাৰ দেশৰ প্ৰধান জীৱিকাৰ ক্ষেত্ৰ।

- উন্নত যোগাযোগ ব্যৱস্থাই অনেক তথ্যৰ যোগান ধৰে যাৰ ফলত মানুহে বহুতো দুৰূহ কাম সহজে সম্পন্ন কৰিব পাৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) স্বাস্থ্যবান ব্যক্তি বুলিলে কাক বুজায়?

(খ) আশাকৰ্মী নিয়োগৰ উদ্দেশ্য কি?

(গ) ছোৱালী শিক্ষাৰ বাবে চৰকাৰে লোৱা এক ব্যৱস্থাৰ নাম লিখা।

(ঘ) কিষান কলচেন্টাৰৰপৰা কি সেৱা উপলব্ধ হয়?

২। উত্তৰ লিখা—

(ক) আন্তঃগাঁথনিমূলক কাম-কাজ মানে কি? আমাৰ দেশৰ চৰকাৰে দেশৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে কি কি আঁচনি গ্ৰহণ কৰিছে?

(খ) যাতায়াত আৰু যোগাযোগ ব্যৱস্থাই দেশৰ উন্নয়নত কেনেদৰে অৰিহণা যোগায়?

(গ) প্ৰযুক্তি বিদ্যাৰ সহায়ত বৰ্তমান কি কি সুবিধা উপলব্ধ হৈছে?

৩। খালী ঠাই পূৰ কৰা—

(ক) __________ মানে কোনো কাৰ্য কৰিবৰ বাবে বুনিয়াদী আৰু অত্যন্ত আৱশ্যকীয় আগতীয়া কাৰিকৰী সা-সুবিধা যিবিলাকৰ অবিহনে __________ উন্নয়ন সম্ভৱ হ'ব নোৱাৰে।

(খ) দেশৰ মুঠ ----------------উৎপাদন তথা চৰকাৰৰ ----------------সংগ্ৰহত ৰে'ল সেৱাৰ অৱদান অন্যতম।

(গ) সংবিধানে __________ শিক্ষাক শিশুৰ __________অধিকাৰ হিচাপে স্বীকৃতি দিছে।

(ঘ) উন্নত ----------------ব্যৱস্থাই কম সময়তেই আমাক অধিক ----------------যোগান ধৰে।

(ঙ) __________ব্যৱহাৰে আমাৰ জীৱনবোৰক যথেষ্ট __________আৰু উন্নয়নমুখী কৰি তুলিছে।

৪। প্ৰকল্প ঃ

তোমাৰ অঞ্চলত চৰকাৰে কি কি ক্ষেত্ৰত আঁচনি গ্ৰহণ কৰি অৰ্থনৈতিক উন্নয়ন সাধন কৰাৰ চেষ্টা কৰিছে তাক তলত দিয়া ধৰণে তালিকাভুক্ত কৰা।

| ক্ষেত্ৰ | চৰকাৰী আঁচনি |
|---|---|
| | |
| | |
| | |
| | |

পৰিসাংখ্যিক উৎস ঃ অসমৰ উন্নয়ন আৰু বিকাশৰ শ্বেতপত্ৰ ২০০১-২০১০, পৰিকল্পনা আৰু উন্নয়ণ বিভাগ, অসম চৰকাৰ

# পাঠঃ ২১
# শ্ৰমৰ সমমৰ্যাদা আৰু সমমূল্য

Z4H1K2

**শিকনৰ ফলাফল ঃ**

- ল'ৰা-ছোৱালীক ডাঙৰ-দীঘল কৰাত পৰিয়ালে যে সমান গুৰুত্ব দিব লাগে তাক অনুভৱ কৰিব।
- মহিলাৰ কামৰ মৰ্যাদাৰ বিষয়ে বুজি পাব।
- পুৰুষ-মহিলাৰ শ্ৰমক সমমৰ্যাদা আৰু সমমূল্য প্ৰদান কৰাৰ বিষয়ে সজাগ হ'ব।
- সমাজত মহিলাৰ গুৰুত্ব আৰু অবদান সম্পৰ্কে অবগত হ'ব।
- লিংগ বৈষম্যহীন সমাজ এখন গঢ় দিবলৈ অনুপ্ৰাণিত হ'ব।



**ওপৰৰ ছবিকেইখন পৰ্যবেক্ষণ কৰি উত্তৰ লিখা ঃ**

- পৰিয়ালে ল'ৰাজন আৰু ছোৱালীজনীৰ প্ৰতি লোৱা যত্নত কি তাৰতম্য দেখিবলৈ পাইছা?
- ল'ৰাজন আৰু ছোৱালীজনীয়ে কৰা কামৰ মাজত কিবা পাৰ্থক্য দেখিছানে? যদি দেখিছা কি দেখিছা?
- তোমালোকৰ নিজৰ ভাই-ভনীৰ মাজত এনে পাৰ্থক্য থকা উচিত বুলি ভাবা নে ?

প্ৰকৃততে ছবিকেইখনে আমাৰ পৰিয়াল তথা সমাজত ল'ৰা আৰু ছোৱালীৰ স্থিতি যে পৃথক তাকে বুজাইছে। এই পৃথক দৃষ্টিভংগী আমাৰ পিতৃমাতৃ আৰু সমাজৰ। ল'ৰাজনৰ প্ৰতি লোৱা যত্ন আৰু ছোৱালীজনীৰ প্ৰতি প্ৰদৰ্শন কৰা অৱহেলাৰ কাৰণ কি বাৰু? পিতৃ-মাতৃয়ে ভাবে ল'ৰাই পঢ়ি-শুনি ডাঙৰ হৈ টকা উপাৰ্জন কৰিব আৰু ঘৰখন চলাব। বিপৰীতে ছোৱালীজনীক আনৰ ঘৰলৈ বিয়া দি উলিয়াই দিব লাগিব। ল'ৰাজনৰ যত্নত সেয়েহে তেওঁলোকে পাৰ্যমানে গুৰুত্ব দিয়ে যাতে ভৱিষ্যতে তেওঁ এজন সবল, বুদ্ধিদীপ্ত, আত্মনিৰ্ভৰশীল তথা সিদ্ধান্ত ল'ব পৰা ব্যক্তি হিচাপে বিবেচিত হয়। আনহাতে ছোৱালীজনীক বুজা হোৱাৰপৰা এনে এক পৰিৱেশ দিয়া হয় যাতে তাই মৃদুভাষী, ভয়াতুৰ, নম্ৰনীয় আৰু পৰনিৰ্ভৰশীল হয়। পৰিয়ালৰ এই মনোভাবে চৌপাশৰ সমাজখনতো প্ৰভাৱ পেলায়। অৰ্থাৎ আমাৰ পৰিয়াল আৰু সমাজে ভাবে যে ছোৱালীতকৈ ল'ৰাৰ গুৰুত্ব বেছি। ঠিক তেনেদৰে পুৰুষ-মহিলাৰ মাজতো একে ধাৰণাকে অগ্ৰাধিকাৰ দিয়া দেখা যায়। পুৰুষে কৰিব পৰা কাম মহিলাই নকৰে বা কৰিব নোৱাৰে বুলি ভবা হয়। পুৰুষৰ কামৰ মূল্যতকৈ মহিলাই কৰা কাম কম মূল্যমানৰ বুলি বিবেচিত হয় আৰু স্বীকৃতিও দিয়া নহয়।

পৰিয়াল আৰু সমাজত এনে বৈষম্য থকা উচিতনে? তলৰ গল্পটোৰপৰা এই বিষয়ে বুজ লওঁ আহা—

## শ্ৰমৰ সমমৰ্যাদা ঃ

*"মোৰ মায়ে কাম নকৰে, ঘৰতে থাকে.....।"*

'সুমিত্ৰা হাজৰিকা এগৰাকী সহজ-সৰল হাঁহিমুখীয়া গৃহিণী। গিৰীয়েক অৰুণ হাজৰিকা চৰকাৰী চকৰিয়াল। তেওঁলোকৰ একেজনী ছোৱালী নাম অঞ্জলি, ষষ্ঠ শ্ৰেণীত পঢ়ে। সুমিত্ৰাৰ শাহুৱেক পুণ্যপ্ৰভা হাজৰিকা বহুদিনৰপৰা ইটো-সিটো বেমাৰত আক্ৰান্ত। অৰুণ হাজৰিকা ৰাতিপুৱা আঠবজাতেই খাই-বৈ কামলৈ ওলাই যায় আৰু সন্ধিয়া ঘূৰি আহে। ঘৰখনৰ সমস্ত কামৰ দায়িত্ব সুমিত্ৰাৰ ওপৰত। ৰন্ধা-বঢ়া, ধোৱা-পখলা আদি দৈনন্দিন কামবোৰৰ উপৰি অঞ্জলিৰ পঢ়া-শুনাৰ তদাৰকী কৰা, শাহুৱেকৰ দৰব-পাতিৰ খেয়াল ৰখা, আলহী সোধা আদি কামবোৰো তেওঁ এফালৰপৰা নিয়াৰিকৈ কৰে। মুঠৰ ওপৰত সুমিত্ৰাই এই সকলোবোৰ তেওঁৰ কৰ্তব্য আৰু দায়িত্ব বুলি ভাবে।

সিদিনা দেওবাৰ। আবেলি পৰত সুমিত্ৰাই ঘৰ সাৰি আছিল। এনেতে ম'বাইল ফোনটো বাজি উঠাত তেওঁ অঞ্জলিক ফোনটো ধৰিবলৈ ক'লে। কোনে ফোন কৰিছিল সুমিত্ৰাই গম পোৱা নাছিল— আপোনমনে নিজৰ কাম কৰি আছিল। ঘৰ সৰা ধূলিখিনি চপাবলৈ গৈ হঠাৎ সুমিত্ৰা থমকি ৰ'ল। অঞ্জলিয়ে হাঁহি হাঁহি উচ্চস্বৰত কাৰোবাক কৈছে— *'নাই নাই মোৰ মায়ে কাম নকৰে, ঘৰতে থাকে।'* কথাষাৰ অঞ্জলিয়ে দুবাৰ কৈছিল। কি প্ৰসংগত সৰু ছোৱালীজনীয়ে কথাষাৰ কৈছিল সুমিত্ৰাৰ জানিবলৈ মন নগ'ল। সাধাৰণতে সুমিত্ৰাই ঘৰৰ বা বাহিৰৰ সৰু-সুৰা কথাবোৰত মন নিদিয়ে। অৰুণ হাজৰিকা কামৰপৰা ঘূৰি অহাৰ পৰত শাহুৱেকে প্ৰায়ে কয়— 'সি গোটেই দিনটো গেবাৰি খাটি উভতিছে। সোনকালে খোৱা-লোৱাৰ দিহা কৰা।' সুমিত্ৰায়ো ল'ৰালৰিকৈ তেওঁৰ আল-পৈচান ধৰে। কেইদিনমান আগতে ওচৰৰ মানুহ এগৰাকীয়ে কথাৰ মাজতে কৈ পেলালে— 'তোমাৰে ভাল দিয়া। কষ্ট নকৰাকৈ সময় কটাব পাৰিছা।' কথাষাৰে সুমিত্ৰাক কিছু জোকাৰি গৈছিল যদিও তেওঁ একো উত্তৰ দিয়া নাছিল। এইবোৰ মানুহে এনেয়ে কোৱা কথা বুলি সহজভাৱে লৈছিল। কিন্তু আজি অঞ্জলিয়ে ফোনত কাৰোবাক তেওঁ কাম নকৰা বুলি কোৱা কথাষাৰে সুমিত্ৰাক যেন বাৰেপতি আঘাত কৰিছে.........'মোৰ মায়ে কাম নকৰে, ঘৰতে থাকে।' সৰু ছোৱালীজনীয়ে কথাষাৰ মাকক দুখ দিবলৈ কোৱা নাই বুলি সুমিত্ৰাই জানে। তাইৰ দোষ নাই, পৰিৱেশে তাইক শিকাইছে। সুমিত্ৰাৰ মনত প্ৰশ্ন কিছুমানে তোলপাৰ লগালে—

— সঁচাকৈয়ে জানো সুমিত্ৰাই কাম নকৰে?

— ৰাতিপুৱাৰপৰা ৰাতি এপৰলৈ লৰি-ঢাপৰি কৰা কামবোৰ কাম নহয় নেকি?

— সুমিত্ৰাই কাম নকৰিলে ঘৰখন দেখোন এদিনো নচলে!

তেতিয়াহ'লে তেওঁ কাম নকৰে বুলি কিয় ভবা হৈছে?

**ওপৰৰ গল্পটোৰ আলমত দলত আলোচনা কৰি উত্তৰ লিখাঃ**

- সুমিত্ৰাই কৰা ঘৰুৱা কামবোৰৰপৰা ঘৰৰ কি সুবিধা হয়?
- মাকে কাম নকৰে বুলি অঞ্জলিয়ে কিয় কৈছে?
- তোমালোকৰ ঘৰৰ ঘৰুৱা কামবোৰ কোনে কৰে?
- অৰুণ হাজৰিকাই চাকৰি কৰি কি পায়?
- সুমিত্ৰা হাজৰিকাই ঘৰুৱা কাম কৰি কি পায়?
- ঘৰুৱা কাম আৰু বাহিৰা কামৰ মাজত পাৰ্থক্য কি?

*নাৰী-পুৰুষৰ শ্ৰমৰ সমমৰ্যাদা অবিহনে সমাজৰ উন্নতি সম্ভৱ নহয়।*

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ ঘৰুৱা কামবিলাকৰ এখন তালিকা প্ৰস্তুত কৰা।
- যিগৰাকী মূল মহিলাই তোমালোকৰ ঘৰখনৰ কাম-কাজসমূহ কৰে, তেওঁ যদি সেই কামবোৰ নকৰিলেহেঁতেন, তেন্তে ঘৰখনৰ পৰিৱেশ কি হ'লহেঁতেন? একোটাকৈ টোকা লিখা।

উল্লিখিত গল্পটোত সুমিত্ৰা হাজৰিকাই কৰা ঘৰুৱা কামবোৰক কাম নহয় বুলি কোৱা হৈছে। কাৰণ সেই কামৰ বাবদ তেওঁ একো দৰমহা নাপায়। অৰুণ হাজৰিকাই চাকৰি কৰি দৰমহা পায় বাবে তেওঁৰ কামক কষ্টৰ কাম বুলি স্বীকৃতি দিয়া হৈছে। কিন্তু সুমিত্ৰাই কৰা কামবোৰত তেওঁৰ যথেষ্ট শাৰীৰিক শ্ৰম হয়। তদুপৰি তেওঁৰ কামৰ সংখ্যাও বেছি। তেওঁ কাম নকৰিলে ঘৰখন অলপ সময়ো ভালদৰে নচলে। তেনেহ'লে তেওঁ কৰা কামক পৰিয়াল বা সমাজে স্বীকৃতি নিদিয়াটো উচিতনে? সুমিত্ৰাৰ পৰিয়ালে তেওঁ কৰা কামক স্বীকৃতি দিলে ঘৰখনৰ সুখ-শান্তি বৃদ্ধি পাব যিয়ে পৰিয়ালটোৰ উন্নতিত সহায় কৰিব।



**শ্ৰমৰ সমমূল্য ঃ**

মালতী দাস এগৰাকী ঘৰুৱা কাম কৰা মহিলা। ডিব্ৰুগড় চহৰৰ মানুহ এঘৰত তেওঁ মাহিলী হিচাপত কাম কৰে। মালতীৰ কামৰ সময় ৰাতিপুৱা ৬ বজাৰপৰা গধূলি ৬ বজালৈ অৰ্থাৎ ১২ ঘণ্টা। চাহ-জলপান কৰা, ৰন্ধা-বঢ়া, বাচন-বৰ্তন ধোৱা, কাপোৰ ধোৱা, কাপোৰ ইস্ত্ৰি কৰাকে ধৰি মালতীৰ কামৰ হিচাপ তেওঁ নিজেই নাজানে। মালতীয়ে মাথোঁ জানে ১২ ঘণ্টাৰ ভিতৰত তেওঁ আটাইবোৰ কাম কৰি আদায় কৰিব লাগিব নহ'লে গৃহস্থৰ ধমকি শুনিব লাগিব। মালতীৰ মাহিলী দৰমহা ৫০০০ টকা। কিবা কাৰণত যদি এদিন কাম খতি হয়, তেনেহ'লে সেই দিনটোৰ দৰমহা কটা যায়। সেয়েহে কাম খতি নকৰিবলৈ মালতীয়ে যৎপৰোনাস্তি চেষ্টা কৰে।৫০০০ টকাৰে তেওঁ জোৰা-টাপলি মাৰি কোনোমতে সংসাৰখন

চলায়। মালতীয়ে তেওঁৰ কামৰ মূল্য ৫০০০ টকা বুলিয়ে ভাবে।



ৰফিকউদ্দিন বৃত্তিত এজন কাঠমিস্ত্রী। একেখন চহৰৰ বহুমহলীয়া ফ্লেট এটাত তেওঁ দৈনিক হাজিৰা হিচাপত কাম কৰি আছে। গোটেই ফ্লেটটোৰ কাঠৰ কামৰ দায়িত্ব ৰফিকউদ্দিনৰ ওপৰত। ৰাতিপুৱা ৯ বজাৰ পৰা আবেলি ৫ বজালৈ ৰফিকৰ কামৰ সময়। দুপৰীয়া ১ ঘণ্টা খোৱাৰ ছুটী। তেওঁৰ দৈনিক হাজিৰা ৫০০ টকা। ফ্লেটৰ মালিকে মাজে সময়ে কামৰ তদাৰকী কৰে। কামত গোলমাল দেখিলেও তেওঁ ৰফিকক ধমকি নিদিয়ে, ভালদৰে কৰিবলৈ কয়। ভাল কাম কৰিলে বক্‌চিছ দিম বুলিও কয়। মুঠৰ ওপৰত ৰফিকৰ কামৰ সময় ৭ ঘণ্টা। মাজে সময়ে ৰফিকে আধা ঘণ্টা বা ৪৫ মিনিট আগতেই কাম সামৰে। কিন্তু নির্ধাৰিত সময়ৰ ওপৰঞ্চি কাম কৰিলে মালিকৰ পৰা ঘণ্টা হিচাপত মজুৰি বিচাৰে। মালিকেও দিয়ে, নহ'লে কাম পৰি থাকিব। এক কথাত ক'বলৈ গ'লে ৰফিকৰ ক্ষেত্রত নিয়ম ইমান কঠোৰ নহয়। ৰফিকেও জানে তেওঁৰ কামৰ চাহিদা আছে। সময় সাপেক্ষে মজুৰি বৃদ্ধিৰ দাবী কৰিব পাৰে।

**উত্তৰ লিখা ঃ**

- মালতী দাসৰ কামৰ প্ৰকাৰ কি আৰু তেওঁৰ মাহিলী আয় কিমান?
- ৰফিকউদ্দিনৰ কামৰ মজুৰি কিয় বেছি?
- মালতী দাসৰ কামবিলাক কষ্টকৰ নহয় নেকি?
- মালতী দাসৰ জিৰণিৰ প্ৰয়োজন আছে বুলি ভাবানে?
- ৰফিকউদ্দিন আৰু মালতীৰ কামৰ মূল্য কোনে নির্ধাৰণ কৰে?

*পুৰুষ আৰু মহিলাৰ শ্ৰমক সমমৰ্যাদা আৰু সমমূল্য প্ৰদানে সমাজ এখনৰ উন্নতিৰ পথ সুগম কৰে।*

এতিয়া তলৰ তালিকাখন ভালদৰে পৰ্যবেক্ষণ কৰা—

| নাম | কামৰ সময় | জিৰণি | পৰিশ্ৰম | | মজুৰি | |
|---|---|---|---|---|---|---|
| | | | বেছি | কম | দৈনিক | মাহিলী |
| মালতী দাস | দৈনিক ১২ ঘণ্টা | ০ ঘণ্টা | √ | | — | ৫০০০.০০টকা |
| ৰফিক উদ্দিন | দৈনিক ৭ ঘণ্টা | ১ ঘণ্টা | | √ | ৫০০.০০ টকা | |

ওপৰৰ তালিকাখনত এইটো স্পষ্ট হৈ পৰিছে যে মালতীয়ে ৰফিকউদ্দিনতকৈ দৈনিক প্ৰায় ৫ ঘণ্টা বেছি কাম

কৰি মাহিলী ৫০০০ টকা অর্থাৎ দৈনিক ১৬৭ টকা লাভ কৰে। আনহাতে ৰফিকউদ্দিনে ৭ ঘণ্টা কাম কৰি দৈনিক হাজিৰা পায় ৫০০ টকা। মালতীৰ শাৰীৰিক পৰিশ্ৰম ৰফিকউদ্দিনতকৈ বহুখিনি বেছি। কাৰণ বন্ধা-বঢ়া, কাপোৰ ধোৱা, পানী দঙা আদিৰ দৰে কামত শৰীৰত যথেষ্ট হেঁচা পৰে আৰু দৌৰি ফুৰিবলগীয়াও হয়। মালতীয়ে ৰফিকউদ্দিনৰ দৰে জিৰণিও নাপায়।

এই পৰ্যবেক্ষণৰপৰা তোমালোকৰ মনত কি ভাব হৈছে বাৰু? মালতী দাসক তেওঁ কৰা কামৰ তুলনাত অতি কম মূল্য দিয়া হোৱা নাইনে? ফলত মালতীয়ে নিজৰ পৰিয়ালটোক ভালদৰে পোহ-পাল দিব পৰা নাই। ৰফিকউদ্দিন দক্ষ মানুহ কাৰণে তেওঁৰ মজুৰি বেছি কিন্তু পৰিশ্ৰম মালতীতকৈ কম। আমাৰ পৰিয়াল বা সমাজে মালতীৰ ঘৰুৱা কামক এবাৰ নোৱাৰা কাম বুলি স্বীকৃতি নিদিয়ে। মাথোঁ তেওঁ নিৰ্ধাৰিত সময়ত সকলো কাম কৰে নে নকৰে তাৰ খতিয়ান লয়। এয়া মালতীৰ প্ৰতি উচিত ব্যৱহাৰ বুলি ভাবানে? যদি মালতীয়ে তেওঁ কৰা কামৰ উচিত মূল্য পালেহেঁতেন তেনেহ'লে তেওঁ আনন্দ পালেহেঁতেন, কৰ্মোৎসাহো বাঢ়িলেহেঁতেন। ফলত তেওঁৰ পৰিয়ালটোৰ অৱস্থাও কিছু উন্নত হ'লহেঁতেন।

**ক্ৰিয়াকলাপ ঃ**

- মালতী আৰু ৰফিকউদ্দিনৰ মজুৰিৰ মাজত ইমান ব্যৱধান থকা উচিতনে? যুক্তি দৰ্শাহি এটা টোকা প্ৰস্তুত কৰা।

## সমাজত মহিলাৰ অৱদান ঃ


শ্ৰীমতী প্ৰতিভা দেৱীসিং পাটিল

কাষৰ ছবিখন কাৰ নিশ্চয় ধৰিব পাৰিছা। এয়া ভাৰতৰ প্ৰথম মহিলা ৰাষ্ট্ৰপতি শ্ৰীমতী প্ৰতিভা দেৱীসিং পাটিল।
১৯৩৪ চনৰ ১৯ ডিচেম্বৰত মহাৰাষ্ট্ৰৰ জলগাঁও জিলাৰ নাদগাঁৱত প্ৰতিভা দেৱীসিং পাটিলৰ জন্ম হয়। তেওঁ প্ৰাথমিক শিক্ষা জলগাঁৱতেই লাভ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত পুনা বিশ্ববিদ্যালয়ৰ পৰা তেওঁ অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তাৰপিছত তেওঁ আইনৰ স্নাতক ডিগ্ৰীও গ্ৰহণ কৰে।

প্ৰতিভা দেৱীসিং পাটিলৰ প্ৰথম কৰ্মজীৱন আৰম্ভ হয় এগৰাকী উকীল হিচাপে। নিজৰ বৃত্তিৰ লগে লগে সমাজৰ দুখীয়া শ্ৰেণীৰ লোকসকলৰ বাবেও তেওঁ নানাধৰণৰ কল্যাণমূলক কাম-কাজত ব্ৰতী হয়। ২৭ বছৰ বয়সৰ পৰা তেওঁ ৰাজনৈতিক কৰ্মক্ষেত্ৰত মনোনিৱেশ কৰে। মুক্তাইনগৰ বিধানসভা সমষ্টিৰ পৰা একেৰাহে চাৰিবাৰকৈ বিধায়ক হিচাপে নিৰ্বাচিত হয়। তাৰপাছত ১৯৮৫ ৰপৰা ১৯৯০ চনলৈ ৰাজ্যসভাৰ সদস্য হিচাপে সেৱা আগবঢ়ায়। ১৯৯১ চনত তেওঁ লোকসভাৰ সদস্য হিচাপেও নিৰ্বাচিত হয়। তাৰ পাছত ৰাজস্থানৰ ৰাজ্যপাল হিচাপে ২০০৪ চনত তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰে। এনেদৰে শ্ৰীমতী পাটিল এগৰাকী বিচক্ষণ ৰাজনীতিবিদ হিচাপে সমগ্ৰ দেশতে স্বীকৃত হয়। এই স্বীকৃতিৰ আধাৰত ২০০৭ চনত দেশত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰপতি নিৰ্বাচনত জয়লাভ কৰি প্ৰতিভা দেৱীসিং পাটিলে ভাৰতবৰ্ষৰ প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি হোৱাৰ গৌৰৱ অৰ্জন কৰে।


মামণি ৰয়ছম গোস্বামী

এয়া আমাৰ সকলোৰে পৰিচিত সুপ্ৰসিদ্ধ সাহিত্যিক মামণি ৰয়ছম গোস্বামী (প্ৰকৃত নাম ইন্দিৰা গোস্বামী)। ১৯৪২ চনৰ ১৪ নৱেম্বৰত জন্মলাভ কৰা মামণি ৰয়ছম গোস্বামীয়ে শ্বিলঙৰ পাইন মাউণ্ট স্কুলত শিক্ষা জীৱনৰ পাতনি মেলিছিল। ১৩ বছৰ বয়সৰপৰাই তেওঁ সাহিত্য সাধনাত ব্ৰতী হয়। অসমীয়া সাহিত্যৰ একেধাৰে এগৰাকী

কবি, ঔপন্যাসিক, গল্পকাৰ, প্ৰবন্ধকাৰ হিচাপে যথেষ্ট খ্যাতি লাভ কৰা মামণি ৰয়ছম গোস্বামী এগৰাকী সমাজসেৱী হিচাপেও জনাজাত। বিভিন্ন ধৰণৰ গঠনমূলক আৰু সমাজসেৱামূলক কাম-কাজৰ লগত জড়িত হোৱাৰ উপৰি অসমত শান্তি প্ৰতিষ্ঠাৰ প্ৰক্ৰিয়াতো তেখেতৰ অৱদান অতুলনীয়। দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপকৰ আসন শুৱনি কৰা মামণি ৰয়ছম গোস্বামীয়ে ১৯৮২ চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। তেওঁৰ সাহিত্যকৃতিয়ে ২০০২ চনত ভাৰতীয় সাহিত্যৰ সৰ্বশ্ৰেষ্ঠ জ্ঞানপীঠ বঁটা অৰ্জন কৰিবলৈ সক্ষম হয় আৰু ২০০৮ চনত ভাৰতীয় সাহিত্য আৰু সমাজলৈ তেওঁ আগবঢ়োৱা অৱদানৰ বাবে ইউৰোপীয় সাহিত্যৰ সন্মানীয় 'প্ৰিন্সিপাল প্ৰিন্স ক্লজ লৰেট' বঁটা লাভ কৰে।


কল্পনা চাওলা

মহাকাশ বিজ্ঞানী কল্পনা চাওলাৰ নাম নিশ্চয় তোমালোকে শুনিছা। এগৰাকী অসাধাৰণ মেধাসম্পন্ন মহিলা আছিল কল্পনা চাওলা। ১৯৬১ চনত হাৰিয়ানাৰ কাৰ্ণাল জিলাত কল্পনা চাওলাৰ জন্ম হৈছিল। অতি তীক্ষ্ণ মেধাৰ কল্পনাই স্কুলীয়া শিক্ষা লাভ কৰিছিল নিজৰ জন্ম ঠাইত। পিছত তেওঁ পঞ্জাৱ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰপৰা বৈমানিক অভিযন্তা হিচাপে ডিগ্ৰী লাভ কৰে। সৰুৰেপৰা উচ্চাকাংক্ষী কল্পনাই উচ্চ শিক্ষাৰ বাবে এটা সময়ত আমেৰিকালৈ যাত্ৰা কৰে। ১৯৮৮ চনত তেওঁ আমেৰিকাৰ কল'ৰাডো বিশ্ববিদ্যালয়ৰপৰা মহাকাশ অভিযান্ত্ৰিক বিষয়ত সুখ্যাতিৰে ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হয়। নিজৰ মেধাৰ বলত ১৯৯৫ চনত কল্পনাই আমেৰিকাৰ প্ৰসিদ্ধ মহাকাশ গৱেষণাকাৰী সংস্থা 'নাছা'ত মহাকাশচাৰী বিজ্ঞানী হিচাপে কামত যোগদান কৰে। তাত খুব কম সময়তে তেওঁ নিজৰ কৰ্মদক্ষতাৰ পৰিচয় দাঙি ধৰে। ১৯৯৭ চনত কল্পনাই প্ৰথমবাৰলৈ মহাকাশচাৰী হিচাপে মহাকাশলৈ উৰা মাৰে আৰু সফলতাৰে নিজৰ দায়িত্ব পালন কৰি পৃথিৱীলৈ ঘূৰি আহে। ২০০৩ চনৰ ১৬ জানুৱাৰীত তেওঁ পুনৰবাৰ মহাকাশ যাত্ৰাত চামিল হয়। সেই যাত্ৰাত কল্পনাই অতি নিপুণতাৰে নিজৰ কাৰিকৰী দায়িত্ব সমাপন কৰে। কিন্তু ঘূৰি অহাৰ পথত পৃথিৱীত অৱতৰণ কৰাৰ আগমুহূৰ্তত মহাকাশযানখনত যান্ত্ৰিক বিজুতি ঘটি সমূলি ধ্বংস হৈ যায়। এই দুৰ্ঘটনাত বাকীকেইজন যাত্ৰীৰ সৈতে কল্পনা চাওলাৰো মৃত্যু ঘটে। কল্পনা চাওলাৰ দৰে এগৰাকী প্ৰচুৰ সম্ভাৱনাপূৰ্ণ বিদূষী মহিলাৰ অকাল মৃত্যু সমগ্ৰ মানৱজাতিৰ বাবে অপূৰণীয় ক্ষতি। মহাকাশ গৱেষণাৰ ক্ষেত্ৰখনত তেওঁৰ অৱদান চিৰস্মৰণীয় হৈ ৰ'ব।


বাচেন্দ্ৰী পাল

১৯৫৪ চনত গাড়োৱালৰ এখন ভিতৰুৱা গাঁৱত জন্ম হৈছিল বাচেন্দ্ৰী পালৰ। অতি চোকা বুদ্ধিৰ বাচেন্দ্ৰী সৰুৰেপৰাই যথেষ্ট কৰ্মঠ আৰু দুঃসাহসিক কামৰ প্ৰতি আগ্ৰহী আছিল। ১২ বছৰ বয়সতে এবাৰ লগৰীয়াৰ সৈতে গৈ প্ৰায় ১২,১২৩ ফুট উচ্চতাৰ শৃংগ এটাত আৰোহণ কৰিছিল। প্ৰতিকূল অৱস্থাত পৰি খাদ্য আৰু গৰম কাপোৰ নোহোৱাকৈ দলটোৰে গোটেই ৰাতি শৃংগটোত কটাবলগীয়া হৈছিল। কলেজীয়া জীৱনত ৰাইফল শ্যুটিঙত বাচেন্দ্ৰীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। পৰ্বতাৰোহণৰ প্ৰতি আকৃষ্ট বাচেন্দ্ৰীয়ে এটা সময়ত মহিলা পৰ্বতাৰোহণকাৰী দলৰ প্ৰশিক্ষক হিচাপে কামত যোগদান কৰে। ১৯৮৪ চনৰ ২৩ মে' তাৰিখে বাচেন্দ্ৰী পালে এভাৰেষ্ট শৃংগ জয় কৰি তেওঁৰ দুঃসাহসিকতাৰ অভিলেখ গঢ়িবলৈ সক্ষম হয়। এভাৰেষ্ট বিজয়ী প্ৰথম ভাৰতীয় মহিলা হিচাপে তেওঁৰ নাম সোণালী আখৰেৰে খোদিত হৈ ৰ'ব। বাচেন্দ্ৰী পালৰ সাহসিকতাই বিশ্বৰ বহু মহিলাক অনুপ্ৰাণিত কৰি আহিছে। আমাৰ চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ যুৱতী আনছু জামছেনপাই অতি কম সময়ৰ ব্যৱধানত দুবাৰকৈ এভাৰেষ্ট বিজয় কৰি দুঃসাহসিকতাৰ পৰিচয় দিছে।

উত্তৰ লিখা ঃ

- প্ৰতিভা দেৱীসিং পাটিল কোন দিশত বিচক্ষণ মহিলা?
- মামণি ৰয়ছম গোস্বামীয়ে কিমান চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল?
- কল্পনা চাওলাৰ কৰ্মজীৱন কেনেকৈ আৰম্ভ হৈছিল?
- ২০২০ চনৰ অলিম্পিকৰ কোনটো খেলত লাভলীনা বৰগোঁহায়ে পদক অৰ্জন কৰে?

সমাজৰ উন্নতিত পুৰুষৰ সমানেই মহিলাৰ অৱদানো অনস্বীকাৰ্য।



লাভলীনা বৰগোঁহাই

এইসকল অসাধাৰণ মহিলাৰ কাম-কাজে আমাৰ সমাজখনৰ উন্নতিত অৰিহণা যোগোৱা নাইনে? আজি বিশ্বৰ প্ৰতিটো প্ৰান্তত মহিলাসকলে নিজৰ নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ পুৰুষৰ সমানে আগবাঢ়ি আহিছে। সমাজখনৰ সকলো দিশতে আজি মহিলাই নিজৰ সক্ষমতাৰ পৰিচয় দাঙি ধৰিছে। আমাৰ দেশৰ লক্ষ্মী লাক্ৰাই এফালে ৰে'লৰ ইঞ্জিন চলাইছে আনফালে সৰলা থাক্ৰালে এৰোপ্লেন চলাই অভিলেখ গঢ়িছে। কৃষি, উদ্যোগ, সেৱা সকলোতে আজি মহিলাই যথেষ্ট পাৰদৰ্শী ভূমিকা পালন কৰিছে। খেলৰ জগততো আমাৰ দেশৰ ছোৱালী পিছ হুহকি থকা নাই। জাপানৰ টকিঅ'ত অনুষ্ঠিত ২০২০ চনৰ অলিম্পিকত অসমৰ লাভলীনা বৰগোঁহায়ে বক্সিঙত ব্ৰ'ঞ্জৰ পদক লাভ কৰি দেশৰ লগতে ৰাজ্যখনৰ নাম উজ্জ্বলাবলৈ সক্ষম হৈছে। পাৰ্থক্য মাথোঁ এইখিনিতেই যে পুৰুষৰ সংখ্যাৰ তুলনাত মহিলাৰ সংখ্যা তাকৰ। ওপৰত উল্লিখিত মহিলাসকল মেধাসম্পন্ন, কষ্টসহিষ্ণু আৰু অসাধাৰণ। নিজৰ আত্মবল আৰু আত্মবিশ্বাসৰ বলত তেওঁলোকে সকলো বাধা নেওচি নিজ প্ৰতিভাক বিকশিত কৰিছে। যদি সমাজৰ আটাইবোৰ ছোৱালী আৰু মহিলাই পুৰুষৰ সমানে নিজ দক্ষতাক প্ৰকাশ কৰাৰ সুযোগ পায়, তেতিয়াহ'লে সমাজ বা দেশৰ কিমান উন্নতি হ'ব ভাবি চোৱাচোন!

সমতা গণতন্ত্ৰৰ এক অন্যতম বৈশিষ্ট্য। ভাৰতৰ সংবিধানে 'সমতাৰ অধিকাৰ'ক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া কথাটো তোমালোকে পূৰ্বৰ শ্ৰেণীত পাই আহিছা। এই সমতা শব্দটোৱে আমাৰ দেশত জাতি, ধৰ্ম, বৰ্ণ, লিংগভেদে সকলো মানুহৰে সকলো বিষয়তে সমান অধিকাৰৰ কথাকে সূচাইছে। কিন্তু বাস্তৱত আমি দেখিবলৈ পাইছো যে আমাৰ দেশত পুৰুষ আৰু মহিলাৰ মাজত সমতাৰ কথাটোৱে বেছি গুৰুত্ব পোৱা নাই। পাঠটিৰ আগছোৱাত বৰ্ণিত কথাবোৰ আমাৰ সমাজৰ একো একোটা প্ৰতিচ্ছবি। অৰ্থাৎ লিংগ বৈষম্যৰ কবলত আমাৰ সমাজৰ অধিকাংশ এতিয়াও নিমজ্জিত।

ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশই মহিলা। কিন্তু দেশৰ অৰ্থনৈতিক বিকাশৰ সুফল মহিলাসকলে এতিয়াও সমানে লাভ কৰাৰ সুযোগ পোৱা নাই।এই বৃহৎ সংখ্যক মহিলাই অৰ্থনৈতিক কাম-কাজত পুৰুষৰ সমানে যোগদান কৰাৰ সুবিধা নোপোৱালৈকে দেশৰ মুঠ ঘৰুৱা উৎপাদন (GDP : Gross Domestic Product) বৃদ্ধি হোৱাৰ কথা ভাবিব নোৱাৰি। কিন্তু সমাজ বা দেশ এখন প্ৰগতিৰ পথত আগুৱাই যাবলৈ হ'লে এনে বৈষম্যৰ অৱসান ঘটিবই লাগিব। পুৰুষ-মহিলাৰ সমমৰ্যাদা আৰু পাৰস্পৰিক সহযোগিতাইহে উন্নতিৰ পথ মসৃণ কৰে। দেশৰ আৰু দহৰ কল্যাণৰ হকে পুৰুষ-মহিলা নিৰ্বিশেষে আটায়ে সমানে দায়বদ্ধ। সেয়েহে মহিলাক পুৰুষতকৈ দুৰ্বল বুলি ভবাৰ থল নাই।

এই চিন্তাক অগ্ৰাধিকাৰ দিয়েই আমাৰ দেশৰ চৰকাৰে বৰ্তমান নাৰী শিক্ষাৰ সম্প্ৰসাৰণত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। মহিলাৰ সৱলীকৰণ প্ৰক্ৰিয়াত সকলোকে জড়িত কৰাৰ সুবিধা প্ৰদান কৰিছে। ঘৰত বা কৰ্মক্ষেত্ৰত ছোৱালী আৰু মহিলাসকলৰ সুৰক্ষাৰ বাবে কিছুমান আইন প্ৰণয়ন কৰিছে যাতে তেওঁলোকে নিৰাপত্তাহীনতাত নোভোগে।

ঘৰুৱা কামৰ বোজাৰপৰা আঁতৰাই ছোৱালীবোৰক বিদ্যালয়ৰ শ্ৰেণীকোঠাৰ শিক্ষা লাভ কৰাৰ সুযোগ প্ৰদান কৰাটো নিঃসন্দেহে প্ৰশংসনীয় প্ৰচেষ্টা। আমাৰ দেশৰ চৰকাৰেও কন্যা সন্তানৰ সবলীকৰণৰ অৰ্থে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিসমূহৰ উদ্দেশ্য হ'ল ল'ৰা সন্তানৰ সমানেই কন্যা সন্তানেও যাতে সকলো দিশত উন্নতিৰ পথত আগুৱাব পাৰে। মুঠৰ ওপৰত এইটো কথা আমি সকলোৱে অনুভৱ কৰিব লাগিব যে আমাৰ সমাজৰ ছোৱালীসকল ল'ৰাৰ সমানেই পৰিশ্ৰমী আৰু বুদ্ধিদীপ্ত। ঠিক সেইদৰে মহিলাসকলো পুৰুষৰ সমানে দূৰদৰ্শী আৰু দায়িত্বশীল। প্ৰয়োজন মাথোঁ সমান মৰ্যাদা আৰু সমান সুবিধাৰ। সমাজত আমাৰ পুৰুষ-মহিলাৰ মাজত থকা বৈষম্যভাৱ যিমান সোনকালে আঁতৰিব সিমান সোনকালে আমাৰ উন্নতিৰ পথ প্ৰশস্ত হ'ব।

আমি আটায়ে এনে এখন সুন্দৰ সমাজত বাস কৰিবলৈ ইচ্ছা কৰোঁ। আহা আমি সকলোৱে মিলি এখন বৈষম্যহীন সমাজ গঢ়াত আগভাগ লওঁহক।

## মনত ৰাখিবলগীয়া কথা ঃ

- মহিলাই ঘৰত কৰা কামৰ স্বীকৃতি পোৱা উচিত।
- পুৰুষ-মহিলাৰ শ্ৰমক সমমূল্য প্ৰদান নকৰা পৰ্যন্ত সমাজৰ উন্নতি সম্ভৱ নহয়।
- সমাজত পুৰুষ আৰু মহিলাৰ মৰ্যাদা ভিন্ন নহয়।
- পুৰুষৰ তুলনাত মহিলাক দুৰ্বল বুলি ভবাৰ কোনো থল নাই।
- সমাজৰ উন্নতিত মহিলাৰ অৱদান অনস্বীকাৰ্য।
- আমাৰ দেশৰ সংবিধানে পুৰুষ-মহিলা নিৰ্বিশেষে সকলোকে সমতাৰ অধিকাৰ ভোগ কৰাৰ সুযোগ প্ৰদান কৰিছে।
- মহিলাৰ সবলীকৰণ সমাজৰ অগ্ৰগতিৰ এক অন্যতম কাৰক।
- এখন দেশৰ উন্নতিত ছোৱালী শিক্ষাৰ গুৰুত্ব অপৰিসীম।
- বৈষম্যহীন সমাজ এখনে দেশৰ উন্নতিৰ গতি খৰতকীয়া কৰে।
- আমি সকলোৱে বৈষম্যহীন সমাজ গঢ়িবৰ বাবে অনুপ্ৰাণিত হোৱা উচিত।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা ঃ

(ক) শ্ৰমৰ সমমৰ্যাদা মানে কি?

(খ) শ্ৰমৰ সমমূল্যই কি সূচায়?

(গ) প্ৰতিভা দেৱীসিং পাটিলৰ কৰ্মজীৱন কেনেকৈ আৰম্ভ হৈছিল?

(ঘ) মামণি ৰয়ছম গোস্বামীয়ে কিমান বয়সৰপৰা সাহিত্য সাধনাত ব্ৰতী হয়?

(ঙ) কল্পনা চাওলাই কোন বিষয়ত ডিগ্ৰী লাভ কৰিছিল?

(চ) কলেজীয়া জীৱনত কি খেলত বাচেন্দ্ৰীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰিছিল?

২। উত্তৰ লিখা ঃ

(ক) পুৰুষ-মহিলাৰ সমমৰ্যাদা আৰু পাৰস্পৰিক সহযোগিতাই সমাজ এখনৰ উন্নতিত কেনেদৰে অৰিহণা যোগায়?

(খ) লিংগ বৈষম্যৰ কবলত আমাৰ সমাজৰ অধিকাংশ এতিয়াও নিমজ্জিত। কেনেকৈ?

(গ) সমাজৰ উন্নতিত মহিলাৰ ভূমিকা কিয় অপৰিহাৰ্য?

৩। খালী ঠাই পূৰ কৰা ঃ

(ক) নাৰী আৰু পুৰুষৰ শ্ৰমৰ ________ অবিহনে সমাজৰ উন্নতি সম্ভৱ নহয়।

(খ) সমাজৰ ________ পুৰুষৰ সমানেই মহিলাৰ অৱদানো অনস্বীকাৰ্য।

(গ) ________ গণতন্ত্ৰৰ এক অন্যতম বৈশিষ্ট্য।

(ঘ) মহিলাসকলো পুৰুষৰ সমানে ________ আৰু দায়িত্বশীল।

(ঙ) আমাৰ সমাজৰ ছোৱালীসকল ল'ৰাৰ সমানেই পৰিশ্ৰমী আৰু ________।

৪। প্ৰকল্প ঃ

(ক) পাঠত উল্লেখ কৰা মহিলাকেইগৰাকীৰ উপৰি অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশত অৱদান যোগোৱা পাঁচগৰাকী মহিলাৰ বিষয়ে তলৰ তালিকা অনুসৰি এটা প্ৰকল্প প্ৰস্তুত কৰা।

| ছবি | চমু পৰিচয় | সমাজলৈ অৱদান |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |

# পাঠ ঃ ২২
# নাগৰিক আৰু নাগৰিকত্ব

M7V6V6

## শিকনৰ ফলাফল ঃ

- নাগৰিকৰ ধাৰণা স্পষ্টকৈ বুজিব।
- বিদেশী মানে কি তাক জানিব পাৰিব।
- নাগৰিক আৰু বিদেশীৰ মাজৰ পাৰ্থক্য বুজি পাব।
- নাগৰিকত্ব কিদৰে লাভ কৰিব পাৰি আৰু নাগৰিকত্বৰপৰা কেনেদৰে বঞ্চিত হয় সেই বিষয়ে জানিব পাৰিব।

সভ্যতাৰ ক্ৰমবিকাশৰ ফলস্বৰূপে গাঁও, চহৰ, নগৰ আদিৰ সৃষ্টি হৈ ক্ৰমান্বয়ে এখন উন্নত সমাজ গঠন হ'ল। সময়ৰ বিবৰ্তনৰ লগে লগে সমাজৰ বুকুত ৰাষ্ট্ৰৰ জন্ম হ'ল। ৰাষ্ট্ৰৰ এক গুৰুত্বপূৰ্ণ উপাদান হ'ল- জনসংখ্যা যাক আমি ৰাষ্ট্ৰখনৰ নাগৰিক বুলিও ক'ব পাৰো। নাগৰিক হ'ল ৰাষ্ট্ৰ এখনৰ স্থায়ী বাসিন্দা। প্ৰাচীন কালত কেৱল নগৰত বাস কৰা লোকসকলকহে নাগৰিক বোলা হৈছিল। কিন্তু গণতন্ত্ৰৰ সম্প্ৰসাৰণৰ লগে লগে নাগৰিকত্বৰ ধাৰণাও বিস্তৃত হৈছে। নাগৰিকৰ প্ৰকৃত অৰ্থ আৰু ইয়াৰ লগত জড়িত বিভিন্ন কথাবোৰ আমি তলৰ কথোপকথনৰপৰা ভালদৰে জানি লওঁ আহা-

গৰমৰ বন্ধত দিল্লী বিশ্ববিদ্যালয়ত পঢ়ি থকা পিংকীৰ ককায়েক পংকজ ঘৰলৈ আহিছে। সন্ধিয়া দুয়োজনে টিভিত আঞ্চলিক বাতৰি চাই থকাৰ মাজত দৃশ্যমান হ'ল এক বিশাল সমদল। সমদলত মানুহবোৰে বেনাৰ, ফেষ্টুন, প্লেকাৰ্ড আদি লৈ চিঞৰি চিঞৰি শ্লোগান দিছে -

'নাগৰিকক সুৰক্ষা দিয়ক', 'নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ অক্ষুন্ন ৰাখক' আদি। শ্লোগানে পিংকিৰ মনত কৌতুহলৰ সৃষ্টি কৰিলে। ককায়েকলৈ চাই তাই প্ৰশ্ন কৰাত লাগিল -



### জানি থওঁ আহা ঃ

- ৰাষ্ট্ৰ এখনৰ মূল উপাদান চাৰিটা-
  - জনসংখ্যা
  - নিৰ্দিষ্ট ভূখণ্ড
  - চৰকাৰ
  - সাৰ্বভৌমত্ব
- নাগৰিক কোন ?

  এখন ৰাষ্ট্ৰৰ ভূখণ্ডত স্থায়ীভাৱে বাস কৰা আৰু ৰাষ্ট্ৰই প্ৰদান কৰা সকলো অধিকাৰ ভোগ কৰা লোকসকল হ'ল নাগৰিক। নাগৰিকে নিজৰ দেশখনৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰে।
- নাগৰিকৰ সুৰক্ষা, নাগৰিকৰ গনতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰাটো চৰকাৰৰ প্ৰধান কৰ্তব্য।

পিংকী ঃ দাদা এই মানুহবোৰ যে শ্লোগান দিছে 'নাগৰিকক সুৰক্ষা দিয়ক' 'নাগৰিকক সুবিধা দিয়ক' আদি বুলি প্ৰকৃততে নাগৰিক মানে কি ভালদৰে বুজাই কোৱাচোন।

পংকজ ঃ দূৰ অতীতত সভ্যতাৰ প্ৰাণকেন্দ্ৰস্বৰূপ নগৰসমূহত বাস কৰা লোকসকলকে নাগৰিক বুলি আখ্যা দিয়া হৈছিল। কিন্তু সময়ৰ লগে লগে সেই ধাৰণা সলনি হ'ল।

পিংকী ঃ দাদা, আমি যে বিদেশী বুলি কওঁ তাৰ মানে কি ?

পংকজ ঃ শুনা। কোনো এজন ব্যক্তি নিজৰ দেশৰপৰা অন্য দেশলৈ গ'লে তেওঁক তাত বিদেশী বোলা হয়। এসময়ত আমাৰ অসমৰ চাহ বাগিচাবোৰ ইংলেণ্ডৰ মানুহে পৰিচালনা কৰিছিল। সেই সময়ত তেওঁলোকে নিজ পৰিয়াল লৈ বছৰ বছৰ ধৰি বাগিচাৰ বঙলাত বসবাস কৰিছিল।

পিংকী ঃ তেনেহ'লে আমাৰ ককাইঁতৰ ঘৰৰ ওচৰৰ নীল বাগানখনো ইংলেণ্ডৰ মানুহে পৰিচালনা কৰিছিল নেকি ?



পংকজ ঃ অ' কৰিছিল। তেনেকুৱা এটা পৰিয়ালৰ লগত আমাৰ ককাইঁতৰ বেছ ভাল সম্পৰ্ক আছিল। বিদেশী চাহাবজনৰ নাম আছিল জৰ্জ এণ্ডাৰছন। এণ্ডাৰছনৰ পত্নী এঞ্জেলিনা। তেওঁলোকৰ এহাল ল'ৰা-ছোৱালী আছিল মেৰী আৰু বিকী। আজি কেইবাবছৰো হ'ল তেওঁলোক অসমৰপৰা গুচি গ'ল।

পিংকী ঃ তাৰমানে তুমিও তেওঁলোকক ভালদৰে জানিছিলা। দাদা, বিদেশী আৰু নাগৰিকৰ মাজত কিবা পাৰ্থক্য আছে নেকি ?

পংকজ ঃ আছে।

পিংকী ঃ জৰ্জ চাহাবহঁত যে ইমান বছৰ অসমত আছিল তেওঁলোক ভাৰতৰ নাগৰিক হ'ব নোৱাৰিলেহেঁতেননে ?

পংকজ ঃ ইচ্ছা কৰিলে পাৰিলেহেঁতেন। নাগৰিকত্ব লাভৰ বাবে কেইটামান উপায় আছে। জৰ্জ চাহাব আৰু তেওঁৰ পত্নীয়ে আমাৰ দেশৰ নাগৰিক হ'ব বিচাৰিলে তেওঁলোকে নাম পঞ্জীয়ন কৰি নাগৰিকত্ব ল'ব পৰিলেহেঁতেন।

পিংকী ঃ কিন্তু মেৰী, বিকী কোন দেশৰ নাগৰিক হ'লহেতেন ?

পংকজ ঃ মেৰী আৰু বিকীৰ পিতৃ-মাতৃ ইংলেণ্ডৰ। সেয়েহে বংশানুক্ৰমিকভাৱে তেওঁলোক ইংলেণ্ডৰ নাগৰিক। কিন্তু পিতৃ-মাতৃ ইংলেণ্ডৰ হ'লেও মেৰী আৰু বিকীৰ জন্মসূত্ৰে তেওঁলোক আমাৰ দেশৰ নাগৰিক।

পিংকী ঃ আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰাৰ আৰু কিবা উপায় আছে নেকি দাদা ?

**জানি থওঁ আহা ঃ**

- নাগৰিক আৰু বিদেশীৰ পাৰ্থক্য ঃ
  নাগৰিকে দেশখনৰ সকলো পৌৰ আৰু ৰাজনৈতিক অধিকাৰ ভোগ কৰিব পাৰে, কিন্তু বিদেশীয়ে ৰাজনৈতিক অধিকাৰ ভোগ কৰিব নোৱাৰে, কেৱল পৌৰ অধিকাৰহে পায়।
- নাগৰিকে নিজৰ দেশৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য প্ৰদৰ্শন কৰে, কিন্তু বিদেশী এজনে নিজৰ দেশৰ বাহিৰে আন দেশৰ প্ৰতি আনুগত্য দেখুৱাবলৈ বাধ্য নহয়।

পংকজ ঃ নিশ্চয় আছে। যদি কোনো বিদেশীলোকে নিজৰ দেশৰ নাগৰিকত্ব ত্যাগ কৰি ভাৰতৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য দেখুৱাই ইয়াত নিগাজীকৈ থাকিবলৈ ইচ্ছা কৰে, তেতিয়াহ'লে দেশীয়কৰণ পদ্ধতিৰে তেওঁ আমাৰ দেশৰ নাগৰিক হ'ব পাৰিব। অৱশ্যে তেওঁৰ নাগৰিকত্ব লাভৰ বিষয়টো চৰকাৰৰ বিচাৰ-বিবেচনাৰ ওপৰত নিৰ্ভৰ কৰিব।

পিংকী ঃ তাৰমানে মেৰী-নিকীহঁতেও ইচ্ছা কৰিলে আমাৰ দেশতে থাকি ইয়াৰ নাগৰিক হ'ব পাৰিলেহেঁতেন?

পংকজ ঃ অ, পাৰিলেহেঁতেন। তুমি সুধিছা যেতিয়া আৰু এটা কথা জানি থোৱা। কোনো অঞ্চল যদি ভাৰতীয় ৰাজ্যক্ষেত্ৰৰ লগত চামিল হয় তেতিয়া সেই অঞ্চলত বাস কৰা লোকসকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰে। চিকিম এসময়ত ভাৰতৰ অংশ নাছিল। কিন্তু ১৯৭৫ চনত চিকিম ভাৰতত চামিল হোৱাৰ লগে লগে সেইদেশৰ নাগৰিকসকলে ভাৰতৰ নাগৰিক হিচাপে স্বীকৃতি লাভ কৰিলে। ঠিক তেনেদৰে গোৱা, দমন-দিউৰ লোকসকলেও আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰিছে।

পিংকী ঃ দাদা, আমাৰ দেশৰ নাগৰিক এজনে তেওঁৰ নাগৰিকত্ব হেৰুৱাব পাৰে নেকি?

পংকজ ঃ অ, পাৰে। ধৰি লোৱা কোনোৱে যদি দেশ বিৰোধী কাম কৰে তেনেহ'লে তেওঁ ভাৰতীয় নাগৰিকত্বৰপৰা বঞ্চিত হ'ব।

**ভাৰতত নাগৰিকত্ব লাভ কৰাৰ উপায় ঃ**

- জন্মসূত্ৰে।
- বংশানুক্ৰমে।
- পঞ্জীয়নৰ দ্বাৰা।
- দেশীয়কৰণৰ দ্বাৰা।
- ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ দ্বাৰা।

**নাগৰিকত্ব হেৰুৱাৰ কাৰণ ঃ**

- দেশ বিৰোধী কাৰ্যত লিপ্ত হ'লে।
- অন্য দেশৰ নাগৰিকত্ব গ্ৰহণ কৰিলে।
- ভাৰতীয় ছোৱালী এজনীয়ে যদি অন্য দেশৰ নাগৰিকক বিয়া কৰাই সেই দেশৰ নাগৰিকত্ব গ্ৰহণ কৰে।
- নাগৰিক এজন যদি বহুবছৰ একেবাৰে নিজৰ দেশৰপৰা আঁতৰি থাকে।

পিংকী ঃ তাৰ বাহিৰেও নাগৰিকত্ব হেৰুৱাৰ অন্য কিবা কাৰণ আছে নেকি?

পংকজ ঃ আছে যদি এখন দেশৰ নাগৰিকে নিজ ৰাষ্ট্ৰৰ অনুমতি নোলোৱাকৈ অন্য দেশৰপৰা কোনো উপাধি গ্ৰহণ কৰে তেতিয়াহ'লে তেওঁৰ নাগৰিকত্ব বিলোপ হ'ব। ঠিক সেইদৰে ভাৰতীয় ছোৱালী এজনীয়ে যদি অন্য দেশৰ নাগৰিকক বিয়া কৰাই সেই দেশৰ নাগৰিকত্ব লাভ কৰে তেতিয়াহ'লে তেও ভাৰতৰ নাগৰিকত্ব হেৰুৱাব। তাৰ বাহিৰেও যদি তুমি বা মই বহু বছৰ ধৰি একেৰাহে নিজৰ দেশৰপৰা আঁতৰি থাকো তেতিয়াও আমাৰ এই দেশৰ নাগৰিকত্ব বিলোপ হ'ব পাৰে।

**উত্তৰ লিখা ঃ**

- নাগৰিক বুলিলে কি বুজা?
- পৌৰ অধিকাৰ আৰু ৰাজনৈতিক অধিকাৰ কোনে ভোগ কৰিব পাৰে?
- কি কি কাৰণত এজন ভাৰতীয় নাগৰিক তেওঁৰ নাগৰিকত্বৰপৰা বঞ্চিত হ'ব পাৰে?

পিংকী আৰু পংকজৰ কথোপকথনৰ দ্বাৰা তোমালোকে জানিব পাৰিলা যে- জৰ্জ চাহাব, মেৰী, বিকীহঁতৰ দৰে ইংলেণ্ডৰ নাগৰিকে ইচ্ছা কৰিলে আমাৰ দেশৰ নাগৰিকত্ব লাভ কৰিব পাৰে। আনহাতে কি কি কাৰণত আমাৰ দেশৰ এজন নাগৰিকে তেওঁৰ নাগৰিকত্ব হেৰুৱাব লগীয়া হয় এই কথাও জানিব পাৰিলা।

**ক্ৰিয়াকলাপ ঃ**

- আমাৰ দেশৰ নাগৰিকত্ব লাভ আৰু নাগৰিকত্ব হেৰুওৱাৰ কাৰণসমূহ তালিকাভুক্ত কৰা।

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিকসকল পৰোক্ষভাৱেই হওক বা প্ৰত্যক্ষভাৱেই হওক ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। গণতান্ত্ৰিক ব্যৱস্থাত ৰাষ্ট্ৰৰ নাগৰিকসকলে পৌৰ আৰু ৰাজনৈতিক অধিকাৰসমূহ ভোগ কৰিব পাৰে। এইখিনিতে এটা কথা মনত ৰাখিবা যে নাগৰিকসকলে অকল ৰাষ্ট্ৰই দিয়া অধিকাৰ ভোগ কৰিলেই নহ'ব। দেশৰ প্ৰতি শ্ৰদ্ধা আৰু আনুগত্য স্বীকাৰ কৰি তেওঁলোকে ৰাষ্ট্ৰৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্যসমূহো নিষ্ঠাৰে পালন কৰিব লাগিব। তেতিয়াহে এক সুস্থ-সবল গণতান্ত্ৰিক ব্যৱস্থা বৰ্তি থাকিব।

**মনত ৰাখিবলগীয়া কথা ঃ**

- যি ব্যক্তিয়ে এখন দেশত স্থায়ীভাৱে বসবাস কৰি সেই দেশৰ সকলো অধিকাৰ ভোগ কৰে তেনে ব্যক্তিক নাগৰিক বোলে।
- যেতিয়া কোনো ব্যক্তিয়ে আন কোনো ৰাষ্ট্ৰত থাকি সেই ৰাষ্ট্ৰৰ পৌৰ অধিকাৰ ভোগ কৰে তেনে লোকক বিদেশী বোলে। বিদেশী লোকে নিজৰ দেশৰ বাহিৰে অন্য দেশৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিবলৈ বাধ্য নহয়।
- ভাৰতীয় নাগৰিকত্ব লাভৰ উপায়—
  - পঞ্জীয়নৰ দ্বাৰা
  - দেশীয়কৰণৰ দ্বাৰা
  - জন্মসূত্ৰে
  - বংশানুক্ৰমে
  - ৰাজ্যক্ষেত্ৰ চামিলকৰণৰ দ্বাৰা
- নাগৰিকত্বৰপৰা বঞ্চিত হ'ব পৰা কাৰণসমূহ—
  - ৰাষ্ট্ৰবিৰোধী কাম কৰিলে।
  - অনুমতি নোলোৱাকৈ অন্য ৰাষ্ট্ৰৰ উপাধি ল'লে।
  - ভাৰতীয় ছোৱালীয়ে অন্য দেশৰ নাগৰিকক বিয়া কৰাই সেই দেশৰ নাগৰিকত্ব লাভ কৰিলে।
  - বহুত দিন একেৰাহে নিজৰ দেশত অনুপস্থিত থাকিলে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) নাগৰিক শব্দৰ অৰ্থ কি?

(খ) বিদেশী মানে কি?

(গ) নাগৰিকে দেশৰ কি কি অধিকাৰ ভোগ কৰিব পাৰে?

(ঘ) কোন চনত চিকিম ভাৰতৰ লগত চামিল হয়?

২। উত্তৰ লিখা—

(ক) এজন বিদেশীয়ে ভৰতৰ নাগৰিকত্ব কেনেদৰে লাভ কৰিব পাৰে।

(খ) পৌৰ অধিকাৰসমূহ কি কি?

(ঙ) এজন নাগৰিক কেনেকৈ নাগৰিকত্বৰ পৰা বঞ্চিত হ'ব পাৰে।

৩। খালী ঠাই পূৰ কৰা—

(ক) বিদেশীসকলে ________ অধিকাৰ ভোগ কৰিব নোৱাৰে।

(খ) আমাৰ দেশ ভাৰতত এজন ব্যক্তিয়ে________ বছৰ বয়সত ভোটাধিকাৰ লাভ কৰে।

(গ) চিকিমৰ জনসাধাৰণে________ ৰ জৰিয়তে ভৰতীয় নাগৰিকত্ব লাভ কৰিছে।

৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) এজন বিদেশীয়ে পৌৰ অধিকাৰ/ৰাজনৈতিক অধিকাৰ লাভ কৰে।

(খ) এজন নাগৰিকে দেশৰ হকে কাম কৰিলে/ৰাষ্ট্ৰ বিৰোধী কাম কৰিলে নাগৰিকত্ব বিলোপ হ'ব পাৰে।

(গ) দেশৰ নাগৰিকে নিজৰ দেশৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰে/আনুগত্য প্ৰকাশ কৰে।

(ঘ) কোনো এজন ব্যক্তিৰ নিজৰ দেশৰপৰা অন্য দেশলৈ গুচি গলে তেওঁক তাত নাগৰিক/বিদেশী বোলা হয়।

৫। প্ৰকল্প ঃ

তোমালোকৰ পৰিয়ালৰ কোনো লোকৰ নাম ভোটাৰ তালিকাত নাথাকিলে কেনেধৰণৰ ব্যৱস্থা ল'ব লাগিব শিক্ষক আৰু অভিভাৱকৰ সহায়ত বুজি লৈ তেওঁৰ নাম তালিকাভুক্ত হোৱাটো নিশ্চিত কৰা।

# পাঠ ঃ ২৩
# নিৰ্বাচন আৰু নিৰ্বাচনী প্ৰক্ৰিয়া

2VGKCP

**শিকনৰ ফলাফল ঃ**

- নিৰ্বাচন কি এই বিষয়ে জানিব পাৰিব।
- নিৰ্বাচনৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে বুজি পাব।
- ভাৰতবৰ্ষৰ প্ৰধান ৰাজনৈতিক দলসমূহৰ বিষয়ে থূল-মূল আভাস লাভ কৰিব।
- ভাৰতবৰ্ষৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ বিষয়ে অৱগত হ'ব।
- গণতন্ত্ৰত শাসক আৰু বিৰোধী দলৰ ভূমিকাৰ বিষয়ে ধাৰণা লাভ কৰিব।

তোমালোকে আগৰ শ্ৰেণীত 'গণতন্ত্ৰ'ৰ ওপৰত সম্যক ধৰণা লাভ কৰিলাহঁক। 'নিৰ্বাচন' গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ এটা অন্যতম দিশ। এথন গণতান্ত্ৰিক চৰকাৰ গঠন কৰিবৰ বাবে নিৰ্বাচন অপৰিহাৰ্য।

এই পাঠটোৰ জৰিয়তে নিৰ্বাচননো কি, এই বিষয়ে জানি লওঁ আহা। নিৰ্বাচন জনসাধাৰণৰ মত প্ৰকাশৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। ভোটাৰসকলে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে সাংবিধানিক পদ্ধতিৰে তেওঁলোকৰ মাজৰপৰা প্ৰতিনিধি বাছি পঠিওৱা প্ৰক্ৰিয়াটোকে নিৰ্বাচন বুলি কোৱা হয়।

ভাৰতবৰ্ষত ১৮ বছৰ বয়সৰ ওপৰৰ সকলো নাগৰিকে ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰে। ইয়াত ধৰ্ম, বৰ্ণ, ভাষা, লিংগ, ধনী, দুখীয়া নিৰ্বিশেষে নিৰ্দিষ্ট বয়সপ্ৰাপ্ত সকলো লোকে ভোটাধিকাৰ লাভ কৰে বাবে ইয়াক সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ বোলা হয়।




**নিৰ্বাচনৰ প্ৰকাৰ ঃ**

**নিৰ্বাচন দুই প্ৰকাৰৰ—**

(ক) প্ৰত্যক্ষ নিৰ্বাচন

(খ) পৰোক্ষ নিৰ্বাচন।

### প্ৰত্যক্ষ নিৰ্বাচন ঃ

যি নিৰ্বাচনত ভোটাৰসকলে পোনপটীয়াভাৱে ভোটদান কৰি প্ৰতিনিধি নিৰ্বাচন কৰে তেনে নিৰ্বাচনক প্ৰত্যক্ষ নিৰ্বাচন বোলে। এই নিৰ্বাচনত ভোটাৰসকল ব্যক্তিগতভাৱে ভোটকেন্দ্ৰলৈ যায়। ভোটকেন্দ্ৰত তেওঁলোকে বিভিন্ন প্ৰাৰ্থীৰ মাজৰপৰা নিজৰ পছন্দৰ প্ৰাৰ্থীক ভোট দি নিৰ্বাচিত কৰি লয়।

## পৰোক্ষ নিৰ্বাচন ঃ

যি নিৰ্বাচনত ভোটাৰসকলে নিজে অংশগ্ৰহণ কৰাৰ সলনি তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিসকলে নিৰ্বাচনত অংশগ্ৰহণ কৰে তেনে নিৰ্বাচনক পৰোক্ষ নিৰ্বাচন বোলে। উদাহৰণস্বৰূপে, ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিক পৰোক্ষভাৱে নিৰ্বাচন কৰা হয়। এই নিৰ্বাচনত জনসাধাৰণে প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰি পঠিওৱা সাংসদ আৰু ৰাজ্যিক বিধানমণ্ডলৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

## ৰাজনৈতিক দল ঃ

গণতন্ত্ৰৰ এক অন্যতম অংগ হ'ল ৰাজনৈতিক দল। গণতান্ত্ৰিক পদ্ধতিৰে নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ হ'লে ভোটাৰসকল যিদৰে অপৰিহাৰ্য ঠিক তেনেদৰে ৰাজনৈতিক দলসমূহো অপৰিহাৰ্য। বিশেষকৈ প্ৰতিনিধিত্বমূলক গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাজনৈতিক দলে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

আমাৰ দেশত নিৰ্দিষ্ট আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত বহুকেইটা ৰাজনৈতিক দল আছে। তাৰে কিছুমান ৰাষ্ট্ৰীয় দল আৰু কিছুমান আঞ্চলিক দল।

নিজস্ব মতাদৰ্শক প্ৰাধান্য দি দেশব্যাপী থকা সংগঠনৰ ভিত্তিত সাধাৰণতে একো একোটা ৰাজনৈতিক দল গঢ়ি উঠে। এটা ৰাজনৈতিক দলে ৰাষ্ট্ৰীয় দল হিচাপে মৰ্যাদা লাভ কৰিবলৈ হ'লে নিৰ্বাচনী আয়োগৰ স্বীকৃতিপ্ৰাপ্ত হোৱাৰ উপৰি তিনিখন বা ততোধিক ৰাজ্যৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে পঞ্জীয়নভুক্ত হ'ব লাগে।

ৰাষ্ট্ৰীয় দলৰ ভিতৰত কিছুমান দল হ'ল— ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি, ভাৰতৰ কমিউনিষ্ট পাৰ্টি, বহুজন সমাজ পাৰ্টি আদি।

> **জানি থওঁ আহা ঃ**
> 'নিৰ্দিষ্ট নীতিৰ ওপৰত প্ৰতিষ্ঠিত, একে আদৰ্শৰে অনুপ্ৰাণিত হৈ সাংগঠনিকভাৱে নাগৰিকসকলে যেতিয়া কোনো সংস্থা গঢ়ি তোলে আৰু সাংবিধানিক উপায়েৰে চৰকাৰ গঠন কৰাৰ প্ৰচেষ্টা চলায় তেতিয়া তাক ৰাজনৈতিক দল বুলি কোৱা হয়।'

ভাৰতীয় জনতা দল

জাতীয় কংগ্ৰেছ দল

ৰাষ্ট্ৰীয় ৰাজনৈতিক দল

অসম গণ পৰিষদ

আঞ্চলিক ৰাজনৈতিক দল

আনহাতে কোনো ৰাজ্যৰ আঞ্চলিক স্বাৰ্থত গুৰুত্ব দি অঞ্চলটোৰ আৰ্থ-সামাজিক, সাংস্কৃতিক বিকাশৰ উদ্দেশ্য আগত ৰাখি কিছুমান দল গঠন হয়। এই দলসমূহে যেতিয়া নিৰ্বাচন আয়োগৰ স্বীকৃতি লাভ কৰে তেতিয়া তাক আঞ্চলিক দল বোলে।

আঞ্চলিক দলসমূহৰ ভিতৰত কিছুমান দল হ'ল— অসম গণ পৰিষদ (অসম), আকালি দল (পঞ্জাব), তেলেগু দেশম পাৰ্টি (অন্ধ্ৰপ্ৰদেশ) আদি।

উত্তৰ লিখা ঃ

(ক) প্ৰত্যক্ষ নিৰ্বাচন কি?

(খ) পৰোক্ষ নিৰ্বাচনৰ দ্বাৰা আমাৰ দেশত কাক নিৰ্বাচন কৰা হয়?

(গ) ৰাষ্ট্ৰীয় দল কি?

(ঘ) আঞ্চলিক দল কাক বোলে?

## ভাৰতৰ নিৰ্বাচন পক্ৰিয়া ঃ

ভাৰতত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কিছুমান বিশেষ প্ৰক্ৰিয়া আছে। তলৰ আলোচনাৰপৰা এই বিষয়ে জানি লোৱা। ভাৰতত বিভিন্ন নিৰ্বাচন পৰিচালনা কৰিবলৈ ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰত এখন **নিৰ্বাচনী আয়োগ** গঠন কৰি দিয়ে। এই আয়োগত এজন মুখ্য নিৰ্বাচনী আয়ুক্ত আৰু দুজন নিৰ্বাচনী আয়ুক্ত থাকে। মুখ্য নিৰ্বাচনী আয়ুক্তজনক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। ঠিক তেনেদৰে ৰাজ্যসমূহতো একোখন ৰাজ্যিক নিৰ্বাচনী আয়োগ গঠন কৰা হয়। নিৰ্বাচনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এই আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি নিৰ্বাচনৰ তাৰিখ আৰু কাৰ্যসূচী প্ৰস্তুত কৰে। নিৰ্বাচনৰ বাবে মনোনয়নপত্ৰ দাখিলৰ তাৰিখ, মনোনয়নপত্ৰ পৰীক্ষা আৰু প্ৰত্যাহাৰৰ তাৰিখ, নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ তাৰিখো আয়োগে নিৰ্ধাৰণ কৰে। নিৰ্বাচনী আয়োগৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰ। নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ঠাইত নিৰ্দিষ্ট সময়ৰ বাবে আয়োগে কেতবোৰ নিৰ্বাচনী আচৰণবিধি বলবৎ কৰে যাতে মুক্ত আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰি। বিধি উলংঘাকাৰীৰ ওপৰত আয়োগে বিহিত ব্যৱস্থা ল'ব পাৰে।

নিৰ্বাচনী আয়োগে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত ৰাজনৈতিক দলসমূহে তেওঁলোকৰ নিজ নিজ দলৰ প্ৰাৰ্থীক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ মনোনীত কৰে।

নিৰ্বাচনৰ সময়ৰ কাম-কাজবোৰ তোমালোকে বাৰু মন কৰিছানে?

ৰাজনৈতিক দলসমূহে নিজ দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া নেতাজনক লগত লৈ নিজ নিজ সমৰ্থিত ৰাজহুৱা সভা অনুষ্ঠিত কৰি দলৰ লক্ষ্য, উদ্দেশ্য, ভৱিষ্যতৰ কৰ্মপন্থা ৰাইজৰ আগত দাঙি ধৰে। তদুপৰি নিৰ্বাচনী প্ৰচাৰ অভিযানৰ বাবে দলৰ কৰ্মীসকলে ভোটাৰসকলৰ ঘৰে ঘৰে গৈ নিজৰ প্ৰাৰ্থীজনক ভোট দিবলৈ অনুৰোধ জনায়। ভোটাৰ তালিকাত পৰিয়ালৰ প্ৰাপ্তবয়স্কসকলৰ নাম আছে নে নাই তাক নিশ্চিত কৰে। নিজ দলে ভৱিষ্যতে কৰিবলগীয়া কৰ্মৰাজি ইস্তাহাৰ হিচাপে প্ৰকাশ কৰি ৰাইজৰ মাজত বিতৰণ কৰে। কিছুমান দলীয় সমৰ্থকে দলৰ প্ৰতীক, বেনাৰ আৰু প্ৰাৰ্থীক লৈ চাইকেল, মটৰচাইকেল আদিৰ সমদল উলিয়াই নিৰ্বাচনী সভা অনুষ্ঠিত কৰে।




নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে চৰকাৰী চাকৰিয়ালসকলক নিৰ্বাচন সম্পৰ্কীয় সকলো বিষয়ৰ ওপৰত আগতীয়াকৈ প্ৰশিক্ষণ দিয়া হয়। নিৰ্ধাৰিত দিনত প্ৰশিক্ষণপ্ৰাপ্ত বিষয়াসকলে নিৰাপত্তাৰক্ষীসহ নিৰ্দিষ্ট ভোটকেন্দ্ৰত উপস্থিত হয়। ভোটগ্ৰহণ কেন্দ্ৰত নিৰ্বাচনী বিষয়া আৰু পৰ্যবেক্ষকৰ তত্বাৱধানত ভোটাৰসকলে ইলেক্ট্ৰনিক ভোটদান যন্ত্ৰ (ই ভিএম) বা বেলট পেপাৰ যোগে ভোটদান কৰে।

এখন ৰাজ্যত বিধানসভাৰ নিৰ্বাচন হৈ যোৱাৰ পাছত কেনেধৰণে চৰকাৰ গঠন হয় জানি লোৱা—

ভোট গ্ৰহণৰ কিছুদিন পাছত ভোট গণনা হয়। গণনাৰ অন্তত যি দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে সেই দলৰ নেতাজনক ৰাজ্যপালে চৰকাৰ গঠন কৰিবলৈ আহ্বান জনায়। যেতিয়া কোনো ৰাজনৈতিক দলে একক সংখ্যাগৰিষ্ঠতা (বিধানসভাৰ মুঠ আসনৰ

### জানি থওঁ আহা ঃ

- অসম বিধানসভাৰ সদস্যৰ সংখ্যা ১২৬ জন।
- বৰ্তমান অসমত পঞ্চদশ বিধানসভাৰ কাৰ্যকাল চলি আছে।

আধাতকৈ বেছি আসন লাভ কৰা) নাপায় তেতিয়া ৰাজ্যপালে বিবেচনা কৰি বিধানসভাৰ ভিতৰৰ আটাইতকৈ বেছি আসন লাভ কৰা দলটোৰ নেতাজনক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। আনহাতে এনে পৰিস্থিতিত যেতিয়া কেইবাটাও দল লগলাগি এটা জোঁট সৃষ্টি কৰে তাক মিত্ৰজোঁট বুলি কোৱা হয়। মিত্ৰজোঁটে তেওঁলোকৰ মাজৰপৰা সমূহীয়াকৈ এজন নেতা নিৰ্বাচন কৰি লয়। যেতিয়া মিত্ৰজোঁটে বিধানসভাত তেওঁলোকক সংখ্যাগৰিষ্ঠ বুলি প্ৰতিপন্ন কৰি ৰাজ্যপালক চৰকাৰগঠনৰ প্ৰস্তাৱ দিয়ে তেতিয়া ৰাজ্যপালে সেই জোঁটৰ নেতাজনক চৰকাৰ গঠন কৰিবলৈ আহ্বান জনায়। ৰাজ্যপালে চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনোৱা দলটোৰ নেতাজনক **মুখ্যমন্ত্ৰী** হিচাপে নিযুক্তি দিয়ে। মুখ্যমন্ত্ৰীৰ নেতৃত্বত **ৰাজ্যিক মন্ত্ৰী পৰিষদ** গঠন হয়। বিধান সভাৰ কাৰ্যকাল যিহেতু পাঁচ বছৰ সেয়ে ৰাজ্যচৰকাৰৰ কাৰ্যকালো পাঁচবছৰৰ বাবে সীমিত।

## স্বাধীনতাৰ পাছৰপৰা বৰ্তমানলৈ অসমৰ মুখ্যমন্ত্ৰীসকলৰ নাম জানি লওঁ আহা-

- গোপীনাথ বৰদলৈ (১৯৪৬-১৯৫০)



- বিষ্ণুৰাম মেধি (১৯৫০-১৯৫৭)



- বিমলা প্ৰসাদ চলিহা (১৯৫৭-১৯৭০)



- মহেন্দ্ৰমোহন চৌধুৰী (১৯৭০-১৯৭২)



- শৰৎ সিংহ (১৯৭২-৭৮)



- গোলাপ বৰবৰা (১৯৭৮-৭৯)



- যোগেন্দ্ৰ নাথ হাজৰিকা (১৯৭৯)



- ৰাষ্ট্ৰপতি শাসন (১৯৭৯-৮০)
- শ্ৰীমতী আনোৱাৰা তাইমুৰ (১৯৮০-৮১)



- ৰাষ্ট্ৰপতি শাসন (১৯৮১-৮২)
- কেশৱ চন্দ্ৰ গগৈ (১৯৮২)




- ৰাষ্ট্ৰপতি শাসন (১৯৮২-৮৩)
- হিতেশ্বৰ শইকীয়া (১৯৮৩–৮৫, ১৯৯১-৯৬)



- ৰাষ্ট্ৰপতি শাসন (১৯৯০-৯১)
- প্ৰফুল্ল কুমাৰ মহন্ত (১৯৮৫-৯০, ১৯৯৬-২০০১)




- ডাঃ ভূমিধৰ বৰ্মন (১৯৯৬)




- তৰুণ গগৈ (২০০১ ৰপৰা ২০১৬)



- সৰ্বানন্দ সোণোৱাল (২০১৬ ৰপৰা ২০২১)



- ড° হিমন্ত বিশ্ব শৰ্মা (২০২১ ৰপৰা...)



বিধানসভাৰ দৰে সংসদৰ ক্ষেত্ৰতো নিৰ্বাচন আৰু চৰকাৰ গঠনৰ প্ৰক্ৰিয়া একে। সংসদৰ নিম্ন সদন অৰ্থাৎ লোকসভাৰ সদস্যসকলকো জনসাধাৰণে ভোট দি প্ৰত্যক্ষভাৱে নিৰ্বাচিত কৰে। আমাৰ দেশৰ লোকসভাৰ সদস্যসংখ্যা

মুঠ ৫৪৫। তাৰ ভিতৰৰ দুজন সদস্যক ৰাষ্ট্ৰপতিয়ে মনোনীত কৰে। নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰা দলটোৰ নেতাজনক ৰাষ্ট্ৰপতিয়ে কেন্দ্ৰীয় চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনায়। ৰাষ্ট্ৰপতিয়ে সেই দলৰ মুৰব্বীজনক প্ৰধানমন্ত্ৰী হিচাপে নিযুক্তি দিয়ে। প্ৰধানমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ গঠন হয়। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ কাৰ্যকালো পাঁচ বছৰ।

কেতিয়াবা কেতিয়াবা মিত্ৰজোঁটৰ মতানৈক্যৰ ফলত বা আন কোনো কাৰণত মন্ত্ৰীসভাই সদনত সংখ্যাগৰিষ্ঠতা হেৰুৱাব পাৰে। এনে পৰিস্থিতিত ৰাজ্যিক বিধানসভা বা লোকসভা ভংগ নকৰাকৈ ৰাজ্যপাল বা ৰাষ্ট্ৰপতিয়ে বিবেচনা কৰি সদনত সংখ্যাগৰিষ্ঠতা লাভ কৰিবপৰা দলৰ নেতাজনক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাব পাৰে। যদি সেয়া সম্ভৱ হৈ নুঠে তেতিয়া তেওঁলোকে মন্ত্ৰীসভাৰ নিৰ্দিষ্ট কাল সম্পূৰ্ণ হোৱাৰ আগতে চৰকাৰ ভংগ কৰি পুনৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিয়ে। এনে নিৰ্বাচনক **মধ্যকালীন নিৰ্বাচন** বোলে।

গণতান্ত্ৰিক ব্যৱস্থাত এনেদৰে নিৰ্বাচনৰ দ্বাৰা প্ৰতিনিধি প্ৰেৰণ কৰি চৰকাৰ গঠন কৰা প্ৰক্ৰিয়াক **সংসদীয় গণতন্ত্ৰ** বুলি কোৱা হয়।

**উত্তৰ লিখা ঃ**



- নিৰ্বাচন কোনে পৰিচালনা কৰে?
- নিৰ্বাচনী আয়োগৰ দুটা কাৰ্যাৱলী কোৱা।
- নিৰ্বাচনী প্ৰচাৰ কেনেধৰণে কৰে?
- ভোটগ্ৰহণ কেন্দ্ৰ কোনে পৰিচালনা কৰে?
- ৰাজ্যৰ মুখ্যমন্ত্ৰীক কোনে নিযুক্তি দিয়ে?
- লোকসভাৰ আসনৰ সংখ্যা কিমান?
- ৰাষ্ট্ৰপতিয়ে লোকসভালৈ কেইজন সদস্য মনোনীত কৰে?

**ক্ৰিয়াকলাপ ঃ**

- তোমালোকৰ বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্যসকলক কেনেদৰে নিৰ্বাচন কৰা হয়? এটি টোকা প্ৰস্তুত কৰা।

## গণতন্ত্ৰত বিৰোধী দলৰ ভূমিকা ঃ

ইতিমধ্যে তোমালোকে জানিব পাৰিলা যে নিৰ্বাচনত যিটো দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে সেই দলে চৰকাৰ গঠন কৰে। এনেদৰে চৰকাৰ গঠন কৰা দলটোক আমি **শাসক দল** বুলি কওঁ। নিৰ্বাচনত যিটো দলে দ্বিতীয় স্থান লাভ কৰে আৰু মুঠ আসনৰ দহ শতাংশ আসন লাভ কৰে সেই দলটোৱে বিৰোধী দলৰ মৰ্যাদা লাভ কৰে। সংসদীয় গণতন্ত্ৰত শাসক দলৰ দৰে বিৰোধী দলেও এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বিৰোধী দল নোহোৱাকৈ গণতন্ত্ৰ কেতিয়াও সফল হ'ব নোৱাৰে। জনসাধাৰণৰ স্বাৰ্থ ৰক্ষাৰ বাবেই বিৰোধী দল শক্তিশালী হোৱা উচিত। এখন গণতান্ত্ৰিক দেশত বিৰোধী দলে কেনেদৰে ভূমিকা লয় চাওঁ আহা——

ৰাজনৈতিক সচেতনতা জগাই তুলি মুক্ত আৰু প্ৰতিযোগিতামূলক নিৰ্বাচন অনুষ্ঠিত কৰাত সহায় কৰে।

চৰকাৰে যদি জনকল্যাণমূলক আঁচনি কাৰ্যকৰী নকৰে তেন্তে বিৰোধী দলে তাৰ সমালোচনা কৰি আঁচনিসমূহ কাৰ্যকৰণৰ বাবে সুস্থ জনমত গঠন কৰে।

চৰকাৰক সঠিক পথত ৰখাত সহায় কৰে।

আইন প্ৰণয়নৰ ক্ষেত্ৰত গঠনমূলক পৰামৰ্শ আগবঢ়ায়। প্ৰয়োজন সাপেক্ষে দোষ-ত্ৰুটি আঙুলিয়াই দিয়ে ।

সদনৰ অধ্যক্ষৰ জৰিয়তে বিভাগীয় মন্ত্ৰীসকলৰপৰা বিৰোধী দলে কামৰ খতিয়ান বিচাৰে আৰু।

## মনত ৰাখিবলগীয়া কথা ঃ

- গণতান্ত্ৰিক শাসন ব্যৱস্থাত ভোটাৰসকলে নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে সাংবিধানিক পদ্ধতিৰে তেওঁলোকৰ মাজৰ পৰা প্ৰতিনিধি বাছি পঠিওৱা প্ৰক্ৰিয়াটোকে নিৰ্বাচন বোলে।
- নিৰ্বাচন দুই প্ৰকাৰৰ- প্ৰত্যক্ষ আৰু পৰোক্ষ।
- নিৰ্দিষ্ট মতাদৰ্শক প্ৰাধান্য দি দেশব্যাপী অথবা ৰাজ্যব্যাপী থকা সংগঠনৰ ভিত্তিত একো একোটা ৰাজনৈতিক দল গঢ়ি উঠে।
- ৰাজনৈতিক দল দুই ধৰণৰ। ৰাষ্ট্ৰীয় দল আৰু আঞ্চলিক দল।
- সমগ্ৰ দেশৰ নিৰ্বাচন পৰিচালনা কৰিবৰ বাবে এখন নিৰ্বাচনী আয়োগ থাকে।
- নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰি চৰকাৰ গঠন কৰা দলক শাসক দল আৰু বাকী দলবোৰক বিৰোধী দল বোলে।
- অসম বিধানসভাৰ সদস্যৰ সংখ্যা ১২৬ গৰাকী।
- লোকসভাৰ সদস্য সংখ্যা ৫৪৫ গৰাকী।
- নিৰ্বাচনত যেতিয়া কোনো এটা দলে সংখ্যাগৰিষ্ঠ আসন লাভ কৰিব নোৱাৰে তেতিয়া কেইবাটাও দল লগলাগি মিত্ৰজোঁট গঠন কৰে।
- চৰকাৰৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতে বিশেষ কাৰণত চৰকাৰ ভংগ হৈ পুনৰ নিৰ্বাচন হ'লে তেনে নিৰ্বাচনক মধ্যকালীন নিৰ্বাচন বোলে।
- বিৰোধী দলে জনসাধাৰণক সচেতন কৰি চৰকাৰী আইন প্ৰণয়নত সহায় কৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) বিধানসভাৰ সদস্যসকলক কোনে নিৰ্বাচিত কৰে?

(খ) শাসক দল মানে কি?

(গ) দেশত মধ্যকালীন নিৰ্বাচন কেতিয়া হয়?

(ঘ) ৰাজ্য বিধানসভাৰ কাৰ্যকাল কিমান বছৰ?

(ঙ) দুটা ৰাষ্ট্ৰীয় দলৰ নাম উল্লেখ কৰা?

(চ) অসমৰ উল্লেখযোগ্য আঞ্চলিক দল এটাৰ নাম লিখা।

২। উত্তৰ লিখা—

(ক) ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াটো কেনেধৰণৰ? বৰ্ণনা কৰা।

(খ) গণতন্ত্ৰত ৰাজনৈতিক দলৰ কাৰ্যাৱলীসমূহ কি কি?

(গ) গণতন্ত্ৰত বিৰোধী দলে কেনেকৈ চৰকাৰক নিয়ন্ত্ৰণ কৰে?

(ঘ) গণতন্ত্ৰত নিৰ্বাচনৰ প্ৰয়োজনীয়তা আছে নে? যুক্তি দৰ্শোৱা।

৩। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) ভাৰতৰ উপৰাষ্ট্ৰপতি প্ৰত্যক্ষ/পৰোক্ষভাৱে নিৰ্বাচিত হয়।

(খ) লোকসভাৰ সদস্য সংখ্যা ৫৪৫/১২৬ জন ।

(গ) তেলেগু দেশম পাৰ্টী এটা আঞ্চলিক/ৰাষ্ট্ৰীয় দল।

(ঘ) মুখ্যমন্ত্ৰীক ৰাজ্যপাল/ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।

(ঙ) বিধানসভাৰ কাৰ্যকাল ৭/৫ বছৰ।

৪। চমুটোকা লিখা—

(ক) সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ

(খ) নিৰ্বাচনী আয়োগ

(গ) ৰাজনৈতিক দল।

৫। **প্ৰকল্প ঃ**

শিক্ষক/অভিভাৱকৰ সহায় লৈ ২০১৬ চনৰ অসম ৰাজ্যিক বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা ৰাজনৈতিক দলসমূহৰ কোনে কিমান আসন লাভ কৰিলে উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰা। উক্ত তালিকাৰ ভিত্তিত কোনটো দলে চৰকাৰ গঠন কৰিবপৰা যোগ্যতা অৰ্জন কৰিলে নিৰ্ণয় কৰা।

# পাঠ ঃ ২৪
# গণতন্ত্ৰ আৰু প্ৰচাৰ মাধ্যম

2VQGEC

## শিকনৰ ফলাফল ঃ

- প্ৰচাৰ, প্ৰচাৰ মাধ্যম আৰু গণমাধ্যম কি বুজি পাব।
- বিভিন্ন প্ৰকাৰৰ প্ৰচাৰ মাধ্যম আৰু গণমাধ্যমৰ নাম জানি সেইসমূহৰ কাৰ্যাৱলীৰ বিষয়ে জানিব পাৰিব।
- এই মাধ্যমসমূহে মানুহক কেনেদৰে সচেতন কৰে তাৰ আভাস পাব।
- গণতন্ত্ৰত প্ৰচাৰ মাধ্যমসমূহৰ ভূমিকাৰ বিষয়ে উপলব্ধি কৰিব।

সাধাৰণতে প্ৰচাৰ বুলিলে যিকোনো খবৰ, বাতৰি, আদেশ, অনুদেশ, উপদেশ আদি এজনৰপৰা আন এজনলৈ, এখন ঠাইৰপৰা আন এখন ঠাইলৈ সম্প্ৰসাৰিত হোৱা প্ৰক্ৰিয়াকে বুজা যায়। কোনো ঘটনা বা বিষয় সম্পৰ্কে প্ৰচাৰ হোৱাৰ ফলত আমি সেই বিষয়ৰ ওপৰত জ্ঞান পোৱাৰ লগতে পৰিস্থিতিৰ বুজ লোৱাৰ সুবিধা পাওঁহক। তাৰ লগে লগে আমাৰ মাজত কৌতূহল, সজাগতা আৰু সচেতনতা বৃদ্ধি পায়। আমি নিজৰ ব্যক্তিগত আৰু সাংগঠনিক মতামত, গঠনমূলক দিহা-পৰামৰ্শ আদি আগবঢ়াবলৈ তৎপৰ হৈ উঠোঁ। এনে অৱস্থাত আমি একমাত্ৰ প্ৰচাৰ ব্যৱস্থাসমূহকেই অৱলম্বন কৰিবলগীয়া হয়। প্ৰচাৰ ব্যৱস্থা অবিহনে মানুহে কেতিয়াও নিজৰ ভাব, মত-অভিমত আদিক আনৰ লগত বিনিময় কৰিব নোৱাৰে। সেয়েহে সমাজ আৰু সভ্যতাৰ ক্ৰমবিকাশত প্ৰচাৰ ব্যৱস্থা এক অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হৈ আহিছে।

যিবোৰ ব্যৱস্থাৰ জৰিয়তে খবৰ-বাতৰিসমূহ সমাজৰ বিভিন্নজনৰ মাজত বিয়পি পৰে, সেই ব্যৱস্থাসমূহকে প্ৰচাৰ মাধ্যম বুলি কোৱা হয়।



সিপিঠিৰ ছবিকেইখন চোৱাচোন। ভালদৰে মন কৰিলে তোমালোকে দেখিবা যে অতীজৰেপৰা বৰ্তমানলৈকে প্ৰচাৰ মাধ্যমসমূহৰ বহুতো পৰিৱৰ্তন হৈছে। এই পৰিৱৰ্তনৰ মূল আধাৰ হৈছে বিজ্ঞান আৰু প্ৰযুক্তি। যোগাযোগ ব্যৱস্থাৰ লগত জড়িত আটাইবোৰ উপাদানেই প্ৰচাৰৰ একো একোটা মাধ্যম।

অতীজত দুৰ্গম অৰণ্য পাৰ হৈ বাতৰি পঠিয়াব লগা হ'লে পাৰ চৰাইৰ ঠেঙত চিঠি বান্ধি দি উৰুৱাই দিছিল। ৰজাসকলেও প্ৰয়োজনীয় জাননী দিব লগা হ'লে ঢোলপিটি, কাঁহ-ঘন্টা বজাই প্ৰজাক গোট খুৱাই জাননী দিছিল। তাৰ বাহিৰেও বহুতো ৰজাই তেওঁলোকৰ কাৰ্যাৱলী প্ৰজাৰ আগত প্ৰচাৰ কৰিবৰ বাবে শিলত আৰু পৰ্বতৰ গুহাত খোদিত কৰাইছিল। এনে অলেখ উদাহৰণ আমাৰ ইতিহাসত পোৱা যায়।

আমি যে বিভিন্ন ধৰণৰ বাতৰি-কাকত, কিতাপ, আলোচনী আদি পঢ়িবলৈ পাইছোঁ,এইবোৰ আমাৰ মাজলৈ কেনেকৈ আহিল জানানে? ১৬শ শতিকাত জাৰ্মানীৰ জোহান গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ ফলত আমি মুদ্ৰণৰ সহায়ত ছপা কৰি উলিওৱা বাতৰিকাকত, আলোচনী, কিতাপ আদি পাইছোঁহঁক। এই মাধ্যমসমূহক **মুদ্ৰিত মাধ্যম** বোলে। ভাৰতবৰ্ষত এতিয়া প্ৰায় ৬২ হাজাৰৰো অধিক সংবাদপত্ৰ, আলোচনী আদি মানুহে পঢ়িবলৈ পাইছে। ইয়াৰ ফলত মানুহে ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি দিশত যথেষ্ট জ্ঞান অৰ্জন কৰিব পাৰিছে। তদুপৰি এই মাধ্যমসমূহে মানুহক শিল্প, সাহিত্য চৰ্চাৰ সুবিধাও প্ৰদান কৰিছে। মানুহৰ মাজত অন্তৰ্নিহিত হৈ থকা প্ৰতিভাৰ বিকাশত প্ৰচাৰ মাধ্যমৰ অৱদান উল্লেখনীয়।

**ক্ৰিয়াকলাপ ঃ**

- কেইবিধমান ছপা মাধ্যমৰ দ্বাৰা মুদ্ৰিত সামগ্ৰীৰ নমুনা সংগ্ৰহ কৰা আৰু সেইবোৰে প্ৰচাৰ ব্যৱস্থাত কি দৰে সহায় কৰে শিক্ষক বা অভিভাৱকৰ লগত আলোচনা কৰি জানি লোৱা।

টেলিভিচনত তোমালোকে নিশ্চয় নানাধৰণৰ অনুষ্ঠান চাই ভাল পোৱা। বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ লগত টেলিফোন বা ম'বাইলফোনত মাজে সময়ে কথা পাতা। ৰেডিঅ'ত বাতৰি আৰু অন্যান্য অনুষ্ঠানো নিশ্চয় শুনিছা। টেলিভিচন, টেলিফোন, ম'বাইলফোন, ৰেডিঅ' এই আটাইবোৰ যোগাযোগৰ একো একোটা সক্ৰিয় মাধ্যম। এনেধৰণৰ প্ৰচাৰ মাধ্যমসমূহক **ইলেকট্ৰ'নিক মাধ্যম** বুলি কোৱা হয়।

**প্ৰচাৰ মাধ্যমৰ ভাগ ঃ**

- মুদ্ৰিত মাধ্যম ঃ বাতৰি কাকত, আলোচনী
- সামাজিক মাধ্যম ঃ ৱাটছএপ, ফেইচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম
- বৈদ্যুতিন মাধ্যম ঃ টেলিভিচন, ৰেডিঅ', ম'বাইল ফোন।

প্ৰচাৰ মাধ্যমৰ ভিতৰত কিছুমান মাধ্যমৰ পৰিসৰ ব্যাপক যিবোৰে অতি কম সময়ৰ ভিতৰত বহুলোকৰ মাজত খবৰ-বাতৰিসমূহ সম্প্ৰচাৰ কৰিব পাৰে। সেইবোৰক **গণমাধ্যম** বুলি কোৱা হয়। এই মাধ্যমসমূহে মানুহৰ মাজত সচেতনতা, জাগৰণ, কৌতূহল, উদ্বিগ্নতা আদিৰ সৃষ্টি কৰে। মুদ্ৰিত আৰু ইলেকট্ৰ'নিক মাধ্যমসমূহৰ বাহিৰেও চলচ্চিত্ৰ, নাটক, বাটৰ নাট, পুতলা নাচ, গীত-মাত, কবিতা আদিও একো একোটা গণমাধ্যম,যিবোৰে মানুহক সহজে আকৰ্ষিত আৰু অনুপ্ৰাণিত কৰিব পাৰে। আমাৰ দেশৰ স্বাধীনতা আন্দোলনত এই গণমাধ্যমসমূহে ব্ৰিটিছৰ বিৰুদ্ধে সমগ্ৰ ভাৰতবাসীক একত্ৰিত কৰাত যথেষ্ট অৰিহণা যোগাইছিল। বন্দে মাতৰম ধ্বনিয়ে সমগ্ৰ ভাৰতবাসীৰ মনত তীব্ৰ দেশপ্ৰেমৰ জোৱাৰ সৃষ্টি কৰিছিল। অসমৰ বিপ্লৱী কবি অম্বিকাগিৰি ৰায়চৌধুৰীৰ কবিতা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু সৈনিক শিল্পী বিষ্ণু ৰাভাৰ নাটক আৰু গীত, ড' ভূপেন হাজৰিকাৰ গীত-মাত, প্ৰতিমা বৰুৱা পাণ্ডেৰ লোকগীতসমূহেও আমাক কেনেকৈ উদ্বুদ্ধ কৰে আমি সকলোৱে জানো।

এতিয়া ঘনশ্যামৰ জীৱনৰ অভিজ্ঞতাৰপৰা প্ৰচাৰ মাধ্যম আৰু গণ মাধ্যমসমূহৰ কাৰ্যাৱলীৰ বিষয়ে কিছু জানি লওঁ আহা—

ঘনশ্যামৰ ঘৰ বগৰীবাৰী গাঁৱত। সৰুকালিৰপৰাই ল'ৰাটো পঢ়া-শুনাত বেছ চোকা আৰু কৌতূহলী। শ্ৰেণীৰ প্ৰথম স্থানটো সদায় ঘনশ্যামেই লাভ কৰে। ইতিমধ্যে সি প্ৰাথমিক বৃত্তিও লাভ কৰিছে।

ঘনশ্যামৰ ঘৰৰ আৰ্থিক অৱস্থা বৰ ভাল নহয়। দেউতাকে খেতি-বাতি কৰি পৰিয়ালটোক কোনোমতে পোহপাল দিয়ে। সৰু হ'লেও ঘনশ্যামে দায়িত্ব বুজি পায়। নিতৌ পুৱা সি দেউতাকৰ লগত পথাৰলৈ যায়। পথাৰৰ পৰা আহিয়েই লৰালৰিকৈ আকৌ স্কুললৈ ওলাই যায়। আবেলিপৰত ঘনশ্যামে ওচৰৰ ক্ষীৰেণ খুড়াৰ ঘৰলৈ গৈ দৈনিক বাতৰিকাকতখন নিয়মিতভাৱে পঢ়ে। কাকতখনত দেশৰ ৰাজনীতি, সমাজনীতি, অৰ্থনীতি, খেল-ধেমালি আৰু সাংস্কৃতিক জগতখনৰ বা-বাতৰিবোৰ পঢ়ি অভিভূত হয়। ককাকৰ মুখত তাহানিতে সি বেপ্তিষ্ট মিছনেৰীসকলে প্ৰথমবাৰৰ বাবে অসমত 'অৰুণোদয়' নামে বাতৰিকাকতখন প্ৰকাশ কৰাৰ কথা শুনিছিল। বাতৰি কাকত পঢ়ি ভাল পোৱা ঘনশ্যামৰ মনটো সেয়েহে মিছনেৰীসকলৰ প্ৰতি কৃতজ্ঞতাত ভৰি থাকে।

**জানি থওঁ আহা ঃ**

- ভাৰতৰ প্ৰথম প্ৰকাশিত বাতৰিকাকতখনৰ নাম— 'বেংগল গেজেট'
- অসমৰ পৰা প্ৰকাশিত প্ৰথম বাতৰি কাকত— 'অৰুণোদয়'।
- ভাৰতৰ কেইখনমান আন্তৰ্জাতিক খ্যাতিসম্পন্ন বাতৰি কাকত হ'ল- দ্য টাইমচ অব্ ইণ্ডিয়া, দ্য হিন্দু, সমাচাৰ, দি টেলিগ্ৰাফ আদি।

**ক্ৰিয়াকলাপ ঃ**

- অসমত বৰ্তমান প্ৰচলিত হৈ থকা কেইখনমান দৈনিক, সাপ্তাহিক আৰু পষেকীয়া বাতৰি কাকতৰ নাম, সম্পাদকৰ নাম আৰু ক'ৰপৰা প্ৰকাশিত হয় তাৰ বিষয়ে বিতংকৈ জানি এখন তালিকা প্ৰস্তুত কৰা।

ক্ষীৰেণ খুড়াৰ এটা ৰেডিঅ'ও আছে। তেওঁ হিন্দী গীতৰ অনুষ্ঠান, কৃষকৰ অনুষ্ঠান আদি শুনি ভাল পায়। ঘনশ্যামেও ৰেডিঅ'ত বিশিষ্ট ব্যক্তিসকলৰ ভাষণ, সাক্ষাৎকাৰ, খেলৰ চলন্ত বিৱৰণী শুনি আনন্দ পায়। সি ভাবি আচৰিত হয়— ইটালীৰ বৈজ্ঞানিক মাৰ্কনিয়ে বাৰু এই অনাতাঁৰ যন্ত্ৰটো কেনেকৈ আৱিষ্কাৰ কৰিলে!

মাজে সময়ে ঘনশ্যামে দেউতাকৰ লগত বজাৰত শাক-পাচলি বিক্ৰী কৰিবলৈ যায়। তাতে সময় উলিয়াই অনিলৰ দোকানত থকা টি ভিত সি নানা ধৰণৰ অনুষ্ঠান উপভোগ কৰে। ২ অক্টোবৰৰ দিনটোলৈ ঘনশ্যাম সদায় বৰ উদগ্ৰীৱ হৈ ৰৈ থাকে। কাৰণ দূৰদৰ্শনে সেই দিনা দেশপ্ৰেমমূলক গীত আৰু কথাছবি প্ৰচাৰ কৰে। 'গান্ধী' কথাছবিখন চোৱাৰ পাছত মহাত্মা গান্ধীৰ আদৰ্শই ঘনশ্যামক বাৰুকৈয়ে অনুপ্ৰাণিত কৰিছে। তাৰ পাছৰপৰাই দেশপ্ৰেমমূলক কবিতা লিখাটো ঘনশ্যামৰ বাবে এটা চখত পৰিণত হৈছে। দেশপ্ৰেমমূলক গীতো সি বহুত শিকিছে।



**ক্ৰিয়াকলাপ ঃ**

- অসমৰ ৫টা দেশপ্ৰেমমূলক গীত আৰু গীতৰ ৰচয়িতাসকলৰ নাম সংগ্ৰহ কৰি গীতকেইটি শুদ্ধকৈ গাবলৈ শিকা।

**জানি থওঁ আহা ঃ**

কম্পিউটাৰক অসমীয়াত পৰিকলন যন্ত্ৰ বুলি কোৱা হয়। ঊণবিংশ শতিকাত ইংৰাজ বিজ্ঞানী ছাৰ্লছ বেবেজে কম্পিউটাৰ আৱিষ্কাৰ কৰিছিল। কম্পিউটাৰত অতি খৰটকীয়া আৰু নিৰ্ভুলকৈ তথ্য সংগ্ৰহ কৰি সংৰক্ষণ কৰি থব পাৰি। তদুপৰি চিনেমা, গান, খেল আদিও কম্পিউটাৰত উপভোগ কৰিব পাৰি।

সময় আগবঢ়াৰ লগে লগে ঘনশ্যামে ওপৰ শ্ৰেণী পালেগৈ। এটা সময়ত সি হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সুখ্যাতিৰে প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। দেউতাকে তাক চুবুৰীয়া চহৰখনৰ কলেজত নাম লগাই দিলে। ইতিমধ্যে চৰকাৰৰ তৰফৰ পৰা সি এটা কম্পিউটাৰো লাভ কৰিলে। কম্পিউটাৰ শিকিবলৈ আবেলি সময়ত সি কলেজৰ ওচৰৰ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ এটাত ভৰ্তি হ'ল।

তোমালোকে আটায়ে জানা যে আধুনিক প্ৰযুক্তিৰ সহায়ত ইণ্টাৰনেট, ই-মেইল আদিৰ যোগেদি বাৰ্তা আৰু তথ্য আদান-প্ৰদান আৰু সংৰক্ষণ কৰিব পাৰি। **ইণ্টাৰনেট হৈছে বহুবিলাক কম্পিউটাৰৰ সহযোগত গঢ়ি উঠা এক দ্ৰুততম যোগাযোগ ব্যৱস্থা।** আনহাতে কম্পিউটাৰ বা ম'বাইলত কেমেৰা সংযোগ কৰি বহু দূৰৈত থকা বন্ধু-বান্ধৱ বা আত্মীয়-স্বজনৰ প্ৰতিচ্ছবি চাই কথা পাতিব পাৰি। প্ৰশিক্ষণ কেন্দ্ৰত ঘনশ্যামে এই সকলোবোৰ কথা খৰচি মাৰি শিকি ল'লে।

বিজ্ঞান-প্ৰযুক্তিৰ অভাৱনীয় আৱিষ্কাৰসমূহে গোটেই পৃথিৱীখনকেই মানুহৰ নিচেই ওচৰ চপাই আনিছে। এতিয়া পৃথিৱীৰ প্ৰতিটো অংশৰ বিষয়ে প্ৰতিজন ব্যক্তিয়ে জানিব পৰাকৈ পৰ্যাপ্ত সুবিধা আছে। সেয়েহে বিশাল পৃথিৱীখনক আজি-কালি এখন **গোলকীয় গাঁও** বুলি কোৱা হয়। প্ৰযুক্তি বিজ্ঞানৰ এই অৱদানসমূহৰ বিষয়ে জানিব পাৰি ঘনশ্যাম অভিভূত হৈ পৰিল।

## তোমালোকে জানি থোৱা ঃ

সামাজিক মাধ্যম হ'ল বৰ্তমান সময়ৰ এক জনপ্ৰিয় বৈদ্যুতিন প্ৰচাৰ মাধ্যম। ই হ'ল এক ব্যৱস্থা য'ত ব্যক্তিয়ে কোনো বাতৰি, পৰিঘটনা আদি সৃষ্টি কৰিব পাৰে আৰু বিভিন্ন মানুহৰ মাজত কম সময়তে প্ৰচাৰ কৰিব পাৰে। তোমালোকে নিশ্চয় ফেইচবুক, টুইটাৰ আদিৰ বিষয়ে জানা। এইবোৰ বৰ্তমান সময়ৰ জনপ্ৰিয় প্ৰচাৰ মাধ্যম। কিন্তু বেছিভাগে মানুহেই ইয়াৰ সঠিক আৰু সুচিন্তিত প্ৰয়োগ নকৰাৰ ফলত বৰ্তমান সময়ত এইবোৰে যথেষ্ট ভুল বাতৰি জনসাধাৰণৰ মাজলৈ লৈ গৈছে। ফলত সামাজিক মাধ্যমৰ এই অপপ্ৰয়োগ ৰোধ কৰিবলৈ চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়েহে তোমালোকে এতিয়াৰপৰাই এইবোৰৰ ব্যৱহাৰত সচেতন হ'বা আৰু নিজকে দেশৰ সুনাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিবা।

**উত্তৰ লিখা ঃ**

- কম্পিউটাৰ কোনে আৱিষ্কাৰ কৰিছিল?
- ৰেডিঅ'ত কেনেধৰণৰ অনুষ্ঠান পৰিবেশন কৰে?
- ঘনশ্যামে কম্পিউটাৰত কি কি কৰিবলৈ শিকিলে?
- ইণ্টাৰনেট মানে কি?
- গান্ধী কথাছবিখন চাই ঘনশ্যামৰ মনত কি ভাবৰ সঞ্চাৰ হ'ল?



**ক্ৰিয়াকলাপ ঃ**

- তোমালোকে কম্পিউটাৰ সহায়ত কেনেকৈ তথ্য সংগ্ৰহ আৰু সংৰক্ষণ কৰিব পাৰি ওচৰৰ কম্পিউটাৰ কেন্দ্ৰৰ জৰিয়তে জানি লোৱা।

এতিয়া আমি এখন গণতান্ত্ৰিক দেশৰ কাম কাজক এই প্ৰচাৰ আৰু গণমাধ্যমসমূহে কেনেদৰে প্ৰভাৱন্বিত কৰে জানো আহা—

তলৰ ছবিখন চিনি পাইছানে? ভাৰতৰ স্বাধীনতা আন্দোলনৰ এক অন্যতম ইতিহাস এই ছবিখনত নিহিত হৈ আছে। সেই সময়ৰ বাতৰিকাকতত প্ৰকাশিত এই ছবিখনে সমগ্ৰ ভাৰতবাসীৰ মনত তোলপাৰ লগাইছিল। গান্ধীজীৰ নেতৃত্বত ওলোৱা এই **দাণ্ডিযাত্ৰাই** স্বাধীনতা আন্দোলনত এক অন্য মাত্ৰা প্ৰদান কৰিছিল।



স্বাধীনোত্তৰ কালত ভাৰত এখন বৃহত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰৰূপে প্ৰতিষ্ঠিত হ'ল। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনক সুপথে পৰিচালিত কৰাত প্ৰচাৰ মাধ্যমৰ ভূমিকা অপৰিসীম।

এক কথাত ক'বলৈ হ'লে গণতান্ত্ৰিক চিন্তাধাৰা উজ্জীৱিত কৰাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যম এক শক্তিশালী ব্যৱস্থা। গণতন্ত্ৰৰ সফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে প্ৰচাৰ মাধ্যমৰ ভূমিকাৰ ওপৰত। আমাৰ দেশৰ নাগৰিকসকলৰ জীৱন-যাপনৰ ক্ষেত্ৰত গণতান্ত্ৰিক বাতাবৰণ কেনেধৰণে উপলব্ধ হয় তাৰ ধাৰণা আমি প্ৰচাৰ মাধ্যমৰ যোগেদিয়ে লাভ কৰোঁ। দেশৰ জনসাধাৰণৰ কল্যাণৰ অৰ্থে গণতান্ত্ৰিক চৰকাৰ এখনে কেনেধৰণৰ কাম কৰে বা আঁচনি গ্ৰহণ কৰে সেইবিলাকৰ বিষয়ে আমি প্ৰচাৰ মাধ্যমৰ যোগেদিয়ে অৱগত হওঁ।




কাষৰ ছবি খনলৈ মন কৰা। এনেধৰণৰ চৰকাৰী প্ৰচাৰ অভিযানৰপৰা চৰকাৰৰ বিভিন্ন আঁচনিসমূহ জনসাধাৰণে জানিব পাৰে আৰু সেইবোৰৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

গণতন্ত্ৰত চৰকাৰ আৰু ৰাইজৰ মাজৰ যোগসূত্ৰ হৈছে প্ৰচাৰ মাধ্যম। জনমত গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ বুনিয়াদস্বৰূপ। জনমত প্ৰকাশত প্ৰচাৰ মাধ্যমেই সদায় আগভাগ লয়। সংবাদপত্ৰ, ৰাজহুৱা সভা-সমিতি, ৰাইজ মেল, নাটক, কথাছবি, সাহিত্য- আলোচনী, শিক্ষানুষ্ঠান আদি প্ৰচাৰ মাধ্যমসমূহৰ লগতে বিধানমণ্ডল, ৰাজনৈতিক দল আদিও জনমত গঠনৰ একো একোখন মঞ্চ। চৰকাৰ গঠন কৰা, ভংগ কৰা, চৰকাৰী কাম কাজত পৰামৰ্শ, অভিযোগ, মতামত, সমালোচনা আগবঢ়োৱা আদি কাৰ্যসমূহ প্ৰচাৰ মাধ্যমৰ জৰিয়তে সম্ভৱ হয়। তদুপৰি সময়ে সময়ে সমাজত গঢ় লৈ উঠা বিভিন্ন গণমুখী আন্দোলন আৰু জনজাগৰণসমূহৰ সপক্ষে জনসাধাৰণক সোচ্চাৰ কৰাত প্ৰচাৰ মাধ্যমসমূহেই আগভাগ লয়।

**জানি থওঁ আহা ঃ**

দেশ বা জাতিৰ সামগ্ৰিক কল্যাণৰ অৰ্থে জনসাধাৰণে যুক্তিসংগতভাৱে যি মত প্ৰকাশ কৰে তাকে **জনমত** বোলে।

সততা আৰু নিষ্ঠা গণতন্ত্ৰৰ মূল ভেটিস্বৰূপ। এই ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমেই মুখ্য ভূমিকা গ্ৰহণ কৰে। নিৰ্বাচনত জনসাধাৰণৰ অংশগ্ৰহণ, ভোটাধিকাৰ

সাব্যস্তকৰণ, দায়িত্বশীল প্ৰতিনিধি নিৰ্বাচন আদিৰ দৰে সময়সাপেক্ষ কাৰ্যবোৰত প্ৰচাৰ মাধ্যমৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। তদুপৰি সময়ে সময়ে গণতন্ত্ৰৰ ভাবুকিস্বৰূপে থিয় দিয়া অপশক্তিসমূহ যেনে সন্ত্ৰাসবাদ, দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ বিৰুদ্ধে জনসাধাৰণক সজাগ কৰাৰ মূল দায়িত্বও বহন কৰে প্ৰচাৰ মাধ্যমসমূহে।

দেশ আৰু জনসাধাৰণৰ কল্যাণত প্ৰচাৰ মাধ্যমৰ ভূমিকা এৰাব নোৱাৰা। এটা শুদ্ধ আৰু সত্য বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত প্ৰচাৰ মাধ্যমৰ সততা, নিষ্ঠা, স্বচ্ছতা আৰু দায়বদ্ধতা সাঙোৰ খাই থাকে। গণতন্ত্ৰৰ সবলীকৰণত প্ৰচাৰ মাধ্যমৰ এই বৈশিষ্ট্যসমূহে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। সেয়েহে প্ৰচাৰ মাধ্যমক **ৰাইজৰ কণ্ঠ** বুলি কোৱা হয়। একমাত্ৰ প্ৰচাৰ মাধ্যমেহে ৰাইজৰ হকে, ন্যায়ৰ হকে, দুষ্টক দমন কৰি সত্য প্ৰতিষ্ঠাত আগভাগ ল'ব পাৰে।

মুঠৰ ওপৰত গণতন্ত্ৰত চৰকাৰ আৰু জনগণৰ মাজত মত বিনিময়ৰ বাবে প্ৰচাৰ মাধ্যমৰ দায়িত্ব সুদুৰপ্ৰসাৰী। এখন সুস্থ-সবল গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভৱিষ্যৎ গঢ়াত আগভাগ লয় প্ৰচাৰ মাধ্যমসমূহে। এটা কথা মনত ৰাখিবা, প্ৰচাৰ মাধ্যমে যিদৰে গণতন্ত্ৰক সবল কৰি সুস্থ সমাজ গঢ়াত সহায় কৰিব পাৰে তেনেদৰে সমাজ এখন ধ্বংসও কৰিব পাৰে। সেয়েহে আমি সকলোৱে সচেতন হ'ব লাগিব যাতে চৰকাৰ আৰু জনসাধাৰণৰ মাজত প্ৰচাৰ মাধ্যমে এক নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰে আৰু এটা সৰ্বাংগসুন্দৰ জাতি গঠনত অভিভাৱকৰ দায়িত্ব পালন কৰে।

**উত্তৰ লিখা ঃ**

(ক) দাণ্ডিযাত্ৰাৰ নেতৃত্ব কোনে বহন কৰিছিল?
(খ) জনমত কি?
(গ) গণতন্ত্ৰৰ মূল ভেটি কি কি?
(ঘ) গণতন্ত্ৰৰ সফলতা কিহৰ ওপৰত নিৰ্ভৰ কৰে?
(ঙ) সামাজিক মাধ্যমৰ অন্তৰ্গত দুটা মাধ্যম কি কি?
(চ) গনতন্ত্ৰত প্ৰচাৰ মাধ্যমক কি বুলি কোৱা হৈছে।

**ক্ৰিয়াকলাপ ঃ**

- এখন দৈনিক অসমীয়া আৰু ইংৰাজী কাকতৰ এসপ্তাহৰ মুখ্য বাতৰিসমূহৰ শিৰোনাম সংগ্ৰহ কৰি একোটিকৈ ক'লাজ প্ৰস্তুত কৰা।
- দহটা উল্লেখযোগ্য টিভি চেনেলৰ নাম লিখা।

**মনত ৰাখিবলগীয়া কথা ঃ**

- প্ৰচাৰ বুলিলে যিকোনো খবৰ, আদেশ, অনুদেশ, উপদেশ আদি এজনৰপৰা আনজনলৈ, এখন ঠাইৰপৰা আন এখন ঠাইলৈ সম্প্ৰসাৰিত হোৱাকে বুজায়।
- সমাজ আৰু সভ্যতাৰ ক্ৰমবিকাশত প্ৰচাৰ মাধ্যম এক অবিচ্ছেদ্য অংগ ।
- প্ৰচাৰ মাধ্যম দুই প্ৰকাৰৰ— মুদ্ৰিত আৰু ইলেকট্ৰ'নিক ।
- মুদ্ৰিত প্ৰচাৰ মাধ্যম সমূহ হ'ল— বাতৰিকাকত, আলোচনী, কিতাপ আদি।
- ইলেকট্ৰ'নিক মাধ্যমসমূহ হ'ল— ৰেডিঅ', টেলিফোন, ম'বাইলফোন, দূৰদৰ্শন, কম্পিউটাৰ, কৃত্ৰিম উপগ্ৰহ আদি।
- ইণ্টাৰনেট হৈছে বহুসংখ্যক কম্পিউটাৰৰ সহযোগত গঢ়ি উঠা দ্ৰুততম যোগাযোগ ব্যৱস্থা।
- গণতন্ত্ৰত প্ৰচাৰ মাধ্যমে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- জনমত গণতান্ত্ৰিক শাসনব্যৱস্থাৰ বুনিয়াদস্বৰূপ।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) প্ৰচাৰ মানে কি?

(খ) প্ৰচাৰ মাধ্যমৰ বিভিন্ন ভাগসমূহ কি কি?

(গ) গণমাধ্যম কাক কয়? উদাহৰণ দিয়া।

(ঘ) প্ৰাচীন কালত ব্যৱহৃত দুই প্ৰকাৰৰ প্ৰচাৰ মাধ্যম কি কি?

(ঙ) ছপাশাল পোন প্ৰথমে কোনে আৰু কেতিয়া আৱিষ্কাৰ কৰিছিল?

২। উত্তৰ লিখা—

(ক) প্ৰচাৰ মাধ্যমসমূহ কেইপ্ৰকাৰ আৰু কি কি? সেই মাধ্যমসমূহে জনসাধাৰণক কেনেধৰণে সহায় কৰে?

(খ) গণতন্ত্ৰ সবলীকৰণত প্ৰচাৰ মাধ্যমে কেনেধৰণে প্ৰভাৱ পেলায় ?

৩। খালী ঠাই পূৰ কৰা—

(ক) __________ব্যৱস্থাৰ লগত জড়িত সকলো উপাদানেই প্ৰচাৰৰ একোটা একোটা মাধ্যম।

(খ) মানুহৰ মাজত __________হৈ থকা প্ৰতিভাৰ বিকাশত প্ৰচাৰ মাধ্যমৰ অৱদান উল্লেখনীয়।

(গ) __________ ছপাশাল আৱিষ্কাৰ কৰিছিল।

(ঘ) কম্পিউটাৰক অসমীয়াত __________ যন্ত্ৰ বুলি কোৱা হয়।

(ঙ) গণতন্ত্ৰত চৰকাৰ আৰু ৰাইজৰ মাজৰ __________ হৈছে প্ৰচাৰ মাধ্যম।

৪। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(ক) জ্যোতিপ্ৰসাদ আগৰৱালাক ৰূপকোঁৱৰ/সৈনিক শিল্পী বুলি কোৱা হয়।

(খ) অতীজত ৰজাই প্ৰজাক বাতৰি দিবৰ বাবে মাইক/ঢোলৰ সহায় লৈছিল।

(গ) মুদ্ৰিত মাধ্যমসমূহ হ'ল ৰেডিঅ'/কিতাপ।

(ঘ) অনাতাঁৰ যন্ত্ৰৰ আৱিষ্কাৰক আৰ্কিমিডিছ/মাৰ্কনি।

(ঙ) ইলেকট্ৰ'নিক মাধ্যম হ'ল বাতৰিকাকত/কম্পিউটাৰ।

**প্ৰকল্প ঃ**

তোমালোকৰ অঞ্চলত দেখা কেইখনমান চৰকাৰী বিজ্ঞাপনৰ ফলক চাই আঁচনিকেইখনৰ নাম তালিকাভুক্ত কৰা। আঁচনিবোৰৰ অধীনত চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে শিক্ষক-অভিভাৱকৰ লগত আলোচনা কৰি একোটিকৈ টোকা লিখা।

# পাঠ ২৫
# প্ৰান্তীয় গোট আৰু গণতান্ত্ৰিক অধিকাৰ

**শিকনৰ ফলাফল ঃ**

- প্ৰান্তীয় গোট সম্পৰ্কে ধাৰণা লাভ কৰিব।
- বিভিন্ন প্ৰান্তীয় গোটসমূহৰ বিষয়ে অৱগত হ'ব।
- প্ৰান্তীয় গোটসমূহৰ সমস্যাৰ বিষয়ে জানিব পাৰিব।
- প্ৰান্তীয় গোটসমূহৰ গণতান্ত্ৰিক অধিকাৰসমূহ বুজি পাব।

**ভাৰত** এখন নানা জাতি-উপজাতি, বিভিন্ন ধৰ্ম, বৰ্ণ, ভাষা, সংস্কৃতিৰে পৰিপূৰ্ণ দেশ। দেশৰ শান্তি, সমৃদ্ধি আৰু সামগ্ৰিক বিকাশত এই বিভিন্ন জনগোষ্ঠীৰ লোকসকলৰ উমৈহতীয়া অৱদান অপৰিহাৰ্য।

আমাৰ দেশক এখন সৰ্বোত্তম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ ভাৰতীয় সংবিধান দায়বদ্ধ । সংবিধানৰ দৃষ্টিত আমি সকলোৱে এক ভাৰতীয়। স্বাধীন ভাৰতত সকলো নাগৰিকে সংবিধান প্ৰদত্ত অধিকাৰসমূহ সমানে ভোগ কৰাৰ অধিকাৰ লাভ কৰিছে। ৰাষ্ট্ৰই দিয়া সুবিধাসমূহ দেশৰ সকলো নাগৰিকে সমানে ভোগ কৰিব পাৰিছে নে নাই তলৰ ছবি আৰু সংলাপৰ আলমত জানি লওঁ আহা—




বহু দিনৰ মূৰত প্ৰাণ ভৰি নাচিছো দেই। এনেদৰে ৰং ৰহইচেৰে জীৱনটো পাৰ কৰিব পাৰিলেই হয়
৩


ৰাইজ, আপোনালোকৰ বাবে এটা সুখবৰ আনিছোঁ।
৪
কণ্ডকটোন মহাশয়, খবৰটো কি ?
৫
বিশেষজ্ঞই জৰীপ কৰি আপোনালোকৰ অঞ্চলটোত চূণশিলৰ ভাণ্ডাৰ থকাৰ কথা নিশ্চিত কৰিছে। চৰকাৰে অচিৰেই ইয়াত এটা ডাঙৰ চিমেণ্ট কাৰখানা স্থাপন কৰাৰ কথা চিন্তা কৰিছে।
৬


৭ তেতিয়াহ'লে আমাৰ কি হ'ব ? আমি এই ঠাই এৰি ক'লৈ যাম ?
৮ আপোনালোকৰ একো ক্ষতি নহয় বাইড। চৰকাৰে আপোনালোকৰ মাটিৰ মূল্য দি বেলেগ ঠাইত সংস্থাপন কৰিব। তদুপৰি ভৱিষ্যতে এই কাৰখানাত আপোনালোকে কৰ্মসংস্থাপনো পাব।
৯ মাত্ৰ আপোনালোকে নিজৰ নিজৰ মাটিৰ কাগজপত্ৰ দেখুৱাব লাগিব।
১০ আমাৰতো মাটিৰ কোনো কাগজ-পত্ৰ নাই। এইখনৰ আমি ঘোপা-ককাৰ পৰা এনেকৈয়ে লাভ কৰিছোঁহক
১১


১২ সোনকালে কাম আৰম্ভ কৰা। আমাৰ হাতত সময় বৰ কম।







**ওপৰৰ ছবি আৰু সংলাপৰ আলমত উত্তৰ দিয়া—**

- ৰংপিহঁতে গাঁৱত কি কি কৰিছিল?
- চৰকাৰী বিষয়াজনে তেওঁলোকৰ ওচৰলৈ কি খবৰ লৈ আহিছিল?
- ৰংপি- ৰাভাহঁতক চৰকাৰৰ ফালৰপৰা কি দিয়াৰ আশ্বাস দিলে?
- ঘৰ-বাৰী এৰি গাঁৱৰ মানুহবোৰ ক'লৈ গ'ল?

ৰংপি-ৰাভাইতৰ দৰে আমাৰ সমাজৰ বহু লোকে মাজে-সময়ে এনেদৰে বিভিন্ন কাৰণত নিজৰ মাটি-ভেটি এৰি কোনোবা অজান, আওহতীয়া ঠাইলৈ যাবলগীয়া হয়। ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশ, নগৰীকৰণ আদি প্ৰক্ৰিয়াৰ ফলস্বৰূপে এই লোকসকলে নিজৰ স্থায়ী ভেটি এৰিবলৈ বাধ্য হৈ পৰে। পূৰ্বৰেপৰা আৰ্থ-সামাজিক আৰু শৈক্ষিক দিশত অনগ্ৰসৰ এই মানুহখিনিয়ে নিজৰ অধিকাৰ হেৰুৱাই দিশহাৰা হৈ পৰে। লাহে লাহে তেওঁলোকৰ জীৱন-জীৱিকাত আউল লাগে। সংস্থানহীন হৈ অ'ত-ত'ত সিঁচৰতি হৈ পৰা মানুহখিনি সমাজৰ মূল অংশৰপৰা বিচ্ছিন্ন হৈ পৰে।

এনেদৰে যুগ যুগ ধৰি তথাকথিত অৰ্থনৈতিক বিকাশ, নগৰীকৰণ আৰু আধুনিকীকৰণৰ স্বাৰ্থত সমাজৰ বহু লোক নিজৰ অধিকাৰৰপৰা বঞ্চিত হৈ আহিছে। ফলস্বৰূপে এই লোকসকল আৰ্থিক, সামাজিক সংকটৰ সন্মুখীন হৈ এক অৱহেলিত জীৱন কটাবলগীয়াত পৰিছে। কোনো এখন সমাজৰ আৰ্থিক, সামাজিক আৰু শৈক্ষিক অনগ্ৰসৰতাত ভোগা লোকসকলকে প্ৰান্তীয় গোট হিচাপে জনা যায়। ইয়াৰ উপৰি বয়স, লিঙ্গ আদিৰ ভিত্তিতে কেতিয়াবা কিছুমান ব্যক্তিসমষ্টি বা গোট প্ৰান্তীয় গোটলৈ ৰূপান্তৰিত হয়। এই প্ৰান্তীয় গোটৰ লোকসকলে সন্মুখীন হোৱা আটাইতকৈ গুৰুত্বপূৰ্ণ সমস্যাটো হৈছে অধিকাৰ সম্পৰ্কীয়। অৰ্থাৎ, এই গোটৰ অন্তৰ্গত লোকসকলে আৰ্থ-সামাজিক বা আন বিভিন্ন কাৰণত নিজৰ প্ৰাপ্য অধিকাৰৰপৰা বঞ্চিত হয়। ফলত তেওঁলোকৰ বিকাশৰ ধাৰাও ব্যাহত হয়। সেয়েহে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত প্ৰকৃত অৰ্থত সমতা স্থাপনৰ বাবে প্ৰান্তীয় গোটৰ লোকসকলৰ সমস্যা চিনাক্ত কৰা আৰু তেওঁলোকৰ বিকাশৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰাটো অতি প্ৰয়োজন। ওপৰত উল্লিখিত কাৰণৰ উপৰি মাজে সময়ে আন কিছুমান কাৰণতো মানুহে নিজৰ বসবাস, জীৱন-জীৱিকা সলনি কৰিবলগীয়াত পৰে। তেনেকুৱা কেইটামান উল্লেখযোগ্য কাৰণ তলত আলোচনা কৰোঁ আহা -



অসম চাহখেতিৰ বাবে পৃথিবী বিখ্যাত। ব্ৰিটিছৰ দিনৰেপৰা অসমত চাহ উদ্যোগ গঢ় লৈ উঠে। সেই সময়ৰ ব্ৰিটিছসকলে অসমৰ মাটি চাহখেতিৰ বাবে উপযোগী বুলি জানি অসমৰ বৃহৎ এলেকাত চাহখেতি কৰিবলৈ ল'লে। চাহখেতিৰ বাবে তেওঁলোকক পৰ্যাপ্ত পৰিমাণৰ বনুৱাৰ প্ৰয়োজন হ'ল। থলুৱা বনুৱাৰ নাটনিৰ ফলত তেওঁলোকে ভাৰতৰ মধ্যভাগৰপৰা হাজাৰ হাজাৰ বনুৱাৰ আমদানি কৰিলে। দেশৰ আন অঞ্চলৰপৰা অহা এই বনুৱাসকলেও নিজৰ গাঁও, সমাজ সকলো এৰি দূৰ প্ৰান্তৰ চাহবাগিচা অঞ্চলত বসবাস কৰিবলৈ ল'লে। আমি সকলোৱে জানো যে চাহ উদ্যোগে আমাৰ দেশৰ অৰ্থনীতিত বিশেষ অৱদান আগবঢ়াইছে। কিন্তু সেই অৰ্থনৈতিক বিকাশৰ অংশীদাৰ সকলোৱে সমানে হ'ব পৰা নাই। চাহ বনুৱাসকল আৰ্থিক আৰু শৈক্ষিকভাৱে যথেষ্ট অনগ্ৰসৰ। তেওঁলোকৰ কামৰ বাবদ মজুৰি কিমান হ'ব নিজে ঠাৱৰ কৰিব নোৱাৰে। ফলস্বৰূপে অতি কম মজুৰিত তেওঁলোকে বাগিচাত কাম কৰিবলৈ বাধ্য হয়। আনহাতে বনুৱাসকলৰ মাজত সামাজিক সচেতনতাৰ অভাৱ হেতুকে উপযুক্ত শিক্ষা, স্বাস্থ্য আৰু সুস্থ পাৰিপাৰ্শ্বিক পৰিৱেশ এটা গঢ় ল'ব নোৱাৰে যাৰ বাবেও তেওঁলোকে নিঃস্ব আৰু অৱহেলিত জীৱন-যাপন কৰিবলগীয়া হয়। এই মানুহখিনি সমাজৰ মূলসুঁতিৰপৰা এতিয়াও বহু দূৰত।

আমি জানো যে বৃহৎ নদীবান্ধ আঁচনিৰ দ্বাৰা বিদ্যুৎ উৎপাদন, বানপানী নিয়ন্ত্ৰণ, জলসিঞ্চন আদিৰ দৰে জনকল্যাণমূলক সুবিধাবোৰ লাভ কৰিব পাৰি। তদুপৰি সেই অঞ্চলৰ আৰ্থ-সামাজিক দিশতো এই বান্ধৰ প্ৰভাৱ পৰিলক্ষিত হয়। থলুৱা নিবনুৱাসকলে সংস্থাপনৰ সুবিধা পায়।

কিন্তু এই বৃহৎ নদীবান্ধৰ অন্য এটা দিশো আছে। নদী বান্ধৰ ওপৰৰ অংশত পানী জমা কৰি ৰাখিবলৈ এক বিস্তৃত এলেকাৰ প্ৰয়োজন হয়। আনহাতে বান্ধৰ নামনি অংশত বাস কৰা লোক সকলো নানা অসুবিধাৰ সন্মুখীন হয়। নদীৰ পানীভাগক ওপৰ অংশত আবদ্ধ কৰি ৰখা বাবে তলৰ কৃষিজীৱী লোকসকলে কৃষিৰ বাবে প্ৰয়োজনীয় পানী নাপায়। নৈৰ পানী তৰাং হোৱাৰ লগে লগে তাত থকা মাছ-পুঠি, বিভিন্ন জলচৰ প্ৰণীসমূহৰো বিলুপ্তি ঘটে।



নৈপৰীয়া মাছমৰীয়া লোকসকলৰ জীৱিকাত বাধা আহি পৰে। জলপথেৰে আহ-যাহ কৰা লোকসকলৰ যাতায়াততো বিজুতি ঘটে। মুঠৰ ওপৰত সেই অঞ্চলৰ পাৰিপাৰ্শ্বিক ভাৰসাম্যতা বহুগুণে হ্ৰাস পায়।

## প্ৰান্তীয় গোটৰ অনগ্ৰসৰতাৰ কাৰক ঃ

তোমালোকে ইতিমধ্যে বুজি পাইছাহি যে সমাজত কিছুমান মানুহ অনগ্ৰসৰতাৰ সন্মুখীন হয়। আনকি গণতান্ত্ৰিক ৰাষ্ট্ৰত য'ত সমতা,ন্যায়, স্বাধীনতা আদিয়ে মূল নীতি, তাতো কিছুমান মানুহ বৈষম্যতাৰ আৰু অনগ্ৰসৰতাৰ সন্মুখীন হয়। প্ৰান্তীয় গোটবোৰেই ইয়াৰ সঠিক উদাহৰণ। প্ৰান্তীয় গোটৰ অনগ্ৰসৰতাৰ আঁৰত কিছুমান কাৰক থাকে। তাৰ ভিতৰত কেইটামান গুৰুত্বপূৰ্ণ কাৰক হ'ল-

- সামাজিক সচেতনতাৰ অভাৱ
- ৰাজনৈতিক প্ৰতিনিধিত্বহীনতা
- অৰ্থনৈতিক অনগ্ৰসৰতা
- শিক্ষাৰ অভাৱ
- জনসংখ্যাগত দুৰ্বলতা

ওপৰোক্ত কাৰণত পাছপৰি ৰোৱা প্ৰান্তীয় গোটসমূহে বিভিন্ন সময়ত সমাজৰ অন্য লোকে সন্মুখীন নোহোৱা কিছুমান নিৰাপত্তাগত সমস্যাৰো সন্মুখীন হ'ব লগা হয় যেনে- স্থানান্তৰৰ সমস্যা, নতুন ঠাইত সংস্থাপনৰ পাছত সন্মুখীন হ'ব লগীয়া সামাজিক নিৰাপত্তাগত , জীৱিকাৰ সমস্যা ইত্যাদি। ইয়াৰ উপৰি বিভিন্ন সময়ত দেখা যায় যে উচ্ছেদিত হোৱাৰ পিছত বহু লোকে সংস্থাপনৰ সুবিধাও লাভ কৰিবলৈ সমৰ্থ নহয়। তোমালোকে ৰংপি / ৰাভাইতৰ কথোপকথনখিনি মন কৰিবাছোন। তাত গম পাবা কেনেকৈ চৰকাৰী বিষয়া জনে সংস্থাপনৰ সুবিধা লাভৰ বাবে গাঁৱৰ মানুহ খিনিক মাটিৰ কাগজ-পত্ৰৰ প্ৰয়োজনীয়তাৰ কথা কৈছে । ৰাভাইতৰ গাঁৱৰ মানুহজনে মাটিৰ ক্ষেত্ৰত তেওঁলোকে পৰম্পৰাৰ ওপৰতহে নিৰ্ভৰ কৰাৰ কথা কৈছে আৰু সেয়ে মাটিৰ কাগজ জমা দিব নোৱাৰাটো অসহায় ভাবে জনাইছে। ফলস্বৰূপে তাত অতি সহজে উচ্ছেদ হৈছে আৰু কাৰখানা গঢ়ি উঠিছে । ৰংপি/ ৰাভাইত তাৰ পৰা নতুন ঠাই আৰু জীৱিকাৰ সন্ধানত গুলাই গৈছে। বহুতো প্ৰান্তীয় গোটে বৰ্তমান সময়ত এনেকুৱা সমস্যাৰ সন্মুখীন হৈ থকা দেখা যায়।

**উত্তৰ লিখা ঃ**

- প্ৰান্তীয় গোট হিচাপে কোনবোৰ মানুহক অভিহিত কৰিব পাৰি?
- চাহ মজদুৰ সকলক অসমলৈ কোনে আনিছিল?
- বৃহৎ নদীবান্ধৰপৰা কি কি উপকাৰ হয়?
- প্ৰান্তীয় গোটৰ অনগ্ৰসৰতাৰ কাৰকসমূহ কি?

ওপৰৰ আলোচনাৰপৰা তোমালোকে জানিব পাৰিলা যে এই লোকসকল কেৱল এটা কাৰণতে প্ৰান্তীয় গোটলৈ ৰূপান্তৰিত হোৱা নাই। প্ৰতিটো গোটৰে সমস্যা আৰু অভিজ্ঞতাসমূহ বেলেগ বেলেগ। বিভিন্ন কাৰণত তেওঁলোক নানা সমস্যাত জৰ্জৰিত হৈ বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হয়।

এখন সমাজৰ সামগ্ৰিক বিকাশে সমাজৰ সকলো শ্ৰেণীৰ সকলো অংশৰ লোককে সাঙুৰি লয়। দেশৰ বিকাশত ভাগ ল'বলৈ প্ৰতিজন নাগৰিকেই দায়বদ্ধ। প্ৰান্তীয় গোটৰ লোকসকলো ইয়াৰপৰা বাদ পৰি নাযায়। কিন্তু সেইসকল লোকৰ অৰিহণা পাবলৈ হ'লে তেওঁলোককো সমাজৰ মূল অংশৰ মানুহৰ দৰে সমান সুবিধা, মৰ্যাদা আৰু অধিকাৰ প্ৰদান কৰা প্ৰয়োজন। এই উদ্দেশ্য আগত ৰাখি আমাৰ দেশৰ সংবিধানে কিছুমান বিশেষ সুবিধাৰ অৱকাশ ৰাখিছে। যেনে—

(ক) যদিহে প্ৰান্তীয় গোটৰ লোকে তেওঁলোকৰ মৌলিক অধিকাৰ খৰ্ব হোৱা বুলি অনুভৱ কৰে তেনেহ'লে ন্যায়িকভাৱে সেই অধিকাৰ পূৰ কৰাৰ দাবী উত্থাপন কৰিব পাৰে।

(খ) বিভিন্ন জনজাতিসকলৰ শৈক্ষিক বিকাশৰ বাবে শিক্ষানুষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠানসমূহত আসন সংৰক্ষণ কৰা হৈছে।

(গ) জনজাতি আৰু অনুসূচীত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চশিক্ষাৰ বাবে বিশেষ জলপানিৰ সুবিধা প্ৰদান কৰা হৈছে।

(ঘ) অসমৰ চাহ জনগোষ্ঠীসকলৰ সুৰক্ষাৰ বাবে 'অসম চাহ শ্ৰমিক কল্যাণ পৰিষদ' আছে।

(ঙ) জনজাতি লোকসকলৰ বাবে ভূমি সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

(চ) অস্পৃশ্যতা বৰ্জন আইনৰ অধীনত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত মিলামিছাৰ সুবিধা প্ৰদান কৰা হৈছে।

(ছ) সংখ্যালঘু লোকসকলৰ ভাষা-সংস্কৃতিৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি সংবিধানে তাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে।

(জ) শিক্ষাৰ অধিকাৰ আইন ২০০৯ৰ অধীনত সমাজৰ কোনো ল'ৰা-ছোৱালী প্ৰাথমিক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত হ'ব নোৱাৰাটো নিশ্চিত কৰিছে।

তোমালোক আটায়ে জানা যে অসমত বিভিন্ন জাতি-জনজাতি, ভাষা-ভাষীলোকে একেলগে বাস কৰে। এই লোকসকলৰ নিজা নিজা ৰীতি-নীতি, সংস্কৃতি, পৰম্পৰা আদি আছে। আমাৰ সংবিধানে এই জাতীয় বৈশিষ্ট্যসমূহৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে। তদুপৰি জনজাতি লোকসকলৰ উন্নয়নৰ বাবে বিশেষ সুবিধা প্ৰদান কৰিছে। জনজাতিসকলৰ আৰ্থ-সামাজিক উন্নতিৰ বাবে স্বায়ত্ত শাসনৰ ব্যৱস্থা কৰিছে। ভৈয়ামৰ জনজাতিসকলৰ কাৰণে স্বায়ত্ত শাসিত পৰিষদ আৰু পাহাৰৰ জনজাতিসকলৰ কাৰণে স্বায়ত্ত শাসিত জিলা পৰিষদ গঠন কৰা হৈছে যাতে এই লোকসকলে সংবিধান প্ৰদত্ত অধিকাৰসমূহ সমানে ভোগ কৰিব পাৰে। অসমৰ পাৰ্বত্য জনজাতি অধ্যুষিত অঞ্চলৰ কাৰ্বিসকলৰ বাবে কাৰ্বি আংলং জিলা পৰিষদ আৰু ডিমাছাসকলৰ বাবে উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদ গঠন কৰা হৈছে। বড়োসকলৰ স্থানীয় স্বায়ত্তশাসনৰ বাবে বড়োলেণ্ড টেৰিটৰীয়েল কাউন্সিল (বি. টি. চি) আৰু মিচিং, তিৱা, লালুং, ৰাভা, দেউৰী আদি জনজাতিসকলৰ বাবেও স্বায়ত্তশাসিত পৰিষদৰ ব্যৱস্থা আছে।

গণতন্ত্ৰৰ প্ৰধান লক্ষ্য দেশ আৰু জনসাধাৰণৰ উন্নতি সাধন। এই লক্ষ্যত উপনীত হ'বলৈ হ'লে আমি সকলোৱে গণতান্ত্ৰিক অধিকাৰৰ সমান অংশীদাৰ হ'ব লাগিব। আমাৰ দেশৰ উন্নতি তেতিয়াহে সম্ভৱ হ'ব যেতিয়া সমাজৰ সকলো শ্ৰেণীৰ লোকে সমানে আগবাঢ়ি যাব আৰু দেশৰ উন্নতিত অৰিহণা আগবঢ়াব।

## মনত ৰাখিবলগীয়া কথা ঃ

১। আৰ্থিক, সামাজিক আৰু শৈক্ষিক অনগ্ৰসৰতাত ভোগা লোকসকলকে প্ৰান্তীয় গোট হিচাপে অভিহিত কৰিব পৰা যায়।

২। অৰ্থনৈতিক বিকাশ, নগৰীকৰণ আৰু আধুনিকীকৰণৰ স্বাৰ্থত সমাজৰ বহু লোকে নিজৰ নিজৰ প্ৰাপ্য অধিকাৰ-ৰ পৰা বঞ্চিত হ'ব লগা হয়।

৩। সচেতনতা, শিক্ষা, ৰাজনৈতিক প্ৰভাৱ আদিৰপৰা বঞ্চিত হোৱাৰ বাবে বহু লোক সমাজত প্ৰান্তীয় গোট হিচাপে পৰিণত হয়।

৪। আমাৰ দেশৰ অৰ্থনৈতিক বা সামাজিকভাৱে পাছপৰি থকা লোকসকলৰ সৰ্বতোপ্ৰকাৰ উন্নতিৰ বাবে ভাৰতৰ সংবিধানে কিছুমান বিশেষ সুবিধা প্ৰদান কৰিছে।

৫। গণতান্ত্ৰিক লক্ষ্যত উপনীত হ'বলৈ সকলো নাগৰিকে গণতান্ত্ৰিক অধিকাৰৰ সমান অংশীদাৰ হ'ব লাগিব।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) প্ৰান্তীয় গোট কাক বোলে?

(খ) অসমৰ চাহখেতিৰ বাবে ব্ৰিটিছসকলে ক'ৰপৰা বনুৱা আমদানি কৰিছিল?

(গ) কোনখন আইনমতে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হয়?

(ঘ) বৃহৎ নদীবান্ধৰপৰা কি অপকাৰ হ'ব পাৰে?

২। উত্তৰ লিখা —

(ক) কি কি কাৰণত প্ৰান্তীয় গোটৰ সৃষ্টি হ'ব পাৰে? তেওঁলোকৰ প্ৰধান সমস্যাসমূহ কি কি?

(খ) জনজাতি আৰু অনুসূচিত জাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সংবিধানে কি কি বিশেষ সুবিধা প্ৰদান কৰিছে?

(গ) পাৰ্বত্য অঞ্চলৰ জনজাতিসকলৰ বাবে কেনেধৰণৰ স্বায়ত্বশাসন আছে? দুখনৰ নাম লিখা।

৩। খালী ঠাই পূৰ কৰা—

(ক) সংবিধানৰ দৃষ্টিত আমি সকলোৱে এক__________।

(খ) __________ মাটি চাহ খেতিৰ বাবে উপযোগী।

(গ) দেশৰ বিকাশত ভাগ ল'বলৈ প্ৰতিজন নাগৰিকেই __________।

(ঙ) সংখ্যালঘু লোকসকলৰ __________ ক গুৰুত্ব প্ৰদান কৰি সংবিধানে তাৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰিছে।

(চ) মানুহে শস্যও উৎপাদন কৰিব নোৱাৰে__________উৎপাদন কৰিব নোৱাৰে।

৪। শুদ্ধ অশুদ্ধ বাছি উলিওৱা-

(ক) অন্য প্ৰান্তৰপৰা অহা ছাত্ৰ-ছাত্ৰীৰ লগত বন্ধুত্ব কৰিম ।

(খ) বেলেগ বেলেগ ৰীতি-নীতিৰে চলা মানুহক অৱহেলা কৰিম।

(গ) দেশৰ সকলোৰে মংগলৰ বাবে চৰকাৰৰ লগত সহযোগিতা কৰিম।

(ঘ) আমি আন ব্যক্তিক শ্ৰদ্ধা, মৰম, সন্মান জনালেহে আমিও স্নেহ পাম।

(ঙ) প্ৰাকৃতিক দুৰ্যোগ হ'লে আমি পৰস্পৰে পৰস্পৰক সহায় নকৰো।

**প্ৰকল্প ঃ** তোমালোকৰ অঞ্চলত কোনো প্ৰান্তীয় গোট আছে নেকি আৰু তেওঁলোকৰ অধিকাৰবোৰ ভংগ হৈছে নেকি- তাৰ ওপৰত এটা প্ৰতিবেদন যুগুত কৰা।